মধ্য বিংশ শতিকাৰ
অসমীয়া সাহিত্য

সম্পাদক
তফজ্জুল আলি

STATE CENTRAL LIBRARY
ASSAM

অভ্যৰ্থনা সমিতি : ৪১শ অধিবেশন
অসম সাহিত্য সভা
মঙলদৈ : অসম

MADHYA BINGSHA SATIKAR ASAMIYA SAHITYA: A collection of critical articles on different branches of Assamesc literature of the mid twentieth century edited by Tafazzul Ali and published by Shri Ramesh Saharia, General Secretary, Reception Committee, 41st Annual Session, (1974) of the Assam Sahitya Sabha, Mangaldai, Assam. February, 1974 : Price Rs. 8·00.

প্ৰথম সংস্কৰণ ঃ
ফেব্ৰুৱাৰী, ১৯৭৪

প্ৰকাশক ঃ
শ্ৰীৰমেশ চহৰীয়া,
সাধাৰণ সম্পাদক, অভ্যৰ্থনা সমিতি,
অসম সাহিত্য সভাৰ ৪১শ অধিৱেশন,
মঙ্গলদৈ, অসম।

মুদ্ৰক ঃ
শ্ৰীগুৰু প্ৰেছ,
মালিগাওঁ, গুৱাহাটী—১১

মূল্য—আঠ টকা

মধ্য বিংশ শতিকাৰ অসমীয়া সাহিত্য
সংকলন উপ-সমিতি

সভাপতি :

শ্ৰীঅতুলচন্দ্ৰ বৰুৱা।

সম্পাদক :

তফজ্জুল আলি।

সদস্যসকল :

শ্ৰীকমললোচন দাস
শ্ৰীভদ্ৰ বৰা
শ্ৰীপঞ্চানন চহৰীয়া
এম্ ইব্ৰাহীম আলি
শ্ৰীসমৰেন্দ্ৰনাৰায়ণ দেৱ
শ্ৰীনকুল দাস
শ্ৰীঅনিল দাস
শ্ৰীনৱ হাজৰিকা
শ্ৰীকৈলাশ শৰ্মা

সম্পাদকৰ দুআষাৰ

অসম সাহিত্য সভাৰ একচত্বাৰিংশ বাৰ্ষিক অধিৱেশন পৰিচালনাৰ বাবে মঙ্গলদৈত সংগঠিত অভ্যৰ্থনা সমিতিয়ে অধিৱেশন উপলক্ষে স্মৃতিগ্ৰন্থৰ উপৰি এখনি সাহিত্য বিষয়ক আলোচনা গ্ৰন্থও প্ৰকাশ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। সেই উদ্দেশ্যে শ্ৰীঅতুলচন্দ্ৰ বৰুৱাক সভাপতি স্বৰূপে লৈ এখন উপ-সমিতি গঠন কৰি দিয়ে। ১৯৭৩ চনৰ অক্টোবৰ মাহৰ শেষ ভাগত আমি এই দায়িত্ব গ্ৰহণ কৰোঁ আৰু ১৯৭৪ চনৰ ফেব্ৰুৱাৰী মাহৰ দ্বিতীয় সপ্তাহতে হবলগীয়া অধিৱেশনৰ সময়ত প্ৰকাশ কৰিব পৰাকৈ কেনে ধৰণৰ সংকলন উলিয়াব পৰা যায় সেই বিষয়ে চিন্তা কৰোঁ। আলোচনা কৰি উপ-সমিতিৰ সকলো সদস্যৰ সন্মতি ক্ৰমে সিদ্ধান্ত লোৱা হয় যে পৰস্পৰ সম্পৰ্কহীন বিক্ষিপ্ত ধৰণৰ প্ৰবন্ধৰ এটি সংকলন উলিওৱাতকৈ কোনো এক নিৰ্দিষ্ট দৃষ্টিভঙ্গীৰে সম্পাদিত প্ৰবন্ধৰ সংকলন এটি যুগুত কৰিবলৈ প্ৰচেষ্টা চলোৱা হওক। সেই প্ৰচেষ্টাৰে আংশিক ফল এই "মধ্য বিংশ শতিকাৰ অসমীয়া সাহিত্য।" ১৯৬৭ চনত শ্ৰীহোমেন বৰগোহাঞিৰ সম্পাদনাত অসম সাহিত্য সভাই "বিংশ শতাব্দীৰ অসমীয়া সাহিত্য" নামেৰে এখনি গ্ৰন্থ প্ৰকাশ কৰে। এই গ্ৰন্থত আধুনিক অসমীয়া সাহিত্যৰ ভালেখিনি বিষয় সামৰা হৈছিল যদিও সেই ক্ষেত্ৰত যথেষ্ট আলোচনাৰ অৱকাশ থকা বুলি অনুভৱ কৰা হৈছে। সেইবাবেই উক্ত গ্ৰন্থৰ পৰিপূৰক হিচাপে অসম সাহিত্য সভাৰেই অধিৱেশন উপলক্ষে "মধ্য বিংশ শতিকাৰ অসমীয়া সাহিত্য" যুগুত কৰিবলৈ চেষ্টা কৰা হৈছে। গ্ৰন্থৰ নাম সাহিত্য সভাৰ মঙ্গলদৈ অধিৱেশন (১৯৭৪)ৰ নিৰ্বাচিত সভাপতি ডঃ মহেশ্বৰ নেওগদেৱৰ পৰামৰ্শ অনুসৰি দিয়া হৈছে। এই গ্ৰন্থৰ বাবে মাত্ৰ দুমাহ মানৰ ভিতৰতে লিখকসকলৰপৰা প্ৰবন্ধ সংগ্ৰহ কৰি ছপা আদি যাৱতীয় কাম সামাধা কৰিব লগীয়া হৈছে। ইমান কম সময়ৰ ভিতৰত বহল আঁচনি এখন কাৰ্যত ৰূপায়িত কৰা যে বৰ কঠিন কাম তাক অভিজ্ঞ লোকমাত্ৰেই বুজিব। লিখকসকলকো প্ৰবন্ধ ৰচনাৰ বাবে

প্ৰয়োজনীয় সময় দিব পৰা নহ'ল। তথাপি আমি অনুৰোধ কৰা প্ৰায় সকলো লিখকে আন্তৰিকতা, স্নেহ আৰু সদিচ্ছাৰে আমাৰ প্ৰচেষ্টাত সহযোগিতা আগবঢ়াইছে। আমাৰ এই প্ৰচেষ্টাৰ আংশিক সফলতাৰ বাবে প্ৰাপ্য কৃতিত্বৰ অধিকাৰী প্ৰকৃততে এই নিঃস্বাৰ্থ লিখকসকল। এইখিনিতে তেখেতসকললৈ আমাৰ আন্তৰিক কৃতজ্ঞতাৰ শৰাই নিবেদন কৰিলোঁ।

সম্পাদনাৰ ক্ষেত্ৰত আমি এই শতিকাৰ পঞ্চম দশকৰ আৰম্ভণিৰে (১৯৪১) পৰা অষ্টম দশকৰ আৰম্ভণিলৈ (১৯৭৩)—এই কালছোৱাৰ ভিতৰত আমাৰ সাহিত্যৰ বিভিন্ন শাখাৰ বিষয়ে যিমানখিনি সম্ভৱ আলোচনা আগবঢ়াবলৈ যত্ন কৰিছোঁ। আকৌ একেটা বিষয়তে প্ৰবীন আৰু নবীনসকলৰ অভিমত একেলগে সমান্তৰাল ভাবে দাঙি ধৰিবলৈয়ো যত্ন কৰিছোঁ, যাতে সাহিত্যানুৰাগী পাঠকে ভিন্ন দৃষ্টিৰ মাজত বিভিন্ন স্বাদ গ্ৰহণ কৰিব পাৰে এই আশাৰে। তথাপি বহু গুৰুত্বপূৰ্ণ বিষয় বৈ গ'ল লিখক সকলৰপৰা যথাসময়ত ৰচনা নোপোৱা বাবে। তদুপৰি সময়ৰ অভাৱত মুৰামুৰি সময়ত আমাৰ হাতত পৰা কেইবাটাও প্ৰবন্ধ প্ৰকাশ কৰিব পৰা নহ'ল। এনে অনিচ্ছাকৃত কাৰ্যৰ বাবে সেই সকল লিখকৰ ওচৰত আমি ক্ষমা প্ৰাৰ্থনা কৰিছোঁ। সংকলনটিৰ ছপাৰ কাম অতি খৰতকীয়াকৈ কৰিবলগীয়া হোৱাত বহুতো ছপাৰ ভুল বৈ গ'ল। তাৰ বাবেও লিখক আৰু পাঠক সকলৰপৰা ক্ষমা প্ৰাৰ্থনা কৰিছোঁ আৰু আশা কৰিছোঁ যে সকলোৱে সহৃদয় সহানুভূতিৰে আমাৰ এই ক্ষুদ্ৰ প্ৰচেষ্টাক আদৰণি জনাব।

গ্ৰন্থখনিৰ সম্পাদনাত সংকলন উপ-সমিতিৰ সভাপতি সুসাহিত্যিক শ্ৰীঅতুলচন্দ্ৰ বৰুৱাদেৱে প্ৰবন্ধ সংগ্ৰহৰে পৰা প্ৰেছৰ ব্যৱস্থালৈকে সকলো প্ৰকাৰে সহায় সহযোগিতা কৰি মোৰ চিৰ কৃতজ্ঞতাৰ পাত্ৰ হৈছে। "সাপ্তাহিক নীলাচল"ৰ সহকাৰী সম্পাদক শ্ৰীকমললোচন দাসে প্ৰেছৰ যাৱতীয় কামত মোক নানা প্ৰকাৰে সহায় কৰিছে। তেওঁলৈ মোৰ আন্তৰিক ধন্যবাদ জনাইছোঁ। এইখিনিতে সহায়-সহযোগিতাৰ বাবে সংকলন উপ-সমিতিৰ সকলো সদস্যলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। অধ্যাপক নন্দ তালুকদাৰে লিখকসকলৰ চমু জীৱনী যুগুত কৰাত যথেষ্ট সহায় আগবঢ়োৱাৰ উপৰিও নানাভাৱে সহায় কৰিছে। তেওঁলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ। অধ্যাপক তৰুণ বৰা, শ্ৰীমহেন্দ্ৰ

ৰৰঠাকুৰ, শ্ৰীসুৰেন গোস্বামী, শ্ৰীনৰেন হাজৰিকা, শ্ৰীভুবন মহন্তই সংকলনৰ নানা কামত নানাভাৱে সহায় কৰিছে। তেওঁলোকলৈ অন্তৰৰ শলাগ জনালোঁ। গ্ৰন্থৰ পাণ্ডুলিপি প্ৰস্তুত কৰোঁতে মোৰ মৰমৰ ছাত্ৰ সৰ্বশ্ৰী গণেশ লেখাৰু, বীৰেন পাটগিৰি, ৰতিকান্ত ডেকা, হেমন্তকুমাৰ মহন্ত, জ্যোতিপ্ৰসাদ ভূঞা আৰু গোবিন্দ গোস্বামীয়ে মোক যথেষ্ট সহায় কৰা বাবে তেওঁলোকলৈ সস্নেহ ধন্যবাদ জনালোঁ। মঙ্গলদৈৰ অভ্যৰ্থনা সমিতিৰ উদ্যোগ অবিহনে এই সংকলন সম্ভৱ নহ'লহেঁতেন। তাৰ বাবে অভ্যৰ্থনা সমিতিৰ সাধাৰণ সম্পাদক শ্ৰীৰমেশ চহৰীয়া প্ৰমুখ্যে সকলো বিষয়ববীয়ালৈ আন্তৰিক কৃতজ্ঞতা আগবঢ়ালোঁ।।

বহু অসুবিধাৰ মাজত পাৰ্যমানে চেষ্টা কৰি এই সংকলনটি সময় মতে প্ৰকাশ কৰিবলৈ যত্ন কৰিছোঁ। সুধী পাঠকসমাজে ইয়াৰ গুণাগুণ বিচাৰ কৰিব।

বিনীত

৩১।১।৭৩
মঙ্গলদৈ,
অসম।

মধ্যবিংশ শতিকাৰ অসমীয়া সাহিত্য

সূচীপত্ৰ

১। অসমীয়া সাহিত্যৰ এই-বাৰ পঁচিশটা বছৰ	শ্ৰীমহেশ্বৰ নেওগ	১
২। স্বাধীনতাৰ পাছৰ অসমীয়া উপন্যাস	শ্ৰীসত্যেন্দ্ৰনাথ শৰ্মা	৮
৩। আমাৰ সাহিত্যত অসমীয়া জীৱনৰ ছবি	শ্ৰীমহেন্দ্ৰ বৰঠাকুৰ	২১
৪। উপন্যাস আৰু জনজীৱন	শ্ৰীনলিনীধৰ ভট্টাচাৰ্য	৩৯
৫। অসমীয়া কবিতাৰ ধাৰা	শ্ৰীহীৰেন্দ্ৰনাথ দত্ত	৪৭
৬। অসমীয়া কবিতাত ইংৰাজী প্ৰভাৱ	শ্ৰীহৰিদত্ত শৰ্মা	৬২
৭। অসমীয়া কবিতাৰ ছন্দ	শ্ৰীমহেন্দ্ৰ বৰা	৭৭
৮। যুদ্ধৰ পাছৰ অসমীয়া সমালোচনা	শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী	৯৮
৯। আধুনিক অসমীয়া সমালোচনাৰ ধাৰা	ইমদাদ উল্লাহ	১০৫
১০। তিনি দশকৰ অসমীয়া "নিবন্ধ"	শ্ৰীমুনীন বৰকটকী	১২১
১১। ৰচনাৰ কথা	শ্ৰীতিলক হাজৰীকা	১৪০
১২। অসমীয়া সাহিত্যত যুগ পৰিবৰ্তন	শ্ৰীহীৰেণ গোহাঁই	১৪৬
১৩। তিনি দশকৰ অসমীয়া নাট্যধাৰা	শ্ৰীসত্যপ্ৰসাদ বৰুৱা	১৫৮
১৪। অসমীয়া নাটকত সমাজ-চেতনা	শ্ৰীঅৰুণ শৰ্মা	১৬৬
১৫। অসমত জনকৃষ্টিৰ চৰ্চা	শ্ৰীপ্ৰফুল্লদত্ত গোস্বামী	১৭৩
১৬। অসমীয়া সাহিত্যৰ বুৰঞ্জী	শ্ৰীশশী শৰ্মা	১৭৮
১৭। অভিধান আৰু অসমীয়া অভিধানৰ পৰম্পৰা	শ্ৰীঅতুল চন্দ্ৰ বৰুৱা	১৯১
১৮। পুৰণি অসমীয়া সাহিত্য আলোচনাৰ পৰ্যালোচনা	শ্ৰীহৰিনাথ শৰ্মাদলৈ	২০৭
১৯। জীৱনী সাহিত্য	শ্ৰীনন্দ তালুকদাৰ	২২২
২০। অসমীয়া আলোচনী	শ্ৰীযোগেশ দাস	২৩৯
২১। অসমীয়া চুটিগল্পৰ আঙ্গিক	চৈয়দ আব্দুল মালিক	২৫৫

২২। অসমীয়া সাহিত্য আৰু সংবাদপত্ৰ	শ্ৰীকমল গগৈ	২৬০
২৩। অনুবাদ সাহিত্য	শ্ৰীযতীন গোস্বামী	২৭২
২৪। সঙ্গীত বিষয়ক আলোচনা	শ্ৰীবীৰেন্দ্ৰনাথ দত্ত	২৭৯
২৫। অসমীয়া গীতি-সাহিত্য	শ্ৰীপূৰেন গোস্বামী	২৮৮
২৬। আধুনিক অসমীয়া গীত	শ্ৰীমুক্তিনাথ বৰদলৈ	২৭৯
২৭। অসমীয়া ভ্ৰমণ-কাহিনী	শ্ৰীহেমন্তকুমাৰ শৰ্মা	৩০১
২৮। অসমীয়া ভাষাৰ বৈভৱ আৰু যুদ্ধোত্তৰ যুগৰ ভাষা	শ্ৰীতীৰ্থনাথ শৰ্মা	৩১৪
২৯। অসমীয়া ভাষাতাত্ত্বিক আলোচনা	শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য	৩২৫
৩০। অসমীয়া বিজ্ঞান বিষয়ক আলোচনা	শ্ৰীকালীনাথ শৰ্মা	৩৩০
৩১। অসমীয়া সাহিত্যত বিভিন্ন ভাষাদৰ্শৰ সংমিশ্ৰণ	আবদুছ চাত্তাৰ	৩৩৭
৩২। অসমীয়া সাহিত্য আৰু জন-জীৱন	শ্ৰীঅৱনীন্দ্ৰচন্দ্ৰ বৰা	৩৪২
৩৩। সাহিত্য অনুষ্ঠানৰ অৱিহনা	শ্ৰীগুৰুদত্ত ভাগৱতী	৩৪৭

অসমীয়া সাহিত্যৰ এই-মায় পঁচিশটা বছৰ

শ্ৰীমহেশ্বৰ নেওগ

বৰ্তমান অসমীয়া সাহিত্যক বুজাবলৈ যুদ্ধোত্তৰ, সাম্প্ৰতিক আদি শব্দ ব্যৱহাৰ কৰা হৈ আহিছে। দ্বিতীয় মহাযুদ্ধৰ সামৰণিৰ পৰা সময়ৰ অন্তত এই কালছোৱাৰ গণনা কৰা হয়। আজিৰপৰা পঁচিশ বছৰ উজাই ধৰিলে গুৱাহাটী বিশ্ববিদ্যালয় আৰু গুৱাহাটী-শ্বিলং কেন্দ্ৰত আকাশবাণীৰ জন্মৰ বছৰটো পাওঁ—১৯৪৮। সেইবাৰতে দেৱকান্ত বৰুৱাৰ 'নতুন অসমীয়া'ও ওলাল। এইকেইটা ঘটনাই স্বতন্ত্ৰভাৱে অসমীয়া সাহিত্যত ক্ৰান্তি সৃষ্টি কৰা নাই যদিও, এই সকলোবোৰ গোট খাই নতুন আশাৰ দিগন্ত উজলাই তুলিছিল, তাক স্বীকাৰ কৰিব লাগিব। ইতিমধ্যেই 'আৱাহন' 'বাঁহী'ৰ তথাকথিত ৰোমাণ্টিক সাহিত্যত ওলট-পালট লগাই, পিৰীতিৰ জাল ফালি যৌনতিৰ অগ্নিপ্ৰয়োগ কৰি, ৰোমান্টিকক পাৰিলে পৰিহাৰ কৰি 'প্ৰগতি-বাদী' বামপন্থী সমাজ-চেতনাৰ বাস্তৱবাদক সিংহাসনত বহুৱাবলৈ যত্ন কৰি, আঙ্গিকত মুক্তক-ছন্দ, গদ্য-স্পন্দক আদৰি চিৰাচৰিত কাব্য-ৰূপ বৰ্জন কৰি নতুন কবিতাক একপ্ৰকাৰ সংস্থাপন কৰা হৈ গৈছে, যাৰ ফলত ছন্দ খাই 'ৰোমান্টিক'সকল তাপ মাৰিছিল। ৰোমান্টিকৰ পকটো তেতিয়াও কিন্তু উঠিবৰ নৌ। তেতিয়াও সি তাৰ শ্ৰেষ্ঠখিনি কৰিবলৈ বাকী থৈ গ'ল। তথাপি 'সাগৰ দেখিছা'ৰ প্ৰকাশৰ লগে লগে যেন এই ৰোমান্টিক ভগা-সৰাহত কুৰুলি দিয়া শেষ কৰিলে। দেৱকান্তও 'যৌৱনৰ বিয়লি বেলিকা' নতুন ছন্দত ইতিহাস-বস্তুত উতলা হৈছে। ১৯৪৮ৰ পূৰ্বেই প্ৰকাশ পাইছিল অসমীয়া উপন্যাসৰ এটি শ্ৰেষ্ঠ দান 'জীৱনৰ বাটত'—য'ত কাহিনী শক্তি-শালী লোহোৰাতো চেতনা-স্ৰোতৰ দৰে চিত্ৰবোৰ গতিশীল। ঠিক ১৯৪৮ ছনতে ইতিহাসৰ প্ৰত্যয় দিব পৰা সংলাপ-শৈলীৰে 'পিয়লি ফুকন' ওলায়; কিন্তু সিও যেন বুৰঞ্জীমূলক নাটকৰ গৌৰৱৰ শেষ পানহে পালে। গল্পৰ ক্ষেত্ৰত নতুন বিষয় বা ভঙ্গিৰ বিকাশে এই সন্ধিক্ষণত দেখা নিদিলেও

'আৱাহন'ত গল্প কৈ কৈ ভাগৰা বয়স্কসকলে এতিয়া অঁতৰি পৰিবৰ সময় যেন অনুভৱ কৰিছিল। সিসকলৰ ভিতৰৰ শেহৰজন যাক বুলিব পাৰি সিজনৰ 'পৰশমণি' সংকলন দুবছৰ আগতে ওলাই গৈছে। মই থাপ মাৰি এবছৰকাল 'ৰামধেনু'ৰ সম্পাদক থকা সময়ত (১৯৫০) মালিক সক্রিয়, যোগেশ দাসে নিৰাভৰণ ভাষাৰ অৰ্থপূৰ্ণ ছবি আঁকি আছে, বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ লিখিকেল ভাষা আৰু মুক্তি-আন্দোলনৰ ৰোমান্টিক মোহ সনা 'কলং আজিও বয়' প্ৰকাশ কৰিছিলোঁ। আগৰ পুৰুষৰ লক্ষ্মীনাথ ফুকনে তেতিয়া 'ওফাইডঙীয়া' নতুন সুৰ বজাবলৈ ধৰিছিল। চিন্তাৰ ক্ষেত্ৰত ডক্টৰ কাকতিয়ে 'প্ৰাচীন কামৰূপৰ ধৰ্মৰ ধাৰা' আৰু 'সাহিত্য আৰু প্ৰেম'ৰ কাম সামৰি এই 'ৰামধেনু'তে ভাৱতত্ত্বৰ দুই-এক পৰ্যায়ৰ আলোচনা আৰম্ভ কৰিছিল। ইতিমধ্যেই ডেৰ বছৰতে কেঁচুৱাৰপৰা ডেকা হোৱা 'ৰংঘৰ'ৰ বুকত দুৰ্বা, দেৱকান্ত (আইৱন গলৰ 'কন্ধ', 'দুৰাৰ মুকলি কৰোঁ'), নব নৱকান্ত, 'জয়ন্তী'ৰ ভেটা ভঙাসকলৰ মাজৰপৰা অজিত বৰুৱা আদি বহুত নামৰ হেঁচা-ঠেলা হৈছিল। এইদৰেই যোৱা পঁচিশ বছৰৰ বুৰঞ্জী আৰম্ভ হৈছিল বহুত সম্ভাৱনাৰে। যদি এই বুৰঞ্জীৰ কথা এটা বিন্দুলৈ আনি ক'ব লাগে, তেতিয়া হ'লে তাক সঁচা-মিছা, ৰোমান্টিক-বামপন্থী বাস্তৱবাদৰ লগত অপূৰ্ণ অভিসাৰ বুলিয়ে ক'ব লাগিব।

সেই অভিসাৰ আৰম্ভ হৈছিল কবিতাৰ ছেৰিনাডত। চতুৰ্থ দশকৰ শেহৰ ফালে এলিয়ট পৌণ্ড পঢ়া গজলীয়াসকলে বিদ্ৰোহৰ নিছান উৰুৱাবৰ মনে মনে ভাব কৰিলেও নানা প্ৰত্যাখ্যানৰ পিছত চিৰাচৰিত ছন্দৰ ঘৰৰ পোলা কটাৰ বাহিৰে বা হেন-কৰিম-তেন-কৰিম ছকাৰৰ বাহিৰে, শীতল যুদ্ধৰ বাহিৰে পঞ্চম দশক সোমোৱাৰ আগতে বিশেষ একো নহ'ল। তেতিয়াও ব্ৰেক-আউটৰে ক'লা গুৱাহাটীৰপৰা ১৯৪৩ৰ শেহ মাহত খণ্ড বছৰৰ 'জয়ন্তী' ওলাল 'প্ৰগতিৰ দীপ্ত বাণী' মুখত আওৰাই। অসমীয়া সাহিত্যলৈ এইছাটি বতাহ আহিছিল হিন্দী সাহিত্যৰপৰা হিন্দী-প্ৰচাৰকৰ যোগে। ডেৰ বছৰ চলা কাকতখনৰ পাতে পাতে প্ৰগতিবাদৰ ইস্তাহাৰ, দুৰ্বা-দেৱকান্ত-গণেশ গগৈ জাতীয় কবিতাৰ ওপৰত প্ৰহাৰ, কথায় কথায় এলিয়টৰ নামোচ্চাৰণ, নিজকে ইন্টেলেক্‌চুৱেল বুলি প্ৰচাৰ। 'জোনাকী'ৰ 'বনকুঁৱৰী' যেনেকৈ নৱন্যাসৰ প্ৰথম মন্ত্ৰ, 'জয়ন্তী'ৰ নচিকেতাৰ 'ৰাজপথ' সেইদৰে এই বিপ্লৱকামী দলৰ প্ৰথম অশনি-সংকেত। ব্ৰেক-আউটৰ মহা-নগৰীৰ ৰাজপথৰ দৰে পৃথিৱী বিধ্বস্তৰ ছবি, ভগ্নপ্ৰায় দস্যুবৃত্তি সমাজৰ প্ৰতীক। কিন্তু বোধ কৰোঁ এইদল কবিয়ে নতুন কিছু কথাৰ হেঁপাহ

লৈও এটা মাধোন কামেই কৰিলে —প্ৰেমত বিহ্বল, দেশৰ ৰোমাণ্টিক অতীতত কাতৰ কবিতাৰ চল বন্ধ কৰিলে। এইটোও ঠিক যে এই দলৰ অনুপ্ৰেৰণাৰ উৎস বিশ্ববিদ্যালয়ৰ পাঠ্য ইংৰাজী কাব্য আৰু কলিকতাৰ কবিসকলৰ কাব্য। এলিয়ট যেনেকৈ তেওঁলোকৰ আপোন, বুদ্ধদেৱ বসু, বিষ্ণু দে (এওঁতো প্ৰেম কবি এলিয়ট অনুবাদ কৰিছে), সমৰ সেনো পৰ নহয়। কিন্তু ৰবীন্দ্ৰনাথ আৰু জীৱনানন্দই দুদিন পিছতে আমাৰ হাটত যি দাম পালে, এতিয়াও সেই দৰ উঠিবৰ নৌ। আৰু ভাব হয়, এতিয়াও কবিসকল নিজৰ আদৰ্শ সম্পৰ্কে একেবাৰেই সুনিশ্চিত নহয়।

এইটো বিশ্লেষণ ঠিকেই যে যুদ্ধোত্তৰ কালতহে এই নতুন ভঙ্গিয়ে সাৰ্থকতা লাভ কৰিছে, ভাৱ গভীৰলৈ গৈছে, ভাষা পুষ্ঠ হৈছে, ছন্দৰ আঙ্গিকৰ অশান্তি শাম কাটিছে, বৰফৰ ঠেৰেঙা লগাৰ পিছত কবিতাৰ চৰায়ে পুনৰ বসন্তৰ গীত জুৰিছে। এতিয়া এলিয়টতকৈও এজ্ৰা পাউণ্ড, ডাইলান টমাছ, ফৰাচী প্ৰতীকবাদীসকল, টঙ্কা (টানকা) আৰু হক্কু (হাইকু) লেখা জ্ঞানভাষী জাপানী কবি, খলিল জিব্ৰাঁ, মায়াকভ্‌স্কি, আদি কবিৰ বিষয়ে অধিক উদঘাটন হ'ল। মাৰ্ক্স, ফ্ৰয়েড, য়ুঙৰ তত্ত্ব ওচৰ চাপি আহিল। একজিষ্টেন্‌চিয়েলিজ্‌ম, অৱাস্তিত্ববাদ আদি মতবাদ, জাঁ-পল ছাৰ্ট্ৰে আৰু আলবেয়াৰ কামুছ, লৰ্কা, ৰিল্কে, নেৰুদা, হেগেলৰ সৌন্দৰ্য-তত্ত্ব, জাৰ্মান এক্সপ্ৰেছনিজ্‌ম, অতি আধুনিক ফৰাচী ছুৰ্‌ৰিয়েলিজ্‌ম আদিৰ নামে উফৰি কুৰিবৰ কিছু সুবিধা পালে। কোনোৱে দুখলিব কোনোটো মতবাদ পোষণ কৰা বুলি ঘোষণাও কৰিছে। বঙালী কবিসকলৰ লগত আমাৰ কুটুম্বিতা হৈছেই। তেওঁলোকৰ কাব্যানুশীলনে আমাক আদৰ্শ আৰু ৰূপ দিছে। ৰবীন্দ্ৰনাথে আকৌ আমাৰ মনটো ছুই ছুই দিছে। জীৱনানন্দই ৰূপসী বাংলাৰ ছোৱালীৰ চাউল ধোৱা কোমল হাতেৰে আমাৰ চৰণৰ নেপুৰত তাল বান্ধিছে আৰু দুৰাৰোগ্যলৈ লাগি থকা জীৱনৰ মোহৰ মন্ত্ৰ উচ্চাৰিছে। অধ্যাপক আইয়ুবে যাক 'কালেৰ দিক থেকে মহাযুদ্ধ-পৰবৰ্তী' অৰ্থাৎ প্ৰথম মহাসমৰোত্তৰ বুলি কৈছে সেই বঙলা কবিতাৰ প্ৰায়বোৰ লক্ষণেৰে অসমীয়া দ্বিতীয় যুদ্ধোত্তৰ কবিতা লক্ষণাক্ৰান্ত। এই সময়ৰ আমাৰ কবি-সকলক বিভিন্ন গোষ্ঠীত ভাগ কৰা টান, কাৰণ 'সাম্প্ৰতিক কবিতা কোনো একেজন গুৰুৰ শিষ্য নহয় বা কোনো এক বৰ্ণৰ চিহ্নৰ দ্বাৰাও চিহ্নিত নহয়। গোষ্ঠীবন্ধনৰ চেষ্টা থাকিলেও একেই দলত সমাজ-সচেতনপন্থী জীৱন-পলাতক ব্যক্তিবাদীলৈকে থিয় দিছে। একালে যেনেকৈ নব্য-ৰোমাণ্টিক ক্লান্তি-নৈৰাশ্য আৰু আলসুৱা জীৱনৰ মোহ ফুটি উঠিছে, আনকালে বামপন্থী

সুৰো তেনেকৈ অনিস্তব্ধ।' কিন্তু এই বামপন্থটোৱে কবিতাৰূপে চৰম প্ৰতিষ্ঠা লাভ কৰিবলৈ এতিয়াও বহুত বাকী। আনকালে, সকলো দেশ সকলো কাল ধুৰি আমাৰ কবিসকল ৰোমাণ্টিক টানলৈকে ঘূৰি অহা যেন লাগে। ইন্টেলেকচুৱেল হ'বলৈ গৈ পৰা দুৰ্ভেদ্য দুৰ্বোধ্যতাৰ জালৰপৰা আৰু গদ্যৰ ধূসৰতাৰপৰাও তেওঁলোক সংবেদন আৰু সঙ্গীতলৈ ঘূৰি আহিছে। এতিয়াও কিন্তু বিষয়-বস্তু আৰু আঙ্গিকত নানা সম্পৰীক্ষা চলি আছে। বাগ্মিতা আৰু প্ৰত্যক্ষতা দুইটাকে বৰ্জন কৰি ভাবঘন, চিন্তা-ঘন প্ৰতীকী-ভাষা-প্ৰয়োগৰ চেষ্টাকে নতুন কবিতাৰ নতুন দিশ বুলি ক'ব পাৰি। ইয়াতো কবিসকলে নিজক আৱিষ্কাৰ কৰি নিজ হোৱাৰ ওপৰতে তেওঁলোকৰ বাণীৰ সাৰ্থকতা নিৰ্ভৰ কৰিছে।

যুদ্ধোত্তৰ অসমীয়া নাটৰ স্বৰূপ বিচাৰিবলৈ গ'লে ধনগুলৈ খেদা যেনেই লাগে। বুৰঞ্জীমূলক আৰু পৌৰাণিক নাটকৰ ধাৰা যদি বন্ধ হৈছে, তাৰ বাবে সি আনক দুষিবলৈ নাই। যি নতুন সম্পৰীক্ষা চলিছে, তাতো এডোলেছেন্সৰ সীমা অতিক্ৰম কৰা টান হৈছে। শাৰদীয় সমাৰোহৰ ৰাণমঞ্চ, ভাস্কৰনাট্যমন্দিৰ, শিৱসাগৰ-নগাওঁ নাট্য-সমাজৰ ঐতিহ্য কন্ধ হৈ গৈছে সহাভিনয়ৰ আৱশ্যিকতাৰ বাবেই যাইকৈ। আগৰ প্ৰবীন-নবীনৰ মিলনৰ ঠাই এই মঞ্চবোৰ এৰাপৰলীয়া হৈছে। সিবোৰৰ আনুষ্ঠানিক ক্ৰমৰক্ষাৰ পৰিবৰ্তে নগৰে নগৰে ক্ষুদ্ৰ ক্ষুদ্ৰ নাটগোষ্ঠীৰ পতা-ভঙাৰ নাট চলিছে। আনবোৰ ভাৰতীয় নগৰৰ দৰে পেছাদাৰ মঞ্চ আমাৰ হোৱা নাই; পেছাদাৰ অভিনেতা-অভিনেত্ৰীও আমাৰ ভালকৈ ওলোৱা নাই। বাহিৰ জগতৰ এবছাৰ্ড, এক্সপ্ৰেছনিষ্ট, নেচুৰেলিষ্ট, ছাইকোলজিকেল নাটকৰ সম্ভেদ আহি আমাৰ গোষ্ঠীবোৰৰ হৃদয় স্পৰ্শ কৰা নাই, কাৰণ সেই ঘটনা হ'বলৈ হ'লে গভীৰ অধ্যয়ন আৰু চিন্তাশক্তি, গভীৰ অনুশীলন আৰু নিয়ত অভিজ্ঞতা নাট্যকাৰ-অভিনেতা উভয় পক্ষতে লাগিব। শৰদত শুনি এইবোৰ সম্পৰীক্ষাৰ দৰ্শন আৰু প্ৰয়োগ আহৰণ কৰা নাযায়। সেই সম্পৰীক্ষাবোৰৰ চিটিকনি এটা আনি সম্পৰীক্ষা কৰিলে, সি আন কি সম্পৰীক্ষাই নহয়। মাথোন বিনোদ বিচৰা অভিনেতা আৰু দৰ্শকেৰে আজি নাট্য-আন্দোলন গঢ়া টান হৈছে। কিতাপৰ পোক দাৰ্শনিক নাট্যকাৰ আৰু ভাব-তন্ময়তা থকা অভিনেতা-দৰ্শকৰ হঠাতে সৃষ্টি হ'ব নোৱাৰে। এই সমস্যাৰ সমাধান কোনে দিব? কটৰ ধন পানীত পেলোৱাৰ ধনুৰতি লগা মন নহ'লে নাটক ছপা কৰাৰ প্ৰস্তাৱ অকাৰ্যকৰী। 'আহাৰ'ৰ নিচিনা সাৰ্থক এভাংগাৰ্ড সম্পৰীক্ষাৰে আমাৰ হৈছে, সেই কথাটিকে নাট্যামোদীসকলক তাৰ

সাৰ্থকভাৱে বুজাই দিবলৈ তেনে নতুন নাটৰ সংগ্ৰহ আৰু বিস্তৃত আলোচনা কোনো চৰকাৰী বা চৰকাৰ-পুষ্ট অনুষ্ঠানে গ্ৰন্থ-আকাৰে প্ৰকাশ নকৰিলে নাটকক মৰণ-সংকটৰপৰা উদ্ধাৰ কৰা টান হৈছে। ঘটনাই ইমানেই বেয়া ৰূপ ধাৰণ কৰিছে।

নাটকৰ এই নৈৰাশ্যৰ বিপৰীতে বজাৰৰ লগত সদায় সম্ভাৱ থকা বস্তু হ'ল উপন্যাস আৰু গল্প। বাস্তৱিকতে, এই দুটা বস্তুকেই সকলো পাঠকে বুজে আৰু তাৰ বাবে ধনৰ মোনাৰ বান্দি-গাঁঠিটো সোলোক-চোলোককৈ ৰাখিবলৈ হ'লে মনে নুখুৱায়। সেই দেখি কোনো কবি, নাট্যকাৰ বা সমালোচকৰ নাম নুশুনা আৰু শুনিলেও মনত নৰখা পাঠকেও ঔপন্যাসিক আৰু গাল্পিকৰ কথাই নৈতে উপন্যাস-গল্পৰ কাহিনী পৰ্যন্ত ক'ব পাৰে। সেই অনুপাতে এই দুই পৰ্যায়ৰ সাহিত্যিকৰ সংখ্যা আমাৰ সৰহ আৰু তেওঁলোকৰ মাজৰপৰাই লেখত ল'ব লগীয়া কথাকাৰ আৰু কলাস্ৰষ্টা আমাৰ ওলাইছে, এই কথা বুকুত হাত দি কই ক'ব পাৰোঁ। কিন্তু--। ইয়াতো এটা কিন্তু আছে। সকলো সাহিত্য-কলাৰ ভিতৰতে এই কিন্তুনৰ আঁটতে বাস্তৱৰ ব্যাপাৰ সৰ্বতো-অবিচ্ছেদ্য। বাস্তৱৰো সেইদৰে প্ৰকাৰ-ভেদ আছে। ধোঁৱাকোঁৱাৰ মাজেদি দেখা ৰোমাণ্টিক বাস্তৱ আৰু স্ব-স্বৰূপত দেখা ব্যক্তি আৰু সমাজৰ বাস্তৱ দুটা সুকীয়া বস্তু। মানুহৰ কৰ্মৰ বাস্তৱৰ ভিতৰ ফালে লুকাই থকা মানসৰ বাস্তৱৰ গভীৰতা আৰু পৰিসৰ বহুত বেছি। ভিতৰৰটোৰপৰাহে বাহিৰটোৰ অৱস্থিতি। প্ৰকৃততে এটা আইচ-বাৰ্গ বা উটি অহা বৰফৰ পাহাৰৰ পানীৰ ওপৰৰ অংশ পানীৰ তলত নিমগ্ন অংশতকৈ বহুত সৰু। ৰোমাণ্টিকৰপৰা বিচ্ছিন্ন ঐতিহাসিক বাস্তৱবাদত সমাজচেতনা আৰু মানৱতাবোধ হ'ল ভিত্তি। সেই বাস্তৱবাদৰ নিজস্ব এক নৈতিক মূল্য আছে যাক ৰোমাণ্টিকে কাচৰ মোনত লিকিবলৈ সংকোচ নকৰে। এইবোৰ কথাৰ দৃষ্টিৰপৰা বুজা যায় তীব্ৰ জীৱন-জীজ্ঞাসাৰ মাজেদিহে জীৱনৰ অনৈন্দ্ৰজালিক ৰূপ দেখা পাব পাৰি। মানুহ-জীৱনৰ প্ৰতি ভিত্তিগত এক শ্ৰদ্ধাইহে জীৱনক স্ব-স্বৰূপত চোৱাত সহায় কৰিব পাৰে। সেই জীৱনেই সাহিত্যৰ মূল উপজীৱ্য। সেই জীৱনক সাহিত্যত ৰূপ দিবৰ হকে গল্প আৰু উপন্যাস বৰ কৰ্যকৰী কৌশল। যোৱা পঁচিশ বছৰৰ অসমীয়া গল্প-উপন্যাসত মানৱীয় মূল্যবোধ আৰু জীৱনক বুজা বুজিবলৈ চাবৰ সাহস আৰু শক্তি বাঢ়িছে। জন-জীৱনৰ লগত ক্ৰমাৎ বেছিকৈ এই দুইটা সাহিত্য-ৰূপ জড়িত হৈ পৰিছে। মানুহৰ কৰ্ম আৰু মানুহৰ মনত ৰোমাণ্টিক মোহত বিমানবিলি দেখা নোপোৱা হৈ আহিছোঁ, এতিয়া

মোহ-মুক্তিৰ পিছত সেইখিনি কলাকাৰৰ দৃষ্টিত ধৰা দিবলৈ ধৰিছে। কিন্তু গল্পতেই হওক বা উপন্যাসতেই হওক জগতৰ ইতিহাসৰ অখণ্ড সত্যৰ এটা অতি ক্ষুদ্ৰ অংশহে ধৰিব পাৰি। তাৰেই অখণ্ড সত্যক উপলব্ধি কৰিবৰ যত্ন অতি দুৰূহ। সমস্ত জাগ্ৰত চেতনাৰে সেই খণ্ড সত্যক উপলব্ধি কৰিলেও অখণ্ডৰ ৰূপে ধৰা দিয়ে। এই বাহিৰ জগত আৰু তাতোকৈ বিচিত্ৰ মনোজগতক তীক্ষ্ণ ধী-দৃষ্টিৰে বিশ্লেষণ কৰি মানুহে মানুহে ভাবেৰে, কথাৰে, কামেৰে যি নাটক কৰি আছে, সকলো উচ্ছ্বাস বাদ দি উপস্থাপন কৰিব পৰাতেই কাহিনীকাৰসকলৰ সাৰ্থকতা প্ৰকাশ পাব। এই সাৰ্থকতা আনিব পাৰে জীৱনৰ প্ৰতি সাগ্ৰহ দৃষ্টিয়ে আৰু যথাৰ্থ মূল্য দি ল'ব পৰা শক্তিয়ে। মাথোন আঙ্গিকৰ ফালৰপৰা নাচাই এইবোৰ ফালৰপৰাও গল্প-উপন্যাসক চাব লাগিব। মাথোন আবেগ, মাথোন উচ্ছ্বাস, মাথোন ভাষাৰ একেসুৰীয়া মাধুৰ্যই সাধাৰণ পাঠক-মনক আচ্ছন্ন কৰিব পাৰে। কিন্তু তাৰ উৰ্ধ্বলৈ কলাক তুলিলেহে সি সত্য কলা হ'ব।

আমাৰ অসমত উচ্চ, উচ্চ কি উচ্চতম শিক্ষাৰ বিস্তাৰৰ লগে লগে আমাৰ চিন্তা আৰু বিশ্লেষণৰ সাহিত্যৰ প্ৰভূত বিস্তাৰ ঘটিব লাগিছিল। গল্পৰ জনপ্ৰিয়তাৰ ওপৰতে বৰ্তি থকা ৰংচং ভৰা কলিকতীয়া 'আবাহনো' সদায় চিন্তাৰ প্ৰবন্ধ এটি লৈহে আৰম্ভ হৈছিল। আজি জগতত জ্ঞান-বিজ্ঞানৰ বিপ্লৱসৃষ্টিকাৰী বিকাশ হৈছে। সেই জ্ঞান-বিজ্ঞানে পৃথিৱীখনক আমাৰ দুৱাৰদলিত থিয় কৰি দিছেহি। পশ্চিম এছিয়া বা ভিয়েটনামৰ কাহিনী আমাৰ চুবুৰীয়াৰ ঘৰৰ খবৰ যেন হৈছে, নানা প্ৰমূল্যৰ ভঙা-পতা, খেলি-মেলি ভাওনা হ'ব লাগিছে। ইয়াৰ মাজতো আমি গীতাৰ স্থিতপ্ৰজ্ঞৰ ভাও দিবলৈ কেনেকৈ ওলালো? দুৱাৰদলিৰ বাজ হ'লো তা আমি সমস্যাৰ বুকত খুন্দা-খুন্দলি খাব লাগেই। আমাৰ ঘৰঘৰতো জীৱনৰ সকলো সমস্যা আহি ৰবচাঙত উঠি আছে। আমাৰ গাত হাত নলগোৱা প্ৰকৃতিৰ সিহঁত ভত্ৰনেকি? জগতৰ সমাজ, দৰ্শন, অৰ্থনীতি, কলা, সাহিত্যকলাৰ নৱতম কথাবোৰ যে আমাৰ লেখাত ভুমুকি মৰা নাই, এনে নহয়। তাৰ আলোচনা বিক্ষিপ্তভাৱে হৈছে। কিন্তু সেই আলোচনাই আমাক সকলোকে লৈ যাব পৰা নাই। এজন সম্পাদকে খবৰ দিলে, তত্ত্বালোচনাৰ গভীৰতা থকা তেওঁৰ পত্ৰিকা মৰণ-সংকটৰ সন্মুখীন। তত্ত্বালোচনাৰ গ্ৰন্থও বজাৰতে ভেকুৰে। যৌন বিলাসৰ (যৌনতত্ত্বৰ গভীৰতাৰ নহয়) উচ্ছ্বাস ভৰা গল্প-উপন্যাসে হ'লে কণ্ঠ সুঁতিয়েদি বহুত বাজি তিয়ায়। বিদ্যালয়-মহাবিদ্যালয়-বিশ্ববিদ্যালয়ৰ কাষ চাপিলে চিন্তাৰ এই সংকট হেনো আৰু সন্নিকট হয়।

সাহিত্য-তত্ত্বালোচনাৰ নামত চমক লগোৱা নাম-পাতৰ তলত বহুত শব্দৰ স্তূপ ৰচিত হৈছে। অথচ উপলব্ধিৰ কালে সেইপোনে তলি উদং। বিশ্ব-বিদ্যালয়ৰ চৰম উপাধিধাৰী ভাষাতাত্ত্বিকৰ আকাৰ-ইকাৰবোৰেই বিত্ত নালাগিল। ভাষাৰ অনার্ছ, প্ৰথম শ্ৰেণীৰ এম্. এ. আৰু ডক্টৰ এজনো যেতিয়া 'তত্ত্ব' শব্দৰ তত ধৰাত অক্ষম, আমাৰ ভাষা-সাহিত্য দেৱলীয়া নহৈ দেৱ-লীয়া হ'বলৈ কি বস্তু আছে? এই টিন-গড়ুসকলক লৈ আমি কি সাহিত্য কৰিম, কি সাহিত্য-সভা কৰিম? এই সমস্যাটো মকৰা-জাল নলগা। মুখেৰে মাটি ক'ৰবাৰ্ত কিবা কৰিব পাৰিনেকি, ভাবি চাওক সকলোৱে। নহ'লে আমাৰ ইন্টেলেক্চুৱেল ভেকুৱামে, বৌদ্ধিক শূন্যতাই আমাক পঙ্গু কৰি পেলাব।

স্বাধীনতাৰ পাছৰ অসমীয়া উপন্যাস

শ্ৰীসত্যেন্দ্ৰনাথ শৰ্মা

স্বাধীনতাৰ পাছৰপৰা এতিয়ালৈকে অসমীয়া সাহিত্যৰ পঁচিশ-বছৰীয়া ইতিহাসত উপন্যাসৰ সংখ্যা যথেষ্ট বাঢ়িছে আৰু উপন্যাসৰ গতি প্ৰকৃতিৰো ভালেখিনি পৰিৱৰ্ত্তন ঘটিছে। মহাযুদ্ধৰ কেইবছৰত আৰু তাৰ কেইবছৰ-মান পাছলৈকে দেশৰ অস্থিৰ অৱস্থা, কাগজৰ মহাৰ্ঘতা আৰু লেখকসকলৰ মানসিক উদ্বেগ আদি কাৰণবশতঃ অসমীয়া সাহিত্যৰ সাময়িক আচ্ছন্ন অৱস্থা এটা আহিছিল। স্বাধীনতা লাভৰ অব্যৱহিত বছৰ কেইটাও দ্বি-খণ্ডিত ভাৰতৰ বহুমুখী সমস্যা লেখকসকলৰ কাৰণে অনুকূল পৰিৱেশ সৃষ্টি কৰাত অন্তৰায়ৰূপে থিয় দিছিল। লাহে লাহে সাময়িক জড়তা অতিক্ৰম কৰি নতুন পুৰুষৰ সাহিত্য-প্ৰচেষ্টাৰ যোগেদি অসমীয়া উপন্যাসে ধীৰে ধীৰে অগ্ৰগতিৰ পথত আগ বাঢ়িবলৈ আৰম্ভ কৰে।

উপন্যাসৰ উৎপত্তি আৰু বিকাশত শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ বৰঙণি বিশেষভাৱে উল্লেখযোগ্য। এহাতে যেনেকৈ সৰহ ভাগ ঔপন্যাসিকেই জীৱন-যুদ্ধত সংগ্ৰামৰত নিম্ন মধ্যবিত্ত শ্ৰেণীৰ, ঠিক সেইদৰে তাৰ বিপৰীত-ফালে পাঠক-শ্ৰেণীও মধ্যবিত্ত শিক্ষিত সম্প্ৰদায়ৰ। গতিকে স্বাভাৱিকতে উপন্যাসৰাজিত মধ্যবিত্ত শ্ৰেণীৰ, বিশেষকৈ নিম্ন মধ্যবিত্ত শ্ৰেণীৰ সুখ-দুখ, হা-হুতাশ, আশা-আকাংক্ষা, প্ৰেম-প্ৰীতি আৰু জীৱন-সংগ্ৰামৰ চিত্ৰ প্ৰতিফলিত হোৱা দেখা যায়। ১৯৪৭ চনৰ আগতে অসম উপত্য-কাত উচ্চ শিক্ষাৰ অনুষ্ঠান আছিল মাত্ৰ কেইটামান, আধা ডজনৰ অধিক নহয়, কিন্তু যোৱা পঁচিশ বছৰত অভাৱনীয় ৰূপে বৃদ্ধি পাই এতিয়া প্ৰায় দুশৰ ওচৰা-উচৰি হৈছে। সেই অনুপাতে মাধ্যমিক শিক্ষাৰ অনুষ্ঠানো বহু গুণে বৃদ্ধি পাইছে। শিক্ষিতৰ সংখ্যা বা হাৰ বাঢ়ি যোৱা মানেই লেখক আৰু পাঠকৰ সংখ্যাও বঢ়াটো স্বাভাৱিক। অসমীয়া সাহিত্যত আজি ৩০।৩৫ বছৰৰ আগতে এনে দিনো আছিল যেতিয়া এখন উপন্যাসৰ এহেজাৰ

কপি বিক্ৰী হ'বলৈ অন্ততঃ ৬।৭ বছৰ লাগিছিল। আজি কিন্তু বেনেকুৱা উপন্যাসেই নহওক, এহেজাৰ কপি বিক্ৰী হ'বলৈ দুবছৰৰ অধিক নেলাগে। তদুপৰি ক্ৰমবৰ্ধমান প্ৰকাশন অনুষ্ঠানে উপন্যাস-কাহিনী পোহৰলৈ অনাত যথেষ্ট ৰহণি যোগাইছে।

উপন্যাসৰ প্ৰসাৰ আৰু বিকাশত ঔদ্যোগিক পৰিবৰ্তন-উন্নয়ন আৰু নাগৰিক সভ্যতাই অনুকূল পৰিবেশ সৃষ্টি কৰাত সহায় কৰে। যোৱা পঁচিশ বছৰত ১৯৪০ চনৰ পূৰ্বৰ অৱস্থাৰ তুলনাত অসমেও যথেষ্ট আগ-বাঢ়িছে বুলি কব লাগিব। নাগৰিক সংস্কৃতিয়ে সমাজত দ্ৰুত পৰিবৰ্তন আনি দিয়ে, আৰু এই পৰিবৰ্তনে লেখকক উপন্যাস-কাহিনীৰ সমল যোগান ধৰে। একোখন মহানগৰৰ অৱস্থিতিয়ে সাহিত্যক বিশেষকৈ উপন্যাস সাহিত্যক কিমান আগ বঢ়াত সহায় কৰে, তাৰ প্ৰকৃষ্ট উদাহৰণ হ'ল বঙলা সাহিত্যৰ ক্ষেত্ৰত কলিকতা মহানগৰী। অসমীয়া সাহিত্যৰ ক্ষেত্ৰত তেনে এখন মহানগৰী নাই যদিও লাহে লাহে গুৱাহাটী চহৰে দ্ৰুত বিকাশৰ ফলত তেনে ঠাই ল'বলৈ উপক্ৰম কৰিছে।

স্ৰোতহীন, স্থিতিশীল এখন সমাজত উপন্যাসে গা কৰিব নোৱাৰে। এনে সমাজত ঔপন্যাসিক সাধাৰণতে অতীতমুখী হৈ ইতিহাসৰ পাতত বিচৰণ কৰে। যোৱা পঁচিশ বছৰত আমাৰ সমাজত বহুতো পৰিবৰ্তনৰ সূচনা দেখা গৈছে। ৰাজনৈতিক ক্ষেত্ৰত স্বাধীনতাৰ লগে লগে দেশ-বিভাজনৰ সমস্যাৰূপৰা আৰম্ভ কৰি দেশ পুনৰ্গঠনৰ বহুমুখী প্ৰচেষ্টাইকে, ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰগঠনৰ প্ৰয়াসেৰে সকলো নাগৰিকক জাতি-ধৰ্ম-বৰ্ণভেদ নিৰপেক্ষে সম-স্বত্ব, সম-অধিকাৰ দিয়াৰ ৰাজনৈতিক প্ৰচেষ্টাইকে কিছুমান সুদূৰপ্ৰসাৰী পৰিবৰ্তন আৰু উন্নয়নৰ প্ৰমাণ এহাতে যেনেকৈ দেখা পাইছোঁ, তেনেকৈ তাৰ বিপৰীতে সামাজিক স্তৰত দুৰ্নীতি, স্বজন-প্ৰিয়তা, উৎকোচ-গ্ৰহণৰ আতিশয্য, চোৰাংবেপাৰ, নৈতিক অধঃপতনৰ চূড়ান্ত স্তৰলৈ এক-শ্ৰেণীৰ লোক নামি যোৱাও দেখা গৈছে। স্বাধীনতাৰ পাছত দেশ 'জয় জয় ময় ময়' হ'ব বুলি যি ৰঙীন স্বপ্ন জনসাধাৰণে আগত দাঙি ধৰিছিল, স্বাধীনতা লাভৰ পঁচিশ বছৰৰ পাছতো সেই আশা অলীক স্বপ্ন হৈয়ে ৰ'ল। বৰং জনসাধাৰণৰ মনত বৃটিছৰ দিনেই পৰাধীন হ'লেও ভাল আছিল বুলি ভাবিবৰ অৱকাশে দেখা দিছে। লেখকসকলৰ ওপৰতো ইয়াৰ যথেষ্ট প্ৰতি-ক্ৰিয়া পৰিছে। বহুতো ঔপন্যাসিকৰ ৰচনাত সমাজৰ দুৰ্নীতিগ্ৰস্ত ৰূপটো আৰু চৰকাৰৰ ব্যৰ্থতা ব্যঙ্গ, শ্লেষ আৰু সমালোচনাৰ লক্ষ্য হৈ পৰিছে।

যোৱা পঁচিশ বছৰৰ ভিতৰত সামাজিক জীৱনত কিছুমান চকুত লগা

পৰিবৰ্তনৰ সূচনা হৈছে। অস্পৃশ্যতাৰ তীব্ৰতা বহুত খিনি হ্ৰাস পাইছে, অসবৰ্ণ বিবাহকো মানুহে আগৰ দৰে ঘৃণাৰ চকুৰে নাচাই নতুনৰ অৱশ্যম্ভাৱী পৰিণতি ৰূপে ক্ষমাৰ চকুৰে চাবলৈ আৰম্ভ কৰিছে। পুৰণি যৌথ পৰিয়াল ভাগি এক কোষী পৰিয়ালত বিভক্ত হ'বলৈ ধৰিছে। ধৰ্মৰ বান্ধোন ক্ৰমে হ্ৰাস পাই আহিছে। পুৰণি সামাজিক প্ৰমূল্য অৰ্থহীন হৈ পৰিছে যদিও নতুন প্ৰমূল্যও প্ৰতিষ্ঠিত নোহোৱাত এক ত্ৰিশঙ্কুৰ অৱস্থাৰ সৃষ্টি হৈছে বুলি ক'ব পাৰি। প্ৰেমৰ ক্ষেত্ৰত সামাজিক বাধা-নিষেধ আঁতৰি যোৱা নাই যদিও কিছু শিথিলতাই নাগৰিক জীৱনত দেখা নিদিয়াকৈ থকা নাই। স্ত্ৰী-শিক্ষাৰ দ্ৰুত প্ৰসাৰৰ লগে লগে নাৰীয়ে সমাজত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিবলৈ আৰম্ভ কৰিছে। কেৱল বান্ধনি ঘৰ বা শোৱনি ঘৰতে নিজকে আৱদ্ধ নাৰাখি বহল সমাজখনৰ লগত সম্বন্ধ ৰাখিবলৈ তেওঁলোক আগবাঢ়ি অহাৰ উপক্ৰম কৰিছে। এই গোটেইবোৰ নতুন সম্ভাৱনা আৰু পৰিবৰ্তনৰ সূচনাই ঔপন্যাসিকৰ অন্তৰত ৰেখাপাত নকৰাকৈ থকা নাই। কিন্তু অভিজ্ঞতাৰ সীমাবদ্ধতাৰ কাৰণেই হওক, বা আমাৰ সমাজৰ বৈচিত্ৰ্যহীনতাৰ কাৰণেই হওক, অথবা সৃষ্টিশীল প্ৰতিভাৰ অভাৱৰ কাৰণেই হওক, উপন্যাসৰ সংখ্যা বাঢ়িছে যদিও গভীৰ দৃষ্টি সম্পন্ন ৰসোত্তীৰ্ণ উপন্যাস এতিয়াও সংখ্যাত অলপীয়া।

১৯৪৭ চনৰপৰা ১৯৬০ মানলৈকে এই কালছোৱা আধুনিক উপন্যাস-ধাৰাৰ প্ৰাৰম্ভিক প্ৰস্তুতিৰ যুগহে বুলিব পাৰি। যি কেইজন লেখকে ষাঠিৰ দশকত ঔপন্যাসিকৰূপে নিজকে প্ৰতিষ্ঠা কৰিব পাৰিছে সেই কেইজনে পঞ্চাশৰ দশকত উপন্যাসৰ পাতনি তৰিছিল মাত্ৰ। যোগেশ দাস, বীৰেন্দ্ৰ ভট্টাচাৰ্য্য, আব্দুল মালিক, পদ্ম বৰকটকী, হিতেশ ডেকা আদিয়ে পঞ্চাশৰ দশকত আৰম্ভ কৰিলেও ষাঠিৰ দশকতহে ঔপন্যাসিকৰূপে প্ৰতিষ্ঠা লাভ কৰিছে। অৱশ্যে কেইজনমানৰ ৰচনা পঞ্চাশৰ দশকতে সীমাবদ্ধ। তেওঁলোকৰ ৰচনাই বৰ্ত্তমান উপন্যাসৰ ধাৰাটো প্ৰবৰ্তন কৰাত প্ৰথম গতিবেগ দান কৰে।

স্বাধীনতাৰ এবছৰৰ পাছৰ পৰাই মহম্মদ পিয়াৰৰ সৰল সামাজিক উপন্যাস কেইখন প্ৰকাশ পায়। পিয়াৰৰ ঔপন্যাসিক জীৱনটো অতি চুটি, ৫।৬ বছৰতকৈ বেছি নহয়। এই কেইবছৰতে অসমীয়া উপন্যাসৰ প্ৰায় আচ্ছন্ন অৱস্থাত তেওঁৰ উপন্যাস কেইখনে নতুন আশাৰ বেঙনিৰ সঞ্চাৰ কৰে। তেওঁৰ উপন্যাস কেইখনৰ প্ৰধান চৰিত্ৰ হ'ল জীয়াই থকাৰ কাৰণে সংগ্ৰাম কৰা কৰ্মিবান বিত্তহীন যুবক।

স্বাৰ্থপৰ, বিত্তশালী শ্ৰেণীৰ বিপৰীতে আদৰ্শবান যুৱকৰ হৃদয়-বৃত্তিৰ বিকাশ উপন্যাস কেইখনত দাঙি ধৰিছে। পিয়াৰৰ ৰচনাত সাম্প্ৰদায়িক সম্প্ৰীতিৰ আদৰ্শ প্ৰকাশ পাইছে আৰু সামাজিক আৰু অৰ্থনৈতিক বৈষম্যৰ চিত্ৰ উদঘাটিত হৈছে। ৰাধিকামোহন গোস্বামীৰ 'চাকনৈয়া' (১৯৫২) আৰু 'ৰা-শ্ৰাৱলী' (১৯৫৭)ত আধুনিকতাৰ নামত আদৰ্শভ্ৰষ্ট, নীতি-দুৰ্বল সমাজ আৰু নৰ-নাৰীৰ জঘন্য ৰূপ প্ৰতিফলিত হৈছে। গোস্বামীৰ 'চাক-নৈয়া'ৰ নায়ক বিবেক আদৰ্শৰ পাছে পাছে ঘূৰিলেও কৰ্মবিমুখ আৰু পলায়ন-বাদী হোৱা কাৰণে প্ৰতীতিযোগ্য ৰূপত প্ৰকাশ নেপালে। হিতেশ ডেকাই কিছু দূৰ দৈৱচন্দ্ৰ তালুকদাৰৰ সামাজিক উপন্যাসৰ পদাংকৰ অনুসৰণ কৰা যেন লাগে। কিন্তু ডেকাৰ ৰচনাত ব্যঙ্গ আৰু সমাজ সমালোচনা অধিক তীব্ৰ। সাম্যবাদে ডেকাক কিছু পৰিমাণে প্ৰভাৱ বিস্তাৰ কৰিলেও অসমীয়া জাতীয়তাবাদে তেওঁৰ সাম্যবাদ সঙ্কুচিত নকৰাকৈ থকা নাই। তেওঁৰ 'আজিৰ মানুহ' নামৰ প্ৰথম উপন্যাসে যি প্ৰতিশ্ৰুতি দাঙি ধৰিছিল, পৰবৰ্তী উপন্যাসৰাজিত সি চৰিতাৰ্থ হোৱা দেখা নগ'ল। তেওঁৰ তিনিখণ্ডত বিভক্ত 'এয়েতো জীৱন'ত গ্ৰাম্য জীৱনৰ ব্যাপক চিত্ৰ ফুটি উঠিছে যদিও কাহিনী বিন্যাসৰ শিথিলতা আৰু বিক্ষিপ্ততাই উপন্যাসখনৰ সৌন্দৰ্য্য ম্লান কৰিছে। বহুত ক্ষেত্ৰত লেখকৰ বক্তৃতাধৰ্মী আদৰ্শবাদেও ৰসাস্বাদনত বাধা জন্মায়। খেতিয়ক জীৱনৰ ভেটিত ৰচনা কৰা যদু গগৈৰ 'সোণৰ নাঙল'ত গাওঁ পৰিকল্পনাৰ আঁচনিয়ে ভদাইৰ আত্ম-নিৰ্ভৰশীলতাৰ সংগ্ৰাম কিছু পৰিমাণে কৃত্ৰিম কৰি তুলিছে। তেওঁৰ আনখন উপন্যাস 'ভূমিকন্যা'ৰ যোৰা-ফোলা দিয়া কাহিনী আৰু ৰূপায়ণৰীতিয়ে ইয়াক নিম্নস্তৰলৈ নমাইছে। পঞ্চাশৰ দশকৰ এজন উল্লেখযোগ্য লিখক হ'ল প্ৰেমনাৰায়ণ দত্ত। প্ৰায় একুৰি ডিটেক্‌টিভ্‌ কাহিনীৰে চাঞ্চল্যপ্ৰিয় এক-শ্ৰেণীৰ পাঠকক আপ্যায়িত কৰি তেওঁ উপন্যাসৰ ক্ষেত্ৰত নামে। 'নিয়তিৰ নিৰ্মালি', 'প্ৰণয়ৰ স্মৃতি'কে প্ৰমুখ্য কৰি কেবাখনো উপন্যাসত প্ৰেম আৰু দাম্পত্য জীৱনৰ আদৰ্শাত্মক ৰূপ দাঙি ধৰিবলৈ চেষ্টা কৰিছে। তেওঁৰ ৰচনাত নৈতিক আদৰ্শ আৰু সামাজিক উন্নয়নৰ চিত্ৰ সঘনে পোৱা যায়। সস্তীয়া যৌন আবেদনেৰে তেওঁৰ ৰচনা পঙ্কিল কৰা নাই যদিও প্ৰত্যাক্ষ আৰু গতানুগতিক আদৰ্শবাদে ৰচনাত কৃত্ৰিম বোল নসনাকৈ থকা নাই। তেওঁ পুৰণি আৰু নতুনৰ মাজত একপ্ৰকাৰ আপোচ বিচাৰে।

দীননাথ শৰ্মাই স্বাধীনতাৰ আগতেই উপন্যাসিক হিচাপে সাহিত্যত প্ৰৱেশ কৰে। স্বাধীনতাৰ পাছৰ কালছোৱাত তেওঁৰ উল্লেখযোগ্য ৰচনা

হল 'নদাই' 'শান্তি আৰু 'নবাৰুণ' । নদাইৰ ওপৰত বিদেশী উপন্যাসৰ চৰিত্ৰৰ সামান্য ছাঁ পৰিলেও নিসন্দেহে শৰ্মাৰ এইখন শ্ৰেষ্ঠ ৰচনা। গাৱঁলীয়া খেতিয়ক নদাইক পৰিশ্ৰম, আশাবাদ আৰু মাটিৰ মোহে সাধাৰণ খেতিয়কৰ পৰা উৰ্দ্ধলৈ নি এটা জীৱন্ত অসাধাৰণ চৰিত্ৰত পৰিণত কৰিছে । নদাই সেই কাৰণে একক চৰিত্ৰ প্ৰধান উপন্যাস বুলিব পাৰি । 'শান্তি'ত ঘটনাৰ বৈচিত্ৰ আছে যদিও চৰিত্ৰৰ বিশেষ আকৰ্ষণ নাই ।

পঞ্চাশৰ দশকৰে এজন ঔপন্যাসিক হ'ল তিলক দাস । এওঁৰ কেবা-খনো উপন্যাস এতিয়ালৈকে প্ৰকাশ হৈছে । এওঁৰ উপন্যাসৰ কাহিনী কিন্তু সুসংহত নহয়, বিক্ষিপ্ত । মধ্যবিত্ত সমাজৰ সুখ-দুখৰ চিত্ৰই বিষয়-বস্তু ।

'জীৱনৰ বাটত' উপন্যাসেৰে অসমীয়া উপন্যাসত অকাল বসন্ত অনা বীণা বৰুৱাৰে অন্য ছদ্ম নামত প্ৰকাশ হোৱা 'সেউজী পাতৰ কাহিনী'ত চাহ বাগানৰ বনুৱা জীৱনৰ চিত্ৰ, চাহ বাগানৰ লগত সাঙোৰ খোৱা সিহঁতৰ জীৱনলিপি কেইটামান অনবদ্য চৰিত্ৰৰ যোগেদি ৰূপায়িত হৈছে । এই উপন্যাসৰ অন্যতম প্ৰধান চৰিত্ৰ নবেশ্বৰক দৰ্শক মাত্ৰ বুলি কব পাৰি । কাহিনীৰ প্ৰকৃত নায়িকা হ'ল এজনী বৰ্ণসঙ্কৰ কুলী ছোৱালী চনিয়া । 'জীৱনৰ বাটত' প্ৰকাশ পোৱা নায়িকা তগৰৰ সম্পূৰ্ণ বিপৰীতধৰ্মী চৰিত্ৰ হ'ল চনিয়া । তাই কোনো মানসিক অৱদমনৰ বশৱৰ্তী নোহোৱা সংস্কাৰমুক্ত বনবিহগিনীৰ দৰে আলোকবৰ্ষী চৰিত্ৰ । 'সেউজী পাতৰ কাহিনী' চাহ বাগানৰ জীৱন্ত চিত্ৰ যদিও কাহিনী কিছু অসংহত । চাঞ্চল্যজনক পৰিস্থিতি চিত্ৰণৰ পৰা লিখক মুক্ত হ'ব পৰা নাই । দেবেন্দ্ৰ নাথ ভট্টাচাৰ্য্যই প্ৰাচীন প্ৰমূল্যৰ ওপৰত আস্থা ৰাখি ষষ্ঠ দশকত কেবাখনো উপন্যাস প্ৰকাশ কৰে । . প্ৰাচীন আদৰ্শবাদে কাহিনীক বোলাইছে ।

পঞ্চাশৰ দশকতে ছৈয়দ আব্দুল মালিকে চুটি গল্পৰ সীমিত গণ্ডীৰ পৰা উপন্যাসৰ বহল পৰিসৰলৈ পৰিব্ৰজন কৰে । তেওঁৰ 'ৰথৰ চকৰি ঘূৰে', 'ছবি ঘৰ' আদি এই দশকত প্ৰকাশ হোৱা উপন্যাস কেইখনত ঔপ-ন্যাসিক সফলতা লাভ কৰিছে বুলি ক'ব নোৱাৰি । 'ৰথৰ চকৰি ঘূৰে'ত যে মাৰ্ক্সীয় দৰ্শনে ভুমুকি মাৰিছিল পাৰৱৰ্তী উপন্যাৱাজিত তাৰ অভিব্যক্তি তেনেকৈ দেখা নাযায় । অৱশ্যে মালিকৰ সকলো উপন্যাসতে নিঃস্ব ৰ প্ৰতি নিষ্পেষিতৰ প্ৰতি দৰদ এটা সাধাৰণ বৈশিষ্ট্য । মালিকৰ উপন্যাস-ৰাজিৰ ভিতৰত 'সুৰুযমুখীৰ স্বপ্ন' নিসন্দেহে শ্ৰেষ্ঠ ৰচনা । অন্য উল্লেখযোগ্য

উপন্যাসৰ ভিতৰত 'মাটিৰ চাকি' 'অন্য আকাশ, অন্য তৰা', 'অঘৰী আত্মাৰ কাহিনী', 'আধাৰ শিলা' উল্লেখযোগ্য। তেওঁৰ উপন্যাসত প্ৰেমৰ বিচিত্ৰ অভিব্যক্তিৰ চিত্ৰণ এটা সাধাৰণ বৈশিষ্ট্য। কেতিয়াবা বৈধ কেতিয়াবা অবৈধ ৰূপত, কেতিয়াবা পুষ্পিত, আৰু কেতিয়াবা অবদমিত ৰূপত, কেতিয়াবা আগ্নেয়গিৰিৰ বিস্ফোৰণৰ দৰে আৰু কেতিয়াবা পৰ্বতীয়া নিজৰাৰ দৰে নানা ভাৱে প্ৰেমে তেওঁৰ উপন্যাসত খেলা কৰিছে। মালিকৰ নায়কসমূহত কিছু পৰিমাণে নিজৰ প্ৰতিধ্বনি ধ্বনিত হৈছে। দৰদী সৰ্বহাৰাৰ প্ৰতি সহানুভূতিশীল আৰু সুকুমাৰ কলাৰ প্ৰতি আসক্ত—এইবোৰ তেওঁৰ নায়কৰ চৰিত্ৰত সাধাৰণতে লক্ষ্য কৰা যায়। মালিকৰ ভাষাই মাজে মাজে কাব্যিক সুৰ পৰিগ্ৰহ কৰে। এটা মিঠা আমেজ তেওঁৰ ৰচনাৰীতিৰ বৈশিষ্ট্য। কিন্তু জীৱনৰ গভীৰ অধ্যয়ন, জীৱনৰ গভীৰ তলীলৈ প্ৰৱেশ কৰিবলৈ তেওঁৰ চেষ্টা লক্ষ্য কৰা নাযায়। মননশীলতাৰ অভাৱ লক্ষ্য কৰা যায়।

বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ প্ৰতিভাৰ পৰিস্ফুৰণৰ অনুকূল পৰিৱেশ হ'ল বৈপ্লৱিক আবহাওৱা। 'ৰাজপথে ৰিঙিয়াই', 'ইয়াৰুইঙম', 'শতঘ্নী', 'মৃত্যুঞ্জয়', 'প্ৰতিপদ' আৰু 'কবৰ আৰু ফুল' এই সকলোবোৰ কাহিনী মুঞ্জৰিত হৈছে বৈপ্লৱিক পটভূমিত। তেওঁ চৰিত্ৰাৱলীক অসামান্য পৰিৱেশত বিচৰণ কৰাই চাৰিত্ৰিক বৈশিষ্ট্যবোৰৰ স্ফুৰণ ঘটায়। ভট্টাচাৰ্য্যৰ উপন্যাসত প্ৰেমৰ স্থান গৌণ, সস্তীয়া যৌন আবেদন তেওঁৰ উপন্যাসত নাই। যুদ্ধবিধ্বস্ত স্বাধীন নগাভূমিৰ আন্দোলনৰ পটভূমিত 'ইয়াৰুইঙম', বিয়াল্লিশৰ গণ-আন্দোলনৰ পৰিপ্ৰেক্ষিতত 'মৃত্যুঞ্জয়', চীনা আক্ৰমণৰ বাতাবৰণত 'শতঘ্নী', শ্ৰমিক আন্দোলনক কেন্দ্ৰ কৰি 'প্ৰতিপদ', বাংলাদেশৰ স্বাধীনতাৰ ভেটিত 'কবৰ আৰু ফুল' ৰচিত হৈছে। ভট্টাচাৰ্য্যৰ উপন্যাসত সমাজবাদৰ প্ৰভাৱ থাকিলেও, 'ৰাজপথে ৰিঙিয়ায়'ৰ বাহিৰে বাকীবোৰত ৰাজনৈতিক মতবাদে কাহিনীকলা আড়ষ্ট বা দোষদুষ্ট কৰা নাই। তেওঁৰ কাহিনী ৰচনাত পৰিস্থিতি আৰু ঘটনা সংযোগৰ আতিশয্যৰ ফলত কেতিয়াবা কেতিয়াবা বিক্ষিপ্ততা দোষে স্পৰ্শ নকৰাকৈ থকা নাই। চৰিত্ৰ সৃষ্টিতকৈ ঘটনাৰ প্ৰাধান্য তেওঁৰ ৰচনাত লক্ষ্য কৰা যায়। চৰিত্ৰবোৰ সাধাৰণতে flat বা একমুখী যেন ধাৰণা হয়। অৱশ্যে round বা বিকাশমুখী চৰিত্ৰ যে নাই এনেও নহয়। চাবেংলা, কিম্বাং, অবলা, ইচৰাইল, পিয়াচুঙ্গিনত পৰিস্থিতিৰ প্ৰভাৱত চাৰিত্ৰিক পৰিবৰ্তনৰ ইঙ্গিত আছে। উপন্যাস কেইখনত পাৰিবাৰিক আৰু মৈত্ৰিক ভাৱধাৰাৰ লগত বৈপ্লৱিক কাৰ্য্যপন্থাৰ

অথালি-পথালি (current and cross-current) গতিৰ সংযোগ ঘটিছে। ঠায়ে ঠায়ে কবি মানুহটিয়েও ভুমুকি মাৰি প্ৰাকৃতিক সৌন্দৰ্য্যৰ মানৱ মনৰ ওপৰত প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰিছে।

ভট্টাচাৰ্য্যৰ সমসাময়িক আন এজন কথা শিল্পী হ'ল যোগেশ দাস। চুটি গল্প আৰু উপন্যাস দুয়ো ক্ষেত্ৰতে তেওঁৰ সিদ্ধহস্ততা প্ৰতিষ্ঠিত হৈছে। ষষ্ঠ দশকৰ আৰম্ভণিতে 'ডাৱৰ আৰু নাই' নামৰ উপন্যাসৰ মাজেৰে উপন্যাস জগতত প্ৰৱেশ কৰে। তাৰ পাছত ক্ৰমানুয়ে 'জোনাকিৰ জুই', 'সহাঁৰি পাই', 'হেজাৰ ফুল', 'নিৰুপায় নিৰুপায়', 'উৎকণ্ঠ, উপকণ্ঠ' 'অবৈধ' উপন্যাসতে আমাৰ নিম্নমধ্যবিত্ত শ্ৰেণীয়ে সন্মুখীন হোৱা পাৰিবাৰিক, আৰ্থিক আদি বিভিন্ন সমস্যাৰ চিত্ৰ, মনৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া, আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰাম ৰূপায়িত হৈছে। ৰচনাৰ সংযম, তৰল আবেগ-প্ৰৱণতাৰ বৰ্জ্জন, ঘৰুৱা পৰিবেশৰ খুটিনাটি বিৱৰণ, যৌনজীৱনৰ সংযত প্ৰকাশ তেওঁৰ ৰচনাৰ বৈশিষ্ট্য। ইটোৰ পাছত সিটোকৈ অযথাভাবে পৰিস্থিতি জাপি গৈ অযৌক্তিকভাৱে কাহিনী মেদবহুল কৰাৰ প্ৰৱণতা তেওঁৰ উপন্যাসত দেখা নাযায়। সেই কাৰণেই তেওঁৰ উপন্যাসৰাজিৰ কলেৱৰ নাতিদীৰ্ঘ। সামাজিক আৰু ব্যক্তজীৱনৰ চিত্ৰ প্ৰতিফলিত হলেও গভীৰ মননশীলতাৰ অভাৱ পৰিলক্ষিত হয়। তেওঁৰ প্ৰথম উপন্যাসে সামাজিক পৰিৱেশ চিত্ৰণ, আৰু চৰিত্ৰায়ণত যি কুশলহস্তৰ পৰিচয় দিয়াৰ প্ৰতিশ্ৰুতি দাঙি ধৰিছিল, সেই প্ৰতিশ্ৰুতি আংশিক ভাবেহে পূৰণ কৰিছে পৰৱৰ্তী উপন্যাসৰাজিয়ে।

পদ্ম বৰকটকীৰ উপন্যাসৰাজিত চৰিত্ৰ বিশেষৰ যৌনাতিশয্য, ভণ্ডামি, সুবিধাবাদী মনোবৃত্তিৰ নগ্নৰূপ দাঙি ধৰাৰ লগে লগে মধ্যবিত্তশ্ৰেণীৰ ভণ্ডামি আৰু ভোগ-বিলাসৰ নিঃসহায় বলিস্বৰূপ নিষ্পেষিতৰ প্ৰতি দৰদ প্ৰতিফলিত হৈছে। তেওঁৰ প্ৰথম উপন্যাস 'মনৰ দাপোণ'ৰ পাছত 'মৰম বিচাৰি', 'নজলা ধূপৰ ইতিকথা', 'জীৱন এষণা', 'কোনো খেদ নাই', 'পুতলাৰ নমস্কাৰ' আদি প্ৰায় দহখনমান উপন্যাস এতিয়ালৈকে প্ৰকাশ কৰিছে। বৰকটকীৰ উপন্যাসৰ প্ৰধান সুৰ ব্যঙ্গ আৰু ভণ্ড দুৰ্নীতিপৰায়ণ ব্যক্তি আৰু সমাজ তেওঁৰ ব্যঙ্গবাণৰ লক্ষ্য। তেওঁৰ উপন্যাসৰ কাহিনী অসংলগ্ন শিথিল। পৰিস্থিতি ক্ৰিয়াশীল গাঁথি চৰিত্ৰৰ প্ৰকৃত স্বৰূপ উদ্‌ঘাটন কৰাই প্ৰধান উদ্দেশ্য। প্ৰায়বোৰ প্ৰধান চৰিত্ৰ ৰবিকাশ নাই, প্ৰথম স্তৰতে স্ফুট বা অৰ্দ্ধস্ফুট চাৰিত্ৰিক বৈশিষ্ট্যবোৰৰে ক্ৰম প্ৰকাশ পাছত দেখুৱা হয়। জীৱনৰ গভীৰ দিশ বা ৰহস্য উদ্‌ঘাটনৰ প্ৰচেষ্টা তেওঁৰ উন্যাসত নাই।

সমাজৰ এটা কলুদিশলৈ আঙুলিয়াই দি সংস্কাৰসাধন তেওঁৰ অন্যতম উদ্দেশ্য।

লক্ষ্মীনন্দন বৰাই প্ৰথমতে সুখ্যাতি লাভ কৰে চুটি গল্পৰ যোগেদি গ্ৰাম্য জীৱনৰ নিখুঁত চিত্ৰ দাঙি ধৰি। সপ্তম দশকৰ প্ৰাৰম্ভতে 'নিশাৰ পুৱৰী' নামৰ গ্ৰন্থেৰে উপন্যাসৰ ক্ষেত্ৰত প্ৰৱেশ কৰে। ইয়াৰ পাছত তেওঁ ভালে কেইখন উপন্যাস প্ৰকাশ কৰি পাঠক সমাজত জনপ্ৰিয় হৈছে। এইবোৰৰ ভিতৰত 'গংগা চিলনীৰ পাখি' বিশেষ ভাৱে উল্লেখযোগ্য। এখন নদীক কেন্দ্ৰ কৰি প্ৰবাহিত হোৱা জীৱনধাৰাৰ তোচিত এজনী গাভৰুৰ প্ৰণয়কামী জীৱনৰ ব্যৰ্থ ইতিহাস ইয়াত বৰ্ণিত হৈছে। কিন্তু নায়িকা বাসন্তীয়ে যৌৱনৰ বিয়লি বেলিকা কৰা মিলনৰ প্ৰচেষ্টাই বাসন্তীক পুতৌৰ পাত্ৰীহে কৰি তুলিছে, পাঠকক অশ্ৰুসিক্ত কৰিব পৰা নাই। বৰাৰ পৰ-ৱৰ্তী উপন্যাসবাজিৰ শিল্পৰীতিত ফৰমাইচ পূৰণ ধৰণেৰে মনোভাৱ প্ৰকাশ পাইছে। মাত্ৰাধিক যৌনাবেদনে কাহিনীৰ গাম্ভীৰ্য্য হ্ৰাস কৰিছে। ৰথ-কটকীৰ দৰে বৰাৰ সামাজিক ৰচনাতো দুৰ্নীতিৰ সমালোচনা আৰু ব্যঙ্গ নিহিত আছে। বৰাৰ উপন্যাসৰ সৰহভাগেই স্বল্পাৱয়ৱী, উপন্যাসিকা বোলাই সমীচীন হব। তেওঁৰ উপন্যাসত বহু শাখা-পত্ৰবিশিষ্ট বৈচিত্ৰ্যময় ঘটনা আৰু পৰিস্থিতি নাই, অধিক ভাগেই একক কথাযুক্ত কাহিনী। কেতিয়াবা কেতিয়াবা ঔপন্যাসিক নৈসৰ্গিক বৰ্ণনাৰ ক্ষেত্ৰত কাব্যধৰ্মী হৈ পৰে আৰু উপমা, উৎপ্ৰেক্ষাদি অলংকাৰ প্ৰয়োগৰ দ্বাৰা বৰ্ণনীয় চিত্ৰ ইন্দ্ৰিয় গ্ৰাহ্য (Sensuous) কৰিবলৈ চেষ্টা কৰে। আপাতদৃষ্টিত দুষ্ট বা গুণ্ডাৰো এখন মানৱীয় হৃদয় আছে তাৰ চিত্ৰণ দুই-এখন উপন্যাসত লক্ষ্য কৰা যায়।

হোমেন বৰগোহাঞিৰ উপন্যাস সংখ্যাত তাকৰ। তেওঁৰ প্ৰথম দুখন উপন্যাস 'সুবালা' আৰু 'তান্ত্ৰিক'ত গতানুগতিক ৰীতিৰ পথ কাষৰি কাটি নতুন দিশ উদ্ঘাটন কৰিবলৈ চেষ্টা কৰিছে। শেহতীয়া উপন্যাস 'হাল-ধীয়া চৰায়ে বাওধান খায়'ৰ বিষয়বস্তুত বাস্তৱতা থাকিলেও, ধনী তথা-কথিত গ্ৰাম্য নেতাৰ দ্বাৰা শোষিত গ্ৰাম্য খেতিয়কৰ নিকৰুণ চিত্ৰ সন্নিবিষ্ট হৈছে যদিও ৰসোত্তীৰ্ণ হবলৈ উঠিব পৰা নাই। 'সুবালা'ত এজনী গ্ৰাম্য গাভ-ৰুক তাইৰ ইচ্ছাৰ বিপৰীতে অসৎ, কামুক লোকে প্ৰলোভনৰ মলীন ৰূপ দেখুৱাই কেনেকৈ গণিকাবৃত্তি লবলৈ বাধ্য কৰিলে, তাৰ কৰুণ ইতিহাস বৰ্ণিত হৈছে। গণিকাবৃত্তি গ্ৰহণ কৰিবলৈ প্ৰতিকূল অৱস্থাই বাধ্য কৰিলেও তাইৰ প্ৰকৃত নাৰীসত্তাৰ সুপ্ত আকাংক্ষা মাৰ যোৱা নাই। পাঠকৰ সহানু-ভূতি তাইৰ প্ৰতি অব্যাহত আছে। 'তান্ত্ৰিক' নামৰ উপন্যাসখনত নাৰীৰ

সৌন্দৰ্য্য আৰু দৈহিক সাম্ভোগৰ মাজেদি দেহাতিৰিক্ত অনিৰ্বচনীয় ৰহস্য-ময় আবেশৰ স্ফুৰণ পৰিকীৰ্ত্তিত হৈছে। "বিন্দুৰ মাজত সিন্ধু প্ৰতিভাত হোৱাৰ দৰে যৌনমিলনৰ ক্ষণিক অভিজ্ঞতাৰ মাজত সমগ্ৰ জীৱনটো যেন এক অপাৰ্থিৱ আলোকত প্ৰতিভাত হৈ উঠে।" এয়ে উপন্যাসখনৰ নায়কৰ ধাৰণা।

নিৰুপমা বৰগোহাঞি স্ত্ৰী-ঔপন্যাসিকাসকলৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য। তেওঁৰ 'সেই নদী নিৰবধি', 'এজন বুঢ়া মানুহ' 'দিনৰ পাছত দিন', 'কেকটাচৰ ফুল', 'সামান্য অসামান্য' আদি কেবাখনো উপ-ন্যাস প্ৰকাশ হৈছে। তেওঁৰ ৰচনাত নাৰীসুলভ দৃষ্টিভঙ্গী এটা মন কৰিব-লগীয়া বিশেষত্ব। এওঁৰ উপন্যাসত পুৰুষ গৌণ, নাৰীয়েহে প্ৰধান স্থান অধিকাৰ কৰিছে। নাৰীৰ মনস্তত্ব নাৰী জীৱনৰ বিবিধ পাৰিবাৰিক সমস্যা, নতুন যুগে কঢ়িয়াই অনা ভাব আৰু জীৱন ধাৰাৰ নাৰীৰ ওপৰত প্ৰভাৱ, আদি ৰূপায়ণত শ্ৰীমতী বৰগোহাঞিয়ে গুৰুত্ব আৰোপ কৰিছে। 'সেই নদী নিৰবধি' নামৰ উপন্যাসখনেই ঔপন্যাসিকাৰ এতিয়ালৈকে প্ৰকাশ পোৱা উপন্যাসৰ ভিতৰত শ্ৰেষ্ঠ বুলি ধাৰণা হয়। পাগলাদিয়া নদীক কেন্দ্ৰ কৰি গঢ়ি উঠা এজনী ছোৱালীৰ শৈশৱ-যৌৱনৰ আনন্দ-কৰুণ প্ৰেম-প্ৰীতিৰ চিত্ৰ অঙ্কিত হৈছে। নদীৰ লগত মানৱৰ ভাগ্য অঙ্কিত হোৱা চিত্ৰৰূপে এই উপন্যাস উল্লেখযোগ্য।

নীলিমা দত্তৰ 'আকাশ বস্তি', 'শৈল শিখৰ', উমা বৰুৱাৰ 'চিয়েন, নদীৰ ঢৌ', মামণি গোস্বামীৰ 'চিনাকি সোঁত', প্ৰবীণা শইকীয়াৰ 'উত্তৰায়ণ' চিত্ৰলতা ফুকনৰ 'অশ্ৰু-কন্যা' আদি ভালেকেইখন উপন্যাসত নাৰী লেখি-কাই স্বকীয়ভাৱে সমাজখন চাবলৈ প্ৰয়াস কৰাৰ চেষ্টা দেখা যায়। এওঁ-লোকৰ ৰচনাৰ সংখ্যাল্পতাৰ কাৰণে নিজস্ব ষ্টাইল আৰু দৃষ্টিভঙ্গীৰ সম্যক পৰিচয় দিয়াৰ সময় এতিয়াও হোৱা নাই।

কবিৰূপে সুপৰিচিত নৱকান্ত বৰুৱাই কাহিনীকাৰ ৰূপেও নিজৰ সুনাম অম্লান ৰাখিবলৈ সক্ষম হৈছে। পঞ্চাশৰ দশকত ওলোৱা প্ৰথম উপন্যাস 'কপিলীপৰীয়া সাধু'ত প্ৰধান চৰিত্ৰ ৰূপাইৰ কপিলীৰ প্ৰতি নিবিড় আকৰ্ষণ আৰু প্ৰেমৰ ৰহস্যময় ইতিহাস কাব্যিক সুৰত বৰ্ণিত হৈছে। সদ্য প্ৰকাশিত "ককাদেউতাৰ হাৰ'ত দুটা শক্তিপ্ৰয়াসী প্ৰাচীন পৰিয়ালৰ সংঘৰ্ষ ইতিহাসৰ বিষয়া-পাইকৰ বাতাবৰণত সংস্থাপিত কৰি আকৰ্ষণীয় ৰূপে সংস্থাপন কৰিছে। এই উপন্যাসক ইতিহাসভিত্তিক বোলাতকৈ বুলি কোৱাই অধিক সমীচীন হ'ব।

'শীলভদ্র' চুটিগল্প লেখক। কিন্তু বোৱা কেইবছৰমান তেওঁ চাৰিখন উপন্যাস প্ৰকাশ কৰি ঔপন্যাসিকৰূপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। 'মধুপুৰ', 'তৰঙ্গিনী', 'আগমণিৰ ঘাট' আৰু 'আংতগুৰি' এই এটাই কেইখন উপন্যাসত পৰিকল্পিতভাৱে বিকাশ ঘটোৱা সুবিন্যস্ত কাহিনী নাই। সচৰাচৰ উপন্যাসত আৰম্ভৰপৰা শেষলৈকে বিস্তৃতি লাভ কৰা ঘটনা পৰম্পৰান্বিত কাহিনীৰ প্ৰাধান্য থাকে।' কিন্তু ওপৰত উল্লেখ কৰা শীলভদ্ৰৰ উপন্যাসত তেনে গতানুগতিক কাহিনীৰ স্থান নাই। তেওঁৰ উপন্যাসত কাহিনীৰ পৰিবৰ্তে বাতাবৰণ একোটা সৃষ্টিৰহে প্ৰয়াস কৰিছে। বহুতো পাত্ৰ-পাত্ৰীৰ পাৰ্শ্বিক চিত্ৰ আৰু ক্ষুদ্ৰ ক্ষুদ্ৰ ঘটনাৰ সামগ্ৰিক বৈচিত্ৰ্যই একোখন ঠাইৰ এটা বিশেষ বাতাবৰণ পাঠকৰ আগত দাঙি ধৰে। কাহিনী সৃষ্টি তেওঁৰ উপন্যাসৰ মুখ্য উদ্দেশ্য নহয়। বিশেষ পৰিস্থিতি বা বাতাবৰণত বিচৰণ কৰা এচাম নৰনাৰীৰ মানসিক বৈচিত্ৰ্য আৰু কাৰ্য্যকলাপ লেখন-কলকত ৰূপায়ন কৰাই তেওঁৰ উপন্যাসৰ উদ্দেশ্য। উপন্যাস কেইখন সৰু সৰু ঘটনাৰ সমষ্টি আৰু চৰিত্ৰৰ ক্ষণিক ৰূপৰ প্ৰকাশ হলেও লেখকে ইটো ঘটনাৰপৰা সিটো ঘটনালৈ ইটো চৰিত্ৰৰপৰা সিটো চৰিত্ৰলৈ অৱলীলাক্ৰমে সংক্ৰমণ কৰিছে।

অমূল্য বৰুৱাৰ 'উৰুনুজংঙা' আৰু 'এই পদুমণি', দুখন বিপৰীত ধৰ্মী উপন্যাস। প্ৰথমখনৰ পটভূমি খাচিয়া পাহাৰ, খাচিয়ান সমাজ। এটা সৰু ল'ৰাৰ মনস্তত্ত্ব, ল'ৰালিৰ ঔৎসুক্যক কেন্দ্ৰ কৰি কাহিনী ৰচিত হৈছে। শোকাবহ করুণ পৰিণতিৰ এই উপন্যাসখনে অসমীয়া সাহিত্যৰ বৈচিত্ৰ্য সম্পাদনত সামান্যভাৱে হলেও ৰহণ যোগাইছে। দ্বিতীয় উপন্যাস 'এই পদুমণি' নিঃসন্দেহে অসমীয়া উপন্যাসৰ ভিতৰত অন্যতম শ্ৰেষ্ঠ উপন্যাস। এটা বিশেষ অঞ্চলৰ ৰীতিনীতি, জীৱনযাত্ৰাৰ প্ৰণালী, বিশ্বাস, কথনভঙ্গী, সেই স্থানৰ লগত নৰনাৰীৰ এবাৰ নোৱাৰা সম্পৰ্ক ব্যৱসায় দন-কাজিয়া, এই সকলোবোৰৰ সামগ্ৰিক আলেখ্য এটা 'পদুমণি'ত অঙ্কিত হৈছে। অসমীয়া বহল সমাজখনৰ ভিতৰতে যে শীমিত অঞ্চলক কেন্দ্ৰ কৰি এখন আঞ্চলিক উপন্যাস ৰচনা কৰা সম্ভৱ সেইটো 'এই পদুমণি'য়ে দেখুৱাই দিয়ে। কুলধৰ, কলিমী, বিহুনী আদি চৰিত্ৰই প্ৰাধান্য লাভ কৰিলেও চৰিত্ৰতকৈ কালৰ প্ৰভাৱ আৰু পৰিবৰ্তন প্ৰদৰ্শন এই উপন্যাসৰ মুখ্য উদ্দেশ্য।

নিৰোদ চৌধুৰীৰ উপন্যাসবাজি স্বল্পায়তনী। বহুত ক্ষেত্ৰত একোটা দীঘল চুটি গল্প বুলি কলেও অপলাপ নহব। কাহিনীৰ বিস্তৃতি চৰিত্ৰৰ

বাহুল্য, পৰিস্থিতি-অৱস্থাৰ বৈচিত্ৰ্যজনিত জটিলতা তেওঁৰ উপন্যাসত নাই । চৌধুৰীৰ আধা ডজন উপন্যাসৰ সংক্ষেপত নিটোল কথাবস্তু ৰচনাৰ প্ৰতি দৃষ্টি ৰখাতকৈ চৰিত্ৰৰ মনস্তাত্ত্বিক দিশ উদ্‌ঘাটন কৰাৰ প্ৰতি তেওঁৰ তৎপৰতা অধিক পৰিমাণে লক্ষ্য কৰা যায় । তেওঁৰ ৰচনাভঙ্গী আৰু বৰ্ণনাত 'বহুকথন, আৰু পুনৰুক্তি দোষে পাঠকক আমনি নিদিয়াকৈ নাথাকে । 'পানী', 'জটায়ু', 'নাম ৰাখিলো বাসৱী' 'স্বপ্ন বৃন্দাবন' 'কালহীৰা' 'বন হংস' আদি বিভিন্ন উপন্যাসত শাখা প্ৰশাখা যুক্ত কাহিনীৰ পৰিবৰ্তে এক-কোষী কাহিনীয়েই প্ৰাধান্য লাভ কৰিছে।

কুমাৰ কিশোৰৰ প্ৰায় এক ডজন উপন্যাসত কেইটামান বৈশিষ্ট্য লক্ষ্য কৰা যায় । দুই-এখনত চৰিত্ৰৰ মানসিক বিক্ষিপ্তি বা বিকৃতিক কেন্দ্ৰ কৰি কাহিনী গঢ়ি উঠিছে আৰু মনস্তাত্ত্বিক বিশ্লেষণ আৰু চিকিৎসাৰ যোগেদি চৰিত্ৰৰ অতীত ৰহস্য উদ্‌ঘাটন কৰিছে । দুই-এখনত অভৌতিক, ভীতি-সঙ্কুল পৰিবেশৰ মাজেদি কাহিনী আগবঢ়াই নি পাঠকৰ উৎকণ্ঠা শেষত নিৰাসন কৰিছে । দুই-এখনত আকৌ যৌনজীৱন আৰু যৌনাতিশয্যক প্ৰাধান্য দি বাহিৰে ৰং চং ভিতৰে কোৰাভাতুৰি যেন ফোপোলা মধুমলা-জাতীয় তথাকথিত শিক্ষিত এক শ্ৰেণীৰ শিশ্নসেৱাৰ চিত্ৰ দাঙি ধৰিছে। 'কপিলী নীৰবে কান্দে' 'শিখাৰ কপঁনি', 'শতাব্দীৰ স্বপ্ন' 'এমুঠি তৰাৰ জিলি-মিলি' 'কিঙ্কিনীৰ কলঙ্ক', 'বন্যা ধৌত ৰশ্মীপ', 'এৰাসুঁতিৰ স্মৃতি' আদি বিভিন্ন উপন্যাসে জীৱনৰ ওপৰত গভীৰ আলোকপাত নকৰিলেও পাঠকৰ উৎকণ্ঠা জাগ্ৰত ৰাখে ।

মোহিনী কাকতীৰ কাহিনীকথনৰ স্বকীয় বৈশিষ্ট্য আছে । তেওঁৰ 'এক নক্ষত্ৰৰ নিশা' 'ধ'দ আৰু কুঁৱলী', 'ভগ্নাংশ' আদি উপন্যাসৰ কাহিনী বিকাশৰ কৌশল বা টেকনিকত স্বকীয়তা লক্ষ্য কৰা যায় । 'ভগ্নাংশ'ৰ আকৰ্ষণীয় বৈশিষ্ট্য দেখা যায় চৰিত্ৰবোৰৰ মানসিক সংঘাত বিশ্লেষণত আৰু প্ৰত্যেক চৰিত্ৰৰ ব্যক্তিসত্তাৰ অন্তৰ্ভূত আদিম মন বা ইয়াৰ অভি-ব্যক্তিত । আৰ্থিক বৈষম্য আৰু পাৰস্পৰিক বিদ্বেষৰ ভেটিত দুটা সামাজিক শ্ৰেণীৰ সংঘাতক কেন্দ্ৰ কৰি 'ধ'দ আৰু কুঁৱলী'ৰ প্ৰণয় কথা পল্লৱিত হৈছে । এই উপন্যাসৰ আকৰ্ষণৰ উৎস হৈছে প্ৰণয় ৰকম্বাৰ আপাত বিৰোধাত্মক (Paradoxical) আচৰণ আৰু তাৰ মনস্তাত্ত্বিক কাৰণ উদ্‌ঘাটনৰ প্ৰক্ৰিয়া । সেই দৰে 'এক নক্ষত্ৰৰ নিশা'ৰ প্ৰধান চৰিত্ৰ উদ্যোগপতি বিপুল বৰুৱাৰ স্মৃতিৰোমন্থনৰ মাজেদি কাহিনীয়ে ৰূপ লৈছে । বহুতো চৰিত্ৰৰ অহা যোৱা থাকিলেও কেৱল অন্ধকাৰ নিশাৰ অকলশৰীয়া

তআৰ দৰে বিপুল বৰুৱাৰ নিঃসঙ্গ বেদনাবিধৌত চৰিত্ৰই কাহিনীটো উজ্বল কৰি ৰাখিছে।

চন্দ্ৰপ্ৰসাদ শইকীয়াৰ উপন্যাস চতুষ্টয়ত সামাজিক অভিব্যক্তিতকৈ ব্যক্তিগত ভাবানুভূতিৰ প্ৰকাশেই বিশিষ্ট ৰূপ পৰিগ্ৰহ কৰিছে। তেওঁৰ প্ৰথম উপন্যাস 'এদিন'ত দিনেকীয়া তিক্ত অভিজ্ঞতাৰ অন্তৰালত ক্ষয়ৰোগাক্ৰান্ত বিপ্লৱী প্ৰশান্তৰ কাহিনী আৰু প্ৰধান চৰিত্ৰ অৱবিন্দৰ ভগ্নীয়েকৰ ভ্ৰাতৃস্নেহৰ চেঁচনিয়ে কথাবস্তুক মানৱীয়তা দান কৰিছে। একে লেখকৰে 'মন্দাক্রান্তা', 'মেঘমল্লাৰ', উপন্যাসত ৰোমাণ্টিক প্ৰেমৰ বাদৰ মাজেদি জীৱনৰ নীচতা-হীনতা আঁতৰ কৰি সুন্দৰ কৰাৰ মোহময় স্বপ্ন প্ৰতিফলিত হৈছে। কিন্তু 'উত্তৰ পুৰুষ'ত লেখক সমাজজীৱনৰ ভিতৰুৱা বিভৎসৰূপ নগ্নভাৱে উদঙাই দেখুৱাবলৈ প্ৰয়াস কৰিছে শিক্ষিত নিবনুৱা ডেকাৰ সমাজ বিৰোধী মনোভাব আৰু কাৰ্য্যৰ মাজেদি। এইখনৰ বিশেষ কলাত্মক আবেদন আছে বুলি কব পৰা নাযায়। শইকীয়াৰ ৰচনা শৈলী মাৰ্জ্জিত আৰু প্ৰুফপৰিশোধিত বুলি কব পাৰি।

কামাখ্যা সভাপণ্ডিতে নিম্ন মধ্যবিত্ত আৰু শ্ৰমিক শ্ৰেণীৰ জীৱনৰ সংঘাত আৰু প্ৰণয়ৰ চিত্ৰ অংকন কৰি ভালেকেইখন উপন্যাস ৰচনা কৰিছে যদিও সস্তীয়া যৌন চিত্ৰ আৰু তৰাং পৰিস্থিতিৰ উপস্থাপনে গাম্ভীৰ্য্য লাভ কৰাত অন্তৰায়ৰূপে থিয় দিছে। জীৱনক গভীৰভাৱে উপলব্ধি কৰাৰ প্ৰয়াস তেওঁৰ ৰচনাত দেখা নাযায়। কিন্তু সাধাৰণ অসমীয়া পাঠকৰ উপন্যাসপাঠৰ বাসনা পূৰণ কৰিছে। সভাপণ্ডিতৰ বাহিৰেও নতুনকৈ বহু কেইজন উপন্যাস ৰচনা প্ৰয়াসী লেখক আগবাঢ়ি অহা দেখা গৈছে। দুখৰ বিষয় এই নতুন লেখক চামৰ মাজত দুই-এজনত বাদে সৰহভাগেই কথাশিল্পীৰ প্ৰতিভাৰ সম্ভাৱনা দাঙি ধৰিব পৰা নাই। মহেন্দ্ৰ বৰঠাকুৰ, কমল গগৈ আদি দুই-এজনৰ ৰচনাই প্ৰতিশ্ৰুতি দাঙি ধৰিছে। বৰঠাকুৰৰ 'বেগমপাৰা' 'উদাসী সন্ধ্যা' 'বেলি ফুল' মাৰ্জিত ৰুচিৰ সুখপাঠ্য উপন্যাস। নতুন লেখকৰ ভিতৰত ত্ৰৈলোক্য ভট্টাচাৰ্য্য, ডিবেশ্বৰ বৰা, নবীন বৰুৱা, লক্ষ্মীকান্ত মহন্ত, জয়কান্ত গন্ধিয়া, ঈশ্বৰ মহন্ত, সুদৰ্শন, ৰাম হাজৰিকা, ক্ষিতি বৰা আদিৰ নাম উল্লেখযোগ্য। সস্তীয়া যৌন আবেদনৰ পাত্ত তথাই ব্যৱসায় দৃষ্টিভঙ্গীৰে কাহিনী ৰচনা কৰিবলৈ প্ৰয়াস নকৰি জীৱনক উপলব্ধি কৰিবলৈ চেষ্টা কৰি কাহিনী-চৰিত্ৰক ৰূপ দিলে সাহিত্য উন্নত হ'ব, অন্যথা আবৰ্জ্জনাৰে ভৰিব। নতুন লেখকসকলে যদি তেওঁলোকৰ মানসিক আৰু বৌদ্ধিক দিগন্ত প্ৰসাৰ কৰিব পাৰে, তেন্তে উচ্চ শ্ৰেণীৰ উপন্যাস পোৱাই

নাথাকে ।

প্ৰসঙ্গক্ৰমে দুখনমান আঞ্চলিক উপন্যাসৰ কথা এইখিনিতে উল্লেখ কৰিব পাৰি । কৈলাশ শৰ্মাৰ 'অনামী নাগিনী' আৰু 'ডালিমীৰ স্বপ্ন', বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ 'ইয়াৰুইংগম' লুম্বেৰ দাইৰ আদি জাতিৰ পটভূমিত ৰচনা কৰা 'পাহাৰৰ শিলে শিলে' আৰু 'পৃথিবীৰ হাঁহি,' এই প্ৰসঙ্গত উল্লেখযোগ্য । শৰ্মাৰ প্ৰথমখন উপন্যাসত এজনী হতভাগী নাগিনীৰ করুণ ইতিহাস নগা সমাজৰ সামাজিক পটভূমিত বৰ্ণিত হৈছে । দ্বিতীয়খনক প্ৰকৃত উপন্যাস বোলা টান যদিও নগাভূমিৰ অশান্ত পৰিবেশৰ এটা জ্বলন্ত বাস্তৱ চিত্ৰ মনোৰম ভাবে বিভিন্ন চৰিত্ৰৰ কাৰ্য্যকলাপ আৰু আচৰণৰ যোগেদি প্ৰকাশ কৰিছে । বীৰেন্দ্ৰ ভট্টাচাৰ্য্যৰ 'ইয়াৰুইংগম'ত নগাভূমিৰ যুদ্ধ আৰু শান্তিৰ প্ৰশ্ন, ভাৰতৰ অঙ্গৰূপে থকা আৰু নথকাৰ প্ৰশ্ন কাহিনীৰ মাজেদি ৰূপায়িত হৈছে । লুম্বেৰ দাইৰ দুয়োখন উপন্যাসতে আদি সমাজৰ ৰীতি-নীতি, সামাজিক ব্যৱস্থাৰ পৰিপ্ৰেক্ষিতত প্ৰেমপ্ৰীতি, ঈৰ্ষা-অসূয়াৰ চিত্ৰ দাঙি ধৰিছে । নদীকেন্দ্ৰিক উপন্যাসৰ ভিতৰত নিৰুপমা বৰগোহাঞিৰ 'সেই নদী নিৰবধি', নৱকান্ত বৰুৱাৰ 'কপিলীপৰীয়া সাধু', বন্ত ওজাৰ 'নদীৰ নাম নৰ্মদা', বিশেষভাবে উল্লেখযোগ্য । অৱশ্যে কুমাৰ কিশোৰৰ 'কপিলী নীৰবে কান্দে' কৃষ্ণ বৰঠাকুৰৰ 'লুইতৰ ইপাৰে সিপাৰে' 'লুইতৰ পাৰৰ ধুনীয়া ছোৱালী জনী' মামণি গোস্বামীৰ 'চিনাৱৰ সোঁত', আদি উপন্যাসত নদীৰ নাম জড়িত থাকিলেও নদী আৰু মানৱৰ ৰহস্যময় আত্মিক সংযোগ এইবোৰৰ প্ৰধান বাচ্য নহয় ; উপলক্ষাভাবেহে নদীৰ নাম সংশ্লিষ্ট হৈ পৰিছে ।

ওপৰত যোৱা পঁচিশ বছৰৰ অসমীয়া উপন্যাসৰ এটা চমু পৰিচয় দিবলৈ চেষ্টা কৰা হ'ল । উপন্যাসৰ সংখ্যা যে ক্ৰমাগত বাঢ়ি আহিছে সেই বিষয়ে সন্দেহৰ অৱকাশ নাই, কিন্তু সাহিত্য-সমালোচনাৰ তুলাদণ্ডত গুৰুত্ব লাভ কৰিব পৰা উপন্যাসৰ সংখ্যা যে এতিয়াও সীমাবদ্ধ সেই বিষয়ে সন্দেহ নাই । ইয়াৰ কাৰণ কেবাটাও । অসমীয়া সমাজ অভিজ্ঞতাৰ ফালৰ পৰা সংকীৰ্ণ আৰু সীমাবদ্ধ । বিচিত্ৰ অভিজ্ঞতাৰ থল নাই । সৰহভাগ লেখকেই অপৰিপক্ক যুবক । উপন্যাস ৰচনাত আশা-শুধয়াভাবে লাগি থকা লেখকৰ সংখ্যা বৰ কম । তদুপৰি সৰহভাগ উপন্যাস সৃষ্টিৰ অন্তৰালত সৃষ্টি সুলভ হৃদয়ৰ অনুপ্ৰেৰণাতকৈ আলোচনী আৰু প্ৰকাশকৰ ফৰমাইচ আৰু তাগিদা, সুক্ষ্ম পৰ্য্যবেক্ষণ দেশ-বিদেশৰ সাহিত্য অধ্যয়ন, স্বকীয় দৃষ্টিভঙ্গী বা জীৱন দৰ্শন আৰু উন্মেষশালিনী প্ৰতিভাৰ সংযোগ ঘটিলে আমাৰ উপন্যাসৰ মান নিশ্চয় ওপৰলৈ উঠিব ।

আমাৰ সাহিত্যত নগৰীয়া জীৱনৰ ছবি

শ্ৰীমহেন্দ্ৰ বৰঠাকুৰ

আপাত দৃষ্টিত তাৎপৰ্য্যহীন এটি নিতান্ত পাৰিবাৰিক কথাকে উদাহৰণ স্বৰূপে লৈ আলোচনাটি আৰম্ভ কৰিব খুজিছোঁ। আমাৰ ককাদেউতাৰ হেনো এখন চাহ বাগিচা আছিল। সৰহদিন চাহ বাগিচা চলাব নোৱাৰিলে। ৰাজস্থানী ব্যৱসায়ীক সেই সম্পত্তি বেচি দিব লগা হ'ল। সেই পইচাৰে এখন নিগাজী ঘৰ কৰিব লাগে। কোনোৱে শিৱসাগৰ নগৰতে মাটি কিনি ঘৰ সাজিবলৈ পৰামৰ্শ দিলে। ককাদেউতাই কিন্তু নগৰত ঘৰ সাজিবলৈ ভাল নাপালে। নগৰত মাছ-পাখীৰ অভাৱ। গতিকে অন্য ঠাই, এখন প্ৰায় হাবিতলীয়া ঠাইত হাবি-কাটি ঘৰৰ মাটি উলিয়ালে। ঠাইখনৰ নাম হ'ল খুটা। খুটাৰ আভিধানিক অৰ্থ গৰু-ম'হৰ আক বথা ঠাই। ওচৰেদি দিৰৈ নৈ বৈ গৈছে।

নিতান্তই পাৰিবাৰিক কথাষাৰ মই এই বাবেই আনিলোঁ যে এই শতিকাৰ প্ৰথম দশকলৈকে সাধাৰণ অসমীয়া মানুহৰ নগৰৰ প্ৰতি থকা ধাৰণাৰ এটি আভাস ইয়াৰ দ্বাৰা পোৱা যায়। নগৰৰ কৃত্ৰিমতা, কোলাহলৰ পৰা নিজকে আঁতৰাই ৰখাটোকে সেই সময়ৰ অসমীয়া মানুহে বুদ্ধিমানৰ কাম বুলি ভাবিছিল। ডিব্ৰুগড়-তিনিচুকীয়া অঞ্চলৰ মৰাণ-মটক সম্প্ৰদায়ৰ অসমীয়া মানুহখিনিয়ে ইচ্ছা কৰা হ'লে সেই সেই অঞ্চলৰ ব্যৱসায়-বাণিজ্য নিজৰ হাতত ৰাখিব নোৱাৰিলহেঁতেন নে? পাঁচ টকা ধাৰৰ সলনি অথবা এটিং ধানৰ সলনি এবিঘা মাটি অনা-অসমীয়া মহাজনৰ হাতত এৰি যোৱাৰ অনেক দৃষ্টান্ত আছে। নগৰ এৰি দূৰণিত গাঁও পাতি থাকিবলৈ যোৱা আমাৰ মাজত মিকিৰ আৰু কছাৰী সম্প্ৰদায়ৰ অসমীয়া মানুহ পোৱা যায়। "খুতুৰা শাকৰ খুচুৰা দোকান য'ত হ'ব পাৰে জীৱিকাৰ এখনি দুৱাৰ, সেই চহৰৰ (মহেন্দ্ৰ বৰা: হে স্বাৰৰ হে নগৰ)—যুক্ত সাধাৰণ উপাৰ্জনেৰে জীৱন কটোৱা সহজসাধ্য নহ'ব বুলিয়েই এই শতিকাৰ দ্বিতীয় দশকৰ মাজ ভাগ মানলৈকে নগৰৰ নগৰত অসমীয়া মানুহৰ পৰিচয় নিতান্তই উপ-

কৰা আছিল। কিন্তু মধ্যবিত্ত শ্ৰেণীটোৱে নিজৰ প্ৰয়োজনতেই যাইকৈ নগৰমুখী হ'ব লগা হ'ল। স্কুল-কলেজ ব্যৱসায় উদ্যোগৰ বিকাশৰ লগে লগে নগৰৰ পৰিসীমাও বহল হৈ যায়। চাকৰীৰ স্পৃহা বাঢ়ি আহে, স্কুল কলেজ শিক্ষাৰ অবিহনে চাকৰি পোৱাটো সহজ নহয় বুলি প্ৰতিপন্ন হয় আৰু সামৰ্থ্যবান পৰিয়ালে নিজৰ ল'ৰা-ছোৱালী নগৰলৈ পঠিয়াবলৈ কুণ্ঠাবোধ নকৰা হয়। এবাৰ নগৰমুখী হোৱাৰ পিচত গাঁৱলৈ ঘূৰি যোৱাৰ কথা 'শিক্ষিত চামে' কমেই ভবা হ'ল।

এইখিনিতে আৰু এটি প্ৰশ্ন হয় —প্ৰকৃতাৰ্থত অসমত নগৰ কেইখন আছে? কলিকতা, বোম্বাই অসমত নাই সঁচা, কিন্তু মহাযুদ্ধৰ পিচৰে পৰা অসমৰ নগৰ কেইখনৰ চৰিত্ৰ প্ৰাক্ মহাযুদ্ধৰ সময়তকৈ সলনি হ'ল। আমাৰ স্বৰ্গদেউ সকলৰ সময়ত নগৰৰ যি ৰূপ বা যি চৰিত্ৰ—সময়ৰ লগে লগে স্বাভাৱিকতে তাৰ পৰিবৰ্ত্তন আহিল। ভাৰতৰ ৰাজনৈতিক মান-চিত্ৰৰ পৰিবৰ্ত্তন, উদ্যোগিক সভ্যতাৰ বিকাশৰ স্পষ্ট প্ৰভাৱ অসমৰ ওপৰত পৰিলহি। বহিৰাগতৰ প্ৰবেশ-অনুপ্ৰবেশে অসমৰ জনসংখ্যাৰ হাৰ দ্ৰুত-গতিত বৃদ্ধি কৰিলে। অৰ্থনৈতিক ক্ষেত্ৰত তাৰ চাপ পৰিলহি। মানুহৰ সভ্যতা, ধ্যান ধাৰণা, সৌন্দৰ্য্য-সাধনা আদি সকলো প্ৰবৃত্তিৰ মূলত মানুহৰ অৰ্থনৈতিক জীৱন। দ্বিতীয় মহাযুদ্ধ আৰু ভাৰতৰ ৰাজনৈতিক স্বাধীনতা ভাৰত বুৰঞ্জীৰ এই দুয়োটা ঘটনাই পূৰ্বাঞ্চলৰ বিশেষকৈ অসমৰ সামাজিক অৰ্থনৈতিক জীৱনত এটা জোকাৰ দিলে। দ্বিতীয় মহাযুদ্ধৰ সৰ্বনাশী প্ৰভাৱ আমাৰ সামাজিক জীৱনৰ পৰা এতিয়াও নিৰ্ম্মূল হোৱা নাই। (ভাবিলে আচৰিত হ'ব লাগে যে এই সৰ্বনাশী মহাযুদ্ধই আমাৰ সামাজিক নৈতিক জীৱনলৈ যি গৰাখহনীয়া আনিলে তাৰ ছবি একমাত্ৰ যোগেশ দাসেহে "ডাৱৰ আৰু নাই"ত ফুটাই তুলিলে। "ডাৱৰ আৰু নাই"ক এফলীয়াকৈ থলে দ্বিতীয় মহাযুদ্ধৰ স্খলিত প্ৰভাৱৰ মৰ্মস্পৰ্শী চিত্ৰ অসমীয়া সাহিত্যত ফুটি নোলাল। অৱশ্যে মালিক চাহাবৰ "আঁধাৰ শিলাত" কিছু পোৱা গৈছে।)

অসম যাইকৈ কৃষি প্ৰধান ৰাজ্য। জনসংখ্যা বৃদ্ধিৰ লগে লগে উৰ্বৰা ভূমি দুৰ্লভ হৈ পৰাৰ আগলৈকে অসমীয়া মানুহে উদ্যোগ স্থাপনত কোনো উৎসাহ বোধ নকৰিছিল। উদ্যোগিক সভ্যতা বিকাশৰ লগে লগে অসমীয়া লিখকৰ চেতনাত যি সামান্য আলোড়ন তুলিলে সি লেখত লবলগীয়া নহয়। তাৰ কাৰণ হয়তো এনেকুৱা হ'ব পাৰে যে—উদ্যোগত নিয়োজিত শ্ৰমিক শ্ৰেণীৰ বৃহৎ অংশই বহিৰাগত। কায়িকশ্ৰম বিমুখ অসমীয়া মানুহৰ

যাৰ যে উদ্যোগৰ বাবে প্ৰয়োজনীয় শাৰীৰিক শ্ৰম সম্ভৱ নহয়—এই কথা উদ্যোগপতি সকলেও বুজিছিল (বৰ্তমান অসমীয়া সমাজৰ বৃহৎ অংশ চাহ বাগিচাৰ বনুৱাসকলক বাহিৰৰ পৰা ননা হ'লে অসমৰ গৌৰৱ চাহ উদ্যোগৰেই বা পৰিণতি কি হ'লগৈহেঁতেন অথবা অসমৰ সাংস্কৃতিক জীৱনে কোন সুঁতি ল'লেহেঁতেন সেই কথা কোৱা টান)। নিজৰ দেশত নাগৰিক জীৱনৰ বৈচিত্ৰ্য অনুভূত নহ'লে তাক সাহিত্য সংস্কৃতিৰ মাজত ফুটাই তোলাটোও সম্ভৱ নহয়। অসমৰ নাগৰিক জীৱনৰ বুৰঞ্জী যে বৰ চমু সেই কথা উল্লেখ কৰি আহিছোৱেই।' সাধাৰণতে বৃহৎ উদ্যোগক কেন্দ্ৰ কৰি নগৰবোৰ গঢ়ি উঠে। অসমত উদ্যোগকেন্দ্ৰিক নগৰ গঢ়ি নুঠাৰ (ডিগবৈ, দুলিয়াজানক বাদ দি) কাৰণ স্পষ্ট যে অসমত তেনে কোনো বৃহৎ উদ্যোগ নাই। বাণিজ্যিক কেন্দ্ৰৰূপে যি কেইখন নগৰ গঢ়ি উঠিছে (গুৱাহাটী, ডিব্ৰুগড়, তিনিচুকীয়া আদি) সেই কেইখন নগৰকো (গুৱাহাটীক এৰি) আমাৰ সাংস্কৃতিক জীৱনৰ প্ৰাণকেন্দ্ৰ বুলি কোৱা নাযায়। আমাৰ নগৰীয়া সংস্কৃতি অথবা নগৰীয়া সাহিত্য আৰু গ্ৰাম্য সংস্কৃতি বা গ্ৰাম্য সাহিত্য বুলি স্পষ্ট বিভাজনৰ ধাৰা দেখুৱাই দিব নোৱাৰি। ইয়াৰ কাৰণ আৰু এটা হ'ব পাৰে। বঙ্গদেশৰ দৰে ৰাজ্যত জমিদাৰ শ্ৰেণীয়ে এক স্বকীয়া ৰাজ্য আৰু স্বকীয়া সাহিত্য সংস্কৃতি গঢ়ি তুলিছিল, কিন্তু গোৱালপাৰা জিলাখনৰ বাহিৰে অসমৰ ক'তো 'জমিদাৰী প্ৰভাৱ'ৰ নিদৰ্শন নাই। আমাৰ স্বৰ্গদেউ সকলেও ৰজা-মহাৰজা বা 'নবাবী মজলিচ' পাতি দৰবাৰী সাহিত্য সংস্কৃতি চৰ্চা কৰাৰ পৰম্পৰাগত উদাহৰণ নাই। ফলত অন্যান্য ৰাজ্যত নগৰীয়া জীৱনৰ যি ভেটি, অসমৰ নগৰীয়া জীৱনৰ ভেটি অনুৰূপ নহয়। পুনৰ দোহাৰোঁ—অসমত নগৰীয়া জীৱনৰ ভিন্ন স্পন্দন দ্বিতীয় মহাযুদ্ধৰ পৰা অনুভৱ কৰা যায়। গতিকে আমাৰ সাহিত্যত নগৰীয়া জীৱনৰ প্ৰতিচ্ছবি বুলিলে আমি যুদ্ধোত্তৰ সময়ছোৱাৰ পৰাই আৰম্ভ কৰিব লাগিব। কিন্তু 'নগৰীয়া জীৱনৰ প্ৰতিচ্ছবি' বুলি কৈ আৰু' থমকি ৰ'ব লগা হৈছে। অসমত নগৰ কোনবোৰ? গুৱাহাটী, নগাঁও, যোৰহাট, ডিব্ৰুগড় তিনিচুকীয়াকো নগৰ বোলা হয়। ধুবুৰী, গোৱালপাৰা, বৰপেটা, বিশ্বনাথ চাৰিআলি, বাইহাটা চাৰিআলি, ডিগবৈ, মাকুম, মাৰ্ঘেৰিটাৰ দৰে ঠাইকো নগৰ বোলা হয়। নগৰৰ স্পষ্ট সংজ্ঞা অভিধানত আছে যদিও ব্যৱহাৰত নাই। ৰেল ষ্টেচন একোটাক কেন্দ্ৰ কৰি, পৰিবহন নিগমৰ বাছ ৰোৱা ঠাইক কেন্দ্ৰ কৰিও এনেকুৱা সৰু সৰু 'নগৰ' গঢ়ি উঠিছে, ব্যৱসায় চলিছে, নৈশ বিহাৰ চলিছে, চুলাই মদ বিক্ৰি হৈছে,

সন্তীয়া হিন্দী ছবিৰ আলোচনা চলিছে—ইত্যাদি। অৰ্থাৎ নগৰৰ অঞ্চল বিশেষৰ জীৱন আৰম্ভ হৈছে। আৰু প্ৰশ্ন হ'ল—নগৰীয়া জীৱন মানে? নগৰৰ অভিজাত বিলাসী জীৱন? মধ্যবিত্ত পাৰিবাৰিক অথবা ব্যক্তি জীৱন? গলিৰ দুঃস্থ, নিঃস্ব জীৱন? উদ্বাস্তু জীৱন? শ্ৰমজীবীৰ জীৱন? পুঁজি-পতিৰ জীৱন? বৌদ্ধিক বা সাংস্কৃতিক জীৱন? ৰাজনৈতিক জীৱন? ইয়াৰ উত্তৰত ক'ব লাগিব—এই সকলোকে লৈয়েই নগৰৰ সামগ্ৰিক জীৱন।

অসমীয়া সাহিত্যত আমাৰ নগৰীয়া জীৱনৰ প্ৰতিচ্ছবি কেনেদৰে পৰিছে? এই বিচাৰ কৰাৰ আগতে আমি আৰু এষাৰ কথা স্পষ্ট কৰি ল'ব লাগিব যে নগৰৰ পটভূমিত ৰচনা কৰা হলেই তাক নগৰীয়া জীৱনৰ প্ৰতিচ্ছবি বুলি আখ্যা দিব নোৱাৰি। নগৰীয়া মধ্যবিত্তৰ জীৱনক লৈ ৰচনা কৰা কিছু সংখ্যক গল্প উপন্যাস আমাৰ নিশ্চয় আছে, কিন্তু সেই বোৰৰ মাজেদি ব্যক্তি চৰিত্ৰ অথবা পাৰিবাৰিক জীৱনহে বিশেষ ভাৱে ফুটি উঠিছে। নগৰৰ সামগ্ৰিক জীৱন, নগৰৰ অঞ্চল বিশেষৰ দৈনন্দিন জীৱন, নগৰৰ জনগোষ্ঠী বিশেষৰ জীৱন আমাৰ সাহিত্যত কিমান দূৰ প্ৰতিফলিত হৈছে—সেইটোহে বিচাৰ্য্য। দূৰৰ কথা নকওঁ—বঙালী সাহি-ত্যত অকল কলিকতাক কেন্দ্ৰ কৰিয়েই বহুত গল্প, উপন্যাস, কবিতা ৰচনা হ'ল। বিভূতি ভূষণ, মানিক বন্দোপধ্যায় বা তাৰাশঙ্কৰৰ ৰচনা শৈলী, ভাষা, পটভূমিৰ লগত বৰ্তমানৰ বুদ্ধদেৱ বসু, সুনীল গঙ্গোপধ্যায়, সমৰেশ বসু আদিৰ ভাষা বা পটভূমিৰ যি স্পষ্ট পাৰ্থক্য দেখা যায় —অৰ্থাৎ গ্ৰাম্যাঞ্চল চিত্ৰাঙ্কনৰ সাহিত্যিক ভাষা আৰু নগৰীয়া জীৱনৰ ভাষা তেনে পটভূমিৰ অনুৰূপ ভাষাগত পাৰ্থক্য আমাৰ মাত্ৰ কেইজনমান লিখকৰ লিখনিতহে পোৱা যায়। ফলত নগৰীয়া জীৱন অঙ্কিত বহুত ৰচনাৰ মাজত নগৰীয়া ধমনীৰ স্পন্দন তীব্ৰভাৱে অনুভৱ কৰিব পৰা নাযায়।

চুটি গল্পৰ মাজেদি নগৰীয়া জীৱনক তীব্ৰভাৱে উপলব্ধি কৰোৱায় সৌৰভকুমাৰ চলিহা আৰু হোমেন বৰগোহাঞিয়ে। প্ৰথম জনে তেওঁৰ নগৰীয়া জীৱন ভিত্তিক ভাষাৰে বহুজন অসমীয়া ভাষাবিদৰ' মুখৰ বিষ তুলিছে। ধৰাবন্ধা কাহিনী নোহোৱাকৈ চেতনা স্ৰোত প্ৰবাহত বিক্ষিপ্ত মননশীল চৰিত্ৰ চিত্ৰৰ মাজেদি চলিহাই নগৰীয়া জীৱন আৰু তাৰ পৰিবেশ "এনে দক্ষভাৱে ফুটাই তোলে যে আপুনিও নায়কৰ দৰে হাবাথুৰি খাই নাইৱা ঘৰ্মাক্ত কলেৱৰ হৈ যাব লাগে" (যোগেশ দাস) আধুনিক নগৰীয়া জীৱন জটিল আৰু চঞ্চল, অশান্ত আৰু উদ্ভ্ৰান্ত, ৰুক্ষ আৰু বিষাদময়। 'অশান্ত ইলেক্‌ট্ৰণ'ৰ মাজেদি অসমীয়া গল্প সাহিত্যত প্ৰৱেশ কৰা চলি-

হাব গল্পব চৰিত্ৰ আৰু পটভূমি (হাঁহি চম্পা" ব্যতিক্ৰম) নগৰ। 'অশান্ত ইলেক্ট্ৰণৰ' পটভূমি নগৰ, উপলব্ধি বা প্ৰতিপাদ্য বিষয়—বৰ্তমানৰ দ্বিধা-গ্ৰস্ত, সংশয়াচ্ছন্ন অস্থিৰ সমাজ (এবাৰ কথা উল্লেখ কৰি থোৱা ভাল যে এই আলোচনাত গল্পৰ বিষয় বস্তু কিম্বা বক্তব্য সম্পৰ্কে মন্তব্য নকৰি কেবল আলোচনাৰ শিৰোনামাক প্ৰতিপন্ন কৰাবহে চেষ্টা কৰা হ'ব)। কোচালমুখৰ নগৰীয়া জীৱনৰ ছবি সৌৰভ চলিহাই কেইবাটিও গল্পত ফুটাই তুলিছে, হাস্য আৰু ব্যঙ্গৰ মাজত নায়কৰ মনোবেদনা অকপটে দাঙি ধৰিছে "এখন ডাঙৰ চহৰত এজন শান্তিপ্ৰিয় লোক বাস কৰিছিল। শান্তিপ্ৰিয় এই অৰ্থত যে তেওঁ (সকলো পৰা) হাই উকলি যোৱা পাইছিল... তেওঁৰ ভাগ্যত জুটিল এটা অতিপাত গণ্ডগোল ভৰ্তি ঠাই...তেওঁ গোটেই দিনটো বহি বহি প্ৰুফ চায় আৰু জব প্ৰিণ্টিঙৰ তদাৰক কৰে, চাৰিওপিনে মানুহ ওলায় আৰু সোমায়, ফ'ন বাজে, টাইপৰাইটাৰ চলে, আৰু আধা-খোলা দুৱাৰখনেৰে তিনিটা ফ্লেট মেচিন আৰু এটা মনটাইপৰ সংমিশ্ৰিত ধ্বনি সৰ্বক্ষণ ভাঁহি আহে আন সকলো তল পেলাই, সিহঁতৰ শব্দ তেওঁ বাতি টোপনিতো শুনে : খটুলং খটুলং ক্ৰিট্ ক্ৰিট্ ক্ৰিট্ ক্লক্—খটুলং খটুলং ক্ৰিট্ ক্ৰিট্ ক্ৰিট্——ক্লক—.......প্ৰেছৰ বাহিৰত তেওঁ যেতিয়া জীৰ্ণ ক্লান্ত হৈ ওলাই আহে এটা চ-মিলত তেতিয়াও অবিশ্ৰান্ত ঝিঁ-ই-ট্ ঝিঁ-ই ট্ শব্দ ফুল স্পীডত বৈদ্যুতিক কৰতে কাঠ ফাটি থাকে, সেইটোৰ কাষতে এটা ঝালাইৰ প্ৰতিষ্ঠান, তাত টিনপাত কাটে, নিউমেটিক ড্ৰিল ঘূৰে। তেওঁ বাছত উঠে। ঠেলা-হেঁচা হৈ হাদা।....বাছখন চলে ওবে বাস্তা খাটুলাং খুটুলুং চাং-চিং—গাড়ী, গাড়ী, গাড়ী, ক্ষণে ক্ষণে কৰ্কশ শব্দে গীয়াৰ বদলাইছে আৰু ব্ৰেক মাৰিছে, ৰিক্সা ফুটাৰ ট্ৰাক লৰী, অসংখ্য ইঞ্জিনৰ অসংখ্য শব্দ, অসংখ্য হৰ্ণ পেঁ-পোঁ পেপোঁ পেপোঁ পেপোঁ—চিঁট্ চিঁট্ চিঁট্ চি-ই-ই-ট্, পাইপ লাইন মেৰামত হৈছে, হাতুৰীৰ টং টং আৰু শৃঁ। শৃঁ। কৈ বেল্ডিং চলিছে, ট্ৰেঞ্জিষ্টৰৰ পৰা ফিল্মৰ গান, এটা শোভা-যাত্ৰা, শ্লগান, ঢোল বজাই বজাই এদল হিন্দুস্থানী মানুহ পাৰ হৈ গ'ল, এটা লেভেল-ক্ৰচিং, তীক্ষ্ণ হুইচেল মাৰি ডিজেল ইঞ্জিন আগবাঢ়ি আহিছে, আহিল, পাৰ হৈ গ'ল, অন্তহীন ডাব্বাৰ শাৰী খটু খটু খটু খটু—" (ধাৰাজ)।।

এখন ব্যস্ত নগৰ, তাৰ মাজত বাস কৰা শান্তিপ্ৰিয় লোক জন। সৌৰভ চলিহাই যিটো গল্পকেই (প্ৰায় সকলো গল্পই) নগৰক পটভূমি কৰি লৈছে, সেই গল্পতেই বাস্তৱ আৰু চৰিত্ৰৰ বৈপৰীত্য, তাৰ ৰঙ্গ আৰু কাৰুণ্যক নগৰৰ অস্থিৰ ধ্বনি ছন্দৰ মাজেদি ফুটাই তুলিছে। উদ্ধৃতিৰ

যোগেদি প্ৰতিটো গল্পৰ নগৰীয়া অস্থিৰতা এই সৰু আলোচনাত সম্ভৱ নিশ্চয় নহ'ব। থোৰতে ক'ব পাৰি যে প্ৰয়োজনীয় ব্যঞ্জনাত্মক শব্দেৰে নগৰীয়া পৰিৱেশ সৃষ্টি কৰি তাৰ মাজত থকা 'মননশীল আৰু প্ৰতিফলন-শীল' চৰিত্ৰটিৰ পাছে পাছে পাঠকক টানি লৈ ফুৰোৱাত সৌৰভকুমাৰ চলিহাৰ দৰে ক্ষমতা আমাৰ চকুত সততে নপৰে। নগৰ আৰু নগৰৰ পাৰিপাৰ্শ্বিকতাক "দূৰবীণ" গল্পত তেওঁ সাহস আৰু দক্ষতাৰে চিত্ৰিত কৰিছে। ইয়াৰ নায়ক অৱশ্যে কিছু 'কমপ্লেক্সত' ভোগা (নেপুৰ) লোক। নেপুৰ, জগদীশ, আৰকানক নগৰৰ বিভিন্ন পটভূমিত বিভিন্ন ৰূপে ঠিয় কৰাইছে। এই গল্পত নেপুৰহঁতৰ চকুৰেই আমি দেখিছো ওখ পীৰা এখনত প্ৰকাণ্ড খালী পেট এটা উলিয়াই লেংটি মাৰি বহি থকা, মাৰো-বাৰীজনক শিঠাতেলৰ মালিচ দি থকা, কাষত এজনে 'বিশ্বামিত্ৰ' পঢ়া, দেখিছো বস্তাৰ কাপোৰৰ ওলমা পৰ্দাৰ সিপাৰে প্ৰচুৰ কয়লাৰ ধোঁৱাৰে ধোঁৱাই থকা চুলাৰ ওপৰত মোটা মোটা খাৰু পিন্ধা পাপৰ ভজা মহিলা গৰাকীক, আৰু দেখিছো.....মুঠতে নায়কৰ লগত ঘৰ্মাক্ত কলেৱৰ হৈ আমি ঘূৰি ফুৰিছো নগৰৰ আলিয়ে গলিয়ে, দোকানে-পোহাৰে, অট্টালিকাৰ স্তৰে স্তৰে, চিগাৰেটৰ টুকুৰা, কাগজৰ টুকুৰা, চেণ্ডেল দিয়াচলাইৰ কাঠি, চাইকেলৰ তেলৰ গোন্ধ, চিগাৰেটৰ গোন্ধ, বীৰ্য্যৰ গোন্ধেৰে ভৰা কোঠাই কোঠাই। এইবোৰ খণ্ড চিত্ৰ। ইয়াৰ মাজত নগৰৰ পৰিৱেশ সুস্পষ্ট। প্ৰশ্ন হয়তো উঠিব—কমপ্লেকচত ভোগা চৰিত্ৰ এটাই ("তই কমপ্লেকচত মৰিছ, তই ইনফিৰিয়ৰিটি কমপ্লেক্সত মৰিছ।") নগৰীয়া জীৱনক কিমান দূৰ প্ৰতিনিধিত্ব কৰিছে? আমি আগতেই কৈছো সৌৰভ কুমাৰ চলিহাৰ গল্পৰ প্ৰতিপাদ্য বিষয় বিয়েই নহওক—ইয়াৰ চিত্ৰ আৰু ব্যঞ্জনা, ইয়াৰ দ্বন্দ্ব আৰু কাৰুণ্যই নগৰীয়া জীৱনৰ এটি কাল প্ৰতিফলিত কৰে। চলি-হাই গল্পৰ পটভূমি কেৱল নিজ ৰাজ্যৰ নগৰৰ মাজতেই সীমাবদ্ধ কৰি ৰখা নাই, অন্য ৰাজ্যলৈকো গৈছে, বিদেশলৈকো গৈছে। কলিকতা মহানগৰীৰ 'অৰ্থহীন ধ্বংসলীলা, কাণ্ড-জ্ঞানহীন মাধা কাটাকাটি, ট্ৰাম বাছত অগ্নি সংযোগ, দাঙা-হাঙ্গামাৰ মাজতো শান্তিৰে ঘৰ পাতিব খোজাৰ, জীয়াই থাকিব খোজাৰ স্পৃহা দেখুৱা হৈছে "ভ্ৰমণ বিৰতি"ত। সীমিত পৰিসৰৰ মাজে সৌৰভ চলিহাৰ সম্পূৰ্ণ নগৰৰ জীৱন বিচিত্ৰত প্ৰতিটো গল্প সুকীয়া সুকীয়াকৈ আলোচনা কৰা সম্ভৱ নহয়। যাখোন দুই এটা গল্পৰ সাৰোৱেৰেৰে ভুকুৱাত হাতী ভৰোৱাৰ চেষ্টা কৰিম। "বাছ নহালে" "পাৰ্বত্য সড়িয়া", "চেকুনত", "নাখুটকীয়াত", আদি গল্পৰ মাজত

চলিহাই নগৰীয়া জীৱনৰ খণ্ড চিত্ৰ যেনেদৰে ফুটাই তুলিছে, সেইদৰে এই-বোৰত নিহিত কৌতুক আৰু ব্যঙ্গই পাঠকক হহুৱাইছে আৰু চিন্তাত পেলাইছে। মধ্যবিত্ত, নিম্ন মধ্যবিত্তৰ, নগৰীয়া জীৱন, ভেওঁলোকৰ সমস্যাক (বীণা কুটিৰ, শুৰও নিদিয়ে) চলিহাই যি কৌশলেৰে দাঙি ধৰিছে সেয়াও তেওঁৰ নিজস্ব কৌশল। কেতিয়াবা হয়তো সমস্যা জৰ্জৰিত একোটি চৰিত্ৰক উপকথা দৃষ্টিত পুতৌৰ পাত্ৰ কৰি তুলিছে (এহাত আধাৰ মেনু মিশ্ৰ), কিন্তু সেই চৰিত্ৰৰ লগত লিখকে একাত্মবোধ স্থাপন নকৰাকৈ থকা নাই।

আহাৰ, নিদ্ৰা, মৈথুন—মানুহ, এই তিনিটাৰ পৰা আঁতৰি থাকিব নোৱাৰে। এই কেইটা যেনেকৈ সমস্যাৰ কাৰণ, সেইদৰে জীৱনক জীৱন কৰি তোলাৰো কাৰণ। আহাৰ মানে—ভাত মুঠিয়ে নহয়, অৰ্থ-নীতি। নিদ্ৰা মানেও নিশা দহ বজাত শুই পুৱা ছয় বজাত উঠা নহয়, নিদ্ৰা—নিৰাপদ বাসস্থান, ঘৰ। পেটৰ ভোক যেনেকৈ এৰাব নোৱাৰি দেহৰ ভোকো সেইদৰে উলাই কৰিব নোৱাৰি। নগৰীয়া জীৱনত অন্যান্য বহু সমস্যাৰ দৰেই যৌন জীৱনৰ সমস্যাও একোটা সমস্যা। গাওঁ আৰু নগৰৰ মাজত এই সমস্যাৰ কেইটামান পাৰ্থক্য আছে। নগৰৰ পাৰি-পাৰ্শ্বিকতাই ইয়াক অন্য ৰূপ দিছে। গাভৰুৰ যৌৱন ইয়াত অৰ্থোপাৰ্জনৰ উৎস হ'ব পাৰে। নগৰলৈ বিভিন্ন প্ৰান্তৰ বিভিন্ন মানুহ ব্যৱসায় আদিৰ ক্ষেত্ৰত আহে। বহুতে স্ত্ৰী-পুত্ৰ দূৰত এৰি আহিব লগা হয়, গলিত, সাধাৰণ ঘৰত বাস কৰে। একোখন সুকীয়া জগত সৃষ্টি কৰি তাৰ মাজতেই এওঁলোক থাকিব লগা হয়। অৱস্থাৰ এৰা সুঁতাত এওঁলোকে পুতলাৰ দৰে নাচিব লগা হয়। নগৰীয়া জীৱনৰ এই অন্ধকাৰ দিশত সহৃদয়ে প্ৰবেশ কৰে হোমেন বৰগোহাঞিয়ে। বৰগোহাঞিৰ আগতে নগৰৰ গলি জীৱনক সকলো দিশৰপৰা স্পষ্ট কৰি অসমীয়া সাহিত্যত আন কোনেও অঙ্কন কৰিব পৰা নাই। উদাহৰণ স্বৰূপে মাত্ৰ দুটা গল্পৰ নাম দিব পাৰোঁ—ইস্মাইল চেখৰ সন্তানত আৰু নৰকত বসন্ত।

পাঁচ বছৰ ধৰি বিচাৰি ফুৰা এটা মানুহ—যাৰ ইস্মাইল চেখ—যি পৰ্বতসম জমিদাৰৰ অত্যাচাৰত জৰ্জৰিত হৈ অসমলৈ গুচি আহিল—যি অটব্য অৰণ্য ভাঙি এখন চাপৰি সাজি দ'বা-হোৱাৰী দুটিক মানুহ কৰাৰ সপ্ন দেখিলে—যি 'মানুহে গঢ়া পাশৱিক আইন আৰু শাসন-যন্ত্ৰৰ' বলী হৈ সেই ঘৰ হেৰুৱালে—যি নিজ সন্তানক হত্যা কৰি ঘৰ-ভগোৱা বিষয়াজনৰ দুৱাৰ মুখত মৃত সন্তানবোৰক পেলাই থৈ গ'ল—সেই ইস্মাইল চেখক

অনুতপ্ত বিষয়াজনে বিচাৰি বিচাৰি গোৰালগৈ নগৰৰ এক অন্ধ গলিত। এজাক তিৰোতাই গির্জনি মাৰি সম্ভাষণ জনালে, "সিহঁতৰ ৰক্তহীন নিৰাবেগ মুখৰ ওপৰত সস্তীয়া অঙ্গ-ৰাগৰ ডাঠ প্ৰলেপ, সিহঁতৰ গাৰপৰা অথবা গাত্ৰ বাসৰপৰা নিঃসৃত হৈছিল সস্তীয়া গন্ধসাৰ আৰু ততোধিক সস্তীয়া সঙ্গম-পীড়িত দেহৰ বিহলি গন্ধ", লগ পালে এনে এক জীৱন্ত মানুহক যি প্ৰকৃতার্থত "জীৱন্ত মানুহ নহয়, ভয়াবহ মৃত্যু জীৱাণু কিলবিল কৰি থকা এটা গলিত মাংস পিণ্ড"।—গল্পটি কিছু আবেগ প্ৰৱণ হ'লেও অথবা ইয়াত লগ পোৱা Woman of Rome পঢ়া দেহোপজীৱীনী গৰাকীৰ সৈতে হোৱা কথা-বাৰ্তাত অস্বাভাৱিক ৰোমান্তিক বিলাস থাকিলেও এই গল্পৰ যোগেদি বৰগোহাঞিয়ে এনে দুস্তৰ পথ ল'ব লগা হোৱাৰ কেইটামান মূল কাৰণো দাঙি ধৰিছে তথা গলি জীৱনৰ এটি চিত্ৰও ফুটি উঠিছে।

নৰকত বসন্ত—গল্পত বৰগোহাঞিয়ে শঙ্কৰৰ যোগেদি এনে এক বস্তিত প্ৰৱেশ কৰিছে য'ত দহ বাৰটামান ঘৰ কোনোমতে ঠেলাঠেলিকৈ থিয় হৈ আছে য'ত শুনা যায় ৰুগ্ন, ক্ষুধিত শিশুৰ দুৰ্বল কণ্ঠৰ কান্দোন, য'ত অশ্লীল ভাষাৰ গালি গালাজ চলে, য'ত প্ৰণয়-কলহ-মত্ত স্ত্ৰী-পুৰুষৰ কুচ্‌কুচনি যত্ৰ-তত্ৰ শুনা যায়। ইয়াত অঙ্কিত হিমাদ্ৰি, চিমুনী, বা চিমুনীৰ মাইকী, পাচু, পাচুৰ ল'ৰা বাৰ চৈধ্য বছৰীয়া বল্টু, জুলি, দলবাহাদুৰ, লক্ষ্মী, ৰহিম, মনোহৰ, জয়—আদি একো একোটা প্ৰতিনিধিত্বমূলক চৰিত্ৰ। বস্তিৰ এই মানুহবোৰ, সিহঁত অৱস্থাৰ দাস, পাৰিপাৰ্শ্বিকতাৰ দাস, ইতিহাসৰ ষড়যন্ত্ৰকাৰীৰ ডাবাৰ চাল। ইহঁতৰ চিন্তা? ইহঁতৰ দৰ্শন? "ঈশ্বৰৰ দয়াত কাইলৈ মুটিয়াগিৰী কৰি যদি দুপইচা বেছিকৈ মিলে—ঠিক এই ধৰণৰ চিন্তাই নিশ্চয় চিমুনীৰ মনলৈ আহিছে। দিনটোৰ হাড়ভঙা পৰিশ্ৰমৰ অন্তত এবটল মদ গিলি শ্ৰান্ত পশুৰ দৰে শুই থকা ৰহিম অথবা মনোহৰ—সিহঁতৰ অৱচেতনত হয়তো উত্তাল হৈ উঠিছে কল্পিত কোনো শয্যা সঙ্গিনীৰ লগত স্থূলতৰ দেহ-সম্ভোগৰ বিকৃত কল্পনা। তৰুণ মনৰ যি বিষন্ন মধুৰ প্ৰেমৰ আবেগে অৰ্দ্ধ-সুপ্ত দেহ-চেতনাত অতীন্দ্ৰিয় ৰহস্যৰ জোঁৱাৰ আনে, তাৰ লেশমাত্ৰ অনুভূতি ৰহিমহঁতৰ জীৱনত কেতিয়াও নঘটে।"—নগৰীয়া সভ্যতাৰ এই চৰম প্ৰহসন বৰগোহাঞিৰ একাধিক গল্পত (যৌৱন, পৰ্দা, স্বাধীনতাৰ শত্ৰু, বিভিন্ন নৰকৰ দাৰিদ্ৰ্যৰ বিষয়ে লিখা কেইখনমান ৰচনাৰ ৰচনাত) আমি দেখিবলৈ পাওঁ।

কিন্তু এই নগৰতে আৰু এটা শ্ৰেণী আছে যি ক্লাব আৰু পাৰ্টিলৈ ব্যস্ত থাকে। গল্পত বিভিন্ন পৰীক্ষা নিৰীক্ষা চলাই থকা নগেন শই-

কীয়াই "তললৈ আৰু তললৈ" গল্পত নগৰৰ এনে এটা শ্ৰেণীকেই চিত্ৰিত কৰিছে মিছেচ কাগতীৰ (!) পৰিয়ালৰ যোগেদি। নগৰীয়া পটভূমিত শইকীয়াই অৱশ্যে কেইবাটিও গল্প ৰচনা কৰিছে, নগৰৰ বিভিন্ন পৰিৱেশ ফুটাই তুলিছে, কৌশলেৰে ব্যঙ্গ কৰিছে হোমেন বৰগোহাঞিৰ নগৰীয়া, বস্তি জীৱনৰ বৈপৰীত্যক স্পষ্ট কৰি দিবলৈকে শইকীয়াৰ "তললৈ আৰু তললৈ" গল্পটিকে উদাহৰণ স্বৰূপে দাঙি ধৰো।—চানৰাইজ হোটেলত মিচ কুইন কাগতীৰ (গাঁৱৰ ঘৰত এই পৰিয়াল কাকতি) জন্মদিন উপলক্ষে 'মধুৰ সন্ধিয়া"ৰ আয়োজন। 'মিহি-ভাঁজ আৰ্ট পেপাৰত অভিজাত ধৰণেৰে ছপোৱা নিমন্ত্ৰণীৰ'—সঁহাৰিত গোট খাইছেহি সৰু ডাঙৰ বিভিন্ন ৰঙৰ দুকুৰিমান 'কাৰ'। বিচিত্ৰ ৰঙৰ ফৰিং এটাৰ দৰে জঁপিয়াই' জঁপিয়াই, বৰকটা চুলিকোচা নচুৱাই নচুৱাই, ৰংগনা ওঁঠৰ মাজত হাঁহি আঁকি, চকুত অভিমান ভৰা দুষ্ট হাঁহি ৰাখি মিচ কুইনী কাগ্‌তীয়ে অভ্যাগতক অভিবাদন জনাইছে। অভ্যাগতসকল হ'ল—মিঃ ৰাও, মিছেচ ন'যাৰ, মিচ্ পেটেল, মিছেচ হাজৰীকা, মিচ্ চেটাৰ্জি, মিঃ জন মল্লিক ইত্যাদি। নিৰ্বাচিত একোগৰাকীক লৈ ড্ৰিংক কৰিছে এখন বেলেগ জগত, এক বেলেগ সভ্যতা। ইয়াত ৰেচনৰ চাউলৰ সমস্যা নাই, ইয়াত ল'ৰা-ছোৱালীৰ মুখত গাখীৰ এচামুচ দিব পৰা-নোৱাৰাৰ আলোচনা নহয়, ইয়াত ফাগুণ মহীয়া বতাহলৈ ভয় কৰা ঘৰটো কোনেও দেখা নাই, এওঁলোকে ভাবে—"যিবোৰ মানুহে এখান খাদ্যৰ বাবে এনে কুৎসিৎ ভাৱে চিঞৰ-বাখৰ, ঠেলা-হেঁচা কৰে, সেইসকলক এনে সুসংস্কৃত সমাজে নিজৰ মাজত ঠাই দিব পাৰিবনে? এখান খাদ্য দিয়াৰ পিছত বিনাশ্ৰমে আন এখান পাবলৈ বিচৰা এইদল মানুহ দেশৰ সংস্কৃতিৰ শত্ৰু।"—নগৰীয়া সংস্কৃতিক বিচিত্ৰৰূপ দিয়া এই চাম লোক সংখ্যাত হয়তো নগণ্য, কিন্তু নিজকে উন্নত সংস্কৃতিৰ বাহক বুলি ভবা এই সকলেই যে হোমেন বৰগোহাঞিৰ বৰ্ণিত নগৰীয়া বস্তিবোৰ গঢ়ি তুলিছে সেই কথাও সত্য। "বিভ্ৰান্ত সংলাপ শইকীয়াৰ আন এটি উল্লেখযোগ্য নগৰ জীৱনৰ ছবি।

অপূৰ্ব শৰ্মাক যদি আমি সৌৰভ কুমাৰ চলিহাৰ এক উত্তৰাধিকাৰী বুলি কওঁ—আপত্তিৰ থল ওলাব নেকি? সৌৰভ কুমাৰ চলিহাৰ দৰেই অপূৰ্ব শৰ্মাৰ চেনচিটিভনেছ (sensitiveness) অত্যন্ত প্ৰখৰ আৰু সৌৰভ কুমাৰ চলিহাৰ দৰেই অপূৰ্ব শৰ্মাই চেতনা স্ৰোত প্ৰবাহত বিক্ষিপ্ত ঘটনা বা ছবিৰ সংযোগ ঘটাই নগৰীয়া চৰিত্ৰৰ মাজেদি চহৰীয়া জীৱনৰ পৰিৱেশ ফুটাই তোলে। সংখ্যাৰে অপূৰ্ব শৰ্মাৰ গল্পৰ বিচাৰ

নকৰি তাৰ চিত্ৰ সমৃদ্ধ আৰু মননশীল প্ৰতিফলনৰ বিচাৰেৰে বিচাৰ কৰো তেনেহ'লে ক'ব লাগিব যে অপূৰ্ব শৰ্মা নিঃসন্দেহে যোৰা দশকৰ অন্যতম সাৰ্থক গল্প লিখক। এওঁৰ গল্পৰ পটভূমি নগৰ, চৰিত্ৰ সমূহ মধ্যবিত্ত পৰিয়ালৰ, ভাষা সম্পূৰ্ণ সংস্কৃত নগৰীয়া। নগৰত এয়া ৰাতিপুৱা: দূৰৰ ষ্টেচনত সুতীক্ষ্ণ হুইচেল বাজি উঠিল, চাৰি নম্বৰ আপ ট্ৰেইন, বাঘলৈ সাজু হ'ল। বিকৃত শব্দ কৰি তীব্ৰবেগত ডিব্ৰুগড়ৰ টেক্সী পাৰ হৈ গ'ল। ষ্টেচনলৈ বুলি দৌৰা ৰেইৰ্ধমান বিক্সাৰ ভেপুঁ আৰু টিলিঙাৰ মিশ্ৰিত শব্দ শুনা গ'ল। শুনা গ'ল এটা ইঁতা ধাত কুকুৰাৰ ডাক, আকাশবাণীত যন্ত্ৰ সংগীতৰ অসহ্য হুলস্থূল। .....এৰূপে অনুমান কৰিলে ইয়াৰ পিচত কিদৰে বিভিন্ন বৈচিত্ৰহীন ঘটনা প্ৰবাহৰ মাজেৰে আজিৰ দিনটো শেষ হ'ব, শেষ হ'ব মাত্ৰ এটা ঘৃণ্য দিন জন্ম দিবৰ বাবে. গতানুগতিকতাৰ ঘৰঁনিত বিবৰ্ণ, প্ৰাত্যাহিকতাৰ তুচ্চতাৰে মলিন এটা অনাহত দিন—দহৰুজাত স্কুল আৰু কলেজ, কগনেট অবজেক্ট অথবা এণ্টিচিডেণ্টৰ সূত্ৰ ব্যাখ্যা, কমনৰুমৰ অৰ্থহীন অথচ নিৰুপায় হাঁহি স্ফূৰ্তি, কাশ্মীৰৰ ভৌগোলিক বিৱৰণ, পানী পথৰ তৃতীয় যুদ্ধ.... (প্ৰভাত পখীৰ গান): অপূৰ্ব শৰ্মাৰ নগৰীয়া জীৱনৰ কথা কৰলৈ যাওঁতে সৌৰভ কুমাৰ চলিহাৰ কথা মনলৈ আহিছিল যেতিয়া আৰু এষাৰ কথা কৈ থোৱা ভাল—দুয়োজনৰ গল্পৰ ভাষাই নগৰীয়া অথচ দুয়োজনৰ ভাষাৰ স্বকীয়তা সুস্পষ্ট। সৌৰভ চলিহাৰ ভাষাত ব্যঞ্জনা আছে— যান্ত্ৰিক নগৰীয়া জীৱনৰ অস্থিৰতাক ফুটাই তুলিব পৰা ব্যঞ্জনা, আছে শ্ৰদ্ধেয় বেনুধৰ শৰ্মাৰ দৰে নিখুঁত অসমীয়া ভাষা লিখকক খং তোলাব পৰা অসমীয়া অভিধানৰ বাহিৰৰ শব্দ ব্যৱহাৰ কৰাৰ সাহস (অৱশ্যে তাৰ বাবে তেওঁ পৰিবেশ তৈয়াৰ কৰি লয়)। অপূৰ্ব শৰ্মাৰ ভাষা নগৰীয়া শিক্ষিত মধ্যবিত্তৰ সু-সংস্কৃত ভাষা। সৌৰভ চলিহাৰ দৰে অপূৰ্ব শৰ্মাৰ চৰিত্ৰতো নগৰীয়া মধ্যবিত্তৰ ভাবাবেগ আছে (প্ৰভাত পখীৰ গান, দাঁতৰ বিষ, শূণ্য হ'লে, দাপোন), আছে চেতনা স্ৰোতত খণ্ড বিখণ্ড চিত্ৰ। সৌৰভ চলিহাৰ দৰে অপূৰ্ব শৰ্মায়ো নগৰীয়া জীৱনৰ গ্লানি আৰু বিষাদ এৰাই যাব নোৱাৰে, কিন্তু তেওঁৰ সৃষ্ট চৰিত্ৰই উপলব্ধিৰ মাজেদি সমস্যাৰ ওপৰত জাপিয়াই পৰিব জানে, হয়তো সমাজৰ প্ৰতি লিখকৰ 'কমিটমেণ্ট' থকাটো দৰকাৰ বুলি তেওঁ অনুভৱো কৰে। নগৰীয়া শিক্ষিত মধ্যবিত্তৰ নৈতিকতা, অহংকাৰ অপৰাধবোধ, দ্বন্দ্ব, ভাবাবেগৰ সুন্দৰ ছবি আছে—"প্ৰভাত পখীৰ গানত"।

নগৰত আৰু এটা শ্ৰেণী থাকে —উদ্যোগৰ বনুৱা বা কৰ্মী। এই

শ্ৰেণীটো আমাৰ গল্প সাহিত্যত খুব কমেইহে প্ৰতিফলিত হৈছে। সত্তৰ উদ্যোগৰ ক্ষেত্ৰত অসমে এতিয়াও অনুৰূপ অৱস্থা পোৱাহি নাই বাবেই। অসমীয়া সাহিত্যলৈ সুদীৰ্ঘ দিন ধৰি সুপাঠ্য ৰচনাৰে বৰঙণি যোগাই অহা সময় সচেতন লিখক সৈয়দ আব্দুল মালিকৰ কেইটিমান গল্পত এই শ্ৰেণীৰ চৰিত্ৰ অঙ্কিত হৈছে (কাঠফুলা, বৰঙণি, বেলৰ আলিৰ দুবৰি বন, লাইকটো—আই মিন.....)। কিন্তু "বৰঙণি" গল্পত এই শ্ৰেণীটোৰ দ্বন্দ্ব আৰু সংগ্ৰাম প্ৰভৃতিৰ যি চিত্ৰ ফুটি উঠিছে বাকী কেইটি গল্পত তেওঁলোকৰ সমস্যা সেইদৰে ফুটি উঠা নাই। বৰং পটভূমি নগৰীয়া হ'লেও মালিকৰ অধিকাংশ 'নগৰীয়া গল্প'ৰ সমস্যা কিছু পৰিমাণে চৰিত্ৰৰ ব্যক্তিগত ।

যোৱা দুটা দশকত অসামান্য জনপ্ৰিয়তা লাভ কৰা চুটি গল্প লিখক ডঃ ভবেন্দ্ৰনাথ শইকীয়াই মুখ্যতঃ মধ্যবিত্ত শ্ৰেণীটোকেই অঙ্কন কৰে যদিও 'এন্দুৰ' গল্পটি তেওঁৰ অন্যান্য গল্পৰ ব্যতিক্ৰম। নগৰত এচাম মানুহ আছে—যাৰ আশ্ৰয় স্থল হয়তো ফুটপাথ, হয়তো দোকানৰ বাৰান্দা, হয়তো গছতল আৰু বৰ বেছি হয়তো পেটুৱা মহাজনৰ, আহাৰবস্তুৰ উগাৰতে ভাগি পৰাৰ সম্ভাৱনা থকা এখন চালি। এই শ্ৰেণীৰেই এটা ল'ৰা-মতি গি তাৰ লগৰ জান দহোটা ল'ৰাৰ দৰেই মহাজনৰ গুদামলৈ অহা খাদ্য-বস্তুৰ ট্ৰাকবোৰ 'জাম' লগাৰ সুযোগ বিচাৰে যাতে—তাৰ পাৰা চাউল আদি লৈ যোৱাৰ সুবিধা ওলায়। এদিন তেনে এটি চাউলৰ বস্তা পৰি মতি মৰিল। মতিৰ তেজৰ দাগে চাউলৰ বস্তা বস্তা কৰিলে আৰু সেই বাবেই সেই চাউল বস্তা মতিৰ মাকক দি দিয়া হ'ল। দুদিনমান কন্দা-কটা কৰি পাৰ কৰাৰ পিচত এদিন মতিৰ মাকেও বুজিলে—পুত্ৰ শোকো সময় হলে পাতল হয়, পেটৰ ভোক কিন্তু তীব্ৰহে হয়। এদিন এই পেটৰ ভোকেই তাইক আঢ়ৈ মোনীয়া পুত্ৰ ৰক্ত চিহ্ন চাউলৰ বস্তাটোৰ কাষলৈ লৈ গ'ল, এন্দুৰে বস্তা ফুটোৱাদি তাৰো সেই বস্তাৰ পৰা চাউল উলিয়ালে, খালে, আৰু এদিন সেই বস্তাটোক খাটিয়াত পাৰি ল'লে। নগৰৰ এইদল মানুহ, এই মতিহঁত আমাৰ সাহিত্যত বৰ বেছি অঙ্কিত হোৱা নাই। গল্পটিৰ সামগ্ৰিক বিচাৰ কৰা এই আলোচনাৰ উদ্দেশ্য নহয় যদিও বিষয়-বস্তুৰ ফালৰ পৰা এই কথা ক'ব লাগিব যে ডঃ শইকীয়াই অকল মধ্যবিত্তৰ জীৱনৰ খুটি নাটিতেই সীমাবদ্ধ নহয় ইচ্ছা কৰিলে তেওঁ মতি বা মতিৰ মাকহঁতৰ জীৱন সংগ্ৰামৰ ছবিও আঁকি যাব পাৰিব।

নিৰৰ্থক শব্দালঙ্কাৰ, ভাবাবেগৰ পৰা এজন লিখক সদায় মুক্ত—সেইজন

জন হ'ল যোগেশ দাস, যোগেশ দাসে মুখ্যতঃ নগৰ আৰু গাঁৱৰ মধ্যবিত্তৰ চৰিত্ৰকেই অঙ্কন কৰে অথবা তেওঁলোকৰ সমস্যাকেই দাঙি ধৰে। গ্ৰাম্য চিত্ৰাঙ্কনতো দাসৰ নিপুণ হাত আছে। নগৰৰ পটভূমিত মধ্যবিত্ত পৰিয়ালৰ গল্প (১৯৫৩ৰ দৰে) কেইটিমান আছে যদিও, আমাৰ বিশ্বাস "এজন অসৎ লোকৰ আত্ম জীৱনী"তেই শ্ৰীদাসে চহৰীয়া জীৱনত সততে লগ পোৱা কেইটিমান চৰিত্ৰৰ মাজেদি চহৰৰ এটি ৰূপ ফুটাই তুলিছে। সেইদৰে নিৰোদ চৌধুৰী (অঙ্গে অঙ্গে শোভা—পটভূমি ভুমভুমা চহৰ; হিয়ে হিয়ে বাধনু), মেদিনী চৌধুৰী (বেশ্যা), নীলিমা শৰ্ম্মা, ছাইদুল ইছলাম (এই ধৰণীতে), নিৰুপমা বৰগোহাঞি (আকাশ ছোৱা), আৰতি দাস বৈৰাগী (চায়বাবানু, এটা বাঘৰ মৃত্যুত), পোলেন বৰকটকী (দুঃসময়ৰ গান), প্ৰীতি বৰুৱা (নিৰৰ্থক,লেডিজ চিট),অৰুণ গোস্বামী, কুমুদ গোস্বামী (তেৰ নম্বৰ গেট), লক্ষীনন্দন বৰা (কোনেও নাকান্দে, চেতনাৰ জন্ম, নিঃসংগতাৰ ভুল) সদা শইকীয়া (হে ঈশ্বৰ হে মানুহ), অতুল নন্দ গোস্বামী (বাইদেউ), মহেন্দ্ৰ বৰঠাকুৰ (বিজনক বিচাৰি, বজাৰ) আদিৰ কেইটিমান গল্পৰ পটভূমি নগৰ। অৱশ্যে ইয়াৰ কাহিনীৰ গতি প্ৰবাহ কিম্বা বক্তব্যত সেই পটভূমিয়ে বিশেষ কাম কৰা নাই। বাহুল্যৰ ভয়ত সকলোবোৰৰ আলোচনা নকৰি আমি মাথোন কেইটিমান নগৰীয়া জীৱন অঙ্কিত প্ৰতিনিধিত্বমূলক গল্পহে আলোচনা কৰিলো। ইয়াৰ অৰ্থ এইটো নিশ্চয় নহয় যে উল্লিখিত গল্প সমূহৰ বাহিৰে অন্য কোনো গল্পতে অথবা অন্য কোনো লিখকৰ ক্ষেত্ৰত নগৰীয়া জীৱনৰ প্ৰভাৱ পৰা নাই।

আমি আগেয়ে কৈছো যে অসমত চহৰীয়া জীৱনৰ আৱৰ্ত্তণি প্ৰকৃততে দ্বিতীয় মহাযুদ্ধৰ পিচৰ পৰাহে। অৰ্থাৎ ইয়াৰ আগলৈকে গাঁও আৰু নগৰৰ ভৌগোলিক সীমাৰেখাৰ বাহিৰে দৈনন্দিন জীৱন ধাৰণ আৰু সাংস্কৃতিক বিশেষত্বৰ ব্যৱধান একেবাৰে নাছিল। গতিকে নগৰ ভিত্তিক উপন্যাস সাহিত্যত আমি বেছি দূৰ এতিয়াও যাব পৰা নাই। নগৰ ভিত্তিক বুলি এই অৰ্থত কোৱা হৈছে যি অৰ্থত "জীৱনৰ বাটত" আমাৰ গ্ৰাম্য জীৱন প্ৰতিফলিত হৈছে, যি অৰ্থত "সেউজী পাতৰ কাহিনী" বা "ভাৱৰ আৰু নাই"ত আমাৰ চাহ বাগিচাৰ জীৱন প্ৰতিফলিত হৈছে, যি অৰ্থত "সুৰুযমুখীৰ স্বপ্ন" আৰু "কপিলি পৰীয়া সাধু"ত নদী আৰু জীৱন চিত্ৰিত হৈছে অথবা যি অৰ্থত "হালধীয়া চৰায়ে বাওধান খায়"ত গ্ৰাম্য কৃষকৰ জীৱন সংগ্ৰাম ৰূপায়িত হৈছে।

প্ৰথমেই হোমেন বৰগোহাঞিৰ "সুবালা"ৰ কথাকে লওঁ। আগেয়ে

কোৱা হৈছে যে বৰগোহাঞিয়ে সচৰাচৰ নগৰৰ উদ্বাস্তু লোকৰ মাজেদি এইকালৰ নৈতিক অৱক্ষয়ৰ চিত্ৰকেই দাঙি ধৰিছে। 'সুবালা'ৰ প্ৰথম পৰ্বত গ্ৰাম্য জীৱনৰ অৰ্থনৈতিক সংকট আৰু মানসিক দ্বন্দ্ব যেনেকৈ সুবালাৰ পৰিয়ালৰ মাজেদি ফুটাই তোলা হৈছে, দ্বিতীয় পৰ্বৰ পৰা সুবালাৰ নগৰীয়া জীৱন আৰম্ভ হৈছে। সুবালাৰ দৰে গাঁৱৰ পৰিবেশত ডাঙৰ দীঘল হোৱা ছোৱালী এজনীক এই সমাজ ব্যৱস্থাই নগৰত কেনে 'আশ্ৰয়' কেনে 'নিৰাপত্তা' দিলেহি আৰু তাৰ মাজেদি আমাৰ নৈতিক অৱক্ষয় বৰগোহাঞিয়ে অত্যন্ত সাহসেৰে, অসমীয়া সাহিত্যত পোন প্ৰথমবাৰৰ বাবেই দাঙি ধৰিছে। নগৰলৈ আহিয়েই সুবালাই দেখিলে চাৰিওফালে ঘৰ আৰু ঘৰ। সিহঁত এচলীয়া চালিৰ তলত থকা সোমালটিৰ পশ্চিম ফালে এটা প্ৰকাণ্ড দুমহলীয়া হোটেল,—দক্ষিণ ফালে এখন সুউচ্চ ইটাৰ দেৱাল, অৰ্থাৎ তাইৰ আশ্ৰয় স্থললৈ বেলিৰ পোহৰ সোমাব নোৱাৰে; চাৰিও ফালে বন্ধ ("কোনো-দিন কল্পনাও কৰিব পৰা নাছিলো যে পৃথিৱীত এনেকুৱা মানুহো আছে—যি আন কি ঈশ্বৰৰ দান মুক্ত আৰু পবিত্ৰ বায়ু সেৱনৰ পৰাও বঞ্চিত), দুৰ্গন্ধৰে ভৰপূৰ। কেনেকৈ জানো গৈয়ে? মাজনিশা আত্মহত্যা কৰিবলৈ বুলি পলাই যাওঁতে সুবালাৰ চকুত কি পৰিছিল?" "ৰাস্তাৰ দুয়ো কাষৰ দুটা প্ৰকাণ্ড ঘৰৰ দীঘল বাৰান্দাত মই দেখিবলৈ পালো শাৰী শাৰীকৈ পেলাই থোৱা বহুতো প্ৰায় উলংগ মৰাশ। মৰাশ নহয় যে সেইবোৰ জীৱন্ত সুপ্ত মানুহ হ'ব পাৰে, সেই কথা এটা মুহূৰ্তৰ কাৰণেও মই ভাবিব নোৱা-ৰিলো।....কিন্তু অলপ সময় চাই থকাৰ পাছত মই দেখিবলৈ পালো, তথাকথিত মৰাশ দুই এটাই মাজে মাজে হাত ভৰি জোকাৰিছে, কোনোবায় বহি কান্দিছে।...এই আলোক উজ্জ্বল, প্ৰাসাদ পৰিপূৰ্ণ মহানগৰীৰ বহুতো মানুহৰ আনকি ৰাতিটো শুই থাকিবলৈকো নিজৰ ঘৰ এডুখৰি নাই, ৰাস্তাৰ কাষৰ উলংগ শিলৰ মজিয়াত সেইঁত মৰাশৰ দৰে পৰি থাকে।" সুবালাক নগৰলৈ আনি হোমেন বৰগোহাঞিয়ে সুবালাৰ ব্যক্তিগত জীৱনৰ কাৰুণ্যক যিমান নিষ্ঠুৰ বাস্তৱৰূপে দাঙি ধৰিছে, সিমান বাস্তৱকৈ দাঙি ধৰিছে—নগৰৰ শ্ৰেণী বিশেষৰ দাৰিদ্ৰ্যৰ কুৎসিৎ ৰূপ আৰু আনহাতে, সভ্য সমাজৰ 'নৈতিক বৰ্বৰতা'। নগৰ মানে পুষ্প সুশোভিত দীঘলী পুখুৰীৰ পাৰ্ক নহয়, নগৰ মানে মিনা পুখিউঁৰালত দুকুৰি টকা টিকটৰ বিনিময়ত পতা সাংস্কৃতিক সন্ধিয়াৰ বিপ্লৱী নৃত্য নাটিকা নহয়, নগৰ মানে অভিজাত ক্লাবেই নহয়, চিনেমা হল নহয়, ষ্টেডিয়ামত আন্তৰ্জাতিক ক্ৰিকেট খেল নহয়। এয়া নগৰৰ আৰু এক দৃশ্য:

: কমলাৰ ঘৰৰ সন্মুখতে পৰি আছে এটা অকালতে জন্ম হোৱা শিশুৰ মৃত দেহ। তাৰ অসম্পূৰ্ণ অবয়ৱ দেখিয়েই বুজিব পাৰি যে সি নিশ্চয় অকাল গৰ্ভপাতৰ পৰিণাম। কুকুৰে ইতিমধ্যে মৃত দেহটোৰ কিছু অংশ খাই শেষ কৰিছে। ওচৰতে পৰি থকা পায়খানাৰ গুৰে লেটি পেটি কাপোৰ এটুকুৰা দেখি বুজিব পাৰিলো, এই বিনষ্ট ভ্ৰূণ-শিশুৰ মাতৃয়ে নিশ্চয় তাক কাপোৰেৰে বান্ধি পায়খানাৰ টিনত পেলাই দিছিল, কিন্তু কুকুৰে নিৰ্ভুল ভাবে তাৰ আহাৰৰ গোন্ধ পাই পায়খানাৰ টিন বাগৰাই টোপোলাটো কামুৰি আনি এইখিনি পোৱাইছেহি। অকালজাত অপুষ্ট শিশুৰ কুকুৰে আধা খাই শেষ কৰা ক্ষুদ্ৰ দেহটো তেজত লেটি লৈ মাটিত পৰি আছে, ঠিক তাৰ ওপৰতে আহি পৰিছে ৰাতি পুৱাৰ ৰ'দ এচেৰেঙা, মাখিবোৰ ভন্-ভনাই ঘূৰি ফুৰিছে, লুব্ধ দৃষ্টিৰে কিছু দূৰত নেজ জোকাৰি জোকাৰি বহি আছে কুকুৰটো, বতাহত পায়খানাৰ গু আৰু গৰ্ভতে নিহত শিশুৰ মিলিত গোন্ধ আৰু এই অপূৰ্ব দৃশ্যক কেন্দ্ৰ কৰি চাৰিওফালে চিৎকাৰ-মত্ত এদল বেশ্যা, যিবোৰৰ ভিতৰত এজনী নিশ্চয় এই ৰক্তাক্ত মাংস পিণ্ডৰ মাতৃ: (সুবালা—১৭৭ পৃ:)নগৰৰ এই সমাজ, দাৰিদ্ৰৰ এই কৰুণ কুৎসিত ৰূপ, নগৰীয়া সভ্যতাৰ এই প্ৰহসন, ক্ষুধা নিবাৰণত মানুহ আৰু কুকুৰৰ ব্যৱধান শূণ্যতা—ইয়াৰ আগতে অসমীয়া সাহিত্যত এনেদৰে ফুটি উঠা নাছিল। বৰগোহাঞিয়ে এই উপন্যাসত 'দিদি'ৰ যোগেদি আৰু এটি ইঙ্গিত দিছে। বৰ্ত্তমানৰ নগৰীয়া একশ্ৰেণী 'সভ্য' সমাজৰ স্বৰূপ উপলব্ধি কৰিব পৰা ইঙ্গিত। চৰকাৰে আইন কৰি দেখ দেখ বেশ্যাসকলক উচ্ছেদ কৰিলে সঁচা, কিন্তু "ভদ্ৰ সমাজতে এতিয়া এনেদৰে হেজাৰ বিজাৰ তিৰোতা ওলাইছে—বাহিৰত যিবোৰৰ পৰিচয় ভদ্ৰ মহিলা, সিহঁতেই এতিয়া বেশ্যা ব্যৱসায় একছেটিয়া কৰি লৈছে। কিন্তু বাহিৰখন দেখি সিহঁতক বেশ্যা বুলি ক'বৰ একো উপায় নাই। সিহঁত সকলোৱেই লিখা-পঢ়া জনা ওখ খাপৰ তিৰোতা,.... এই নতুন বেশ্যাবোৰক পাবলৈ হ'লে ঘৰৰ পৰা ওলাই সমুখৰ ৰাস্তাত ভৰি দিলেই হ'ল। অনেক সময়ত ঘৰৰ বাহিৰ হ'বৰো দৰকাৰ নকৰে।" নগৰীয়া জীৱন ভিত্তিক বৰগোহাঞিৰ আন এখন উপন্যাস—তান্ত্ৰিক।

পদ্ম বৰকটকীৰ একাধিক উপন্যাসত নগৰৰ মধ্যবিত্ত শ্ৰেণীটোৰ অৰ্থহীন অহঙ্কাৰ আৰু ফোঁপোলা নৈতিকতাৰ ছবি প্ৰকাশ পাইছে (বিচাৰৰ বাবে, জীৱন এষণা) "মনৰ দাপোণ"ত (পটভূমি ছিলং) জানু আৰু বিচেচ্ ৰবাৰ যোগেদি হাস্যকৰ আভিজাত্যক অঙ্কিত কৰিছে। ক্লাব, পাৰ্টি আৰু

যৌৱন সৰ্বস্ব এখন নগৰীয়া সমাজ আমাৰ আছে য'ত যৌৱনক ৰঙেৰে চাকিব খোজা হয়, য'ত জীৱনক সুৰা, নৃত্য আৰু সম্ভোগেৰে বিচাৰ কৰা হয়, য'ত প্ৰেম আৰু হৃদয়ৰ ব্যৱধান অৰ্থেৰে চাকি ৰখা হয়। সুৰালাত দিদিৰ শেষ ইঙ্গিতটোৰ প্ৰতিফলন ঘটিছে ৰবকাকতীৰ কেইখনমান উপন্যাসত। 'মনৰ দাপোণ'ৰ 'জানু'ৰ মাক তেনে এগৰাকী তিৰোতা আৰু সেই সমাজত জানুৰ যৌৱনো নিৰাপদ নহয়। কাৰণ তাইৰ নিসঙ্গতাৰ সুযোগ লৈ তাইৰ শৰীৰৰ বিভিন্ন ঠাইলৈ যিখন হাত আহিছিল সেইখন হাত আন কাৰো নহয় —মাক-দেউতাকৰ বন্ধু ৰবম্বাৰ। এই 'গ্ৰীণ চিপ-নেল' ৰবম্বাই জানুৰ মাকৰ পৰাই হয়তো পাইছিল।

নগৰৰ মধ্যবিত্ত পৰিয়ালৰ ওসমাবাদুলি স্বভাৱ, আভিজাত্যৰ নিৰৰ্থক প্ৰচেষ্টা, অভিজাত সম্প্ৰদায়ৰ স্বাৰ্থজড়িত ভাল পোৱা, পুতৌ কৰাৰ মনোবৃত্তিয়ে যুৱ-সমাজৰ একাংশক কেনেদৰে ৰোবিছেহি তাৰ এটি সুন্দৰ ছবি পোৱা গৈছে—নিৰোদ চৌধুৰীৰ উপন্যাস 'চাইকডেলিক চেকীয়া'ত। উপন্যাসৰ নামকৰণো সুন্দৰ ব্যঙ্গাত্মক। নিৰোদ চৌধুৰীৰ একাধিক উপন্যাসতেই নগৰৰ মধ্যবিত্ত আৰু অভিজাত শ্ৰেণী অঙ্কিত হৈছে যদিও উল্লিখিত উপন্যাসত কাহিনীৰ গতি, চিত্ৰ আৰু পৰোক্ষ ৰঙ্গৰাই নিশ্চয় তেওঁৰ ৰচনাসমূহৰ ভিতৰত (বৰ্তমানলৈকে) শ্ৰেষ্ঠতম বুলি ক'ব পৰা হয়।

উদ্যোগক কেন্দ্ৰ কৰি আমাৰ ডাঙৰ নগৰ বুলিবলৈ হ'লে ডিগবৈ, দুলিয়াজানৰ কথাই মুখ্যতঃ ক'ব লাগিব। অৱশ্যে অসমৰ প্ৰায় কেইখন নগৰতেই এতিয়া সৰু-সুৰা উদ্যোগ গঢ়ি উঠিছে। বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ "ৰমৰী"ত ডিগবৈৰ ছবি এখন ফুটি উঠিছে, ফুটি উঠিছে ইয়াৰ 'চাহাবী সভ্যতাৰ নিদৰ্শন। অভিজাত নাৰীৰ মানসিক সংঘাত, পৰিবেশৰ দ্বাৰা নিয়ন্ত্ৰিত দাম্পত্য বন্ধনৰ দ্বন্দ্ব।

উদ্যোগ কৰ্মীৰ সংগ্ৰামক লৈ ভট্টাচাৰ্যই—"ৰাজপথে ৰিঙিয়ায়" লিখিছিল যদিও সি আছিল মুখ্যতঃ তেওঁৰ ৰাজনৈতিক আদৰ্শৰ দ্বাৰা বিশেষ ভাৱে প্ৰভাৱান্বিত। 'প্ৰতিপদত' ইউনিয়ন সংগঠন আৰু এই সংগঠনৰ বিঘিনিপূৰ্ণ পথৰ ছবি আঁকি শেষত সংগ্ৰামী মনুহৰ ঐক্যবদ্ধ উপলব্ধি দেখুৱা হৈছে যদিও (পটভূমি ডিগবৈ) ইয়াৰ কাহিনী ভাগ প্ৰাক স্বাধীনতা কালৰ। গতিকে আমাৰ আলোচনাত ইয়াৰ সবিশেষ দৃষ্টি ধৰাৰ পৰা বিৰত ৰ'লো। এই কালৰ পৰা পবিত্ৰ কুমাৰ ডেকাৰ "সিইঁতে সাৰ পাইছে"ৰ নাম উল্লেখযোগ্য। উপন্যাস হিচাপে ইয়াৰ গুণাগুণ বিচাৰ এই আলোচনাৰ উদ্দেশ্য নহয়, কিন্তু বিষয়বস্তুৰ কালৰ পৰা আমাৰ সাহিত্যত নগৰীয়া

সভ্যতাৰ অন্য এৰ নিদৰ্শন মজদুৰসকলৰ সংঘবদ্ধতাৰ ছবি যে খৰ বেছি উপন্যাসত অংকিত হোৱা নাই সেই কথা ক'ব পাৰো আৰু সেই কালৰ পৰাই "সিইঁতে সাৰ পাইছে" উপন্যাসৰ নাম ল'ব লাগিব। "হিমালয় চাইকেল কোম্পানী"ৰ পইনা লৈ ডেকাই সেইবোৰ শ্ৰমজীবীৰ ঠাইলৈ গোমাইছে য'ত—"মতা-তিৰোতা, ল'ৰা-ছোৱালী একেটা কোঠাতে আছে, একেটা কোঠাতে দেহৰ কামনা পুৰাইছে, সন্তান জন্ম দিছে। একেটা কুঁৱাৰ পাৰতে বুঢ়া ডেকা ল'ৰাই ফটা ধুতী বা গামোচা এখন পিন্ধি বোৱাৰী জীয়ৰীৰ আগতে নিঃসঙ্কোচে গা ধুইছে, হাঁহি খিকিন্দালি কৰিছে। পানী কলহ কোনে আগতে তুলিব তাক লৈ গোটেই দিনটো ছলস্থূল, চিঞৰ বাখৰ কৰিছে। মতা-তিৰোতাৰ মুখত সাধাৰণ ভাত-মাছ খোৱাৰ দৰে অশ্লীল মাত। লাজ মানৰ ইয়াত কোনো স্থান নাই, কুকুৰ শিয়ালৰ দৰে মানুবোৰ জীয়াই আছে…"—এই মানুহখিনিয়ে নিজক বুজিপোৱাৰ আভাষ উপন্যাসখনত আছে।

গুৱাহাটীৰ জীৱনত কটন কলেজৰ এক বিশিষ্ট ভূমিকা আছে, কেৱল গুৱাহাটী বুলি কলেই ভুল হ'ব, অসমৰ বৌদ্ধিক জাগৰণৰ যি উক্মুকনি তাত কটন কলেজৰ প্ৰত্যক্ষ নহলেও পৰোক্ষ ভূমিকা আছে। তৰুণ লিখক নবীন বৰুৱাই "কটন কলেজ"ৰ যোগেদি অসমীয়া উপন্যাসৰ বিষয়বস্তুলৈ এক নতুন অৰিহণা আগ বঢ়ালে। উপন্যাসৰ গাথঁনি, চৰিত্ৰ চিত্ৰন, কিম্বা কাহিনী ভাগ লৈ আমি আলোচনা নকৰো; আমি মাথোন ক'ব খুজিছো বৰুৱাৰ এই প্ৰচেষ্টাই নতুন আৰু গুৱাহাটীৰ অবিচ্ছেদ্য কটন কলেজৰ এই যুৱ সমাজ বহু দূৰ তেৱেঁই অঙ্কন কৰিছে। নগৰৰ পটভূমিত লিখিত তেওঁৰ আনখন উপন্যাস "মন অজন্তা।"

শিক্ষিত নগৰীয়া মধ্যবিত্তই স্ব-সৃষ্ট মকৰাজালত সোমাই দিক্‌বিদিক হেৰুৱাই পেলায়। এই চাম মানুহৰ মনৰ জগতখন কি বিচিত্ৰ কি ৰহস্যময়। যোগেশ দাসৰ "ছঁা জুই বোঁদি"ত এইখন জগতেই অঙ্কিত হৈছে। দাসৰ নিজৰ কথাৰেই কওঁ—"আমি আজিৰ মানুহে প্ৰাত্যাহিক—তাৰ মেৰজালত এনেকৈ নিজকে বন্দী কৰিছো যে আমি কি বিচাৰো প্ৰায়েই সেই কথা ক'ব নোৱাৰো।" নগৰীয়া শিক্ষিত মানসিকতাৰ এই পৰিচয় যোগেশ দাসে কমলা আৰু বিমলা—দুই বাই-ভনীক দুটি ভিন্ন পটভূমিত থিয় কৰাই (গাওঁ আৰু নগৰ) দাঙি ধৰিছে। নগৰীয়া মধ্য-বিত্তৰ এই দুদোল্যমান মানসিকতাৰ বাস্তৱ চিত্ৰ আমাৰ উপন্যাসত বেছি

চিত্ৰত হোৱা নাই। যোগেশ দাসৰ দৰে চিৰিয়াছ লেখকৰ পৰাহে এইটো সম্ভৱ হয়।

নগৰৰ কিছু প্ৰতিফলন ঘটা অথবা নগৰক পটভূমি ৰূপে লোৱা কেইখনমান উপন্যাস হ'ল 'ৰথৰ চকৰি ঘূৰে', 'আধাৰ শিলা' (ইয়াত গাঁও আৰু নগৰ তথা দ্বিতীয় মহাযুদ্ধৰ প্ৰভাৱে ঘটোৱা মানুহৰ নৈতিক স্খলনৰ ছবিও আছে) 'জীয়াজুৰিৰ ঘাট' (চৈয়দ আব্দুল মালিক), উত্তৰ মেঘৰ ছাঁ (পশুপতি ভৰদ্বাজ), উদাসী সন্ধ্যা, বেগমপাৰা, ইত্যাদি (মহেন্দ্ৰ বৰঠাকুৰ), এজন দধীচিৰ অন্বেষণত (পোলেন বৰকটকী), অগ্নিদগ্ধা (আদিৰ), শতাব্দীৰ স্বপ্ন (কুমাৰ কিশোৰ-পটভূমি ছিলং), ভুলৰ সমাধি (প্ৰেমধৰ ৰাজখোৱা), এজন বুঢ়া মানুহ, দিনৰ পাচত দিন, হৃদয় এটি নিৰ্জন দ্বীপ (নিৰুপমা বৰগোহাঞি), আকাশ চমকি ৰয়, বন্য ব্যাকুলতা (লক্ষ্মীনন্দন বৰা) ডালিমীৰ সপোন (কৈলাশ শৰ্মা—পটভূমি কহিমা), শেতা ৰং (ৰোহিণী কুমাৰ কাকতি,) অলপ মৰম, অলপ তৃষ্ণা (নলিনী চক্ৰৱৰ্ত্তী)।

যোৱা দশকটোত আমাৰ নগৰীয়া জীৱনত ভালেখিনি জটিলতাই দেখা দিছে। সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক ক্ষেত্ৰত পৰিবৰ্তন আহিছে। মানুহ সজাগ হৈছে, জীৱনৰ নতুন মূল্যায়নৰ প্ৰস্তুতি চলিছে। প্ৰেম-প্ৰীতিৰ অন্তৰ্নিহিত দৰ্শন একেই আছে যদিও তাৰ প্ৰকাশ আৰু পটভূমিৰ সলনি হৈছে। জীৱনৰ গতি হয়তো দুৰ্বাৰ হওক, হয়তো সেই গতিত যতি পৰক—এনে এক প্ৰত্যাহ্বানো যুৱতে গ্ৰহণ কৰিছে। এনে থাম-খুমিয়াত আমাৰ নগৰীয়া যুৱ মানসত কেনে প্ৰতিক্ৰিয়া হৈছে? এই দিশটোৰ প্ৰতি আমাৰ সাহিত্যই বৰকৈ চকু দিয়া নাই। নিৰোদ চৌধুৰীয়ে কম বেছি পৰিমাণে নগৰীয়া যুৱকৰ চিত্ৰ অংকন কৰিবৰই চেষ্টা কৰিছে আৰু তাৰেই সুন্দৰ পৰিচয়—"চাইকডেলিক চেকীয়া"। আবেগ আৰু ৰোমাণ্টিক ভাব বিলাসিতা বাদ দিলে চৌধুৰীয়ে বৰ্তমানৰ যুৱ মানসৰ প্ৰতিচ্ছবি দাঙি ধৰিব পাৰিব বুলি আশা কৰাৰ থল আছে। নবীন বৰুৱাৰ "কটন কলেজেও" বিষয় বস্তুৰ ফালৰ পৰা এটি নতুন দিশ মুকলি কৰিছে, কিন্তু প্ৰথম ৰচনাৰ পিছৰ ৰচনাৰ বাবে যি উত্তৰণ আশা কৰা হৈছিল সেই আশাৰ থলি কিছু তলং ভতং হৈ পৰিছে। নগৰীয়া জীৱনৰ সকলো সমস্যা আমাৰ সাহিত্যত এতিয়াও প্ৰকাশিত হোৱা নাই। কেৱল জন-প্ৰিয়তাই সাহিত্যৰ মাপকাঠি নহয়। এই কথাষাৰ উপলব্ধি কৰিলে সৃষ্টিৰ লগত একাত্মবোধ স্থাপন কৰাটো সহজ হৈ পৰে। আমি এতিয়াও বাস্তৱ আৰু সপোনৰ মাজৰ দোমোজাত থিয় হৈ আছোঁ আমি এতিয়াও কৰ্মৰত

ঃ পিষ্ট ছোৱালীজনীৰ বুকুৰ মৃদু হেন্দোলনিহে দেখো—কঁপালৰ কোছটো নেদেখো। ভেনিটি বেগটোত ওঁঠ আৰু গালৰ ৰংহে থাকে বুলি ভাবো—বজাৰ কৰিবলৈ অনা মোনা এটাও থাকিব পাৰে বুলি ভবিব নোৱাৰো। পদে পদে নগৰৰ সাধাৰণ মানুহে আজি উজুটি খাইছে। উজুটি খোৱাজনৰ প্ৰতি আমি কৰুণা দেখুৱাইছো, অনুকম্পা দেখুৱাইছো, কিন্তু সেই জ্বালা আমি অনুভৱ কৰিব পৰা নাই। কিয় পৰা নাই তাৰো কাৰণ নিশ্চয় আছে, কিন্তু কাৰণ যিয়েই নাথাকক সাহিত্যক যদি আমাৰ জীৱনৰ প্ৰতি-ফলন বুলি স্বীকাৰ কৰো, তেনেহলে নিৰ্যাতিতৰ দুখ বেদনাক উপলব্ধি কৰিব নোৱাৰা সকলোবোৰ কাৰণকেই আমি নেওচা দিয়াৰ শক্তি আহৰণ কৰিব লাগিব।

শেষত কওঁ—বহু সময়ত এই আলোচনা তালিকা পৰ্যায়লৈ যে গৈছে সেই কথা আমি নিজে উপলব্ধি কৰিছো। কিন্তু সীমিত পৰিসৰৰ মাজত বিস্তৃত আলোচনা সম্ভৱ নহয়। আমাৰ অজ্ঞতাৰ দোষত যদি কিবা দৰকাৰী ৰচনাও বাদ পৰি গৈছে তাৰ বাবে নিজৰ অধ্যয়নৰ সীমাবদ্ধতাক স্বীকাৰ কৰি লবলৈ আমি অকণো সঙ্কোচ বোধ নকৰো। আৰু এটা কথা—এই আলোচনাটিত আমি যি কেইটি গল্প (অথবা গল্প লিখক), যি কেইখন উপন্যাসৰ আলোচনা কৰিলো—সেইবোৰ লিখকৰ বয়স অথবা ৰচনাকাল অনুযায়ী একাদিক্ৰমে আলোচনা কৰা নাই, কৰিছো বিষয় বস্তুৰ কালৰ পৰাহে।

উপন্যাস আৰু জনজীৱন

নলিনীধৰ ভট্টাচাৰ্য্য

বেলিমাৰৰ সৌন্দৰ্য্য ৰং আৰু ৰেখাৰ মাজত ৰমণীয়ভাৱে ধৰি ৰখাৰ সময়ত শিল্পী টাৰ্ণাৰক তেওঁৰ শিষ্যসকলে সুধিছিল : "বেলি আনো এনেকৈ মাৰ যায় ?' উত্তৰত টাৰ্ণাৰে কৈছিল, 'নেযায়', কিন্তু এনেকৈ মাৰ গলে আনো ভাল নাপাবা ?" এই কথা সঁচা যদিও শিল্পীৰ মনে যি ভাল দেখে তাকে কৰিলেই শিল্প মহৎ নহয় ; বিজ্ঞান সন্মত দৃষ্টিৰে বস্তুনিষ্ঠভাৱে বাস্তৱক নিৰীক্ষণ কৰি তাৰ স্বপ্ন দেখাটোৱে শিল্পীৰ কৰ্তব্য। উপন্যাস কথাৰ আধাৰত মানৱ জীৱনৰে মহৎ কাব্য। উপন্যাস বাস্তৱতে মানুহৰ জীৱনৰ বহিৰঙ্গৰ চিত্ৰই নহয়, সি এক বিশিষ্ট যুগ ইতিহাসৰ অন্তনিহিত দ্বান্দ্বিক প্ৰক্ৰিয়াৰ ছবিও। কেৱল দেখাটোৱেই আচল দেখা নহয়, সমাজজীৱনক পূৰ্ণ ৰূপত বুজিবলৈ চেষ্টা কৰি তাৰ আমূল পৰিৱৰ্তনৰ স্বপ্ন যি দেখে তেৱেঁই মহৎ শিল্পী। ঔপন্যাসিকৰ দায়িত্বও সেয়ে। নিছক সৌন্দৰ্য্যৰ অন্বেষণৰ পৰা কলাক মুক্তি দিয়াৰ দিশেই উৎকৃষ্ট পথ। শিল্পীয়ে বাস্তৱ সত্যক মনৰ ফিল্টাৰত পৰিশোধিত কৰিব লাগিব সঁচা, কিন্তু সদায় যে তাক বিশুদ্ধ কৰি লব লাগিব তেনে কোনো কথা নাই ; পৰিশোধন-প্ৰক্ৰিয়াত গোট খোৱা আবৰ্জনাসমূহো বিশুদ্ধ বস্তুৰ লগত অৰ্থাৎ শিল্পৰ লগত মিহলি হয়। অৱশ্যে আমি শিল্পকহে আলোচনা কৰোঁ, পৰিশোধন-প্ৰক্ৰিয়াক নকৰোঁ। সেইবুলি শিল্পীৰ বিশ্ববীক্ষাৰ ব্যাখ্যা আৰু বিশ্লেষণ নকৰাকৈ থাকিব নোৱাৰি। শিল্পীক ঐতিহাসিক পটভূমিত চোৱাৰ প্ৰয়োজন নিশ্চয় আছে।

উনৈশ শতিকাৰ ইউৰোপত পুঁজিবাদী প্ৰসাৰৰ লগত তাৰ অন্তনিহিত সংকটেও দেখা দিছিল। এই সংকট হেতু দাৰ্শনিক চিন্তাত বিভাজন আহিল। বিভিন্ন ভাববাদী দৰ্শনৰ জন্ম হ'ল ; বিশেষকৈ আদৰ্শবাদৰ (Idealism) উৎপত্তিয়ে পূৰ্বসূৰীৰ বস্তুবাদী দৃষ্টিভঙ্গীত আঘাত হানিলে। শিল্পী ৰোমান্তিক হৈ পৰিল, ফলে নিজকে অৱহেলিত

বুলি অনুভৱ কৰিব ধৰিলে; আৰু সমাজৰ পৰা বিচ্ছিন্ন হ'ল। এনেবোৰ কাৰণতে ঔপন্যাসিকৰ দৃষ্টিও খণ্ডিত হ'ল, বাস্তৱৰ ডায়েলেক্‌টিক বাদ দি অন্তৰ্মুখিতাৰ মাজত সোমাই পৰিল। ইয়াৰ ফল স্বৰূপে তেওঁ লেটাত বান্ধ খোৱা পলুৰ দৰে নিৰ্জীৱ হৈ দেশ-কাল পাহৰি উপন্যাসৰ মহাকাব্যীয় ৰূপ ভাঙি পেলালে। এতিয়া উপন্যাসত থাকিল মানসিক সংঘাত, যৌন বিষয়ক চক্ৰান্ত আৰু ভাবাশ্ৰয়ী আলোচনা। সেই বাবেই পূৰ্বৰ নায়ক (hero)ৰ ঠাইত উপন্যাসত চৰিত্ৰই প্ৰাধান্য পালে।

পাশ্চাত্যৰ পুঁজিবাদী সংকটৰ ফলত উদ্ভৱ হোৱা ঔপন্যাসিকৰ এই বিচ্ছিন্ন দৃষ্টিৰ পৰম্পৰাই প্ৰাচ্য তথা ভাৰততো বহুলাংশে ক্ৰিয়া কৰিছে। প্ৰাচ্যৰ সামন্তবাদী পুঁজিবাদী সমাজত সৰহ সংখ্যক মানুহৰ দিনলিপি ৰক্তাক্ত, জীৱিকাৰ যুঁজত ম্লান তেওঁবিলাকৰ মুখ। এই নিপীড়িত মুখাবোৰলৈ নিৰীক্ষণ কৰাটো ভাৰতীয় শিল্পীৰ একান্ত কৰ্তব্য। ঔপন্যাসিকৰ এই দায়িত্ব এই বাবেই বেছি যে তেওঁৰ কথা শিল্পতে জীৱন বিস্তাৰৰ এষণা সুন্দৰকৈ ফুটি ওলোৱাৰ সম্ভাৱনা থাকে। তেওঁলোকে আজিৰ সমাজখনৰ মানসিক অৱক্ষয়, আপাত-ৰমণীয়তাৰ আঁৰত লুকাই থকা কুৰূপতা, সুৱলা শব্দৰ আঁৰত থকা চক্ৰান্ত, লেকাম নোহোৱা স্বাৰ্থৰ নৈৰাজ্য, মানসিক আৰু শ্ৰমৰ অসহনীয় ব্যৱধান, গাওঁ আৰু নগৰৰ পাৰ্থক্য—এই সংকট-বোৰলৈ মন কৰাৰ উপৰিও কি প্ৰগতিশীল শক্তিয়ে এই দানৱীয়তাৰ বিৰুদ্ধে অগ্ৰসৰ হৈছে তাকো লক্ষ্য কৰিব লাগিব। দুৰ্ভাগ্যবশতঃ আমাৰ মাজত এতিয়াও টলষ্টয়, বালজাকৰ দৰে মহৎ ঔপন্যাসিক ওলোৱা নাই, যি নিজৰ অজ্ঞাতসাৰেই উপন্যাসৰ মাজত দেশ, যুগ আৰু সভ্যতাৰ সংকট আৰু গতি প্ৰগতিক ধৰি ৰাখিছিল। নিপীড়িতৰ প্ৰতি গভীৰ সহানুভূতি থকা বাবেই অভিজাত সম্প্ৰদায়ৰ মানুহ হৈয়ো তেওঁলোকে সত্যক নিৰীক্ষণ কৰিব পাৰিছিল। আমি এতিয়াও আমাৰ দেশৰ মানুহৰ দুখ-দুৰ্দশা আৰু গুৰি কথাৰ বুজ নলৈ ফ্ৰয়ডৰ কামসিক মেটাচাইকলজি, কাণ্টৰ আদৰ্শবাদ, নীৎচে, বাৰ্গছ আদিৰ ইচ্ছা শক্তি আৰু সংজ্ঞা (will and intuition) চাৰ্ত্ৰৰ বৈষয়িক অস্তিত্ববাদৰ মেৰপাকত পৰি সমন্বয়ৰ সূত্ৰ ছিঙি পেলাওঁ আৰু কোনো অভিজ্ঞতা অৰ্জনৰ পৰিশ্ৰম নকৰাকৈ আমি জীৱনৰ মহাকাব্য লিখি যাওঁ। অসমীয়া সাহিত্যতো চক-চকীয়া এনেবোৰ ছাঁ-পোহৰৰ খেলা চলি আছে, ইয়াৰ ফলত উপন্যাস উপভোগ্য বস্তু হৈছে—উপলব্ধিৰ সামগ্ৰী হ'ব পৰা নাই। বাস্তৱৰ নামত প্ৰেমহীন যৌন-লালসা প্ৰধান

কাহিনী, লঘু চঞ্চল ৰচনা, বগ্ন আৰু উন্মাদৰ ভয়াবহ কৰুণ দীৰ্ঘশ্বাসৰ কাহিনী বুৰ্জোৱা পৰিচালিত কাকত-পত্ৰৰ দাক্ষিণ্যত প্ৰকাশ হৈ আছে : এইবোৰৰ পৰা কাৰ কি লাভ হয় তাক নকলেও চলে।

সৎ-অসতৰ বিচাৰ কৰিবলৈ কেৱল মনস্তত্ত্বই জানো যথেষ্ট ? কেৱল মনস্তত্ত্বৰ সহায় লবলৈ যাওঁতে ঔপন্যাসিকে বিচাৰি পাইছে ৰোগগ্ৰস্ত অথবা উন্মাদক যাৰ জীৱনত কোনো আশাভূমি নাই। যি ব্যৱস্থাই অসতক জন্ম দিয়ে সি অসত মানুহতকৈ অধিক ঘৃণনীয়। শিল্পীৰ ক্ৰোধ প্ৰকাশিত হ'ব লাগে এই ব্যৱস্থাৰ প্ৰতি যি ব্যৱস্থাই মানুহৰ অধঃপতন আনে, অৱক্ষয়ৰ পঙ্কত ডুবাই ৰাখে। মানুহে সামাজিক পিতনিত পৰি ককবকায় সঁচা, কিন্তু তাৰ পৰা উদ্ধাৰ হ'ব পৰা শক্তিও মানুহৰ আছে। যি সমাজ ব্যৱস্থা ঘৃণনীয়, তাৰপৰা আঁতৰি থাকি নিজৰ অভ্যন্তৰলৈ উভতি নগৈ, সেই সমাজ ব্যৱস্থাৰ বিকল্প বিচৰাটোহে ঔপন্যাসিকৰ কৰ্তব্য। ইয়াকে কৰিবলৈ লাগে বিপ্লৱী কল্পনা, বাস্তৱবোধ আৰু অনুপুংখ অভিজ্ঞতা। ইয়াৰ অবিহনত যিবোৰ চৰিত্ৰ সৃষ্টি কৰা হয়, সিহঁত এখন সমাজৰ সন্ততি নহয়, সিহঁতৰ উৎস স্বয় লেখকৰ ভাৱ-ভূমিহে ইয়াৰ অবিহনত ভাৱ-প্ৰৱণ ৰোমাণ্টিকতা, মধ্যবিত্তীয় সম্ভ্ৰমবোধৰ ধৰাতলৰ তৰল বৰ্ণালীহে আহি পাওঁ। এই ধৰাতল ভেদ কৰি তলীলৈ গলেহে আজিৰ ৰোগ নিৰ্ণয় সম্ভৱ। সেইবাবেই টলষ্টয়ে কৈছে— " it (art) it not a pleasure, it is a means of union among men joining them together in the same feelings and indispensible for life and progress towards wrll-being of the individual and of humanity."

বৰ্তমান সময়ত আমাৰ সাহিত্য-সংস্কৃতিত আছে মাথোন ব্যক্তিগত বিস্ফোৰণ, আত্মকেন্দ্ৰিক সস্তীয়া আবেগ আৰু যৌন-বিলাস। এই সকলো-বোৰ বুৰ্জোৱা বাস্তৱবাদৰ নামত কৰা হৈছে ; প্ৰাচ্যৰ লিখক পাশ্চাত্যৰ বুৰ্জোৱা অৰ্থত বাস্তৱবাদী নহলেও চলে ; আমাৰ ইয়াত মানুহৰ সংগ্ৰাম আৰু বেদনা আছে ; এই মানুহবোৰ সঙ্কুচিত মন ঐতিহাসিক শক্তি প্ৰবাহৰ পৰা বঞ্চিত হৈ ক্ষুদ্ৰ পৰিসৰৰ মাজত আজিও কেনেকৈ দুৰ্বহ বেদনা সৈ জীয়াই আছে, সিয়ো আমাৰ নিৰীক্ষণৰ বিষয় হোৱা উচিত। আমাৰ অন্ধ ঐতিহ্য প্ৰীতি আছে আৰু নিৰ্বৰ ঐতিহ্য-বিদ্বেষো আছে—কিন্তু দুয়োটাই সুস্থ জীৱন-জিজ্ঞাসাৰ বাবে অপকাৰী। আমাৰ ঐতিহ্যৰ ভালেখিনি আহি লোৱা উচিত ; আৰু যিখিনি বেয়া, প্ৰতিক্ৰিয়াশীল, সেইখিনি পৰিত্যাগ

কৰিব লাগে। মূঠতে আমাৰ মানুহৰ অতীত-বৰ্ত্তমান ভালদৰে বুজি লৈ সাহিত্য ৰচনা কৰিব পাৰিলেহে আমাৰ লিখকসকলৰ পক্ষে অধিক মঙ্গল-জনক হ'ব। ইয়াৰ বাবে সমাজতান্ত্ৰিক দৃষ্টি-ভঙ্গী এটাৰো আৱশ্যক। মানুহৰ ইচ্ছা, মহত্ব আৰু তীব্ৰতাই পূৰ্ণৰূপ পায় তাৰ সক্ৰিয় উত্তৰণৰ সহায়তহে। এই উত্তৰণৰ পথ দেখুৱাব পাৰে কেৱল সমাজবাদী আদৰ্শই।

অসমীয়া উপন্যাসত জন-জীৱনৰ গোন্ধ নিশ্চয় আছে। সম্প্ৰতি আটাইবোৰ উপন্যাস নলৈ মাত্ৰ তিনিখন উপন্যাস (জীৱনৰ বাটত, ইয়াৰুইঙ্গম আৰু হালধীয়া চৰায়ে বাওধান খায়) সম্বন্ধে অলপ কথা আলোচনা কৰিছোঁ। সময় হলে আগলৈ এনে ধৰণৰ উপন্যাস বাছি-বিচাৰি তাৰ সমীক্ষা কৰিবৰ বাবে হেঁপাহ থাকিল।

স্বাধীনতা লাভৰ আগতে লিখা বিৰিঞ্চি বৰুৱাৰ 'জীৱনৰ বাটত' পুথিখন ইতিমধ্যে বহুতেই প্ৰশংসা কৰিছে। এই প্ৰশংসা পুথিখনৰ প্ৰাপ্য। পুথি-খনে উপন্যাস ৰচনাৰ ক্ষেত্ৰত বহুত দিক্-দৰ্শন কৰিব পাৰিছে আৰু পুঁজি-বাদৰ সূৰ্য্যোদয় আৰু সামন্তবাদৰ সূৰ্য্যাস্তৰ কালছোৱাত অসমীয়া গাৱঁৰ দৰিদ্ৰ কৃষক আৰু মধ্যবিত্ত জীৱনৰ বাহিৰঙ্গ আৰু অন্তৰঙ্গ, উভয়ৰে ছবি বস্তুনিষ্ঠভাৱে আৰু সহৃদয়তাৰে অঙ্কন কৰি পৰবৰ্ত্তী লিখকলৈ এটি নতুন পৰম্পৰাৰ সৃষ্টি কৰিছে। চহা সমাজৰ কুসংস্কাৰ, আচাৰ-নীতি, অৰ্থনৈতিক শোষণ, বিশ্বাস, শ্ৰেষ্ঠজনৰ প্ৰতি শ্ৰদ্ধা-ভক্তি, যৌৱনৰ সবল পীৰিতিৰ পবিত্ৰতা, সামন্ততান্ত্ৰিক গাঁথনিত মানুহৰ জীৱন চৰ্য্যাৰ এই উপাদানবোৰ বৰ সুন্দৰকৈ স্থানীয় ৰহনেৰে হুবহু দাঙি ধৰা হৈছে। তেতিয়া যেন গাওঁ-ভূঁই পতনৰ শব্দ হওঁ হওঁ, এনে এক কালসন্ধ্যা। কমলাকান্ত কালসন্ধ্যাৰ উদীয়মান তৰা; ভগৰ, ধৰণী মনোহৰ এইবোৰ অস্তমিত জোন। শোষণ আৰু বঞ্চনাৰে ন-কৈ ধনী হোৱা ৰায়বাহাদুৰৰ প্ৰভাৱত পৰি উচ্চ শিক্ষিত কমলাকান্তই সামন্তযুগীয় প্ৰীতিৰ বান্ধোনৰ আদৰ্শ উলাই কৰি আগবাঢ়িল ৰায়বাহাদুৰৰ শিক্ষাভিমানী কন্যাৰ পাণি-প্ৰাৰ্থী হবলৈ আৰু লগতে জীৱিকাৰ স্বাৰ্থলৈ নেপাহৰিলে। নগদ লাভ আৰু নগ্ন স্বাৰ্থৰ বাবে কমলাকান্তই পাহৰি গ'ল সৰল, পবিত্ৰ, ধৰ্ম-পৰায়ণা এটি আত্মাক, যি আজীৱন দুখ- লাঞ্ছনা দাৰিদ্ৰ বৰণ কৰিও অন্তৰত প্ৰদীপ প্ৰেমৰ শিখা লৈ জীয়াই আছিল। প্ৰাচীন বিশ্বাসেৰে লালিতা ভগৰৰ চৰিত্ৰৰ মোহনীয়তাৰ বিপৰীতে কমলাকান্তৰ বেদনা কৰুণ স্মৃতিৰ হাহাকাৰ পুথিখনত উজ্জ্বল হৈ আছে। এটা ভুল, স্মৃতিৰ কুল হৈ দেখা দিলে।

উপন্যাসখন ভাল লগাৰ ই্ও এটা কাৰণ; কিন্তু তাতেই সকলো শেষ নহয়। কমলাকান্তই এতিয়া যʼত ভৰি দিছে, তাৰপৰা তেওঁ এখোজো পাচলৈ যাব নোৱাৰে ; অথচ সেই পবিত্ৰ মোহনীয়তা হেৰুৱাই মনে মনে যি বেদনা অনুভৱ কৰিছে, তাৰ উমান আমি পাইছোঁ। কিন্তু সেই মোহনীয়তা আৰু ঘূৰি নাহে—সি স্তব্ধ হৈ গৈছে। কমলাকান্ত পুঁজিবাদে অনা মূল্য-বোধৰ সোণৰ গৰালত বন্দী। তেওঁ ইতিহাসৰ গতি ৰোধ কৰিব নোৱাৰে। সামন্তবাদৰ পৰা ক্ৰমে পুঁজিবাদলৈ যাত্ৰা কৰা সময়ৰ অসমীয়া সমাজখনৰ বস্তুনিষ্ঠ চিত্ৰ নিলিপ্তভাৱে আঁকি বিৰিঞ্চি বৰুৱাই অসমীয়া সাহিত্যলৈ এটি স্মৰণীয় অৱদান আগ বঢ়ালে।

'জীৱনৰ বাটত' বস্তুনিষ্ঠ সৃষ্টি আৰু সত্য দৰ্শনৰ ফলশ্ৰুতি। উপ-ন্যাসখনত আৰু এটা প্ৰশ্নৰ উত্তৰ পোৱা যায়। পৃথিৱীখন কাৰ ? ইয়াৰ উত্তৰ হʼল "Money is the only yard stick to human worth" —ধনেই সামৰ্থ্য, ধনেই নিশ্বাস প্ৰশ্বাস। পুঁজিবাদৰ আৱৰ্তনী কালত বাকী সকলো খেৰ-কুটাৰ দৰে বতাহত উৰি গৈছে। পুঁজিবাদে ক্ৰমাৎ গ্ৰাস কৰি অনা মানুহৰ অন্তৰ-বেদনাৰ সঙ্গীত বিৰিঞ্চি বৰুৱাৰ লিখনীত ধ্বনিত হৈছে।

শ্ৰেণী হিচাপে বিৰিঞ্চি বৰুৱা বিহতেই মধ্যবৰ, তেওঁ জন্ম-সূত্ৰ, জীৱিকা আৰু অধ্যয়নৰ ক্ষেত্ৰ যিয়েই, নহওক, তেওঁ হয়তো অজ্ঞাতসাৰেই ৰচনাত ফুটাই তুলিছিল—এই বস্তুনিষ্ঠতা আৰু সত্যানুসন্ধান স্পৃহা। ইয়াতকৈ বিৰিঞ্চি বৰুৱাৰ পৰা আৰু বেছি একো আশা কৰিব নোৱাৰি।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ 'ইয়াৰুইঙ্গম' আন এখনি 'উপন্যাস, যʼত অভিজ্ঞতা কিছু পৰিমাণে লেখকৰ মনৰ আধাৰত পৰিশোধিত হৈছে যদিও সম্পূৰ্ণ বিশুদ্ধ ৰূপত প্ৰকাশ হোৱা নাই। এহাতে সাম্ৰাজ্যবাদী শাসন শোষণ, আৰু আনহাতে আদিম প্ৰথাও বিশ্বাসী টাংখুল নগাৰ দাৰিদ্ৰ আৰু অন্যান্য সমস্যা। উপন্যাসখনত এই দুই বিপৰীত শক্তিৰ দ্বন্দ্ব দেখুৱাই উত্তৰণৰ পথ এটি নিৰ্দেশ কৰাৰ প্ৰৱণতা উজ্জ্বল হৈ আছে।

এই উপন্যাসৰ 'থীম' (theme) হʼল—উত্তৰণৰ পথ কি? হিংসাৰ নে অহিংসাৰ ? মানৱ জাতিৰ উন্নতিৰ লগত নিজ জাতিৰ বিকাশ জড়িত আছে নে নাই ? এই প্ৰশ্ন দুটাৰ উত্তৰ দিছে বিশ্বাস আৰু ভিভেলীয়ে। বিশ্বাসে ভাবে উত্তৰণৰ পথ হিংসাৰে তৈয়াৰ কৰিব নোৱাৰি। স্বাধীনতাৰ সমস্যা কেৱল নগাৰে নহয়, ভাৰতৰ বাকী অংশৰ লগতো নগাভূমিৰ সমস্যা

জড়িত; কিন্তু ভিডেশ্যোলীয়ে তাৰ বিপৰীত কথা কয়। সি বাছি লয় হিংসাৰ পথ,—কেৱল নগাৰ স্বাধীনতা লৈয়ে সি ব্যস্ত। উভয় পক্ষই বৈষম্য আৰু দাৰিদ্ৰৰ মাজত কেকাই থকা অগাৰ তাংখুল নগাক নিজৰ কলীয়া কৰিবলৈ বিচাৰে; ক্ৰমাৎ বিশ্বাঙৰ প্ৰভাৱ বাঢ়ি আহে। ইয়াৰ পৰা বুজিব পাৰি লেখকৰ সহানুভূতি আছে বিশ্বাঙৰ ফালে। ভিডেশ্যোলী, নাজেকৰ দৃষ্টিৰ সংকীৰ্ণতা লাহে লাহে নিষ্প্ৰভ হৈ আহে। বহল দৃষ্টি-ভঙ্গীৰে সমগ্ৰ ভাৰতৰ লগত, বিশ্বৰ লগত নিজৰ আৰু জাতিৰ সুখ-দুখ জড়িত কৰিহে বিকাশ সম্ভৱ হয়, মানুহ হ'ব পাৰি। বিশ্বাং আৰু জীৱন মাষ্টৰে সাহসেৰে সিহঁতৰ বাৰ্তা মানুহৰ মাজলৈ বহন কৰি নিছে—ভিডে-শ্যোলীৰ মানুহৰ হাতত জীৱন মাষ্টৰৰ মৃত্যু হৈছে আৰু বিশ্বাং আহত হৈছে। খুটিংলা আৰু বিশ্বাঙৰ হব খোজা ল'ৰাৰ নাম 'ইল্লাৰুংঙম' ৰাখে—যাৰ অৰ্থ ৰাইজৰ শাসন। এই বক্তব্য দাঙি ধৰিবলৈ লিখকে টাংখুল নগাৰ জীৱন-চৰ্য্যা, সিহঁতৰ বিশ্বাস, প্ৰেম-প্ৰীতি, ধৰ্মীয় বিবাদ (সাম্ৰাজ্য-বাদৰ এজেন্ট মিশ্যনেৰী আৰু আদিম ৰীতিৰ সমৰ্থক সকলৰ মাজত), যুদ্ধই (২য় মহাসমৰ) অনা দুৰ্গতি (কলংকিতা চাবেংনা, গাওঁ-ভূঁইত বোমা বৰ্ষণ; নিৰাশ্ৰয় মানুহ) আদি সহৃদয়ভাৱে ফুটাই তুলিছে আৰু আনহাতে সিহঁতৰ সচেতন অংশই যুদ্ধজনিত দুৰ্গতি, দাৰিদ্ৰ, আত্ম-কলহ, সাম্ৰাজ্যবাদী প্ৰতাৰণা—এইবোৰৰ স'তে যুঁজ দি উত্তৰণ পথ তৈয়াৰ কৰাৰ ইঙ্গিতো দিছে।

লিখকৰ বৌদ্ধিক জগতত সমসাময়িক বিভাজিত দাৰ্শনিক চিন্তাৰ প্ৰভাৱ পৰাৰ উমান পোৱা যায়। এহাতে গান্ধীৰ অহিংসা, আনহাতে সুভাস বসুৰ সশস্ত্ৰ বিদ্ৰোহৰ আদৰ্শই লিখকক চিন্তিত কৰিছে। ইয়াৰ উপৰিও ইতিহাসৰ প্ৰক্ৰিয়া দেখুৱাই বস্তুনিষ্ঠভাৱে সমস্যাৰ বিশ্লেষণ কৰি উত্তৰণৰ পথলৈ আগবঢ়াৰ সমাজবাদী দৃষ্টি এটিয়েও লিখকক অনু-প্ৰাণিত কৰিছে। বিশ্বাঙক নায়কৰ মৰ্য্যদা দিবলৈ লিখকে চেষ্টা কৰিছে যদিও আদৰ্শৰ এই খেলি-মেলিয়ে বিশ্বাঙৰ কাৰ্য্য আৰু আচৰণৰ মাজত ফুটাই তোলা নৱজন্মৰ বিশ্বাস কিমানদূৰ কাৰ্য্যকৰী কৰি তুলিছে সি সন্দেহৰ বিষয়। বাইবেলীয় প্ৰেম, উদাৰতা (বিশ্বাঙে শত্ৰুকো ক্ষমা কৰিবলৈ সাজু) আৰু শিক্ষা প্ৰচাৰৰ জড়িয়তে নতুন সৃষ্টি সম্ভৱ নহয়। ব্যৱস্থাৰ আমূল পৰিৱৰ্তন নোহোৱাকৈ শান্তিপূৰ্ণ উপায়েৰে সংস্কাৰ কৰি বিকাশৰ শীৰ্ষ বিন্দুত উপনীত হোৱা সহজ নহয়। ফিজোৰ দৰে ভিডেশ্যোলীৰ দৃষ্টি সংকীৰ্ণ

হলেও উপায় একেবাৰে দলিয়াই পেলাবলগীয়া নহয়। ৰূপান্তৰৰ বাবে এনে সশস্ত্ৰ বিপ্লৱ প্ৰয়োজনীয়। বিশ্ব-বীক্ষাৰ ক্ষেত্ৰত এনে দুই-এটা খেলি-মেলিৰ বাহিৰে উপন্যাসত বিপ্লৱী কল্পনা, প্ৰকৃত অৰ্থত এজন নায়ক সৃষ্টিৰ প্ৰয়াস, নিপীড়িত প্ৰতি সক্ৰিয় সহানুভূতি আৰু সবাতোপৰি ৰূপান্তৰ সাধনৰ প্ৰচেষ্টা—এইবোৰ গুণ পোৱা যায় যিবোৰ অন্যত্ৰ বিৰল।

হোমেন বৰগোহাঞিৰ সাম্প্ৰতিক প্ৰকাশ "হালধীয়া চৰায়ে বাওধান খায়" অসমীয়া সাহিত্যলৈ এটি উল্লেখযোগ্য অৱদান। এই উপন্যাসখন যাক কেন্দ্ৰ কৰি ৰচনা কৰা হৈছে, তেওঁ এজন দৰিদ্ৰ, ভূমিহীন খেতিয়ক (ৰসেশ্বৰ)। বিভিন্নভাৱে শোষিত আৰু নিপীড়িত এই খেতিয়কজনৰ মাটি কেইডৰা ছলেকৈ চহকী নেতা এজনে আত্মসাৎ কৰিলে। পৰিহাস এয়ে যে সেই একেজন নেতাই নিৰ্বাচনৰ সময়ত সমাজবাদৰ কথা কৈ মাটি দিম বুলি ভুকুকিয়াই ভুকুকিয়াই ৰসেশ্বৰৰ ওচৰত ভোট-প্ৰাৰ্থী হয়। ইতিমধ্যে মণ্ডলৰ উচটনিত গৰু, গহনা বেচি, ল'ৰাক আনৰ ঘৰত বন কৰিবলৈ দি আধি-বোৰ্ডত মোকৰ্দমা তৰি নিঃস্ব হৈ কামলাত পৰিণত হোৱা ৰসেশ্বৰ সেই নেতাজনৰ ভোটৰ কাগজ বিলাবলৈ লাগে। এজন দৰিদ্ৰ খেতিয়কৰ জীৱনৰ কৰুণ মৰ্মস্পৰ্শী ঘটনা সৰ সুন্দৰকৈ বৰ্ণিত হৈছে উপন্যাসখনত। পঢ়িলে ধাৰণা হয়, ৰসেশ্বৰ যেন বেদনাৰ মূৰ্ত্ত ৰূপ; সনাতন প্ৰতাৰণা আৰু সচেতন ভণ্ডামিৰ নিৰ্মম প্ৰতিভূ। ৰসেশ্বৰৰ প্ৰতি লেখকৰ সহানুভূতি প্ৰচুৰ, সনাতনৰ বিৰুদ্ধে পৰোক্ষ বক্ৰোক্তিও অনুভৱ হয়।

আচল সমস্যা কি? ব্যক্তিতকৈ সমাজ ব্যৱস্থাহে বেছি নিৰীক্ষণৰ বিষয়। কিয়নো ব্যক্তি সমাজৰে সন্ততি। উপন্যাসখন ব্যক্তিকেন্দ্ৰিক হোৱাত সমাজৰ ৰূপটো পূৰ্ণৰূপত আমি দেখিবলৈ নাপাওঁ। খেতিয়ক এজনৰ দাৰিদ্ৰ্যৰ বাহিৰেও গাঁৱত আৰু বহুত সমস্যা আছে—সেইবোৰো ওতঃপ্ৰোতভাৱে জড়িত। এই সমস্যাবোৰৰ পটভূমিত মানুহক চোৱা প্ৰয়োজন, তেতিয়া হলেহে মানুহৰ ভিতৰ-বাহিৰৰ স্বৰূপ বুজিব পাৰি। বৰ্তমান আমাৰ গাওঁবোৰত সামন্তবাদী গাঁথনি ভঙ্গ হৈছে সঁচা, কিন্তু বিগত যুগৰ অভ্যাস, সংস্কাৰ, মূল্যবোধ শেষ হোৱা নাই। বৰং তাক জীৱন্ত কৰিহে তোলা হৈছে। সবাতোপৰি মানুহ দৰিদ্ৰ, ভূমিহীন, নিৰক্ষৰ আৰু উৎসাহীন। ইয়াৰ মাজে মাজে আকৌ পঞ্চায়তী ৰাজনীতিৰ পাকত সোমাই বহুত নতুন ধনীৰ সৃষ্টি হৈছে। এইবিলাকৰ অৰ্ধ ধনী, মধ্যবিত্ত

শ্ৰেণীৰ স্বাৰ্থৰ সতে জড়িত। এইসকলে স্থিতাৱস্থা বিচাৰে, কিন্তু নিপীড়িত সকলৰ মাজত আকৌ এনে মানুহো আছে, যি এই স্থিতাৱস্থাক ঘৃণাৰ চকুৰে চায়। গাৱঁৰ পটভূমিত এনেবোৰে ছবি জল্-জল্ পট্-পট্‌কৈ দেখা দিয়ে যাবেই, কেৱল মাটিৰ কথাতেই সকলো সমস্যা সাঙুৰি পেলাব নোৱাৰি।

উপন্যাসখনৰ যাই বক্তব্য হ'ল জীৰ্ণ আৰু ভাৰবহ আমোলাতন্ত্ৰৰ দুৰ্নীতিৰ মজাত কৃষকৰ হকে ৰচনা কৰা আধিয়াৰ আইনে সুৰুঙা উলিয়াই কৃষকৰ বিৰুদ্ধেই গৈছে। উপন্যাসখনত বৰ্ণিত পৰিহাস এইটোৱেই। এইটো আংশিক সত্য, কিয়নো যি ঐতিহাসিক নিয়ন্তা ইয়াৰ আঁৰ-পটত আছে তাৰ উৰ্দ্ধলৈ গৈ নিয়ন্ত্ৰণ কৰাৰ হেঁপাহ শোষিত মানুহৰ মনত নাই বুলিব নোৱাৰি। সেই নিয়ন্তাৰ বিৰুদ্ধে বহুতৰে অন্তৰত সঞ্চিত হৈ আছে ক্ৰোধ আৰু ঘৃণা; সমাজ ব্যৱস্থাৰ ঘাঁ-টুকুৰালৈ চালেই নহয়, সেই ঘাঁ-টুকুৰাৰ কাৰণো নিৰ্ণয় কৰাৰ প্ৰৱণতা ঔপন্যাসিকৰ থাকিব লাগে। বৰগোহাঞিৰ উপন্যাসত সেই প্ৰৱণতা নাই; আধুনিক শিল্পত যি গভীৰ চিৰিয়াচনেচ', নিবিষ্ট বুদ্ধি, অখণ্ড দৃষ্টি, বস্তু-নিষ্ঠতা, বিপ্লৱী-কল্পনা আৰু সমন্বয়মূলক বিশ্বৱীক্ষাৰ প্ৰয়োজন, তাক আয়ত্ব কৰিবৰ বাবে বৰগোহাঞিৰ দৰে বলিষ্ঠ লেখক যত্নবান হলেহে আমাৰ সাহিত্যত মহৎ আৰু অবিস্মৰণীয় উপন্যাসৰ সৃষ্টি হ'ব।

পুঁজিবাদে যিমানে শিপা মেলিছে, ইয়াৰ সংকটো সিমানে প্ৰকট হৈ আহিছে। বৰগোহাঞিৰ উপন্যাসৰ চৰিত্ৰ ৰমেশ্বৰে এইবোৰৰ একো বুজ নাপায়, সি অনড়, আৰু অনুৎসাহী; আনহাতে সনাতন সিহঁতৰ পৰা কদৰ্য্যভাবে বিচ্ছিন্ন। ৰমেশ্বৰৰ প্ৰতি আমাৰ সহানুভূতি আছে, কিন্তু তাক এনেভাবে দাঙি ধৰা হৈছে যেন তাৰ কোনো আশাভূমি নাই, সি পঙ্গু আৰু নিৰ্জীৱ। কেৱল আত্মিক ধিক্কাৰ আৰু বেদনাৰ পঙ্কত সি নিমগ্ন। এনে হতাশাৰ ছাঁবিয়ে এই মনোৰম উপন্যাসখনৰ সৌন্দৰ্য্য ক্ষুন্ন কৰা নাইনে?

অসমীয়া কবিতাৰ ধাৰা : ১৯৪১—১৯৭৩

শ্ৰীহীৰেন্দ্ৰ নাথ দত্ত

শিৰোনামাটো আহুকলীয়া। কাৰণ এজন সাৰ্থক কবিক এটা ধাৰাৰ অন্তৰ্ভুক্ত কৰিলে তেওঁৰ প্ৰতিভাৰ বহুমুখীতা উপেক্ষিত হয়। আকৌ এটা ধাৰা অন্য এটা ধাৰাৰ পৰা সম্পূৰ্ণ বিচ্ছিন্নভাৱে চাব নোৱাৰি। উদাহৰণ স্বৰূপে অনুভূতিৰ দোলন নাথাকিলে বাস্তৱমুখী কাব্য হ'ব অকাব্য; আনহাতেদি কল্পনাশ্ৰয়ী কবিতা মানেই পলায়ণবাদী কবিতা বুলি বুজিলে নিৰ্ঘাত সাহিত্যিক অজ্ঞতাহে সূচাব। এয়া আৰু নানানটা আহুকাল সন্নি-কট বুলি জানিও আলোচনাটোক এটা অৱয়ৱ দিবৰ বাবে কবি মানসৰ (poetic ethos) ক্ৰটুস্বিতা অনুসৰি এই কাল ছোৱাৰ বিশিষ্ট কবি সকলক দুটা ভাগত ভগাই উল্লেখিত কাল ছোৱাত অসমীয়া কবিতাৰ প্ৰবাহ অনুধাবন কৰাৰ প্ৰয়াস কৰা হৈছে। অৱশ্যে নিঃসন্দেহে এই বিভাজন আপেক্ষিক আৰু অসম্পূৰ্ণ।

যুদ্ধজনিত তিক্ততাৰ সৰ্ব্বাত্মক অভিজ্ঞতা আৰু বিয়াল্লিছৰ বিপ্লৱৰ বিফলতাৰ পটভূমিতেই আধুনিক কবিতাৰ সূচনা। সেই সময়ৰ স্তূপীকৃত অভিজ্ঞতা এটা জলচ্ছেদৰ দৰে। সেয়ে এই কবিতাবোৰত আগৰ কাব্যা-দৰ্শৰ প্ৰতি বিৰোধিতাও প্ৰবল। মাৰ্ক্সবাদৰ প্ৰতি থকা উৎসাহলৈ চালে এই নতুন গোষ্ঠীৰ দুই এজন কবিয়ে ইংৰাজী সাহিত্যৰ ১৯৩০ দশকৰ Auden, spender প্ৰমুখ্যে অক্সফৰ্ড গোষ্ঠীৰ কবিসকলৰ পৰা অনুপ্ৰেৰণা পাইছিল বুলি ধৰিব পাৰি। অৱশ্যে তেওঁলোকে এই কবি-সকলক কেনে ধৰণেৰে লৈছিল বা তেওঁলোকক কেনে ধৰণেৰে বুজিছিল সেইটো কথা লুকীয়া। জয়ন্তীত প্ৰকাশিত সাহিত্য সমালোচনাত Eliot অৰ নামোল্লেখ আছে যদিও Eliot অৰ প্ৰভাব তেওঁলোকৰ কবিতাত অদৃশ্য। অৱশ্যে প্ৰচলিত কথন ভঙ্গীত আধুনিক কবিতা লিখাৰ অৱশ্যম্ভা-বীতা সাৰ্থক ভাৱে প্ৰতিপন্ন কৰে ইলিয়টেই, যদিও ইলিয়টৰ কবিতাৰ

তাৎপৰ্য্য তাতে নহয়। কমল নাৰায়ণ দেৱ আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্য্য সম্পাদিত জয়ন্তীত প্ৰকাশিত এটা কাব্য আলোচনাত জেউতি বৰুৱাই (বহুতে এইটো আধুনিক অসমীয়া কবিতাৰ প্ৰথম সংকলয়িতা যতি নাৰায়ণ শৰ্মাৰ ছদ্মনাম বুলি ঠাওৱায়) লিখিছে যে Waste Land বুজিবলৈ হ'লে আমি আগতে প্ৰায় দুশমান কিতাপ পঢ়ি ল'ব লাগিব। অতি সৌভাগ্যৰ বিষয় যে জয়ন্তী যুগৰ কবিসকলে তেনেকুৱা কবিতা লিখাৰ তাগিদ্ অনুভৱ নকৰিলে। সেইবাবেও যতি নাৰায়ণ শৰ্মাৰ দ্বাৰা সম্পাদিত কাব্য সংকলন খন আৰু জয়ন্তীত প্ৰকাশিত কিছুমান কবিতাই মোক আকৰ্ষণ কৰে। আধুনিক যান্ত্ৰিক যুগৰ পৰিণতিস্বৰূপ বুৰ্জোৱা সভ্যতাৰ কদৰ্য্য চেহেৰা আৰু কিছুমান গ্ল্যানিময় মুহূৰ্তৰ অভিজ্ঞতা ৰূপায়ণ কৰাৰ প্ৰত্যয়জনক ভাবে আন্তৰিক প্ৰচেষ্টা সেইবোৰ কবিতাত আছে। অমূল্য বৰুৱাৰ 'বিপ্লৱী', 'বেশ্যা', ভবানন্দ দত্তৰ 'পুৰেৰুণ', চক্ৰেশ্বৰ ভট্টাচাৰ্য্যৰ 'মাথোন এখন নোট', কেশৱ মহন্তৰ 'চোৰৰ কৈফিয়ৎ, ধীৰেন্দ্ৰ দত্তৰ 'কাঠ মিস্ত্ৰীৰ ঘৰ' আদি ইয়াৰ নিদৰ্শন। অমূল্য বৰুৱাৰ 'আন্ধাৰৰ হাহাকাৰ'ত কেন্দ্ৰীয় উপলব্ধিটোৰ (আন্ধাৰৰ হাহাকাৰ আৰু পোহৰৰ পৰিহাস) এটা পশ্চাৎভূমি আছে বাবে এই সৃষ্টি জীৱন্ত হৈছে। তথাপিও জয়ন্তী যুগৰ কবিসকলৰ বিষয়ে এই বুলি নিৰাপদে ক'ব পাৰি যে দেখাত ব্যৱহাৰিক জীৱনৰ দৈনন্দিন কথা-বাৰ্তাৰ দৰে লাগিলেও কবিতাৰ ভাষা যে ইংগিতময়তাৰে সমৃদ্ধ হ'ব লাগিব, সেই কথাটো তেওঁলোকে নেওচি গ'ল। হয়তো সেই সময়লৈকে প্ৰচলিত কাব্যিক ভাষাক বৰ্জন কৰিবলৈ অহোপুৰুষাৰ্থ কৰোঁতেই তেওঁলোকৰ বেছি ভাগ শক্তি নিযুক্ত হৈছিল। আৰু এটা কথা। "ক্ষুধাৰ ৰাজ্যে পৃথিবী গদ্যময়"— সুকান্তৰ এই বিখ্যাত উক্তিটোৰে তাৰ অভাবনীয় শক্তি পালে পিছৰ "পূৰ্ণিমাৰ চাঁদ যেন ঝলসানো ৰুটি"—এই সু-বিখ্যাত উপমাটোৰ বাবে। ইয়াত এটা অতি ব্যঞ্জনাক্ষম উপমাৰ বাবে এটা ভাবে লাভ কৰিলে এটা নতুন আয়তন। কবিতাৰ এই ক্ষমতাৰ প্ৰতি আওকাণ কৰা বাবেও এইবোৰ কবিতা অপুৰঠ হৈ ৰ'ল।

ক্ৰান্তিকাৰী চেতনাৰ বাহক হিচাপে কবিতা এক নতুন বাস্তৱৰ অনুগামী হওক—এইটোৱেই জয়ন্তী যুগৰ কাব্য-চৰ্চাৰ কেন্দ্ৰীয় দিশ—এই সিদ্ধান্তলৈ আহি সেই ভাবধাৰাই কি উত্তৰোত্তৰ বিবৰ্তন লাভ কৰিলে চোৱা যাওক। এইখিনিতে এটা কথা মনত ৰাখিব লাগিব যে ওপৰোক্ত সিদ্ধান্ত যদি গ্ৰহণযোগ্য হয়, তেন্তে সেই কালছোৱাৰ সৰ্বশ্ৰেষ্ঠ কবি প্ৰতিভা হৈছে

জ্যোতিপ্ৰসাদ আগৰৱালা, যদিও জ্যোতিপ্ৰসাদক সচৰাচৰ জয়ন্তী যুগৰ কবি বুলি ধৰা নহয়। জয়ন্তী গোষ্ঠীৰ কবি হিচাপে কাব্য-জীৱনৰ সূচনা কৰা হেম বৰুৱাৰ কবিতাত ক্ৰমাৎ verse journalism আৰু ৰোমাণ্টিক প্ৰেমানুভূতিৰ এক আচহুৱা সংমিশ্ৰণ ঘটিল। verse journalism বুলি কোৱা হৈছে এই কাৰণেই যে ৰাজনৈতিক allusiveness ৰ ইংগিতটো চৰত সাংবাদিকতাতকৈ গভীৰ স্তৰৰ একো পোৱা নাযায়।

"নতুন দিগন্ত, নতুন স্বপ্ন
বৈজয়ন্তীৰ স্পষ্ট জাগৰণ"

—এই আশাই কাব্যিক সংবেদনশীলতা লাভ নকৰিলে। হেম বৰুৱাৰ এটা ভবিষ্যতমুখী মন আৰু এখন সহৃদয় অন্তৰ আছে সঁচা; কিন্তু তেখেতৰ কাব্যদৰ্শন আউলিয়া হৈয়ে ৰ'ল। মহেন্দ্ৰ বৰাৰ (তেখেত অৱশ্যে জয়ন্তী যুগৰ পাচৰ কবিহে) ৰাজনৈতিক চেতনাৰ প্ৰলেপ থকা কবিতাবোৰৰ বিষয়েও ('স্মাৰক-লিপি' তাৰে এটা উদাহৰণ) হেম বৰুৱাৰ ক্ষেত্ৰত কোৱা কথাই খাটে। 'প্যাৰা হিন্দুস্থান', 'চামুৱাই', 'অপ্ৰকাশ' ইত্যাদি এক বিশেষ অৰ্থত টেলিগ্ৰামীয় কবিতা ৰচনাতহে তেখেতৰ কৃতিত্ব। অপ্ৰাসঙ্গিক যেন লাগিলেও এইখিনিতে এটা কথা নকৈ নোৱাৰি যে পঞ্চাচৰ দশক জুৰি আৰু ষাঠিৰ দশকৰ প্ৰায় আগভাগলৈকে (verse journalism) আৰু অবক্ষয়ী প্ৰেমানুভূতি গানি-পুঁজি বহুতে এক ধৰণৰ "আধুনিক কবিতা" লিখিলে। এই সাহিত্যিক অপৰাধৰ প্ৰতি খুব উদাৰ হৈ মাত্ৰ এটা কথাকেই কব পাৰি যে সেইবোৰ উত্তৰ-স্বাধীনতা কালৰ মোহভঙ্গৰ চানেকি।

জয়ন্তী যুগত আবিৰ্ভাৱ হোৱা আন এজন কবি নবকান্ত বৰুৱাৰ কবিতালৈ আহো। নবকান্ত বৰুৱা বিশেষ প্ৰতিভাবান কবি। তাৰে এটা উদাহৰণ ছন্দৰ ওপৰত তেখেতৰ দখল। নবকান্ত বৰুৱাক এটা ধাৰাৰ অন্তৰ্ভুক্ত কৰাটো অসুবিধাজনক। এই প্ৰসঙ্গত কেৱল তেখেতৰ জয়ন্তী যুগত প্ৰকাশ পোৱা সমাজ চেতনাই কি বিকাশ লাভ কৰিলে সেইটোহে লক্ষ্য কৰিবলৈ চেষ্টা কৰিছো। অৱশ্যে সেইবোৰেই তেখেতৰ কবিতাৰ বিশেষ তাৎপৰ্য পূৰ্ণ দিশ। নবকান্ত বৰুৱাই জয়ন্তী যুগত লিখা 'প্ৰাৰ্থনা'ৰ মৰ্ম হ'ল এয়ে যে ঈশ্বৰৰ নামত বিবিধ ছলনা সৰ্বত্ৰ পৰিদৃশ্যমান; অথচ ঈশ্বৰ-বিশ্বাস মানুহৰ এটা নিতান্ত আবেগিক প্ৰয়োজন। 'এজন বন্ধুলৈ'ত কবিয়ে ভাবসা কৰিছে যে নিষ্পেষিত মানুহে শোষণৰ বন্ধাকৰক কবিৰ

বাল্মীকী। পাছলৈ 'ইয়াত নদী আছিল' আৰু বিশেষকৈ "ক্রমশঃ"ত আছে 'সাউদৰ সোণৰ পিয়াহ'ৰ প্রতিক্রিয়া স্বৰূপে কবিৰ গভীৰ তিক্ততা আৰু মৃত্যুৰ সেতুৰেদি বগাই অহা জীৱনৰ কুটিল আৰু গ্লানিময় প্রবাহ লক্ষ্য কৰি অনুভৱ কৰা উদ্বেগ। "পৰশ"ত ঐতিহ্যৰ ক্ষয় প্রাপ্তিৰ বাবে গভীৰ বিষাদৰ লগত সংযুক্ত হৈছে এই আশা :

সপোন অন্ধ যি গলিত

আমি থাকো তাৰ নয়ানজুলিত আমাৰ ভৱিষ্যত।

এনে আশাৰে অন্য এটা ৰূপ :

....সেই মানুহৰ বাবে সমতাৰ বাণী

দুঃস্বপ্নৰ গলিত লাভাই দিব আনি।

(মানুহৰ মুখ)

এই ধৰণৰ আশাবাদলৈ লক্ষ্য কৰি ধাৰণা কৰো যে কবি নৱকান্তৰ মতে আমাৰ বৰ্তমানৰ তিক্ত অভিজ্ঞতা মানৱ সভ্যতাৰ ঐতিহ্যৰ এটা গ্লানিময় অথচ সুনিশ্চিতভাৱে অতিক্রমণীয় অধ্যায়হে মাথোন। হয়তো কবিয়ে এই অনুপ্রেৰণা Toynbeeৰ পৰা পাইছে। নৱকান্তৰ ভাৰতীয় ধর্ম বিশ্বাসৰ প্রতি নিষ্ঠাবান উৎসাহ—তেওঁৰ কবিতাত বুদ্ধ আৰু উপনিষদৰ উল্লেখ লক্ষ্যণীয়— Toynbeeৰ ঐতিহ্য চিন্তাৰ প্রতি কবিৰ একাত্মিয়-তাৰে সৈতে সম্পর্কযুক্ত বুলি ভাবিবৰ থল আছে। অৱশ্যে এইবোৰৰ ওখ খাপৰ ধ্যান ধাৰণাই পাছলৈ কাব্যিক পৰিপক্কতা লাভ নকৰিলেগৈ। 'ধৃতৰাষ্ট্ৰ'ত ৰাষ্ট্ৰনীতিক প্ৰেমৰ—এই প্ৰসঙ্গত প্ৰেম হৈছে এক গভীৰ আধ্যাত্মিক উপলব্ধি—মহিমামণ্ডিত ৰসায়নেৰে উন্নীত কৰাৰ প্ৰত্যয় পাঠকৰ মনলৈ সঞ্চাৰিত নহ'ল। ধৃতৰাষ্ট্ৰৰ সফলতা অন্ধ সম্ৰাটৰ অসহণীয় অনু-তাপৰ দ্যোতক দুটামান স্তৱকতহে। সেই কেইটা স্তৱকৰ স্থান অৱশ্যে আধুনিক অসমীয়া কবিতাৰ সাফল্যৰ উচ্চতম খাপতে।

বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ 'বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি'ত ৰিয়ালিষ্টৰ বিপ্লৱী চেতনাৰ সগোত্ৰীয় প্ৰেৰণাহে বেছি সক্ৰিয়। বীৰেন্দ্ৰ ভট্টাচাৰ্যৰ কবিতাবোৰত ৰিয়ালিষ্টৰ বিপ্লৱী প্ৰেৰণা, মাৰ্ক্সবাদ আৰু ধৰ্মীয় ঐতিহ্যৰ প্ৰতি নিষ্ঠাই ('ক্ৰুছৰ বন্ধুলৈ, 'শঙ্কৰদেৱ') ঠেলা-হেচা কৰি আছে। এই-বোৰৰ যথাৰ্থ সংশ্লেষণ— জ্যোতি প্ৰসাদৰ ক্ষেত্ৰত বিটো বহু দূৰ হৈছিল— নোহোৱা বাবে তেখেতৰ চিন্তাৰাজী ৰসোত্তীৰ্ণ কাব্যকৃতীৰ যোগেদি মূৰ্ত হোৱা নাই। বীৰেন ভট্টাচাৰ্যৰ সামাজিক কল্যাণবোধৰ চেতনা সন্দেহাতীত-

কিন্তু কবিতাত সূক্ষ্ম ৰূপচেতনা, কলা-কৌশল আৰু বিশিষ্ট প্ৰকাশ-ভঙ্গীৰ অপৰিহাৰ্য প্ৰয়োজনীয়তাৰ প্ৰতি তেখেত উদাসীন ।

অসমৰ গ্ৰাম্য জীৱনৰ সৈতে কেশৱ মহন্তৰ ঘনিষ্ঠ পৰিচয় স্বত্বেও 'আঘোণৰ কুঁৱলী'ত "আঘোণৰ বাটটোহে কুঁৱলীৰে ঢকা" এই কেন্দ্ৰীয় বোধটো ঘূণীয়া কৰিলে তলত দিয়া ধৰণৰ উক্তিয়ে :

"বৌদেউ
আপুনি যে কৈছিলে সেউতিৰ কথা
মোৰ কথা সেউতিক কৈছিলে জানো ?"

এনেবোৰ শাৰী পঢ়ি মনত প্ৰশ্ন জাগে যে আঘোণৰ কুঁৱলীৰ পৰিহাস ইমান লঘু বুলি জানো কবিয়ে সূচাবলৈ বিচাৰিছিল ? উৎকৃষ্ট কবিতা লিখিব নোৱাৰিলে নিভাজ অসমীয়া কথন-ভঙ্গীৰ ওপৰত দখল আৰু গণ জীৱনক চেতনাত ধাৰণ কৰিবলৈ প্ৰয়াসী এই কবি জনে বিভিন্ন পৰীক্ষা নীৰিক্ষাৰ যোগেদি নিজৰ স্বকীয়তা উন্মোচন কৰিবগৈ পাৰিব বুলি এতিয়াও আশা কৰা যায় ।

আধুনিক অসমীয়া কবিতালৈ এক বিশিষ্ট সমৃদ্ধি আনে নিৰঞ্জন ফুকনৰ ইলিয়ট ঠাচত লিখা ব্যঙ্গ কবিতাবোৰে । Association of ideasৰ তত্ত্বক আয়ত্ব কবি নাটকীয় স্বকণ্ঠনৰ ঠাঁচত মননশীল ব্যঙ্গ-কবিতা অসমীয়াত কিদৰে লিখিব পাৰি তাক প্ৰথমে সাৰ্থকভাৱে দেখুৱালে ফুকনেই । এই ধৰণৰ ব্যঙ্গ-কবিতাত ক্ৰোধ, ঘৃণা, গ্লানিবোধ, অসহায়তা, তিক্ততা আদি বিভিন্ন অনুভূতি সূচক ব্যঞ্জনাক্ষম উক্তিবোৰ এটা আধাৰত বহুৱাই আধুনিক নাগৰিক সভ্যতাৰ দিশবোৰৰ বিষয়ে একো একোটা কাব্যিক অভিব্যঞ্জনা মূৰ্ত্ত কৰা হয় । এই ধৰণৰ কবিতাবোৰত বিচ্ছিন্ন অনুভূতিবোৰক এটা কাব্যিক ভাৱৰ (theme) আধাৰত সুমুৱাবলৈ যি বুদ্ধিমত্তাৰ প্ৰয়োজন সেই বিৰল ক্ষমতা ফুকনৰ আছে । তাৰেই উদাহৰণ স্বৰূপ 'উত্তৰ ৰবীন্দ্ৰ' 'জানোৱাৰ', 'যযাতি' আৰু 'মহিষাসুৰ' । 'যযাতি' কবিতাটোত যযাতিৰ উপাখ্যানৰ ওলোটামুখী ব্যৱহাৰ কৰি এজন আদ বয়সীয়া কুটিল স্বভাৱৰ ভণ্ডৰ যৌৱন লিপ্সাক—যি যথাৰ্থতে আদ বয়সীয়াৰ কাম হতাশাৰ বাহিৰে আন একো নহয়—আধুনিক সভ্যতাৰ প্ৰতিভূ হিচাপে দেখুৱা হৈছে । কবিতাটোৰ বিশেষ আকৰ্ষণ আছে ধূৰ্ত্তজনৰ কুটিল ভণ্ডামিৰ খুটি-নাটিবোৰৰ চিত্ৰনত । হীৰেন গোহাঁইৰ কবিতাবোৰৰ লগত ফুকনৰ কবিতাবোৰৰ তাৎপৰ্যপূৰ্ণ সামঞ্জস্যলৈ লক্ষ্য কৰি সমালোচকসকলে

নিৰঞ্জন ফুকন হীৰেন গোহাঁইৰে ছদ্মনাম বুলি ঠাওৰাইছে। গোহাঁইৰ কবিতাই বৰ্তমান গতি গলাইছে। মাৰ্ক্সবাদী দৰ্শনৰ প্ৰতি তেওঁৰ বৰ্তমান কবিতাবোৰত প্ৰকাশ পোৱা বিশ্বাস আগৰ কবিতাবোৰত প্ৰকাশ পোৱা ক্ৰোধৰ পৰিণতি স্বৰূপ। বৰ্তমান সমাজৰ প্ৰতি অবিমিশ্ৰ আন্তৰিক ঘৃণাই যেতিয়া তাৰ উৰ্দ্ধতম বিন্দু পায়গৈ তেতিয়াই কবিয়ে বিচাৰে তাৰ বিকল্প স্বৰূপ এক বিশ্বাস। এই নতুন বিশ্বাসৰ প্ৰেৰণাৰ ভিত্তিত গোহাঁয়ে বৰ্তমান ৰচনা কৰা কবিতাবোৰ হলে পৰীক্ষামূলক পৰ্যায়তে আছে। কিছুমানত বক্তৃতাৰ সুৰটোহে বেছিকৈ বাজিছে। ইলিয়টি ঠাঁচ পৰিহাৰ কৰি পোন-পটিয়া উক্তিৰ—পোনপটীয়া উক্তিও উপলব্ধিৰ গভীৰতাৰ পৰা সম্ভৱ হলে তাৰ সঞ্চাৰী হয়—যোগেদি ৰচনা কৰা, মোৰ চকুত পৰা কবিতাবোৰৰ ভিতৰত 'বিশ্বাস' কবিতাটোৱেই ভাল লাগিছে।

এতিয়া মই আলোচনাটোৰ আৰম্ভণিতে অৱতাৰণা কৰা এটা বিষয়লৈ উভটি যাওঁ। বিষয়টো হ'ল এয়ে যে জয়ন্তী যুগৰ কবিতাত প্ৰকাশ পোৱা জৰ্ম্মী সংস্কাৰ কামনাই কি গতি লাভ কৰিলে? কেইবাজনো বিশিষ্ট কবিৰ কাপত সেই প্ৰেৰণাৰ কি ৰূপান্তৰ হ'ল এই বিষয়ে যথাসাধ্য কৈছো। লগতে ভাবো যে এই চেতনাই তাৰ স্বাভাৱিক বিকাশ আৰু উন্নতি লাভ কৰিছে কাব্য সমালোচনাৰ আগশাৰীত ঠাই নোপোৱা অথচ দুই এটা জীয়া উপলব্ধিৰ ভিত্তিত লিখা জনাদিয়েক কবিৰ কবিতাত। আনন্দেশ্বৰ শৰ্মাৰ 'দৈত্যৰ সাধু', ৰাম গগৈৰ "পথাৰ" বিজন লাল চৌধুৰীৰ 'এটা দুৰ্ঘটনা' অনিল ৰায়চৌধুৰীৰ 'খাঁহানি', হেমাঙ্গ বিশ্বাসৰ 'নাম তাৰ কমৰেড্ বৰেশ্বৰ বাভা' ইত্যাদি তাৰ দৃষ্টান্ত স্বৰূপ। প্ৰতিশ্ৰুতি সম্পন্ন নতুনতম কবিসকলৰ ভিতৰত ৰবীন্দ্ৰ সৰকাৰ স্লান পূজাৰী, জীৱৰাজ বৰ্মন, তৰুণ বৰুৱা, কেশৱ গগৈ আৰু মুনীন ভূঞাৰ কবিতাত এই ধাৰাটোৰ উজ্বল উত্তৰোত্তৰ বিকাশ আশা কৰিব পাৰি। হীৰেন গোহাঁইৰ শেহতীয়া কবিতাবোৰো জয়ন্তী যুগৰ ধাই সূতিটোৰ লগত যুক্ত কৰাটো বোধকৰো ভিত্তিহীন নহ'ব। অৱশ্যে যি সকল কবিক মই এই ধাৰাটোৰ ভিতৰত ধৰা নাই, সেইসকলৰ অন্তৰত যে সামাজিক কল্যাণ বোধৰ ফল্গু ধাৰা প্ৰবাহিত নহয় সেই কথা মই কেতিয়াও নকওঁ। এই প্ৰসঙ্গত যি সকল কবিয়ে সমাজত বৈপ্লৱিক চেতনা জাগৃত কৰাৰ নিৰ্ব্বিকল্প তাগিদত পাৰি জনসাধাৰণৰ চেতনা পৰশিব পৰাকৈ কবিতা লিখাতে কাব্য সাধনাৰ সাৰ্থ-কতা বিচাৰি পায় সেই সকলকহে জয়ন্তী যুগৰ উত্তৰসূৰী বুলিব খুজিছো।

এই গোত্ৰীয় সকলো কবিৰ প্ৰাণত যে এই চেতনা একে তীব্ৰভাৱে দীপ্ত সেইটোও নহয়। এই কাল চেতনাক কলাৰ ৰূপ দিবৰ বাবে প্ৰয়োজন জনসাধাৰণৰ প্ৰাণৰ ভাষা আহৰণ কৰিবৰ বাবে একনিষ্ঠ সাধনাৰ আৰু নিষ্পেষিত জনক হৃদয়েৰে বুজি পাবৰ বাবে সংস্কাৰ মুক্ত মন। এইসোৰ চৰিত্ৰ-গৌৰৱৰ পৰশ পৰিলে এনে ধৰণৰ কবিতাই নিঃসন্দেহে কলাৰ অভাবিত পূৰ্ব শক্তি ধাৰণ কৰিব।

০ ০ ০

আলোচনাৰ সুবিধাৰ নিমিত্তে কৰা বিভাজন দুটাৰ প্ৰথমটোৰ সামৰণি মাৰি দ্বিতীয় ধাৰাটোৰ কবিসকললৈ আহোঁ। আৰম্ভতে এই মন্তব্য দিও যে জয়ন্তী যুগৰ আন্দোলন সত্ত্বেও ৰোমান্তিক বা কল্পনাশ্ৰয়ী কবিতাহে আলোচ্য কালচোৱাত বেছি সম্পদশালী ধাৰা। কাৰণ এই ধাৰাত আছে কেইজনমান অতি শক্তিশালী কবি। বিতৰ্কমূলক যেন লগা মোৰ এই মতৰ সমৰ্থনত প্ৰথমতে কওঁ যে সামাজিক কল্যাণবোধৰ প্ৰেৰণা ৰোমান্টিক কবিতাৰ বহীৰ্ভূত নহয়। (দৃষ্টান্ত স্বৰূপে, ইংৰাজী সাহিত্যৰ ৰোমাণ্টিক যুগত ফৰাচী বিপ্লৱৰ প্ৰভাৱ) এতিয়া আলোচনা কৰিবলৈ লোৱা ধাৰাটো কল্পনাশ্ৰয়ী ধাৰা বুলি কোৱাৰ উদ্দেশ্য নিস্ফল academic যুক্তি-প্ৰৱণতাও নহয়। এই কথাটো এই কাৰণেই কব খুজিছো যে আধুনিক কবিতা মানেই কিবা বাস্তৱবাদী কবিতা (আৰু বাস্তৱবাদ সম্বন্ধেও বহুতৰে ধাৰণা ঘোলা) বুলি এটা অস্পষ্ট ধাৰণা এতিয়াও বহুতৰে নোহোৱা নহয়। ষাঠিৰ দশকৰ পৰা অৱশ্যে বিশেষকৈ দুজন ধীমান সমালোচকৰ প্ৰভাৱত আধুনিক কবিতা সম্বন্ধে থকা খেলি-মেলি ধাৰণাৰ উপসম ঘটিছে। হীৰেণ গোহাঁইৰ কাব্য সমালোচনাই নীলমণি ফুকনৰ দৰে মূলতঃ ৰোমাণ্টিক প্ৰেৰণাৰ কবিক যথাযোগ্য স্বীকৃতি দি অসমীয়া কাব্যৰ স্বাভাৱিক বিকাশত উল্লেখ-যোগ্য অৰিহণা যোগালে। ভবেন বৰুৱাৰ কাব্য সমালোচনাই এটা নতুন বাতাৱৰণৰ সৃষ্টি কৰি আওপকীয়াকৈ হলেও হীৰেণ ভট্টাচাৰ্য আৰু নিৰ্মলপ্ৰভা বৰদলৈ প্ৰমুখ্যে প্ৰতিভাবান কবিসকলক নতুন প্ৰত্যয় দি তেওঁলোকৰ স্বকীয় সৃজনী-প্ৰতিভাৰ বাট সুগম কৰিলে। অৱশ্যে এইটো অনস্বীকাৰ্য যে সৰ্বোত্তম সাহিত্যত মেধা আৰু হৃদয়ানুভূতি যুগপৎ বিদ্যমান। সেইসোৰত ৰোমাণ্টিক আৰু ক্লাচিকেল, এই দুই ধাৰাৰ বিভেদ ওফৰাই দি দুয়োটাৰে এক আদৰ্শনীয় একত্ৰীকৰণ ঘটোৱা হয়। সেই দৃষ্টকোণৰ পৰা চালে আধুনিক অসমীয়া কবিতা (কেইটামানৰ বাহিৰে)

বৰ্তমান যুগৰ উৎকৃষ্ট সাহিত্যৰ তুলনাত বহুত পিচ পৰি আছে। বৰ্তমান যুগত এজন প্ৰতিভাবান কবিয়ে বিভিন্ন বৌদ্ধিক চিন্তাধাৰাৰ বহুমুখী প্ৰবাহৰ প্ৰতি নিৰ্বিকাৰ হৈ থাকিব নোৱাৰে যাৰেও তেওঁ তেওঁৰ সহজাত ৰোমাণ্টিক মানসিকতাক পৰিবৰ্তিত বৌদ্ধিক পৰিবেশৰ সমোপযোগী কৰি তুলিবলৈ সজাগ হব লাগিবই। এই উদ্যোগত তেওঁ কিমান দূৰ সিদ্ধি লাভ কৰে, সেইটো অৱশ্যে বেলেগে বিচাৰ কৰা কথা। এনে জটিল সমস্যা উনৈশ শতিকাতো আছিল যাৰে এজন পণ্ডিতে মত প্ৰকাশ কৰিছে: The romantic ideas were in large past heterogeneous, logically independent, and sometimes essentially antithetic to one another in their implications (The Meaning of Romanticism for the Historian of Ideas : Artheer O. Lovejoy). এনেকুৱা সমস্যা সত্বেও কল্পনা শক্তিৰ ওপৰত পৰম নিৰ্ভৰশীলতা আৰু প্ৰকৃতি-প্ৰতীকৰ (nature-symbol) জৰিয়তে চেতন আৰু অবচেতন মনৰ সংশ্লেষণ আনিবলৈ কৰা প্ৰয়াস—এই দুটা বৈশিষ্ট্য ৰোমাণ্টিক ভাবধাৰাৰ সুনিশ্চিত নিৰ্দেশক বুলি কলে বোধকৰো ভুল কৰা নহব। এই বিশেষ অৰ্থতেইহে মই আধুনিক অসমীয়া সাহিত্যৰ জনচেৰেক বিশিষ্ট কবিক মূলতঃ ৰোমাণ্টিক ভাব ধাৰাৰ কবি বুলি কৈছো। আধুনিক যুগত এই ভাবধাৰা বহু পিনৰ পৰা বিপৰ্যস্ত। তথাপিও প্ৰকৃতি, প্ৰেম, কলা—এইবোৰৰ যোগেদি জীৱনৰ এষণা এতিয়াও প্ৰতিহত হল জানো ?

আঙ্গিকৰ ফালৰ পৰা নতুন হলেও চল্লিশৰ দশকত প্ৰকাশিত মহেশ্বৰ নেওগৰ 'অন্ত্যজা' ৰোমাণ্টিক প্ৰেমৰ কবিতা। সুদীৰ্ঘ কালজোৰা অৱসানৰ পাছত ষাঠিৰ দশকৰ শেষৰ পৰা তেখেতে আকৌ কবিতা লিখিবলৈ আৰম্ভ কৰিছে। এই কবিতাবোৰৰ লক্ষ্যণীয় গুণ হল তেখেতৰ ভাষাৰ ওপৰত দক্ষতা আৰু দুই একোটা মনোমুগ্ধকৰ উপমা আৰু চিত্ৰকল্প। 'মুছাফিৰ খানা'ত "জীৱনক অনৱসাদেৰে ঘূৰাই চোৱাৰ" প্ৰয়াসত যি detachment পৰিলক্ষিত হয়, তাতেই কবিতাটোৰ সফলতা নিহিত। এটা দুখৰ ভাবক কলাৰ আধাৰত বহুৱাবলৈ যি বলিষ্ঠ মানসিকতাৰ প্ৰয়োজন, সেইখিনি বহু দূৰ দেখিছো যাৰে কবিতাটো ভাল বুলিছো।

নৱকান্ত বৰুৱাক আগৰ ধাৰাৰ অন্তৰ্ভুক্ত কৰা হৈছে যদিও তেখেতৰ কাব্য দৰ্শনৰ কেইটামান দিশলৈ লক্ষ্য ৰাখিলে তেখেতক এতিয়া আলোচনা

কৰা ধাৰাটোৰ পৰা নিলগাই চাব নোৱাৰি । তেনে এটা দিশ, হৈছে ৰোমাণ্টিক প্ৰেম । 'এটা প্ৰেমৰ পদ্য'ত কাব্যৰকোদ্দীপক ব্যঞ্জনাৰে কবিয়ে প্ৰকাশ কৰিছে যে নিবিড় প্ৰেমৰ এটি ক্ষণ "ধুমুহা পৰীৰ এটি মহমাৰ নীড়" হলেও "সিযে কি শান্তি" । কবিতাটোৰ অভিনৱত্ব আছে প্ৰেমিকৰ "আমাৰ মাজত ভগা সপোনৰ অতনু বাধা" ইত্যাদি উপস্থিত। (ইতিপূৰ্বে অন্য সমালোচকে আঙুলিয়াই দিয়া "আবেলি-আবেলি গোন্ধ"ৰ কথা নকলোৱেইবা) 'উভতি অহাৰ কথা'ত আছে গাৰস্নীয়া আৰু এক অজটিল, প্ৰাণৱন্ত সভ্যতালৈ উভটি যোৱাৰ আকুতি, য'ত আছে সঞ্জীৱনী প্ৰেমৰ সুধা । 'লখিমী'ও চোতালৰ তুলসী তলৰ চাকিগছৰ দৰে এক বিগত প্ৰায় সভ্যতাৰ অৱশিষ্ট উজ্জ্বলতাৰ দ্যোতক । অৱশ্যে 'লখিমী'ৰ nostalgia দৰাচলতে এক অসহায়তাৰেই অভিব্যক্তি বাবে কাব্যিক প্ৰজ্ঞা তাত নাই । কোনো কবিতাত আকৌ Rousseau সুলভ আদিমমুখীনতাই ভুমুকি মাৰিছে । প্ৰেম সেই সূত্ৰত প্ৰকাশ পাইছে এক নিষ্কলুষ নিটোল ইন্দ্ৰিয়ানুভূতি হিচাপে । তাৰেই আকৰ্ষণীয় কাব্যিক চিত্ৰন :

যত তোমাৰ প্ৰিয়াৰ কলাফুল
মিলি থাকে সৰিয়হ ফুল আৰু কুঁহমীয়া
বদালি উমত...........

('বনিমন্ত্ৰিত')

এই Rousseau সুলভ আদিমমুখীনতাই বাস্তৱ অভিজ্ঞতাৰ কষ্টিপাথৰ নেওচি অতি native ধৰণেৰে স্থানান্তৰত প্ৰকাশ পাইছে "আইতাৰ জখলা চুমা"ৰ প্ৰতি আস্থা আৰু 'আমি জানো আমি একোকে নেজানো' আদি উক্তিত । কিন্তু এইবোৰ উক্তিৰ পিচপিনে সংবেদনৰ পৰিশ্ৰমৰ চাপ নাই বাবে এইবোৰ বিৰক্তিজনক ।

হৰি বৰকাকতিৰ কবিতাত আছে :
মানুহৰ চকু জেউতি হেৰোৱা : অনাথা সৈন্যৰ
কবৰত জ্বলা একেডালি মমবাতি,
গিয়েনো কিমান কবিৰ পোহৰ লাৰ্থ যৌৱনৰ
এন্ধাৰৰ গড় ছাল ।

(এনিশাৰ সাধু)

এই পংক্তিটোৰ চিত্ৰকল্পবোৰ সংবেদনশীল । কিন্তু কবিয়ে তেখেতৰ পৰিতাপ প্ৰশমিত কৰিবৰ বাবে যি "বহুৱা বনৰ বাট" (কেতিয়াবা "বহুৱা

বনৰ বাট") বান্ধিছে তাত decadence ৰ ওপৰত বস্তু নেপাওঁ । 'decadence' শব্দটো প্ৰয়োগ কৰিছো এই অৰ্থত : (A falling off, market by a languid concern for more polish and a freauish interest in the unusual. (A Dictionary of Literary Terms Edited by Barnet, Berman and Burto : wonstable).

ৰৰকাকতিৰ কবিতাৰ wonceit বোৰত আবেগ আৰু বুদ্ধিমত্তা সাৰ্থকভাবে মিলিত হৈছে বুলি ধাৰণা নহয় । ছন্দৰ কুশল প্ৰয়োগৰ জৰিয়তে সাঙ্গীতিক পৰিবেশৰ সৃষ্টি কৰিব পৰা ক্ষমতাতহে ৰৰকাকতিৰ কৃতিত্ব

পাৰা যদি
দুচকুত চিনাকি অঞ্জন সানি
পুৰণি দিনৰ স্মৃতি
তুলিবা জগাই
বাটে ঘাটে পৰি ৰোৱা
বনপোৰা ছাই কণিকাৰে ।
(কোনোবা শীতৰ এটা বগা সন্ধিয়াত)

ইয়াত প্ৰকাশ পোৱা প্ৰেমানুভূতি কিন্তু চেণ্টিমেণ্টেল ।

প্ৰেৰণাৰ বেগ অনুভূত হলেও concretness ৰ অভাবৰ বাবে হোমেন বৰগোহাঞিৰ বহুত কবিতা অস্পষ্ট । অস্পষ্টতাৰ মাজে মাজে অৱশ্যে পোৱা যায় দুই একোটা উজ্জ্বল স্মৰণীয় পংক্তি :

মোৰ চেতনাৰ অন্ধ বিশাল নদীৰ
ঘাটে ঘাটে
ফুল হৈ ফুলি ৰোৱা তেজীমলা
তোমাৰ সন্ধ্যাৰ সেই বন্ধ্যা বাসনাৰ
নিৰ্মেঘ আকুতি

ইয়াৰ চতুৰ্থ শাৰীটোৰ jingling rhyme সত্বেও পংক্তিটোৰ সাৱলীলতা লক্ষণীয় ।

আকৌ "হঠাৎ নীৰৱ হয় পৰিচিত পখীৰ ক্ৰন্দন...." এই শাৰীটো (স্মৃতি') Shakespeare ৰ sonnet ৰ আৱৰ্তনিৰ দৰেই চুম্বকধৰ্মী ।

ৰবগোহাঞিৰ কবিতাৰ বিষয় বস্তুনো কি—এই প্ৰশ্ন যদি তোলা যায় তেন্তে উত্তৰত সংক্ষেপে ইমানকে কব পাৰো যে আধুনিক সভ্যতাৰ প্ৰতি

তীব্ৰ বিদ্বেষে তেখেতক বোদেলেয়াৰীয় কাব্য দৰ্শন আৰু কাফকীয়াকৈ নবেঞ্চীয় জীৱন দৰ্শনৰ অনুগামী কৰিছে। সেয়ে যদি হয় তেন্তে এক অৰ্থত এই প্ৰেৰণা আহৃত। তৎসত্ত্বেও এইবোৰ ধ্যান ধাৰণাক নিজস্ব উপলব্ধিৰ সুৰতৈ মিলাই আৰু সাৰ্থকতৰ কবিতা লিখিবৰ জোখাৰে কবি প্ৰতিভা বৰগোহাঞিৰ আছিল। কিন্তু বৰগোহাঞিৰ কবি প্ৰথাই উজ্জ্বল আশাৰ চমক দেখুৱাই নিস্প্ৰভ হৈছে।

কবিতাত এটা বুদ্ধিদীপ্ত মন আৰু এখন সূক্ষ্ম অনুভূতিশীল অন্তৰৰ সমন্বয় ঘটাব পৰা বাবে অজিত বৰুৱা আলোচ্য কালচোৱাৰ ভিতৰত আটাইতকৈ মননশীল কবি। এই গুণৰ বাবে তেখেত আলোচ্য ধাৰাটোৰ কবিসকলৰ ভিতৰত এক বিশিষ্ট স্থান পাবৰ যোগ্য। তেখেতৰ কবিতাৰ দীঘ-বাণি হৈছে আধুনিক জীৱনৰ অভিজ্ঞতাৰ ভিত্তিত এক বৌদ্ধিক বিশ্বাসৰ তীক্ষ্ণ দৃষ্টি সম্পন্ন অন্বেষণ। কিন্তু কবিৰ দৃষ্টিভংগীত মূলত: আধুনিক জীৱনৰ অভিজ্ঞতা মানে কেতবোৰ যুগান্তকাৰী আৰু অনেক ক্ষেত্ৰত পৰস্পৰ বিৰোধী ভাৱধাৰাৰ সংঘাত। সেই বাবে এনে অন্বেষণৰ পথত থকা দুৰ্লংঘনীয় বাধাৰ প্ৰতিও এই কবি সৰাকী অতি সজাগ। অজিত বৰুৱাৰ কবিতাত সমুপস্থিত সূক্ষ্ম সন্দেহবাদ (scepticism) আধুনিক মানৱৰ সমস্যাৰেই অভিব্যক্তি। ইলিয়টৰ আহিত নাটকীয় স্ব-কথনৰ আৰু association of ideas ৰ ৰীতিক তেওঁ অভিজ্ঞতাৰ সুনিপুণ চিত্ৰনৰ তুলিকা হিচাপে সাৰ্থক ভাৱে ব্যৱহাৰ কৰিব পাৰিছে—যিটো আনপিনে হীৰেন গোহাঁয়ে প্ৰয়োগ কৰিছে ব্যঙ্গ-কবিতাত। ভাষাৰ প্ৰয়োগত কুশল সংযম আৰু কবিতাৰ কাৰিকৰী সম্বন্ধে সম্যক জ্ঞানে তেখেতৰ কবিতাক (সেইখিনি লেখত কম হ'লেও) আধুনিক অসমীয়া কবিতাৰ উচ্চতম শিখৰলৈ তুলি নিছে। বৰুৱাৰ কবিতাৰ পৰা দুটামান পংক্তি তুলি দি তেখেতৰ কবিতাৰ উৎকৰ্ষতা প্ৰতিপন্ন কৰাত অসুবিধা। কিন্তু যিহেতুকে কাব্য বিচাৰত এটা কবিতাৰ উৎকৃষ্টতা কবিতাটোৰ সামগ্ৰিক ৰূপটোৰ ওপৰতহে নিৰ্ভৰশীল, সেইবাবে এই ক্ষেত্ৰত উদ্ধৃতি দিয়া নিষ্প্ৰয়োজন।

আধুনিক অসমীয়া কাব্যজগতৰ এজন শ্ৰেষ্ঠ কবি নীলমণি ফুকনৰ কবিতাৰ ওপৰত এটা খুলমূল মন্তব্য দিয়াটো দুৰূহ। তথাপি কওঁ যে আধুনিক জীৱনৰ পীড়াই জন্ম দিয়া alienation ৰ ফল স্বৰূপ মানুহৰ নিঃসঙ্গ অস্তিত্বৰ বোধেই কবিতাবোৰৰ উৎস। অভিজ্ঞতাক নিৰ্মোহভাৱে আৰু অন্তিম স্তৰলৈকে বিশ্লেষণ কৰিবৰ বাবে উদ্যত এই অসমীয়া কবিজনে বিশ্বসাহিত্যৰ কেইধাৰাও উল্লেখযোগ্য কাব্যধাৰাৰ—উদাহৰণ

স্বৰূপে জাপানী আৰু চীনা কবিতা, ফৰাচী, প্ৰতীকী কবিতা, জাৰ্মান expressionist কবিতা—ৰীতিবোৰ সৃজনশীল অৰ্থত আহৰণ কৰি এতিয়া সৃষ্টি কৰিব পাৰিছে মুক্তক ছন্দৰ আলমত সম্পূৰ্ণ নিজস্ব অননুকৰণীয় বচনভঙ্গী। তেখেতে বৰ্তমান সমাজৰ নাৰকীয় ৰূপ একপ্ৰকাৰ Dantesque দৃঢ়তাৰে "steel thy heart with constancy") নীৰিক্ষণ কৰিছে। উদাহৰণ স্বৰূপে 'ফুলি থকা সূৰ্যমুখী ফুলটোৰ ফালে' নামৰ কাব্য সংকলন খনত ১০ নং কবিতাটোলৈ আঙুৰাওঁ। সেই অন্তৰ্ভেদী অবলোকনে কাব্যিক মহিমা পাইছে মানুহৰ প্ৰতি অকৃত্ৰিম সহানুভূতি আৰু কৰুণাত। উল্লেখিত কাব্য সংকলন খনৰ আৰম্ভণিতে কবিৰ ভাব ধাৰাৰ দিক নিৰ্ণায়ক স্বৰূপ Giuseppe Ungaretti ৰ : And I feel exiled among men
But for them I am in torment—

এই স্তবকটো বিশেষভাৱে প্ৰণিধানযোগ্য। সংবেদনশীল পাঠকে তেখেতৰ কবিতা পঢ়ি অনুভৱ কৰিব যে জীৱন মৃত্যু, প্ৰেম আৰু সৌন্দৰ্যবোধৰ মাজত এনে কিছুমান ওতঃপ্ৰোত আৰু গভীৰ সম্পৰ্ক আছে, যিবোৰ কেৱল উন্মোচিত হয় প্ৰকৃত কবিয়ে সৃষ্টি কৰা, "শব্দৰ ৰক্তাক্ত সঙৰ"ৰ সুৰধ্বনিত। একো একোটা প্ৰতীকক পূৰ্ণাঙ্গ ৰূপ দি তেখেতে নিজৰ কাব্যিক দক্ষতা প্ৰমাণ কৰিছে। ফুকনৰ কাব্য জীৱনৰ আগচোৰাত অৱশ্যে পৰীক্ষা নিৰীক্ষাৰ চাপ আছিল। প্ৰশংসনীয় নিষ্ঠাৰে দীৰ্ঘকাল কাব্য সাধনাত ৰত এই কবিজনে ক্ৰমাগত যিদৰে কাব্যিক উৎকৃষ্টতাৰ পৰ্যায়লৈ আগবাঢ়িব পাৰিছে তালৈ লক্ষ্য কৰি আশা কৰা যায় যে ফুকনৰ "তেজ হৈ বব পৰা প্ৰজ্বলিত ভাৱনা" এতিয়া পৰ্বান্তৰৰ প্ৰেৰণাৰে আলোড়িত।

প্ৰতীকী ভাষাৰ ব্যৱহাৰৰ ক্ষেত্ৰত সাদৃশ্য থাকিলেও নীলমণি ফুকন, ভবেন বৰুৱা আৰু হৰেকৃষ্ণ ডেকা তিনিও জন কবিৰে কাব্যিক পৰিমণ্ডল স্বকীয়া স্বকীয়া। ফুকনৰ অন্তৰ্ভেদী এষণাৰ বিপৰীতে ভবেন বৰুৱাৰ কবিতাৰ নিৰ্যাস হ'ল উদ্ভাসিত অস্তিত্ব-বোধৰ প্ৰজ্বালক স্বৰূপ এক সূক্ষ্ম-ধৰণৰ বিষাদবোধ। ব্যক্তিগত প্ৰতীকৰ ব্যৱহাৰ প্ৰৱণতা তাৰ এটা চিন স্বৰূপ। (উদাহৰণ স্বৰূপে মুদ্ৰা শব্দটোৰ ব্যৱহাৰ। 'অটল বেদনাৰ স্বচ্ছতাৰ সুৰে' বৰুৱাৰ প্ৰেমৰ কবিতাবোৰত অসমীয়া কবিতাত আগেয়ে ক'তো নোপোৱা এক নিগূঢ় ব্যঞ্জনা দিছে। 'শীত', 'ৰাতিৰ নাও', 'জাহাজ ডুবিৰ স্মৃতি') কবিতাত বিষয়বস্তু আৰু আঙ্গিকৰ সমন্বয়ে কিদৰে ৰসবোধৰ

সঞ্চাৰ কৰাত সহায় কৰে, অসমীয়া কাব্য জগতত এই সুৰুচি সম্পন্ন কাব্য শিল্পীজনৰ কবিতা পঢ়িলে হৃদয়ঙ্গম কৰিব পাৰি। অসাধাৰণ ভাৱে সূক্ষ্ম, ভাষা সচেতন এই কবিজনে আলোচ্য কালছোৱাৰ শেষৰ ফালে অসমীয়া কবিতাত এক উল্লেখযোগ্য প্ৰভাব পেলাইছে। এইখিনি কৃতিত্বৰ স্বীকৃতি দি এটা কথা যোগ কৰো। কবিতা ৰচনা এক গতিশীল জিজ্ঞাসাৰ ক্ৰমবৰ্দ্ধমান বিকাশ আৰু জীৱনৰ সামগ্ৰিকতাক অভিজ্ঞতাৰ অঙ্গীকৃত কৰাৰ সাধনা বুলি মই বিশ্বাস কৰো। সেয়ে যদি হয়, তেন্তে বৰুৱাৰ কবিতাৰ এটা অন্যথাই আদৰ্শনীয় গুণ এতিয়া তেখেতৰ কাৰণে হেঙাৰ স্বৰূপহে হৈছে। সেইটো হৈছে কবিতাক সঙ্গীতৰ (এই ক্ষেত্ৰত সঙ্গীতৰ অৰ্থ হৈছে কিছুমান আলোকিত শিহৰণৰ সুনিয়ন্ত্ৰিত বিন্যাস) পৰ্যায়লৈ নিব খোজাৰ অতিৰিক্ত প্ৰচেষ্টা। এই প্ৰচেষ্টা এটা মাত্ৰালৈকেহে সুফল দায়িনী। কাৰণ কবিতা এবিধ কলা; সঙ্গীত এবিধ স্বকীয়া কলা।

হৰেকৃষ্ণ ডেকাই ব্যঞ্জনাত্মক প্ৰতীকী ভাষাৰ Concreteness ৰ মাধ্যমত ভয়, মৃত্যু, চেতনা আদিৰ বহুতৰপীয়া স্তৰবোৰ নিজস্ব অভিজ্ঞতাৰ আলোকত অঙ্কিত কৰিছে। অবচেতন জগতখনৰ ৰূপৰেখা চিত্ৰিত কৰাত গভীৰ ভাবে তৎপৰ এই কবিজনৰ নিজস্ব বৈশিষ্ট্য হৈছে এক বিশিষ্ট ধৰণৰ মননশীলতাহে। (উদাহৰণ স্বৰূপে 'শীত', 'বতাহ', 'স্বৰবোৰ'।) মনোবিজ্ঞানী সকলৰ Orchetyhe ৰ সংজ্ঞাটো এক সূত্ৰৰ আধাৰত প্ৰতিষ্ঠিত যদিও অনুভূতি প্ৰৱণ মনৰ আলোকত সি দেখা দিয়ে কিছুমান আদিম চেতনাৰ প্ৰবল ক্ৰিয়া প্ৰতিক্ৰিয়া হিচাপেহে। ডেকাৰ ভাৱ-সঞ্চাৰী আৰু সূক্ষ্ম বিশ্লেষণে কিদৰে আমাৰ বোধ অনুভূতিক পৰিশোধিত কৰিব পাৰে সেই কথা বুজি পোৱা কবিতা ৰসিকে অসমীয়া কবিতালৈ এইজন কবিয়ে কি সমৃদ্ধি আনিছে তাক বুজিব পাৰিব।

ষাঠিৰ দশকৰ শেষ ভাগৰ পৰা দুগৰাকী প্ৰতিভাশালী কবিয়ে তেখেত সকলৰ কাব্য-কৃতীৰ যোগেৰে অসমীয়া কাব্য জগতলৈ এক নতুন উদ্দীপনা আনিছে। তেখেতসকল হ'ল হীৰেন ভট্টাচাৰ্য আৰু নিৰ্মল প্ৰভা বৰদলৈ। দুয়োজনৰে গীতি ধৰ্মীতাৰ তাৎপৰ্য আছে একো। একোটা কাব্যিক অনুভূতিক অতি সংক্ষেপে অবিমিশ্ৰ ভাৱে আৰু তীব্ৰতাৰে চিত্ৰিত কৰিব পৰাত, আৰু লগতে জাপানী কবিতাত পোৱা এক নিবিড়তাৰ আস্বাদ দিব পৰাত। যৌৱন সুলভ প্ৰেমক আকৰ্ষণীয় ইন্দ্ৰিয়ানুভূতিৰে সিক্ত কৰিব পৰা বাবেও সঙ্গতভাৱে দুয়োজনৰে সুখ্যাতি প্ৰেমৰ কবি হিচাপে।

অসমীয়া কবিতাৰ পৰম্পৰালৈ চকু ৰাখি হীৰেন ভট্টাচাৰ্যক আটাইতকৈ বেছি গুৰুত্ব দিব খোজো। সাধাৰণ মানুহক হৃদয়েৰে বুজি পাবৰ বাবে তেওঁৰ অতি আন্তৰিক প্ৰচেষ্টাত। এই প্ৰচেষ্টাৰ গুণগত উৎকৰ্ষতা আৰু সাৰ্থকতাৰ বিষয়ে অৱশ্যে সঠিক মন্তব্য তেখেতৰ কবিতাবোৰ বিশ্লেষণ কৰিহে দিয়া সম্ভৱ। হীৰেন ভট্টাচাৰ্যৰ কবিতাৰ দুই একোটা স্তৱকত গভীৰ কাব্যিক উপলব্ধি পৰিস্ফূট :

সতৰ্ক প্ৰহৰী বতাহ
হঠাৎ কৌতুহলী হৈ পানীত যিদৰে নচুৱায় মাছ
মোৰ চৌকাষে উদ্যত মৃত্যু, মৃত্যুৰ কৌশলী হাত
অথবা মৃত্যুজিত প্ৰতিভাৰ আচ্ছাদিত আভাষ।

নিৰ্মলপ্ৰভা বৰদলৈয় তেখেতৰ বিশিষ্টতাৰ শীৰ্ষ বিন্দুত উঠিছে তলত দিয়া কবিতাটোত।

আহিনৰ পথাৰৰ গোন্ধ
কেনেবাকৈ নাকত আহি লাগিলে
মই হেৰা পাওঁ মোৰ দেউতাক,
দোকানৰ ভাঁজ-ভঙা গামোচাৰ সুবাসত
হেৰা পাওঁ মোৰ আইক।
মই মোক মোৰ সন্তানৰ কাৰণে
ক'ত থৈ যাম ?
ক'ত ?

মহিম বৰাক এজন সুকবি বুলিব লাগিব এই কাৰণেই যে উপমা আৰু চিত্ৰ কল্পবোৰৰ সংগতি ৰাখি বিশিষ্টভাবে স্বকীয় প্ৰকাশভংগীৰ জৰিয়তে খাঁটি অভিজ্ঞতা একোটা পৰিস্কাৰৈক তেখেতে প্ৰকাশ কৰিব পাৰে (উদাহৰণ স্বৰূপে 'পুখুৰী', মাছ)। প্ৰফুল্ল ভূঞাৰ 'বিন্দু' এটা ভাল কবিতা। 'এজন মানুহৰ প্ৰাণ' নামৰ কবিতাটো অৰ্থঘন নহলেও কবিতাটোৰ মূল ভাবটোৰ কাব্যিক তাৎপৰ্য নিশ্চয় আছে। দীৰ্ঘকাল জুৰি কাব্য চৰ্চাত ৰত বীৰেশ্বৰ বৰুৱাৰ কবি প্ৰতিভাৰ চিনাকি পোৱা যায় 'ডায়েৰী', 'বগাগ' আদি কবিতাত।

আলোচনাটোৰ শেষলৈ আহি দীনেশ গোস্বামীৰ বিষয়ে এটা মন্তব্য দি কওঁ যে তেখেতৰ 'বনৰীয়া হাঁহ', 'প্ৰাচীন গছ', 'আগন্তুক' ইত্যাদিত কাব্যৰসোদ্দীপক গুণ আছে। এই কেইটা কবিতাৰ বিপৰীতে তেখেতৰ

বেছিভাগ কবিতা সূক্ষ্ম বিচাৰত কবিতা নহয় বোদেলেয়াৰী ঠাচত কৰা কাব্যিকতাহে হয়। তাৰে উদাহৰণ 'বৃত্তৰ বাহিৰত' কবিতাটোৰ শেষৰ স্তবকটো। আধুনিক নাগৰিক জীৱনৰ কিছুমান লোমহৰ্ষক কদৰ্য আৰু চাঞ্চল্যকৰ টুকুৰা ছবি কৃতিত্বৰে সৈতে বোলছবি-বেগেৰে অঙ্কিত কৰি কবিয়ে উপলব্ধি কৰিছে :

"যিহেতু সি বৃত্তৰ বাহিৰত জীৱনৰ প্ৰতিমূৰ্তিৰ
আনন্দত উৎফুল অথবা নিৰ্বিকাৰ তাৰ অনুভৱ হ'ল
এইটো এটা নতুন দিন।"

ইয়াৰ অৰ্থ এনে হয় যে এটা নতুন দিনৰ অনুভৱ আনে গতানুগতিকতাৰ বাহিৰৰ কিছুমান উগ্ৰ শিহৰণে। এই উপলব্ধি বোদেলেয়াৰী কাব্য দৰ্শনৰ এটা অতি পৰিচিত প্ৰাৰম্ভিক সংজ্ঞা। 'জনশ্ৰুতি' পঢ়ি মনত পৰিল নীৰেন্দ্ৰনাথ চক্ৰৱৰ্তীৰ এটা বিখ্যাত কবিতালৈ। কবিতাটোৰ নাম সম্ভৱতঃ 'বাতাসী'।

আলোচ্য ধাৰাটোৰ ভিতৰত প্ৰতিশ্ৰুতি সম্পন্ন উদীয়মান কবিসকলৰ নাম লবলৈ হ'লে আনিচ-উজ-জামান আৰু মোহনকৃষ্ণ মিশ্ৰৰ কথা ক'ব লাগিব। প্ৰথমজনৰ প্ৰেমৰ কবিতাবোৰৰ বিশেষ ধৰণৰ ব্যঞ্জনা আৰু দ্বিতীয়জনৰ নিঃসঙ্গ-চেতনা লক্ষ্য কৰিবলগীয়া। তেখেতসকলে প্ৰকৃততে কাব্য জীৱনৰ প্ৰথম সোপানটোত ভৰি দিছেহে বাবে এই সীমিত পৰিসৰত তেখেতসকলৰ বিষয়ে আৰু আলোচনা স্থগিত ৰাখিলো।

অসমীয়া কবিতাত ইংৰাজী প্ৰভাব

শ্ৰীহৰিদত্ত শৰ্মা

দ্বিতীয় মহাযুদ্ধৰ পিচৰ অসমীয়া কাব্যত ইংৰাজী তথা পাশ্চাত্য প্ৰভাব সম্পৰ্কে সবিশেষ জনাৰ আগেয়ে আমাৰ ৰোমাণ্টিক কাব্যৰ মূল উপাদান, চিন্তা, ৰূপ আৰু ভাষাৰীতি সম্পৰ্কে যৎসামান্য ভাবে হলেও আমি অৱগত হ'ব লাগিব। ভাৰতত বৃটিছ ৰাজত্ব সূচনা হোৱাৰ লগে লগে পশ্চিমৰ দুৱাৰ ইংৰাজীৰ মাধ্যমেৰে আমাৰ ফালে মেল খুওৱা হ'ল আৰু সাধ্যানুসাৰে প্ৰাচ্য প্ৰতীচ্যৰ মাজত দিয়া-নিয়া আৰু গ্ৰহণ-বৰ্জনো চলিল; কিন্তু এই বিনিময়ৰ পৰা কোন কিমান লাভবান হল তাৰ খতিয়ান লোৱাটোহে আমাৰ বাবে এটা জৰুৰী বিষয়। এই প্ৰসঙ্গত এটা কথা উনুকিয়াই থোৱা উচিত হ'ব যে ইংৰাজী প্ৰভাব ইংৰাজী ভাষাৰ মাধ্যমেৰে প্ৰত্যক্ষ-ভাবে যিমানখিনি আহৰণ কৰা হ'ল তাতোকৈয়ো বেছি কৰা হ'ল বঙালী সাহিত্যৰ যোগেদি। বঙালী সাহিত্যৰ তুলনাত ইংৰাজী সাহিত্যৰ অধ্যয়ন আৰু অনুশীলন কষ্ট সাধ্য হোৱা হেতুকে আমাৰ আধুনিক সাহিত্য বাটকটীয়া বঙালী সাহিত্যৰ ওপৰত বেছি নিৰ্ভৰশীল হ'ব লগা হ'ল। আনকি জোনাকী যুগত ইংৰাজী সাহিত্যৰ লগত ঘনিষ্ঠ সম্পৰ্ক গঢ়ি উঠাৰ পাছতো বঙালী সাহিত্যৰ সৰ্বব্যাপ্ত প্ৰভাৱ আমাৰ সাহিত্যত অক্ষুন্ন থাকিল। চেকচ্‌পীয়েৰ আৰু শ্যেলীৰ লগত মধুসূদন, বিহাৰীলাল আৰু ৰবীন্দ্ৰনাথ আমাৰ অতিকৈ আপোন হৈ পৰিল। কাব্যৰ বিভিন্ন আংগিকৰ ওপৰত পৰীক্ষা-নিৰীক্ষা চলাৰ পাচত লিৰিক জাতীয় খণ্ড কবিতাই অন্যান্য আংগিকৰ সাময়িক জনপ্ৰিয়তাক অপসাৰিত কৰি এটা স্থিতি লাভ কৰিলে। পাশ্চাত্য সাহিত্যৰ বিস্তৰ অধ্যয়নৰ ক্ষেত্ৰত বেজবৰুৱা আৰু অনুবাদৰ ক্ষেত্ৰত দুৰৰা অগ্ৰগামী হিচাপে পৰিগণিত হ'ল।

পাশ্চাত্য চিন্তা দৰ্শন আদি আহৰণ আৰু তাৰ প্ৰয়োগ সম্পৰ্কে অনুসন্ধান কৰিলে আমাৰ ৰোমাণ্টিক কাব্যত পাশ্চাত্যৰ ৰহস্যবাদী আৰু আদৰ্শবাদী চিন্তাই বাস্তৱবাদী দৰ্শনৰ তুলনাত অধিক জনপ্ৰিয়তা অৰ্জন কৰাটো প্ৰতীয়মান হয়। মানবতাবাদ, ইন্দ্ৰিয়গ্ৰাহ্য জগৎ আৰু ঐহিক জীৱনৰ সাময়িক আকৰ্ষণ অতিক্ৰম কৰি আমাৰ কবিসকলে ভাৰতীয় পৰম্পৰাৰ লগত জীণ যোৱা পাশ্চাত্যৰ অতীন্দ্ৰিয় আৰু ৰহস্যবাদী দৰ্শনৰ দ্বাৰা প্ৰভাৱান্বিত হ'ল। বাস্তৱ জগৎ আৰু জীৱনৰ গুণানুকীৰ্তনৰ অন্তৰালত থাকিল পৰমাৰ্থিক আৰু এক অতীন্দ্ৰিয় আদৰ্শৰ পৰম স্পৃহা। সেই হেতুকে প্লেটো, প্লটিনাচ, চেকছ্পীয়েৰ, শেলী আৰু ৰবীন্দ্ৰনাথৰ কাব্যাদৰ্শ আমাৰ কাব্যৰ গুৰুতৰ ৰূপে পৰিগণিত হল। শেলীৰ Moth for the star ৰ দৰে আমাৰ কবি আৰু সমালোচকসকলেও অতীন্দ্ৰিয় প্ৰেম, সৌন্দৰ্য বা আদৰ্শৰ প্ৰতি ধাবিত হ'ল। সেই হেতুকে এৰিষ্টটল, হৰেশ আৰু অন্যান্য লেটিন কবিৰ বাস্তৱধৰ্মী আদৰ্শ পৰিহাৰ কৰি পাশ্চাত্য ৰোমাণ্টিক পৰম্পৰাৰ স্বৰ্গীয় উন্মাদনা, সম্মোহন, মায়া, মৰীচিকা আৰু পলায়নবাদ আদিৰ লগত আমাৰ কবিসকলে তেওঁৰ সম্পৰ্ক আৱিষ্কাৰ কৰিবলৈ সমৰ্থ হল। ৰূপৰ মাজেৰে অৰূপ, সসীমৰ মাজেৰে অসীম, আৰু জগতৰ মাজেৰে পৰমব্ৰহ্মৰ উপলব্ধিয়ে প্লেটোৰ আদৰ্শবাদী দৰ্শন আৰু আমাৰ ধমনীত চিৰ প্ৰবাহিত বৈদান্তিক চিন্তাৰ একত্ব প্ৰমাণ কৰিলে। সেইদৰে কাব্যৰ ভাষাৰ ক্ষেত্ৰতো আমাৰ ৰোমাণ্টিক কবিসকলে নতুনত্বৰ কাৰণে আপ্ৰাণ চেষ্টা চলালে। পূৰ্ব জোনাকী যুগত মধুসূদনৰ কাব্য-ভাষাৰ প্ৰভাৱত প্ৰয়োগ কৰা বিপুল সংস্কৃত আৰু তৎসম শব্দৰ পৰিবৰ্তে জোনাকী যুগৰ কবিসকলে অসমীয়া ভাষাৰ ঐতিহ্যমণ্ডিত সুকীয়া অস্তিত্বৰ ৰক্ষা-কৱচ হিচাপে থলুৱা আৰু তদ্ভৱ শব্দৰ বিস্তৰ ব্যৱহাৰ কৰিলে যদিও এই শব্দ সম্ভাৰ অতীন্দ্ৰিয়, ৰহস্যবাদী বা আধ্যাত্মিক চিন্তাধাৰা বহন কৰিব নোৱাৰা হেতুকে পুনৰ তৎসম শব্দৰ আশ্ৰয় লব লগা হ'ল। এওঁলুৰা ভাজ আৰু হেনা-হুচা আদিৰ বিৰুদ্ধে এক সুসংগঠিত প্ৰতিক্ৰিয়া আৰম্ভ হোৱাৰ ফলস্বৰূপে সাময়িকভাৱে বেজবৰুৱাৰ নেতৃত্বত এক সংৰক্ষণশীল আৰু আত্মৰক্ষা মূলক ব্যৱস্থা লোৱা হ'ল সঁচা, কিন্তু যেতিয়া সুকুমাৰ অনুভূতি বা সূক্ষ্ম আধ্যাত্মিক চিন্তা প্ৰকাশৰ বাবে অনুৰূপ শব্দসম্ভাৰৰ আৱশ্যক হ'ল তেতিয়া কিছুমান ৰবীন্দ্ৰনাথৰ ওচৰ চাপিল আৰু আন কিছুমানে পূৰ্বৰ সংৰক্ষণশীলতা পলিয়াই দি সংস্কৃত শব্দ সম্ভাৰৰ আশ্ৰয় গ্ৰহণ কৰিব লগা হ'ল।

দৰাচলতে আমাৰ ৰোমাণ্টিক কাব্যই পাশ্চাত্য পৰম্পৰাৰ আদৰ্শবাদী দিশটো আহৰণ কৰি ভাৰতীয় চিন্তাৰ পুনৰভ্যুত্থান কৰাত সহায় কৰিছিল। কিন্তু দ্বিতীয় মহাযুদ্ধৰ লগে লগে জন্ম লাভ কৰা আমাৰ আধুনিক কবিতা বা নতুন কবিতা আমাৰ ঐতিহ্যৰ পৰা সম্পূৰ্ণভাবে বিচ্ছিন্ন। যোৰা শতিকাৰ শেষত আৰু বৰ্তমান শতিকাৰ আদিভাগত ৰুথাৰফৰ্ড, হাইচেন-বাৰ্গ, বোৰ আৰু আইনষ্টাইন আদি পাশ্চাত্য বিজ্ঞানীসকলে আবিষ্কাৰ কৰা যুগান্তকাৰী চিন্তা আৰু প্ৰথম মহাযুদ্ধৰ ধূলি ধোঁৱাৰ ওপৰত জন্মা ছবিবাদী কাব্যৰ প্ৰভাবে দ্বিতীয় মহাসমৰলৈকে আমাৰ কাব্যাদৰ্শক স্পৰ্শ কৰিব পৰা নাছিল। যতীন্দ্ৰনাথ দুৱৰা, দেৱকান্ত বৰুৱা আৰু গণেশ চন্দ্ৰ গগৈৰ বিৰহ-বিধুৰ হৃদয়ৰ গীতোচ্ছ্বাস অথবা নলিনীবালাৰ অৰূপ-ৰতনৰ প্ৰতি কৰা অশেষ আকুতিয়ে উঠি অহা ডেকাচামৰ মাজত অনুকৰণীয় আদৰ্শৰূপে প্ৰভাৱ বিস্তাৰ কৰিছিল। কিন্তু বিশ্বব্যাপী যোৱা দ্বিতীয় মহাযুদ্ধৰ ধোঁৱা বাৰুদ, হিৰোচিমা নাগাচাকিৰ আৰ্তনাদ, আৰু দেশ ব্যাপী চলা বিপ্লৱৰ গণ-আন্দোলনে ৰোমাণ্টিক কল্পনা বিলাস, ভাববাদ, আদৰ্শ সৌন্দৰ্য প্ৰেম, অতীত-প্ৰীতি, সঙ্গীত আৰু গীতোচ্ছ্বাসক তাচ্ছিল্য কৰি কবিসকলক আত্ম-সচেতন কৰি তুলিলে। জগতত বস্তুৰ মহাৰ্ঘতা, চৰাদাম, চোৰাং বজাৰ, দুৰ্নীতিপৰায়ণতা আৰু নৈতিক অধঃপতনে ৰোমাণ্টিক কাব্যৰ নীলা চচমা-জোৰ খুলি থৈ খোলা চকুৰে সমাজখনক চাবলৈ কবিসকলক বাধ্য কৰিলে। বিষয়-বস্তুৰ পৰিবৰ্তনৰ লগে লগে শিল্পায়ন আৰু কাব্য ভাষাৰো পৰি-বৰ্তন অৱশ্যম্ভাৱী হৈ পৰিল। এই সকলো পৰিবৰ্তন প্ৰকট হৈ উঠিল কমলা নাৰায়ণদেৱ আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্য সম্পাদিত "জয়ন্তী"ৰ পাতত। জয়ন্তীৰ পাতে পাতে প্ৰতিবাদৰ কণ্ঠস্বৰ দৃঢ় হৈ পৰিল। যুদ্ধ বিক্ষত জগতৰ ধোঁৱা-ধূলিৰ ব লগত উৰি গল পুৰণা মূল্যবোধ, শিল্পায়ন আৰু ভাষাৰীতি ।

অমূল্য বৰুৱাৰ 'কয়লা', 'কুকুৰ' আৰু 'বেশ্যা' আৰু ভবানন্দ দত্তৰ 'ৰাজপথ' আদি কবিতাই পুৰণা মূল্যবোধৰ ওপৰত কুঠাৰাঘাত কৰাৰ লগতে সমাজলৈ আনিলে প্ৰগতিবাদী চিন্তাধাৰা, শোষিত সৰ্বহাৰা, খনিৰ বনুৱা আৰু পদদলিত জনগণৰ মুক্তিৰ আহ্বান। ভবানন্দ দত্তৰ মতে তাহানিৰ বুৰ্জোৱা মূল্যবোধৰ নাবে জয়ন্তী আছিল যেনিবা একপ্ৰকাৰ নিচাৰ পিল। জীৱনৰ শেষৰ পিনে ৰবীন্দ্ৰনাথেও ঠিক একে সমস্যাৰ সন্মুখীন হ'ব লগা হৈছিল:—

আজ তোমাদেৰ কালে
প্ৰবাসী অপৰিচিত আমি
আমাদেৰ ভাষাৰ ইশাৰা
নিয়েছে নূতন অৰ্থ তোমাদেৰ মুখে
ঋতুৰ বদল হয়ে গেছে
বাতাসেৰ উলটো-পালটা ঘটে
প্ৰকৃতিৰ হোলো বৰ্ণভেদ ।

(আগন্তুক)

জয়ন্তীয়ে প্ৰৱৰ্তন কৰা এই নতুন কাব্যধাৰাক আনে প্ৰগতিশীল বুলি কওঁক-নকওক, ইয়াৰ কৰ্ণধাৰসকলে হলে ইয়াক প্ৰগতিশীল বুলি ঘোষণা কৰিছিল। প্ৰগতিবাদী কবিসকলৰ দৃষ্টিত পোহৰতকৈ এন্ধাৰে যেনিবা বেছি সমুজ্জ্বল। কালিদাসৰ কাব্য, শকুন্তলাৰ প্ৰেম, বনুৱাৰ তেজেৰে নিৰ্মিত জয়দল, অথবা ৰবীন্দ্ৰনাথ আৰু বসন্তকান্ত বৰকাকতিৰ তাজমহল প্ৰগতিবাদী কবিসকলৰ হাতত হল হয়তো পলায়ণবাদ, আত্মপ্ৰীতি অথবা শোষণৰ জীৱন্ত প্ৰতীক। ৰোমাণ্টিক কাব্যত আদৰ্শ সৌন্দৰ্য্যৰ প্ৰতীক আকাশৰ জোনটোক হয়তো মৰা বুলি অথবা বিধবা বুলি আধুনিক কাব্যত বৰ্ণিত হৈছে। মহাভাৰতৰ চৰিত্ৰ শান্তনু আৰু বৃহন্নলা আদি যেনিবা আধুনিক যুগৰ নপুংসক আৰু দময়ন্তী, কুন্তি অথবা শকুন্তলা, যেনিবা আধুনিক যুগৰ বেশ্যা চৰিত্ৰ। ৰবীন্দ্ৰ যুগৰ মূল্যবোধ আৰু কাব্যাদৰ্শ পৰিহাৰ কৰি নৱকান্ত বৰুৱাই ঘোষণা কৰিছে :—

মোৰ কবিতাত নাই অনুভূতি বিশ্বমানৱৰ
যুগৰ সীহৰ পৈপা বজা নাই মোৰ কবিতাত।

তথাপি আমাৰ প্ৰগতিবাদী কবিতাক সৰ্বভাৰতীয় প্ৰগতিবাদী চিন্তা ধাৰাৰ এটা অংশ বিশেষ বুলিব পাৰি। ইতিমধ্যে মাৰাঠি সাহিত্যত নতুন কবিতা, উৰিয়া সাহিত্যত জনতাৰ কবিতা আৰু হিন্দি সাহিত্যত প্ৰগতিবাদ হিচাপে খ্যাতি লাভ কৰিছিল। সেইদৰে মালায়লাম সাহিত্যত ১৯৩৬ চনত আৰু কানাড়ী সাহিত্যত ১৯৩৯ চনত প্ৰগতিবাদী সাহিত্যৰ জন্ম হয়। প্ৰগতিবাদৰ অৰ্থ যিয়েই যেনেকৈ নকৰক এটা কথা সত্য যে ই ভাববাদী মূল্যবোধৰ বিৰুদ্ধে সংগ্ৰাম কৰি কাব্যক বাস্তৱ জগত আৰু জনগণৰ পিনে আগুৱাই আনিলে। আন এটা কথাও এই প্ৰসঙ্গত স্বীকাৰ কৰিব লাগিব যে আমাৰ আধুনিক প্ৰগতিবাদী কবিতৰ জন্ম সপুত আছিল

মাৰ্ক্সীয় দৰ্শনৰ স্পষ্ট প্ৰভাৱ আৰু সেই হেতুকে শ্ৰেণী সংগ্ৰাম আৰু জনতাৰ মুক্তিৰ গান এই কাব্য ধাৰাৰ প্ৰধান অনুপ্ৰেৰণা আছিল। অৱশ্যে জয়ন্তীৰ পাতত আৰম্ভ হোৱা কাব্য দৃষ্টি বিপৰীত ধৰ্মী ধাৰাত বিভক্ত হয়—এটা মাৰ্ক্সীয় দৰ্শনৰ দ্বাৰা অনুপ্ৰাণিত আৰু আনটো ইলিয়ট, অডেন স্পেণ্ডাৰ আদিৰদ্বাৰা প্ৰভাবান্বিত—অৰ্থাৎ এটা সাম্যবাদী আৰু আনটো বৌদ্ধিক। অমূল্য বৰুৱা আৰু ভবানন্দ দত্ত আদি আছিল প্ৰথমটো ধাৰাৰ পৃষ্ঠপোষক আৰু হেমবৰুৱা, নবকান্ত বৰুৱা আছিল দ্বিতীয়টোৰ।

ৰোমান্তিক যুগত সুন্দৰৰ আৰাধনাই কবি মানসক প্ৰভাবান্বিত কৰাৰ দৰে যুদ্ধোত্তৰ যুগতো মাৰ্ক্সীয় দৰ্শনৰ সৰ্বাত্মক প্ৰভাৱ অনস্বীকাৰ্য্য। বিয়াল্লিশৰ গণ-আন্দোলনৰ ব্যৰ্থতা, যুদ্ধৰ গছকনি আৰু ধনী-দুখীয়াৰ মাজত হোৱা ক্ৰমবৰ্দ্ধমান আৰ্থিক অসমতাই মাৰ্ক্সীয় দৰ্শনক স্বাগত জনাবলৈ লিখকসকলক উদগনি দিছিল যদিও চোভিয়েট ৰুচিয়াৰ সাম্যবাদী আদৰ্শই ইতিমধ্যে বহুতো লিখকক অনুপ্ৰাণিত কৰিছিল। চন্দ্ৰকুমাৰৰ 'বীণ বৰাগী'ৰ উদাৰপন্থী, সংস্কাৰবাদী বিপ্লৱৰ ঠাই ললে মাৰ্ক্সীয় সমাজবিপ্লৱে। বীৰেন্দ্ৰ-কুমাৰ ভট্টাচাৰ্য্যৰ 'বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি' কেশৱ মহন্তৰ "চোৰৰ কৈফিয়ৎ', আব্দুল মালিকৰ 'ফুল শয্যাৰ ৰাতি' আৰু 'ভাঙি দে' মহেন্দ্ৰ বৰাৰ .'কেৰেণী শোলীৰ চিঠি', ৰাম গগৈৰ 'পথাৰ' আৰু অমলেন্দু গুহৰ 'বামুনী পাহাৰ' আদি কবিতা প্ৰত্যক্ষভাৱে মাৰ্ক্সীয় দৰ্শনৰদ্বাৰা অনুপ্ৰাণিত। ভবানন্দ দত্তৰ ভাষাত ক'বলৈ হলে হেম বৰুৱাৰ কবিতাত "তীব্ৰ শ্ৰেণী বিদ্বেষ" প্ৰকাশ পাইছে কিন্তু তাত "সমাজ মুক্তিৰ বাস্তৱ সংগ্ৰামৰ ছবি নাই।" হেম বৰুৱাই নিজেই স্বীকাৰ কৰিছে "Although as are empirical theory Marxism has a sound bound basis, as a source of poetic inspiration it has not been able to achieve any tangible aesthatic success in any litarature of the world." সেই হেতুকে হেম বৰুৱাৰ 'বান্দৰ' আৰু মোৰ পূজা'ত ৰূপায়িত ছিন্ন মূল জনতাৰ প্ৰতি থকা প্ৰেম পাচৰ কবিতাবিলাকত কুটি নুঠাত বহুতো সমা-লোচকে দুখ প্ৰকাশ কৰিছে। সংক্ষেপে ক'বলৈ হ'লে মাৰ্ক্সীয় দৰ্শনৰ প্ৰভাৱে অকল যে আমাৰ চিন্তা জগতকে স্পৰ্শ কৰিছে তেনে নহয়—ই আমাৰ কাব্য ভাষাকো কম বেছি পৰিমাণে প্ৰভাবান্বিত কৰিছে। তেল্ল-পিয়া, জোক,, টুনী, বনুমলা, কাঠফুলা আদি শব্দৰ বিস্তৰ প্ৰয়োগ যোৱা দেৰ কুৰি বছৰৰ কবিতাত বিশেষভাৱে মন কৰিবলগীয়া। কি জনতাৰ

কবি, কি নিৰ্জ্জনতাৰ কবি সকলোৱে এই প্ৰভাবৰ পৰিবৃত্তৰ মাজত প্ৰবেশ কৰিছে। আনকি নবকান্ত বৰুৱাৰ বৌদ্ধিক কবিতাতো ফুটি উঠিছে "সৃষ্টিৰ জাগৰণ" আৰু "ডাচ কেপিটেল এখাৰ পৃষ্ঠা বাকী।" এলিজাবেথীয় কাব্যত প্লেটোৰ অপ্ৰতিদ্বন্দ্বী জনপ্ৰিয়তাৰ দৰে মাৰ্ক্সীয় দৰ্শনে আমাৰ যুদ্ধোত্তৰ কাব্যৰ আদিছোৱাত যি প্ৰভাব বিস্তাৰ কৰিলে তাৰ তুলনাত বোৰা কেইবছৰমানৰ কবিতাত সেই প্ৰাণ স্পন্দন কিছু স্তিমিত হোৱা যেন অনুমান হয়। সম্ভৱতঃ গদ্য সাহিত্যত মাৰ্ক্সীয় দৰ্শনৰ বিকৃতিৰে কবিতাত তাৰ সীমিত প্ৰয়োগৰ আন এটা কাৰণ হ'ব পাৰে।

মাৰ্ক্সীয় দৰ্শনতকৈও আমাৰ যোৱা দেৰ কুৰি বছৰৰ কবিতাত বেছি প্ৰভাব বিস্তাৰ কৰিছে অডেন, স্পেণ্ডাৰ, ডে লুইচ, ম্যাকনিচ, ইলিয়ট, বডেলেয়াৰ, ৰিস্কে, মায়াকভস্কি আৰু অন্যান্য ইউৰোপীয় কবিসকলে। তাৰোপৰি ইংৰাজী কবিৰ বাতায়নেদি আমাৰ কবিসকলে চীনিয়, জাপানী, লেবাণিচ, জাৰ্মান, ৰুচ ফৰাচী আৰু অন্যান্য প্ৰাচ্য প্ৰতীচ্যৰ কাব্যাদৰ্শ আহৰণ কৰাত লাগিল। ইউৰোপীয় সাহিত্যৰ বিস্তৰ উদ্ধৃতি, আৰু বিপুল অনুবাদ "ৰামধনু" যুগৰ কাব্য প্ৰবাহৰ এটা উল্লেখযোগ্য বিশেষত্ব। জয়ন্তীত অঙ্কুৰিত আধুনিক কবিতা লহ-পহীয়াকৈ ডাঙৰ দীঘল হয় ৰামধনুৰ পৰিচাৰ্যত আৰু ৰামধেনুয়ে পাশ্চাত্য সাহিত্যৰ অধ্যয়ন আৰু অনুশীলনৰ যি এটা আদৰ্শ দাঙি ধৰিলে তাৰ তুলনা আজিও হয় নে নহয় ঘটাংকৈ কোৱা টান। হেম বৰুৱাই কিদৰে ইংৰাজী, ৰুচ, ফৰাচী আৰু জাৰ্মান কবিতাৰদ্বাৰা প্ৰভাৱান্বিত হৈছিল নিজে স্বীকাৰ কৰিছে। মহেন্দ্ৰ বৰাদেৱ তেওঁৰ 'কুস্তীলক বৃত্তি' শীৰ্ষক ৰচনাত ঘোষণা কৰিছে যে তেৱেঁই পোন, প্ৰথমবাৰৰ বাবে অসমীয়া পাঠকক আৰবীয়, চেকোশ্লাভেকীয়, জাপানী, চীনিয় আৰু ডাইলান টমাচ আৰু ৰিস্কেৰ কবিতাৰ লগত পৰিচয় কৰি দিছিল। অইন নেলাগে অমূল্য বৰুৱাৰ 'কয়লা' শীৰ্ষক কবিতাটি কোনোবা ইংৰাজী কবিতাৰ ওপৰত প্ৰতিষ্ঠিত বুলি কোৱা হয়। সেইদৰে জয়ন্তীত প্ৰকাশিত ভবানন্দ দত্তৰ 'আৰি কি বিচাৰো তেনে' শীৰ্ষক কবিতাটিও ডে লুইচৰ কবিতাৰ অনুকৰণ বুলি আঙুলিয়াই দিয়া হৈছে। অমলেন্দু গুহই স্বীকাৰ কৰিছে যে তেওঁৰ 'এটি ফৰাচী কবিতাৰ অনুকৰণত' আৰু 'প্ৰথৰ পোহৰ' শীৰ্ষক কবিতা দুটি যথাক্ৰমে আৰাগঁ আৰু ইংৰাজী কবিতাৰ অনুকৰণত ৰচিত হৈছে। পৰেশ মল্ল বৰুৱাৰ 'সন্ধ্যাৰ আবৃত্তি" কিদৰে ইংৰাজী কবিতাৰদ্বাৰা প্ৰভাৱান্বিত সেইদৰে বীৰেন বৰগোহাঞিৰ 'আকাশৰ চিঠি'ও

বিস্কেৰ দ্বাৰা অনুপ্ৰাণিত। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'সাঁতোৰ' আৰু কেশৱ মহন্তৰ 'জালুকবাৰীৰ বাতি' যথাক্ৰমে মাও চে টুং আৰু পাবলো নেৰুদাৰ ওপৰত ভিত্তি কৰি ৰচিত হৈছে। বিস্কেৰ অৰাফিউচ শীৰ্ষক চনেটৰাশিৰ কেইবাটাৰো অসমীয়া ৰূপান্তৰ কাহানিবাই ওলাই গৈছে। পাশ্চাত্য সাহিত্যৰ ওপৰত ৰচিত প্ৰবন্ধপাতি ৰামধেনু, মণিদীপ নৱযুগ আদিত ওলোৱাৰ ফলত অসমীয়া পঢ়ুৱৈ সমাজে প্ৰত্যক্ষভাৱে পাশ্চাত্য কাব্য জগতৰ লগত যে পৰিচয় হোৱাৰ সুযোগ লাভ কৰিছে তাক পুনশ্চ কোৱাৰ প্ৰয়োজন নাই।

জয়ন্তীয়ে সৃষ্টি কৰা আধুনিক কবিতাৰ বৌদ্ধিক ধাৰাটোৱে এহাতে বুদ্ধদেৱ বসু, জীৱনানন্দ দাস, বিষ্ণু দে আদি বঙালী কবিৰদ্বাৰা আৰু আনহাতে ইলিয়টৰ কাব্যাদৰ্শৰদ্বাৰা উদ্বুদ্ধ হৈছিল। আমাৰ ৰোমাণ্টিক কবিসকলৰ দৰে আধুনিক কবি সকলৰো বহুতে তেওঁলোকৰ অনুপ্ৰেৰণাৰ উৎস সম্পৰ্কে কোনো উল্লেখ নকৰি লোকৰ চিন্তাক নিজৰ বুলি কৰ বিচাৰিছে। মহেন্দ্ৰ বৰাৰ 'স্বপ্নভঙ্গ' বোলা কবিতাটি লৈ এসময়ত ৰামধেনুত যি আলোচনা হৈছিল সিয়ে আমাৰ আধুনিক সাহিত্যত পৰা বাহিৰা প্ৰভাৱৰ এটা চকুত লগা দৃষ্টান্ত। সেয়ে কিছুমানে আধুনিক কবিতাৰ এক বৃহৎ অংশ বিদেশী সাহিত্যৰ গোপন অনুবাদ বা অনুকৰণ বুলি ঠাৰবাৰ বিচাৰে। আন কিছুমানৰ মতে 'কল্লোল', 'শ্বাপদ', আৰু 'মহাজীৱন' আদি কবিতা বনলতা সেনৰ আন এটা সংস্কৰণ বুলি ক'বলৈ বিচাৰে। নৱকান্ত বৰুৱাৰ 'এটা প্ৰেমৰ পদ্য' বুদ্ধদেৱ বসুৰ 'সাগৰ দোলাৰ' অনুকৰণত ৰচিত হৈছে। সেইদৰে অমলেন্দু গুহই তেওঁৰ 'লুইত পাৰৰ গীত বঙালী কবিতাৰ অনুকৰণত লিখা বুলি নিজে স্বীকাৰ কৰিছে।

আমাৰ ৰোমাণ্টিক কাব্যই বঙালী সাহিত্যৰ ওপৰত যিদৰে নিৰ্ভৰশীল হব লগা হৈছিল তাৰ তুলনাত যোৱা দেৰ কুৰি বছৰৰ কাব্যই আত্ম নিৰ্ভৰশীল হোৱাটো বিশেষভাৱে মন কৰিবলগীয়া কথা। প্ৰতিবেশী বঙালী কবিক অ'ত ত'ত ছেগা ছোৰোকাকৈ অনুকৰণ কৰিলেও মূলতঃ আমাৰ কবিসকল অধ্যয়নশীল আৰু বিশেষকৈ পাশ্চাত্য কাব্যৰ প্ৰত্যক্ষ অধ্যয়ন আৰু তাৰ অনুশীলনে ৰোমাণ্টিক যুগৰ নীচাৰিকা মনোভাৱ দূৰীভূত কৰি এক গভীৰ আত্ম প্ৰত্যয়ৰ ভাব গঢ়ি তুলিবলৈ সমৰ্থ হৈছে। ইলিয়ট এজৰা পাউণ্ড, সালামে, পল ভাৰ্লে আৰু বডেলেয়াৰ আদি কবিক হৃদয়ঙ্গম কৰি তেওঁলোকৰ ছবি আৰু প্ৰতীকধৰ্মী টেকনিক আমাৰ কাব্যত কিছু

কৃতকাৰ্যতাৰে প্ৰয়োগ কৰিব পৰাটোও এটা শুভ লক্ষণ। আধুনিক বঙালী কবিসকলে টেকনিকৰ কাৰণে ইলিয়টৰ ওচৰ চপাৰদৰে আমাৰ নৱকান্ত বৰুৱা, হেম বৰুৱা আদিয়েও ইলিয়টৰ সাহচৰ্য বিচৰাটো উল্লেখ-যোগ্য। আকৌ আধুনিক বঙালী কাব্যই ইলিয়টৰ পৰা আত্মসচেতনতা আৰু নৈৰ্ব্যক্তিকতা লাভ কৰাৰ দৰে আমাৰ কাব্যও ইলিয়টৰ ওচৰত এই দুটা বস্তুৰ কাৰণেই ঋণী অমূল্য বৰুৱাই ইলিয়টৰ Waste Land আৰু তাহানিৰ ক্ষয়িষ্ণু যোৰহটীয়া সমাজৰ মাজত এক সামঞ্জস্য দেখাৰ দৰে আমাৰ অন্যান্য আধুনিক কবিসকলেও যুদ্ধোত্তৰ যুগৰ ক্ষয়িষ্ণু সমাজ আৰু Waste Land ৰ মাজত সমন্বয় সেতু উদ্ভাৱন কৰিবলৈ সমৰ্থ হৈছে। মহেন্দ্ৰ বৰাৰ ভাষাত ৰবীন্দ্ৰনাথ আৰু ইলিয়টে যেনিবা নৱকান্ত বৰুৱাৰ কাব্যৰ সুমেৰু-কুমেৰু আৰু ভবানন্দ দত্তৰ মতে 'হে অৰণ্য হে মহানগৰ'ৰ প্ৰভাৱে যুদ্ধোত্তৰ যুগৰ কবিসকলক মতলীয়া কৰিছিল। হেম বৰুৱাৰ 'পোহৰতকৈ এন্ধাৰ ভাল', 'যাত্ৰাৰ শেষ নাই' 'বালিচন্দা' 'অৱৰ দিনৰ সপোন' 'বিহুৰ দিনৰ গান' আদি কবিতাৰ অন্তৰালত আছে ইলিয়টৰ Waste Land ৰ টুকুৰা ছবি। ইলিয়টে ডনৰ কবিতাত পিনোজাৰ দৰ্শন আৰু প্ৰেমালাপৰ দৰে বিপৰীত ধৰ্মী চিন্তাৰ সমন্বয় দেখাৰ দৰে হেম বৰুৱা দেখেও কৈছে —

মই কথা পাতো,
ৰাজনীতি আৰু বিসংগ্ৰাঁ বেঙেনাৰ।
ৰাজনীতি
নিপোটিন গাভৰুৰ বুকুৰ আস্বাদ
(এটা আবিষ্কাৰ)

এখন ইস্তাহাৰত' ইলিয়টৰ Waste Land ৰ বৰ্ণনাই পুনৰ ভুমুকি মাৰিছে—

সেইজোখৰ ঠাই
নিৰ্জন এটা অনুভূতি—ওচৰত কোনো গাওঁ নাই কোনো ঘৰ নাই।
আছে মাথো বুকলি কিছুমান পাহাৰ। জিৰ জিৰ কিছুমান বতাহ।
তাৰে এটা পৰ্বতৰ গাত ওলমি আছে এটা গীৰ্জা, গধোজটো
ইয়াৰ—আকাশৰ বুকুত ত্ৰিশূল হৈ আছে।

ইলিয়টে বিপৰীত ধৰ্মী চিন্তা ছবি ওচৰা-ওচৰিকৈ প্ৰতিষ্ঠা কৰি সামগ্ৰিক অৰ্থ ব্যঞ্জিত কৰাৰ দৰে হেম বৰুৱা দেৱেও বিৰোধভাষী ছবি প্ৰতিষ্ঠা কৰিছে।

সিপাৰত বিস্ফোৰণ শবদ গুলীৰ
এই পাৰে
বাহৰণ ফ্ৰেমত অকা এজনী ছোৱালী
বা (বালিচন্দা) পৃ: ৫২)
মোৰ হিচাপ বহীৰ
পহিলা পাতত তুমি
সিবোৰত ধোবা, নাপিত আৰু গোৱালৰ বাকী
(বালিচন্দা, পৃ: ২)।

ইলিয়টৰ Waste Land ত বৰ্ণিত ফোনেমচীয় নাবিক গৰাকীৰ ছবিয়ে আমাৰ আধুনিক কবিতাত বিভিন্ন ৰূপত আত্ম প্ৰকাশ কৰিছে —

পৰদেশী নাবিকক
উচিত মূল্যত দিও এৰাতিৰ প্ৰিয়াৰ খবৰ
(সকলো নগৰ আৰু)

ইলিয়টৰ মৃত নগৰীৰ দৰে dead Land) দুদ্ধোত্তৰ অসমীয়া সমাজো নবকান্ত বৰুৱাৰ ভাষাত "শুকান হাড়ৰ, শিজু কাইটৰ দেশ।" ইলিয়টৰ 'পোৰ্টেইট অব এলেডী', 'জিৰনচন' 'লাভ চং অব আলফ্ৰেড প্ৰুফ্ৰকৰ' বাহিৰেও Waste Land ৰ ধ্বনি প্ৰতিধ্বনি নৱকান্ত বৰুৱাৰ 'ক্ৰমশঃ' কবিতাটিত ধৰা দিছে। ইলিয়টৰ ' What the Thunder said' পেৰডি কবি নৱকান্ত বৰুৱাই কৈছে —

ডাৱৰে কি কলে, দিয়া আৰু দিয়া, নিঃশেষ কৰি দিয়া
আলিৰ কাণত গছ পুলি ৰোৱা, এটা হাইস্কুল খোলা।

ক্ৰমশঃ কবিতাটিত ইলিয়টৰ Waste Land এ পুনৰ ভুমুকি মাৰিছে —

লুইত শুকান লুইতত পানী নাই
পাটকুৱাবোৰ পাতালৰ পৰা বিহ অহা বাট
এটোপা পানী

বিলৰ শুকান বোকাৰ মাজত
শুকান মাছৰ কাইটত লাগি ওলাই আমাৰ নুণীয়া তেজ
পানী ক'ত, পানী ?
পাতালৰ পানী, আকাশৰ পানী ?

ইলিয়টে কি লিখিছে চাওক —

And no rock
If there were rock
And also water
A spring
A pool among the rock
If there were the sound of water only
Not the cicada

ইলিয়টৰ বাহিৰেও বিষ্ণে, ডাইলান টমাছ, মায়াকোভস্কি আদি কবিৰ প্ৰভাৱ আমাৰ আধুনিক কবিতাত তেনেই নগন্য বুলি কব নোৱাৰি। মালিকে তেওঁৰ 'সীমান্ত' বোলা কবিতাটিত মায়াকভস্কিৰ উদ্ধৃতিৰে আৰম্ভ কৰিছে —

"It is very difficult
To be a woman in paris
If a woman does not sell herself
But works

সেইদৰে বিষ্ণেৰ অৰফিউচ আৰু ইউৰিডাইচৰ কাহিনীৰ মাজেৰে ৰূপায়িত কৰা জীৱন আৰু মৃত্যু চেতনা আমাৰ কবিতাৰ বিশেষ জনপ্ৰিয়তা লাভ কৰিবলৈ সমৰ্থ হৈছে। বিষ্ণেই মৃত্যুক জীৱনৰ বিবৃতি বুলি বিশ্বাস কৰাৰ দৰে আমাৰ কবিসকলেও বিশ্বাস কৰে —

"আমি হেনো আহি আছো যুগে যুগে ৰূপে ৰূপে
সলনিৰ সেতুৰ বুকেৰে
পৃথিৱীৰ বাঁহে বাঁহে পাকে পাকে বিজড়িত
আমাৰ স্মিতিৰ শিপা।
(নৱকান্ত বৰুৱা : এজাৰ বাতিৰ ইলিজি)

ৰিল্কেৰ দৰে ডাইলান টমাছৰ মৃত্যুচেতনাই আমাৰ কেইবাগৰাকী আধুনিক কবিক অনুপ্ৰাণিত কৰিছে। বীৰেশ্বৰ বৰুৱাই 'কল্লোল'ত টমাছৰ মৃত্যু-চেতনা স্পষ্টভাৱে ৰূপায়িত কৰিছে —

মৃত্যু হক মানুহৰ বাচিব মানুহ। ......
....
.......জীৱন হেৰাই যায়। ৰচে
মহাজীৱনৰ গান। সেয়ে
মৰণৰ দামেৰেই হব পাৰে পৰিশোধ জীৱনৰ
পাখিলগা ঋণ।

দীনেশ গোস্বামীয়ে ইয়াৰ পুনৰুক্তি কৰিছে তেওঁৰ 'দলিল' শীৰ্ষক কবিতাটিত —

যাৰ পচা চুবুৰীত নতুন জন্মৰ
ভ্ৰূণে কথা কয় আমাৰ বিশ্বাস আৰু প্ৰেম আৰু জন্ম মৃত্যুৰ।

নৱকান্ত বৰুৱাই বিশ্বাস কৰে যে —

উভতি যোৱাৰ বাট আমাৰ জন্মৰ পদূলিৰে
উভতি যোৱাৰ বাট আমাৰ মৃত্যুৰ পদূলিৰে
চিৰ প্ৰত্যাৱৰ্তনৰ যাত্ৰী আমি
যুতিমলা তোমাৰ প্ৰেমৰ
(উভতি অহাৰ কথা)

ডাইলান টমাছে বিশ্বাস কৰে যে জন্ম আৰু মৃত্যু গৰ্ভ আৰু সমাধি সৃষ্টি আৰু ধ্বংসৰ ইটো সিটোৰ অৰ্থজ্ঞাপক। জন্ম বুলিলে মৃত্যু, উৰ্বৰতা বুলিলে বন্ধ্যাত্ব যি দৰে বুজোৱা হয় সেইদৰে প্ৰেমেও মৃত্যুক বুজায়। সেয়ে মহিম বৰাই নৱকান্ত বৰুৱাক অনুকৰণ কৰি কৈছে —

উভতিছো যুগে যুগে যৰনুৰা হই
আমি য'ত তীৰ্থযাত্ৰী, চিৰকাল
মইনামতী তোমাৰ প্ৰেমৰ
(উভতি আহৰ কথা)

যোৱা ডেৰকুৰি বছৰৰ কবিতা অধ্যয়ন কৰিলে এইটো স্পষ্ট হৈ পৰে যে আমাৰ সৰহ সংখ্যক কবিয়ে কোনো এক নিৰূপিত আদৰ্শ চকুৰ আগত

ৰাখি কাব্য ৰচনাত ব্ৰতী হোৱা নাই। দুৰ্বলতাই হওক বা আদৰ্শই হওক ৰোমাণ্টিক কবিসকলে সুন্দৰৰ আৰাধনাকে জীৱনৰ খেল বুলি ধৰি লৈ সৃষ্টিত প্ৰবৃত্ত হৈছিল। কিন্তু যুদ্ধোত্তৰ যুগৰ কাব্যত চিন্তাৰ ছেদেলি-ভেদেলি অৱস্থা দেখি আমাৰ বাবেলৰ টাৱাৰ সজা সাধুটোলৈ মনত পৰে। অৱশ্যে বাৎসায়নে কোৱাৰদৰে প্ৰগতিবাদ মানে যদি প্ৰাচ্যৰ কবিয়ে সকলো বাধা নিষেধ উলংঘা কৰি খোলা দুৱাৰ খিৰিকিৰে পাশ্চাত্যৰ বা বতাহ লগাই জুৰ লোৱাটোকে বুজায় তেতিয়া হ'লে আমাৰ মাত মাতিবৰ সাহস নাই। কিন্তু যুগধৰ্ম অথবা একোটা যুগৰ সামাজিক ৰাজনৈতিক বা নৈতিক বাতাবৰণে যদি সামগ্ৰিকভাবে এদল লিখকৰ ৰচনাৰ মাজেৰে এটা নিৰূপিত দৰ্শ নৰ সৃষ্টি কৰিব পাৰে তেতিয়াহলে তেনে সুপৰিকল্পিত দৰ্শন আমাৰ আধুনিক কাব্যত নাই বুলিলেও হয়। তাৰোপৰি একেজন কবিৰ লিখনীত দুই তিনিজন পাশ্চাত্য কবিয়ে এনেদৰে প্ৰভাৱ বিস্তাৰ কৰিছে, যে কোনজনৰ প্ৰভাবে প্ৰাধান্য লাভ কৰিছে তাক আঙুলিয়াই দিয়াটো একৰকম দুঃসাধ্য বুলিয়ে কব লাগিব। নৱকান্ত বৰুৱা দেৱৰ হে অৰণ্য, হে মহানগৰ ওলোৱাৰ সময়ত হেনো কাকতত উক্ত কবিতাৰ পুথিখনত অস্তিত্ববাদী দৰ্শ নথকা বুলি প্ৰচাৰ হৈছিল। কিন্তু ভবানন্দ দত্তদেৱে আকৌ দেখুৱাই দিলে যে তাত একজিষ্টেনচিয়েলিজিমৰ চিজটোও নাই। সেই দৰে ত্ৰৈলোক্যনাথ গোস্বামীদেৱে হোমেন বৰগোহাঞিৰ ৰচনাত অস্তিত্ববাদৰ প্ৰভাৱ পৰা বুলি কোৱাৰ পাছত গোহাঞিদেৱৰ আত্মবিবৃতিৰ পৰা বুজা গল যে অস্তিত্ববাদে তেওঁক প্ৰভাবিত কৰিব পৰা নাই। বহু সময়ত আধুনিক কবিসকলে কোনো নিৰূপিত দৰ্শন চকুৰ আগত নাৰাখি কেৱল অনুশীলনৰ আনন্দৰ কাৰণেও পাশ্চাত্য কবিৰ চিন্তা পুনৰাবৃত্তি কৰা দেখা যায়—

নিশাৰ পিচত পুৱা, মৃত্যুৰ পিচত জন্ম,
যুদ্ধ থামিলে শান্তি,— কিছুমান চিৰন্তন সচা।

(গন্ধৰ)

১৯৬৬ চনত ৰচিত গুণাভিৰাম চৌধাৰীয়ে উক্ত কবিতাটিত এলিজা-বেথীয় কবি স্পেনচাৰৰ Fairie Queen শীৰ্ষক গ্ৰন্থৰ প্ৰথম খণ্ডৰ Cave of Despair ৰ শেষৰ দুটা পংক্তিৰ সাংগিতিক প্ৰকাশ আমাৰ আগত দাঙি ধৰিছে। স্পেনচাৰে লিখিছিল—

Sleep after toil, Port after stormy seu
Ease after war, death after life does greatly please

সেইদৰে ফ্ৰয়েডীয় মনোবিজ্ঞানেও আমাৰ আধুনিক কাব্যত ছেগা-ছোৰোকাকৈ ৰেখাপাত কৰা দেখা যায়। অডেন স্পেণ্ডাৰ আদি কবিয়ে ফ্ৰয়েডীয় মনোবিজ্ঞান কাব্যৰ এটা টেকনিক হিচাপে লোৱাৰ দৰে আমাৰ কবিসকলেও মাজে সময়ে ফ্ৰয়েডীয় মনস্তত্বৰ আলোকপাত কৰিছে। ৰোমাণ্টিক প্ৰেমক বিদ্ৰূপ কৰি হেম বৰুৱা দেৱে কৈছে —

বিহুৱতী গাভৰু : তুমি জানা ? আমাৰ প্ৰেম কাজিৰঙাৰ চগা
আৰু চাকি। সাক্ষী মাথো ২০০ গড়।.......

(বিহুৰ দিনৰ গান)

ৰত্নকান্ত বৰকাকতিয়ে যি তাজমহলক এটা প্ৰকাণ্ড কবিতা বুলি আখ্যা দিছিল সেই তাজমহল আধুনিক কবিৰ দৃষ্টিত হ'ল এটা চাইকোএনালিচিচ আৰু —

কালৰ মেৰখৰত, এটা জঘন্য গল্পৰ গম্বুজ।
ভাঙিব নোৱাৰা সাঁথৰ। এটা গোপন কামনাৰ উই-হাফলু

(মহেন্দ্ৰ বৰা; তাজমহল : এটা চাইকোএনালিচিচ)

অডেনে কৈছিল "The poets duty is to be clinically minded, and poetry should be clinical, a kind of theropy parforming a function analogous to the psychoanalytic" অডেনৰদৰে আমাৰ কবিসকলেও মনসমীক্ষকৰ দৃষ্টিৰে নিজকে চাবলৈ চেষ্টা কৰিলে। বীৰেণ বৰকটকীয়ে তেওঁৰ 'প্ৰতিবিম্ব'ত ফ্ৰয়েডৰ মনস্তাত্বিক বিশ্লেষণ প্ৰয়োগ কৰিছে। ফ্ৰয়েডীয় দৰ্শনৰদ্বাৰা ভেলেকি বাজি লাগি হৰি বৰকাকতিয়ে চাৰিওফালে যেনিবা কেৱল লিবিডোহে দেখিবলৈ পালে। ফ্ৰয়েডীয় দৰ্শনৰ অযথা প্ৰয়োগৰ কাৰণে দুৰবাই অভিযোগ কৰি কৈছিল যে আজিকালিৰ কবিয়ে ফ্ৰয়েড, জাং আৰু মাৰ্কসৰ নীতিসমূহ আওৰাই কবিতা ৰচনা কৰে। ড: হৰনাথ বৰদলৈয়ে ফ্ৰয়েডীয় মনোবিজ্ঞানৰ ওপৰত এলানি প্ৰবন্ধ ৰামধেনুত প্ৰকাশ কৰাৰ পাচত ফ্ৰয়েডৰ জনপ্ৰিয়তা অসমীয়া পঢ়ুৱৈ সমাজত অভাৱনীয়ৰূপে বৃদ্ধি পায়। তেওঁৰ মতে আধুনিক কবিতাত অসমীয়া পঢ়ুৱৈ সকলে নিজকে দেখিবলৈ নোপোৱাটোৱে আধুনিক কবিতাৰ দুৰ্বোধ্যতাৰ এটা প্ৰধান কাৰণ।

মুক্তক ছন্দ, ছবিবাদ, প্ৰতীকবাদ আদিৰ ওপৰত বিশেষ···বিশ্লেষণৰ আজি প্ৰয়োজন নাই। ছবিৰ ক্ষেত্ৰত ইংৰাজী ছবিবাদী কবিসকল বিশেষকৈ হিউম, পাউণ্ড আৰু ইলিয়ট আৰু প্ৰতীকৰ ক্ষেত্ৰত টি, এচ

ইলিয়ট আমাৰ আধুনিক কাব্যত মুখ্য ভূমিকা গ্ৰহণ কৰিছে বিশেষতঃ 'এজৰা পাউণ্ড আৰু ইলিয়টে আমাৰ কাব্যৰ মুখ্য প্ৰেৰণা বুলি ঠাৱৰাব পাৰি। সেইদৰে মুক্তক ছন্দও ইংৰাজী ছৱিবাদী কবিসকল আৰু আধুনিক বঙালী কবিসকলৰ যুটীয়া প্ৰেৰণাৰ ফলত আমাৰ কাব্যত প্ৰৱেশ কৰে। ৰবীন্দ্ৰনাথে যাক শব্দ কিছুমানৰ স্তুপেৰে নিৰ্মিত "বেৰা ভাঙা ছন্দ" বুলি আখ্যা দিছিল সেই ছন্দৰ ৰবীন্দ্ৰনাথৰ বলাকা ছন্দৰ পাচতো চন্দ্ৰধৰ বৰুৱাই 'গীতা' শীৰ্ষক কবিতা এটাত আৰু শশীকান্ত গগৈয়ে "মিলনৰ দিনা"ত পাতনি মেলে। তাৰ পাচত মহেশ্বৰ নেওগৰ ১৯৪১ চনৰ বাঁহীত প্ৰকাশিত 'অন্ত্যজা'ই আনুষ্ঠানিকভাবে মুক্তক ছন্দৰ প্ৰবৰ্ত্তন কৰে। নেওগে 'অন্ত্যজা'ৰ লগত বঙালী সাহিত্যত ইয়াৰ বিকাশ আৰু অসমীয়া সাহিত্যৰ সংৰক্ষণ-শীলতা সম্পৰ্কে লিখা ভূমিকাটোৰে মুক্তক ছন্দ জনপ্ৰিয় কৰাৰ প্ৰথম প্ৰচেষ্টা। নেওগৰ কবিতাটিৰ অংশ বিশেষ আবৃত্তি কৰিব পৰি—

আজিও মনত পৰে
তই
শিশিৰৰ নিশা সমাপ্তিৰ
বাস্তৱৰ পঙ্কভেদি উঠা ব্যথাক্লিষ্ট
পদুম সপোন
লক্ষ্মীহীনা সৌন্দৰ্যৰ লখিমি গোসানী।

(অন্ত্যজা)

মুক্তক ছন্দ সম্পৰ্কে কোনোটো বুঢ়ী আইৰ সাধুৰদৰে আওপুৰণা যেন অনুমান হয়। জ্যোতিপ্ৰসাদ আগৰৱালাৰ ভাষাত আজিৰ কবিতাৰ ছন্দ যেনিবা "খোজ কঢ়া ছন্দ"। মুক্তক ছন্দ প্ৰবৰ্তনৰ লগে লগে অসমীয়া পঢ়ুৱৈ সমাজত যথেষ্ট আলোড়নৰ সৃষ্টি হৈছিল। দুৰবাই ইয়াৰ প্ৰতিবাদ কৰি কৈছিল "ইংৰাজী কবিতাৰ মুক্তক ছন্দ মই বুজি পাওঁ। কিন্তু অসমীয়া কবিতাৰ মুক্তক ছন্দৰ ভবিষ্যত সম্পৰ্কে মই সন্দিহান। মুক্তক ছন্দৰ নিজস্ব ৰীতি আছে। কিন্তু আমাৰ কেইজনে সেই ৰীতি আহৰণ কৰিব পাৰিছে?' চেণ্ডবাৰ্গৰ 'Grass' শীৰ্ষক কবিতা এটিৰ দৃষ্টান্ত দাঙি ধৰি দুৰবাই ইংৰাজী আৰু অসমীয়া মুক্তক ছন্দৰ মাজত থকা ব্যৱধান পঢ়ুৱৈ সমাজক দেখুৱাই দিছিল। এই ছন্দ যুদ্ধত অমলেন্দু গুহই দুৰবাৰ পক্ষ লৈছিল আৰু মহেন্দ্ৰবৰাদেৱে দুৰবাৰ দৃষ্টিভঙ্গীক 'লতা কটা বণৰ' লগত তুলনা কৰিছিল। শশীকান্ত গগৈৰ 'মিলনৰ দিনা' প্ৰকাশ হোৱাৰ পাচত ঠিক এনেধৰণৰ সমালোচনাই ভুমুকি মাৰিছিল—

নাই ছন্দ, নাই ৰাইম, নাই ৰিথম
প্ৰজাইকৰ ডোখৰে ডোখৰে কাটি
নামটোহে ৰাখিছে কবিতা
নাই তাত মিউজিক শব্দৰ ঝঙ্কাৰ
কবিতা দেবীৰ পদৰ ৰুণু ৰুণু
নেপুৰৰ ধ্বনী
আছে মাথো ৰাস্তা ভৰি দাঁত মেলি থকা
ভগা ছিগা শিলৰ টুকুৰা
ফাঙ্কা আৱাজ! ফাঙ্কা আৱাজ!

স্পন্দিত গদ্যৰ বিস্তৰ প্ৰয়োগৰ কথা আধুনিক কবিতাৰ পাঠক মাত্ৰেই জানে। মাত্ৰ এটা কথা এই প্ৰসঙ্গত উনুকিয়াই দিয়া উচিত হব আৰু সেইটোৱেই ডুবেলৰ ভাষাত চিমান্টিক ডিষ্টাৰ্বেন্স (Semantic disterbance) বুলি জনা যায়। ফ্ৰয়েডৰ সপোন বিশ্লেষণ, আইনষ্টাইনৰ আপেক্ষিকতাবাদ, হাইজেনবাৰ্গৰ অনিৰ্ণেয়বাদ আদিৰ প্ৰভাবত ইংৰাজী কাব্যভাষাৰ যি পৰিবৰ্তন হ'ল সি অনুকৰণৰ যোগেদি আমাৰ কাব্যত প্ৰবেশ কৰিলে। ইংৰাজী কবিতাৰ দৰে আমাৰ ভাষাতো বাক্যত কৰ্তা, কৰ্ম আৰু ক্ৰিয়াৰ মাজত বিসঙ্গতি, ইটো স্তবক সিটো স্তবকৰ মাজত বিসঙ্গতি অথবা কিতাপ এখন আৰু তাৰ অংশসমূহৰ মাজত বিসঙ্গতি দেখা যায়। আমাৰ কাব্যত এই বিসঙ্গতি অনুকৰণ প্ৰসূত। কিছুমানে চাঞ্চল্যৰ সৃষ্টি কৰাৰ বাবেও ইচ্ছাকৃতভাবে এনে বিসঙ্গতিৰ অৱতাৰণা কৰে। সেইদৰে কাব্যৰ ভাষাও এক বিৱৰ্তনৰ মাজেদি বাগৰি আহিছে। বৌদ্ধিক চিন্তাধাৰা প্ৰকাশৰ বাবে অনুৰূপ শব্দসম্ভাৰৰ আৱশ্যক হোৱাত আমাৰ কবি মানসে সংস্কৃত শব্দ, তত্ভৱ শব্দ আৰু ইংৰাজী শব্দৰাশিৰ বিপুল প্ৰয়োগ কৰা দেখা গৈছে। ইলিয়টৰ Waste landৰ প্ৰভাব নতুন কাব্য ভাষাত অতি স্পষ্ট।

———

অসমীয়া কবিতাৰ ছন্দ

।। ১৯৪২ পৰা ।।

ডঃ মহেন্দ্ৰ বৰা

চল্লিশৰ দুৱাৰদলি গচকি উঠাৰ পাচতে অসমীয়া কবিতাত ঋতু-পৰিৱৰ্তনে দেখা দিয়ে। ঋতুৰ লগতে ৰীতিৰো পৰিৱৰ্তন ঘটিল। অকল ৰীতিয়েই নহয়, ছন্দৰূপৰো। যোৱা ডেৰ কুৰি বছৰৰ ভিতৰত অসমীয়া কবিয়ে ছন্দৰ নানা পৰীক্ষা-নিৰীক্ষা চলালে। ষাঠিৰ কেঁকুৰি পাৰ হৈ, সেই ছন্দ অসমীয়া কবিতাৰ চিনাকি সুৰ হৈ পৰিছে। এতিয়া অসমীয়া কবিয়ে অন্তৰৰ বাণীক কবিতাৰ ৰূপ দিবলৈ ভাল পায়, হয় মুক্তক ছন্দত নহয়, স্পন্দিত গদ্যত।

অৱশ্যে অশ্ৰদ্ধা নেদেখুৱাকৈ ক'ব পাৰি, দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা'ৰ ছন্দ অসমীয়া কবিতা-জগতত বেলিকৈ প্ৰকাশ পালে। যুগৰ পৰিৱৰ্তনে এবিধ নতুন ধৰণৰ ছন্দ বিচৰাটো অস্বীকাৰ কৰাৰ উপায় নাই। কিন্তু, বৰুৱাৰ কবিতাৰ স্থিতিস্থাপক ছন্দযতিৰ ভেঁটিত নিৰ্মাণ কৰা ছবি আৰু লেচাৰীৰ ছন্দ গচকি অহা যুগৰ কাৰণেহে উপযোগী ছন্দ। সেই-বাবেই, বৰুৱাৰ প্ৰবহমান ত্ৰিপদী অনুকৰণ কৰা কবিৰ সংখ্যা মাথোন এজন—'পৰিমল'ৰ কবি বিমল শইকীয়া। প্ৰবহমান ত্ৰিপদীৰ ছন্দসংগীত বিচিত্ৰ সুৰৰ ঐক্যতান ধৰ্মী। কিন্তু, বিয়াল্লিশৰ বিপ্লৱৰ অন্তত দেশজুৰি হতাশাৰ চল আহিছে। দ্বিতীয় মহাসমৰৰ মাৰ যাৰ খোজা চৌখোৰে অসমৰ সীমান্ত কোবাই গৈছেহি। এনে এটা সময়ত ইমান ঐশ্বৰ্যময় ছন্দসংগীত গ্ৰহণ কৰিবলৈ অসমীয়া কবিতা স্বাভাৱিকতে অপ্ৰস্তুত।

এনে এক যুগৰ পৰিপ্ৰেক্ষিতত্তে তেতিয়াৰ দুজন তৰুণ কবিৰ আগমন ঘটিল। এজন হ'ল হেমবৰুৱা (জন্ম ১৯১৫-) আৰু অমূল্য বৰুৱা (১৯২২-৪৬)। দুয়োজন কবি সমকালীন ইংৰাজী সাহিত্যত ধনক

লগাই থকা 'কবি আৰু পণ্ডিত'ৰ লেখীয়া কবি। দুয়োজনে চেষ্টা কৰিলে, কবিতাক ছন্দবন্ধনৰপৰা মুক্তি দিব লাগে। দুয়োজনৰ ছন্দ-আদৰ্শ আছিল, হুইটমেনৰ 'পেশীবহুল, মাংসল আৰু স্ফীত ভাষাৰ ছন্দ। দুয়োজনৰ ভিতৰত অমূল্য বৰুৱাৰ ছন্দ নিঃসন্দেহে অধিক পেশীবহুল আছিল। তেওঁ লিখিলে,

আৰু এই সংগ্ৰামলিপ্ত কামনাৰ আগত উদ্ঘণিত
খাকী জীৱনবিলাকৰ উন্মত্ত কাম-বুভুক্ষাৰ পথত
তাই এক সামাজিক শৃংখলাৰ শাসক।
কিন্তু সমাজৰ ধৰণীৰ দলেই তাইক ভয় কৰে
আটাইতকৈ বেচি;
দেশদ্ৰোহী, জাতিদ্ৰোহী, সমাজদ্ৰোহী তাই,
অগ্নিক সাক্ষী কৰি লোৱা কত পতিব্ৰতা স্ত্ৰীৰ
মদ্যপায়ী জন্তু স্বামীৰ তায়ে সৰ্বনাশৰ হেতু।
॥ বেশ্যা ॥

কৰ্কশ গদ্যধৰ্মী শব্দ-সংযোজন, কথাৰ ভাষাৰ স্বাভাৱিক বাক্য-বিন্যাস, চৰণৰ অনিৰ্দিষ্ট বন্ধন আৰু যতিৰ অপৰিমিত অৱস্থানেৰে সৈতে অসমীয়া কবিতাৰ জগতত এয়া একেবাৰে অচিনাকি বস্তু।

ইয়াৰো আগতে ১৯৪১ চনতে 'আৱাহন'ত মহেশ্বৰ নেওগৰ 'অন্ত্যজা' নামৰ এটি কবিতা প্ৰকাশিত হৈছিল। কবিতাটোৰ দুৰাবদলিত নেওগে এখন জাননী আঁৰি দিছিল, কবিতাটো মুক্তক ছন্দৰ নমুনা বুলি। দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা'ৰ ছন্দ যেনেকৈ বেলিকৈ ওলাইছিল, মহেশ্বৰ নেওগৰ এই 'মুক্তক ছন্দ'ও তেনেকৈ সময় নৌ হওঁতেই ওলাইছিল। প্ৰকৃততে, নেওগে মুক্তক ছন্দ বুলি যতিপ্ৰান্তিক ছন্দৰ পৰা আঁতৰি যোৱা আটাইবোৰ ছন্দৰূপকে সামৰি লৈছিল। সেয়েহে, সলসলীয়াকৈ আচল বাতৰিটো দিয়া নহ'ল — 'অন্ত্যজা' স্পন্দিত গদ্যৰহে নমুনা-কবিতা। 'জয়ন্তী'ৰ পাতত এইবিধ ছন্দৰে উজান উঠিছিল। কিন্তু, ভৱানন্দ দত্ত আৰু কেশৱ মহন্তৰ বাহিৰে জয়ন্তী যুগৰ আন কবিসকলৰ হাতত স্পন্দিত গদ্যই ৰসোত্তীৰ্ণ ৰূপ লাভ কৰিব পৰা নাছিল।

স্বাধীনতা-লাভৰ পাচত, এটা নীৰৱ দাবী উথালি উঠিল—কবিতা লাগে, যি কবিতা বাস্তৱবিমুখ নহয় অথচ শিল্পৰূপবৰ্জিতো নহয়। কাৰণ,

গঠনপ্ৰৱণ যুগ এটাত, তাৰ আপেক্ষিক শান্ত পৰিবেশৰ মাজত পাঠক-মহলে কবিতাৰ বাণীত আৰু ছন্দৰ নিৰ্মাণ কৃতিত কালাপাহাৰী মনোভংগীৰ প্ৰতি বিম্বাদৰ ভাৱ প্ৰকাশ কৰিবলৈ ধৰিলে। পাঠক যেন কিবা এক ৰূপবৰ্জিত ৰূপক ছন্দ বুলি গ্ৰহণ কৰিবলৈ মুঠেই প্ৰস্তুত নহয়। নেতিৰ নীতিত নিৰ্ভৰশীল ৰূপৰ সলনি সময়ৰ প্ৰতি সঁহাৰি জনোৱা ছন্দ-ৰূপহে লাগে। সেই যুগ মোহভংগৰ যুগ, মুক্তিৰ প্ৰতি তীব্ৰ ব্যাকুলতাৰ-যুগ। গতিকে, কবিতাৰ ছন্দৰূপতো তাৰ প্ৰতিফলন হ'ব লাগে। ইতিহাসৰ এই প্ৰত্যাহ্বানৰ প্ৰতি সঁহাৰি জনালে, দেৱকান্ত বৰুৱাৰ 'আমি দুৱাৰ মুকলি কৰোঁ'ৰে। ১৯৪৮ চনত 'পচোৱা'ত প্ৰকাশিত এই কবিতা-টোৱে অন্ততঃ ছন্দৰ ক্ষেত্ৰত এখন দুৱাৰ মুকলি কৰি দিলে। কোনো অতিৰঞ্জনৰ আভাৰ নোহোৱাকৈ ক'ব পাৰি, ইয়াৰ ছন্দই অসমীয়া ছান্দ-সিক বুৰঞ্জীত মুক্তক ছন্দৰ প্ৰথম উকলি-জোকাৰ। 'সাগৰ দেখিছা'ৰ কবিৰূপে তেওঁৰ বিপুল খ্যাতি আৰু এই নতুন কবিতাটোৰ সন্ধানী ছন্দস্পন্দ আৰু স্থিতিস্থাপক ছন্দবন্ধৰ হৰগৌৰী-মিলনে আগত যুগৰ কবিসকলক বাটৰ সঠিক সন্ধান যোগাই দিলে।

এদল নতুন কবিৰ আগমন ঘটিল। এওঁলোকৰ প্ৰত্যেকেই বিশ্ব-বিদ্যালয়ৰ পোহৰ পোৱা কবি। দেশ-বিদেশৰ কবি-পৰম্পৰাৰ লগত এওঁলোকৰ পৰিচয় অতি নিবিড়। এওঁলোকে কেৱল যে ইলিয়ট আৰু স্পেণ্ডাৰৰ কবিতা গিলিয়েই সন্তুষ্ট হৈছিল, এনে নহয়। লগতে ভাৰতীয় আধুনিক ভাষাসমূহৰ কাব্য-সাহিত্যত মুক্তক ছন্দৰ ওপৰত চলা পৰীক্ষা-নিৰীক্ষাসমূহো অতি সন্তৰ্পণে অধ্যয়ন কৰিছিল। মুক্তক ছন্দত কবিতা লিখিবলৈ লোৱা এই কবিসকলৰ দৰেই কথাৰ ভাষাৰে কবিতা লিখাত অভ্যস্ত কবিসকলেও কথাছন্দৰ অন্তৰালত থকা ধ্যান-ধাৰণাসমূহ ভালকৈ আয়ত্ত কৰিবলৈ চেষ্টা কৰিলে। ইউৰোপীয় আৰু মাৰ্কিন কাব্য-জগতত সাৰ্থক স্পন্দিত গদ্যৰ প্ৰৱৰ্তনকাৰী মানসচিত্ৰবাদী কবিসকলক জানিবৰ চেষ্টা কৰোঁতেই স্পন্দিত গদ্যৰ বিপুল সম্ভাৱনাৰ বিশাল দিগন্ত তেওঁলোকৰ সমুখত উদ্ভাসিত হৈ পৰিল। আনহাতে, ভাৰতীয় সাহিত্য-জগতত কবি-গুৰু ৰবীন্দ্ৰনাথে কোন কাহানিবাই কথাৰ ভাষাৰ ছন্দৰ সম্পৰ্কে কিছুমান অতি ইংগিতময় কথা লিখি থৈ গৈছিল। সেইবোৰৰ অধ্যয়নেও কথা-ছন্দৰ এক স্পষ্ট আদৰ্শ তেওঁলোকৰ সমুখত দাঙি ধৰিলে। সময়ত সেই বাটেৰে গৈ এদল কবিয়ে কথাছন্দক এটা বিশিষ্ট শিল্পৰূপ দান কৰিলে।

॥ ২ ॥

যতিপ্ৰান্তিক ছন্দৰ অতিনিয়মিত বান্ধোনবপৰা ওলাই অহাৰ প্ৰয়াসতেই অমিত্ৰাক্ষৰ ছন্দৰ জন্ম। উল্লেখযোগ্য যে, ছান্দসিকৰ দৃষ্টিত ই অমিত্ৰাক্ষৰ নহয়, অমিত্ৰাক্ষৰহে। প্ৰতি চৰণৰ শেষ দলকেইটাৰ মিল থকা-নথকাৰ লক্ষণটো অলংকাৰশাস্ত্ৰৰ কাৰণে যিমান গুৰুত্বপূৰ্ণ, ছন্দশাস্ত্ৰৰ কাৰণে সিমান গুৰুত্বপূৰ্ণ নহয়। কাৰণ, মিল থকা তথাকথিত অমিত্ৰাক্ষৰ ছন্দৰ কবিতাও বহুত আছে। উদাহৰণ স্বৰূপে, সিংহদত্ত দেৱ অধিকাৰীৰ 'মেঘদূত' নামৰ কবিতাটো। যি কি নহওক, অমিত্ৰাক্ষৰ ছন্দৰ পৰা মুকলিৰ পিনলৈ আৰু এখোজ আগবঢ়ালেই মুক্তক ছন্দ পোৱা যায়। অমিত্ৰাক্ষৰ ছন্দত আছে, ছন্দস্পন্দৰ মুক্ত প্ৰদক্ষিণ—ছন্দবন্ধৰ সাঁচটো পয়াৰৰ পৰিমিত ৰূপৰ। মুক্তক ছন্দৰ ক্ষেত্ৰত ছন্দবন্ধও মুকলি — ধৰাবন্ধা সাঁচ বুলিবলৈ একো নাই। সাঁচটো বাহিৰৰ পৰা জাপি দিয়া বস্তু নহয়, মুক্ত কাব্য-চিন্তাৰ প্ৰয়োজনত ভিতৰৰ পৰাহে গঢ় লৈ উঠা বস্তু। এই কথাষাৰকে এগৰাকী ইংৰাজ ছান্দসিকে এইদৰে কৈছে, "প্ৰতিবাদ ছন্দস্পন্দৰ বিৰুদ্ধে নহয় ; ছন্দস্পন্দৰ ওপৰত জাপি দিয়া ছন্দবন্ধৰ আটিল সাজটোৰ বিৰুদ্ধেহে।"

এইখিনিতে ছন্দৰ মূল উপকৰণসমূহৰ সম্পৰ্কে থূলমূলকৈ আলোচনা কৰি ল'বলগীয়া হয়। তাকে নকৰিলে ওপৰ চকুৱাকৈ কৈ দিবলৈ ছল লাগি পৰে — মুক্তক ছন্দত লিখা কবিতাবোৰৰ ছন্দই নাই! ছন্দৰ মূল উপকৰণ হ'ল পৰ্ব আৰু উপপৰ্বক আশ্ৰয় কৰি ধ্বনিত হোৱা প্ৰাথমিক ছন্দস্পন্দ। চাৰি মাত্ৰাৰ পৰা সাত মাত্ৰাৰ স্তোকত পোৱা ধ্বনিপুঞ্জৰ কম্পনেই এই প্ৰথমিক ছন্দস্পন্দ। ই জানিবা এটা কম্পমান কথাৰ ঢৌ। এনেকুৱা কেইখাটাও ঢৌ সমান জোখৰ হওঁক নাইবা অসমান জোখৰ হওক, এটা নিয়ম মানি সজাই গ'লেই ধ্বনিপ্ৰবাহৰ এটা বৃহত্তৰ স্পন্দন পোৱা যায়। ইয়াৰে ছন্দবন্ধৰ ৰূপটো হ'ল চৰণ। আকৌ, চৰণবোৰ কিবা এটা নিয়মেৰে সজাই ল'লেই পোৱা যায়, স্তবক। কেতিয়াবা গোটেই কবিতা-টোৰেই এটা সামগ্ৰিক ছন্দস্পন্দৰ প্ৰকাশ হ'ব পাৰে। তাৰ নিদৰ্শন হ'ল চনেট। চনেটৰ গঢ়ত এই আটাইখিনি ছন্দস্পন্দৰ অতিনিয়মিত প্ৰদক্ষিণ পোৱা যায়। সেইবাবেই, চনেটত ছন্দৰ স্থাপত্যৰ দিশটো আটাইতকৈ নিটোল। আটাইতকৈ শিথিল স্থাপত্যৰ ছন্দসজ্জাই হ'ল, মুক্তক। কাৰণ, ইয়াৰ স্তবকৰে নহয়, আনকি চৰণবো পৰিমিত ৰূপ নাই। কিন্তু, মুক্তকে পৰ্ববদ্ধ নামৰ প্ৰাথমিক ছন্দস্পন্দ অস্বীকাৰ নকৰে। বহুত

বান্ধোনৰ পৰা ই নিজকে মুক্ত কৰি ল'লে। পৰ্ববন্ধৰ নিয়মিত বিন্যাসেৰে ৰচিত চৰণবন্ধ, চৰণৰ নিয়মিত বিন্যাসেৰে ৰচিত স্তৱকবন্ধ, আৰু চৰণান্তিক মিলৰ অলংকৰণ — এই সকলোবোৰ বন্ধনৰপৰাই ই মুক্ত। ইতিবাচক ৰূপত সংজ্ঞা দিব পাৰি, বিষম ৰূপকল্পত বিন্যস্ত অসমপংক্তিক ছন্দসজ্জাই মুক্তক।

এইখিনিতে ইংৰাজী ছন্দ দৰ্শনৰ সংক্ৰমনত গঢ়ি উঠা আন এটা ভুল ধাৰণাৰ পৰাও মুক্ত হৈ লোৱা উচিত হ ব। মুক্তক ছন্দ নামটো যিটো ইংৰাজী আৰু মূল ফৰাচী নামৰ ভাঙনি, সেই মূল নামটোৱে কথাৰ ভাষাত ৰচিত ছন্দকো সামৰি লয়। কবি টি. এছ. ইলিয়টে তিনিবিধ মুক্তক ছন্দৰ কথা উল্লেখ কৰিছে। এবিধ তেওঁৰ নিজৰ বিধ, য'ত "অমিতাক্ষৰ ছন্দৰ চৰণবন্ধৰে বিস্তৃত, সংকুচিত আৰু ছিন্নভিন্ন ৰূপ" পোৱা যায়। দ্বিতীয় বিধ এজ্ৰা পাউণ্ডৰ কবিতাৰ, য'ত "ছন্দসজ্জা বাক্স্পন্দৰ ওপৰত প্ৰতিষ্ঠিত"। আৰু তৃতীয় বিধ হুইটমেনৰ কবিতাৰ. "পেশীবহুল, মাংসল আৰু স্ফীত" ভাষাৰ ছন্দ। মুক্তক ছন্দৰ এই অতি ব্যাপক আৰু শিথিল সংজ্ঞা বৰ্তমানে অপ্ৰচলিত হৈ আহিছে। নকলেও হব, পাচৰ দুবিধ কথাৰ ভাষাৰহে ছন্দ। এইষাৰ কথা ইংৰাজ ছান্দসিকসকলে গ্ৰহণ কৰি লোৱা কথা। প্ৰথম বিধ ছন্দসজ্জাৰো অসমীয়া প্ৰতিৰূপৰ বেলেগ নাম এটা আছে, ছিন্ন অমিতাক্ষৰ। বঙালী ছান্দসিকসকলে ইয়াৰে নাম থৈছে, গৈৰিশ ছন্দ — গিৰিশ চন্দ্ৰৰ নাটকীয় সংলাপত প্ৰয়োগ কৰা ছন্দ। অমিতাক্ষৰ ছন্দৰে ভাৱৰ যোঁও ধৰি ধৰি চৰণবোৰ সজাই গলেই এইবিধ ছন্দ পোৱা যায়।

প্ৰশ্ন উঠে. তেনেহলে অসমীয়া মুক্তক ছন্দ কোন বিধ? সেইবিধেই, যাৰ কথা মন্টগোমাৰী বেলজিয়নে এইদৰে কৈছে, "ই এনে ধৰণৰ ছন্দসজ্জা, য'ত দুই বা ততোধিক প্ৰকাৰৰ পৰ্ববন্ধ মিহলি হৈ থাকে, নাইবা ছন্দগত বাধানিষেধৰ অতিক্ৰমণ ঘটে, নাইবা নিৰ্দিষ্ট ৰূপকল্পৰ পৰিবৰ্তে স্থিতিস্থাপক ছন্দস্পন্দৰ প্ৰয়োগ কৰা হয়।" নিদৰ্শন দাঙি ধৰিলে, বুজিবলৈ সহজ হব। যেনে:

> শিমলু ফুলৰ সঁও / পিয়লাত এপিয়লা / ৰঙীণ ধঁৰৰ
> পলাশৰ / আধাজলা / জুইৰে তপত
> মহুৰ টোঁভত কৰা / যেন অতি মৰমৰ / উমসনা / কুহুমীয়া
> চাহ এপিয়লা /
> মই বাচোঁ / পৃথিৱীক / অন্যপূৰ্বা / এই পৃথিৱীক

৬

জাবৰ খেমালি / শেষ কৰি / আনিবানে / হে পৃথিৱী
বন্ধুৰ দুৱাৰদলি / অপেক্ষাৰে / কৰিবা মধুৰ
চিৰদিনে / চিনি পোৱা / অচিনাকি / প্ৰেমিকৰ বাবে
মই যাব / আনিছোঁ খবৰ

।। নৱকান্ত বৰুৱা : চকুপানী—ফাগুনৰ ।।

এয়েই মুক্তক ছন্দ। ইয়াত চাৰি, ছয় আৰু আঠ মাত্ৰাৰ বিভিন্ন পৰ্ববন্ধ খেলিমেলিকৈ মিহলি হৈ আছে। অসমপংক্তিক চৰণবন্ধই ছন্দগত বাধা-নিষেধ অতিক্ৰম কৰি গৈছে, চিৰাচৰিত ছন্দৰ স্তবকৰ ঠাই লৈছে ছান্দিক-অনুচ্ছেদে। শেষত, বিভিন্ন ধৰণৰ পৰ্ববন্ধৰ বিন্যাসগত কোনো নিৰ্দিষ্ট ৰূপকল্প নাই; আছে এটা ভাৱৰ খেও ধৰি চলা ছন্দস্পন্দৰ স্থিতিস্থাপক ৰূপ।

চল্লিশৰ দশকতে নহ'লেও, পঞ্চাশৰ দশকৰপৰা এতিয়ালৈ ৰূপে-ৰসে মনোৰম হৈ উঠা এই নতুন ছন্দৰ বুৰঞ্জী দাঙি ধৰাৰ আগতে আৰু কেইটামান তত্ত্বকথা ব্যাখ্যা কৰি লোৱা প্ৰয়োজনীয়। প্ৰথম কথাষাৰ হ'ল, বিভিন্ন পৰ্ববন্ধৰ বিচিত্ৰ চৰণাঙ্গ আপাতদৃষ্টিত ৰূপহীন ৰূপৰ চাকনৈয়াত মেলি দিয়াৰ উদ্দেশ্য কেৱল নেতিবাচকৰূপে একেসুৰীয়া পুনৰাবৃত্তিৰ পৰা মুক্তি প্ৰদানেই নহয়। জীৱনৰ জটিল অভিজ্ঞতাৰ নিষ্ঠা-পূৰ্ণ ৰূপায়ণৰ ইতিবাচক উদ্দেশ্যই অন্তৰালত থকা আচল কথা। সঁচা কথা, ই সংস্কৃত ছান্দসিকৰ 'পদ্যং চতুষ্পদী'ৰ আদৰ্শ ক'ৰবাতে এৰি থৈ আহিছে। কিন্তু, বিংশ শতিকাৰ নন্দনতত্ত্ববিদৰ সৌন্দৰ্যতত্ত্বও কেৱল সৌষম্যৰ আদৰ্শত প্ৰতিষ্ঠিত নহয়। যেনেহে, আলডুছ হাক্সলিৰ দৰে ৰসিকজনৰ দৃষ্টিত তাজমহলতকৈ জয়পুৰৰ ৰাজপ্ৰাসাদৰ সৌন্দৰ্য অধিকতৰ। এখন ছুৰী-কটাৰীৰে তাজমহলটোক এচপৰা গোট-মাখনৰ দৰে চাৰি টুকুৰাকৈ কাটি উলিয়ালে, মাখোন এটুকুৰাৰ সোৱাদ ললেই অন্তৰৰ ৰসনা পৰিতৃপ্ত হোৱাৰ সম্ভাৱনা। কাৰণ, এক-চতুৰ্থাংশ তাজৰ যি ঠাইত এটা গম্বুজ আছে, এখন জালিকটা খিৰিকী আছে আৰু কাষতে যিমান দূৰত এজোপা দেৱদাৰু আছে, আন তিনিওটা অংশতো ঠিক সেই ঠাইতে অবিকল একেধৰণৰ এটা গম্বুজ, এখন খিৰিকী আৰু এজোপা দেৱদাৰু আছে। সেইকাৰণেই, হাক্সলিৰ দৃষ্টিত তাজমহলৰ সৌন্দৰ্য নিষ্প্ৰাণ। যতিপ্ৰান্তিক কবিতা যদি তাজমহল মুক্তক ছন্দৰ কবিতা তেনেহলে জয়পুৰৰ ৰাজপ্ৰসাদ।

জয়পুৰৰ ৰাজপ্ৰাসাদতো আছে, বিচ্ছিন্ন অংশৰ সৌষম্য ছন্দ। মুক্তক ছন্দতো আছে। মাজে মাজে অবাক হৈ যাব লাগে, চিনাকি দুলড়ীৰ সুহুৰি শুনি, চিনাকি ভগ্ন ছবিৰ সিঞ্চাৰি দেখা পাই। তলৰ কবিতা দুফাকি পঢ়ি চাওঁ:

১। হে নৰজাতক, আগত যুগৰ স্বপ্নসাধনা ৰত
ধৰজেউতিৰ বোবা যন্ত্ৰণাৰ শেষ হ'ক, হ'ক শেষ।
উষাৰ পোহৰ স'তে এটিবাৰ চকুৰ পাপৰি
মেলা।
উজাগৰ গাৰু নালাগে তিয়াব তপত চকুৰ লোৰে।

।। নৰকান্ত বৰুৱা : স্বপ্নগন্তব ।।

২। মহুৰা বনৰ বাট প্ৰাণৰ জোৱাৰ লাগি
উপচি উঠক। তোমাৰ অহাত গোপ
আকাশৰ হালধীয়া জোন সাক্ষী ৰ'ক।

।। হৰি বৰকাকতি : সন্ধি ।।

কবিতা দুফাকিয়ে চকুক ফাকি দিব পাৰে, কিন্তু কাণক ফাকি দিব নোৱাৰে। পঢ়ি গ'লে শুনিবলৈ পাওঁ,

হে নৰজাতক আগত যুগৰ
স্বপ্নসাধনা ৰত,
ধৰজেউতিৰ বোবা যন্ত্ৰণাৰ
শেষ হ'ক, হ'ক শেষ।
উষাৰ পোহৰ স'তে এটিবাৰ
চকুৰ পাপৰি মেলা,
উজাগৰ গাৰু নালাগে তিয়াব
তপত চকুৰ লোৰে।

চিনাকি দুলড়ীৰ চিনাকি সুহুৰি— 'পদুম ফুলৰ পাপৰি নহয় পাপৰি প্ৰাণৰ মোৰ'। আনটো কবিতা পঢ়ি গ'লে শুনো,

মহুৰা বনৰ বাট প্ৰাণৰ জোৱাৰ লাগি
উপচি উঠক।
তোমাৰ অহাত গোপ আকাশৰ হালধীয়া
জোন সাক্ষী ৰ'ক।

এয়াও ভগ্ন ছবিৰ সিঞ্চাৰি, ঠিক জানিবা দেৱকান্ত বৰুৱাৰ 'পৃথিৱী' কবিতা-টোৰ প্ৰতিধ্বনি—'পদুমৰ পাহি সৰে বসন্ত লেৰেলি পৰে মাৰ যায় তৰা'। মুক্তক ছন্দৰ কবিতাত এনেকুৱা চিনাকি ছন্দসজ্জাই মাজে মাজে ভুমুকিয়াই যায়। মাথোন গোটেই কবিতাটো একেবিধ ছন্দসজ্জাত পোৱা নেযায়।

প্ৰশ্ন উঠিব পাৰে, তেনেহ'লেনো মুক্তক ছন্দৰ কবিসকলে এনেবোৰ চিনাকি ছন্দসজ্জাৰ চৰণ-সমূহ ভাঙি-ছিঙি চিনিব নোৱাৰা কৰাতকৈ চিনাকি ৰূপতে তুলি নধৰে কিয়? আচলতে কোনো কবিয়েই ইচ্ছা কৰি দুলড়ীৰ দুফাকি, ছবিৰ চাৰিফাকি আৰু পয়াৰৰ দুফাকি মুক্তকৰ খাজে খাজে সুমুৱাই নিদিয়ে। ই হ'ল , কবি-কল্পনাৰ শিখৰলোকত বাণীৰ স্পন্দনে নিজে নিজে ধৰা দি যোৱাৰ সাধু। কোনোজন কবিয়েই সচেতনভাৱে মুক্তকৰ দীৰ্ঘ-বাণিত পয়াৰ নাইবা দুলড়ীৰ দুফাকি-এফাকি বন্দী কৰিবৰ চেষ্টা নকৰে। দ্বিতীয়তে, যদি কোনোবা কবিয়ে স্থিতিস্থাপক ৰূপৰ মাজলৈ নিয়মিত ৰূপ এটা আহি পৰাৰ কথা উমান পায়ো, তথাপি সমগ্ৰ বস্তুটোৰ নিজস্ব ৰূপৰ খাতিৰতে তাক নিৰূপিত ৰূপত তুলি ধৰিবলৈ চেষ্টা নকৰা-টোৰেই শিল্পগত ঐক্যৰ দাবী হৈ উঠে। এইখিনিতে টি. এছ্. ইলিয়টৰ আৰু এষাৰ কথালৈ মনত পৰে। তেওঁৰ মতে, মুক্তক ছন্দৰ অন্তৰালত আছে, "নিৰ্জীৱ ৰূপৰ বিৰুদ্ধে বিদ্ৰোহ আৰু এক নতুন ৰূপৰ প্ৰস্তুতি; জাতিৰূপৰ আভাস দিয়া বাহ্যিক ঐক্যৰূপৰ বিৰুদ্ধে প্ৰতিটো কবিতাৰ বৈশিষ্ট্যজ্ঞাপক অন্তৰ্লীণ ঐক্যৰূপৰ ওপৰত গুৰুত্বপ্ৰদান।" সহজ ভাষাত ক'বলৈ হলে, পূৰ্বনিৰ্দিষ্ট ৰূপৰ পৰিবৰ্তে স্পন্দনশীল ৰূপৰ নিৰন্তৰ বৈচিত্ৰই হ'ল, মুক্তক ছন্দৰ বিচিত্ৰ ৰূপায়ণৰ গোপন সাধু।

॥ ৩ ॥

মুক্তক ছন্দই তাৰ আপোন সুৰলয়িত ৰূপটো বিচাৰি পালে, প্ৰথমতে নৱকান্ত বৰুৱাৰ কবিতাত। ১৯৫০ চনৰ প্ৰথম ছোৱাত প্ৰকাশিত হ'ল, তেওঁৰ 'হে অৰণ্য, হে মহানগৰ'। নতুন কাব্য-চিন্তা, নতুন কাব্য-ৰূপ আৰু নতুন আংগিকেৰে সমৃদ্ধ ইয়াৰ কবিতা সমূহ ছন্দৰ ফালৰপৰাও নতুন আছিল। ছন্দক তেওঁ চিৰাচৰিত ছন্দবন্ধৰ বান্ধোনৰ পৰা মুকলি কৰি মাথোন প্ৰাথমিক ছন্দস্পন্দৰ স্পন্দন-মাধুৰ্যৰ ওপৰত প্ৰতিষ্ঠিত কৰিলে। তেতিয়াৰ কবিতাবোৰৰ ছন্দ আছিল, ছিল্ন অমিত্ৰাক্ষৰৰ পৰা মাথোন এখোজহে দূৰত। দৃষ্টান্ত স্বৰূপে, —

আকাশ ফুলৰ / ইমান পাপৰি /
উপনিষদৰ ইংগিত /
বতাহ জোনাক। ঢৌ আৰু তৰা।
মৃত্যু-শীতল / সুপ্তিৰ নিচুকণি /
টোপনিৰ হিম / চকুৰ পাহিত কঁপে /
ৰাতি তিৰবিৰ / সপোন নিবিড় /
মাণিকতলাৰ খাল /

।। নৱকান্ত বৰুৱা : সৰ্বং প্ৰাণ এজতি ।।

এয়া হ'ল, ইলিয়টে কোৱা "অমিত্ৰাক্ষৰ ছন্দৰ চৰণবন্ধৰে বিস্তৃত, সংকুচিত আৰু ছিন্ন-ভিন্ন ৰূপ"। ছিন্ন অমিত্ৰাক্ষৰৰ লগত ইয়াৰ পাৰ্থক্য এইখিনিতে যে, ইয়াৰ প্ৰবহমানতা প্ৰচ্ছন্ন পয়াৰ নহয়, প্ৰচ্ছন্ন ত্ৰিপদীৰহে। দুলড়ীৰ ৬.৬.৮. আৰু ছবিৰ ৮.৮.১০ৰ পৰ্ববন্ধসমূহেই ইয়াৰ প্ৰতিটো চৰণৰ উপকৰণ।

পৰৱৰ্তী কালত নৱকান্ত বৰুৱাই দীৰ্ঘ পয়াৰ আৰু চৌপদী ছন্দ-সজ্জাৰো ভগা-ছিগা ৰূপ লৈ একেধৰণৰ সাৰ্থক পৰীক্ষা চলালে। তাৰ নিদৰ্শণ পোৱা যায়, ক্ৰমে 'সকলো নগৰ আৰু সকলো চহৰ' আৰু 'প্ৰাৰ্থনা : আকাশৰ প্ৰতি : খিৰিকীৰে' কবিতা দুটাত। উল্লেখযোগ্য যে, নৱকান্ত বৰুৱাৰ মুক্তকত দুবিধ ছন্দৰীতি প্ৰয়োগ কৰা দেখা যায়—মাত্ৰাবৃত্ত আৰু যৌগিক।

নৱকান্ত বৰুৱাৰ প্ৰায়বোৰ মুক্তক ছন্দৰ কবিতা আন এটা কালৰূপৰ ছিন্ন অমিত্ৰাক্ষৰৰ সমগোত্ৰীয়। তেওঁৰ মুক্তকত পূৰ্ণযতিৰ অৱস্থান সদায় কোনো নহয় কোনো দৃশ্যমান চৰণৰ অন্তত্হে নিৰ্দিষ্ট হয়। ছিন্ন অমিত্ৰাক্ষৰতো এইদৰে পূৰ্ণযতি আৰু পূৰ্ণছেদৰ সহাৱস্থান লক্ষ্য কৰা যায়। অৱশ্যে, 'মহাকাব্যৰ পাণ্ডুলিপি' কবিতাটো এই নিয়মৰ বিৰল ব্যতিক্ৰম।

হৰি বৰকাকতিৰ মুক্তক ছন্দত কিন্তু এই ব্যতিক্ৰমেই নিয়ম হৈ উঠিছে। তেওঁৰ ছন্দত অন্তঃযতি আৰু সচেতন প্ৰবহমানতাৰ প্ৰয়োগ অভাবিতৰূপে বেচি। দৃষ্টান্ত স্বৰূপ,

জীৱন সাঁকোতে ক'বে নো নাৰিকে মুকুতা বিচাৰি পাই
চমকি থমকি ৰ'ল। কোনো নাই, নাই,। সাৰে আছে ৰাখো
হেজাৰ প্ৰিয়াৰ চকুৰ লোতক গোটা বাৰি হোৱা

আকাশৰ চেঁচা জোন। কত বাটৰুৱা এই বাটে গ'ল
কতবাৰ আহি পজা সাজি ৰ'ল তোমাৰ মৰমী ছাঁত
সীমা জানো আছে তাৰ।
চাকিৰ শিখাত জানো চগাৰ হিচাপ লিখা থাকে!

।। হৰি বৰকাকতি : প্ৰিয়াৰ চিঠি ।।

পূৰ্ণচ্ছেদ সমূহৰ অৱস্থানলৈ চালেই বুজিব পাৰি, তেওঁৰ ছন্দত যতি আৰু ছেদৰ পৰস্পৰস্পৰ্শী ৰূপটো কেনেকুৱা। এইফালৰ পৰা চালে, হৰি বৰকাকতিৰ মুক্তক ছন্দ বিশুদ্ধ অমিতাক্ষৰৰ সমগোত্ৰীয়। তেওঁৰ কবিতাত তীব্ৰ আবেগময় ভাষা আৰু সংলাপধৰ্মী ভাষাৰ মিশ্ৰণৰ বাবেই অন্তঃযতি প্ৰয়োজনীয় হৈ উঠে। খুব সম্ভৱ, ইয়াৰ অন্তৰালত কাব্য আৰু গদ্যৰ ভাষাৰ মাজৰ ব্যৱধান দূৰ কৰাৰ ইচ্ছা এটাও প্ৰকাশ পায়। কাৰণ, অমিতাক্ষৰৰ দৰে নিৰূপিত সাঁচৰ চৰণসজ্জা ৰক্ষা কৰাৰ প্ৰয়োজনীয়তা যেতিয়া নাই। অন্তঃযতিৰ প্ৰয়োগ তেওঁ অনায়াসে বাদ দিব পাৰিলেহেঁতেন।

ইতিহাসৰ পটভূমিত বিবেচনা কৰি চালে, হৰি বৰকাকতিৰ এনেকুৱা মুক্তক ছন্দৰ ৰূপটো চল্লিশৰ দশকত 'বাঁহী'ৰ পাতত প্ৰকাশ পোৱা মহেশ্বৰ নেওগৰ এটা বিশেষ ধৰণৰ পৰীক্ষামূলক অমিতাক্ষৰ কবিতাৰে বিবৰ্তিত ৰূপ যেন লাগে। দৰাচলতে, নেওগৰ 'অন্ত্যজা' কবিতাটোতকৈ সেই কবিতাটোহে ছন্দ-বুৰঞ্জীৰ ফালৰ পৰা বেচি উল্লেখযোগ্য। দৃষ্টান্ত স্বৰূপে,

তোমাৰ পদূলি পাওঁতেই মই, বলিল মলয়া-
ছাটি, হঠাতেই। গধূলি-গোপালে ওৰণি গুচাই
কৰিলে কটাক্ষপাত তীব্ৰগন্ধী হাচুনা-হানাৰ
খোপাৰ মাজৰ আতৰৰ সাঁচতীয়া সঁফুৰাটি কাঢ়ি
সন্ধিয়াৰ দুষ্ট মলয়াই বাটে-পথে দিলে ছতিয়াই।
পদূলিৰ স্থল-পদ্মপাহি মাটিলৈ'ই পৰিল বাগৰি
চকুৰ আগতে মোৰ।

।। অন্তৰৰ শান্তি-ফুল বঙা-ক'লা পৰি ।।

তেতিয়ালৈকে দীৰ্ঘ পয়াৰৰ চৰণ-বন্ধক আশ্ৰয় কৰি অমিতাক্ষৰ ছন্দ ৰচনা কৰাৰ কথা কোনেও কল্পনা কৰা নাছিল। সেইকালৰ পৰা এই কবিতা-

টোৱেই প্ৰথম পদক্ষেপ। মন কৰিবলগীয়া যে, ইয়াৰে কেইটিমান চৰণে দীৰ্ঘ পয়াৰৰ ১৮ মাত্ৰাৰ সীমা অতিক্ৰম কৰি গৈছে। নেওগৰ ক্ষেত্ৰত, খুব সম্ভৱ, স্বৰবৃত্তৰ ভংগীয়ে এইবোৰ চৰণত অনুপ্ৰৱেশ কৰিছে। হৰি বৰকাকতি মুক্তক ছন্দৰ ৰূপত এইবিধ অমিতাক্ষৰৰে উত্তৰসাধক। তেওঁৰ কবিতাত অতিক্ৰমক চৰণসৰ্জা নিয়মীয়া আৰু সচেতন বহিৰংগ হৈ পৰিল। উল্লেখযোগ্য যে, উত্তৰকালত তিনিজন কবিৰ হাতত নেওগে সৃষ্টি কৰিবলৈ বিচৰা বিশুদ্ধ যৌগিক ৰীতিৰ দীৰ্ঘ অমিতাক্ষৰে নিটোল ৰূপ লাভ কৰিলে। সেই তিনিজন কবি হ'ল, অমলেন্দু গুহ, হোমেন বৰগোহাঞি আৰু ধীৰেশ্বৰ বৰুৱা। তেওঁলোকে এই ছন্দৰ আধাৰতে কেইটামান ভাল চনেট লিখি উলিয়ালে।

চনেট বুলিলেই মিলৰ প্ৰশ্নটো গুৰুত্বপূৰ্ণ হৈ পৰে। মিল যদিও মূলতঃ অলংকাৰশাস্ত্ৰৰে উপকৰণ, ছন্দশাস্ত্ৰৰ দৃষ্টি-ভংগীত ইয়াৰ দুটা গুৰুত্ব-পূৰ্ণ দিশ আছে। নিৰ্মাণ-সম্পৰ্কিত দিশত, মিলে পদ-চৰণ আদি ছন্দগত বিভাজন সূচনা কৰে আৰু সিবোৰৰ থূপ একোটা স্পষ্টকৈ নিৰ্দেশ কৰে। সংগীত-সম্পৰ্কিত দিশত, মিলে ধ্বনিবিশেষৰ পুনৰাবৃত্তিৰে সহৃদয় হৃদয়ৰ সূক্ষ্মতন্ত্ৰীত সংবেদনৰ সুৰ জগাই তোলে। মুক্তক ছন্দৰ কবিয়ে অন্ত্যমিল বৰ্জন কৰি ছন্দ-মাধুৰ্যৰ এক শক্তিশালী উপকৰণৰ আশ্ৰয় হেৰুৱাই পেলালে। সেই হিচাপে, মুক্তক ছন্দৰ কবিৰ ক্ষেত্ৰত ছন্দ-নিৰ্মাণৰ কাম অধিক আয়াস-সাধ্য হৈ উঠিল। মিল দিব নোৱাৰি তেওঁ মিল নিদিয়াকৈ নেথাকে। কিন্তু, মিলক তেওঁলোকে কবি মিল্টনৰ ভাষাত 'খেলিমেলি ভাব আৰু সোলোক-ঢোলোক ছন্দৰ খঞ্জ চৰণ'ৰ দুৰ্বল আশ্ৰয় হিচাপে ব্যৱহাৰ কৰিবলৈ নিবিচাৰে। প্ৰতিটো শব্দৰ নিজস্ব ধ্বনিমাধুৰ্য পৰিপূৰ্ণৰূপে প্ৰকাশ কৰিব পৰাতেই তেওঁলোকৰ ছন্দ-নিৰ্মাণৰ চৰম সফলতা। অন্ত্যমিলৰ ক্ষতি তেওঁলোকে পূৰাই লয়, স্বৰসংহতি, অনুপ্ৰাস আৰু অন্তঃমিলৰ সাৰ্থক সংযোজনেৰে।

ষাঠিৰ দশকত হোমেন বৰগোহাঞিয়ে কেইটামান কবিতাৰ ছন্দত মিল প্ৰয়োগ কৰি দেখুৱালে। দৃষ্টান্ত স্বৰূপে,

> জীৱনত কোনোদিন মোৰ আইতাই
> পচাশালি দেখা নাই,
> পাৰ হোৱা নাই কোনোদিন নিজৰ গাঁৱৰ ঠেক সীমা।
> কিন্তু কতদূৰ সমুদ্ৰৰ অগাধ নীলিমা,

অনন্ত শুভ্রতা চিৰ-তুষাৰৰ,
আসমুদ্র হিমাচল ভাৰতবৰ্ষৰ,
আইতাৰ পৰিচিত। ক'ত সিহঁতৰ স্থান
ভূগোলত, আইতাৰ নাই সেই জ্ঞান।

॥ হোমেন বৰগোহাঁঞি : মোৰ আই ॥

এয়া গতানুগতিক যতিপ্রান্তিক ছন্দৰ চিৰ পৰিচিত মিল নহয়! এই মিলৰ আদর্শ সম্পূর্ণৰূপে বেলেগ। ইয়াৰ লগত ছন্দ-স্থাপত্যৰ কোনো সম্পর্ক নাই। বৰং, অপৰিমিত জোখৰ চৰণে চৰণে যি বৈপৰীত্য, সেই বৈপৰীত্যৰ পটভূমিত মিলৰ ঐক্যতান। মিল আৰু ছন্দস্পন্দ দুয়োটাই অপৰিমিত জোখৰ খেও ধৰি নিজৰ বাটেৰে বাট বুলিছে। পূর্ণযতিত আহি যেতিয়া দুয়োটাই ইটোৱে সিটোক সিগাৰি দিছে, তেতিয়া সি বৈচিত্র্যৰ আনন্দ যোগাইছে। মাজে মাজে, যেনে উপান্ত চৰণটোত, পূর্ণযতিতো দুয়োটাৰে মিল নথটাৰ বাবে বিস্ময়ৰো সঞ্চাৰ হৈছে। এই বোৰেই হ'ল, মুক্তক ছন্দৰ নিজস্ব ৰীতিৰ অলংকৰণ।

॥ ৪ ॥

যোৱা ডেৰ কুৰি বছৰৰ ভিতৰত অসমীয়া ছন্দৰ বুৰঞ্জীত মুক্তক ছন্দৰ পাচতে যিটো নতুন ছন্দৰ সুঁতিয়ে গা কৰি উঠিছে সি হৈছে--স্পন্দিত গদ্য। এমি লাৱেল নামৰ এগৰাকী মাৰ্কিণ কবি-সমালোচকে ইয়াৰ সংজ্ঞা এইদৰে নিৰূপণ কৰিছে, "বাক্‌স্পন্দৰ ওপৰত প্রতিষ্ঠিত ছন্দই স্পন্দিত গদ্য"। ছন্দ আৰু গদ্য দুয়োটা পৰস্পৰবিৰোধী বস্তু। গতিকে, অসমীয়া ছন্দৰ ৰাজ্যলৈ ইয়াৰ আগমণৰ ঐতিহাসিক দিশটো আলোচনা কৰাৰ আগতে এই কথাৰ ভাষাত লিখা ছন্দ বিধৰ তাত্ত্বিক দিশটো আলোচনা কৰি লোৱা উচিত হব।

যদিও বহুতো ইংৰাজ ছান্দসিকে মুক্তক ছন্দ নামটোৰে স্পন্দিত গদ্যকো সামৰি লৈছে, দৰাচলতে স্পন্দিত গদ্য মুক্তক ছন্দৰ দূৰ সম্পৰ্কৰো বিং নহয়। দুয়োটাৰে ভিতৰত মূলগত পাৰ্থক্য আছে। মুক্তক ছন্দই ছন্দবন্ধৰ পূর্বনির্দিষ্ট ৰূপকল্পহে পৰিহাৰ কৰিছে, স্পন্দিত গদ্যই ছন্দবন্ধকে অস্বীকাৰ কৰে। সেই হিচাপে স্পন্দিত গদ্য যে মুক্তক ছন্দৰ দৰে এবিধ বিশেষ ধৰণৰ ছন্দসজ্জা নহয়েই, আনকি ছন্দ-ৰীতিও নহয়। ইয়াৰ জাতিয়েই

বেলেগ বুলি ক'ব পাৰি। প্ৰশ্ন উঠে, কোনো বাক্যোন নোহোৱাকৈ ই জানো ছন্দ হ'ব পাৰে? কাৰণ, ছন্দ বুলিলেই বাক্যোন আৰু কঁপনি এই দুয়োটা উপাদানেই কিবা নহয় কিবা এক পাৰস্পৰিক অনুপাতত থাকিবই লাগিব। পৃথিৱীৰ বোধকৰোঁ আদিতম কবিজনে ছন্দৰ সংজ্ঞা-টোৱেই দিছে তেনেকুৱাকৈ,—

পাদবদ্ধোঽক্ষৰ সমস্তন্ত্ৰীলয় সমন্বিতা।
শোকাৰ্তস্য প্ৰবৃত্তো মে শ্লোকো ভবতু নান্যথা॥

॥ ৰামায়ণ, আদিকাণ্ড ২.১৭ ॥

আচলতে, স্পন্দিত গদ্যৰো ধ্বনিৰ সমাৱেশত বাক্যোন আৰু কঁপনি দুয়োটাই আছে। মাথোন সেই বাক্যোন আৰু কঁপনিৰ প্ৰকাৰ বেলেগ।

নিত্যদিনৰ কথাৰ ভাষাৰ বি উপলা নদীৰ গতি আৰু তাৰ প্ৰৱাহত নিশ্বাস আৰু প্ৰশ্বাসৰ প্ৰয়োজনীয়তাই বি যতিৰ আভাস আনি দিয়ে, সেয়ে তাৰ কঁপনি আৰু বাক্যোন। এই সন্দৰ্ভত এমি লাৱেলে আৰু এষাৰ উল্লেখযোগ্য কথা কৈছে, "ইয়াৰ ব্যষ্টি দল (syllable) নাইবা কলা (mora)ৰ লেখত যেনেকৈ নাই, পৰ্ব আৰু চৰণৰ জোখতো তেনেকৈ নাই। ইয়াৰ ব্যষ্টি হ'ল, আবৰ্ত (strophe)— যাৰ প্ৰকাশ হ'ব পাৰে সম্পূৰ্ণ কবিতাটোৱেই নাইবা তাৰ অংশবিশেষ।" শেষৰ শাৰী কথাৰ ব্যাখ্যাটো এনেকৈ দিব পাৰি,— ইয়াৰ জোখ আছে, লেখ নাই : আয়তন আছে, ব্যষ্টি নাই। কথাষাৰ বুজি পাবলৈ হ'লে, স্পন্দিত গদ্যৰ এটা স্তৱক পাঠ কৰি চাব পাৰি, —

অৱশেষত শিলৰ এটা খোবোঙৰ পৰা
পৃথিৱীৰ ওপৰেদি
এটা শুকান কাহ বতাহত বৈ গ'ল।
আৰু চেঁচা পৰ্বতত খুন্দা খাই
টুকুৰাটুকুৰ হৈ সৰি পৰিল
চৰি থকা এজাক ভেঁৰাৰ নোমৰ অন্ধকাৰত।

॥ নীলমণি ফুকন কবিতা : কেৱল কবিতাৰ শব্দ ॥

ইয়াৰ প্ৰতিটো চৰণ নিৰ্মিত হৈছে, এটা সম্পূৰ্ণ বাক্যখণ্ডেৰে নাইবা তাৰ অংশবিশেষেৰে। তেনেকুৱা বক্যখণ্ড নাইবা ভগ্ন বাক্যখণ্ডৰ বি আয়তন,

তাৰ কোনো মাত্ৰাপৰিমাণ নাই। অতি যেচি কৰ পাৰি দীঘল অথবা চুটি। চৰণে-চৰণে যি সম্পৰ্ক, হয়তো সমান আয়তনৰ সৌষম্যমণ্ডিত সুৰ-সমলয়ৰ নাইবা অসমান আয়তনৰ বিৰুদ্ধধৰ্মী সুৰৰ ঐক্যতান। এই-খিনিকে লৈ একো একোটা আৱৰ্ত। হৃদয়ক জয় কৰিব খোজে, তাৰ মৃদু গুঞ্জনমাধুৰ্যই নাইবা গম্ভীৰ কলতানে। গঠন-বিন্যাসৰ ফালৰ পৰা স্পন্দিত গদ্যৰ মূল কথা ইমানখিনিয়েই। মাত্ৰাহীন, পৰ্বহীন এই ছন্দৰ ছন্দো-বিশ্লেষণ অনিবাৰ্য ভাৱেই অসম্ভৱ।

কথাৰ ভাষাক উপকৰণ স্বৰূপে লৈ ছন্দ-নিৰ্মাণৰ অন্তৰালত যি দৰ্শন আছে, তাৰ যোগান ধৰিছিল কবিগুৰু ৰবীন্দ্ৰনাথে। তেওঁৰ মতে, কথাৰ ভাষাতো বিজুলীৰ চিক্‌মিকনিৰ দৰে ছন্দৰ স্পন্দনে প্ৰায়েই ৰেঙাই যায়। কথাষাৰ এগৰাকী মাৰ্কিণ মনস্তত্ত্ববিদ্ ব'ল্টনে গৱেষণাগাৰত পৰীক্ষা কৰি চাইছে। ছন্দৰ প্ৰৱণতা জৈৱিক ধৰ্মৰে প্ৰকাশ। তেওঁ বহুতকে খেলিমেলিকৈ ভৰিৰ খোজ পেলাবলৈ দি চাই দেখিলে, এটা সময়ৰ মূৰকত আপোনা-আপুনি সেই ভৰিৰ খোজবোৰ প্ৰায় নাচৰ দৰে নিয়মীয়া আৰু ছন্দময় হৈ নপৰে। কথাৰ ভাষাতো একেষাৰ কথাই সঁচা। সেইবাবেই, কিছুমান ছান্দসিকে জৈৱিক ছন্দৰ কথা কয়। স্পন্দিত গদ্যৰ ছন্দবন্ধৰ আচল সৌন্দৰ্য এই জৈৱিক ছন্দতে লুকাই আছে। ৰবীন্দ্ৰ-নাথে তেওঁৰ 'ছন্দ' গ্ৰন্থত ইয়াকে উপমাৰে সজাই পৰাই বুনীয়াকৈ কৈছে। মোগল দৰবাৰৰ নটীৰ নৃত্যত যি লয়লাস আছে সেয়া বহু দিনৰ সাধনাৰ ফল। কিন্তু, ঘৰৰ জীয়ৰী বোৱাৰীৰ খোজ কাটলতো ক'ব নোৱাৰা-কৈয়ে নাচৰ আভাস উজলি উঠে। তেনেকুৱাকৈয়ে, মাখোন ভাষা ব্যাকৰণৰ নিয়ম মানি কথাৰ ভাষাতো বিশুদ্ধ ধ্বনিৰ ব্যাকৰণ মানি চলা সুবিন্যস্ত ছন্দৰ ভাষা মাজে মাজে জিলিকি উঠে।

যদিও কথাৰ ভাষাৰে কবিতা লিখাৰ এটি উজ্জ্বল দৃষ্টান্ত আমাৰ সাহিত্যত আছে, তথাপি কথাৰ ভাষাত ছন্দৰ ধ্বনি-মাধুৰ্য ৰচনা অন্য ক'ৰবাতহে বিচাৰি পোৱা যায়। এখন নাটকৰ এটি নিৰ্ভেজাল গদ্য-সংলাপত পাওঁ তেনেকুৱা ছন্দৰ চিক্‌মিকনি,—

> তুমিতো অকলে শুই থকা নাই। তোমাৰ স'তে শত সুন্দৰীৰ সৌন্দৰ্য, শত যৌৱনমুগ্ধা ৰূপহীৰ কামনা, শত প্ৰেমিকৰ আকুল আৱেগ, শত যুৱতীৰ মিলন-বাসনা নিচুক হৈ কোনোবা নজনা-নিচিনা দেশৰ প্ৰাণৰ অতিথিলৈ প্ৰতীক্ষা কৰিছে। সোৱা মই

দেখিব লাগিছোঁ, তোমাৰ মিলন বাসনা তীব্ৰ চকুযুৰিৰে, গৌৰা
যৌৱন মতলীয়া দেহ কাবোবাৰ পৰশ পাবলৈ উত্ৰাৱল, গৌৰা
তোমাৰ প্ৰেম কাবোবাক আৱৰি ল'বলৈ দুকুল ভৰি উপচি উঠিছে।

॥ জ্যোতিপ্ৰসাদ আগৰৱালা : শোণিত কুঁৱৰী ॥

ইয়াৰ কিছুমান বাক্যখণ্ড, বিশেষকৈ প্ৰথম বাক্যটো, সম্পূৰ্ণৰূপে ছন্দময় হৈ উঠিছে। অথচ, ইয়াৰ ছন্দময়তা ভাষাৰ কাব্যিকতাতকৈ ধ্বনিৰ অনতিনিয়মিত পৰ্ববন্ধহে ফলশ্ৰুতি। ৰবীন্দ্ৰনাথৰ ভাষাত ক'ব পাৰি, এয়া গান নহয় — কিন্তু গানৰ অনুৰাগেৰে ৰঞ্জিত আলাপ।

কথাৰ ভাষাৰ স্পন্দনটো যে ছন্দৰ স্পন্দনৰ পৰা বেলেগ, সেয়া বুজিবলৈ হ'লে এই পৰীক্ষামূলক কবিতাটো পঢ়ি চাব পাৰি :

মৰমৰ সোণজনী,
তোমাৰ চিঠিয়ে দিয়া ধুনীয়া খবৰটিয়ে
মনটো বুইছা মোৰ উগুল-থুগুল কৰি দিলে।
কিবাকিবি কথাবোৰ — ধুনীয়া ধুনীয়া কথা —
ভাবি ভাবি আবেলিটো
ধুনীয়াকৈ পাৰ হৈ গ'ল।
কিনো নাম থ'বা বাৰু ?
মালবিকা ? মধুমালা ?
সেই নামবোৰ চোন আজিকালি ভালকৈ নেলাগে।
কবিতা-কবিতা লগা অসমীয়া নামবোৰ
নেওগে থ'লেই।
তোমাৰ ল'বাহে হ'ব। ইমান যে আমনি কৰিব।-

॥ নৱকান্ত বৰুৱা : সন্তান ॥

ছন্দোবিশ্লেষ কৰিলে পোৱা যাব, মুক্তক ছন্দৰ অনিয়মিত ৰূপকল্পত থকা চাৰি আৰু ছয় মাত্ৰাৰ নিখুঁত পৰ্ব কিছুমান। কিন্তু, পৰ্বৰ বন্ধনে কথাৰ ভাষাক গানৰ আলাপ কৰি তুলিব পৰা নাই; বৰং, যি আৱৰ্তই ইয়াক স্পন্দিত কৰি তোলাৰ সম্ভাৱনা আছিল সেই সম্ভাৱনাও আধা-বাটৰ পৰা উভতিহে গ'ল। ভাষান্তৰত ক'বলৈ হ'লে, কথাৰ ভাষাই জৈৱিক ছন্দকেই প্ৰাণৰ স্পন্দন বুলি মানি লয়—বাহিৰৰ পৰা জাপি দিয়া কোনো ছন্দকেই গ্ৰহণ নকৰে।

॥ ৫ ॥

গাটেই চল্লিশৰ দশকটোৱেই স্পন্দিত গদ্যৰ ক্ষেত্ৰত নিস্ফল সাধনাৰ দশক। কোনো শিল্পৰূপৰ কোনো লক্ষণ নথকা কবিতাৰ সাজ পিন্ধা এমুঠি প্ৰচাৰগান্ধী শ্লোগানেই এই দশকৰ সম্বল বুলি ক'লে, অকনো অতিৰঞ্জিত কৰা নহয়। ১৯৪৮ চনৰ 'ৰংঘৰ'ত প্ৰকাশ পোৱা 'কন্ধ' নামৰ কবিতাটো একমাত্ৰ ব্যতিক্ৰম। কবিতাটো লিখিছিল, দেৱকান্ত বৰুৱাই। 'সাগৰ দেখিছা'ৰ কবিজনে আকৌ এবাৰ অসমীয়া কবিক সঠিক বাটৰ সন্ধান দিলে।

অৱশ্য, দেৱকান্ত বৰুৱাৰ কবিতাটোৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰাৰ কোনো প্ৰয়োজন নাই। কাৰণ, হেম বৰুৱা আৰু কেশৱ মহন্তই কথাৰ ভাষাৰ ছন্দৰ ওপৰত নিৰলস আৰু নিৰন্তৰ পৰীক্ষা চলায়েই আছিল। সময়ত, কেশৱ মহন্ত মুক্তক ছন্দৰ শিল্পী হৈ পৰিল। হেম বৰুৱা গদ্য আৰু ছন্দৰ চিন-নিচিন সীমান্ত প্ৰদেশতে বৈ গ'ল। পঞ্চাশৰ দশকত তেওঁ কেইটিমান সাৰ্থক স্পন্দিত গদ্যৰ কবিতা ৰচনা কৰি উলিয়ালে। দৃষ্টান্ত স্বৰূপে,

> সিদিনা আছিল কাতিৰ কুঁৱলী সনা কোমল পুৱা।
> পদূলিত তলসৰা শেৱালিবোৰ উপচি আছিল।
> আৰু সন্ধিয়া?
> মই তোমালোকৰ ঘৰলৈ ন-কৈ আহিবৰ দিনা?
> আকাশৰ মেঘৰ মোহনাত
> হালধীয়া জোনটো নাওখন হৈ
> আমাক যে বিঙিয়াই মাতিছিল,
> তৰাৰ দেশলৈ'ই।
>
> ॥ হেম বৰুৱা : মমতাৰ চিঠি ॥

এয়া নিৰ্ভেজাল নিত্যদিনৰ কথাৰ ভাষা। সেই ভাষাতেই ছন্দই চিক্‌মিকাই গৈছে। ইয়াৰ লগত আগতে উধৃত কৰি অহা শোণিত কুঁৱৰী'ৰ সংলাপটোৰ বৰ বেচি ব্যৱধান নাই। ব্যৱধান এইখিনিতেই যে, সংলাপটোৰ পাচৰ ছোৱা বাক্ষোন-নমনা বিধৰ হৈ পৰিছে। কিন্তু, এই কবিতাটোৰ প্ৰতিটো অংশতে অনতিনিয়ন্ত্ৰিত বাক্ষোন আৰু সংযত শব্দগ্ৰন্থনৰ আভাস আছে।

নৱকান্ত বৰুৱা একান্তভাবেই মুক্তক ছন্দৰ কবি। মাজে মাজে তেওঁৰ স্পন্দিত গদ্যৰ 'সিজু কাঁইটৰ দেশ'ত পাক মাৰি অহাৰ অভ্যাস। তেনে ধৰণৰ কবিতাবোৰত স্পন্দিত গদ্যৰ ভাল নিদর্শন পোৱা যায়। যেনে,—

এদিন আমি নাৱেৰে গৈছিলোঁ
গংগাৰ বুকুৰে
ছিৰাজৰ কবৰৰ ওপৰেদি ওলাইছিল
আবকালিৰ হালধীয়া জোনটো।
মনত আছে আমি কথা পাতিবৰ চেষ্টা কৰিছিলোঁ।
বতাহে আমনি কৰা নাছিল যদিও
কোনেও কাৰো কথা শুনা নাছিলো —
আকাশখন কেনেকুৱা আছিল মনত নাই।
॥ নৱকান্ত বৰুৱা : এদিন আমি নাৱেৰে ॥

লক্ষ্য কৰা যায়, নৱকান্ত বৰুৱাৰ স্পন্দিত গদ্যত প্ৰায়েই শেষ আবৰ্তটো পূৰ্ণ হৈ পৰাৰ পাচত সম্পূৰ্ণ ঠৰত্তা ধৰণৰ কথা এফাকি জুৰি দিয়া থাকে। যেন, কবিতাটো পদ্যৰ নহয়, গদ্যৰহে —সেই কথাষাৰৰ মোহৰ মাৰি দিয়া কাৰবাৰ।

ষাঠিৰ দশকৰ পৰা যিজন কবিয়ে অসমীয়া ছন্দ-বুৰঞ্জীত স্পন্দিত গদ্যৰ নিৰলস সাধনাৰে উৎকৃষ্টতম নমুনাবোৰ দাঙি ধৰিছে, তেওঁ হ'ল—নীলমণি ফুকন। তেওঁৰ স্পন্দিত গদ্যৰ ৰচনাসমূহতে সেই গুণবোৰ পাওঁ যিবোৰ গুণৰ কথা মানসচিত্ৰবাদী কবি-ছান্দসিকসকলে বহুবাৰ কৈছে। এমি লাৱেলৰ ভাষাত, "প্ৰত্যাৱৰ্তনৰ গুণ····· ভাবসাম্য, যাৰ পৰিণতি কাণৰ কাষত গানৰ গুণ-গুণনি।" নক'লেও হ'ব, 'প্ৰত্যাৱৰ্তন' হ'ল এটা প্ৰদক্ষিণৰ ইংগিতবহ শব্দ। এই কবিজনৰ এটা কবিতা পঢ়ি চাওঁ,—

গোটেই আঘোণ মহীয়া ৰাতিটো
ইন্দ্ৰমালতী ফুলবোৰে কান্দি আছিল ;
উঠি গৈ দেখিলোঁগৈ'
গাঁৱৰ এটা গধূলিৰ দৰে
তোমাৰ হাঁহিটো
তমালজোপাত ওলমি আছে।
॥ নীলমণি ফুকন : বিভিন্ন কবিতা ॥

মাথোন দুটা আবর্তত সম্পূর্ণ এই কথাৰ ভাষাত বন্দী হৈ আছে, এখন ছবি। ছবিখনেই ছন্দৰ আশ্রয় নহয়; বৰং ছন্দইহে, তাৰ স্পন্দনেহে ছবিখনক এটা গতিৰ ৰূপ দান কৰিছে।

নীলমণি ফুকনৰ কবিতাত স্পন্দিত গদ্যই তাৰ সাৰ্থকতম ৰূপ লাভ কৰিছে, কবিৰ শব্দচয়ণৰ গভীৰ সতৰ্কতাৰ কাৰণে। প্ৰথম ডোখৰত তেওঁ মানসচিত্ৰবাদী কবিসকলৰ দৰে এখন ছবি আঁকিয়েই ক্ষান্ত আছিল। কিন্তু, পাচৰ ডোখৰত তেওঁ শব্দৰ বিশুদ্ধ ধ্বনিৰূপৰ অন্বেষণ কৰিবলৈ লৈছে। পল ভেলেৰীয়ে কৈছিল, "কবিতা ধাৰণাৰে লিখা নহয়, শব্দ-ৰেহে লিখা হয়।" লগে লগে স্পন্দিত গদ্যৰ সমুখত ছন্দৰ এখন নতুন দুৱাৰ মুকলি হৈ পৰিছে। শব্দক যেতিয়াই অৰ্থৰ সংকেতবাহক হিচাপে নলৈ, বিশুদ্ধ বস্তু হিচাপে গ্ৰহণ কৰা হ'ল, তেতিয়াই অৰ্থ-গৌৰৱবিহীন নিৰ্ভাৰ শব্দ বিশুদ্ধ ধ্বনিৰ গৌৰৱেৰে মণ্ডিত হৈ উঠিল। স্পন্দিত গদ্যৰ আচল স্পন্দন মাধুৰ্য শব্দৰ বিশুদ্ধ ধ্বনিৰূপতেই নিহিত হৈ আছে। নীল-মণি ফুকনে সত্তৰৰ দশকত এইদৰে স্পন্দিত গদ্যৰ নতুন সম্ভাৱনা অন্বেষণ কৰিবলৈ লৈছে।

॥ ৬ ॥

অৱশেষত এইখিনি সময়ৰ ভিতৰতে চলা দুটামান ছান্দসিক পৰীক্ষা নিৰীক্ষাৰ কথা উনুকিয়াবলগীয়া হয়। ইউৰোপীয় কবিতাত আৰু দুবিধ ছন্দৰূপে বিস্তাৰ লাভ কৰিছে। এটা হ'ল, উৎক্ষিপ্ত ছন্দ; তেওঁলোকৰ ভাষাত 'স্প্ৰাং ৰিদ্ম'। এই জাতীয় ছন্দৰ কবিতা লিখাত সিদ্ধহস্ত কবি হপকিন্সৰ মতে, ইয়াৰ ছন্দস্পন্দ হ'ল "সাধাৰণ কথকৰা ভাষাৰ আৰু লিখিত গদ্যৰ। আমনি লগাকৈ নিয়মীয়া সংগীতৰ পৰ্যায়ত নপৰা যি কোনো ছন্দস্পন্দ।" এগৰাকী ছন্দ সমালোচকে ইয়াৰ উপকৰণসমূহৰ এখন দীঘল তালিকা দি কৈছে "ছন্দস্পন্দৰ শক্তি আৰু শব্দচয়নৰ ঐশ্বৰ্য বৃদ্ধি কৰিবৰ বাবে ভাষাৰ প্ৰতিটো কৌশলৰ আশ্ৰয় লোৱা হয়। পইন্ট, কাউন্টাৰ পইন্ট, ছেদ, প্ৰবহমানতা, পৰ্বপ্ৰান্তিক, স্পৰ্শস্বৰ, অন্ত্যমিল, অন্তঃমিল, স্বৰসংহতি, অনুপ্ৰাস — এই আটাইবোৰ গোট খাই কবিৰ আল-ফুলীয়া চিন্তাৰ উজ্জ্বল প্ৰৱাহত ভাহি অহা বহুশিৰীয়া ফটিকৰ দৰে জলমলাই উঠে।"

পঞ্চাশৰ দশকত ইয়াৰ ওচৰেদি যোৱা কেইটামান কবিতা হেম বৰুৱা আৰু নৱকান্ত বৰুৱাই ৰচনা কৰিছিল। তেনেকুৱা কবিতাৰে এছোৱা,

জ্ঞানৰ ভঁৰাল পূৰ্ণ / বোধিক্রম / অভিধান / বাতৰি কাকত /
পিটিকা গুদামে দিয়া, লোণ যদি নিদিলাই থাকত /
উল্কাৰ চিঠিত থাকে আচল খবৰ / কি খবৰ, কোনে জানে ?
কাৰ মৃত্যু, কাৰ চিৰ-ভ্ৰমণৰ খুচুৰা খবৰ আনে ;
আচিনাকি লিপি তাৰ / ভাষা ছদ্মবেশী / ব্ৰাহ্মী, হিব্ৰু, আজটেক,
খৰোষ্ঠী, ৰোমান।
পণ্ডিতৰ অভিমান
উল্কাৰ চিঠিয়ে ভাঙে / শব্দকোষ খহি পৰে /
ফেৰাৰ পাণিনি / গ্ৰীম আৰু ভাৰণাৰে কেৱল তৰ্কক কৰে,
উত্তৰ নেপায় /
বাণীকান্ত, সুনীতিৰ কঁপালৰ গাঁঠি খোপা খায়।
॥ নৱকান্ত বৰুৱা : উল্কাৰ চিঠি ॥

এয়া নিঃসন্দেহে মুক্তকো নহয়, স্পন্দিত গদ্যও নহয়। কিন্তু হপকিন্সৰ 'স্প্ৰাং ৰিদম'ৰ কিমান ওচৰ, বিজাই চালেই উমান পোৱা যায় :

Why ? That my chaff might fly ; my grain lie,
Sheer and clear,
Nay in all that toil, that coil, since (seems) I
kissed the rod,
Hand rather, my heart lo ! lapped strength,
stole joy, would laugh, cheer.
Cheer whom though ? the hero whose heaven-
handling flung me, foot trod
Me ? or me that fought him ? O which one ?
is it each one ? That night that year
Of now done darkness I wretch lay wrestling
with (my God !) my God.
॥ Carrion comfort ॥

মন্তব্য সম্ভৱ নিষ্প্ৰয়োজন।

আনবিধ ছন্দ হ'ল, বহুকণ্ঠী গদ্য—ভেৰ্ণেলোকৰ 'পলিফনিক প্ৰ'জ'। এজন কবি-ছান্দসিকে ইয়াৰ সংজ্ঞা দিছে, "ই কবিতাৰ আটাইকেইটা

'কণ্ঠ'ৰে ব্যৱহাৰ কৰে। সেই 'কণ্ঠ' সমূহ হ'ল, যতিপ্ৰান্তিক, মুক্তক, স্বৰসংহতি, অনুপ্ৰাস, মিল আৰু প্ৰত্যাবৰ্তন। ই ছন্দৰ প্ৰতিটো ৰূপ, আনকি স্পন্দিত গদ্যও প্ৰয়োগ কৰে ; মাথোন কোনোটো বিশেষ ৰূপতে বেচিপৰ থমকি বৈ নেথাকে।" তদুপৰি, এইবিধ ছন্দৰ গদ্য ৰচনাৰ দৰেই কাগজৰ আকাৰৰ লগত মিল ৰাখি ইমূৰৰ পৰা সিমূৰলৈ লিখি গ'লেই হয়। কাৰণ, সেয়ে নহ'লে ছন্দোবদ্ধ অংশ আৰু গদ্য-অংশৰ সন্ধিবোৰ মুকলি হৈ পৰাৰ সম্ভাৱনা, সামগ্ৰিক ঐক্যৰূপ ব্যাহত হোৱাৰ সম্ভাৱনা। এই বিষয়ে এগৰাকী ইংৰাজ সমালোচকে বিখ্যাত ধেমেলীয়া মন্তব্য কৰিছে, তাৰ অসমীয়া ৰূপান্তৰ এনেকুৱা হয়, "জানিবা নামটো ৰাজীন্দৰ সিং, দেখাই-শুনাই পাহোৱাল অসমীয়া ল'ৰা, তুমি কৈছা--গুজৰাটী ছোৱালী গিৰীয়েক পাঞ্জাৱী।"

যি কি নহওক, অসমীয়া কবিয়েও ইয়াৰ অক্ষম হওক অথবা বৰং বেচি মনোৰম হওক অনুকৰণ নকৰাকৈ থকা নাই। দিনেশ গোস্বামীৰ 'বৃত্তৰ বাহিৰত' কবিতাটোত এই ছন্দৰূপৰ কিছু ছাঁ পৰিছে। তদুপৰি চল্লিশৰ দশকত ৰচিত হেম বৰুৱাৰ 'আবৰ·দিনৰ সপোন'তো ইয়াৰ ক্ষীণ আভাস এটা নথকা নহয়। এইবোৰ কবিতাক স্পন্দিত গদ্যৰ কবিতা বুলি ক'লে, সূক্ষ্ম তত্বকথাখিনি পাহৰি যোৱাৰ নিচিনা হয়। অথচ, সম্পূৰ্ণৰূপে বহুকণ্ঠী গদ্য বুলি কোৱাৰ পৰিসৰো অতি সংকীৰ্ণ।

উপসংহাৰত ক'বলগীয়া এয়েই যে, অসমীয়া ছন্দৰ বুৰঞ্জীত যোৱা প্ৰায় ডেৰকুৰি বছৰীয়া চুটি কালছোৱাত বিমানখিনি পৰিৱৰ্তনৰ চল বাগৰি গৈছে, ইয়াৰ দীঘলীয়া বাটৰ কোনো এটা যুগতে তেনেকুৱা যুগান্তকাৰী পৰিৱৰ্তনৰ উমান পাবলৈ নাই। ৰমন্যাসিক যুগত মাথোন কিছুমান মিশ্ৰ ছন্দসম্ভাৰহে পৰিচয় পোৱা যায়। তুলনা হ'ব পাৰে, মাথোন ১৬শ শতিকাৰ লগতহে। সেই যুগতে অসমীয়া ছন্দই কেইবাটাও নতুন ৰীতি পালে। সেইবোৰে আমাৰ ৰসজ্ঞানৰ ভেটি কঁপাই দি গৈছিল। তেনেকুৱা কঁপনি এটা এই চুটি কালছোৱাতো অনুভৱ কৰোঁ। কাৰণ, ই আমাক এনেকুৱা কিছুমান ছন্দৰ লগত চিনাকি কৰি দিছে, যিবোৰৰ স্পন্দনৰ ৰূপটোৱেই বেলেগ। উল্লেখযোগ্য যে, স্পন্দন কথাষাৰ আমি গতানুগতিক অৰ্থৰ লয় শব্দটোৰ সলনি প্ৰয়োগ কৰিছোঁ। বংতবে মুখত শুনিবলৈ পাওঁ, এই কবিতাবোৰৰ লয় এটা আছে, ছন্দহে নাই। লয় শব্দটো বিভ্ৰান্তিকৰ। কাৰণ, লয়ৰ প্ৰচল অৰ্থটো সংগীতৰ গতিৰূপ সম্পৰ্কীয়। দ্ৰুত, বিলম্বিত, মধ্য আদি বিশেষণবোৰলৈ মন কৰিলেই

কথাখাৰ বুজিব পাৰি। আকৌ, ছন্দবন্ধই ছন্দৰ গোটেইখিনি নহয়। ছন্দ শব্দটো ছন্দবন্ধ (metre) আৰু ছন্দস্পন্দ (rhythm) দুয়োটাৰে মিলিত ৰূপ। এটা হ'ল, মুক্তিৰ প্ৰতিনিধি ; আনটো সংযমৰ। এই যুগৰ ৰক্তাহত আছে, মুক্তিৰ কামনা। গতিকে, যুগৰ ছন্দৰূপো মুক্তিপ্ৰৱণ আৰু সংযম তাৰ শিথিল। সেইবুলিয়েই, কোনো কবিয়েও কেতিয়াও সকলোবোৰ বান্ধোন সোলোকাই পেলাব নোৱাৰে। বৰং, নতুন নিয়মৰ শিকলি পিন্ধিছে লৱলগীয়া হয়। এই যুগৰ অসমীয়া কবিয়েও পিন্ধিছে।

যুদ্ধৰ পাছৰ অসমীয়া সমালোচনা

শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী

সমালোচনাৰ প্ৰধান ভাগ দুটা—এটা সাহিত্য-তত্ত্ব বিষয়ক আলোচনা আৰু আনটো সাহিত্য-কৃতীৰ গুণাগুণ নিৰ্ণয়ৰ অৰ্থে কৰা আলোচনাত্মক বিশ্লেষণ। প্ৰথমটো তত্ত্বীয় আৰু দ্বিতীয়টো ব্যৱহাৰিক সমালোচনা। যোৱা মহাযুদ্ধৰ সময়ৰে পৰা এই দুয়ো দিশতে অসমীয়া সাহিত্যৰ কিছু অগ্ৰগতি দেখিবলৈ পোৱা যায়। কিন্তু দ্বিতীয় মহাযুদ্ধৰ পিছত মানুহৰ জ্ঞানাকাশৰ দিগন্ত যেনে ক্ষিপ্ৰ গতিত বিস্তাৰিত হৈছে তাৰ তুলনাত আমাৰ উন্নতিৰ গতি যে দ্ৰুত নহয় এই কথা স্বীকাৰ নকৰি উপায় নাই। প্ৰথম মহাযুদ্ধ আৰু দ্বিতীয় মহাযুদ্ধৰ মধ্যৱৰ্তী কালছোৱাত সমাজ আৰু সাংস্কৃতিক জীৱনৰ যিটো গতিবেগ আছিল, দ্বিতীয় মহাযুদ্ধৰ পাছত সি যে দুগুণে বাঢ়িছে এই কথাৰ সাক্ষ্য স্বৰূপে আমি দেখিবলৈ পাওঁ কেইখনমান দেশে বিভিন্ন দিশত লাভ কৰা অপূৰ্ব সাফল্য। এনে সাফল্যৰ গৌৰৱ ভাৰতবৰ্ষই আজিও লাভ কৰিব পৰা নাই, অৱশ্যে গৌৰৱ লাভৰ বাটত খোজ পেলাইছে। ভাৰতৰ লগে লগে অসমেও লাহে ধীৰে বাটত আগুৱাই যাবলৈ চেষ্টা কৰিছে। আন কিছুমান প্ৰাদেশিক সাহিত্যৰ তুলনাত অসমৰ খোজ টিলা হলেও সময়-বালিত সি অস্পষ্ট নহয়।

জোনাকী যুগৰ সময়ৰে পৰা মানবীয় আদৰ্শৰ প্ৰতি আমাৰ লেখকসকল বিশেষভাৱে আকৃষ্ট হৈছে। কিন্তু যুদ্ধোত্তৰ কালৰ লেখকসকলৰ মাজতহে মানৱীয় সমস্যাৰ প্ৰতি প্ৰকৃত আগ্ৰহ বেছি স্পষ্ট ৰূপত দেখিবলৈ পোৱা যায়। সাহিত্যৰ বুকুত জীৱনৰ বিচিত্ৰতা ফুটি নুঠিলে ব্যৱহাৰিক সমালোচনা যে এটা নিৰূপিত বৃত্তৰ মাজতে অৱৰুদ্ধ হৈ থাকে এই কথাত নিশ্চয় দ্বি-মত নাই। জোনাকী যুগ আৰু তাৰ পৰৱৰ্তী কালছোৱাত সৃষ্টি-ধৰ্মী সাহিত্যৰ চং প্ৰায় একেটা ৰূপতে বৈ গ'ল। তাৰোপৰি সাহিত্য-

তত্ত্ব বিষয়ক তেনে উল্লেখযোগ্য গ্ৰন্থও ৰচিত নহ'ল। গতিকে মহাযুদ্ধৰ আগৰ কালছোৱাত সমালোচনাই অসমীয়া সাহিত্যত গা কৰিব নোৱাৰিলে। বাণী কাকতি আৰু ডিম্বেশ্বৰ নেওগৰ কিছুমান আলোচনামূলক প্ৰবন্ধ যুদ্ধ-পূৰ্ব যুগতে ৰচিত হৈছিল। কিন্তু কাকতিৰ "পুৰণি অসমীয়া সাহিত্য" আৰু নেওগৰ "অসমীয়া সাহিত্যৰ ভিনিঙণি" যুদ্ধকালীন প্ৰকাশহে। এই দুয়োখন পুথিৰ প্ৰভাৱ যুদ্ধোত্তৰ যুগতহে ভালকৈ অনুভূত হয়।

যুদ্ধোত্তৰ যুগত কেইবাখনো সাহিত্য-তত্ত্ব বিষয়ক আলোচনা পুথি প্ৰকাশিত হোৱা আমি দেখিবলৈ পাওঁ। বিৰিঞ্চি কুমাৰ বৰুৱাৰ "কাব্য আৰু অভিব্যঞ্জনা", উমা শৰ্মাৰ "কাব্য-ভূমি", ত্ৰৈলোক্যনাথ গোস্বামীৰ "সাহিত্য-আলোচনা", মনোৰঞ্জন শাস্ত্ৰীৰ "সাহিত্য-দৰ্শন", উপেন্দ্ৰনাথ গোস্বামীৰ "ভাষা আৰু সাহিত্য", তীৰ্থনাথ শৰ্মাৰ "সাহিত্য-বিদ্যা পৰিক্ৰমা" প্ৰভৃতি কেইবাখনো উল্লেখযোগ্য পুথি এই কালছোৱাতে ৰচিত হয়। তদুপৰি বিশ্বনাথ কবিৰাজৰ প্ৰখ্যাত অলঙ্কাৰ-গ্ৰন্থ "সাহিত্য-দৰ্পণ"ৰ অসমীয়া অনুবাদো অসম সাহিত্য সভাই ছপা কৰে।

সাহিত্য-তত্ত্ব বিষয়ক আলোচনা পুথিত সাহিত্য সম্বন্ধীয় বিভিন্ন মতবাদ আৰু তাৰ পৰ্যালোচনা সন্নিবিষ্ট হোৱাৰ কাৰণে ব্যৱহাৰিক সমালোচনাৰ ক্ষেত্ৰত এনে পুথিৰ প্ৰভাৱ কিছু নহয় কিছু পৰিমাণে পৰিবলৈ বাধ্য। যেনে ধৰণৰ সমালোচনাই নহওক লাগে, সমালোচকৰ চকুৰ আগত কোনো তাত্ত্বিক আদৰ্শৰ প্ৰভাৱ কম বেছি পৰিমাণে থাকে। এই প্ৰভাৱ তত্ত্বালোচনাৰ সামগ্ৰিক ফলহে, কোনো বিশেষ বিধি প্ৰয়োগৰ প্ৰতি পক্ষপাতিত্ব নহয়।

যুদ্ধোত্তৰ যুগত শিক্ষাৰ সম্প্ৰসাৰণ এটা উল্লেখযোগ্য পদক্ষেপ। এই যুগতে বিভিন্ন অঞ্চলত মহাবিদ্যালয় স্থাপনৰ প্ৰতিযোগিতাই উচ্চ শিক্ষা সহজলভ্য কৰি তোলাৰ উপৰিও জ্ঞান লাভৰ প্ৰতি যে সমাজ বেছিকৈ আগ্ৰহশীল হৈছে তাৰ সাক্ষ্যও বহন কৰে। উচ্চ শিক্ষা সম্প্ৰসাৰিত হোৱাত ইংৰাজী ভাষা সাহিত্যৰ লগত পৰিচিত লোকৰ সংখ্যাও আমাৰ সমাজত বাঢ়ে। তাৰোপৰি এদল লোকে পাশ্চাত্য সাহিত্য গভীৰভাৱে অধ্যয়ন কৰি নতুন সৃষ্টি কাৰ্যত মন মেলে। ইয়াৰ ফলত অসমীয়া সাহিত্য বেছি বৈচিত্ৰ্যপূৰ্ণ হোৱাৰ সুযোগ ঘটে। ৰক্ষণশীল সমালোচকৰ দ্বাৰা সমৰ্থিত নোহোৱা সত্বেও আধুনিক কবিতা প্ৰতিষ্ঠিত হয়, উপন্যাস দুখোজ আগ বাঢ়ে, গল্প আৰু নাটকত নতুন পৰীক্ষা-নিৰীক্ষা দেখিবলৈ পোৱা যায় আৰু সমালোচনাও কিছু পৰিমাণে বিভিন্নমুখী হৈ পৰে।

আধুনিক অসমীয়া সাহিত্য পাশ্চাত্য প্ৰভাৱ-পুষ্ট। সাহিত্য সমালোচনাৰ ওপৰতো পাশ্চাত্য প্ৰভাৱৰ ছাপ গধুৰ। কিন্তু অসমীয়া সমালোচকসকলে সংস্কৃত অলঙ্কাৰ শাস্ত্ৰৰ কিছুমান তত্ত্ব পৰম্পৰাৰ ৰূপত লাভ নকৰাকৈ থকা নাই। অলঙ্কাৰ শাস্ত্ৰৰ ভাল আলোচনা যে অসমত হৈছিল ইয়াৰ প্ৰমাণ আমি নাপাওঁ, কিন্তু ভাব ৰস আদিৰ সাধাৰণ জ্ঞানৰ পৰিচয় আৰু শব্দ আৰু অলঙ্কাৰৰ প্ৰয়োগ প্ৰাক্-বৈষ্ণৱ যুগৰ সাহিত্য সৃষ্টিৰ সময়ৰে পৰা আজিলৈকে আমাৰ চকুত পৰে। যুদ্ধ-পূৰ্ব কালত আৰু যুদ্ধোত্তৰ যুগতো কোনো কোনো সমালোচকে ৰস, বিভাব, অনুভাব প্ৰভৃতি শব্দ ঠায়ে ঠায়ে ব্যৱহাৰ কৰিছে। তথাপি কোনো সমালোচকে ভাৰতীয় অলঙ্কাৰ শাস্ত্ৰৰ তত্ত্বৰ ওপৰত সম্পূৰ্ণৰূপে গুৰুত্ব আৰোপ কৰি সমালোচনাত প্ৰবৃত্ত হোৱা দেখা নাযায়। গতিকে যুদ্ধোত্তৰ যুগৰ সমালোচনাৰ চং মূলতঃ পশ্চিমীয়া সমালোচনাৰ আহিৰ ওপৰত প্ৰতিষ্ঠিত। কিন্তু সমকালীন পৰিস্থিতিত অসমীয়া সমালোচনাৰ এটা নিজস্ব ৰূপ চকুত পৰে। এই সমালোচনাৰ ওপৰত আজিও ক'তো ক'তো পাশ্চাত্য প্ৰভাৱৰ স্পষ্ট স্বাক্ষৰ হয়তো দেখিবলৈ পোৱা যায়। তথাপি ইয়াৰ এটা নিজস্ব বৈশিষ্ট্য গঢ়ি উঠিব ধৰিছে আৰু এই বৈশিষ্ট্য অসমীয়া সাহিত্যত প্ৰতিষ্ঠা লাভ কৰা আলোচনাৰ স্বকীয় ৰূপৰ বৈশিষ্ট্য।

সমাজতাত্ত্বিক আৰু মনোবৈজ্ঞানিক সমালোচনা আধুনিক পাশ্চাত্য সাহিত্যৰ দান। প্ৰাচীন অলঙ্কাৰ শাস্ত্ৰত এনে সমালোচনাৰ উল্লেখ নাই। এই দুয়োধৰণৰ সমালোচনা পদ্ধতিৰ প্ৰৱেশ অসমীয়া সমালোচনাতো ঘটিছে। তথাপি মনোবৈজ্ঞানিক সমালোচনাৰ দৃষ্টান্ত আমাৰ সাহিত্যত বিৰল। অ'ত-ত'ত আন পদ্ধতিৰ সমালোচনাৰ মাজত মনোবৈজ্ঞানিক দৃষ্টিভঙ্গীৰ প্ৰতি সজাগতা লক্ষ্য কৰা যায়। কিন্তু সমাজতাত্ত্বিক সমালোচনাৰ ধৰণৰ আলোচনা ভবানন্দ দত্তৰ অসমীয়া কবিতাৰ বিশ্লেষণত প্ৰথমতে দেখিবলৈ পোৱা যায়। এতিয়া হীৰেণ গোহাঁয়ে এনে ধৰণৰ সমালোচনাত প্ৰবৃত্ত হৈ সাহিত্যকৃতীৰ মূল্যায়ণৰ চেষ্টা কৰিছে। সমাজতাত্ত্বিক সমালোচনাৰ বিশিষ্ট ৰূপ হীৰেণ গোহাঁইৰ আলোচনাৰ মাজত যেনে স্পষ্ট, ভবানন্দ দত্তৰ আলোচনাত সি তেনে অস্পষ্ট।

সমাজতাত্ত্বিক সমালোচকসকলে সাধাৰণতে সামাজিক অৰ্থনৈতিক দিশৰ ওপৰত বেছি গুৰুত্ব দিয়ে। ইয়াৰ ফলত ক'তো ক'তো আলোচ্য সাহিত্য-কৃতীৰ বিশ্লেষণ খণ্ডিত আৰু অসম্পূৰ্ণ হৈ থকা দেখা যায়। যি সামাজিক পটভূমিৰ ওপৰত সৃষ্টিধৰ্মী সাহিত্য ৰচিত হয়, সেই পটভূমিৰ

বিশ্লেষণ আৱশ্যকীয় হলেও এই কথা স্বীকাৰ্য যে সাহিত্য-কৃতীবো একো একোটা নিজস্ব মূল্য আছে আৰু এনে আভ্যন্তৰীণ মূল্যৰ বাবেই কিছুমান সাহিত্য-কৃতী উৎকৃষ্ট আৰু আন কিছুমান নিকৃষ্ট। এখন কাব্য ৰচিত হোৱাৰ মূলতে কবিৰ ওপৰত থকা সামাজিক আৰু সাংস্কৃতিক প্ৰভাৱৰ গুৰুত্ব নিশ্চয় আছে; তথাপি কাব্য বস্তুটো কবি-মানসৰ এক স্বতন্ত্ৰ সৃষ্টি আৰু এই হিচাপে ই অনন্য। এই কাব্য বস্তুটোৰ স্বতন্ত্ৰ বৈশিষ্ট্য বিচৰাৰ প্ৰচেষ্টাৰ উপৰিও তাৰ মূল্য নিৰূপণৰ চেষ্টা সচৰাচৰ সমালোচকে কৰে।

মহেশ্বৰ নেওগৰ সমালোচনাত ঐতিহাসিক চেতনা বেছি পৰিস্ফুট হোৱাৰ কাৰণে তেওঁকো সমাজতাত্ত্বিক আলোচক বুলি কেৱে কেৱে কব পাৰে, কিন্তু আচলতে তেওঁৰ দৃষ্টিভঙ্গী সমাজতাত্ত্বিক নহয়, সৌন্দৰ্য সন্ধানীহে। তেওঁৰ সমালোচনা তথ্য সমৃদ্ধ। ইতিহাসৰ কোনো এটি স্তৰত কবি-মানসৰ ওপৰত কেনে ধৰণৰ শক্তিৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া পৰিলক্ষিত হয় আৰু কবিৰ ব্যক্তিগত জীৱনত কেনে ঘাত-প্ৰতিঘাত দেখিবলৈ পোৱা যায়—এইবোৰ কথাৰ ওপৰত নেওগৰ সমালোচনা প্ৰতিষ্ঠিত। ক'তো ক'তো কাব্যৰ ৰস বিচাৰৰ ক্ষেত্ৰত তেওঁ আৱশ্যকীয় গুৰুত্ব দিয়া দেখা নাযায়।

যুদ্ধোত্তৰ যুগৰ সৰহভাগ অসমীয়া সমালোচকৰ চকুৰ আগত আছে ব্যাখ্যাত্মক সমালোচনাৰ আদৰ্শ। কাব্যৰ অন্তৰ্নিহিত ভাবৰ উদঘাটন আৰু তাৰ সামগ্ৰিক আবেদনৰ মূল্য বিচৰাৰ প্ৰয়াস সৰহভাগ সমালোচকৰে উপজীব্য। বাণীকান্ত কাকতিয়ে "কেতেকী" আৰু "তুমি" কাব্যৰ পাতনিত যি আলোচনা তুলি ধৰিছে সি মূলতঃ ৰুচিসন্মত হলেও এই আলোচনা দুয়োখন কাব্যৰে সামগ্ৰিক আবেদনৰ প্ৰতি সজাগ হৈ থকা আলোচকৰ বৌদ্ধিক বিশ্লেষণ। কাব্যৰ ৰস বিচাৰত সংস্কৃত আৰু ইংৰাজী সাহিত্যৰ উদ্ধৃতিৰে আলোচ্য বস্তু আৰু কাব্য সৌন্দৰ্য স্পষ্টতৰ কৰি তুলিবলৈ তেওঁ যত্নপৰ হৈছে। কাকতিৰ বিশ্লেষণ ক্ষমতা সূক্ষ্মদৰ্শী আৰু যুক্তি নিৰ্ভৰ। ডিম্বেশ্বৰ নেওগৰ সমালোচনাত অতীত প্ৰীতিৰ প্ৰভাৱ চকুত পৰে। বৈষ্ণৱ সাহিত্যৰ অধ্যয়নৰ ফলত গঢ়ি উঠা মানদণ্ডৰ বিচাৰত তেওঁৰে সমকালীন কেইজনমান লেখকৰ সাহিত্য-কৃতীয়ে যথাযোগ্য আসন লাভ কৰিব নোৱাৰিলে। নেওগৰ যে আধুনিক পাশ্চাত্য সাহিত্য আৰু তাৰ সমালোচনাৰ লগত যোগাযোগ নাছিল এনে নহয়, কিন্তু বৈষ্ণৱ সাহিত্য আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ সৃষ্টি-ধৰ্মী ৰচনাৰ প্ৰভাৱমুক্ত হৈ সমকালীন সাহিত্যৰ নিৰপেক্ষ বিচাৰ কৰিবলৈ তেওঁ যত্নপৰ হোৱা নাছিল। হোৱাহেঁতেন

বাটৰ বাটৰুৱাই সমালোচনাত হাত দিয়া বুলি তেওঁ নিজেই ক্ষোভ প্ৰকাশ নকৰিলেহেঁতেন ।

বিৰিঞ্চি কুমাৰ বৰুৱা, অতুল চন্দ্ৰ বৰুৱা আৰু তীৰ্থনাথ শৰ্মা ৰসগ্ৰাহী সমালোচক । সৃষ্টিধৰ্মী সাহিত্যিকৰ প্ৰতি এওঁলোক শ্ৰদ্ধাশীল নহলেও সহানুভূতিশীল । সাহিত্য-কৃতীৰ গুণাগুণৰ বিচাৰ এওঁলোকে ঠায়ে ঠায়ে কৰিছে, কিন্তু সৰহ ক্ষেত্ৰতে এওঁলোকৰ দৃষ্টিভঙ্গী বিশ্লেষণাত্মক । লক্ষ্মীনাথ বেজবৰুৱা আৰু বাণীকান্ত কাকতিৰ দৰে অতুল চন্দ্ৰ বৰুৱাই কেতিয়াবা কেতিয়াবা ৰসৰ কথাও উল্লেখ কৰিছে ; কিন্তু কাব্য বিশ্লেষণৰ সময়ত ৰসতত্ত্বৰ আদৰ্শ আগত ৰাখি আলোচনাত সোমাই পৰা নাই । বিৰিঞ্চি কুমাৰ বৰুৱা আৰু অতুল চন্দ্ৰ বৰুৱা এই দুয়োজন লোকৰ সমালোচনাত বৌদ্ধিক দিশৰ ওপৰত ৰুচিৰ সহৃদয়তাৰ আধিপত্য বেছি স্পষ্ট ।

হেম বৰুৱা, হোমেন বৰগোহাঁই আৰু বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ আলোচনাত বৌদ্ধিক বিশ্লেষণৰ চেষ্টা প্ৰকট । পাশ্চাত্য সাহিত্যৰ অধ্যয়নৰ প্ৰভাৱ হেম বৰুৱাৰ সমালোচনাৰ ওপৰত পোনপটীয়াকৈ পৰিছে । তেওঁৰ সমালোচনাত তুলনামূলক বিচাৰৰ সদৃশ আলোচনাৰ স্থান আছে । পিছে এনে বিচাৰ পাশ্চাত্য লেখকসকলৰ চিন্তাধাৰাৰ লগত থকা সমিল-মিলৰ বিচাৰহে, অসমীয়া সাহিত্যিকসকলৰ মাজত থকা পাৰস্পৰিক চিন্তাৰ ঐক্য প্ৰকাশৰ প্ৰচেষ্টা নহয় । সাহিত্যকৃতিৰ অন্তৰ্নিহিত তাৎপৰ্য গ্ৰহণ আৰু তাক উন্নত গদ্যশৈলীৰ মাধ্যমেৰে প্ৰকাশ কৰাৰ ক্ষমতা হোমেন বৰগোহাঁইৰ আছে । ঠায়ে ঠায়ে তেওঁৰ বিশ্লেষণ ভাৱোচ্ছ্বাসবৰ্জিত নহয় । বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ মনৰ ওপৰত আধুনিক বৈজ্ঞানিক তথ্য আৰু সমাজবাদী ভাবাদৰ্শৰ প্ৰভাৱ সজীৱ হৈ আছে । এনে আদৰ্শ চকুৰ আগত ৰাখি তেওঁ যে সদায় সমালোচনাত প্ৰবৃত্ত হয়, এনে নহয়, কিন্তু কাব্য-সৌন্দৰ্য বিশ্লেষণৰ চেষ্টাৰ মাজত এইবোৰে কেতিয়াবা কেতিয়াবা ভুমুকি মাৰে । তেওঁৰ আলোচনা প্ৰধানকৈ বিষয়গত । তুলনাৰ সহায়ত উপৰুৱা সাদৃশ্য বিচৰাতকৈ সূক্ষ্ম বিশ্লেষণৰ প্ৰতি তেওঁ বেছি আগ্ৰহান্বিত । সমালোচনাৰ সময়ত সামাজিক পটভূমিৰ ওপৰত তেৰোঁ গুৰুত্ব দিয়ে ; তথাপি সমাজতাত্ত্বিক আলোচনা তেওঁৰ আদৰ্শ নহয় । ৰস, ধ্বনি, বক্ৰোক্তি প্ৰভৃতি অলঙ্কাৰ শাস্ত্ৰৰ বিভিন্ন মতবাদৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা অকপট, কিন্তু আধুনিকতাই তেওঁক বেছিকৈ আকৰ্ষণ কৰে ।

সত্যেন্দ্ৰনাথ শৰ্মাৰ সমালোচনা সচৰাচৰ এটা নিৰূপিত গতিপথেদি আগবঢ়া দেখা যায় । তেওঁৰ সমালোচনা প্ৰধানকৈ বিশ্লেষণাত্মক হোৱাৰ

কাৰণে আৰু প্ৰাঞ্জল ভাষাৰে তেওঁৰ মন্তব্য উপস্থাপিত কৰা হেতুকে পাঠকে তাক সহজে বুজি পায়। তেওঁৰ সমালোচনাত পাণ্ডিত্যাভিমানৰ সলনি হৃদয় বন্ধুৰ সহানুভূতিপূৰ্ণ বিচাৰৰ নিদৰ্শন বেছি। শৰ্মাই সাহিত্যকৃতীৰ গুণাগুণ নিৰ্ণয়ো নকৰাকৈ থকা নাই। অনেক ক্ষেত্ৰত তেওঁ আলোচ্য বস্তুৰ দোষ-ত্ৰুটিৰ উল্লেখো কৰিছে, কিন্তু বস্তুৰ সামগ্ৰিক আবেদন হ্ৰাস কৰাত এনে দোষ-ত্ৰুটিৰ গুৰুত্ব কিমান, বেছি অথবা এইবোৰ থকা সত্বেও বস্তুৰ কলাসুলভ মূল্য অটুট আছে নেকি—এনেবোৰ প্ৰশ্নৰ পুঙ্খানুপুঙ্খ বিচাৰ কৰাৰ আৱশ্যকতা তেওঁ উপলব্ধি কৰা নাই। অসমীয়া সাহিত্যৰ বিভিন্ন দিশত সমালোচনা আগ বঢ়োৱাৰ গৌৰৱ শৰ্মাৰ প্ৰাপ্য।

আন এজন উদীয়মান সমালোচক ভবেন বৰুৱাৰ ওপৰত পাশ্চাত্য প্ৰভাৱৰ গধূৰ হেঁচা থাকিলেও ভাৰতীয় অলঙ্কাৰ শাস্ত্ৰৰ জগত তেওঁৰ পৰিচয়ৰ চিন পোৱা যায়। ৰস-ধ্বনিবাদৰ আদৰ্শৰ প্ৰতি তেওঁৰ কিছু আকৰ্ষণ আছে যেন অনুমান হয়। ইংৰাজ সমালোচক আই.এ. বিচাৰ্ডছ আৰু এম্পছনৰ দ্বাৰা প্ৰভাৱান্বিত বৰুৱাই ব্যঞ্জনা বৃত্তিৰ মাজত এম্পছনৰ সমজাতীয় আদৰ্শ বিচাৰি পোৱা যেন লাগে। তেওঁ কিছুমান খণ্ড কবিতাৰ নতুন ধৰণৰ বিশ্লেষণাত্মক সমালোচনা আলোচনীৰ পাতত প্ৰকাশ কৰিছে। এনে আলোচনা ইংৰাজী সাহিত্যত নতুন নহলেও অসমীয়া সাহিত্যত নতুন। কিন্তু অকল এই শ্ৰেণীৰ সমালোচনাতেই বৰুৱা আবদ্ধ হৈ থকা নাই। ক'তো ক'তো তেওঁ মাৰ্ক্সীয় সমালোচনা ৰীতিৰো ওচৰ চাপিছে। তথাপি প্ৰধানকৈ তেওঁ সৌন্দৰ্য সন্ধানী আলোচক বুলিয়ে মোৰ ধাৰণা।

যতীন্দ্ৰনাথ গোস্বামী, শশী শৰ্মা, নন্দ তালুকদাৰ, পৰীক্ষিত হাজৰিকা প্ৰভৃতি লেখকসকলেও সমালোচনা সাহিত্যলৈ কিছু কিছু বৰঙনি যোগাইছে। ইয়াৰ উপৰিও বাতৰি কাকত আৰু আলোচনীৰ পাতত কিছুমান সমালোচনামূলক প্ৰবন্ধ প্ৰকাশিত হৈছে। উঠি অহা এইদল সমালোচকৰ বৌদ্ধিক বিশ্লেষণ সবল গদ্যৰীতিৰ যোগেদি প্ৰকাশিত হোৱাটো আনন্দৰ কথা; কিন্তু এনে ধৰণৰ কিছুমান সমালোচনা পঢ়িলে লেখকসকল সোনকালে নিঃশেষ হৈ যাব পাৰে বুলি মনত ভয় হয়। বাতৰি কাকতত প্ৰকাশিত আন কিছুমান সমালোচনা যেন আবেগৰ দ্বাৰা পৰিচালিত বিতণ্ডাৰ পাণ্ডিত্যহে। সমালোচনাৰ এই ৰূপটো ক্ষণস্থায়ী হব বুলিয়ে মোৰ বিশ্বাস।

যুদ্ধোত্তৰ যুগৰ সমালোচনা লক্ষ্মীনাথ বেজবৰুৱা নাইবা দেৱেন্দ্ৰনাথ বেজবৰুৱাৰ সমালোচনাৰ স্তৰতে বৈ থকা নাই। এই যুগত অসমীয়া সমালো-

চনা সাহিত্য ভিন্ন স্তুতিয়েদি আগবাঢ়ি আহিব ধৰিছে। এই যুগৰ প্ৰথমাৰ্দ্ধত কাব্যালোচনা বুলিলেই ওৱাৰ্ডছ্‌ওৱাৰ্থ, কীটছ্‌, শ্বেলী আৰনোল্ড প্ৰভৃতি ইংৰাজ কবিৰ নামোল্লেখ আৰু পাৰিলে সেইসকলৰ কবিতাৰ পৰা কিছু কিছু উদ্ধৃতিৰ সংযোগ অপৰিহাৰ্য বুলিয়েই হয়তো বহুতৰ ধাৰণা হৈছিল। পিছলৈ এনে দুৰ্বলতা কমিছে। সমভাবাপন্ন দুটা উদ্ধৃতিৰ পাৰস্পৰিক সংযোগে কাব্যৰ সামষ্টিক আবেদন মূৰ্ত কৰাত সহায় নকৰিলে নাইবা দুগ-ৰাকী কবিৰ চিন্তাধাৰা আৰু দৃষ্টিভঙ্গীৰ মাজত মৌলিক ঐক্য নাথাকিলে উদ্ধৃতিৰে সমালোচনা ভাৰাক্ৰান্ত কৰাৰ বিশেষ যুক্তি নাই। সমালোচনা হ'ল কাব্যৰ পুনৰ্নিৰ্মিতৰ মূল্যায়ন। কবিয়ে কাব্যৰ ৰূপ দিয়া ভাব-ৰাশি শব্দ-মাধ্যমেৰে প্ৰকাশিত হয়। এই মাধ্যমৰ সহায়তে সমালোচকে নিজৰ অন্তৰত কবিৰ উপলব্ধ ভাবৰাশি পুনৰ্নিৰ্মিত কৰি তাৰ বিশ্লেষণ আৰু গুণাগুণ নিৰ্ণয়ৰ চেষ্টা কৰে। সমালোচক এজন বিচাৰক, কিন্তু তেওঁ ৰসগ্ৰাহী বিচাৰকহে, ফৌজদাৰী আদালতৰ দণ্ডাধীশ নহয়।

এই যুগত নতুন সমালোচকৰ দায়িত্ব গধুৰ। সৃষ্টিধৰ্মী সাহিত্যৰ বুকুত নতুন নতুন পৰীক্ষা-নিৰীক্ষাৰ প্ৰতিফলনে সমালোচকৰ পৰা নিৰপেক্ষতাৰ উপৰিও গভীৰ মননশীলতা দাবী কৰিছে। কবিতা চিত্ৰধৰ্মী আৰু প্ৰতীক ধৰ্মী হোৱাত জটিলতা বাঢ়িছে, উপন্যাস আৰু নাটকত মনোবৈজ্ঞানিক বিচাৰ আৰু দাৰ্শনিক ভাব ধাৰাৰ প্ৰৱেশ ঘটিছে। এনেস্থলত সমালোচক অধ্যয়নপুষ্ট হোৱাৰ উপৰিও সুস্থ মনন শক্তিসম্পন্ন হোৱাৰ আৱশ্যকতা উপলব্ধ হৈছে। দেশ-বিদেশত সিঁচৰিত হৈ থকা বিশেষ বিশেষ জ্ঞানৰ ভাণ্ডাৰ আজি কোনো এটা জাতিৰে একচেতীয়া সম্পদ হৈ থকা নাই। আন্তৰ্জাতিক ভাব-বিনিময়ৰ যুগত ই সমগ্ৰ মানৱ জাতিৰে উমৈহতীয়া সম্পদ হৈ পৰিছে। এই সম্পদৰ প্ৰতি উদাসীন হৈ থকা সাহিত্যসেৱীয়ে সাহিত্যৰ আন কোনো দিশত মৌলিকতা আৰু দক্ষতাৰ পৰিচয় দিব পাৰি-লেও সমালোচনাৰ ঘাটত তেওঁ পদে পদে উজুটি খাব বুলি নিঃসন্দেহে কব পাৰি।

আমাৰ নবীন সমালোচকসকলে পৃথিবীৰ জ্ঞান-ভাণ্ডাৰৰ পৰা মাণিক বুটলি অনাৰ সুযোগ কিছু পৰিমাণে পাইছে। ডেৰ কুৰি বছৰৰ আগতে অসমত এইখিনি সুযোগ সুবিধাও নাছিল। নিষ্ঠাৰে এই সুযোগ গ্ৰহণ কৰি কাৰ্যত ব্ৰতী হলে সমালোচনাৰ দিগন্ত জিলিকাই তোলা টান কাম নহব। এই যুগত পুৰণি গ্ৰন্থ-ৰাজিৰ পুনৰ মূল্যায়নৰ আৱশ্যকতাও আছে। নবীন সমালোচকৰ হাতত এইবোৰ পুথিয়েও যথাযোগ্য স্বীকৃতি লাভ কৰিব বুলি আশা কৰিব পাৰি।

আধুনিক অসমীয়া সমালোচনাৰ ধাৰা

শ্ৰীইমদাদ উল্লাহ

আধুনিক অসমীয়া সমালোচনাৰ বিষয়ে লিখাৰ আগতে সমালোচনা নো কি বস্তু আৰু সমালোচকেই বা কেনে ধৰণৰ ব্যক্তি, আৰু তেওঁৰ কামেই বা কি, তেওঁ নহ'লে নো আমাৰ সাহিত্যজগত খনৰ কি হানি হ'ব পাৰে—ইত্যাদি প্ৰশ্নবোধক অলপ চালি-জাৰি চোৱাটো আৱশ্যক বুলি ভাবিছোঁ। আমাৰ মাজত এচাম মানুহে সমালোচকক কিজানি বিশ্ব-নিন্দুক নাইবা চকু-চৰহা বুলিয়ে ভাবে। এওঁলোকৰ মানত সমালোচক নামধাৰী মানুহৰ কামেই হ'ল নিজে কৰিব নোৱাৰা কামটো আনে কৰা দেখিলে তাৰ দোষ খুচৰি ফুৰা আৰু অপ্ৰিয় বাক্যেৰে লোকৰ নিন্দাত পঞ্চমুখ হোৱা। বাৰ্ণাড শ্ব'ই এষাৰ কথা কৈছিল: "He who can does, he who cannot teaches" সাহিত্য সমালোচকক কিছুমানে এই দ্বিতীয় শ্ৰেণীৰ লোক বুলি ভাবে: সৃষ্টিৰ অক্ষমতাই যাক পাণ্ডিত্যাভিমানী 'শিক্ষক' কৰি তুলিছে।

কিন্তু প্ৰকৃত সমালোচকে যে ব্যক্তিগত ৰুচিক প্ৰধান্য দি কেৱল নিন্দাৰ কাৰণেই নিন্দা নাইবা প্ৰশংসাৰ কাৰণেই প্ৰশংসা নকৰে, তেওঁৰ সাহিত্য বিচাৰ যে কিছুমান আদৰ্শ আৰু মূল্যবোধৰ ওপৰত প্ৰতিষ্ঠিত, তেওঁ যে আচলতে বিভিন্ন যুগৰ বিভিন্ন জাতিৰ সাহিত্য পৰম্পৰাৰ বিবেক স্বৰূপ আৰু তেওঁৰ পৰ্যালোচনাও যে সৃষ্টিমূলক সাহিত্যৰে অংগ হ'ব পাৰে সেইটো সাহিত্যৰ ইতিহাসত স্বীকৃতি পোৱা বহুতো অমৰ সমালোচকৰ অস্তিত্বৰ পৰাই বুজিব পৰা যায়। সাহিত্য সৃষ্টিৰ লগত সাহিত্য সমালোচনাৰ ওতঃপ্ৰোত সম্বন্ধ। বিভিন্ন যুগৰ বিভিন্ন সাংস্কৃতিক পটভূমিত সাহিত্যৰ ধাৰা আৰু ৰূপৰ যেনেকৈ সলনি হৈছে সমালোচনাৰ ধাৰা আৰু প্ৰণালীবো তেনেকৈ সলনি হৈছে। আন কথাত ক'বলৈ গ'লে—সাহিত্যৰ

আংগিকগত আৰু ভাবগত পৰিবৰ্তনৰ ফলতে- বিভিন্ন যুগৰ সাহিত্য সমালোচনাৰ মাপকাঠিৰো পৰিবৰ্তন ঘটিছে। সেই কাৰণেই উনবিংশ শতিকাৰ আগ ভাগতে ইংৰাজী সাহিত্যও ৰোমাণ্টিক আদৰ্শৰ পুনৰভ্যুত্থানৰ গুৰি ধৰোঁতা বাৰ্ডচ্‌ৱাৰ্থে ঘোষণা কৰিব লগা হৈছে—"Every poet must create the taste by which he wants to be judged." কিন্তু সমালোচকে অকল সাহিত্য জগতত নৱ-জন্মৰ বাতৰি দিয়েই ক্ষান্ত নহয়; তেওঁ অতীতৰ সাহিত্যকো নতুন দৃষ্টিভংগীৰে, নতুন মূল্যমানেৰে জুকিয়াই চায়। সেয়ে টি এচ্‌ এলিয়টে লিখিছে— "From time to time every hundred years or so, it is desirable that some critic shall appear to review the past of our literature, and set the poets and the poems in a new order."

কিন্তু এইখিনিতে প্ৰশ্ন এটাৰ সন্মুখীন হ'ব লগা হয় সাহিত্য সমালোচনাৰ মানদণ্ড যদি এইদৰে কাল-নিৰ্ভৰশীল, পৰিবৰ্তনীয়—তেনেহ'লে সাহিত্যৰ স্থান, কাল, পাত্ৰ, নিৰপেক্ষ কোনো শ্বাশ্বত প্ৰমূল্য থাকিব নোৱাৰেনে? তেনে হোৱাহেঁতেন—কোন কাহানিতে লিখা গ্ৰীচৰ মহাকবি হোমাৰৰ কাব্য নাইবা আমাৰ ৰামায়ণ মহাভাৰত নাইবা প্ৰাচীন জাপান নাইবা চীনৰ কবিতা পঢ়ি আজিও আমাৰ মনত যি অনুপ্ৰেৰণাৰ সৃষ্টি হয়, তাৰ কোনো অৰ্থই নেথাকিলহেঁতেন। আচলতে, স্থান, কাল, পাত্ৰৰ বিভিন্নতা সত্বেও সাৰ্থক সাহিত্যৰ এনে কিছুমান বিশ্বজনীন আৰু চিৰন্তন গুণ আছে, যিবোৰে যুগে যুগে মানুহৰ সাধাৰণ মানৱীয় সত্ত্বাৰ বাবে গভীৰ আবেদনৰ বাহক স্বৰূপে দেখা দিছে। সমালোচকে সাহিত্য-সৃষ্টিৰ মূল্যায়ন কৰোঁতে সাহিত্য-পৰম্পৰাৰ এই বিশ্বজনীন, কাল নিৰপেক্ষ গুণাৱলীৰ কথা পাহৰিব নোৱাৰে। আনহাতে একো একোটা যুগৰ স্বাক্ষৰ বহনকাৰী সাহিত্য ৰচনাৰ ঐতিহাসিক মূল্য বিচাৰ কৰাটোও তেওঁৰ অন্যতম কৰ্তব্য। গতিকে সমালোচনাৰ উদ্দেশ্য একালে যেনেকৈ সাহিত্য শিল্পৰ ঐতিহাসিক, সামাজিক, অৰ্থনৈতিক দৃষ্টিকোণৰ পৰা তাৰ জন্ম বৃত্তান্তৰ বিশ্লেষণ কৰা, আনহাতে কাল-নিৰপেক্ষ দৃষ্টিকোণৰপৰা তাৰ সৌন্দৰ্য আৰু মূল্যবোধৰ সাৰ্বজনীন দিশবোৰৰ কথাও আলোচনা কৰা।

ঘাইকৈ সমালোচনাৰ দুটা ধাৰাৰ প্ৰমাণ পোৱা যায়: এটা ধাৰা হ'ল প্লেটোৰ আদৰ্শত সাহিত্যৰ স্বকীয়া শিল্প-ৰূপক গুৰুত্ব নিদি দাৰ্শনিকৰ দৃষ্টিভংগীৰে তাৰ সামাজিক নাইবা নৈতিক মূল্যৰ বিচাৰ; আনটো হ'ল— এৰিষ্ট'টলৰ আহিত সাহিত্যৰ স্বকীয়া শিল্প-ৰূপক স্বীকৃতি দি কেৱল

সাহিত্য হিচপে তাৰ মূল্যায়ন । আজিৰ যুগতো সমালোচনা সাহিত্যৰ যি বিভিন্ন ধাৰাৰ সৃষ্টি হৈছে—সেইবোৰ মাইকৈ এই দুটা ধাৰাৰ অনুগামী। কিছুমানে সাহিত্যৰ শিল্পগত বিচাৰৰ ওপৰত সিমান গুৰুত্ব নিদি তাৰ দাৰ্শনিক, সামাজিক মনস্তাত্ত্বিক, ঐতিহাসিক মূল্যায়ন বা বিশ্লেষণ কৰাৰ ফালে বেছিকৈ মনোযোগ দিছে ; আন কিছুমানে সাহিত্যৰ স্বকীয় শিল্প গত গুণাগুণ বিচাৰৰ ফালেহে বেছি আগ্ৰহ দেখুৱাইছে। এফ্.আৰ. লীভিচ আদি আধুনিক পশ্চিমীয়া সমালোচকসকলে সাহিত্য-বিচাৰ মূলতঃ সাহিত্য-বস্তুৰ অন্তৰ্নিহিত গুণাগুণৰ বিশ্লেষণৰ যোগেদি কৰাৰ পক্ষপাতী । আন-হাতে মাৰ্ক্সীয় সমালোচকসকলে সাহিত্যৰ বিচাৰ কৰিব খোজে দাৰ্শনিক ঐতিহাসিক আৰু সামাজিক মূল্যায়নৰ যোগেদি । অৱশ্যে এই দুয়োটা ধাৰাই এটাই আনটোৰ দাবী সম্পূৰ্ণ উপেক্ষা কৰিব পৰা নাই—মাৰ্ক্সবাদী সমালোচকেও যেনেকৈ সাহিত্যৰ শিল্প-গত নাইবা আংগিক-গত বিশ্লেষণক সমূলি এৰাই যাব নোৱাৰে তেনেকৈ লীভিচ আদিৰ মূল্যায়নতো কিছুমান সামাজিক দাৰ্শনিক পূৰ্ব-সূত্ৰ (assumptions) নিহিত হৈ থাকে । দৰাচলতে পূৰ্ণাংগ সমালোচনাত সাহিত্যৰ শিল্প-গত বিশ্লেষণ. বিচাৰ আদিৰ লগতে তাৰ সামাজিক নাইবা ঐতিহাসিক মূল্যায়নো হোৱা দৰকাৰ ।

প্ৰকৃত সমালোচকৰ আদৰ্শৰ কথা ভাবিলে দেখা যায় যে, তেওঁ একাধাৰে শিক্ষিত মাৰ্জিত-ৰুচি-সম্পন্ন আৰু সচেতন পাঠক হ'ব লাগিব, লগতে তীক্ষ্ণধী বিশ্লেষক আৰু সমদৰ্শী নিৰপেক্ষ, সহানুভূতিশীল জ্ঞানী বিচাৰক হ'ব লাগিব । কোনো মানুহেই পুৰাপুৰিকৈ নিজৰ ব্যক্তিসত্তাক নাইবা বিষয়ীগত চিন্তাধাৰাক বিসৰ্জন দিব নোৱাৰে । কিন্তু সমালোচকে যিমান দূৰ সম্ভৱ ব্যক্তিগত ৰুচিৰ উৰ্দ্ধত থাকি সাহিত্য-বস্তুৰ বস্তুনিষ্ঠ বিচাৰৰ বাবে নিজকে প্ৰস্তুত কৰি লব লাগিব (আৰ্নল্ডৰ ভাষাত " to see an object as in itself it really is "—এটা বস্তুক তাৰ নিজ ৰূপত চাব পৰা ক্ষমতা থাকিব লাগিব ।) সমালোচকৰ আহিলা-পাতিৰ মাজত তুলনামূলক বিশ্লেষণ ক্ষমতা সাহিত্য পৰম্পৰাৰ চেতনা সূক্ষ্ম পৰ্যবেক্ষণ-ক্ষমতা সচেতন জিজ্ঞাসা নতুনক স্বীকৃতি দিব পৰা ক্ষমতা আৰু শিল্পগত আৰু সামাজিক মূল্যবোধ—এইবোৰেই প্ৰধান ।

আধুনিক অসমীয়া সমালোচনাৰ সবিশেষ পৰ্যালোচনা কৰিলে দেখা যায়, কিছুমান প্ৰশ্নৰ এতিয়ালৈকে সমাধান হোৱা নাই । এনে এটা মাই প্ৰশ্ন হ'ল—আমাৰ সাহিত্য-সমালোচনাৰ আদৰ্শ কি হ'ব লাগে ? এই

প্ৰশ্নৰ উত্তৰত কিছুমান সমালোচকে পশ্চিমীয়া ভাব ধাৰা গ্ৰহণ কৰাৰ লগতে ভাৰতীয় পৰম্পৰাৰ লগত তাৰ এটা সমন্বয়-সাধনৰ ওপৰত গুৰুত্ব দিছে। আনহাতে, আন কিছুমান সমালোচকে কেৱল পশ্চিমীয়া সমালোচনাৰ আহিকে স্বীকৃতি দি তাৰেই অনুসৰণ কৰা দেখা যায়। এই দুই শ্ৰেণীৰ সমালোচকৰ মাজত আকৌ আন এচাম সমালোচকে এতিয়াও কেৱল ভাৰতীয় অলংকাৰ শাস্ত্ৰৰ পৰা আহৰণ কৰা ৰসতত্ত্ব-ধ্বনিতত্ত্বৰ আদৰ্শ অনুসৰি সাহিত্য-বিচাৰ কৰি আছে। যিসকল সমালোচক পশ্চিমীয়া সমালোচনাৰ আদৰ্শৰ অনুগামী—তেওঁলোকে কব খোজে যে আমাৰ আধুনিক সাহিত্য যিহেতুকে পশ্চিমীয়া সাহিত্যৰ আহিত গঢ়ি উঠিছে, গতিকে এনে সাহিত্যৰ বিচাৰ বিশ্লেষণো পশ্চিমীয়া সমালোচকৰ দৃষ্টিৰেই কৰিব লাগিব। কিন্তু প্ৰশ্ন এটাৰ উত্থাপন কৰি ক'ব পৰা যায়: আমাৰ আধুনিক সাহিত্য (নৱন্যাসৰ যুগৰ পৰা আজিলৈকে) কেৱল পশ্চিমীয়া প্ৰভাৱৰে ফল, নে তাত আমাৰ সাহিত্যিক পৰম্পৰা নাইবা সাংস্কৃতিক পৰম্পৰাৰ কিবা অবদান আছে? বিদেশী সাহিত্যৰ বিভিন্ন ধাৰাৰ প্ৰভাৱ পৰিলেও আমাৰ সাহিত্য সৃষ্টিৰ মৌলিকত্ব নিশ্চয় সমূলি অস্বীকাৰ কৰিব নোৱাৰি। ইংৰাজী সাহিত্যৰ বুৰঞ্জীতো গ্ৰীক, লেতিন, ফৰাচী, আদি ভাষাৰ সাহিত্যৰ প্ৰভাৱ পৰিছিল (আৰু এতিয়াও তেনে প্ৰভাৱ বৰ্তমান)—কিন্তু তেনে প্ৰভাৱ সত্বেও চছাৰ, শ্বেকছ্পিয়েৰ, মিল্টন, পোপ, ৱাৰ্ডছ্ৱাৰ্থ, শ্বেলী, এলীয়ট ইয়েট্‌চ্ আদি কবিয়ে দেখোন মৌলিক প্ৰতিভা বুলিয়েই স্বীকৃতি লাভ কৰিছে। আচলতে বিদেশী প্ৰভাৱক আকোৱালিলৈও আমাৰ যিসকল কবি, চুটি গল্প লিখক, উপন্যাসিক প্ৰবন্ধকাৰ, নাট্যকাৰ আদিয়ে নিজৰ পৰম্পৰাৰ মাজত সাহিত্য সৃষ্টিৰ যোগেদি নিভাঁজ অসমীয়া ৰূপত সেই প্ৰভাৱক জীন নিয়াব পাৰিছে তেনে সাহিত্যিকৰ মৌলিকতাক অস্বীকাৰ কৰাৰ অৰ্থ হ'ল নিজৰ অজ্ঞতাৰে পৰিচয় দিয়া। আৰু সেয়েই এনে সাহিত্যৰ সমালোচনা অৰ্থাৎ বিশ্লেষণ আৰু মূল্যায়নৰ বাবে নতুনকৈ সমালোচনাৰ আদৰ্শ সৃষ্টি কৰি লব লাগিব। এই নতুন আদৰ্শত পশ্চিমীয়া বস্তুনিষ্ঠ বিশ্লেষণৰ পদ্ধতিৰ লগত আমাৰ সাংস্কৃতিক জীৱনৰ মূল্যবোধৰ সমন্বয় সাধন কৰিব লাগিব। এনে ধৰণৰ সমন্বয়ৰ সাধনা আমাৰ কেইগৰাকী সমালোচকে নকৰা নহয় কিন্তু এতিয়ালৈকে ইয়াৰ পৰিপূৰ্ণ বিকাশ হৈছে বুলি কব নোৱাৰি।

আমি আগেয়ে উল্লেখ কৰিছোঁ যে সাহিত্যৰ বুৰঞ্জীত নতুন ধাৰাৰ সৃষ্টি হোৱাৰ লগতে সাধাৰণতে সমালোচনাৰ আদৰ্শৰো নতুনকৈ সৃষ্টি হয়।

অসমীয়া সাহিত্যৰ বুৰঞ্জীতো ইয়াৰ প্ৰমাণ পোৱা যায়। পশ্চিমীয়া সাহিত্যৰ প্ৰভাৱত অসমীয়া সাহিত্যত যি নৱন্যাসৰ যুগ আৰম্ভ হ'ল তাৰ লগতে সেই নৱন্যাসৰ আদৰ্শ ঘোষণা কৰি নতুন সমালোচনা পদ্ধতিৰো পাতনি মেলা হ'ল। যুগ প্ৰৱৰ্তক, বহুমুখী প্ৰতিভাৰ অধিকাৰী লক্ষ্মীনাথ বেজবৰুৱাই সাহিত্যৰ আন কিছুমান বিভাগৰ দৰে, এই ক্ষেত্ৰতো 'বাটকটীয়াৰ' দৰে কাম কৰিলে। পশ্চিমীয়া শিক্ষাৰ প্ৰভাৱত সৃষ্টি হোৱা ভাৰতীয় নৱ-জাগৰণৰ স্পৰ্শ লাভ কৰা বেজবৰুৱাই আত্ম-সচেতন অতীত মুখী মনোভাৱেৰে অসমীয়াৰ সাংস্কৃতিক গৌৰৱ পুনৰুদ্ধাৰৰ বাবে সচেষ্ট হৈছিল। সেয়ে বেজবৰুৱাৰ সমালোচনামূলক ৰচনাত অসমৰ বৈষ্ণৱ সাহিত্য, অসমৰ সাধুকথা, গীত-মাত, অসমৰ বুৰঞ্জী অসমৰ সাংস্কৃতিক সামাজিক পৰম্পৰাক পুনৰাবিষ্কাৰ আৰু পুনঃপ্ৰতিষ্ঠা কৰাৰ সচেতন প্ৰচেষ্টা লক্ষ্য কৰা যায়। "জোনাকী' আদি আলোচনীত ওলোৱা পুথি-সমালোচনাৰ বাহিৰেও খাইকৈ তেওঁৰ "শঙ্কৰদেৱ" পুথিত শঙ্কৰদেৱৰ সাহিত্যিক প্ৰতিভাৰ ব্যাখ্যাত্মক আলোচনা আৰু গুৱাহাটীত বহা অসম সাহিত্য সভাৰ সভাপতি স্বৰূপে দিয়া অভিভাষণখনৰ পৰা সমালোচক বেজবৰুৱাৰ পৰিচয় পোৱা যায়। বৈষ্ণৱ সাহিত্যৰ আলোচনাত বেজবৰুৱাই স্বাভাৱিকতে নিজৰ অভিভাৱৰ প্ৰধান্যৰ ফলত প্ৰকৃত সমালোকৰ ভূমিকা পালন কৰিব পৰা নাই। আনহাতে সভাপতিৰ অভিভাষণখনত বেজবৰুৱাই ইউৰোপীয় সাহিত্যৰ তিনিটা খাই সুঁতিৰ উল্লেখৰে ভাৰতীয় আৰু অসমৰ বৈষ্ণৱ সাহিত্য সম্পৰ্কে নিজৰ উচ্চ অভিমত ব্যক্ত কৰে। সাহিত্য সমালোচক হিচাপে বেজবৰুৱাৰ বিশিষ্ট অৱদান হ'ল অসমীয়া গদ্য শৈলীৰ প্ৰকাশিকা শক্তিৰ বিচিত্ৰ সম্ভাৱনাৰ বাট মুকলি কৰা, পুৰণি অসমীয়া সাহিত্য বিশেষকৈ-লোক সাহিত্য আৰু বৈষ্ণৱ সাহিত্যৰ আধুনিক যুগত প্ৰতিষ্ঠা লাভৰ চেষ্টা কৰা আৰু জাতীয়তা, আধ্যাত্মিকতাৰ ভাবেৰে পূৰ্ণ, ৰোমাণ্টিক ভাববাদী সাহিত্যৰ আদৰ্শ দাঙি ধৰা। কিন্তু পৰৱৰ্তীকালৰ বাণীকান্ত কাকতিৰ দৰে তেখেতে বৈষ্ণৱ সাহিত্যৰ আলোচনাত প্ৰকৃত সাহিত্য সমালোচকৰ নিৰপেক্ষ বিচাৰ ভংগী দেখুৱাব পৰা নাই।

বেজবৰুৱাৰ পিছত ডঃ বাণীকান্ত কাকতিৰ হাতত অসমীয়া সমালোচনা পদ্ধতিয়ে এটা নিৰ্দিষ্ট গঢ় লয়। কাকতিৰ সমালোচনাত পোন প্ৰথমে এগৰাকী প্ৰকৃত, পূৰ্ণাংগ সাহিত্য-সমালোচকৰ সন্ধান পোৱা যায়। কাকতিৰ প্ৰগাঢ় পাণ্ডিত্য সূক্ষ্ম বিচাৰ-বোধ আৰু এটি সম্যক সৌন্দৰ্য দৃষ্টিয়ে তেখেতৰ সমালোচনাক প্ৰকৃত সাহিত্য সমালোচকৰ গুৰবলৈ উন্নীত কৰে। বেজবৰুৱাৰ দৰে তেখেতেও অসমৰ বৈষ্ণৱ সাহিত্যৰ সমালোচনা কৰে,

কিন্তু কাকতিয়ে বৈষ্ণৱ সাহিত্যৰ সমালোচনাত নিৰপেক্ষ সাহিত্য সমালোচকৰ ভূমিকা পালন কৰিছিল। এফালে ইংৰাজী গ্ৰীক সাহিত্যৰ অধ্যয়ন, আনফালে সংস্কৃত সাহিত্যৰ জ্ঞান—এই দুয়োফালৰ পৰা কাকতিৰ অধ্যয়ন পুষ্ট সমালোচনা দৃষ্টি গঢ়ি উঠিছিল। অসমীয়া সমালোচনা-ৰীতিত তুলনামূলক বিশ্লেষণৰ পদ্ধতি যাইকৈ কাকতিয়েই পোন প্ৰথমতে প্ৰয়োগ কৰে। কাকতিৰ সমালোচনাত পশ্চিমীয়া সাহিত্যৰ প্ৰভাৱ পৰিলেও তেওঁ প্ৰাচ্যৰ সংস্কৃত সাহিত্যৰ পৰম্পৰাৰ লগতো চিনাকি হৈছিল। এই প্ৰসংগত তেখেতৰ প্ৰথম পৰ্যায়ৰ প্ৰবন্ধ "সাহিত্যত করুণ ৰস" আৰু পিছৰ পৰ্যায়ৰ যতীন দুৱৰা, ৰঘুনাথ চৌধাৰী আৰু অম্বিকাগিৰীৰ "তুমি" কাব্যৰ আলোচনালৈ আঙুলিয়াব পাৰি। এইবোৰ আলোচনাত তেখেতে প্ৰয়োজন অনুসৰি পশ্চিমীয়া সাহিত্যৰ উদাহৰণ আৰু সংস্কৃত সাহিত্যৰ তুলনামূলক উদ্ধৃতি দি নিজৰ বিশ্লেষণ পদ্ধতিক আগুৱাই নিয়া দেখা যায়। অৱশ্যে তেখেতৰ কিছুমান সিদ্ধান্তত কালৰ ছাপ পৰিছে, যেনে, যতীন্দ্ৰনাথ দুৱৰাৰ "কথা-কবিতা"ৰ আলোচনা প্ৰসংগত দিয়া কাকতিৰ এনে ধৰণৰ মন্তব্য—"উনৈশ শতিকাৰ সাহিত্যৰ আদৰ্শৰে গঠিত হোৱা সকলৰ ভিতৰত শ্ৰেষ্ঠ কবি শ্ৰীযুত ৰঘুনাথ চৌধাৰী আৰু কুৰি শতিকাৰ নানা বৰণীয়া ভাবৰ সমাবেশেৰে পুষ্ট হোৱা আদৰ্শক সৌন্দৰ্যৰ সাহেৰে আমাৰ আগত ডাঙি ধৰা সকলৰ ভিতৰত শ্ৰেষ্ঠ কবি শ্ৰীযুত যতীন্দ্ৰনাথ দুৱৰা। কাকতিৰ এনে ধৰণৰ মন্তব্যৰ পৰা তেখেতৰ সাহিত্যিক আদৰ্শ যে উনৈশ শতিকাৰ নৱন্যাসৰ সাহিত্যৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছিল, তাৰেই প্ৰমাণ পোৱা যায়। সেই একেটা প্ৰবন্ধতে কাকতিয়ে লিখিছে—"সকলো প্ৰকৃত কবিতাই কবিৰ ব্যক্তিগত অনুভূতিৰ ভাষাময় চিত্ৰ বা ছন্দোময় স্পন্দন। এই ব্যক্তিগত অনুভূতিক বিশ্বজীৱন ৰচনাৰ উপাদান কৰিবপৰা শক্তিতহে কবিৰ কৃতিত্ব প্ৰকাশ পায়।" ইয়াৰ দ্বাৰা কবিতা সম্পৰ্কে যি আভাস দিয়া হৈছে যি ৰোমাণ্টিক 'লিৰিক' কবিতাৰ আদৰ্শ "ব্যক্তিগত অনুভূতি"য়েই যাৰ প্ৰধান সম্বল। আজিৰ পাঠকে কবিতাত "ব্যক্তিগত অনুভূতি"ৰ উচ্ছ্বাসৰ সলনি বস্তুনিষ্ঠ ভাবৰ প্ৰত্যাশা কৰে, টি এচ্ এলিয়টক দোহাৰি কব খোজে—"Poetry is not a turning loose of emotion, but an escape from emotion ; it is not the expression of personality, but an escape from personality." মন্ময় ভাবোচ্ছ্বাসৰ সলনি তন্ময় জীৱন-সত্যৰ প্ৰকাশ বিচাৰে। অৱশ্যে কাকতিৰ এই সাহিত্যিক আদৰ্শৰ বাবে তেখেতক আমি দোষাৰোপ কৰাৰ প্ৰশ্নই নুঠে,

কাৰণ ই তেখেতৰ মন আৰু ৰুচিবোধৰ ওপৰত যুগৰ প্ৰভাৱ। সাহিত্য সমালোচক হিচাপে ডঃ কাকতিৰ যাট কৃতিত্ব হ'ল—প্ৰকৃত সাহিত্য সমালোচকৰ দৃষ্টিৰে সাহিত্যৰ তুলনামূলক বিচাৰ-বিশ্লেষণ আৰু সাহিত্যক জীৱন্ত সৃষ্টি হিচাপে (organic view) লৈ তাৰ সামগ্ৰিক মূল্যায়ন কৰাৰ ক্ষমতা। প্ৰাচ্য আৰু প্ৰতীচ্যৰ সাহিত্য পৰম্পৰাৰ চেতনাও তেখেতৰ সমালোচনাক চহকী কৰিছে। অসমীয়া সাহিত্যিক এটা বৃহত্তৰ সাহিত্য-পৰম্পৰাৰ পটভূমিত বিচাৰ কৰিবলৈ লৈ তেখেতে অসমীয়া সমালোচনাৰ দিগন্ত বিস্তৃততৰ কৰিছে। লগতে, সৃষ্টিশীল সমালোচনাৰ উপযোগী গাম্ভীৰ্যপূৰ্ণ আৰু ঠায়ে ঠায়ে কাব্যিক গুণ সম্পন্ন ভাষাৰ প্ৰয়োগ কৰি তেখেতে অসমীয়া সমালোচনাৰ ভাষাৰ উন্নতিৰ ক্ষেত্ৰতো খৰঙণি যোগাইছে।

বাণীকান্তৰ পিছতে চতুৰ্থ দশকৰ আন যি গৰাকী সমালোচকৰ নাম মনলৈ আহে--তেখেত হ'ল ডিম্বেশ্বৰ নেওগ। "অসমীয়া সাহিত্যৰ অধ্যয়ন" নামৰ সংকলনখনত যুগুত কৰা আলোচনামূলক প্ৰবন্ধ আৰু অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ মাজতে এখেতৰ সমালোচনা মূলক দৃষ্টিভঙ্গীৰ পৰিচয় পোৱা যায়। আজিৰ সমালোচনকৰ দৃষ্টিত নেওগৰ প্ৰধান কৃতিত্ব সম্ভৱতঃ পুৰণি অসমীয়া সাধু কথা, গীত-মাত, ফকৰা-যোজনা আদিৰ সৌন্দৰ্য সন্ধান আৰু অসমীয়া ভাষা আৰু সাহিত্যৰ গৱেষণামূলক অনুসন্ধান আৰু নতুন তথ্য আৱিষ্কাৰৰ মাজতে যাইকৈ সীমাবদ্ধ হ'ব। কাব্য সমালোচকৰ ভূমিকাত তেখেতে বৈষ্ণৱ কবিসকলৰ আৰু ৰোমাণ্টিক যুগৰ কবিতাৰ ব্যাখ্যাত্মক আলোচনা কৰিছে আৰু সাধাৰণতে এনে আলোচনাত ৰসগ্ৰাহী, সহানুভূতিশীল আৰু ঠায়ে ঠায়ে সমালোচনামূলক (critical) দৃষ্টিভঙ্গীৰ পৰিচয় দিয়ে। কিন্তু দ্বিতীয় মহাযুদ্ধোত্তৰ যুগৰ অসমীয়া সাহিত্যৰ ওপৰত মন্তব্য দিওঁতে নেওগে সহানুভূতিশীল অন্তদৃষ্টি দেখুৱাব পৰা নাই। "আৱাহন"ৰ জন্মৰ পাছত সৃষ্টি হোৱা অসমীয়া সাহিত্যৰ সাম্প্ৰতিক কাল-ছোৱাক তেখেতে "বেমেজালিৰ যুগ" নাম দিছে আৰু ইয়াত, 'মৌলিকতাৰ আকাল' দেখা পাইছে। নেওগৰ এই মনোভাবৰ পাছফালে প্ৰাচীন ভাৰতীয় তথা বৈষ্ণৱ সাহিত্য আৰু নৱন্যাসৰ সাহিত্যৰ আধ্যাত্মিক আৰু ভাববাদী আদৰ্শৰ ৰক্ষণশীল প্ৰভাৱেই সম্ভৱতঃ কাম কৰিছে। এই প্ৰভাৱ অতিক্ৰম কৰিব পৰা কালোত্তৰ সৌন্দৰ্য দৃষ্টি তেখেতে দেখুৱাব পৰা নাই।

চতুৰ্থ-পঞ্চম দশকৰ সন্ধিক্ষণত আন কেই গৰাকী পণ্ডিত অধ্যাপকে সমালোচনা-তত্ত্ব সাহিত্যৰ বুৰঞ্জী, অসমীয়া সাহিত্যৰ ন-পুৰণি দিশ ইত্যাদি বিষয়ত আৰু পুৰণি পুথিৰ নতুনকৈ সম্পাদনাৰ কামত কিছুমান গৱেষণা-

মূলক কাম হাতত লয়—এখেতসকলৰ ভিতৰত বিৰিঞ্চি কুমাৰ বৰুৱা, ত্ৰৈলোক্য নাথ গোস্বামী অতুল চন্দ্ৰ বৰুৱা, হেম বৰুৱা মহেশ্বৰ নেওগ, প্ৰফুল্ল দত্ত গোস্বামী, সত্যেন্দ্ৰনাথ শৰ্মা, উপেন্দ্ৰনাথ গোস্বামীৰ নাম উল্লেখযোগ্য। এখেতসকলৰ গৱেষণামূলক অধ্যয়নৰ পৰা অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ আৰু সাহিত্যৰ কেতবোৰ বিভাগৰ ওপৰত তথ্য আৰু তত্ত্বৰ পোহৰ পেলোৱা হ'ল আৰু সমালোচনা সাহিত্যৰ পৰিধিও বিস্তৃততৰ হ'ল। কিন্তু এখেতসকলৰ (দুই-এজনৰ বাহিৰে) সাধনা আৰু সিদ্ধি যাইকৈ academic পৰ্যায়ৰ আৰু ব্যাখ্যাত্মক আলোচনা আৰু তথ্যানুসন্ধানৰ বাহিৰে গুণগতভাৱে কোনো নতুন সমালোচনা-পদ্ধতিৰ প্ৰবৰ্তন তেখেতসকলে কৰিব নোৱাৰিলে। অৱশ্যে সমালোচনাৰ তাত্ত্বিক দিশটোৰ আলোচক স্বৰূপে "কাব্য আৰু অভিব্যঞ্জনা"ৰ লিখক বিৰিঞ্চি কুমাৰ বৰুৱা "সাহিত্য আলোচনা" আৰু আন আন সমালোচনামূলক পুথিৰ লিখক ত্ৰৈলোক্য নাথ গোস্বামী আৰু ইংৰাজী সাহিত্যৰ বিভিন্ন ধাৰাৰ পৰিচয়-মূলক নিবন্ধৰ ৰচয়িতা আৰু সেই পটভূমিত অসমীয়া সাহিত্যৰ সমালোচনা আগ বঢ়োৱা হেম বৰুৱা—ইয়াৰ ব্যতিক্ৰম।

ত্ৰৈলোক্যনাথ গোস্বামীয়ে চতুৰ্থ দশকৰ পৰা আৰম্ভ কৰি এতিয়ালৈকে একেৰাহে কেইবাখনো সমালোচনা-মূলক পুথি আগবঢ়াইছে, যেনে, "আধুনিক গল্প সাহিত্য" "সমুদ্ৰ মন্থন", "সাহিত্য কলা আৰু তাৰ বিচাৰ", "ইংৰাজী সমালোচনাৰ ধাৰা আৰু অসমীয়া সাহিত্যত তাৰ প্ৰভাৱ" আৰু আগতে উল্লিখিত "সাহিত্য আলোচনা"। থূলমূলকৈ ক'বলৈ গলে শ্ৰীগোস্বামীৰ সাহিত্য সমালোচনাৰ আদৰ্শত ভাৰতীয় অলংকাৰিকৰ ৰসগ্ৰাহী ব্যাখ্যাত্মক দৃষ্টিভঙ্গীৰ লগত পশ্চিমীয়া সমালোচকৰ বস্তুনিষ্ঠ মূল্যায়নৰ সমন্বয় সাধনৰ প্ৰচেষ্টা লক্ষ্য কৰা যায়। এখেতে কেইবা ঠাইতো আমাৰ সমালোচনাত পশ্চিমীয়া ভাৱ ধাৰাৰ লগত ভাৰতীয় তথা অসমীয়া সাহিত্য পৰম্পৰাৰ সংযোগ সাধনৰ ওপৰত যুক্তি সংগতভাৱেই গুৰুত্ব আৰোপ কৰিছে। কিন্তু ব্যৱহাৰিক নাইবা প্ৰয়োগ জনিত সমালোচনাৰ ক্ষেত্ৰত তেখেতে আশানুৰূপভাৱে যুক্তিনিষ্ঠ গভীৰ, বিশ্লেষণ নাইবা সুসমন্বিত মূল্য বোধৰ পৰিচয় দিব পৰা নাই। বহুতো ক্ষেত্ৰত কিছুমান লিখক নাইবা কবিৰ ৰচনাৰ ওপৰত বিক্ষিপ্ত মতামত দাঙি ধৰিয়েই তেখেতে সন্তুষ্ট হৈ থাকে—সেই মতামতৰ সপক্ষে যুক্তিসংগত ব্যাখ্যা নাইবা উদাহৰণ দাঙি ধৰাৰ প্ৰয়াস নকৰে। উদাহৰণ স্বৰূপে হোমেন বৰগোহাঞিৰ গল্পত অস্তিত্ববাদৰ ছাৰ পৰিছে বুলি তেখেতে মন্তব্য

দিছে, কিন্তু ক'ত, কেনেকৈ সেই ছাব পৰিছে তাৰ সামগ্ৰিক বিচাৰ ডেথেতে কৰা নাই ।

বিৰিঞ্চিকুমাৰ বৰুৱাৰ "কাব্য আৰু অভিব্যঞ্জনা"ত বিখ্যাত ইটালীয় সমালোচক ক্ৰোচেৰ অভিব্যঞ্জনাবাদ আৰু ভাৰতীয় অলংকাৰ শাস্ত্ৰৰ মাজত সমন্বয়বাদী প্ৰচেষ্টা লক্ষ্য কৰা যায় ।

দ্বিতীয় মহাসমৰৰ অন্তত নতুনকৈ সম্পাদিত হৈ ওলোৱা "জয়ন্তী"ৰ যোগেদি আগৰ পৰ্যায়ৰ ৰোমাণ্টিক ব্যক্তিগত ভাবোচ্ছ্বাসপূৰ্ণ ভাববাদী সাহিত্যৰ বিৰুদ্ধে সচেতনভাৱে বিদ্ৰোহ ঘোষণা কৰি নতুন যুগৰ বাস্তৱবাদী 'প্ৰগতিশীল', সমাজ সচেতন কাব্য ধাৰা আৰু সাহিত্যৰ সূচনা কৰা হয় । এই "প্ৰগতিশীল বাস্তৱবাদী সাহিত্যাদৰ্শৰ নেতৃত্ব গ্ৰহণ কৰিছিল প্ৰতিভাবান মাৰ্ক্সবাদী দাৰ্শনিক সমালোচক ভবানন্দ দত্তই । নচিকেতা নামেৰে প্ৰকাশিত দত্তৰ "ৰাজপথ" আৰু অকালতে মৰহি যোৱা আন এগৰাকী কবি প্ৰতিভা অমূল্য বৰুৱাৰ "অন্ধকাৰৰ হাহাকাৰ", "বেশ্যা" আদি কবিতাৰে এই নতুন কাব্য ধাৰাৰ পাতনি মেলা হৈছিল । পৰৱৰ্তী পৰ্যায়ত "পচোৱা" "ৰামধেনু" আদি আলোচনীৰ যোগেদি মহাযুদ্ধোত্তৰ যুগৰ সাম্প্ৰতিক অসমীয়া সাহিত্যৰ বৰ্ণ বৈচিত্ৰ্যময় ধাৰাৰ বিকাশ হ'ল ।

"অসমীয়া কবিতাৰ কাহিনী' নামৰ আলোচনা পুথিত ভবানন্দ দত্তৰ সাহিত্যিক আদৰ্শৰ আভাস পোৱা যায় । Art for art's sake নাইবা কলাকৈবল্যবাদৰ অবক্ষয়ৰ আদৰ্শত বিশ্বাস নকৰা দত্তই সাহিত্যিকৰ সন্মুখত সমাজ সচেতন 'প্ৰগতিশীল' সাহিত্যৰ আদৰ্শ দাঙি ধৰিছে আৰু কবি সাহিত্যিকক বহল বিশ্ব জীৱন আৰু সংঘাতময়, গতিশীল সমাজ জীৱনৰ লগত ঘনিষ্ঠ সম্বন্ধ স্থাপন কৰিবলৈ আহ্বান জনাইছে । একেবাৰে সুন্দৰ আৰু মংগলৰ সাধক জ্যোতিপ্ৰসাদৰ কবি জীৱনত আৰু অমূল্য বৰুৱাৰ কবিতাত ডেথেতে এনে আদৰ্শৰ প্ৰতিফলন দেখা পাইছে । পাশ্চাত্যৰ অন্ধ অনুগামী তথা এলীয়টৰ অনুকৰণকাৰী সকলক ডেথেতে 'পলায়নবাদী' বুলি ভাবিছে । লগতে আধুনিক কবিতাৰ 'দুৰ্বোধ্যতা'ৰ বিৰুদ্ধেও প্ৰবল আপত্তি দৰ্শাইছে । ভবানন্দ দত্তৰ সাহিত্য সমালোচনাৰ বৈশিষ্ট্য হ'ল এটা সুস্পষ্ট জীৱন দৰ্শনৰ আলমত ঐতিহাসিক দৃষ্টিভংগীত আৰু বাস্তৱবাদী আদৰ্শত সাহিত্য বিচাৰ । ডেথেতৰ জীৱন দৰ্শনৰ মূল হ'ল মাৰ্ক্সবাদ । এই দিনৰ পৰা ভবানন্দ দত্তক পৰৱৰ্তী পৰ্যায়ৰ ডঃ হীৰেন গোহাঁই আদি মাৰ্ক্সবাদী সমালোচকৰ পূৰ্বসূৰী বুলি কব পাৰি । কিন্তু ৰবীন্দ্ৰ নাথৰ কাব্য

৮

সাহিত্যৰ বসজ্ঞ সমালোচক দত্তই বাস্তৱবাদী উদ্দেশ্যধৰ্মী সাহিত্যত বিশ্বাস কৰিলেও সাহিত্যক কেৱল বাস্তৱ ঘটনাৰ সংকলন বুলি নাভাবে : "কবিতা জীৱনৰ অভিজ্ঞতাৰ পৰা কবিৰ অন্তৰত জমি উঠা অনুভূতিৰ প্ৰতিধ্বনি হ'ব লাগে ।"—'অসমীয়া কবিতাৰ কাহিনী', ৭৪ পৃ:) কাব্যত সুন্দৰৰ সাধনা আৰু মহত্তৰ জীৱনৰ মূল্যবোধৰ এটা সমন্বয় তেখেতে বিচাৰিছিল : "ৰোমাণ্টিক কবিসকলে মহত্তৰ সমাজ জীৱনৰ প্ৰেৰণাক অৱহেলা কৰি নিজৰ কাব্যক ভাব বিলাস মাত্ৰ কৰি তুলিছে; বিপ্লৱী কবিসকলে সমাজ-জীৱনৰ প্ৰেৰণাত নিজৰ অন্তৰৰ একান্ত অন্তৰঙ্গ সুকুমাৰ অনুভূতিক কিছু পৰিমাণে অৱহেলা কৰিছে । এই দুই অনুভূতিৰ ঐক্য আৰু সমন্বয়তহে শ্ৰেষ্ঠ শিল্পৰ সৃষ্টি হ'ব পাৰে ।" ভবানন্দ দত্তৰ কাব্য সমালোচনাত পশ্চিমীয়া আদৰ্শৰ অন্ধ অনুকৰণ কৰি আমাৰ সমাজ জীৱনৰ বাস্তৱতাক আওকান কৰাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ ধ্বনিত হয় । অৱশ্যে দাৰ্শনিক সমালোচক হিচাপে তেখেতে কবিতাৰ আংগিক গত কলা-কুশলতাৰ বিশ্লেষণৰ প্ৰতি সিমান মনোযোগ দিয়া নাই ।

চতুৰ্থ-পঞ্চম দশকৰ সাহিত্য সমালোচকৰ ভিতৰত অতুল চন্দ্ৰ বৰুৱা, হেম বৰুৱা, মহেশ্বৰ নেওগ, সত্যেন্দ্ৰ নাথ শৰ্মাৰ নাম আগতেই উল্লেখ কৰিছোঁ । এখেতসকলৰ বাহিৰেও মহেন্দ্ৰ বৰা, দিলীপ বৰুৱা আদিয়ে পঞ্চাশ-ষাঠিৰ দশকত সমালোচনামূলক ৰচনা আগ বঢ়ায় ।

অতুল চন্দ্ৰ বৰুৱাই কেবাখনো পুথিৰ যোগেদি অসমীয়া সমালোচনা সাহিত্যলৈ বৰঙণি যোগায় । তেখেতৰ "সাহিত্যৰ ৰূপৰেখা" "সাহিত্য দৃষ্টি" "সমালোচনা সাহিত্য" নামৰ পুথিত ঘাইকৈ পাশ্চাত্য আৰু ভাৰতীয় সাহিত্য চিন্তাৰ ভেটিত ব্যাখ্যাত্মক আলোচনা কৰা দেখা যায় । দৃষ্টিভংগীৰ ফালৰ পৰা বৰুৱাক ecelectic বুলি কব লাগিব ।

হেম বৰুৱাৰ সমালোচনা-মূলক প্ৰবন্ধৰাজিত আৰু "অসমীয়া সাহিত্য"ৰ বুৰঞ্জীত ইংৰাজী সাহিত্যৰ বিভিন্ন ধাৰাৰ প্ৰভাৱ লক্ষ্য কৰা যায় । "আধুনিক সাহিত্য", "সাহিত্য আৰু সাহিত্য" আৰু "স্মৃতিৰ পাপৰি"ত সংকলিত প্ৰবন্ধসমূহ বিভিন্ন আলোচনীৰ পাতত প্ৰকাশ কৰা হৈছিল । প্ৰথমতে ইংৰাজীত ওলোৱা "অসমীয়া সাহিত্য" পুথিখনি আলোচনীৰ পাতত তীব্ৰ সমালোচনাৰ সন্মুখীন হৈছিল । হেম বৰুৱাৰ সমালোচনা-মূলক প্ৰবন্ধত যথেষ্ট অধ্যয়নৰ ছাব থাকিলেও উদ্ধৃতিৰ প্ৰাচুৰ্য আৰু যথেচ্ছ প্ৰয়োগৰ ফলত শিৰোনামত পাল্লৱগ্ৰাহী মনবহে প্ৰকাশ দেখা পোৱা যায় । তেখেতৰ সাহিত্যিক দৃষ্টিভংগীও অস্পষ্ট আৰু সমালোচনা ৰীতিত সংহত, সুসংলগ্ন

চিন্তাধাৰাৰ ঠাইত বিক্ষিপ্ত ভাবধাৰাৰ পৰিচয় পোৱা যায়। পাশ্চাত্য সাহিত্যৰ বিভিন্ন ধাৰাৰ পৰা বুটলি লোৱা ধাৰণাৰ ভিত্তিত তেখেতে সমালোচনা আগ বঢ়াইছে, কিন্তু সেইবোৰৰ পৰিপ্ৰেক্ষিতত নিজা কোনো সমালোচনা দৃষ্টি নাইবা সাহিত্যৰ আদৰ্শ গঢ়ি উঠাৰ প্ৰমাণ দিব পৰা নাই। ঐতিহাসিক দৃষ্টিত হেম বৰুৱাৰ অৱদান এইখিনিতে যে অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ এটা সন্ধিক্ষণত তেখেতে বিভিন্ন আলোচনাৰ যোগেদি বিদেশী সাহিত্যৰ কিছুমান ধাৰাৰ লগত পাঠক সকলক চিনাকি কৰি দিয়ে আৰু আধুনিক সাহিত্যৰ 'প্ৰচাৰক'ৰ ভূমিকা পালন কৰে।

মহেন্দ্ৰ বৰাৰ কৃতিত্ব খাইকৈ আধুনিক অসমীয়া কবিতাৰ এখন মূল্যবান সংকলনৰ ("নতুন কবিতা") সম্পাদনা কৰা আৰু অসমীয়া কবিতাৰ ছন্দ সম্পৰ্কে আলোচনা কৰাৰ মাজতে সীমাবদ্ধ। কাব্য-সমালোচক হিচাপে তেখেতে বিশেষ কোনো মৌলিক আৰু স্মৰণযোগ্য মূল্যবোধৰ চিনাকি দিব পৰা নাই।

দিলীপ বৰুৱাই পাশ্চাত্য সাহিত্যৰ অধ্যয়নপুষ্ট মনেৰে "আৱাহন", "ৰামধেনু"ৰ যুগৰে পৰাই সমালোচনা মূলক প্ৰবন্ধ আৰু পুথি সমালোচনা আগ বঢ়াই আহিছে। এখেতৰ বিশ্লেষণত এটা স্বচ্ছ দৃষ্টি-ভংগী আৰু সংস্কৃত মনৰ পৰিচয় পোৱা যায়। কোনো বিশেষ মতবাদৰ দ্বাৰা তেখেতৰ আলোচনা প্ৰভাবান্বিত নহয়; কিন্তু তেখেতে আশানুৰূপ ভাৱে সমালোচক হিচাপে নিজৰ অৱদান আগ বঢ়াব পৰা নাই। এসময়ত ভবেন বৰুৱা, হীৰেন গোহাঁইৰ লগতে দিলীপ বৰুৱাইও হেম বৰুৱা আদিৰ লেখনীক চোকা ভাষাত সমালোচনা কৰি অসমীয়া সমালোচনাৰ সচৰাচৰ নিৰ্জীৱ পৰিবেশত উত্তপ্ত হাৱাৰ সৃষ্টি কৰিছিল। সেইবোৰ আলোচনাত polemics অৰ গোন্ধ থাকিলেও আৰু প্ৰয়োজনতকৈ বেছি উত্তাপৰ সঞ্চাৰ কৰিলেও তাৰ দ্বাৰা চতুৰ্থ-পঞ্চাশ দশকৰ হেম বৰুৱা আদিৰ কবিতা আৰু আন বিধৰ ৰচনাৰ আংগিকগত আৰু ভাবগত বহুতো ত্ৰুটি যেনে—চিন্তাধাৰাৰ অসংলগ্ন ৰূপ, বক্তৃতা ধৰ্মিতা, চিত্ৰকল্পৰ আৰু শব্দৰ অৰ্থহীন প্ৰয়োগ, উদ্ধৃতিৰ অনাৱশ্যক আৰু যথা-ইচ্ছা প্ৰয়োগ ইত্যাদি বহুতো দুৰ্বলতাৰ প্ৰতি পাঠকৰ দৃষ্টি আকৰ্ষণ কৰা হৈছিল। এনে কঠোৰ সমালোচনাৰ ফলত অসমীয়া কবিতা-ৰচনাৰ ক্ষেত্ৰত ক্ৰমাৎ আংগিক সম্পৰ্কে অধিক সচেতনতাৰ এটা পৰিবেশ সৃষ্টি হয়,—যাৰ ফলত, ষাঠিৰ দশকৰ নীলমণি ফুকন, হীৰেণ ভট্ট, নিৰ্মলপ্ৰভা বৰদলৈ, ভবেন বৰুৱা, হৰেকৃষ্ণ ডেকা আদিৰ কবিতাত আংগিক সচেতনতা বিশেষভাৱে লক্ষণীয় হৈ উঠে। পঞ্চাশ

আৰু ষাঠিৰ দশকত বিসকলে আধুনিক অসমীয়া সমালোচনা সাহিত্যলৈ তাত্ত্বিক আৰু ব্যৱহাৰিক দুয়োটা দিশতে বৰঙণি যোগায়, তেওঁলোকৰ ভিতৰত পুৰণি চামৰ ডঃ মহেশ্বৰ নেওগ আৰু ডঃ সত্যেন্দ্ৰনাথ শৰ্মা, ত্ৰৈলোক্য নাথ গোস্বামী আদিৰ বাহিৰে নতুন চামৰ হোমেন বৰগোহাঞি, ডঃ হীৰেণ গোহাঁই, ভবেন বৰুৱা আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

ডঃ মহেশ্বৰ নেওগ আৰু ডঃ সত্যেন্দ্ৰনাথ শৰ্মাৰ অসমীয়া পুৰণি সাহিত্যৰ ওপৰত গৱেষণামূলক অধ্যয়নৰ কথা আগতে উল্লেখ কৰা হৈছে। সাধাৰণতে ঐতিহাসিকৰ দৃষ্টিভংগীত এখেত সকলে অসমীয়া সাহিত্যৰ আলোচনা কৰিছে। দুয়ো সৰাকীয়েই উদাৰ আৰু সহানুভূতিশীল দৃষ্টিৰে সাহিত্য বিচাৰ কৰি থাকে, কিন্তু সমালোচকৰ কোনো এটা বিশেষ দৃষ্টিভংগী এখেতসকলৰ আলোচনাৰ পৰা পোৱা নাযায়। বাইকৈ গৱেষক আৰু তথ্যানসন্ধানীৰ ভূমিকাতেই এখেতসকলৰ কৃতিত্ব।

একেবাৰে সৃজনীমূলক সাহিত্য আৰু সমালোচনামূলক প্ৰবন্ধ লিখি এটি বিশিষ্ট ব্যক্তিত্বৰ চিনাকি দিয়া লিখক হ'ল হোমেন বৰগোহাঞি। বৰগোহাইৰ সমালোচনামূলক প্ৰবন্ধ সংখ্যাত তাকৰ হ'লেও তাৰ মাজেদি এখেতৰ সংস্কাৰ-মুক্ত, তীক্ষ্ণধী, স্পষ্টবাদী বিচাৰ-ভংগীৰ প্ৰমাণ পোৱা যায়। কোনো বিশেষ মতবাদ নাইবা জীৱন দৰ্শনৰ দ্বাৰা এখেতৰ সমালোচনা প্ৰভাৱান্বিত নহয়। আনহাতে বৰগোহাইক "কলা-কৈবল্যবাদ"ৰ ভক্ত বুলিও চিহ্নিত কৰিব নোৱাৰি। বিশ্বৰ বিভিন্ন ধাৰাৰ সাহিত্যৰ লগত বৰগোহাইৰ থুলমূলকৈ চিনাকি থকাৰ প্ৰমাণ পোৱা যায়। সঁচিকে অসমীয়া সাহিত্যক বিশ্ব সাহিত্যৰ পটভূমিত পৰীক্ষা কৰি চোৱাৰ প্ৰচেষ্টা বৰগোহাঞে কৰিছে। তেখেতৰ "বিশ্বসাহিত্যত অসমীয়া চুটি-গল্পৰ স্থান" প্ৰবন্ধৰ পৰা আৰু অসমীয়া আধুনিক কবিতাৰ সমালোচনাৰ পৰা ইয়াৰ প্ৰমাণ পোৱা যায়। বাণীকান্ত কাকতিৰ পৰা হেম বৰুৱালৈকে বাইকৈ ইংৰাজী সাহিত্যৰ পটভূমিত অসমীয়া সাহিত্যৰ বিচাৰ-বিশ্লেষণ কৰি চোৱা হৈছিল। পঞ্চাশ আৰু ষাঠিৰ দশকতে হোমেন বৰগোহাঞি, হীৰেণ গোহাঁই আৰু ভবেন বৰুৱাই বিশ্বসাহিত্যৰ পৰম্পৰাৰ চেতনা আগতকৈ অসমীয়া কবিতা আৰু আন বিধৰ ৰচনাৰ মূল্যায়ন কৰাৰ বাট মুকলি কৰে। নতুন প্ৰতিভাক স্বীকৃতি দান আৰু পুৰণিৰ নব-মূল্যায়ণৰ প্ৰচেষ্টাও বৰগোহাঞিৰ সমালোচনামূলক প্ৰবন্ধত পোৱা যায়। চতুৰ্থ-পঞ্চাশ দশকৰ বক্তৃতা ধৰ্মী কবিতাৰ পিছত ষাঠিৰ দশকত লিখা নীলমণি

ফুকন, হীৰেন্দ্ৰ নাথ দত্ত, ভবেন বৰুৱা, হীৰেণ গোহাঁই আদিৰ কবিতাৰ প্ৰতিকবাদী ব্যঞ্জনাধৰ্মিতা চিত্ৰকল্পবাদী মনৰ আৰু দুৰূহতা জাক এলীয়টী শ্লেষাত্মক ভংগীক ৰবগোহাঁয়ে স্বাগতম জনাইছিল। আনহাতে বেজ-বৰুৱাৰ ওপৰত লিখা এখেতৰ বিতৰ্কমূলক প্ৰবন্ধত সংস্কাৰ মুক্ত দৃষ্টিভংগীৰে বেজবৰুৱাৰ সাহিত্য কৃতিৰ নৱ-মূল্যায়নৰ সাহসিক প্ৰচেষ্টা বিশেষভাৱে উল্লেখযোগ্য। অৱশ্যে ৰবগোহাঞিৰ সকলো বিলাক সিদ্ধান্তৰ লগত একমত হোৱাটো টান। উদাহৰণ স্বৰূপে অস্তিত্ববাদৰ ওপৰত লিখা প্ৰবন্ধত তেখেত নৱকান্ত বৰুৱাৰ কবিতাত অস্তিত্ববাদী ভাবধাৰাৰ কথা মানি লৈছে—কিন্তু এই সিদ্ধান্তৰ সপক্ষে কোনো যুক্তি দাঙি ধৰা নাই: আমাৰ বোধেৰে ভবানন্দ দত্তৰ ভাষাত ক'বলৈ গ'লে — নৱ বৰুৱাৰ কবিতাত এই অস্তিত্ব-বাদী 'চিজ'টো থকাৰ কথা আচৰিত যেনহে লাগে। দ্বিতীয়তে—সৌৰভ চলিহাৰ গল্পত তেখেতে যি "pseudo intellectual element" আৰু 'exotic' গুণৰ কথা কৈছে—সেইটোৰে ৰবগোহাঁয়ে নিজৰ ব্যক্তিগত ৰুচিৰহে চিনাকি দিলে, ইয়াক বস্তুনিষ্ঠ সমালোচনা বুলি ক'ব নোৱাৰি কিয়নো এনে মতামতৰ সপক্ষেও তেখেতে কোনো প্ৰামাণ্য উদাহৰণ দাঙি ধৰা নাই। একে ধৰণেৰে নৱ বৰুৱাৰ "সম্ৰাট"ৰ ওপৰতো তেখেতে মতামত দিছে বিশ্লেষণ নোহোৱাকৈয়ে।

পঞ্চাশৰ দশকৰ পৰা এতিয়ালৈকে একেৰাহে—প্ৰাইকৈ সমালোচনামূলক প্ৰবন্ধ পাতি লিখি অসমীয়া আধুনিক সমালোচকসকলৰ ভিতৰত বিশিষ্ট স্থান অধিকাৰ কৰিছে ড: হীৰেণ গোহাঁয়ে। বিস্তৃত আৰু গভীৰ অধ্যয়ন আন্তৰ্জাতিক সাহিত্য পৰম্পৰাৰ লগত পৰিচয় যুক্তিনিষ্ঠ পৰ্যালোচনা, সাহিত্য আৰু জীৱন সম্পৰ্কে কিছুমান সুনিৰ্দিষ্ট মূল্যবোধ—এখেতৰ সমালোচনাক বিশিষ্টতা দান কৰিছে। তদুপৰি ড: গোহাঁই এটি ৰসগ্ৰাহী মনৰ অধিকাৰী। সেয়ে তেখেতৰ সমালোচনাৰ ভাষাত একেবাহে ব্যক্তিত্ব আৰু নিজা শৈল এটাৰ পৰিচয় পোৱা যায়। আমাৰ বহুতো সমালোচকৰ লিখনীত 'নিজা শৈলীৰ অভাৱ ড: গোহাঁইৰ ক্ষেত্ৰত এই উক্তি প্ৰযোজ্য নহয়।

সমালোচক হিচাপে গোহাঁইৰ প্ৰবন্ধবিলাক পঢ়ি চালে এটা ক্ৰমবিৱৰ্তন লক্ষ্য কৰা যায়, বিশেষকৈ তেখেতৰ আগতে লিখা প্ৰবন্ধত মাৰ্ক্সীয় দৰ্শনৰ প্ৰতি আস্থা নাছিল। তেখেতৰ সাম্প্ৰতিক ৰচনাত এই দৰ্শনৰ প্ৰতি থকা আস্থাই মুখ্য প্ৰভাৱ বিস্তাৰ কৰিছে। পঞ্চাশ-ষাঠিৰ দশকত লিখা প্ৰবন্ধত ইংৰাজী নব্য সমালোচক লীভিচ আদিৰ প্ৰভাৱ সুস্পষ্ট। লীভিচ ক'নলী (F.R. Leavis, Cyril Connolly) আদিৰ পন্থা অনুসৰণ কৰি

এখেতে সাহিত্যৰ স্বকীয় শিল্প-ৰূপক স্বীকৃতি দি বস্তুনিষ্ঠ বিশ্লেষণৰ যোগেদি তাৰ সৌন্দৰ্য আৰু সাৰ্থকতা বিচাৰ কৰাৰ চেষ্টা কৰিছিল। এই দৃষ্টিভংগীৰ পৰা তেখেতে কিছুমান ক্ষেত্ৰত নতুনক আৱিষ্কাৰ আৰু আন কিছুমান ক্ষেত্ৰত পুৰণিৰ নৱ-মূল্যায়নৰ বাবে প্ৰচেষ্টা হাতত লৈছিল। নতুনক আৱিষ্কাৰ কৰি স্বীকৃতি দিয়াৰ ক্ষেত্ৰত নীলমণি ফুকন, হৰেকৃষ্ণ ডেকা, ভবেন বৰুৱাৰ কবিতাৰ আলোচনাৰ কথা উল্লেখ কৰিব পাৰি। পুৰণিৰ নৱ-মূল্যায়নৰ ক্ষেত্ৰত অম্বিকাগিৰীৰ কাব্যৰ সমালোচনা, বেজবৰুৱাৰ ওপৰত আলোচনা, চৈয়দ আব্দুল মালিক আৰু চতুৰ্থ-পঞ্চম দশকৰ হেম বৰুৱা, মহেন্দ্ৰ বৰাৰ ৰচনাৰ সমালোচনাৰ কথা মনত পেলাব পাৰি। "অৰ্থ অনৰ্থ" "আধুনিকতাৰ সংজ্ঞা" আদি প্ৰবন্ধত তেখেতে দ্বিতীয় মহাযুদ্ধোত্তৰ যুগৰ তথাকথিত 'আধুনিক' কবিতা আৰু আনবিধৰ সাহিত্যৰ তীব্ৰ শ্লেষাত্মক সমালোচনা আগ বঢ়াইছিল। এখেতৰ সাম্প্ৰতিক কালৰ ৰচনাত মাৰ্ক্সীয় দৃষ্টিভংগী সুস্পষ্ট। সাম্প্ৰতিক সমালোচনা সমূহত গোহাঁয়ে সুচিন্তিত পদ্ধতিৰে সাহিত্যৰ ঐতিহাসিক সমাজতাত্বিক আলোচনাত বিশেষ মনোযোগ দিছে। এনে ধৰণৰ আলোচনা অসমীয়াত একমাত্ৰ ভবানন্দ দত্তৰ বাহিৰে আন কোনেও লক্ষণীয়ভাৱে কৰা নাই। ইয়াৰ দ্বাৰা নিশ্চয় আমাৰ সমালোচনা সাহিত্যৰ নতুন দিশ উন্মোচন কৰা হৈছে। কিন্তু গোহাঁইৰ সমালোচনাত ভাৰতীয় পৰম্পৰাৰ চেতনা অস্পষ্ট। সাম্প্ৰতিক কালৰ সমালোচনাত তেখেতে সাহিত্যতকৈ সাহিত্যিকৰ ওপৰতে বেছিকৈ নজৰ দিছে আৰু সমাজতাত্ত্বিক বিশ্লেষণৰ প্ৰাবল্যত সাহিত্য বস্তুৰ শিল্পগত বিশ্লেষণক আওকাণ কৰিছে। ইয়াৰ প্ৰমাণ "নতুন প্ৰবাহ"ত প্ৰকাশিত তেখেতৰ সৌৰভ চলিহাৰ "এহাত ডাৱৰ"ৰ আলোচনা আৰু সদ্য প্ৰকাশিত নৱকান্ত বৰুৱাৰ কবিতা সংকলনৰ পাতনি।

ডঃ হীৰেণ গোহাঁইৰ সমসাময়িক আন এগৰাকী সমালোচক হ'ল ভবেন বৰুৱা। ভবেন বৰুৱাৰ সমালোচনা পদ্ধতিত এগৰাকী বিদগ্ধ মননশীল ৰুচিবান সমালোচকৰ পৰিচয় পোৱা যায়। পাশ্চাত্য তথা আন্তৰ্জাতিক সাহিত্য ধাৰাৰ লগত বৰুৱাও বহলভাৱে পৰিচিত। গতিকে অসমীয়া সাহিত্যৰ সমালোচনাত বৰগোহাঞি, হীৰেণ গোহাঁইৰ দৰে এখেতেও আন্তৰ্জাতিক মানদণ্ডেৰেহে জুখি চাব খোজে। অসমীয়া সমালোচনাত পাশ্চাত্যৰ আদৰ্শৰ লগত ভাৰতীয় আদৰ্শৰ সমন্বয়ৰ প্ৰচেষ্টা এখেতেও কৰা নাই। বৰং ইংৰাজী লীৱিচ আদি "নব্য সমালোচনা"ৰ গুৰি ধৰোঁতাসকলৰ আদৰ্শেৰে ভবেন বৰুৱাও অসমীয়া সাহিত্য আৰু সাহিত্যিকৰ

মূল্যায়ন আৰু নৱ-মূল্যায়নৰ বাবে প্ৰচেষ্টা চলাইছে। এসময়ত চতুৰ্থ-পঞ্চম দশকৰ বক্তৃতা ধৰ্মী সোলোক-চোলোক আংগিকৰ কবিতা, গীতি কবিতা আদিৰ বিৰুদ্ধে হীৰেণ গোহাঁই আৰু ভবেন বৰুৱাই একেলগে বাক্-যুদ্ধত আগ ভাগ লৈছিল। নতুনৰ আৱিষ্কাৰৰ ভিতৰত ভবেন বৰুৱাই অজিত বৰুৱা, হৰেকৃষ্ণ ডেকা আদিৰ কবিতাৰ স্বীকৃতি লাভৰ বাট মুকলি কৰে। দিবিঞ্চি কুমাৰ বৰুৱাৰ "জীৱনৰ বাটত" আৰু হোমেন বৰগোহাঞিৰ "সুবালা"ৰ বিশ্লেষণ ধৰ্মী সমালোচনা ভবেন বৰুৱাৰ উল্লেখযোগ্য অৱদান। আনহাতে—বিশেষ বিশেষ কবিতাৰ সূক্ষ্ম বিশ্লেষণ আৰু সাধাৰণতে পাঠকৰ চেতনাত ধৰা নপৰা সূক্ষ্ম ব্যঞ্জনাৰ আলোচনা আগবঢ়াই ভবেন বৰুৱাই নিজৰ পৰ্যবেক্ষণ ক্ষমতা, অনুভূতি আৰু মননশীলতাৰ অসাধাৰণ তীক্ষ্ণতাৰ পৰিচয় দিছে। এই প্ৰসংগত "সংলাপ"ত প্ৰকাশিত অজিত বৰুৱাৰ কবিতা এটাৰ বিশ্লেষণ উল্লেখযোগ্য। কিন্তু ভবেন বৰুৱাই সাহিত্য সৃষ্টিৰ অন্তর্নিহিত ভাব জগতৰ বিশ্লেষণত যি পাৰদৰ্শিতা দেখুৱাইছে—সেই তুলনাত কাব্য নাইবা সাহিত্যৰ সামগ্ৰিক মূল্যায়নৰ পিনে বিশেষ মনোযোগ দিয়া নাই। তথাপি সমালোচক হিচাপে ভবেন বৰুৱাৰ সূক্ষ্ম বিশ্লেষণ ক্ষমতা আৰু সামগ্ৰিক মূল্যায়নৰ ক্ষেত্ৰত তেখেতৰ দিবিঞ্চি কুমাৰ বৰুৱাৰ "জীৱনৰ বাটত" উপন্যাসৰ ওপৰত আগ বঢ়োৱা সমালোচনা যি কোনো সাহিত্যৰে প্ৰথম শাৰীৰ সমালোচনা-ৰূপে স্বীকৃতি পাবৰ যোগ্য।

আমি উল্লেখ কৰা সমালোচকসকলৰ উপৰিও আৰু কেইজনমান সমালোচকে মাজে সময়ে সমালোচনা মূলক প্ৰবন্ধ, পুথি-সমালোচনা আদি লিখি আছে। তেওঁলোকে কিছুমান প্ৰবন্ধত নিজৰ সমালোচনা শক্তিৰ পৰিচয় দিলেও বিশেষভাৱে কোনো নতুন সমালোচনাৰ ধাৰাৰ সৃষ্টি কৰিব পৰা নাই। সেই বাবে তেওঁলোকৰ বিষয়ে সুকীয়া আলোচনা কৰা নহ'ল।

আধুনিক অসমীয়া সমালোচনা সাহিত্যৰ এই চমু আলোচনাৰ পিছত উল্লেখ কৰিব পৰা যায় যে আমাৰ সমালোচনাৰ ধাৰা নৱন্যাসৰ আদৰ্শৰ পৰা আৰম্ভ কৰি বাস্তৱবাদৰ পিনে গতি কৰি সাম্প্ৰতিক কালত দুটা সুঁতিৰ সৃষ্টি কৰিছে—এটা মাৰ্ক্সবাদী দাৰ্শনিক সমাজতাত্ত্বিক বিশ্লেষণ, আনটো হ'ল প্ৰতীকবাদী ধাৰাৰ সাহিত্যৰ সুকীয়া সত্তাৰ ব্যঞ্জনাধৰ্মী, সূক্ষ্ম বিশ্লেষণ। এই দুয়োটাই এটা আনটোৰ পৰিপূৰক বুলি ভাবি ল'লে হয়তো সাহিত্যৰ পূৰ্ণাংগ সমালোচনাৰ অভাৱ পূৰণ হোৱা বুলি ক'ব পৰা যাব। সুকীয়া হিচাপে দুয়োটা ধাৰাৰ সীমাবদ্ধতাৰ আভাস আমি দিছোঁ। কিন্তু এটা গুৰুত্বপূৰ্ণ কথা হ'ল—আমাৰ সাহিত্যিক সাংস্কৃতিক পৰম্পৰাৰ চেতনাৰ

সাম্প্ৰতিক সমালোচনাত বিশেষ প্ৰভাৱ বিস্তাৰ কৰা নাই। একল পশ্চিমীয়া আদৰ্শৰে আমাৰ সাহিত্যৰ পূৰ্ণাংগ সমালোচনা হ'ব পাৰে বুলি আমি বিশ্বাস নকৰো। আমাৰ জীৱনৰ বাস্তৱতাৰ বা আমাৰ সংস্কৃতিৰ পৰা আহৰণ কৰা মূল্যবোধে আমাৰ সমালোচনাকো নিশ্চয় প্ৰভাৱান্বিত কৰা উচিত।

তিনি দশকৰ অসমীয়া "নিবন্ধ"

শ্ৰীসুনীল বৰকটকী

উৰ্দ্ধকমাৰ ভিতৰত লিখা 'নিবন্ধ' হে দেই। নিৰ্বিচাৰে, পাইকাৰী হিচাবে বোলা প্ৰবন্ধও নহয়, ডক্টৰ নেওগে বৰ্ণোৱা "নতুন জীৱনী"ৰ আহিৰ "নতুন ৰচনা"ও নহয়, বিশেষীকৃত ব্যক্তিগত ৰচনাও নহয়; লীলা গগৈয়ে নামাকৰণ কৰা মনোধৰ্মী প্ৰবন্ধও নহয়, ব্যক্তিমুখী ৰচনাও নহয়; নাইবা বহুল ব্যৱহৃত ৰম্য তথা ৰস তথা লঘু ৰচনাও নহয়। অথচ এই বিচিত্ৰ অভিধাৰে ভিন্নজনে অভিহিত কৰা আৰু তেনে প্ৰায় আটাইবোৰ লক্ষণ বিশিষ্ট লিখনীকে 'নিবন্ধ' বুলি চিহ্নিত কৰি লিখিবলৈ ওলাইছোঁ।

চতুৰ্থ দশকৰ পৰা, বিশেষকৈ দ্বিতীয় মহাসমৰৰ পাচৰ পৰা, আগৰ বেজবৰুৱা, সত্যনাথ বৰা, দণ্ডিনাথ কলিতা প্ৰভৃতিৰ ব্যঙ্গ-কৌতুক আৰু বুদ্ধিদীপ্ত হাস্যৰস মিশ্ৰিত সৰবৰহী লঘু বা খুহুতীয়া ৰচনা আৰু লম্বোদৰ বৰা, সত্যনাথ বৰা, বজ্ৰেশ্বৰ মহন্ত প্ৰভৃতিৰ গহীন-গম্ভীৰ, চিন্তামূলক, বস্তুধৰ্মী গধুৰ প্ৰবন্ধৰ বিপৰীতে, নাইবা সেইবিলাকৰে প্ৰতিক্ৰিয়া স্বৰূপে অসমীয়া সাহিত্যাকাশত যি এবিধ নতুন লিখা হঠাৎ ধুমকেতুৰ দৰে আবিৰ্ভাৱ হৈ বিস্ময় প্ৰত্যাশা আৰু চমকপ্ৰদ উজ্জ্বলতাৰ প্ৰবাহ সৃষ্টি কৰি দুটামান দশকৰ অন্ততে চেঁচা পৰি আহিল—সেইবিধ লিখনীকে মই চুটি আৰু উজুকৈ 'নিবন্ধ' বুলি নামাকৰণ কৰাৰ পক্ষপাতী। স্থানান্তৰত শ্ৰীযুত লক্ষীনাথ ফুকনৰ প্ৰবন্ধ সাহিত্য সম্পৰ্কীয় এক আলোচনাতো ব্যক্তিনিষ্ঠ, মনপ্ৰাণ, কৌতুকোচ্ছল, মন্ময়, মৃদু-হাস্যৰস মণ্ডিত এই নতুন জাতৰ লিখক 'নিবন্ধ' নাম দিয়াৰ পোষকতা কৰিছিলো।

আলোচ্য বিষয়বস্তুটোক আটাইতকৈ সৰবৰহী নাম ৰচনা এইবাবেই দিবৰ মন নাযায় যে ৰচনা বুলিলে সাধাৰণতে পঢ়াশালীয়া ছাত্ৰৰ পৰীক্ষাৰ প্ৰশ্নোত্তৰ ৰহীত লিখা ধৰণৰ লিখাবোৰহে মনত পৰে। প্ৰবন্ধ শব্দটোৱেই

সম্বৰ এই ক্ষেত্ৰত আটাইতকৈ বেছিকৈ ব্যৱহৃত হয় আৰু এইবিধ মূলতঃ পাশ্চাত্যৰ পৰা লোৱা লিখনী শ্ৰেনী বা 'ৰোনাৰ' বেতিয়া ইংৰাজী 'এচে শব্দৰ প্ৰতিশব্দ হিচাপে প্ৰবন্ধ শব্দটোৰ ব্যাপক চলন্তি হোৱাটোও স্বাভাৱিক। আজিকালি প্ৰবন্ধৰ সলনি 'নিবন্ধ' শব্দটো কোনো কোনোৱে ব্যৱহাৰ কৰা দেখা গৈছে ; কিন্তু তেনে হলেও সচৰাচৰ নিচেই চুটি বা টোকা-জাতীয় লিখা বুজাবলৈহে "নিবন্ধ" কোৱা হয় যেন লাগে। মোৰ বোধেৰে ইংৰাজী 'এচে' শব্দটোৰ ব্যুৎপত্তিগত অৰ্থত যি এটা প্ৰচেষ্টা, যত্ন, সচেতন অভ্যাসৰ ভাব অন্তৰ্নিহিত হৈ আছে সেইটো গুৰুগম্ভীৰ প্ৰবন্ধৰ ধৰ্মৰ সতেহে বজিতা খায়,—'খেয়ালী' আত্মপ্ৰকাশধৰ্মী, মুক্তক, হৃদয়জাত নাইবা বুদ্ধিদীপ্ত লঘু ৰসাত্মক ৰচনাৰ সৈতে নহয়। তাৰ বাহিৰেও ইংৰাজীতো এই জাতীয় ৰচনাৰ স্বকীয়া নাম এটা নাই; বাবে মূল 'এচে'কে ৰাখি 'ফেমিলিয়াৰ', 'পাৰ্চেনেল', 'লিটেৰেৰী', 'ইনিটিমেট' আদি বিশেষনেৰে ইয়াক পৃথক কৰি দেখুৱাবলৈ বিচৰা হয়। অসমীয়ত যিহেতুকে 'নিবন্ধ' শব্দটো এতিয়াও তেনেকৈ ব্যৱহাৰ হোৱা নাই আৰু প্ৰবন্ধৰেই একাৰ্থক শব্দ ৰূপেই ব্যৱহৃত হৈ আহিছে, সেইবোৰে এই শব্দটো আমি নিৰ্দিষ্ট ভাবে এই পাতল, লঘু, হাস্যৰসিক, ব্যক্তি-মনোধৰ্মী, আপোন, অন্তৰঙ্গ শ্ৰেণীৰ লিখাৰ বাবে আছুতীয়াকৈ ব্যৱহাৰ কৰিবলৈ ললে বেয়া নহয় যেন পাওঁ।

॥ আচহুৱা ৰোনাৰ ॥

নিবন্ধ বস্তুটো অসমীয়া সাহিত্যত আচহুৱা হোৱা বাবেই হওক বা প্ৰকৃতিগতভাবে ই পাতল, নাতি-গুৰুত্বসম্পন্ন হোৱা বাবেই হওক, এই শতিকাৰ মাজভাগতহে ভুমুকি মৰা এই নতুন সাহিত্যিক বৰ্গটোৰ প্ৰতি অসমীয়া সাহিত্য বুৰঞ্জীকাৰ তথা সাহিত্য-সমালোচকসকলৰ সিমান মনোযোগ আকৰ্ষিত হোৱা দেখা নাযায়। কেবাখনো সাহিত্য বিষয়ক সংকলণত ব্যক্তিনিষ্ঠ ৰচনা বা ৰম্যৰচনাৰ ওপৰত গোটাচেৰেক প্ৰবন্ধ লিখা ওলাইছে তাতো প্ৰায়েই এই জাতীয় লিখাক ব্যঙ্গাত্মক নাইবা খুহুতীয়া ৰচনাৰ সৈতে একাকাৰ কৰি পৰ্য্যবেক্ষণ কৰা হৈছে। কোনো ঠাইতে 'নিবন্ধ'ক স্পষ্ট-ভাবে এক স্বকীয়া সাহিত্যিক অনুশাসন বা সৃষ্টিশীল সাহিত্যশ্ৰেণী হিচাপে স্বতন্ত্ৰীয়া মৰ্যাদা দিয়াৰ প্ৰয়াস পৰিলক্ষিত হোৱা নাই। অসমীয়া সাহিত্যৰ বুৰঞ্জীসমূহত প্ৰবন্ধ সম্পৰ্কীয় অধ্যায়ত শেষৰফালে এই নতুন

শ্ৰেণীটোৰ সামান্য উল্লেখ কৰিয়েই সামৰা হৈছে। কোনো কোনোৱে সিমান খিনিও কৰা নাই।

ডক্টৰ সত্যেন্দ্ৰনাথ শৰ্মাই তেওঁৰ "অসমীয়া সাহিত্যৰ ইতিবৃত্ত"ত সাম্প্ৰতিক যুগৰ সাহিত্য পৰ্যালোচনা প্ৰসঙ্গত এটা অংশত প্ৰবন্ধ, ৰম্যৰচনা আৰু সমালোচনাৰ বিষয়ে লিখোঁতে প্ৰকৃতাৰ্থত ৰম্য ৰচনাতকৈ তথাকথিত ৰস-ৰচনাৰ প্ৰতি অধিক মনোযোগ দি কেইজনমান লঘু প্ৰবন্ধ লিখকৰ নামোল্লেখহে মাথোন কৰিছে, আৰু তাকো "দুই এজনৰ ৰচনাৰ বাহিৰে বেছিভাগ ৰচনাই গতানুগতিক, অভিনৱত্বহীন আৰু অনুকৰণ প্ৰধান হৈ পৰিছে আৰু সাহিত্যক খ্যাতি অৰ্জনৰ এটা সস্তীয়া উপায়ত পৰিণত হৈছে" বুলি উপসংহাৰ জুৰি একপ্ৰকাৰে এই শ্ৰেণী ৰচনাক কোনো প্ৰকাৰ মাহাত্ম্য দিবলৈ কুন্ঠাবোধ কৰিছে। আন কেইবাগৰাকীও লিখকে ৰম্য-ৰচনা আৰু কৃপাবৰ প্ৰদৰ্শিত ব্যঙ্গ-বিকৃতিসুলভ লিখাৰ মাজত তেনে কোনো স্পষ্ট প্ৰভেদ স্বীকাৰ কৰাৰ মূঠেই আগ্ৰহ দেখুৱা নাই। 'উইট' বা বুদ্ধি-দীপ্ত মৃদু-হাস্যৰসৰ নাম অনেকেই লৈছে যদিও স্থূল হাস্যৰসপূৰ্ণ বা ব্যঙ্গাত্মক ৰচনাকহে প্ৰধানতঃ এনে সাহিত্যৰ পৰ্য্যায়ত পৰে বুলি ধৰি লোৱা যেন দেখা যায়। ডক্টৰ মহেশ্বৰ নেওগে "সাহিত্য সমীক্ষা" বোলা অসমীয়া সাহিত্য সম্পৰ্কীয় সাহিত্য সভাৰ প্ৰকাশন এখনত "নতুন প্ৰবন্ধ" শীৰ্ষক যিটো প্ৰবন্ধ লিখিছে তাত বাইকৈ বিদেশী ব্যক্তিনিষ্ঠ লঘু-ৰচনাৰ স্বৰূপ আৰু প্ৰকাৰৰ পৰ্য্যাপ্ত আলোচনা আছে যদিও অসমীয়া সাহিত্যৰ এইটো অঙ্গৰ বিষয়ে একেবাৰে উল্লেখেই নাই বুলি কলেও ভুল কোৱা ন'হব। "বিংশ শতাব্দীৰ অসমীয়া সাহিত্য" নামৰ অসম সাহিত্য সভাৰে আন এখন সংকলনত শ্ৰীলীলা গগৈৰ "মনোধৰ্মী খুহতীয়া ৰচনা" শিতানৰ যিটো প্ৰবন্ধ আছে সেইটোতো শীৰ্ষৰ লৈতে সঙ্গতি ৰাখি লিখকে "খুহতীয়া' নোহোৱা বিধৰ মনোধৰ্মী ৰচনাক প্ৰায় এৰবীয়া কৰিয়েই এৰিছে বুলি কব পাৰি। আনভালেমান কিতাপত নিবন্ধৰ বিষয়ে নালাগে, সুপৰিচিত 'প্ৰবন্ধ'ৰ বাবেই স্বকীয়া অধ্যায় ৰখা হোৱা নাই। প্ৰবন্ধক নাটক, উপন্যাস কবিতা আদি সাহিত্যিক বিভাগৰ মৰ্য্যাদা দিবলৈকো বহু প্ৰকাৰেই ইতস্ততঃ কৰা দেখা যায়।

॥ বাটকটীয়া আৰু প্ৰাণৱন্ত ॥

নিবন্ধ যদি সকলো প্ৰবন্ধই নহয়, নিছক ৰচনাও নহয়, ৰম্য ৰচনাও নহয়, হাস্য-ৰসাত্মক বা ব্যঙ্গাত্মক লিখাও নহয়, তেনেহলে এই শব্দটোৰে

সবাচলতে কি, অৰ্থাৎ ইয়াৰ স্বৰূপ কি তাক কিছু বহলাই আলচ কৰা প্ৰয়োজন। ব্যক্তিমুখিতাই নিবন্ধৰ প্ৰাণ হলেও, মোৰ বোধেৰে অন্তৰঙ্গতা, অৰলীলা আৰু আত্ম উন্মোচনেই নিবন্ধৰ আচল স্বৰূপ নিৰ্ণয়ক চিন বা গুণ। তাহানি চতুৰ্থ দশকৰ আগভাগতে মাহেকীয়া 'আৱাহন'ত চিত্ৰসেন যথৰীয়া ওৰফে স্বৰ্গীয় হলিৰাম ডেকাৰ আত্মবিবৃতিৰ ৰীতি অনুসৰণত, বহলভাবে মানুহ বিষয়ত-'মেন এণ্ড মেটাৰ্চ'ৰ মাজত অবাধ বিচৰণ কৰি মই 'কনফেশ্যনচ' বুলি এটা লিখা লিখিছিলোঁ। কেবাজন কৃতী সাহিত্যিক সেইটোৰ সুবাদত মোকে অসমীয়া ব্যক্তিনিষ্ঠ ৰচনাৰ 'বাটকটীয়া' বুলি সন্মান যাচিছে। মই কিন্তু সেইটো লিখোতে সচেতনভাবে তথাকথিত 'নতুন ৰচনা'ৰ দুৱাৰ মুকলি কৰো বুলি তাক লিখা নাছিলোঁ। তেতিয়া নিবন্ধ বুলি ঘোষনা নকৰিলেও অসমীয়া সাহিত্যত মন্টেইন বা চাৰ্লচ লেম্বৰ আহিত ব্যক্তিমুখী, ৰচনাৰ তথা নিবন্ধৰ 'মেনিফেষ্টো' বা ঘোষনা-পত্ৰ হিচাপে সেই একে 'আৱাহন'তে পাচত মই এ-এ মিলনেৰ 'থাৰ্মমিটাৰ লৈ ভাবৰ বুৰবুৰনি বুলি যিটো অনুবাদ প্ৰবন্ধ উপহাৰ দিছিলোঁ সেইটোকহে প্ৰকৃতাৰ্থত তদানিন্তন বহু প্ৰচলিত অসমীয়া 'প্ৰবন্ধ'ৰ বিপৰীতে 'নিবন্ধ বুলি চিহ্নিত কৰাৰ যুক্তি আছিল। পিচলৈ মাহেকীয়া 'বামধেনুৰ' পাতত শ্ৰীজ্ঞানানন্দ শৰ্ম্মা পাঠকেও এই স্থানীয় নিবন্ধ লিখিছিল। অসমীয়া কোনো এটা বিশেষ সাহিত্যিক 'ঝেনাৰ' বা ৰূপ-বিভাগৰ নিজে 'প্ৰেকটিশ্যনাৰ' বা প্ৰয়োগী হলে সেই বিষয়ৰ বস্তুনিষ্ঠ বা 'অবজেকটিভ' আলোচনা কৰাৰ অৰ্হতা কিছু পৰিমানে খৰ্ব হয়। মই কিন্তু মোৰ নিজৰ তথা-কথিত 'বাটকটীয়া' ৰচনাৰ অস্তিত্বলৈ আওকাণ কৰিহে আত্ম-উন্মোচন তথা একান্ত অন্তৰঙ্গতাক নিবন্ধৰ প্ৰাণবস্তু বুলি কবলৈ প্ৰয়াস কৰিছোঁ। এইবা কথাৰ আগতীয়াকৈ কৈ থোৱা ভাল।

ডক্টৰ জনচয়ে প্ৰবন্ধক একালত 'এ লুজ চেলি অব দি মাইণ্ড'' বুলিছিল। এজন ব্যক্তি তথা লিখকৰ অন্তৰত ভুমুকি মৰা কিছুমান ভাব বা মনত খেলি থোৱা চিন্তন, নতুবা কেতবোৰ আবেগ-অনুভূতি প্ৰকাশৰ বাহন হোৱা-টোৱেই নিবন্ধৰ 'ৰেঁইৰ্জ-ডাটাৰ Raisond'etre বা মৌল যথাৰ্থতা হলেও কেবল সেই ব্যাখ্যাই আধুনিক সকলোপ্ৰকাৰ নিবন্ধক প্ৰকৃততে সামৰিব নোৱাৰে। নিবন্ধ মূলতঃ দ্বিপাক্ষিক ব্যাপাৰ। নিবন্ধকাৰে প্ৰকৃততে কোনো নিৰ্দ্দিষ্ট বিষয়ৰ বিষয়ে চৰ্চ্চা কৰাতকৈ নিজৰ কথাহে আন এজনক কয় বা জনাব খোজে। আনকথাত নিবন্ধ প্ৰকৃততে লিখকৰ স্বগোক্তিৰ নামান্তৰ নহয়, ই কথোপকথনহে বা 'ডায়েলগ'হে। আন এটা অদৃশ্য

বা কাল্পনিক উপস্থিতিৰ অবিহনে নিবন্ধ আগবাঢ়িব নোৱাৰে। সেইবাবেই অন্তৰঙ্গতা আৰু দ্বিপাক্ষিকতা নিবন্ধৰ বাবে অপৰিহাৰ্য্য। অনচনৰ "লুজ চেলি" বা ঢিলা অসংলগ্ন ভাৱৰ যথেচ্ছ প্ৰকাশ কবিতাত সম্ভৱপৰ হ'ব পাৰিলেও 'নিবন্ধ'ত নোৱাৰে। এ.এ. মিলনৰ থাৰ্মমিটাৰ বিষয়ক ৰচনাৰ দৰে থাৰ্মমিটাৰ বস্তুটোৰ বিষয়ে একো নকৈ থাৰ্মমিটাৰটোৱে মনত সৃষ্টি কৰিব পৰা পাতল পাতল বৈচিত্ৰ্যময় উৰণীয়া ভাৱবোৰৰ সংলগ্ন, নিয়ন্ত্ৰিত অৰ্থপূৰ্ণ প্ৰকাশ থাকিলেহে অনচনীয়া নিবন্ধ সঁচাকৈ নিবন্ধত পৰিণত হ'ব পাৰিব

প্ৰকাৰ আৰু সোৱাদ

নিবন্ধ যে নানা প্ৰকাৰ বা নানা সোৱাদ বা ৰসৰ বস্তু হ'ব পাৰে তাত সন্দেহ নাই। ইংৰাজী ব্যক্তিমুখী বা মন্ময় প্ৰবন্ধৰ বাটকটীয়া চাৰ্লচ লেম্বৰ সমানেই কৃতী আন এগৰাকী ইংৰাজ প্ৰবন্ধিক ৰবাৰ্ট লীণ্ডে কোৱাৰ দৰে "চামটাইমচ ইট ইজ নিয়াৰলি এ চাৰ্মন্ট চামটাইমচ ইট ইজ নিয়াৰলি এ শ্বৰ্ট ষ্টোৰি। ইট মে বি এ ফ্ৰেগমেন্ট অৱ অটোবায়গ্ৰাফি অৰ এ পিস অৱ ননসেন্স। ইট মে বি চেটাৰিকেল ডিটুপাৰেটিভ অৰ চেন্টিমেন্টেল। ইট মে ডিল উইথ এনি চাবজেক্ট ফ্ৰম দি ডে'জ অৱ জাজমেন্ট টু এ পেয়াৰ অৱ চিজৰচ।" কিন্তু এই সকলো ভিন্নমুখী বহুধা-বিক্ষিপ্ত ধাৰা বা প্ৰৱণতাৰ মাজত সমন্বয়, 'হাৰ্মনি' বা সঙ্গম স্থাপন কৰে নিবন্ধকাৰৰ ব্যক্তিসত্তাৰ অন্তৰ্মুখী অনুধ্যানে। কিহকে বা যেনেকৈয়ে লিখা নহওক কিয়, লিখকৰ এটি স্বকীয়া, ব্যক্তিগত দৃষ্টিকোণ থকা দৰ্কাৰ আৰু সেই দৃষ্টিভঙ্গী অলপ তিৰ্যক অৰ্থাৎ একাবেঁকা হলে নিবন্ধ আৰু বেছি ৰসাল আৰু উপভোগ্য হ'ব পাৰে। লঘু প্ৰবন্ধ তথা নিবন্ধৰ ভিত্তি-মূলত থাকে এক ব্যক্তি গত সুৰ, এক মন্ময় মূৰ্চ্ছনা এক অনুচ্চাৰিত 'বিনয়' বা নয়।

বস্তুনিষ্ঠ ন'হৈ ব্যক্তিনিষ্ঠ, বিষয়-নিৰ্ভৰ ন'হৈ মনন-নিৰ্ভৰ হোৱা বাবেই নিবন্ধৰ ক্ষেত্ৰত 'বিষয়'ৰ উপৰিও আন এটা বিবেচ্য সম্পদ হ'ল লিখকৰ 'মুড' বা 'মেজাজ'। ৰসৰচনাধৰ্মী নিবন্ধৰ প্ৰাণ হ'ল এই মেজাজ বা আমেজ বা অন্তৰ-মনৰ ৰসাপ্লুত স্থিতি। এনে মেজাজহে নিবন্ধক আলোচনা-প্ৰধান, বুদ্ধিপ্ৰৱণ প্ৰবন্ধৰ পৰা নিলগাই আৰু পৃথক এক ভাবাত্মক ব্যঞ্জনাময় সৃষ্টিশীল ৰচনাৰ পৰ্য্যায়লৈ তোলে। প্ৰবন্ধৰ আলোচনা বিষয় অনুসাৰে, বিষয়ক কেন্দ্ৰ কৰি, বিষয়বস্তুৰ ওপৰত। নিবন্ধৰ বক্তব্য মনৰ পোহৰ

আৰু হৃদয়ৰ উমেৰে উদ্দীপ্ত। লিখকৰ ব্যক্তিত্বতাই নিবন্ধত বিষয় বস্তুৰ উপযোগিতা বা গুৰুত্বতকৈ অগ্ৰাধিকাৰ পায়। লিখকৰ ব্যক্তিসত্ত্বা পাঠকৰ সত্ত্বালৈ প্ৰেৰিত আৰু সংক্ৰমিত হোৱাৰ ওপৰতে নিবন্ধকাৰৰ মন, অন্তৰৰ ভাবনা, চিন্তন, ধ্যান-ধাৰণাত পঢ়ুৱৈয়ে বা দ্বিতীয় পক্ষই অন্তৰঙ্গভাৱে অংশ লব পৰাৰ ওপৰতে নিৰ্ভৰ কৰে নিবন্ধৰ সাৰ্থকতা, ৰসোত্তীৰ্ণতা। বিমল হাস্যৰসেৰে ভৰপূৰ হলেও নাইবা ব্যঙ্গ আৰু উপহাসৰ চোকা বাক্য বাণেৰে শানিত হলেও লঘু বা ৰম্য বা সহজ-পাঠ্য হলেও এক ব্যক্তি-মানসৰ পৰা আন ব্যক্তিমানসলৈ ৰসোপলব্ধি সহানুভূতি নাইবা আন্তৰিকতাৰ সোণালী সাঁকো সাজিব নোৱাৰা প্ৰবন্ধই 'নিবন্ধ'ৰ বৈশিষ্ট্য বা আৰ্মণীয়তা অৰ্জন কৰিব নোৱাৰে। তন্ময়তা নহয়, নিছক কল্পনা-বিলাস বা বুদ্ধিগত বাগবিস্তাৰো নহয় — মন্ময়তো হৃদ্যতা আৰু ব্যক্তিত্বৰ বিকাশহে নিবন্ধৰ চাৰিত্ৰিক বিশেষত্ব।

পাৰ্টমেণ্ট বেগ নহয়

নিবন্ধ তথা লঘু প্ৰবন্ধৰ স্বভাৱৰ এই বহুমুখীতা আৰু বৈচিত্ৰ্যৰ কাৰণে বহুতৰে মনত ইয়াৰ স্বৰূপ সম্পৰ্কে যথেষ্ট অস্পষ্ট ধাৰণা আৰু ধুৱলী-কুঁৱলীৰ ভাব সৃষ্টি হোৱা যেন দেখা যায়। অসমীয়া সাহিত্যত প্ৰকৃত নিবন্ধৰ পৰম্পৰা নাতিদীৰ্ঘ হোৱা বাবে সাধাৰণতে বাহিৰক হাস্য ৰস, ব্যঙ্গ, বিদ্ৰূপ, কৌতুক, ধেমেলীয়া আৰু খুহুতীয়া কথাৰ সানমিহলি ৰচনা মাত্ৰকে এনে নিবন্ধৰ শাৰীত পেলোৱাৰ প্ৰবৃত্তি দেখা গৈছে। আনহাতেদি এনে ৰচনাত যি মন যায় তাকেই কব পাৰি, সংসাৰত সকলো কথাকে 'পাৰ্টমেণ্টু বেগৰ' ভিতৰত ভৰোৱাদি নিবন্ধনামক জোলোঙাত সুমুৱাই দিব পৰা যায় বুলি এটা ভ্ৰান্ত বিশ্বাসেও গঢ় লৈছে। এইটো এটা ভুল ধাৰণা আৰু সেই-বাবেই নিবন্ধৰ প্ৰকৃত আকৃতি-প্ৰকৃতি সম্পৰ্কে যথাসম্ভৱ স্পষ্টিকৰণৰ প্ৰয়োজন মুখ্যতঃ পাঠকৰ চিত্তবিনোদনৰ বাবে আগবঢ়োৱা ৰম্য ৰচনা হ'লেও, যুক্তি-তৰ্কৰ সামঞ্জস্য বা তাত্ত্বিক ৰচনাৰ মননশীলতা বা যৌক্তিকতা ইয়াৰ বাবে আৱশ্যকীয় ন'হলেও আৰু সাহিত্য-কৰ্মৰ বিভিন্ন ৰূপৰ ভিন্নমুখী প্ৰভাৱ ইয়াৰ ওপৰত পৰাত কোনো বাধা নাথাকিলেও—এনেকুৱা সকলো-খোৰ ৰসাশ্ৰয়ী উপাদানৰ খিচিৰি তৈয়াৰ কৰিলেই সি নিবন্ধ পদবাচ্য হব নোৱাৰে। প্ৰকৃততে আধুনিক আৰু পাশ্চাত্য প্ৰভাৱজাত আৰু ঐতিহ্য-বিহীন বস্তু হলেও নিবন্ধস্বয়ং সম্পূৰ্ণ আৰু স্বাধিকাৰ ভিত্তিক এক স্বতন্ত্ৰ

সাহিত্যিক অনুশাসন। সেইবাবে তাৰ 'আইডেন্টিটি' বা বিশিষ্টতা নিৰ্দ্ধাৰণ সাহিত্যৰ আন আন বিভাগৰ সৈতে সংশ্লিষ্ট সকলো পূৰ্ব ধাৰণা আৰু প্ৰচলিত সংস্কাৰৰপৰা মুক্ত হোৱা বাঞ্ছনীয়।

নিবন্ধত তথাকথিত প্ৰবন্ধৰ গম্ভীৰ সুৰ "হাই চিৰিয়াচনেচ", সংবাদ বা তথ্যধৰ্মীয়তা, চিন্তাশীলতা নাথাকিলেও হয় বাবেই যে ই বাখোন চিন্তা-যুক্তি বিহীন তৰল বাচালতা বা ইংৰাজীত যাক হয় ইনকনচিকুৱেন্সিয়েল কাৰ্যকাৰণবিহীন বাগাড়ম্বৰ বা কল্পনা—বিলাস তেনে নহয়। পাতলাকৈ অতৰ্কিতে, গাত নলগা ধৰণে এনে নিবন্ধৰ মাজেদিও বহুত গুৰুত্বপূৰ্ণ সংবাদ বা তথ্য পাঠকৰ দৃষ্টি বা জ্ঞান গোচৰ কৰিব পাৰি। কৌতুকৰ চলেৰে নানা সাৰকথা ক'ব পাৰি, মানসিক দিগন্ত বিস্তৃতিৰো উপকৰণ যোগান ধৰিব পাৰি। বস্তুনিষ্ঠ প্ৰবন্ধৰ দৰে শূন্যতে (ভেকুৱামত) নৈৰ্ব্যক্তিকভাৱে, বিষয় একোটাৰ নিস্পৃহ আলোচনা নকৰি নিবন্ধত এজন প্ৰিয় বন্ধুৰ সৈতে আলাপ কৰাৰ দৰে কথা হৈ যোৱা হয় দেখি ইয়াত লিখা কথাখিনিতকৈও লিখাৰ মাজেদি প্ৰকট হোৱা মানুহজন বেচি জৰুৰী—তেওঁৰ ব্যক্তিগত ভাব-ভঙ্গী, ধ্যান-ধাৰণা, ইডিয়চিনক্ৰেচী' বা ব্যতিক্ৰমী চিন্তন আচৰণ অধিক অনুধাবনযোগ্য। মনন আৰু কল্পনাৰ, অতীত যৌৱন আৰু ভবিষ্য দৃষ্টিৰ নিবন্ধত সুষম অন্বয় ঘটে। সাহিত্যৰ এই অঙ্গটোক কোনো এটা নিৰ্দ্ধাৰিত সাঁচত পেলোৱা যেনেকৈ টান, ইয়াত কোনো "ষ্ট্ৰেইট-জেকেটৰ" জড়তা বা আড়ষ্টতা জাপি দিবলৈ যোৱাটোও তেনেকৈ অন্যায়।

বস নিবন্ধৰ মাজতো ভাৱৰ বিকাশৰ এটা ধাৰাবাহিকতা, যুক্তিৰ শৃংখলা, চিন্তাৰ অন্তৰ্লীন পাৰম্পৰ্য্য থাকিব পাৰে। কিন্তু প্ৰবন্ধ আৰু নিবন্ধৰ স্বকীয়া লক্ষ্য বা উদ্দেশ্যৰ দ্বাৰা দুয়োটাৰ মৌলিক পাৰ্থক্য নিৰ্ণয় কৰিব পৰা যায়। প্ৰবন্ধৰ প্ৰথমিক উদ্দেশ্য হ'ল জ্ঞান-বিকীৰণ, তথ্য-পৰিবেশন, তথ্য-যুক্তিৰ বিশ্লেষণ, মানসিক পৰিপুষ্টিসাধন। নিবন্ধয়ো যেতিয়ালৈ চলেৰে, উপজাত ফল হিচাপে জ্ঞানৰ পোহৰ বিলাব পাৰে। তথাপি ইয়াৰ প্ৰধান কৃতীত্ব হ'ল আনন্দদান, চিত্ত-বিনোদন, কল্পনা-ভাৱনা, আবেগ-অনুভূতিৰ ৰূপায়ণ, হৃদয়-বৃত্তি আৰু বুদ্ধি-বোধিৰ সঞ্জীৱন আৰু উত্তৰণ। একেষাৰত প্ৰবন্ধ জ্ঞানদায়ক, কৌতুহল চৰিতাৰ্থক, নিবন্ধ ৰসোদ্দীপক আৰু বুদ্ধি উত্তেজক।

নিবন্ধ বা ব্যক্তিগত প্ৰবন্ধত ব্যক্তিত্বতেই বিকাশ বা প্ৰকাশ থাকিলেও সেইটো কিন্তু স্থূল প্ৰকাশ নহয়। সেইবাবে এটা প্ৰবন্ধ ব্যক্তিমুখী হলেও বা ব্যক্তিনিষ্ঠ হলেও ই কেৱল ব্যক্তিগতই হোৱা ঠিক নহয়। ব্যক্তিগত হলেও নিজৰ বিষয়ে সকলো কথাকে লৈ পেলোৱাটোৱে ইয়াৰ লক্ষ্য

হব নোৱাৰে ; অলপ ঢাকি অলপ উদাই আত্ম-প্ৰকাশ কৰাতহে ইয়াৰ আচল সৌন্দৰ্য্য আৰু মাধুৰ্য্য। নিবন্ধত এক সূক্ষ্ম-মাত্ৰাতো, পৰিমিতবোধ, বিচ্যুতি-বিসঙ্গতি চেতনা, ইংৰাজীত যিটোক "চেন্স অব হিউমাৰ" বোলে — নাথাকিলে নিবন্ধৰ লঘুত্ব আৰু লাঘৱ হ'ব। কিন্তু সেইবুলি অকল হাঁহিৰ খোৰাক থাকিলেই খুহুতীয়া, ধেমেলীয়া ৰচনাই নিবন্ধৰ পৰ্য্যায় পাবগৈ নোৱাৰে। হাস্যৰস সৃষ্টি কৰিবলৈ গৈ শ্লেষ-বিদ্ৰূপৰ মাত্ৰাধিক্য ঘটালে নাইবা কষ্টোপাৰ্জিত ফললাভৰ আশাত কোনো এটা কথা অতি বিশদ, অতিপাত খোকলাই ক'বলৈ গলে নিবন্ধ আৰু নিবন্ধ হৈ নাথাকে, সি পৰিশ্ৰম আৰু প্ৰচেষ্টা-জৰ্জৰিত হাঁহি উঠা প্ৰবন্ধতহে পৰ্য্যৱসিত হয়।

প্ৰবন্ধ আৰু নিবন্ধৰ আচল প্ৰভেদৰ ইঙ্গিত দিয়াৰ প্ৰসঙ্গত অকল হাস্যৰস বা 'হিউমাৰ' প্ৰধান নিবন্ধ আৰু বুদ্ধিদীপ্ত হাস্যৰসোজন উইট-সমৃদ্ধ নিবন্ধ সূক্ষ্ম পাৰ্থক্য সূচোৱাৰ নিমিত্তে এখন বিশ্বপ্ৰসিদ্ধ ইংৰাজী অভিধানত উইট আৰু 'হিউমাৰৰ' বিভিন্নতা সম্পৰ্কে উদ্ধৃত কৰা কথাখিনিত উল্লেখ কৰাৰ লোভ সামৰিব নোৱাৰিলো। ৱেবষ্টাৰ ডিকশ্যনাৰীত এই প্ৰসঙ্গত ই.জি. হুইপলৰ ভাষাত লিখা হৈছে : wit is abrupt darting, seemful and tosses its analogies in your face. Humour is slow, shy, insinuating its fun into your heart. Wit is negative, analytical destructive. Humour is creative. অৰ্থাৎ বুদ্ধিদিপ্ত হাস্যৰস আচৰিত পো-পোকৈ আগুৰাই-অহা উপেক্ষা-প্ৰধান,—ই উপমাবোৰ তোমাৰ মুখলৈকে মাৰি পঠিয়ায়। সাধাৰণ হাস্যৰস নেহম লাজকুৰীয়া ই-ইয়াত ৰগৰখিনি তুমি গম নোপোৱাকৈ অন্তৰলৈ সুমাই দিয়ে। উইট নঞৰ্থ বিশ্লেষণ, ধ্বংসাত্মক। হিউমাৰ ৰসাত্মক সৃষ্টিশীল। আমাৰ নিবন্ধ আৰু খুহুতীয়া লঘু ৰচনাৰ মূল বিভিন্নতা তেনেকুৱাই।

ঐতিহ্য আৰু প্ৰসাৰ

ভাৰতীয় প্ৰাচীন সাহিত্যৰতো কথাই নাই, পশ্চিমীয়া ইংৰাজী, ফৰাচী আদি সাহিত্যতো নিবন্ধৰ ঐতিহ্য সিমান সুদীৰ্ঘ নহয়। ই খৃষ্টীয় ওঠৰ শতিকাৰপৰাহে চলন্তি হোৱা বস্তু। বিদেশী সাহিত্যত তাৰ ঐতিহ্য দীঘলীয়া নহলেও, নিবন্ধক ঠিক বুনিয়াদী শ্ৰেণীৰ অভিজাত সাহিত্যাঙ্গ বুলি গণ্য কৰিব নোৱাৰিলেও, এগৰাকী খ্যাতনামা বৰ্ত্তীয় লিখকে কোৱাৰ

পৰে, — ঐতিহ্যৰ ফালেদি চহকী নহলেও বিদেশী লঘু প্ৰবন্ধ বা নিবন্ধৰ ঐশ্বৰ্য বিপুল। ষোড়শ শতিকাৰ ফৰাচী মন্টেইনকে পাশ্চাত্যৰ লঘু ৰচনাৰ জনক বুলি কব লাগিলেও প্ৰকৃতপক্ষে ইংৰাজী সাহিত্য পঢ়ি ডাঙৰ-দীঘল হোৱা আমাৰ কাৰণে ১৯ শতিকাৰ ইংৰাজ 'হিউমৰিষ্ট' আৰু প্ৰবন্ধক চাৰ্লচ লেম্বৰ নামটোৱে স্বাভাৱিকতে এইবিধ লিখাৰ ক্ষেত্ৰত পোনতে আমাৰ মনলৈ আহে। ওঠৰ শতিকাৰ ইংৰাজী 'ডায়েৰী' 'মেময়ৰ্চ' ভ্ৰমণ-চিত্ৰ ইত্যাদিৰ যোগেদি আত্মপ্ৰকাশ কৰা ইংৰাজী 'এচে' বা প্ৰবন্ধ জাতীয় ৰচনাক — যাৰ লৈতে এডিচন, ষ্টীল, ডঃ জনচন, গোল্ডস্মিথ প্ৰভৃতিৰ নাম জড়িত, — চাৰ্লচ লেম্বেই প্ৰথম গতানুগতিক প্ৰবন্ধৰ ঠাইত 'খেয়ালী' (হুইমজিকেল), ঘৰুৱা (ফেমিলিয়াৰ) আৰু ব্যক্তিক (পাৰ্চনেল) নিবন্ধৰ শাৰীলৈ তোলে। অনুকৰণীয় প্ৰতিভাৰ চুম্বকৰ বলত লেম্বে প্ৰবন্ধক এনে এক নতুন ৰমনীয়তা, চিত্তবৃত্তিসঞ্চাৰ-প্ৰৱণতা আৰু আকৰ্ষণীয় ৰূপ-সজ্জা প্ৰদান কৰিলে যে লাহে লাহে সি প্ৰায় উপন্যাসৰে লৈতে ফেৰ মাৰিব পৰা সৰবৰহী কাল্পনিক সাহিত্য বিভাগত পৰিণত হ'ল। লেম্বৰ পৰা সাম্প্ৰতিক কাললৈকে ইমানবোৰ কৃতী আৰু গুণী বিদেশী লিখকে এই নতুন সাহিত্য কলা-ৰূপলৈ যাৰ-বৰণীয়া বিচিত্ৰ বৰঙনি যোগাইছে যে তেওঁলোকৰ নামৰ লেখ লোৱাও টান কাম। ডক্টৰ নেওগে "সাহিত্য সমীক্ষাত তেওঁৰ "নতুন প্ৰবন্ধ" শীৰ্ষক প্ৰবন্ধত বিশেষত এই শ্ৰেণীৰ লিখাৰ উদ্ভৱ আৰু প্ৰসাৰ সম্পৰ্কে খৰচি মাৰি আলোচনা কৰিছে আৰু লবলগীয়া প্ৰায় সকলোৰে নাম লৈছে। এই সংক্ৰান্তত চাৰ্লচ লেম্বৰ পিছত হলক্ৰফট, হেডন, হেজলিট, লে হান্ট, ষ্টীভেনশ্যান, অষ্টিন ডবচন, অগষ্টিন বিৰেল, বেলক, চেষ্টাৰটন, গাৰ্ডিনাৰ, লুকাচ, লীও, বীৰবহম, হাকচলী, প্ৰীষ্টলি; জেৰোম-কে-জেৰোম, এচিন লিংকনেটাৰ, ষ্টাপেন লিকক্ :— এইসকল স্বনামধন্য সাৰ্থক নিবন্ধকাৰৰ নাম থোৰতে লৈ লব পাৰি। এনেকুৱা সকলৰ সকলো নিবন্ধকাৰৰ নামৰ কেটেলগ দিবলৈ নগৈ প্ৰতিনিধি স্থানীয় হিচাপেহে এইকেইটা নাম লোৱা হৈছে। এওঁবিলাকৰ সুদক্ষ কলা-বৰ্ষণৰ জৰীয়তে ইংৰাজী লঘু প্ৰবন্ধই অৰ্থাৎ নিবন্ধই মোট সলালে। অতদিনে সাহিত্যৰ বিটো শাখা 'চিনডেৰেলা' বা নিচেই নুমলীয়া শাখা হৈ আছিল সেই শাখাই পাছলৈ ভাবসম্পদ আৰু কাৰুকাৰ্যৰ পিনৰপৰা এক নিটোল, স্বয়ংসম্পূৰ্ণ সাহিত্য শাখাৰ পৰ্যায়লৈ উন্নীত হ'ল

৯

অসমীয়া সাহিত্যত নিবন্ধ

আধুনিক অসমীয়া সাহিত্যত আগতে বৰ্ণোৱা ধৰণৰ নিবন্ধৰ আৱিৰ্ভাব বিহেতুকে যাইকৈ ইংৰাজী সাহিত্যৰ প্ৰেৰণাসম্ভূত সেইবাবেহে ইংৰাজী সাহিত্যত ইয়াৰ পৰম্পৰা সম্পৰ্কে অলপ বাহুল্যকৈ উল্লেখ কৰা হ'ল। শ্ৰীলীলা গগৈয়ে এটা প্ৰবন্ধত উল্লেখ কৰিছে যে সাম্প্ৰতিক অৰ্থাৎ যোৱা চাৰি দশকৰ অসমীয়া নিবন্ধৰ অগ্ৰগতি পৰ্যালোচনা কৰিবলৈ হলে আমি সম্ভৱ বিদেশীতকৈও আমাৰ চুবুৰীয়া বাংলা সাহিত্যৰ আহিকহে বেচিকৈ ওচৰ চাপিব লাগিব। আমি স্বীকাৰ কৰিবলৈ টান পালেও কথাবোৰ একেবাৰে মিছা নহয়। সি যি কি নহওক বাহিৰৰ এই পটভূমিৰ লৈতে চিনাকী হৈ লৈ অসমীয়া সাহিত্যৰ ক্ষেত্ৰলৈ আহিলে অসমীয়া নিবন্ধৰ গতি-বিধি অধ্যয়ন অধিক সুচল হব পাৰে। যোৱা চাৰি দশকৰ অৰ্থাৎ মুখ্যতঃ যুদ্ধোত্তৰ কালৰ নিবন্ধহে যেতিয়া আমাৰ প্ৰবন্ধৰ চাৰি সীমাৰ ভিতৰত পৰে, সেইবাবে আৰম্ভণি পৰ্বৰ এই জাতীয় সাহিত্যলৈ যোৱাৰ সিমান দৰ্কাৰ নাই। কিন্তু সেয়ে হলেও এনে এক নতুন সাহিত্য-মাধ্যমৰ আঁতিগুৰি সামান্য বিচাৰ নকৰাকৈ একে জাপে সাম্প্ৰতিক যুগত ভৰি দিয়াটোও সমীচীন নহব। উপন্যাস নাটক কবিতাৰ ক্ষেত্ৰত গুৰিগছত উবান লোৱাৰ সিমান প্ৰয়োজন নহলেও আপেক্ষিকভাৱে সৌ সিদিনা যাথোন জন্মলাভ কৰা এই নবজাত সাহিত্য বিভাগটোৰ জন্মবৃত্তান্ত কোনোপধ্যে আওঁকাণ কৰি যাব নোৱাৰি। তাতে আকৌ এইবিধ নতুন সৃষ্টি মুঠে তিনি-চাৰি দশকৰ ভিতৰতে গজালি মেলিয়েই লেৰেলি সৰি পৰাৰ উপক্ৰম দেখা যোৱাত এনে পৰিণতিৰ হেতু কি হব পাৰে, চাবলৈকো ইয়াৰ প্ৰস্তুতি পৰ্বৰ কিছু আভাস লোৱা দৰ্কাৰ হৈ পৰে।

এই আত অসমীয়া নতুন প্ৰবন্ধ তথা নিবন্ধৰ গুৰি খোমটাৰ বিচাৰ কৰিবলৈ গলে দেখা যাব বঙলা সাহিত্যৰ গীত-কবিতা, নাটক-সমালোচনাৰ উপৰিও প্ৰকৃতাৰ্থত সাহিত্যিক প্ৰবন্ধৰ গুৰিতে যেনেকৈ একমেবাদ্বিতীয়ম ৰবীন্দ্ৰনাথেই তেনেকৈ অসমীয়া সাহিত্যৰ অন্যান্য প্ৰায়বোৰ বিভাগৰ দৰেই কৃপাবৰী ৰসসাহিত্যৰ আদি পুৰুষ লক্ষ্মীনাথেই এইবিধ ন-সৃষ্টি নিবন্ধৰো প্ৰকৃত 'ফাউণ্ডিং ফাদাৰ' বা প্ৰতিষ্ঠাপক পিতৃ-পুৰুষ। হব পাৰে কৃপাবৰী ৰস-সাহিত্য মূলতে স্থূল, দলগত বা ব্যক্তিগত, সৰহত আক্ৰোশ প্ৰকাশ বা বক্ৰোক্তি কৰিবলৈ নাইবা কেৱল হাঁহিৰ ধুনুপাক মেলিবলৈ বুলি লিখা বাহ্যিক বিৰৰ হাস্যৰসাত্মক লঘু ৰচনাহে। এইটোও

নিছ্। নহয় যে কৃপাবৰৰ ‘ভাবৰ বুৰবুৰণি’, ‘ওভতনি’ ইত্যাদিত প্ৰকৃত ৰসবোধ আৰু বুদ্ধিদীপ্ত হাস্যৰসৰ পৰিবৰ্তে বহুৱালি, ভেঙুচালি, ৰগৰ, উপলুঙা, ঠাট্টা-মস্কৰা ইত্যাদিৰ মাত্ৰাহে সৰহ। তথাপি এক হিচাপে তেওঁৰ হাস্য-ৰসাত্মক লিখনীতে স্বধৰ্মীতা আৰু ব্যক্তিনিষ্ঠতা পোনতে সান-মিহলি হৈ প্ৰকাশ পাইছে। বেজবৰুৱাৰ ‘বৰবৰুৱাৰ ভাবৰ বুৰবুৰণি’ আৰু শেহতীয়া ‘বৰবৰুৱাৰ বুলনি’তে ব্যক্তিনিষ্ঠতায়ো প্ৰথমে পৰিপূৰ্ণতা পোৱা পৰি-লক্ষিত হয়। বস্তুতঃ ‘জোনাকী’ যুগতে যেনেকৈ ৰোমাণ্টিক বা নৱন্যাস-বাদী পাশ্চাত্য আহিৰ প্ৰভাৱত ব্যক্তি-মনোধৰ্মী কবিতাৰ সূত্ৰপাত হয়, সেইদৰেই তাৰ অলপ পাচতে ১৯০৪ চনত ওলোৱা লক্ষ্মীনাথৰ “কৃপাবৰ বৰবৰুৱাৰ কাকতৰ টোপোলা’তে প্ৰথম অসমীয়া হাস্যৰসাত্মক লঘু-ৰচনাৰ অঙ্কুৰ দেখিবলৈ পোৱা যায়। বেজবৰুৱাৰ বিধ লঘু ৰচনাত মৃদু হাস্যৰস বা বুদ্ধিদীপ্ত হাস্যৰসতকৈ যদিও ব্যঙ্গ বা বিদ্ৰূপৰহে প্ৰধান্য, তথাপি এক হিচাপে তাৰ ওপৰতে ভিত্তি কৰি আৰু তাকে পৰিশোধন আৰু পৰিমাৰ্জন কৰিয়েই উত্তৰ বেজবৰুৱা যুগৰ আধুনিক নিবন্ধ সাহিত্যৰো যাত্ৰাৰম্ভ হয়।

কৃপাবৰী যুগৰ পৰা আমাৰ আলোচ্য সময় দ্বিতীয় মহাযুদ্ধৰ ‘প্ৰেলিউড’ বা আগমণী-পৰ্ব চতুৰ্থ দশকৰ আচল ‘নিবন্ধ’ ৰচনাৰ যুগলৈকে এইছোৱাত, বেজবৰুৱাৰে অনুপ্ৰেৰণা আৰু আহিত ভোলাই শৰ্মা, কেৰপাই শৰ্মা, জ্ঞানানন্দ ভগৱতী, শূনপানি ফুকন, প্ৰভৃতি কেইবাগৰাকীও ছদ্মবেশী লঘু, খুহতীয়া ৰচনা-লিখকৰ আবিৰ্ভাৱ হৈছিল যদিও তেওঁলোকৰ লিখা সমূহক ঠিক মনোধৰ্মী বা ব্যক্তিমুখী নিবন্ধৰ শাৰীত পেলাব নোৱাৰি আৰু চতুৰ্থ দশকৰ নিবন্ধকাৰ সকলৰ ওপৰত তেওঁলোকৰ প্ৰভাৱ বেজবৰুৱাৰ তুলনাত নিচেই সামান্য ধৰণৰ আছিল বাবে তেওঁলোকৰ সাহিত্য-কৰ্মৰ সবিশেষ লোৱা আমাৰ আলোচনাৰ প্ৰসঙ্গত বৰ লাগতিয়াল নহয়।

ৰাজহুৱা চিঠি সদৃশ লিখাৰে পাঠকক লিখকৰ মনৰ বাতৰি দিয়া আৰু পাঠকক লিখকৰ নিচেই ওচৰলৈ চপাই নিয়া বিধৰ আধুনিক নিবন্ধ অসমীয়া সাহিত্যত মোৰ অনুমানেৰে পোণ প্ৰথমে দিয়ে চিত্ৰসেন লগৰীয়া নামধাৰী স্বৰ্গীয় হৰিৰাম ডেকাৱে। ডেকাৰ ‘আত্ম-বিবৃতি সেই নামতে বা আন কিবা নামত কিতাপৰ আকাৰে ওলোৱাটো যদিও মই গম নাপাওঁ সি ‘আৱাহন’ৰ পাতত কিস্তি-কিস্তিকৈ ওলাই থাকোতেই অসমীয়া সাহিত্যৰ মজিয়ালৈ এটি সৰস-নম্ৰ, ৰসাত্মক, আমোদজনক, বুদ্ধি সমুজ্জ্বল ৰভৰ আগমনৰ পদধ্বনি শুনা গ’ল। বঙলা সাহিত্যত প্ৰমথ চৌধুৰী ‘বীৰবল’, ৰাজনাৰায়ণ বসু

'পৰশুৰাম' প্ৰভৃতিয়ে এসময়ত যি এক নতুন সাহিত্য বৰ্গৰ পাতনি মেলি খলক লগাইছিল, 'কল্লোল', সবুজ-পত্ৰ' প্ৰভৃতি আলোচনীৰ যোগেদি, অসমীয়া সাহিত্যত 'আৱাহন'ৰ পাতত তেনে এক নতুন সাহিত্য-সৃষ্টিৰ বাৰ্তা বহন কৰি আনিছিল ডেকাৰ এই বুদ্ধিদীপ্ত, হাস্য-ৰসাত্মক বিষয়ৰ পৰা বিষয়ান্তৰলৈ গতি-কৰা আমোদজনক লঘু ৰচনাখিনিয়ে আৰু স্বৰ্গীয় মহীচন্দ্ৰ বৰাৰ তেওঁৰ ব্যঙ্গ-শ্লেষ প্ৰধান, আঘাত-প্ৰৱন, 'একচপোজাৰ' বা উদ্‌ঘাটনমুখী নিবন্ধ-সদৃশ গল্পবোৰ। আজিকালি আমি বঙলা সাহিত্যৰ যাযাবৰ, ৰজা, মুজতবা আলি আদিৰ লেখীয়া লিখকৰ যিবিলাক ৰচনাক 'ৰম্যৰচনা বুলি অভিহিত কৰোঁহক অসমীয়াত তাৰো সূত্ৰপাত এই সময়তে হয় বুলি কব পাৰি। স্বৰ্গীয় মহীশ্চন্দ্ৰ বৰাৰ লিখনী গতানুগতিক গল্পই আত্মসাৎ কৰি পেলোয়াত, মোৰ মনেৰে অসমীয়া নিবন্ধৰ প্ৰকৃত বাটকটীয়া বুলিব লাগিব স্বৰ্গীয় হলিৰাম ডেকাকে। অথচ এইটো বিস্ময় আৰু পৰিতাপৰ কথা যে অসমীয়া সাহিত্যৰ বুৰঞ্জী লিখোঁতা আৰু সমীক্ষা কৰোঁতাসকলৰ সৰহভাগেই এই গৰাকী এইক্ষেত্ৰত আগৰণুৱা লিখকক একপ্ৰকাৰে সম্পূৰ্ণ অৱজ্ঞা কৰি আহিছে।

নিবন্ধৰ যিবিলাক সাৰ পদাৰ্থ :—পাণ্ডিত্যৰ বোজা পাতল কৰি ৰংমনেৰে কান্ধত লৈ ফুৰিব পৰা ক্ষমতা, জীৱন আৰু জগতৰ প্ৰতি এটা মৃদু পাৰিহাসপ্ৰৱণ সমালোচনাত্মক সংবেদনশীল দৃষ্টিভঙ্গী, এক অম্লমধুৰ 'চিনিচিজম' বা সন্দিগ্ধতা সুলভ মনোভাব, নিগূঢ় ৰসবোধ হাঁহিমুখেৰে দুখ নোপোৱাকৈ কোমল আঘাত হনাত পাৰদৰ্শিতা, উৎকৰ্ণ মাত্ৰাজ্ঞান, স্বাস্থ্যকৰ সংসাৰী-বুদ্ধি, চোকা সাধাৰণজ্ঞান আৰু মানুহৰ দুৰ্বলতা কপটতা-অহমিকাৰ প্ৰতি সতৰ্ক অথচ সহনশীল দৃষ্টিভঙ্গী, সকলোৰে ওপৰত গভীৰ বুদ্ধিদীপ্ত হাস্যৰস বা 'উইট, — এই সকলোবিলাক গুণ উল্লেখনীয়ভাবে স্বৰ্গীয় ডেকাৰ লিখাত আছিল। মোৰ বোধেৰে বেজবৰুৱাই বাট কাটি যোৱা লেখীয়া লঘু ৰচনাকে সংস্কৃত সভ্য,-পৰিমাৰ্জিত ৰস নিবন্ধলৈ ৰূপান্তৰিত কৰা লিখকৰ ডেকা অগ্ৰনী স্বৰূপ। এনে লিখা সংখ্যাত তাকৰীয়া হ'লেও আৰু ইয়াৰ জ্যোতি বিজুলীৰ দৰে চিকমিকীয়া আৰু খন্তেকীয়া হলেও অসমীয়া সাহিত্যত বেজবৰুৱাৰ সমান্তৰালভাবে 'উইট-সমৃদ্ধ লঘু-ৰসাত্মক ৰচনাৰ এটা সুকীয়া সুঁতি বোৱাই দিয়াৰ গৌৰব স্বৰ্গীয় হলিৰাম ডেকাৰ প্ৰাপ্য। আৰু তেওঁৰ পৰিহাসপ্ৰৱণ, ব্যক্তিত্ব প্ৰনাশী ৰচনাৰ পদাংক অনুসৰন কৰিয়ে পিছৰ ব্যক্তিনিষ্ঠ, মনোধৰ্মী নিবন্ধকাৰসকলে অসমীয়া সাহিত্য মঞ্চত ভুমুকি মাৰে।

ডেকাৰ পিছৰ দোমোজা

স্বৰ্গীয় হলিৰাম ডেকাৰ পিছত যুদ্ধ-যুগৰ সময়লৈকে 'আৱাহন'ৰ পৰৱৰ্তী 'ৰামধেনু' আলোচনীৰ প্ৰাদুৰ্ভাৱৰ সময়ত অসমীয়া লঘু ৰচনা তথা নিবন্ধ এটা দোমোজাৰ মুখত থিয় হয় বুলি কোৱা যায়। সেই সময়ৰ পৰা পয় বৰ্তমান দশকলৈকে অসমীয়া প্ৰবন্ধ নিবন্ধৰ ধাই সুঁতিটো বহলভাৱে দুটা বেলেগ পাৰস্পৰিকভাৱে পৰিপন্থী নহলেও বিপৰীত অথচ সমান্তৰাল দিশেদি ফাটি যায়। শ্ৰীলীলা গগৈয়ে "মনোধৰ্মী খুহুতীয়া ৰচনা" বুলি লিখা প্ৰবন্ধত ("বিংশ শতাব্দীৰ অসমীয়া সাহিত্য") দুইবিধ লিখাকে একেটা সাঁচতে পেলাইছে যদিও মোৰ মনেৰে ডেকাৰ পিচৰ লিখকসকলৰ ৰচনা-সমূহ এফালে মনোধৰ্মী ব্যক্তিমুখী ৰচনা বা আমাৰ আলোখ্য নিবন্ধ, আৰু আনফালে খুহুতীয়া বা ধেমেলীয়া লঘু ৰচনা—এই দুই ধাই ভাগত বিভক্ত হৈ গ'ল। দুয়োভাগৰ উদ্দেশ্য যদিও নিবন্ধ মাত্ৰেৰে উমৈহতীয়া উদ্দেশ্য আনন্দ প্ৰদানেই তথাপি খুহুতীয়া নিবন্ধই দিয়া ধহতা স্থূল আনন্দ আৰু বুদ্ধিদীপ্ত ৰসিকতাই দিয়া সূক্ষ্ম, পেলৱ আনন্দানুভূতিৰ গুনগত প্ৰভেদ আছে। নিবন্ধৰ ৰূপ-বিভাজনৰ সময়ত বেজবৰুৱাৰ ব্যঙ্গ-বক্ৰোক্তি-ভৰা, ধেমেলীয়া হাস্যৰসাশ্ৰিত লিখনীৰ পৰম্পৰা আগবঢ়াই নিবলৈ এদল উত্তৰ-সূৰীয়ে তেওঁৰ পিচফালে স্থিতি ললে আৰু আন এদলে কৃপাবৰী পৰম্পৰাৰ পৰা আতঁৰি আহি বিশুদ্ধ, বুদ্ধিদীপ্ত, সমালোচনাত্মক, সূক্ষ্ম-হাস্যৰসাশ্ৰয়ী কৌতুকপ্ৰৱন নিবন্ধৰ ধাৰা সৃষ্টি কৰিবলৈ বুকুত বল বান্ধি, যাইকৈ হলিৰাম ডেকাই দেখুৱাই যোৱা বাটেৰে বাটবুলিবলৈ ল'লে। এই দুই শ্ৰেণীৰ দুই চাৰিজন প্ৰাবন্ধিক বা নিবন্ধকাৰৰ গাত যে দুয়োপ্ৰকাৰ লঘু ৰচনাৰ সঁচ সমূলি মিহলি নোহোৱাকৈ নাছিল সেইটো সঁচা হলেও যোৱা তিনিটা দশকৰ এই জাতীয় সাহিত্য অনুশীলনকাৰীসকলৰ ভিতৰত কুমাৰ শ্ৰীমধুসূদন, প্ৰেম নাৰায়ণ, পীতাম্বৰ ৰাজমেধি, ধনকান্ত চেতিয়াফুকন, মেৰেৰা মেধি, বহুবল্কী, ভদ্ৰ বৰা, লীলা গগৈ, ললিত বৰা প্ৰভৃতিক যেনেকৈ নিৰ্বিবাদে কৃপাবৰীয়া শিবিৰত থব পাৰি, তেনেকৈ স্বৰ্গীয় ডাঃ হেম বৰুৱা, তিলক হাজৰিকা, কীৰ্ত্তি হাজৰিকা, হেম শৰ্মা, কিৰণ শৰ্মা, প্ৰফুল্ল বৰুৱা আৰু কিঞ্চিৎ আঁতৰৰ নৱকান্ত বৰুৱা, দুলাল বৰঠাকুৰ, হৰেন্দ্ৰ দেৱগোস্বামী আৰু 'দৈনিক অসম'ৰ দেওবৰীয়া দ্বিতীয়, পাতল সম্পাদকীয় লিখক-এইসকলক ডেকাই সূত্ৰপাত কৰা বিধৰ কাৰণ্য মিশ্ৰিত, বিশুদ্ধ হাস্য-ৰসমণ্ডিত নিবন্ধ জাতীয় লঘু ৰচনাৰ ধ্বজাবাহী বুলি কব পাৰি। এই

দুটা বিভাগৰ যে দুটা পানী-লগৰকা খোটালি নাইবা 'হাৰবেটিকেলি সীলড্' আধাৰত থ'ব পাৰি সেই বুলি মই কব খোজা নাই, নাইবা লক্ষ্মীনাথ বেজ-বৰুৱা আৰু হলিৰাম ডেকাই সূচনা কৰা ধাৰাকে যে দুই শ্রেণীৰ লিখকে আখৰে আখৰে অবিকৃত ভাবে অনুসৰণ কৰিছে সেই বুলিও নকওঁ। কিন্তু এই দুয়োবিধ ৰচনাই লঘু প্রকৃতিৰ হ'লেও যে এবিধ নিতান্তই লঘু আৰু এবিধ কিঞ্চিৎ গহীন তাতো সন্দেহৰ থল নাই। তাৰ বাহিৰেও পুৰা-পুৰিকৈ খাপ খাই নপৰিলেও "মাহাত্মাৰ পৰা ৰূপকোঁৱৰলৈ"ৰ নিচিনা ৰসাত্ম', 'উইট আৰু উইচডমেৰে' অটোলতোল, ৰম্য ৰচনা সদৃশ স্মৃতি চাৰণা-মূলক গ্রন্থৰ লিখক শেহতীয়া লক্ষ্মীনাথ ফুকনকো মই উপৰোক্ত দ্বিতীয় শ্রেনীৰ ভর্তি কৰাৰ যথেষ্ট যুক্তি দেখো।

ডাঃ হেম বৰুৱা-হাজৰিকা

লিখাৰ সময়ৰ কালৰপৰা ডাঃ হেম বৰুৱা আগ নে তিলক হাজৰিকা আগ সেই বিষয়ে নিশ্চিত নহলেও (দুয়ো 'বামধেনু' যুগতে পাদ-প্রদী-পৰ সন্মুখলৈ অহা।) বয়স আৰু ৰৰগুণিৰ ওজনলৈ চাই ডাঃ হেম বৰুৱাকে যুদ্ধোত্তৰ অসমীয়া নিবন্ধৰ প্রথম শক্তিশালী গতি নির্দ্ধাৰক বা প্রবক্তা বুলি কব লাগিব। ডক্টৰ সত্যেন্দ্র নাথ শৰ্মাই আন বহু সমালোচক সাহিত্য-ঐতিহাসিকে নোকোৱা কথা এখাৰ হলীৰাম ডেকাৰ সম্পর্কত কোৱাৰ উপ-ৰিও "(ডেকাৰ) ৰচনাৰ বুদ্ধিনিষ্ঠ নির্দোষ হাস্যৰস একক আৰু অবিস্মৰণীয়" —অতি উপযুক্তভাবে আৰু মন কৰিবলগীয়া যথার্থহীনতাৰে ডাক্তৰ হেম বৰুৱাকে 'যুদ্ধোত্তৰ যুগৰ ৰস ৰচনা পৰিবেশনকাৰীসকলৰ ভিতৰত আগৰণুৱা' বুলি মত দিছে। ডাঃ বৰুৱা নিসন্দেহে অসমীয়া ৰস-সাহিত্যত sui genesis এক আশ্চৰ্যজনক আৱিৰ্ভাৱ। দীৰ্ঘকাল চৰকাৰী ডাক্তৰী চাকৰি কৰি অৱসৰ লৈ জীৱনৰ বিয়লি বেলিকা জীয়াই থকা কেইটামান বছৰৰ বছৰতে বৰুৱাই "চপনীয়া", "মোৰ ঘৰখন" আৰু "নৱগ্রহ"ৰ দৰে বি তিনিখন অসমীয়া সাহিত্যত সম্পূর্ণ নতুন আপুৰুগীয়া নিবন্ধ পুথি দান কৰি গ'ল সেই কেইখনে অসমীয়া সাহিত্যত এক নতুন দিগন্ত মুকলি কৰি দিলে।

ডাঃ হেম বৰুৱাৰ ৰচনাশৈলীৰ উল্লেখযোগ্য গুণৰাজি হ'ল 'প্রসাদ গুণ' অনায়াসী অনাক্ৰমনাত্মক মৃদু পৰিহাস, কৌতুকপ্রিয়তা আৰু সহানু-ভূতিশীল, উদাৰ ৰসিকতা। চাৰ্লচ লেম্বৰ বিচো কাৰুণ্য মিশ্রিত হাস্যৰসে ভেওঁক ইংৰাজী প্রাবন্ধিকসকলৰ মাজত ইমান আঁপোন আৰু সকলোৰে

আদবৰ কবি তুলিছে তেনেকুৱা সুকোমল 'আয়বণি' আৰু খেলুৱৈসুলভ, মাধোন অলপ আমনি দিয়া, কিন্তু খং নোতোলা ধৰণৰ, লঘু হাস্যৰসৰেই ডাঃ বৰুৱাই অসমীয়া সাহিত্যত আগেয়ে সতকাই নথকা এবিধ নতুন, ব্যক্তিমুখী আৰু সমাজ-সচেতন, অন্তৰঙ্গ নিবন্ধৰ অৱতাৰণা কৰিলে। দৰাচলতে ডাঃ হেম বৰুৱাৰ ৰচনাতে অসমীয়া নিবন্ধৰ নিটোলতম নিদৰ্শন উজলি উঠে বুলি কব পাৰি। সামাজিক দৃষ্টি-ভঙ্গীৰ কালৰপৰা তেওঁৰ হাস্যৰস যদিও বেজবৰুৱাৰ সগোত্ৰ, প্ৰকাশ-ভঙ্গীৰ পিনৰপৰা আৰু তেওঁৰ বক্তব্যৰ কাহিনীসুলভ নিৰ্মাণভঙ্গীৰ পিনৰপৰা ডাঃ বৰুৱা অতি আধুনিক যুগৰ সমাজ-সচেতন ৰসিক শিল্পীসকলৰহে সতীৰ্থ। তেৱেঁই পোন প্ৰথমে অসমীয়া সাহিত্যত অতদিনে অপ্ৰতিহত আধিপত্য চলাই থকা অসূয়া, তিক্ততা, ব্যঙ্গৰস, বক্ৰোক্তিপূৰ্ণ হাস্যৰসৰ ঠাইত বিমল, নিৰ্দোষ, মাৰ্জিত, সুৰুচিসম্পন্ন, পৰিশীলিত, অকৃপণ, উদাৰ, বুদ্ধিদীপ্ত হাস্যৰসক সম্মানৰ আসনত প্ৰতিষ্ঠা কৰিলে। বৰুৱাই 'মোৰ ঘৰখন' আৰু 'চপলীয়া' পুথিত নিজৰ ব্যক্তিগত স্মৃতিৰ জলঙাইদি যুগান্তৰৰ অসমীয়া সমাজ-জীৱন আৰু মধ্যবিত্ত আৰু ঘৰুৱা জীৱনৰ যি ছবি আঁকিছে, তাৰ প্ৰশান্ততা, সভ্যতা, মানবতা আৰু ব্যক্তিমুখীতাই যেনেকৈ পোনে পোনে আমাৰ অন্তৰ স্পৰ্শ কৰে, তেনেকৈ সেই একেবোৰ ৰচনাতে সংঘাত, কপটতা আৰু ভণ্ডামি কৰণিত সমকালিন সমাজখনৰ প্ৰতি তেওঁৰ কটাক্ষ দৃষ্টিপাত আৰু তিক্ততাহীন, ৰসঘন, বুদ্ধিদীপ্ত, ক্ষমাশীল প্ৰতিক্ৰিয়াই মন আৰু মগজুকো সক্ৰিয় আৰু সংশ্লিষ্ট কৰি তোলে। পৰোক্ষভাৱে চৰিত্ৰ সৃষ্টিত যেনেকৈ তেওঁৰ উপন্যাসিক প্ৰতিভা ফুটি উঠে তেনেকৈ চৰিত্ৰসমূহৰ বক্তব্যতো দাৰ্শনিক আৰু সমাজতাত্ত্বিক মূল্যবোধৰ স্বাক্ষৰ পোৱা যায়।

ডাক্তৰ বৰুৱাৰ পাচতে অন্যতম সাৰ্থক অসমীয়া নিবন্ধকাৰ হিচাপে নিশ্চয়কৈ তিলক হাজৰিকাৰ নাম লব লাগিব। হাজৰিকাৰ দৃষ্টিভঙ্গী হয়তো ডাঃ বৰুৱাৰ দৰে সমাজ অভিমুখী নাইবা বাস্তৱবোধ পুষ্ট নহয়। তেওঁৰ আটাইবোৰ নিবন্ধই হয়তো সংকীৰ্ণ অৰ্থত ব্যক্তিমুখীও নহয়। বৰুৱাৰ দৃষ্টি যদি বহল সমাজখনৰ মানুহৰ প্ৰতি, হাজৰিকাৰ লক্ষ্য ব্যক্তিমন আৰু মনঃতত্ব। কিন্তু প্ৰকাশভঙ্গীৰ ব্যক্তিকতা, আলাপী আৰু কথকী ধৰণ, শব্দ ধ্বনি আৰু ব্যঞ্জনা, চেতনা, যমক আৰু অনুপ্ৰাসৰ প্ৰতি অনুৰাগে তেওঁৰ মনোধৰ্মী নিবন্ধসমূহক প্ৰকৃত বুদ্ধিদীপ্ত ৰচনাৰ বিশিষ্টতা প্ৰদান কৰিছে। এই পিচৰ বিধ হাস্যৰস তথা 'উইট'ৰ পৰিমাণ হাজৰিকাৰ লিখাত ডাঃ বৰুৱাৰ লিখাতকৈ বেছি আৰু ডাঃ বৰুৱাৰ লঘু ৰচনাত পৰিপক্ক

সাংসাৰিক অভিজ্ঞতা আৰু সমাজ গাঁথনিৰ অধ্যয়নে যিটো মাত্ৰা সংযোগ কৰে তিলক হাজৰিকাৰ লিখাত সেই মাত্ৰাৰ যোগান ধৰিছে তেওঁৰ আও-পকীয়া মনস্তাত্ত্বিক বিশ্লেষণ, ভাষাগত ব্যঞ্জনা আৰু ব্যক্তিমনৰ তলিলৈ সোমাই যাব পৰা ক্ষমতাই। বৰুৱা যদি বহিৰ্মুখী হাজৰিকা অন্তৰ্মুখী। ডাঃ বৰুৱাৰ ৰচনাত ভাষাৰ যাদু নাই তেওঁৰ যাদু চৰিত্ৰ চিত্ৰনত, সমাজতাত্ত্বিক আলোকপাতত। হাজৰিকাৰ ব্যুৎপত্তি মনস্তত্ত্ব অধ্যয়নত ৰসিক অন্তৰ্দৃষ্টিত হাজৰিকাৰ 'কত কথা', 'আড্ডা' কিতাপৰ 'চেনিমৰা বাগিচাৰ চিঠি', এক ছিঙ্গোল চাহ, ফটা জোতাৰ দৰে কেইটামান নিবন্ধৰ শৈলিপক সৌন্দৰ্য আৰু মাধুৰ্য সময় নাইৰা পুনৰাবৃত্তিয়েও মোলান পেলাব নোৱাৰা বিধৰ। এনেকুৱা মনোধৰ্মী নিবন্ধৰ ভিতৰত স্বৰ্গীয় বিৰিঞ্চিকুমাৰ বৰুৱাৰ "কাউৰী"ৰ কৃতিত্ব বেলেগ হ'লেও ই এটা স্মৰণীয় পূৰ্ণতা-প্ৰাপ্ত নিবন্ধ। গভীৰ মনস্তাত্ত্বিক অন্তৰ্দৃষ্টি এনে নিবন্ধৰ প্ৰধান সম্পদ।

ডাঃ হেম বৰুৱা আৰু তিলক হাজৰিকাৰ নিবন্ধৰ তুলনামূলক আলচ কৰিলে আধুনিক নিবন্ধৰ আৰু এটা দৰ্শনীয় ফাললৈ মনত পৰিব। 'ইগোটিজিম'—বা আত্মকেন্দ্ৰিকতা বা স্বপ্ৰীতিপ্ৰাধান্যকো বহুতে নিবন্ধৰ এটা বিশেষ লক্ষণ বুলি কয়। আত্মকেন্দ্ৰিকতা আৰু ব্যক্তিমুখীতা কিন্তু একে বস্তু নহয়। ডাঃ হেম বৰুৱা ব্যক্তিনিষ্ঠ সামাজিক জীৱ হলেও অন্য ব্যক্তিৰ মনোবিজ্ঞানৰ ওপৰত তেওঁ চকু। তেওঁ বাহিৰৰ পৰা দূৰৰপৰা মানুহলৈ চায়। তিলক হাজৰিকা কিন্তু একেলগে 'ইগোটিষ্ট' আৰু 'ইগোইষ্ট' আত্মন্তৰীণ, স্ব-সৰ্বস্ব। তেওঁ নিজধে আনতকৈ নিজৰ মনৰ পিনেহে বেচিকৈ মন কৰে।

এই শ্ৰেণীৰ নিবন্ধকাৰসকলৰ ভিতৰত কীৰ্ত্তিনাথ হাজৰিকা, হেম শৰ্মা, কিৰণ শৰ্মা প্ৰভৃতিৰ বিষয়ে বাহুল্য আলোচনালৈ নগৈ ইমানকে কলেই যথেষ্ট যে এই কেইগৰাকী লিখকে 'নাৰদৰ ডায়েৰী', 'বাটৰ দুবৰি বন', 'কিমিদং ব্যহ্নতং ময়া' প্ৰভৃতি পুথি আৰু নানান সিঁচৰতি লিখাৰ জৰিয়তে অসমীয়া ৰসভিলাষী পঢ়ুৱৈক বিমল আনন্দৰ খোৰাক দিয়াৰ উপৰিও অসমীয়া নিবন্ধ সাহিত্যিক স্বকীয় মৰ্যাদাৰে বিভূষিত কৰাত প্ৰশংসনীয় অৰিহণা যোগাইছে। লগতে ঠিক ওপৰোক্ত লিখকসকলৰ শাৰীত নপৰিলেও কবি নৱকান্ত বৰুৱাৰ 'ৰমণীয়' বোলা লঘু নিবন্ধৰ সংকলনখনক মই ব্যক্তিগতভাবে উৎকৃষ্ট নিবন্ধৰ নিদৰ্শন বুলি বিবেচনা কৰোঁ। তেওঁৰ কৌতুহলী, ৰসগ্ৰাহী দৰ্শনাভৰ চিত্ৰই সাধাৰণ অভিজ্ঞতা, সাধাৰণ মানুহ, সাধাৰণ ঘটনাকো অলৌকিকতাৰ ৰহন সানি এনে মনোগ্ৰাহী বাৰ্জিত

আৰু চিত্তবিনোদক সাহিত্য সৃষ্টিলৈ ৰূপান্তৰিত কৰিছে, আমাৰ সাহিত্যত যাৰ তুলনা সৰহ নোলাব ।

কেৱল হাঁহিৰ সম্বল

কেৱল হাঁহিৰ সম্বল থকা ধেমেলীয়া বা খুহুতীয়া ৰচনা প্ৰকৃতপক্ষে মই ভবা ধৰণৰ নিবন্ধৰ গণ্ডীৰ ভিতৰত নপৰে আৰু বেজবৰুৱাৰ দিনতে পূৰঠ হৈ, যুদ্ধোত্তৰ যুগক সামৰি আজিকোপতি এইবিধ লিখনীৰ অগ্ৰগতি অব্যাহত হৈ আছে যদিও মোৰ তিনি দশকৰ নিবন্ধৰ আলোচনাত সেই শ্ৰেণীৰ ৰচনাক আওকাণ কৰি গ'লেও সিমান দোষে নোছোৱে। তদুপৰি এইবিধ লিখাৰ বিষয়ে ইমান আলোচনা-বিলোচনা হৈ গৈছে যে অসমীয়া লঘু সাহিত্যৰ আলোচনা বুলিলে অকল এই শ্ৰেণীৰ ৰচনাকেহে বুজোৱা যেন হৈ পৰিছে। তথাপি অসমীয়া নিবন্ধক দুটা শাখাত ভগাই লৈছো যেতিয়া থূলমূলকৈ এইটো শ্ৰেণীৰো কিছু বুজ লোৱা প্ৰাসঙ্গিক হ'ব ।

বেজবৰুৱাৰ ঐতিহ্যৰ উত্তৰাধিকাৰীৰূপেই ধেমেলীয়া বা খুহুতীয়া নিবন্ধকাৰসকলে অসমীয়া সাহিত্যত দেখা দিছিল যদিও কুমাৰ মধুসূদন, প্ৰেম নাৰায়ণ, লীলা গগৈ প্ৰমুখ্যে লিখকসকলে যুদ্ধোত্তৰ যুগত এনেকুৱা নিবন্ধৰ কিমান দূৰ শ্ৰীবৃদ্ধি সাধিব পাৰিলে বা নতুনত্ব বা বৈচিত্ৰ্য আনিব পাৰিলে সেই বিষয়ে মতভেদৰ অৱকাশ আছে। মোৰো ধাৰণা এই যে ডক্টৰ সত্যেন্দ্ৰনাথ শৰ্মাই কোৱাৰ দৰে বেজবৰুৱাৰ সৰল আৰু ব্যাপক হাস্যৰসৰ নিদৰ্শন তেওঁৰ উত্তৰ সাধকসকলৰ ৰচনাত খুব কমেই দেখা যায়। "এইসকলৰ ৰচনাত নিভাঁজ আৰু নিৰ্দোষ হাস্যৰসতকৈ ব্যঙ্গৰ তিক্ত কথাৰ স্বাদ অধিক পৰিমাণে পৰিস্ফুট।" কিন্তু এওঁলোকৰ ভিতৰতো এনে কেইগৰাকীমান লিখক আছে, যিসকলক দুয়ো প্ৰকাৰ নিবন্ধ সাহিত্যৰ মাজ ভাগত নাইখা যিকোনো এটা শ্ৰেণীৰ সীমাবুৰীয়লিত ঠাই দিব পাৰি। এওঁলোক 'ব'ৰ্ডাৰ লাইন কেচ'। কুমাৰ শ্ৰীমধুসূদনৰ খুহুতীয়া ৰচনা ঠিক মনোধৰ্মী নহলেও যে কিছু পৰিমাণে বুদ্ধিদীপ্ত আৰু বহু সময়ত ব্যক্তিনিষ্ঠ তাত সংশয় নাই। লীলা গগৈৰ 'কপলিং ছিগা বেল'ৰ দৰে ৰচনা, হেম শৰ্মাৰ 'মদাৰ ফুলৰ মালা"ৰ নিবন্ধ, ভদ্ৰ বৰাৰ কোনো কোনো লিখাত স্থূল হাস্যৰসৰ লগতে সূক্ষ্ম করুণ হাস্যৰসৰো সংমিশ্ৰণ ঘটি কেতিয়াবা সঁচাকৈয়ে সাৰ্থক নিবন্ধৰ পৰ্যায়লৈ উঠিছে। এনে কেইবাজনৰো কেইবাটাও নিবন্ধত নিবন্ধৰ বাৰতীয় আন গুণ থাকক বা নাথাকক, সেইবোৰ

যে বহু সময়ত ফ্রেগমেণ্ট অব অট'বায়োগ্রাফী', আত্ম জীৱনীৰ টুকুৰা যেনেকৈ প্ৰতিভাত হোৱা নাই সিয়ো নহয়। কিন্তু জগতে এইটোও অনস্বীকাৰ্য যে পিচৰ লিখকসকলে যেজবৰুৱাৰ দৰে আমাৰ সামাজিক পৰিবেশৰপৰা জীৱনী শক্তি আহৰণ কৰিব নোৱাৰাৰ ফলতেই হওক নাইবা সত্তীয়া বহিৰ্মুখী ব্যক্তী প্ৰহসনৰ প্ৰতি পঢ়ুৱৈ শ্ৰেণীৰ ধাউতি টুটি অহাৰ বাবেই হওক, নিবন্ধ সাহিত্যৰ এইটো সুঁতি লাহে লাহে এটা মৰিসূতিত পৰিণত হৈছেহি। আজিকালি কাচিৎ কেতিয়াবা হোৱা ব্যতিক্ৰমৰ বাহিৰে সাধাৰণতে সাৰ্থক বা ৰসোত্তীৰ্ণ খুহতীয়া ৰচনা নিচেই কমেই পোৱা যায়। হয়তো পঞ্চম ষষ্ঠ দশকত এইবিধ ৰচনাৰ উভৈনদী হোৱাৰ সুবাদত অধে-মধে বহুতে এই ক্ষেত্ৰত হাত পকাই লবলৈ হেতাওপৰা লগোৱাৰ ফলতে এনে হাস্য ৰসাত্মক নিবন্ধৰ চোক নাইকিয়া হৈ পৰে আৰু লাহে লাহে ইয়াৰ আয়ুস টুটি আহে।

কোনো কোনো লিখকে পৰ্যালোচনা কৰাৰ দৰে কি আৰু ক'ৰ প্ৰভাৱৰ যাৰা চতুৰ্থ দশকত হঠাতে ঘটা অসমীয়া নিবন্ধৰ বিস্ফোৰণ 'প্ৰেচিপিটেটেড' বা ত্বৰান্বিত হৈছিল সেই প্ৰশ্নৰ মীমাংসা বিচাৰিবলৈ নগৈ কি কি কাৰণত মূঠেই দুই তিনিটা দশকৰ ভিতৰতে ধুমকেতুৰ দৰে ওলাই চতুৰ্দিশ আলোক প্লাবিত কৰি এই জাতীয় সৃষ্টি অসমীয়া সাহিত্য আকাশৰ পৰা প্ৰায় অন্তৰ্হিত হ'ল সেইটোহে অধিক চিন্তাৰ বিষয় যেন লাগে। মূলতে বিবিলাক কাৰণত অসমীয়া চুটি গল্পৰ উল্লেখযোগ্য প্ৰসাৰ আৰু বিকাশ ঘটিছে সেই একেবোৰ কাৰণতে চুটি গল্পৰ দৰে নানান আঙ্গিকেৰে বক্তব্য আগবঢ়াৰ পৰা, আজিৰ ব্যস্ততাৰ যুগৰ তৎকালিন চাহিদা পূৰ কৰিব পৰা, বিজুলী চমকৰ দৰে ক্ষন্তেকীয়া ভিৰবিৰনিৰে অন্তঃস্থললৈকে জিকমিকাই তুলিব পৰা এইবিধ ন-প্ৰকাশ মাধ্যমৰো উন্নতিহে হব লাগিছিল। কিন্তু কাৰ্য ক্ষেত্ৰত তাৰ ওলোটাটোহে দেখা গৈছে। ইয়াৰ কাৰণ কি? খুহতীয়া বা ধেমেলীয়া ৰচনাই ক্ৰমান্বয়ে এই নৱাগত বিধৰ মনোধৰ্মী, ব্যক্তি কেন্দ্ৰিক নিবন্ধক ঠাই এৰি দি হটি যোৱাটো বোধগম্য। ডক্টৰ সত্যেন্দ্ৰ নাথ শৰ্মাই কোৱাৰ দৰে এই নতুন বিধ নিবন্ধই মৃদু হাস্যৰসকো নিজৰ মাজলৈ আজুৰি নিয়াত অকল হাস্যৰস প্ৰকাশৰ বাবে সুকীয়া এটা সাহিত্যিক বাহনৰ প্ৰয়োজন হয়তো নোহোৱা হ'ল, নাইবা অসমীয়া জাতীয় জীৱনৰ পৰাই হাঁহি আৰু ব্যঙ্গ কৌতুকে মেলানি মাগিলে। কিন্তু বিবিধ সাহিত্য ৰূপ কেৱল স্থুল হাঁহি বা বহুৰূপীতা বা ঠাট্টা বিদ্ৰূপৰ ওপৰতে নিৰ্ভৰশীল নহয়, বিবিধ সাহিত্য শ্ৰেণীয়ে যুগপৎ হাঁহি আৰু চকুলো, কৰুণা আৰু

কটাক্ষ, পৰিহাস আৰু অনুৰাগৰ সহ-অৱস্থান কৰিবলৈ সুযোগ দিয়ে, তেনে এটা প্ৰতিশ্ৰুতিপূৰ্ণ, উপভোগ্য, প্ৰশস্ত সাহিত্য ৰূপেও আমাৰ সাহিত্যত উপযুক্ত সমাদৰ আৰু স্বীকৃতি পাব পৰা নাই কিয় ? আজি তিনিটা দশকৰ আগতে যেনেকৈ আমাৰ মাজতো দলে দলে নিবন্ধকাৰ ওলাই আহিছিল, সাম্প্ৰতিক সময়ত তেনে এশ্ৰেণী লিখকৰ অভাৱ অনুভৱ কৰাই টান হৈ পৰিছে । এইবোৰলৈ চাই অসমীয়া সাহিত্যত ৰসঘন অন্তৰ্দৃষ্টি-সম্পন্ন, বুদ্ধিদীপ্ত হাস্যৰসেৰে মাৰ্জিত আৰু মণ্ডিত নিবন্ধৰ ভৱিষ্যৎ উজ্জ্বল বুলি ভবাৰ থল নাই, তথা আশা পুহি থকাতো দোষ নাই যে ভৱিষ্যতে কোনোবা দিনা অদূৰ অতীতৰ কেবা দশকৰ দৰে অসমীয়া নিবন্ধ সাহিত্যৰ বিস্ফোৰণ নঘটিলেও পুনৰ্জাগৰণ বা 'ৰেনেচাচ' হোৱা সম্ভৱপৰ ।

ৰচনাৰ কথা

শ্ৰীতিলক হাজৰীকা

সম্পাদক ডাঙৰীয়া, আপুনি মোক যোৱা দুই দশকত আমাৰ ভাষাত লিখা ৰম্য ৰচনাৰ ওপৰত কিছু আলোকপাত কৰিবলৈ ফৰমাচ দিছে। মই ভাবি পোৱা নাই, এই বিষয়ে মই কি লিখিব পাৰো বা মোৰ কি লিখিবলগীয়া আছে। কাৰণ মই নিজে এজন বিক্ৰেতা আৰু আপুনিহে ক্ৰেতা। গতিকে সেই ফালৰপৰা আপুনিয়েইহে এই বিষয়ে যথোপযুক্ত আলোকপাত কৰিব পাৰিলেহেতেন। মই কবলৈ হলে মাথো ইমানেইহে কবৰ আছে যে এইবিধ সাহিত্যৰ এতিয়া বজাৰ মন্দা। সেই ফালৰ পৰা দেখদেখকৈ বিক্ৰেতাসকলৰ বস্তুৰ বদগুণ আৰু অকৰ্মণ্যতাকে সূচায়।

এতিয়া কেতিয়াবা এনে প্ৰশ্নও শুনা যায় যে ৰম্য ৰচনানো কি? ধেমেলীয়া ৰচনাতকৈ কিবা বেলেগ বস্তু নেকি? সেইটো ব্যাখ্যা ময়ো দিব নোৱাৰো। ময়ো জানো ৰচনা ৰচনাই—গহীন কথাৰ ওপৰত লিখিলে ৰচনা গহীন আৰু লঘু কথাৰ ওপৰত লিখিলে লঘু হব পাৰে। সিমানেই। সাহিত্য শাস্ত্ৰৰ নিয়মো বোধহয় সেইটোৱেই। কিন্তু কোনোবাই যদি কেনেবাকৈ নিয়মৰ অনিয়ম কৰি গহীন কথা লঘুকৈ আৰু লঘু কথা গহীনকৈ লিখি পেলায় তেনেহলে সেইবোৰ ৰচনা হব নে নহয়? আৰু হলে কি জাতৰ ৰচনা হব? গৰুৰ বিষয়ে ৰচনাখনতো চিৰাচৰিত সেই পাচোটামান 'পইণ্ট', যেনে পৰিচয়, প্ৰকাৰ, লক্ষণ, উপকাৰিতা-এপকাৰিতা আৰু শেষত মন্তব্য—এইবোৰ ভাগত পংক্তি লগাই বহলাই বৰ্ণনা কৰি লিখাটোৱে কথা আৰু 'পাতচলা' স্কুলতে এই কথাটো সকলোৱেই ভালকৈ খৰচি মাৰি শিকি আহিছে; কিন্তু হেম শৰ্মাৰ নিচিনা জনা বুজা মানুহ এজনেও যদি

পোনতে মন্তব্যৰ পৰাহে ওভোতাই গৰুৰ বিষয়ে ৰচনাখন এই বুঢ়া। বয়সত লিখিবলৈ আৰম্ভ কৰে তেন্তে তেওঁৰ মহতালিত সেই চিনাকি গৰুটো যে আৰু আগৰ গৰু হৈ থকা নাই ই নিশ্চিত। নিজৰ গৰুটোৰ এই দুৰ্দশা হোৱা দেখি গৰুৰ গিৰিহঁতৰ হাতৰ লৰু ৰচনা লিখকৰ পিঠিতে উঠাৰ কথা ; কিন্তু হেম শৰ্মাৰ হাতত পৰি গৰুটোৰে বা কি দুৰ্গতি হ'ল তাকেহে ভালকৈ নাচালে মন তাপৰিব নোৱাৰি। এনেকুৱাই ইয়াৰ মহিমা— এই ৰচনাখনৰ

আচলতে ৰচনা বোলা বস্তুটোৰেই এনে এটা ছিৰিয়াছ বস্তু যিটোৰ নামটো শুনিলেই সাধাৰণতে নাকটো কোঁচ খাই অহাটো এটা চিৰাচৰিত নিয়ম। কিয়নো ইয়াৰ ঐতিহ্য হৈছে নিৰসত্ব আৰু কেৱল সৰ্বভুকসকলৰ বাহিৰে ই সৰ্বসাধাৰণৰ বাবে অৰুচিকৰ হোৱাটোৱে স্বতঃসিদ্ধ কথা। এইটোও যে হয় ইয়াৰো বোধহয় প্ৰধান এটা কথা হৈছে সাধাৰণতে ইয়াক লিখা বা প্ৰকাশ কৰা ভাষাটোৰ শুষ্কতা বা ৰুক্ষতা। দ্বিতীয়তে তাৰ বক্তব্য। কিন্তু যেতিয়াই এটা মনোৰঞ্জক ভঙ্গীৰে পাঠকৰ ঔৎসুক্যক বন্দী কৰি তেওঁক ক্ৰমে ক্ৰমে পাঠ্য বস্তুৰ ভিতৰলৈ টানি আনিব পৰা হয়, তেতিয়াই সেই ৰচনা এখন কলাসুলভ ৰচনাৰ শাৰীত উঠিব পাৰে। এই কলাসুলভতাৰ গুৰিত অন্যান্য গুণৰ ভিতৰত ভাষাৰ নমনীয়তাও (flexiblity)ত পৰিব। কিন্তু ভাষা বোধহয় সাধাৰণতে সকলোৰে হাততে খুব বেছি লেতু সেতু হৈ নুঠে। আচলতে বাছোনৰ পৰা মুকলিলৈ আহিলেই মনো মুকলি হয়। মূলতে সকলো ৰচনাই ৰচনা, সেইবোৰৰ ৰচোতাৰ হস্তগুণৰ ক্ষমতাত ৰমনীয় বা ৰম্য হৈ উঠে মাথোন।

সম্পূৰ্ণ বা পূৰ্ণ মূল্যায়ণ কৰিব পৰাৰ সোধাৰে যথেষ্ট ৰচনা (এই শেহতীয়া বিধৰ) আমাৰ ভাষাত এতিয়াও লিখা হোৱা নাই। তাৰ আগতে বহুতো ৰচনা প্ৰকাশিত হব লাগিব আৰু সেইবোৰৰ বিভিন্ন স্বৰূপ একো-টাও প্ৰতিষ্ঠিত হব লাগিব। আমি এতিয়া আত্মসমালোচনাহে কৰিব পাৰো। ময়ো মাথোন তাকে কৰিব খুজিছো।

আমি কেতিয়াৰ পৰা ৰচনা লিখিছো তাৰ হিচাপ ৰখাৰ দৰকাৰ নাই ; কাৰণ আমাৰ ইয়াত লিখা-মেলাৰ বিষয়ত বিযোৰ ঘটন-অঘটন হৈ আছে সেই সকলোবোৰ ত'ৰ ইঙ্গিততে হৈ আহিছে। অৰ্থাৎ আমাৰ সাহিত্যৰ নিয়ন্তা মাধৰ ইংৰাজী সাহিত্যত এই ৰচনা বা Essay বোলা বস্তুটোও পোনতে একেবাৰে গুৰু গোসাঁইসকলেহে দাবি-চাবি চাইছিল ;

এলাপেচা মানুহে ভয়তে সেইপিনে হাতেই নেমেলিছিল। মানে পণ্ডিতে ভাগৱৎ ভঙাৰ দৰে সাংঘাতিক কথা আৰু! ই ইমানেই আছিল জয়াৰ মন্ত্ৰ। নহলেনো সেই গুৰু গোসাঁইসকলক আনবোৰৰ পৰা নিজগাই আনি Man of Letters বোলা হৈছিল কিয়? মানে এওঁলোক যেই সেই মানুহ নহয়, একেবাৰে সকলো শাস্ত্ৰাশাস্ত্ৰ আৰু তত্ত্বাতত্ত্ব মথি খোৱা পণ্ডিত মানুহ আৰু এওঁলোকেই এই Essay নামৰ তত্ত্বকথাবোৰ লিখি পঢ়ি তাৰ অৰ্থ ভাঙিব পাৰে। কিন্তু পিচলৈ ইয়াতো গোবৰী হেন শৰ্মাৰ দৰে কেতবোৰ মানুহে অবৈধভাবে হাত দি Essay নামৰ পবিত্ৰ বস্তু-কেবাৰ একেবাৰে মৰজাত মাৰি পেলালে অৰ্থাৎ আগৰ 'এচে' আৰু 'এচে' হৈ নাথাকিল, হৈ পৰিল article বা প্ৰবন্ধ নামৰ এবিধ নতুন আৰু সহজ ৰচনা। কিন্তু এইবোৰ লণ্ডভণ্ড কৰাৰ মূলতে আছিল সংবাদ-পত্ৰ জগতৰ বাঢ়ি অহা পৰিসৰ আৰু জনপ্ৰিয়তা। কাৰণ 'Journalist saw that a public had grown up ready for something less formal, less political, more in touch with the interest of common people not confining its appeal to the smaller class of people'. আৰু তেতিয়াই নতুন এবিধ সাংবাদিক ৰচনাৰ বিকাশ হ'ল, ঠিক কুৰি শতিকাৰ লগে লগে—বিবিধ ৰচনা বৈশিষ্ট্যৰ ফালৰ পৰা আছিল Fancyful, Scholarly আৰু light essays। এই গোটেই গদ্য ৰীতিটোৰেই প্ৰৱৰ্তন আৰু বিকাশৰ মূলত আছিল 'New Journalism' আৰু 'New Public' অৰ্থাৎ সাংবাদিক সাহিত্যিকসকলেই পুৰণি ৰচনাৰ আৰু ৰচনা-ৰীতিৰ সত্ৰীয়া কঠোৰ ৰীতি-নীতিবোৰ ভাঙি দি এনে এবিধ নতুন ৰচনা আৰু ৰচনা-ৰীতিৰ প্ৰৱৰ্তন কৰিলে যাৰ ফলত লিখক আৰু সৰ্বসাধাৰণ পাঠক সমাজৰ মাজত এটা নিকট সম্পৰ্ক আৰু অন্তৰঙ্গতা স্থাপিত হ'ল। এইটো হৈ উঠিল বিষয় আৰু দৃষ্টিভঙ্গীৰ ক্ষেত্ৰতো। অৰ্থাৎ সংবাদপত্ৰই প্ৰচলিত সাহিত্য জগতত এক নিৰৱ বিপ্লৱ সংঘটিত কৰিলে। এই বিপ্লৱ ভাষা-সংস্কৃতিৰ বেলিকাও সদায় হৈ থাকিল। আৰু এনে বিপ্লৱৰে এটা পোৱালী হৈছে আমাৰ ইয়াতো হেন শৰ্মাৰ সেই সকলো বিষয়ে লিখা প্ৰবন্ধ নামৰ কথাবোৰ। এই মাথা-মুণ্ডহীন ৰচনাবোৰকে কিয়নো আপুনি ৰম্য ৰচনা বুলি কৈছে।

কিন্তু, সম্পাদক ডাঙৰীয়া, এইবোৰেই জানো আপুনি কোৱা ৰম্য ৰচনা নামক বস্তুটি আছিল আৰু আটাইবোৰ জানো জনপ্ৰিয় আছিল বা

হৈছে ? ৰচনা জনপ্ৰিয় হয় কিহত ? প্ৰকাশৰ কাৰিকৰী ক্ষমতা আৰু বক্তব্যৰ গুণতে নিশ্চয় । গদ্য হেনো আচিকথুনীয়া হৈ উঠিব পাৰে সুকবি-সকলৰ হাতত্হে । এই পৰীক্ষাৰ প্ৰমাণ ইংলণ্ডতে । যোৱাহৰ কবিসকল শব্দৰ খেলা কৰাত আন অকবিবোৰতকৈ অধিকতৰ পাকৈত; সেয়ে । আৰু শব্দইতো হৈছে ৰূপ । সুকবিসকল গদ্যবো লিখক হলে সেই গদ্যৰ সোৱাদ হৈ পৰে—যেনে, “The irony and grim humour of Carlyle, the gentle intimacy of Charlcs Lamb, the graceful confidence of Leigh Hunt, the acoial candence of De Quincey, the incisive phrases of Hazlitt, the flowing sea music of Swinburn, the scholarly prose of Mathew Arnold,......” ইত্যাদি ইত্যাদি । আমাৰ সাহিত্যত সেইদৰে কবিসকলে গদ্যৰ গদা তুলি ললে দেখোন নৱকান্ত বৰুৱা আৰু মহিম বৰাৰ বাহিৰে । মহিম বৰাৰ সততে gentle wit আৰু subtle humour-ৰ সাৱলীল সোঁত দেখি ভাবো এওঁ নতুন ভঙ্গীৰ ৰচনাকে লিখি নগ'ল কিয় ? আৰু নৱকান্ত বৰুৱায়ো মাথোন পাচখনমান ৰচনা লিখিয়েই হাত ধুলে নে হাত থলে বাৰু ?

যোৱা দুই দশকৰ, অন্ততঃ ঘাইকৈ প্ৰথম দশকৰ ভিতৰতে বহুতো নতুন ৰচনা লিখা হ'ল । বাতৰি কাকতত সংবাদ সাহিত্য হিচাপে ইয়াৰ জন্ম, পৰীক্ষা আৰু পৰিবৰ্দ্ধন । ইয়াৰ বিষয়বস্তু, বক্তব্য আৰু উপ-সংহাৰৰ কোনো নিৰ্দিষ্ট গণ্ডী নাই ; —যেয়ে যেনেকৈ আৰু যি ভাবিছে তাকে পত্ৰ সাহিত্যৰ গভীৰ বিশৃঙ্খলভাৱে লিখি গৈছে, অৱশ্যে মনত লগাকৈ। অৰ্থাৎ মকলাই হৈছে ইয়াৰ কলা । আৰু এই ৰচনাবোৰত শৃঙ্গাৰ বীৰ, কৰুণ, ৰৌদ্ৰ, অদ্ভুত, ভয়ানক আৰু বিভৎস আদি আঠাইবোৰ ৰসেৰে তিওৱা কথাৰ শিল-বালিৰ গাথনিবোৰ ৰূপকথীয়া কৰি বান্ধিবলৈ অপৰি-হাৰ্য্যভাৱে হাস্যৰসৰ কৰাল (চিমেণ্ট) ব্যৱহাৰ কৰা হৈছে । শিল-বালি আৰু চুণ-চুৰ্কী বিভিন্ন কাৰিকৰৰ হাতত পৰি ইয়াৰতে বিভিন্ন ভঙ্গী গ্ৰহণ কৰাৰ দৰে, এই 'ৰসো বৈ সঃ' ৰচনাবোৰেও ৰস-ৰচনা, লঘু-ৰচনা, ব্যক্তি-মুখী ৰচনা আৰু ৰম্য ৰচনা আদি বিভিন্ন নাম পাইছে । কিন্তু সোঁপকীয়া, বাওঁপকীয়া আৰু আওপকীয়া সকলো পাকৰ হাঁহিৰ মূলতে এটাই সনাতন হাঁহি হোৱাৰ দৰে, এই ৰচনাবোৰৰো এটাই মূল চৰিত্ৰ, সেইটো হল মেলে-লীয়া ৰচনা । কিন্তু এনেবোৰ ৰচনাৰ কোনোখনত হয়তো পত্ৰাতাই পোনকোৰতে হাঁহিছে, কোনোখন পঢ়ি দ্বিতীয়বাৰ হাঁহিব লগাও হৈছে

আৰু কেতিয়াবা তৃতীয়বাৰ হাঁহি উঠাৰ সেই পুৰণি বদনামৰ বাবে ভয় খাব লগীয়া হৈছে। কিছুমান ৰচনাৰ কথাই মনত বহুদিনীয়া সাঁচ বহুৱাই যাব পাৰিছে আৰু কিছুমানৰ একো কথাই কাৰো মনত নাই। এই মনত দাগ কাটি যাব নোৱাৰা ৰচনাবোৰেই বাছু পৰা নিশ্চয় আৰু সেইবোৰ ৰচনাৰ কোনো মূল্য নাই। ডাক্তৰ হেম বৰুৱাৰ গাওঁখন, হেম শৰ্মাৰ চাইকেলখন, দুলাল ৰবঠাকুৰৰ বেলখন, নৱকান্ত বৰুৱাৰ আলহীজন, ভদ্ৰ ৰবাৰ পণ্ডিতজন, ললিত ৰবাৰ টেলিগ্ৰামখনৰ কথা কাৰ মনত নাই বাৰু? দুটা দশকত লিখিত বহুতো ৰচনাৰ উল্লেখ কৰিব পাৰি ; কিন্তু গভীৰ-ভাবে মনত দ সাঁচ ৰাখি যোৱা কিমান ৰচনাৰ নাম কব পাৰি ? বোধকৰো খুব সৰহ নোৱাৰি ।

যোৱা দুই দশকত লিখিত হোৱা অধিকাংশ ৰচনাই স্থূল পৰ্য্যায়ৰ নাছিল নে বাৰু ? এই স্থূল ৰচনাবোৰৰ বৰগুনি একো নাথাকিলেও এটা বিশেষ ধৰগুনি কিন্তু স্বীকাৰ্য্য ; সেইটো হৈছে সাহিত্যিক হোৱাৰ বাট সুগম কৰি দিয়া। "বোপাই, তোৰ একো কাম নাই যদি (ৰম্য) ৰচনা এখনকে লিখ আৰু বাতৰিকাকতলৈ পঠাই দে।" অৰ্থনীতি শাস্ত্ৰৰ মতে উৎপাদন বেছি হলে মূল্য পৰি যায়। আৰু এই কথাটোকে প্ৰমাণ কৰি বোধহয় অধিক উৎপাদনশীল এই জাত ৰচনা-সাহিত্যৰ অকস্মাৎ প্ৰচুৰ ফলনে অচিৰেই এক গুৰুতৰ মন্দাৰ সন্মুখত পৰিল আৰু বোধহয় বজাৰকে হেৰুৱাই পেলালে। নহলেনো এই ক্ৰেতাৰ সমস্যা হয় নে ?

বোধহয় এনেবোৰ ৰচনাৰ অস্থায়ীত্বৰ মূল কাৰণ হল ইয়াৰ আমনি লগা একঘুৰী ৰচনাভঙ্গী। এইবোৰ সহজীয়া ৰচনাত নতুন স্বাদ-আস্বাদৰ নিশ্চয় অভাব ক্ৰেতাসকলে পাইছিল। ইয়াত আনন্দৰ চেষ্টা আছিল ঠিকেই—কেৱল আনন্দইহে সমগ্ৰ হৈ আছিল, বিমল বৌদ্ধিক দিশ এটাৰ কোনো অৱকাশ নাছিল। কথনৰ নিজস্বতা, বৈচিত্ৰ, বুদ্ধিদীপ্ততা, মনোজ্ঞতা আৰু সৰ্বোপৰি ষ্টাইল আদি বিভিন্ন গুণেৰে সেই সময়ৰ খনদিয়েক লেখৰ ৰচনাৰ শাৰীত উঠিবলৈ সক্ষম নোহোৱাৰ বাবেই বোধহয় এই কালছোৱাৰ অধিকাংশ ৰচনা আৰু ৰচনাশৈলীয়ে একো প্ৰভাৱ ৰাখি যাব পৰা নাই। এখন ভাল ৰচনাতো কেৱল অসংলগ্ন প্ৰলাপ নহয়। "......In the main the prose writer who aspires to style must be an artiste, but the secret of style is, ultimately, the harmony between the subject and its treatment. For general purposes style has been considerably influenced by the uses of journalism....."

এইবোৰ ৰচনাৰ অনুশীলনৰ মূলতে আছিল To write something out of nothing—যিটো Freelance journalism অৰ এটা অন্যতম ঠেক বুলি কব পাৰি। Freelance অত Gossip অৰ বিষয়বস্তুও কেতিয়াবা বুদ্ধিমান সাংবাদিকৰ হস্তগুণত একোটা সুন্দৰ পাঠ্যবস্তু হৈ পৰে। এইটো সংবাদ সাহিত্যৰ এটা বিশেষত্ব। আমাৰ ভাষাৰ ৰম্য ৰচনাবোৰোতো সাংবাদিক ৰচনাৰ বাহিৰে একো নহয়।

ৰচনা সাহিত্য কিয়, সাধাৰণ সাহিত্যই আজি প্ৰকাশৰ এটা গভীৰ সংকটৰ মুখত পৰিছে। সেইটো হৈছে মাধ্যমৰ অভাব। অতি আশ্চৰ্যৰ কথা যে যি সময়ত অসমীয়া ভাষা সাহিত্য ভাৰতৰ চৈধ্যটা ভাষা সাহিত্যৰ সমান আসনত অধিষ্ঠিত, যি সময়ত অসমত জোনাকী যুগৰ কৰ্ণধাৰসকলৰ একাধাৰে শতবাৰ্ষিকী চলে, যি সময়ত অসম সাহিত্য সভা প্ৰভাৱে প্ৰতাপে এখন মহাসভাত পৰিণত আৰু যি সময়ত অসমীয়া মানুহে ভাষা সাহিত্যৰ আন্দোলনত কলিজা ৰক্তাক্ত কৰে, সেই সময়ত এখন অসমত এখনো প্ৰথম শ্ৰেণীৰ সাহিত্যৰ আলোচনী নাই। এই শূন্যতা কৰলৈ গলে "ৰামধেনু" যুগৰ পিচৰে পৰা বিৰাজ কৰিছে। আৰু এই মহাশূন্যতাৰ মাজতে আমি সাহিত্যৰ বিবিধ পৰীক্ষা নিৰীক্ষাৰ সপোন দেখি আছো আৰু কিবা হৈ নুঠাৰ বাবে আক্ষেপো কৰি আছো। ৰচনা-সাহিত্যও পৰিপূৰ্ণ ৰূপ লৈ নুঠা আৰু উঠিবৰ বাবে যথেষ্ট সুযোগ নোপোৱাটোৰো দ্বিতীয় উল্লেখযোগ্য কাৰণ আলোচনীৰ অভাৱ বুলি কব পাৰি। এখন প্ৰথম শ্ৰেণীৰ আলোচনীৰ আৰু এজন প্ৰথম শ্ৰেণীৰ সম্পাদকে দিব পৰা প্ৰকাশৰ সুযোগ আৰু নেতৃত্বৰ অভাৱত আজি অসমীয়া লিখকসকলে সাহিত্যৰ পৰা বিজ্ঞান কিম্বা ৰাজনীতিলৈকে যি কোনো লিখিত বিষয়বস্তু লৈ বাতৰি কাকতৰ ওচৰলৈ চপলিয়াব লগা হৈছে। আৰু কৰলৈ গলে যাঁহঁকৈ বাতৰি কাকতেইহে এতিয়া অসমীয়া সাহিত্যৰ সোঁত জীয়াই বা বোৱাই ৰাখিছে। অসমীয়া ৰচনা সাহিত্য অৱশ্যে সংবাদ সাহিত্যহে আছিল। কিন্তু এতিয়া অসমীয়া গোটই সাহিত্যই সংবাদত পৰিণত হৈছেহি। বিপৰীত কাল।

১০

অসমীয়া সাহিত্যত যুগ পৰিবৰ্তন

শ্ৰীহীৰেণ গোহাঁই

সাংস্কৃতিক বিকাশৰ কোনো ধৰাবন্ধা নিয়ম নাই নেকি ? সাধাৰণতে দেখা যায় যে সমাজত অৰ্থনৈতিক নিৰাপত্তা আৰু স্বাচ্ছন্দ্য আহিলে সংস্কৃতিৰো পয়োভৰ ঘটে। কিন্তু এনে ঘটনাও বিৰল নহয় যে অৰ্থনৈতিক অৱনতি আৰু সমাজিক অধঃপতন সত্বেও কলা-সাহিত্যৰ ক্ষেত্ৰত চূড়ান্ত সাফল্য দেখা গৈছে।

তাৰ অৰ্থ এয়ে নেকি যে সাংস্কৃতিক বিকাশ সম্পূৰ্ণ নিৰালম্ব আৰু স্বাধীন ? যে তাৰ ফল্গুধাৰাৰ লগত নৈসৰ্গিক কাৰ্যকাৰণৰ কোনো সম্পৰ্ক নাই ? প্ৰথম মহাযুদ্ধৰ পিচত অষ্ট্ৰিয়া আৰু জাৰ্মাণি যেতিয়া পৰাস্ত, লুণ্ঠিত আৰু অপমানিত, সেই সময়তেতো কবিতা, নাটক, সংগীত, উপন্যাস, চাৰুকলা সকলো ক্ষেত্ৰতে সেই দুখন দেশত অবিস্মৰণীয় প্ৰতিভাৰ স্ফুৰণ দেখা গ'ল।

এনে তথ্যৰ পৰা এচাম শিল্পী আৰু পণ্ডিতে স্বস্তিৰ নিঃশ্বাস পেলাব। বুৰ্জোৱা ভাববাদৰ প্ৰভাৱত বিবিলাকে মানুহৰ মন সম্পূৰ্ণ স্বাধীন বুলি ভাবে, আৰু ভগবানৰ অকাৰণ লীলাৰ দৰে সংস্কৃতিকো মানুহৰ মনৰ লীলা বুলি ভাবে, তেওঁলোকৰ পক্ষে এনে ধাৰণা অতি আৰামদায়ক। হয়তো এওঁলোকৰ কোনোৱে সুবিধা চাই চাই মাৰ্ক্সৰ (অন্যথায় কোনো মাৰ্ক্স বিশেষজ্ঞৰ) পৰা অসংলগ্ন উদ্ধৃতি দি এই ধাৰণা সমৰ্থন কৰিবলৈ বিচাৰিব। এইসকল লোকে বিবেচনা কৰি চোৱা উচিত যে আধুনিক গৱেষকসকলৰ মতে "লীলা" বস্তুটোও নিতান্ত অকাৰণ নহয়—জৈবিক প্ৰয়োজনতে তাৰ সৃষ্টি। ল'ৰা-ছোৱালীৰ খেল-ধেমালিৰ যোগেদিও নিতান্ত প্ৰয়োজনীয় শাৰীৰিক স্বাস্থ্য, মানসিক ভাবসাম্য আৰু সামাজিক আদান-প্ৰদানৰ উদ্দেশ্য সিদ্ধ হয়। "মনৰ লীলা"ও মানুহৰ জীৱন সংগ্ৰামৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন আৰু ভিন্ন বুলি ভবাৰ থল নাই।

German Ideology নামৰ গ্ৰন্থত কাৰ্ল মাৰ্ক্সে কৈছে : "আমি আমাৰ অনুসন্ধান আৰম্ভ কৰোঁ বাস্তৱ, সক্ৰিয় (জীৱন্ত) মানুহবিলাকৰ পৰা আৰু তেওঁলোকৰ বাস্তৱ জীৱনধাৰাৰ পৰা চিন্ময় (ideological) প্ৰতিচ্ছবি আৰু প্ৰতিধ্বনিসমূহৰ বিকাশ ফঁহিয়াই দেখুৱাওঁ। মানুহৰ মগজৰ ছাঁয়ামূৰ্ত্তিসমূহো মানুহৰ বাস্তৱ জীৱন ধাৰাৰ অনিবাৰ্য প্ৰতিফলন মাত্ৰ। এই বাস্তৱ জীৱনধাৰা প্ৰত্যক্ষভাবে নিৰূপণ কৰা যায় আৰু তাৰ লগত বস্তুগত পৰিস্থিতিৰ পোনপটীয়া সম্পৰ্ক। এনেকৈয়ে দেখা যায় যে নৈতিকতা, ধৰ্ম, দৰ্শন আৰু অন্যান্য মানসিক বৃত্তিসমূহৰ (ideologies) স্বয়ম্ভু আৰু স্বাধীন অস্তিত্ব অসম্ভৱ।" (Karl Marx : Selected Writings in Sociology and Social Philosophy, ed. by T. B. Bottomore and Maximilien Rubel, Pelican Books, p. 90) আৰো Theories of Surplus Value গ্ৰন্থত জীৱনৰ শেষ ছোৱাত মাৰ্ক্সে এই উক্তি কৰিছে : "বিশেষ ঐতিহাসিক ৰূপত বস্তুগত উৎপাদন বুজি নাপালে তাৰ অনুৰূপ (corresponding) চিন্ময় উৎপাদন (intellectual production) বুজাও সহজ নহয়।" (op-Cit. p. 96-97)। অৰ্থাৎ মানুহৰ মনোজগতৰ নানাবিধ সৃষ্টিকো মানুহৰ বাস্তৱ জীৱন তথা উৎপাদনৰ পৰা পৰোক্ষভাবে উদ্ভূত বুলি কোৱা হৈছে। তেনেস্থলত সংস্কৃতিক সম্পূৰ্ণ স্বয়ম্ভু বুলি মাৰ্ক্সৰ মুখেৰে কোনো কোনোৱে কিয় কোৱাব খুজিছে ? বুৰ্জোৱা সংস্কৃতিৰ বিলাসিতা আৰু দায়িত্বহীনতা বাদ দিলে এনে অপব্যাখ্যাৰ প্ৰধান কাৰণ হ'ল মাৰ্ক্সৰ চিন্তাত necessity (নিয়ম) আৰু freedom (স্বাধীনতা)ৰ তাৎপৰ্য্য সম্পৰ্কে বুৰ্জোৱা পণ্ডিতৰ বিভ্ৰান্তি।

মাৰ্ক্সে এঠাইত কৈছে : "স্বাধীনতাৰ ৰাজ্য আৰম্ভ হয় প্ৰয়োজন আৰু বাহিৰৰ হেঁচাত গঢ় লোৱা শ্ৰম শেষ হ'লে। বস্তুগত উৎপাদনৰ বাহিৰতহে স্বাধীনতা বিৰাজমান। অসভ্য মানুহৰ দৰে সুসভ্য মানুহেও নিজৰ বিভিন্ন প্ৰয়োজন পূৰণ কৰিবলৈ আৰু নিজৰ জীৱন ৰচাবলৈ আৰু নতুনকৈ গঢ়িবলৈ (reproduce) প্ৰকৃতিৰ লগত সংগ্ৰাম কৰিবই লাগিব—তেহেলৈ উৎপাদনৰ পদ্ধতি আৰু সমাজৰ গঠন যেনে কিবে হওক লাগে।.....কিন্তু ই হ'ল সদায়েই নিয়ম (necessity) ৰ জগত। তাৰ বাহিৰতহে মানুহৰ মানবীয় ক্ষমতাৰ সেই বিকাশ ঘটে, যি বিকাশৰ আন বাহিৰা লক্ষ্য নাই,—সেয়েই স্বাধীনতাৰ আচল ৰাজ্য।

আনহাতে এই স্বাধীনতাৰ ৰাজ্য কেৱল নিয়মৰ (necssity) ভিত্তিতহে প্ৰতিষ্ঠিত হব পাৰে ।"(Marx, op. cit., p. 260)

এই স্বাধীনতাৰ অৰ্থ তেনেহলে নিয়মৰ তথা প্ৰয়োজন পূৰণৰ উৰ্দ্ধত আলাসতে ওপঙি থকা নহয় । বস্তুৰ কঠিন বেদীতেই আত্মাৰ সূক্ষ্মতম নৈবেদ্যই শোভা পায় । কেৱল জান্তৱ ক্ষুধাতৃষ্ণা জাতীয় তাৎক্ষণিক প্ৰয়োজনৰ পৰা সংস্কৃতিৰ সৃষ্টি মুক্ত । স্বাধীনতাৰ অৰ্থ মাৰ্ক্সৰ বাবে মানুহৰ স্বনিয়ন্ত্ৰণ, স্বাৱলম্বী বিকাশ । প্ৰকৃতিৰ লগত সংগ্ৰামৰ যোগেদি মানুহে যিখন মানবীয় জগৎ গঢ়ি তুলিছে তাক সম্পূৰ্ণ আয়ত্তাধীন কৰাটোৱেই স্বাধীনতা । সংস্কৃতিৰ স্বাধীনতাও এই স্বাধীনতাৰে অংগবিশেষ। কেৱল সংস্কৃতিত কল্পনাৰ ভূমিকা স্বাভাৱিকতে অধিক গুৰুত্বপূৰ্ণ হব পাৰে। এই কথাটো জ্যোতিপ্ৰসাদে আৰু শ্ৰে'নীয়ে বুজিছিল বাবেই সমাজশিল্পী আৰু কলাশিল্পীক একেশাৰীত থব জানিছিল ।

Brecht আৰু Erwin piscator ৰ নাটক, Rilke আৰু Hofinannsthal ৰ কবিতা, Bauhaus গোষ্ঠীৰ স্থাপত্য, Logical Positivist দৰ্শন আৰু অৱস্থিতিবাদৰ পূৰ্বসূৰীসকলৰ চিন্তা—এইবোৰ সাংস্কৃতিক সৃষ্টিৰ জন্ম প্ৰয়োজনৰ পৰা বিচ্ছিন্ন নহয় । প্ৰথম মহাযুদ্ধ কোনো আকস্মিক ঘটনা নহয়—ই আছিল কেৱল পুঁজিবাদী য়ুৰোপীয় সমাজৰ অন্তৰ্দ্বন্দ্বৰ ভয়াবহ প্ৰকাশ আৰু তাৰ অব্যহিত ফল স্বৰূপেই মুদ্ৰাস্ফীতি, উৎপাদনৰ মন্থৰতা, ভয়ানক নিবনুৱা সমস্যাই য়ুৰোপৰ মানুহক আৱৰি ধৰে । এনে পৰিস্থিতিত আগৰ সমাজৰ ধৰণী-স্বৰূপ মানবতাবাদী প্ৰমূল্য আৰু উদাৰনৈতিক বিশ্বাসসমূহৰ ওপৰত মানুহৰ আস্থা নোহোৱা হল । শ্ৰমিক আন্দোলনৰ ক্ৰমবৰ্দ্ধমান শক্তিয়েও প্ৰচলিত সমাজ ব্যৱস্থাৰ শিপাত জোঁকাৰ খুৱালে ।

স্পৰ্শকাতৰ শিল্পী আৰু চিন্তাশীল ব্যক্তিসকলে এই পৰিস্থিতিৰ পৰা পৰিত্ৰাণ পাবলৈ, প্ৰমূল্যৰ শূণ্যতাৰ মাজত নিজৰ মানসিক সুস্থিৰতা ৰক্ষা কৰিবলৈ ব্যাকুল হৈ উঠিল । সমাধান বিচাৰি কোনো কোনোৱে সনাতন ধৰ্মক পুনৰুজ্জীবিত কৰিবলৈ বিচাৰিলে । কোনো কোনোৱে সমাজবাদী মতবাদ অৱলম্বন কৰিলে । এই অন্বেষণৰ পৰিণতি স্বৰূপে কলাশিল্পত আবিৰ্ভাৱ হ'ল বিচিত্ৰ ব্যক্তব্য আৰু আংগিকৰ । যুগসন্ধিৰ এই সংকটত কবিশিল্পীৰ কল্পনাই নতুনকৈ বিচাৰিলে জীৱনৰ লক্ষ্য আৰু মানবতাৰ তাৎপৰ্য । সেয়ে এই কলাশিল্পৰ একাংশ এতিয়াও আমাৰ বাবে স্মৰণীয়। এনে serious আৰু গভীৰ উদ্যোগক লীলা আখ্যা দিয়াটো কেৱল

বিলাসিতা নহয়, একৰকমৰ মূৰ্খামিৰ নিদর্শন। মাৰ্ক্স বা মাৰ্ক্সবিশেষজ্ঞৰ পৰা উদ্ধৃতি দিলেই 'চিচিং ফাক' নহয়। মাৰ্ক্সৰ মূল অন্তর্দৃষ্টি বুজাৰ আগ্রহো লাগিব।

আধুনিক অসমীয়া সাহিত্যত দেখা দিয়া ব্যাপক পৰিৱৰ্তনো যোগেশ দাস বা নৱকান্ত বৰুৱাৰ "লীলা" কৰাৰ প্রবৃত্তিৰ পৰা নাই হোৱা। এই পৰিৱৰ্তন সমাজদেহলৈ অহা পৰিৱৰ্তনৰে ফলশ্রুতি—পৰিৱৰ্তিত পৰিস্থিতিৰ প্রতি পৰিৱৰ্তনশীল চেতনাৰ প্রতিক্রিয়া। ভাত-মাছ খোৱা প্রয়োজন আধুনিক সাহিত্যিকসকলে পূৰণ কৰিব খোজা নাই, সঁচা; কিন্তু তেওঁলোকে পূৰণ কৰিব খুজিছে অসমীয়া মানুহৰ নিজকে বুজাৰ আৰু জগত-খনক বুজাৰ আকাঙক্ষা। আমাৰ সমাজৰ গভীৰ অন্তর্দ্বন্দ্বসমূহে আমাৰ সাহিত্যিকসকলৰ অন্তৰত কঁপনি তোলা বাবেহে তেওঁলোকৰ সাহিত্যত যুগ পৰিৱৰ্তনৰ প্রতিধ্বনি উঠিছে।

কিন্তু যুগ পৰিৱৰ্তন? অতিবাম বিপ্লবী (ultra revolutionaries) সকলে কব খোজে যে স্বাধীনতাৰ পিছত অসম তথা ভাৰতত কোনো পৰিৱৰ্তনেই নাই হোৱা। নামত বিদেশী শাসক আঁতৰি গ'লেও দেশৰ অর্থনীতি আৰু সমাজ হেনো ঔপনিবেশিক কাঠামোতে আছে। কৃষকৰ ওপৰত অৰ্দ্ধসামন্তবাদী শোষণ—আধি, চৰা হাৰৰ সুত বন্ধ হোৱা নাই, বৰং বাঢ়িছে। আৰু আমি বিবোৰ দেশীয় উদ্যোগ দেখিছো সেইবোৰো প্রকৃততে সাম্রাজ্যবাদী পুঁজিৰ দালাল—সিহঁতৰ লগত প্রাক্-স্বাধীনতা যুগৰ দেশীয় ব্যৱসায়ীৰ ভূমিকাৰ কোনো পার্থক্য নাই। এনে স্থলত সাহিত্যত যুগ পৰিৱৰ্তনৰ সম্ভাৱনা ক'ত? কাৰণ সামন্তবাদৰ পৰা পুঁজিবাদলৈ উত্তৰণৰ পথ ৰুদ্ধ কৰিছে সাম্রাজ্যবাদী পুঁজিৰ হেঁচাই। অর্থাৎ সহজ কথাত আমাৰ সমাজ বদলা নাই। অতিবামসকলৰ এই বিশ্লেষণ দেখ্‌দেখ্‌কৈ যান্ত্রিক আৰু অতিৰঞ্জিত।

অতিবাম অতিৰঞ্জনৰ বিৰোধিতা কৰি আন এদলে কব খোজে যে ভাৰতে অর্থনৈতিক স্বাধীনতা আৰু বয়ঃপ্রাপ্তিৰ পিনে দ্রুত গতিত আগ-বাঢ়িছে। অর্থাৎ "নন—এলাইনমেণ্ট" নীতিৰ সহায়ত সাম্রাজ্যবাদী চক্রবেহু ভেদ কৰি ভাৰতে স্বাধীন পুঁজিবাদী বিকাশৰ পথ লৈছে। ভূমি সংস্কাৰৰ জৰীয়তে কৃষক হেনো সামন্তবাদী শোষণৰ কবলৰ পৰা মুক্ত হৈছে, ৰাষ্ট্রীয় খণ্ডত উদ্যোগ প্রতিষ্ঠা কৰি দেশৰ ঔদ্যোগিক বিকাশ স্বাধীন কৰা হৈছে ইত্যাদি। এই দাবী শুনাত বিয়ানেই আকর্ষণীয় নহওক, খাদ্য শস্যৰ স্থায়ী নাটনি, "সেউজী বিপ্লৱ"ৰ ব্যর্থতা, গুৰুত্বপূর্ণ উদ্যোগ

সমূহত বিদেশী পুঁজিৰ কৰ্তৃত্ব— এনে তৰহৰ লক্ষণৰ পৰা প্ৰমাণ হয় যে এই বিশ্লেষণ অসাৰ। বিশ্বব্যাপি পুঁজিবাদৰ সংকটৰ সময়ত পুঁজিবাদী বিকাশৰ পথেদি ভাৰতৰ উন্নতি হব—ই এক দুৰাশা। সাম্ৰাজ্যবাদী পুঁজিয়ে তাত বাধা জন্মাবই আৰু বাধ্য হৈ দেশীয় একচেটিয়া পুঁজিয়ে সামন্তবাদৰ লগত আপোচ কৰিবলৈ বিচাৰিব ; কিন্তু শামুকৰ খোজেৰে হলেও দেশত পুঁজিবাদ আগবাঢ়িছে। তাতোকৈ দ্ৰুত হৈছে সনাতন সমাজ ব্যৱস্থাৰ ক্ষয় আৰু ভাঙন। উৎকট দ্ৰব্যমূল্য বৃদ্ধি আৰু মুদ্ৰাস্ফীতিৰ হেঁচাত বিপুল সংখ্যক জনতা পথৰ ভিখাৰী হৈছে। দেশীয় পুঁজিৰ দুৰ্বলতাৰ বাবে মজুৰি শোষণৰ প্ৰসাৰণ হৈছে লেহেম, কিন্তু সাম্ৰাজ্যবাদী আৰু দেশীয় পুঁজিৰ সন্মিলিত হেঁচাত সনাতন সমাজৰ গাথনি সোলোক-ঢোলোক হৈ পৰিছে।

গ্ৰাম্য অৰ্থনীতিৰ দুৰৱস্থাৰ বিষয়ে আজি বঢ়াই নকলেও হয়। গাঁৱৰ মানুহে আজি প্ৰয়োজনীয় সকলো বস্তুকে বজাৰত কিনে। কানি-কাপোৰৰ পৰা তেল-নিমখলৈ সকলোতে উচচ মূল্য ভৰিব লগা হয়। স্বাধীনতাৰ আগৰে পৰা চলি অহা মহাজনী শোষণৰ কৱলত পৰি বহু স্বাধীন কৃষকে তেওঁলোকৰ পৈতৃক মাটি-ভেটি হেৰুৱালে। যোৰহাটৰ কৃষি গৱেষণা কেন্দ্ৰই অলপতে প্ৰকাশ কৰা তথ্যৰ মতে অসমৰ গাৱঁত ভূমিহীন কৃষকৰ সংখ্যা শতকৰা দহজনৰ পৰা শতকৰা পচিশজনলৈ বৃদ্ধি পাইছে। যাৰ মাটিৰে বছৰৰ কেউমাহে খাবলৈ নোজোৰে, তেনে কৃষকৰ সংখ্যা শতকৰা সাতসত্তৰ জন। কোৱা বাহুল্য যে কৃষিৰ বিকল্প হিচাপে অন্য কোনো জীৱিকা অসমৰ গ্ৰামীন সমাজৰ বাবে গঢ়ি উঠা নাই। ফলত এহাতে যেনেকৈ আমাৰ কৃষক সমাজ আৰ্থিক দুৰ্দশাৰ চৰম সীমাত উপনীত হৈছে, তেনেকৈ তেওঁলোকৰ সামাজিক জীৱনত দেখা দিছে ক্ষয় আৰু অধঃপতনৰ লক্ষণ।

সাধাৰণ কৃষকৰ এই অৱনতিৰ দিনত কিন্তু গ্ৰামাঞ্চলত একশ্ৰেণীৰ মানুহৰ সমৃদ্ধিৰ লক্ষণ সুস্পষ্ট হব ধৰিছে। গাৱঁৰ অৱস্থাপন্ন কৃষক আজি মহাজনী শোষণৰ নায়ক হবলৈ ধৰিছে। ৰাজনৈতিক প্ৰভাৱৰ জৰীয়তে পঞ্চবাৰ্ষিকী পৰিকল্পনাৰ বা আনসূত্ৰে অহা চৰকাৰী ধন হস্তগত কৰি গ্ৰামাঞ্চলৰ ধনিক শ্ৰেণীয়ে পুঁজিবাদী শোষণৰ পথ প্ৰশস্ত কৰিছে। এই শ্ৰেণীটোৱেই ক্ৰমশঃ গ্ৰামাঞ্চলত নেতৃত্ব দখল কৰিছে। বিভিন্ন ধৰণৰ লাভজনক কাৰবাৰ বা উদ্যোগত—যেনে ঠিকা, সৰুসুৰা ধানকল, স্থানীয় পৰিবহন আদিত এওঁলোকে প্ৰচুৰ বিনিয়োগ আৰম্ভ কৰিছে। সামাজিক

জীৱনত এই শ্ৰেণীৰ প্ৰতিপত্তিৰ ফলতো দুৰ্নীতি আৰু কদাচাৰৰ প্ৰকোপ কিছু বাঢ়িছে ।

কিন্তু অ'ত ত'ত দুই এজনৰ বাহিৰে ধনী খেতিয়ক পুঁজিবাদী কৃষকত (Capitalist farmer) এতিয়াও পৰিণত হব পৰা নাই । তেনেকৈ চহৰ অঞ্চলতো অসমীয়া ধনী মানুহে পুঁজিবাদী উদ্যোগ স্থাপনত বিশেষ কৃতকাৰ্য্য হব পৰা নাই । অৱশ্যে অসমত শিল্পায়নৰ বিকাশ যে সামান্য সেই কথা সকলোৱে জানে । ৰাষ্ট্ৰীয় খণ্ডত তেল উদ্যোগ, খনিজ গেছ, প্ৰভৃতিৰ কিঞ্চিৎ প্ৰসাৰণ ঘটিছে । চৰকাৰী পৃষ্ঠপোষকতাত এটা চেনিৰ কল চলি আছে । ভাৰতীয় বৃহৎ পুঁজিৰ বিনিয়োগত Plywood, Hardwood প্ৰভৃতি শিল্প টিনকিয়াল হৈ আহিছে । কিন্তু এই সকলো উদ্যোগৰ মুনাফা অসমীয়া মানুহৰ হাতলৈ যোৱা নাই । তেনেকৈ চাহ শিল্পৰো সৰহভাগ আয় অনা-অসমীয়া পুঁজিপতিৰ কুক্ষিগত হৈছে । অসমৰ যাতায়াত ব্যৱস্থা অতি পশ্চাদপদ, চহৰ অঞ্চলৰ প্ৰসাৰণো উল্লেখ-যোগ্য নাই হোৱা । আজিও বিপুল সংখ্যাগৰিষ্ঠ জনতাৰ বাসস্থান গাওঁ-ভুঁইহে । কিন্তু ক্ৰমবৰ্দ্ধমান চহৰ অঞ্চলৰ বিভিন্ন চাহিদা মিটাবৰ বাবে নানানটা সৰু-সুৰা ব্যৱসায় আৰু শিল্প প্ৰতিষ্ঠান গঢ়ি নুঠাকৈ থকা নাই । এনেবোৰ ঠাইতে গঢ় লৈ উঠিছে এক শ্ৰমিক শ্ৰেণী—যাৰ মনোভাব আৰু লক্ষ্য চহৰৰ আধিখোৰ চাকৰিজীৱী মধ্যবিত্তকৈ বেলেগ হবলৈ বাধ্য।

বৃহৎ পুঁজিৰ লুণ্ঠনৰ অসহায় ক্ষেত্ৰ, কেন্দ্ৰীয় চৰকাৰৰ বৈষম্যমূলক নীতিৰ আঘাতত পঙ্গু অসমত এনেকৈ এহাতে পুঁজিবাদী শোষণৰ মাত্ৰা বাঢ়িছে, আৰু আনহাতে পুঁজিবাদী ঔদ্যোগিক বিকাশৰ গতিবেগ হৈছে নিতান্তই মন্থৰ । সমাজৰ সকলো অংশৰ মানুহৰ ওপৰত এই দ্বিমুখী আক্ৰমণৰ আঘাত পৰিছে । অসমৰ পুঁজিপতিসকল সংকুচিত, মধ্যবিত্ত সমাজ সন্ত্ৰস্ত আৰু ক্ষুব্ধ । ব্যাপক কৃষক সমাজৰ মাজত উমি উমি জ্বলিছে ক্ৰোধ আৰু ক্ষোভৰ একুৰা জুই । শোষণৰ বিৰুদ্ধে প্ৰতিবাদ দিনে দিনে সবল হৈছে, অথচ সংগ্ৰামৰ পথ অধিকাংশ জনতাৰ বাবে পৰিষ্কাৰ হৈ উঠা নাই । শোষক শ্ৰেণী আৰু শাসকগোষ্ঠীৰ চক্ৰান্তত এই ব্যাপক অশান্তিয়ে মধ্যবিত্ত অকপলিত সোৱাই ফেছিবাদৰ ভয়ানক ৰূপ ধাৰণ কৰিব পাৰে । এই বিপদ আওকাণ কৰিব পাৰে মাথোন টুকুৰা তথ্যৰ মাজত বাট হেৰুৱা সুবিধাবাদী বামপন্থী অৰ্থশাস্ত্ৰী আৰু ৰাজনীতিবিদে ॥

শ্ৰেণী চেতনাৰ আলমত মতাদৰ্শৰ সংগ্ৰাম অসমত এতিয়াও তীব্ৰ হৈ উঠিব পৰা নাই। সেয়ে ক্ৰান্তিকাৰী বা বৈপ্লৱিক চিন্তাধাৰাও বৰ বেছিকৈ

শিপোৱা নাই। সনাতন বিশ্বাসসমূহ আজি হয়তো আগৰদৰে বলবান আৰু জীৱন্ত হৈ থকা নাই, আনহাতে সেইবোৰ নিশ্চিহ্ন হৈ যোৱা নাই। সনাতন ধৰ্মৰ ভিত্তিবোৰ আজি ক্ষয়িষ্ণু—নামঘৰৰ আগৰ প্ৰভাৱ আৰু কাৰ্যকৰিতা আজি আৰু নাই। সেইদৰে জাতিভেদ বচাই ৰখা বিবিধ বাধ্যবাধকতাও সক্ৰিয় হৈ থকা নাই। কিন্তু ধৰ্মীয় আচাৰ আৰু জাতি-ভেদৰ বিকল্প বিশ্বাস আৰু ভাবধাৰাও সমাজত প্ৰবল হোৱা নাই। সামন্তযুগীয়া অদৃষ্টবাদ আমাৰ মজ্জাৰ পৰা আঁতৰি যোৱা নাই। পৰীক্ষাৰ আগতে বিশ্ববিদ্যালয়ৰ ছাত্ৰৰ মাজত দেৱদ্বিজৰ প্ৰতি সাময়িক ভক্তিৰ উজান উঠে। সেইদৰে হিন্দু আৰু মুছলমানৰ মাজত থকা বিভিন্ন ধৰ্মীয় হেঙাৰ ভাঙি পৰা নাই। জাতিগত বৈষম্যৰ বিৰুদ্ধে অসমৰ বিভিন্ন জনজাতীয় মহলৰ পৰা তিক্ত প্ৰতিবাদ সোচচাৰ হৈ উঠিছে। সেই প্ৰতিবাদৰ উত্তৰত সনাতন সমাজ কেৱল অপৰাধীৰ দৰে নীৰৱ হৈ আছে। নিৰ্বাচনৰ সময়ত আকৌ কোন আহোম, কোন বামুণ, তাৰ বিচাৰত ভোটদাতা মহলত বেছ প্ৰতিক্ৰিয়া হয়। চৰকাৰী তৰফৰ পৰাও এনে সাম্প্ৰদায়িকতা প্ৰচাৰত বাধা দিয়া হোৱা নাই বুলিয়েই আমাৰ বিশ্বাস।

সাময়িক সাহিত্য তথা সাংবাদিকতাত সনাতন কুসংস্কাৰ আৰু কদাচাৰৰ বিৰুদ্ধে কোনো প্ৰবল বা স্থায়ী সংগ্ৰাম চলোৱা নহয়। অসমৰ সংবাদপত্ৰসমূহ সাধাৰণতে স্থানীয় পুঁজিপতি মহলৰ ব্যক্তিগত সম্পত্তি আৰু সেইবিলাকৰ সামাজিক দৃষ্টিভংগী ৰক্ষণশীল। সাংবাদিকসকলৰ মাজত নিশ্চয় দুই এজন সচেতন আৰু চিন্তাশীল ব্যক্তি আছে। কিন্তু সংবাদ পত্ৰৰ নীতি নিৰ্দ্ধাৰণত এওঁলোকৰ কোনো ভূমিকা নাই। বৰং চৰকাৰ আৰু পুঁজিপতিৰ পদলেহী, সামাজিক দায়িত্ববোধ নথকা কিছুমান ব্যক্তিয়ে এই ক্ষেত্ৰত প্ৰাধান্য অৰ্জন কৰিছে। ন্যস্ত স্বাৰ্থ আৰু বিবিধ সঙ্কীৰ্ণতাক সিহঁতে এনেদৰে প্ৰশ্ৰয় দিছে যে সংবাদপত্ৰৰ প্ৰচাৰত অসমৰ প্ৰকৃত দেশ-প্ৰেমিক বহুতৰে মনত নিৰানন্দৰহে সঞ্চাৰ হয়। অৱশ্যে সম্প্ৰতি অৰ্থনৈতিক সংকটত হাহাকাৰ হোৱা মধ্যবিত্ত শ্ৰেণীৰ আক্ষেপ আৰু ক্ষোভো সংবাদ-পত্ৰত ধ্বনিত হবলৈ ধৰিছে। এই লক্ষণক শুভলক্ষণ বুলিয়েই কব লাগিব।

ক্ৰান্তিকাৰী স্বাধীন চিন্তা যে সম্পূৰ্ণ বিৰল তেনে কথা কব নোৱাৰি। উদাহৰণ স্বৰূপে সনাতন হিন্দু সমাজৰ নানা দোষ-ত্ৰুটি আৰু আভ্যন্তৰীণ কলংক চাঞ্চল্যকৰভাৱে উদঘাটন কৰিছে শ্ৰী নগেন হাজৰিকাই। তেওঁৰ পাণ্ডিত্যৰ বাবে এই আক্ৰমণৰ বিশেষ মূল্য আছে। অৱশ্যে নৃত্তা-

ত্তিক দৃষ্টিকোণ তেওঁৰ ৰচনাত অধিক সক্রিয় হলে আৰু ভাল হ'লহেঁতেন। বৰ্তমান লেখকৰ বহু ৰচনাত অসমীয়া তথা ভাৰতীয় সমাজৰ প্রাচীন বিশ্বাস আৰু মূল্যসমূহক আক্রমণ কৰা হৈছে। কিন্তু সেই আক্রমণ পাঠক সমাজে সদায় বুজি পাইছে বুলি ধাৰণা নহয়। কাৰণ প্রবল সামাজিক আন্দোলন অবিহনে বৌদ্ধিক অনুশীলনৰ প্রভাৱ দুৰ্বল হয়।

আধুনিক অসমীয়া সাহিত্যৰ প্রধান ভাবাদর্শ হ'ল মানৱতাবাদ। জাতি-বৰ্ণ, উচ্চ-নীচ নিৰ্বিশেষে মানুহৰ মানবীয় পৰিচয় প্রতিষ্ঠা আৰু প্রচাৰ কৰাই তাৰ লক্ষ্য বুলিব পাৰি। আৰু সেয়ে বেজবৰুৱাই "মলক গুইন গুইন" গল্পত চাহাবীয়ানাৰ আঁৰত থকা অমানুষিক ভেম আৰু "ধর্মধ্বজ ফয়চলা নবিচ" গল্পত আচাৰনিষ্ঠ ৰক্ষণশীলতাৰ আঁৰত থকা অমানুষিক জাতিসত্তক কশাঘাত কৰিছে। বেজবৰুৱা, ৰজনী বৰদলৈ আৰু গোঁহাই বৰুৱাৰ উপন্যাসত আৰু চন্দ্রকুমাৰ আগৰৱালাৰ কবিতাত—

"মানুহেই দেৱ, ইহ জগতৰ
মানুহেই পৰাৎপৰ"

এই মন্ত্র ধ্বনিত হয়। ৰোমাণ্টিক প্রেমৰ যোগেদি আচাৰ, সংস্কাৰ আৰু সামাজিক বাধা জয় কৰি ব্যক্তিয়ে ব্যক্তিৰ মূল্য উপলব্ধি কৰা কথাটো সেয়ে এওঁলোকৰ ৰচনাত সুলভ। পানেই আৰু জংকিৰ কৰুণ কাহিনীৰ মাজেদি যে কেৱল মিৰি সমাজৰ কথাহে প্রকাশ পাইছে, এনে নহয়। তাৰ মাজেৰে ব্যক্তিৰ স্বতন্ত্র মৰ্যাদা আৰু প্রেমৰ অজেয় গৌৰৱ প্রচাৰিত হৈছে।

কিন্তু এই মানৱতাবাদ আছিল এক পৰাধীন শ্রেণীৰ অভিব্যক্তি। "জোনাকী" নামৰ আলোচনীখনৰ প্রথম সংখ্যাতে ঘোষণা কৰা হৈছিল যে "ৰাজনীতি চৰ্চাৰ পৰা আলোচনীখন দূৰত থাকিব। সামাজিক ৰূপান্তৰৰ অগ্রদূতৰ ভূমিকা পালন, কৰিবলৈ যি যুগান্তকাৰী অৰ্থনৈতিক শক্তি লাগে, বৃটিছৰ আশ্রিত অসমীয়া মধ্যবিত্তৰ তেনে শক্তি নাছিল। ফলত তেওঁলোকৰ ৰাজনীতি আছিল কুঁহীয়া বিধৰ আৰু তেওঁলোকৰ সামাজিক চিন্তাও আছিল সংস্কাৰবাদী আৰু আপোচকামী। বৈজ্ঞানিক যুক্তিবাদতকৈ তেওঁলোকৰ মানৱতাবাদত আধ্যাত্মিক ভাবহে প্রবল আছিল। ধৰ্মীয় ভাবধাৰাৰ ভিত্তিত মানুহৰ সাম্য, একতা আৰু মৈত্রী তেওঁলোকে বিচাৰিছিল। সেয়ে জাতিভেদৰ বিৰুদ্ধে তেওঁলোকৰ সংগ্রাম চৰম পৰ্যায়লৈ নগ'ল—উচ্চ নীচৰ ব্যৱধান দূৰ কৰিবলৈ তেওঁলোক সিমান উদ্‌গ্রীৱ নাছিল। (আনকি সৌ সিদিনাখনো সাম্প্রতিক যুগৰ অন্যতম শ্রেষ্ঠ গল্প

কাৰ মহিম বৰাই ৰেডিঅ যোগে প্ৰচাৰিত এটি কথিকাত ঘোষণা কৰিছে যে জাতিত বিশ্বাস নকৰিলেও তেওঁ হেনো বংশত পুৰা বিশ্বাস ৰাখিছে।) আৰু মানুহৰ স্বকীয় মহিমাত বিশ্বাস অকুণ্ঠভাৱে, উদাত্তস্বৰে ঘোষণা কৰাৰ সাহস বা সুবিধা তেওঁলোকে নাপালে।

সেই দুৰ্বল, আধ্যাত্মিকতাসিক্ত মানবতাবাদ পুঁজিবাদী সংকটৰ দুৰ্যোগৰ সন্মুখত তিষ্ঠিব নোৱাৰাটোৱেই স্বাভাৱিক। আমাৰ সাম্প্ৰতিক গল্প বা উপন্যাসত সিদিনাখনলৈকে মানবতাবাদী ধাৰা প্ৰবল হৈ আছিল। সাধাৰণ মানুহৰ প্ৰতি দৰদ আৰু আস্থা যোগেশ দাসৰ "কলপটুৱাৰ মৃত্যু", চৈয়দ আব্দুল মালিকৰ "সুৰুযমুখীৰ স্বপ্ন" প্ৰভৃতি ৰচনাত সুস্পষ্ট। তাৰে দ্বিতীয়খনত বিয়াল্লিশ আৰু সাম্যবাদী আন্দোলনৰ প্ৰভাৱত গঢ়ি উঠা জন-মানৱৰ প্ৰতি শ্ৰদ্ধাৰ আভাস পোৱা যায়। কিন্তু এই মানবতাবাদ বৰ্তমান সংকটৰ সন্মুখত নিষ্প্ৰভ হ'ব ধৰিছে। বীৰেন ভট্টাচাৰ্যৰ "ইয়াৰুইঙ্গম" উপন্যাসত নগা বিদ্ৰোহৰ প্ৰতি যি গণতান্ত্ৰিক সহানুভূতি দেখা যায়, কেন্দ্ৰীয় চৰকাৰৰ প্ৰৰোচনাত নগা বুৰ্জোৱাই লগোৱা তিক্ত সীমাবিবাদৰ সময়ত তাক বজাই ৰখাটো দুৰূহ হৈ পৰিছে। এতিয়া গল্প-উপন্যাস সকলোতে বাজিব ধৰিছে মোহভংগ আৰু আশাভংগৰ সুৰ—কেতিয়াবা এই সুৰ করুণ কেতিয়াবা নিষ্ঠুৰ আৰু ব্যংগাত্মক। মানবতাবাদী ধাৰা শুকাই যোৱাৰ ফলত মহিম বৰা প্ৰায় নীৰৱ হৈ পৰিছে। একেই কাৰণতে ভবেন শইকীয়াৰ গল্পত সূক্ষাতিসূক্ষ্ম মনস্তাত্ত্বিক বিশ্লেষণ সত্বেও গল্পবিলাক ক্ৰমাৎ ফটোগ্ৰাফিক আৰু আত্মিক অনুভূতিশূন্য হৈ পৰিছে। প্ৰণৱজ্যোতি ডেকাৰ গল্পত ক্ষুৰধাৰ ব্যংগই মধ্যবিত্ত মোহৰ ওপৰত অস্ত্ৰোপচাৰ চলাইছে। সকলোতকৈ নিবিড় তীব্ৰতাৰে এই সুৰ বাজিছে সৌৰভ চলিহাৰ গল্পত। "হেৰাল", বীণাকুটিৰ", "ৰাতিৰ ৰেল" প্ৰভৃতি গল্পত পৰিৱৰ্তিত জীৱন আৰু পৰিবেশত যেন অতল অন্ধকাৰৰ মাজত লেখকে খেপিয়াই ফুৰিছে নৱম সজীৱ প্ৰতিশ্ৰুতিৰ সন্ধানত—যি প্ৰতিশ্ৰুতি কেতিয়াবাই নিৰু-দ্দেশ হ'ল। বিৰিঞ্চি বৰুৱাৰ শেষ উপন্যাসখনত এই আশাভংগৰ সুৰ অৰ্কেষ্ট্ৰাৰ দৰে বিচিত্ৰ আৰু ঘন হৈ বিয়পি পৰিছে। নবেশ্বৰ আৰু ছুনিয়াৰ অভিশপ্ত প্ৰেম শেষ হৈছে বিচ্ছেদত—চাহ বাগিছাৰ সেউজী পাতৰ আঁৰত বাঁহ সাজিছে অতৃপ্তি আৰু ব্যৰ্থতাৰ কীটে। গল্প উপন্যাসত বস্তুৰ লগে লগে আংগিকৰো পৰিৱৰ্তন দেখা গৈছে। বাস্তৱবাদী ৰীতি আৰু সুসজ্জিত প্লট ব্যৱহাৰৰ পৰা আমাৰ লেখকসকলো আঁতৰি আহিছে। কালানুক্ৰম (Time sequence) ব্যৱহাৰত "ফ্লেছবেক"

প্ৰভৃতি অভিনৱত্ব দেখা গৈছে। চেতনাস্ৰোত ৰীতিৰ প্ৰয়োগ চলিছে। কিছুমান ঘটনা বা পৰিস্থিতিত কাব্যিক প্ৰতীকৰ তেজ সঞ্চাৰ হৈছে। বুৰ্জোৱা সমাজৰ উমৈহতীয়া জগতখন (Public world) ছিন্ন-ভিন্ন হোৱাৰ প্ৰমাণ হিচাবেই এইবোৰ আংগিকৰ পৰীক্ষালৈ আঙুলিয়াব পাৰি। কিন্তু মন কৰিব লগীয়া যে এই যুগৰ শ্ৰেষ্ঠ উপন্যাসখনৰ (সেউজী পাতৰ কাহিনী) আংগিকত কোনো নতুনত্ব নথকাকৈয়ে মৰ্মস্পৰ্শী হব পাৰিছে ।

প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে যৌন সম্পৰ্ক সম্বন্ধে স্পষ্টবাদিতা এই যুগৰ উপন্যাসৰ অন্যতম বৈশিষ্ট্য। পদ্ম বৰকটকী এনে উপন্যাসৰ প্ৰধান পুৰোহিত হলেও আন লেখকসকলো এই ধাৰাৰ বাহিৰত পৰি ৰোৱা নাই। হোমেন বৰগোহাঞিৰ "সুবালা'ত এজনী পতিতাৰ জীৱন আৰু জীৱিকাৰ ঘৃণ্যতম কাণ্ডবোৰো লেখকৰ সমবেদনা আৰু ক্ৰোধৰ পৰশত জ্বালাময়ী হৈ পৰিছে। যৌন স্পষ্টবাদিতা একালৰপৰা বুৰ্জোৱা বাস্তৱবাদৰ চূড়ান্ত পৰ্য্যায়। আন কালৰ পৰা ই বুৰ্জোৱা বাস্তৱবাদৰ সেউ-লীয়া হৈ পৰাৰ চিন। কাৰণ নগ্নতা আৰু যৌন বিৱৰণৰ প্ৰাচুৰ্য্যৰ পৰা পৰা উত্তেজনা সদায় বাঢ়ি নাথাকে—এসময়ত আহে ক্লান্তি আৰু অৱসাদ।

বিদেশী প্ৰভাৱ আমি গ্ৰহণ কৰা উচিত নে অনুচিত সেই সম্পৰ্কে এই বিতৰ্কই এতিয়াও আমাৰ মাজত সময়ে সময়ে উকি দিয়ে। বিদেশী প্ৰভাৱ মাত্ৰেই বেয়া তেনে ধাৰণা ৰক্ষণশীল আৰু সংকীৰ্ণমনা। তদুপৰি আজিৰ যুগত বিশ্বৰ বিভিন্ন দিশৰ পৰা অহা প্ৰভাৱ এফলীয়াকৈ থবও নোৱাৰি। তথাপি কেতিয়া কি প্ৰভাৱ আমি গ্ৰহণ কৰিম সেইটো বিচাৰ আৰু বিবেচনা অনুযায়ী হোৱাই বাঞ্ছনীয়—যাতে আমি কেৱল নতুনৰ মোহত উটি গৈ আমাৰ আচল প্ৰয়োজন বা আচল অভাৱলৈ পিঠি নিদিওঁ। পাশ্চাত্যৰ সংস্কৃতিত এতিয়া ক্ষয়ৰ লক্ষণ সুস্পষ্ট। উৎকট অথচ আনন্দহীন যৌনতা, অশ্লীলতাৰ প্ৰতি বিকৃত আসক্তি, যুক্তিৰ বিৰুদ্ধে বিৰাগ, মানুহ আৰু জীৱনৰ প্ৰতি বিতৃষ্ণা—এনে তৰহৰ মন্তব্য আৰু তাৰ অনুগামী স্বৰূপ কেতবোৰ আংগিকে প্ৰবল বেগে আমাৰ শিল্পজগতত প্ৰৱেশ কৰিছে। যিসময়ত আমাৰ দেশত কুসংস্কাৰৰ বিৰুদ্ধে তীব্ৰ সংগ্ৰামৰ প্ৰয়োজন, যি সময়ত লাখ লাখ দুখী মানুহে মানুহ হিচাপে জীয়াই থকাৰ সংগ্ৰামৰ বাবে পথনিৰ্দেশ বিচাৰিছে, তেনে সময়ত এনে ধৰণৰ বিৰাগ বিতৃষ্ণাৰ চোতত আমাৰ একাংশ সাহিত্যিক উটি যোৱাটো পৰিতাপৰ কথা। বিদেশী সকলোৰে আমি নিজৰ সমাজ গঠনত অধিক কুশলী হলে চিন্তা নাই, কিন্তু

বিদেশী বিকাৰৰ আহিত নিজে ৰলিয়া হোৱাৰ যুক্তি ক'ত ?

শ্ৰেণী সংগ্ৰামৰ আহ্বান আমাৰ সাহিত্যত সোচচাৰ হ'ব পাৰিছেনে ? এই ক্ষেত্ৰত ঘোষণা আৰু কাৰ্য্যসূচী যেনে দৃপ্ত, প্ৰকৃত কৰ্ম ক্ষেত্ৰত তাৰ সাফল্য তেনে চমকপ্ৰদ হোৱা হলে কথা বেলেগ আছিল। কিন্তু দুৰ্ভাগ্যৰ কথা যে পৰিস্থিতি তেনে নহয়। শ্ৰেণীগত দৃষ্টিকোণৰ পৰা সাহিত্য ৰচনা কৰিব লাগে বুলি উগ্ৰবামপন্থী তৰুণসকলে তাৰস্বৰে দাবী কৰিছে; কিন্তু তেওঁলোকে বয়স্ক সকলকো বাধ্য কৰিব পৰা নাই, নিজেও সতেজ সাহিত্য ৰচনা কৰি পথনিৰ্দেশ কৰিব পৰা নাই। গৰম গৰম আৱাজতে সি প্ৰায় শেষ হবলৈ ধৰিছে।

পঞ্চাশৰ পৰা ষাঠিৰ দশকৰ প্ৰথম ভাগলৈ কেশৱ মহন্ত, মালিক প্ৰভৃতি কবি আৰু ঔপন্যাসিক আৰু ভবানন্দ দত্ত প্ৰমুখ্যে বুদ্ধিজীৱীয়ে দেশৰ তৎকালীন জনজাগৰণৰ দ্বাৰা উদ্বুদ্ধ হৈ যি সাহিত্য ৰচিছিল সি স্থায়ী প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰিলে। অৰ্থনৈতিক সংকটৰ সাময়িক উপশম ঘটাত মধ্যবিত্ত নেতৃত্ব আৰু মনোবৃত্তিয়ে যি প্ৰতিপত্তি লাভ কৰিলে, তাৰ আগত তেওঁলোকৰ সৃষ্টি বালিৰ বান্ধ হ'ল। তদুপৰি তেওঁলোকৰ ৰচনাত সুবিধাবাদী মধ্যবিত্তসুলভ মনোভাবে পুনৰ মূৰ ডাঙি উঠি শ্ৰেণীভিত্তিক সাহিত্য ৰচনাৰ প্ৰস্তুতিত কেৰোণ সুমুৱালে। ভবানন্দ দত্তই আধ্যাত্মিকতা আৰু নৈতিকতাৰ পিনে পুনৰ পিছু হুঁহকি গ'ল। মালিক আদিৰ ৰচনাত অস্পষ্ট ৰোমান্টিক ভাবাবেগ বাস্তৱৰ অধ্যয়নতকৈ প্ৰবল হ'ল। সেই যুগৰ পৰা মূল প্ৰেৰণা লাভ কৰা কবি হীৰেন ভট্টাচাৰ্যৰ ৰচনাত জাগ্ৰত জনতাৰ প্ৰতি ভৰসা আৰু স্বদেশৰ প্ৰতি গভীৰ ভালপোৱাই সাৰ্থক কবিতাৰ জন্ম দিছে। কিন্তু পিছৰ কালছোৱাত চতুৰালিৰ মাত্ৰা বাঢ়িছে—হৃদয়স্পৰ্শী কবিতাৰ সৃষ্টি সিমান হোৱা নাই।

শ্ৰেণীভিত্তিক ভাৱে বৈপ্লবিক সাহিত্য ৰচনা কৰিবলৈ অৱশ্যে এতিয়া সংহত প্ৰচেষ্টা চলি আছে। বামপন্থী আলোচনীৰ সংখ্যা বৃদ্ধি হৈছে। বিতৰ্ক আৰু সমালোচনাৰ মাজেদি বিভিন্ন বামপন্থী চিন্তাধাৰাই নিজৰ নিজৰ মতামত অধিক পৰিষ্কাৰ কৰিবলৈ শিকিছে। এনে পৰিস্থিতিত বৈপ্লবিক সাহিত্য ৰচনাৰ প্ৰয়াস অধিক সচেতন আৰু আন্তৰিকতাপূৰ্ণ হ'বলৈ বাধ্য। ডেকা কবিসকলৰ ভিতৰত কবি ৰবীন্দ্ৰ সৰকাৰৰ কবিতাত বৈপ্লবিক উদ্দীপনা, আগ্ৰহ আৰু প্ৰতিজ্ঞা সূৰ্যৰ দৰে ওলাই আহিছে ক্ষয়িষ্ণু আৰু সংকটাপন্ন প্ৰাচীন সমাজৰ ক্ষয় আৰু কলুষিত দুৰ্দশাৰ কুঁৱলিৰ মাজৰ পৰা। গল্প-উপন্যাসৰ ক্ষেত্ৰত 'বীৰভদ্ৰ'ৰ প্ৰবক্তিপ্ৰতিও উল্লেখযোগ্য।

বুর্জোৱা মানবতাবাদৰ ভাব প্ৰবণতাৰ পৰা নির্মমভাবে নিজকে মুক্ত কৰি মোহমুক্ত, বৈজ্ঞানিক আৰু শ্ৰেণীভিত্তিক দৃষ্টিকোণেৰে সৰ্বহাৰাৰ সাহিত্য সৃষ্টি কৰিবলৈ শীলভদ্ৰক বদ্ধ-পৰিকৰ যেন দেখা যায়। বুর্জোৱা জমিদাৰ শ্ৰেণীৰ প্ৰতি তীব্ৰ বিতৃষ্ণা আৰু সৰ্বহাৰাৰ প্ৰতি ভাবপ্ৰৱণতাহীন একাত্ম-বোধ তেওঁৰ ৰচনাত সুস্পষ্ট। কিন্তু এই জীৱনদৰ্শন তেওঁৰ ক্ষেত্ৰত অনু-ভূতিৰ গভীৰতম প্ৰদেশলৈ যাব পৰা নাই। সেয়ে তেওঁৰ এইবোৰ ৰচনাত documentary film ৰ দৰে একধৰণৰ জড়তা মাজে মাজে অনুভৱ কৰা যায়।

সদৌ শেহত সমালোচনা সাহিত্যৰ বিষয়ে দুআষাৰ কোৱা উচিত হব। আমাৰ সাহিত্য যিমানেই পুৰঠ হৈ আহিব ধৰিছে, সিমানেই সাহিত্যৰ মানদণ্ড সম্পৰ্কে ধাৰণা, সাহিত্য বিচাৰৰ ৰীতি, সাহিত্যৰ আংগিকৰ বিশ্লেষণ অধিক পুৰঠ আৰু কুশলী হৈ আহিব ধৰিছে। তাৰ প্ৰকাশ ঘটিছে নতুন সমালোচনাত। বৰ্তমান প্ৰবন্ধ লেখকৰ ৰচনাৰ যোগেদিয়েই প্ৰথমতে ইঙ্গ-মাৰ্কিন সমালোচনাৰ কেতবোৰ ধাৰণা আৰু কৌশল অসমীয়া সাহিত্যত প্ৰবেশ কৰে। পিছলৈ ভবেন বৰুৱা প্ৰভৃতিৰ হাতত এই ধাৰাই পৰিপুষ্টি লাভ কৰে। মোটামুটিকৈ এই সমালোচনা বৰ্তমান স্বীকৃতি হৈছে। কিন্তু আঁহফলা বিশ্লেষণত নিমগ্ন লোকসকলক সকিয়াই দিয়া ভাল যে সাহিত্য বিচাৰত শেহান্তৰত যি মূল্যায়নৰ কেন্দ্ৰীয় ভূমিকা, বিশ্লেষণ তাৰ সহায়হে। বিশ্লেষণৰ কিছুমান কিটিপে মূল্যায়নৰ ঠাই লব নোৱাৰে আৰু মূল্যায়ন প্ৰকৃততে জীৱনবোধ আৰু জীৱনদৰ্শনৰ নিৰ্ষ্যাস।

কোৱা বাহুল্য যে এই প্ৰবন্ধত সকলো লেখক বা সকলো ধাৰাৰ বিষয়ে পুংখানুপুংখ আলোচনা কৰাৰ চেষ্টা কৰা নাই। আমি কেৱল ইংগিত দিব খোজোঁ যে যুগ পৰিবৰ্তনৰ বতাহে আমাৰ সাহিত্যৰ চাৰিবেৰতো কোবাবলৈ এৰা নাই।

তিনি দশকৰ অসমীয়া নাট্যধাৰা

শ্ৰীসত্যপ্ৰসাদ বৰুৱা

পঞ্চম দশকৰ ঠিক আগ ভাগতে মঞ্চ শিল্পীসকলৰ বিশেষ সমাদৰ লাভ কৰা অসমীয়া নাটবোৰ হ'ল প্ৰভাত শৰ্মাৰ 'ৰাজ-নটী" আৰু "আনাৰকলি", অতুল হাজৰিকাৰ "বেউলা", "নন্দদুলাল", "কুৰুক্ষেত্ৰ" নকুল ভূঞাৰ "বিদ্ৰোহী মৰাণ", কমলাকান্ত ভট্টাচাৰ্য্যৰ "নগা কোঁৱৰ" প্ৰসন্ন লাল চৌধুৰীৰ "নীলাম্বৰ", লক্ষীকান্ত দত্তৰ "সংসাৰচিত্ৰ", প্ৰবীণ ফুকনৰ "কাল পৰিণয় " আৰু লক্ষ্য চৌধুৰীৰ "যৱনিকাৰ আঁৰে আঁৰে"। কৰুণাধৰ বৰুৱা, আনন্দ বৰুৱা আৰু কুমুদচন্দ্ৰ বৰুৱাও জনপ্ৰিয় নাট্যকাৰ আছিল। জ্যোতিপ্ৰসাদৰ "শোণিত-কুঁৱৰী"ৰ দৰে তেওঁৰ শ্ৰেষ্ঠ নাটক "কাৰেঙৰ লিগিৰী"য়ে মঞ্চ শিল্পীসকলৰ বৰ বেচি সমাদৰ পোৱা বুলি কব নোৱাৰি। বহুতে হয়তো ভাবিছিল—এইখন পঢ়িবৰ কাৰণে লিখা নাটক, অভিনয় কৰিবৰ কাৰণে নহয়। কিন্তু তেজপুৰৰ 'বাণ ৰঙ্গমঞ্চ", "নগাওঁ নাট্য সমিতি" আৰু গুৱাহাটীৰ "সুন্দৰ সেৱী সঙ্ঘই" সুন্দৰ অভিনয়েৰে এই ধাৰণা ভুল বুলি প্ৰমাণ কৰিছিল। চোকা সমালোচনাক আওকাণ কৰি ১৯৩৮ চনতে "সুন্দৰসেৱী সঙ্ঘই" সহ-অভিনয়ৰ যোগেৰে "কাৰেঙৰ লিগিৰী" পৰিবেশন কৰাটো নিশ্চয় এটা উল্লেখযোগ্য কথা।

এই চাম নাট্যকাৰৰ ভিতৰত যিসকলৰ প্ৰভাৱে চতুৰ্থ দশক আৰু তাৰ পাছৰ সময়খিনিলৈকে বিস্তাৰ লাভ কৰিছিল, তেওঁলোকৰ ভিতৰত অগ্ৰগণ্য হ'ল জ্যোতিপ্ৰসাদ, অতুল হাজৰিকা আৰু প্ৰবীণ ফুকন। এইটো নুই কৰিব নোৱাৰি যে এখেতসকলৰ লিখনীয়ে চতুৰ্থ আৰু পঞ্চম দশকৰ নাট্যকাৰসকলক যথেষ্ট অনুপ্ৰেৰণা যোগাইছিল।

মহাকবি কালিদাসৰ "শকুন্তলা"ৰ অতুল হাজৰিকাই কৰা প্ৰাঞ্জল অনুবাদেৰে চতুৰ্থ দশকে পাতনি মেলিছিল যদিও"অসমীয়া সাহিত্যৰ প্ৰথম

বাস্তৱধৰ্মী সুখান্তক সামাজিক নাটক "সংসাৰ-চিত্ৰ"ৰ যোগেৰে যোৱাই দিয়া চলে প্ৰবীণ ফুকনৰ "কাল পৰিণয়" আৰু সত্যপ্ৰসাদ বৰুৱাৰ 'চাকে চকোৱা"ৰ (১৯৪০) সহায়ত নাট্য জগতত নতুন খলকনি তুলিছিল। এইখিনিতে কোৱা অপ্ৰাসঙ্গিক নহব যে "চাকে-চকোৱা" নাটৰ সৈতে অসমৰ নাট্য বুৰঞ্জীৰ এটি সৰু টুকুৰা সাঙোৰ খাই আছে। বাণ ৰঙ্গমঞ্চৰ চন্দ্ৰধৰ গোস্বামী প্ৰমুখ্যে শিল্পীসকলে এই সোঁৱৰণি নিশ্চয় মনৰ পৰা মচি পেলোৱা নাই। কলিকতাত এ. এচ. এল. ক্লাবৰ জৰিয়তে অভিনীত এই নাটকখন জ্যোতিপ্ৰসাদে নিজৰ তত্ত্বাৱধানত বাণ-ৰঙ্গমঞ্চত অভিনয় কৰোৱায়। এইখন নাটকে আগৰৱালাদেৱক আকৰ্ষিত কৰাৰ প্ৰধান কাৰণ, তেওঁ কোৱা মতে, আছিল এয়ে যে তেওঁ নিজে হাতে লিখা অৱস্থাতে থকা "খনিকৰ" বোলা নাটখনৰ দৰে, "চাকে-চকোৱা"ও হেনো শিল্পীৰ আশা-আকাঙ্ক্ষাৰ ৰূপ দিব খোজা আৰু নতুন ধৰণে লিখা এখন চিন্তা প্ৰধান (play of Idea) নাটক। আমাৰ মঞ্চত এই ধৰণৰ নাটে সফলতা লাভ কৰে নে নকৰে তাকে চাই "খনিকৰ" খনো মঞ্চস্থ কৰাৰ কথা তেওঁ পাতিছিল। আশান্বিত হৈ তেওঁ "খনিকৰ" খনো অভিনয় কৰোৱাইছিল। গুৱাহাটীত আগৰৱালাদেৱৰ পৰিচালনাত ভাস্কৰ নাট্য মন্দিৰত "কাৰেঙৰ লিগিৰী" অভিনয় কৰাৰ সময়ত "খনিকৰ" নাটখনৰ অংশবিশেষ তেওঁ মোক পঢ়ি শুনাইছিল। দুখৰ বিষয় যে আগৰৱালাদেৱৰ "খনিক"ৰ নাটখনৰ সন্ধান আজিকোপতি নোলাল। কোৱা বাহুল্য "খনিকৰৰ" পাণ্ডুলিপি নোলালে অসমীয়া নাট্যজগতৰ অপূৰণীয় ক্ষতি হব।

চতুৰ্থ দশকৰ আৰম্ভণিৰ পৰা দেশ স্বাধীন হোৱালৈকে, এই কেইবছৰ, '৪২ৰ গণ-আন্দোলন আৰু দ্বিতীয় মহাযুদ্ধৰ কাৰণে উদ্ভৱ হোৱা অসমৰ পৰিবেশ, সাহিত্য সৃষ্টি, তথা নাট্য ৰচনাৰ কাৰণে অনুকূল নাছিল। তথাপিও এই কালছোৱাৰ ঘটনাৱলীয়ে নাট্যকাৰসকলৰ মনত যথেষ্ট প্ৰেৰণা যোগাইছিল। তাৰ ফল স্বৰূপে সৃষ্টি হৈছিল দুখন অনুপম নাটক—প্ৰবীণ ফুকনৰ "মণিৰাম দেৱান" আৰু নগাওঁ নাট্য-সমিতিৰ "পিয়লি ফুকন"। মণিৰাম দেৱান নাটত দেৱানৰ স্বদেশ প্ৰীতিৰ মৰ্ম সফল ৰূপায়ণৰ উপৰিও স্বকীয় কল্পনাৰ সহায়ত গঢ় দিয়া ভগাৰজা কন্দৰ্পেশ্বৰ সিংহৰ চৰিত্ৰটোৱে নাট্যকাৰৰ বলিষ্ঠ লিখনী আৰু সৃজনী প্ৰতিভাৰ পৰিচয় দিছে। "পিয়লি ফুকন" নাটৰ পিয়লি ফুকন, নাৰায়ণ আৰু নাচনী চৰিত্ৰকেইটা বিশেষভাৱে আকৰ্ষণীয়। পিয়লি ফুকন নাটৰ কথা কলেই চন্দ্ৰ ফুকন আৰু

সাৰদা ৰৰদলৈৰ অতুলনীয় অভিনয়ৰ কথা মনলৈ আহে। নাটখনৰ ৰচনাৰ লগতে চন্দ্ৰ ফুকন আৰু সাৰদা বৰদলৈৰ উপৰিও যুগল দাস, বীজেন্দ্ৰ মোহন গোস্বামী আৰু ৰবীন্দ্ৰনাথ খাউণ্ড পোনপটীয়াভাৱে জড়িত আছিল। নগাওঁ নাট্য সমিতিৰ এই যুটীয়া প্ৰচেষ্টাই, বুৰঞ্জীৰ আখ্যানৰ মাজত অসমীয়া সমাজ এখনৰ ছবি আৰু অসমীয়াৰ বীৰত্ব আৰু দেশ প্ৰেম ফুটাই তোলা নতুন চানেকী আমাৰ আগত ডাঙি ধৰিলে। দেশ প্ৰেমমূলক আন দুখন উল্লেখযোগ্য নাটক হ'ল—সুৰেন শইকীয়াৰ "কুশল কোঁৱৰ" আৰু জ্যোতি প্ৰসাদৰ "লভিতা"। "কুশল কোঁৱৰ" নাটত নায়কৰ ব্যক্তিগত ঘৰুৱা জীৱন আৰু তেওঁৰ স্বদেশ প্ৰীতিৰ অৱলম্বনত, যুদ্ধই জুৰুলা কৰা সমাজখনৰ চিত্ৰ ডাঙি ধৰা হৈছে। "লভিতা"ক '৪২ৰ গণবিপ্লৱ, দ্বিতীয় মহাসমৰ আৰু আজাদ-হিন্দ ফৌজৰ কাৰ্য্যকলাপৰ পটভূমিত পৰিপুষ্ট কৰা হৈছিল। বিশেষকৈ উল্লেখযোগ্য যে এইখন নাটত গতানুগতিক নাটৰ বান্ধোন ছিঙি মহাকাব্যিক পদ্ধতিৰে অসমীয়াৰ নিজৰ স্বৰূপ আৰু নিজৰ সৱলতা-দুৰ্ব্বলতা চাই সমস্যাৰ সন্মুখীন হবলৈ নাট্যকাৰে ইংগিত দিছে। স্বাধীনতাৰ শেষ আন্দোলনৰ পটভূমিত ৰচিত আন এখন নাটক হ'ল এই লিখকৰ "জ্যোতিৰেখা"। অতুল হাজৰিকাৰ "আহুতি" আৰু লক্ষ্মীকান্ত দত্তৰ "মুক্তিৰ অভিযান"কো '৪২ৰ গণ-আন্দোলনে সমল যোগাইছে। দ্বিতীয় মহাযুদ্ধ আৰু স্বাধীনতা আন্দোলনৰ অনুপ্ৰেৰণাতে অতুল হাজৰিকাই তেওঁৰ মঞ্চ সফল নাট "টিকেন্দ্ৰজিৎ"খন লিখিছিল। পৰাধীনতাৰ পটভূমিত অসম-মাতৃৰ লাঞ্ছনা আৰু অপমানে নাট্যকাৰৰ অন্তৰত যি বিদ্ৰোহৰ সৃষ্টি কৰিছিল তাৰেই ফল আগৰৱালাদেৱৰ "ৰূপালীম" বুলি কলেও নিশ্চয় বঢ়াই কোৱা নহয়। এই কাল্পনিক নাটখনত ৰূপালীম, মায়াৰ, মণিমুগ্ধ আৰু ইতিভেনৰ চৰিত্ৰৰ যোগেৰে যদিও প্ৰেম আৰু ঈৰ্ষা, দেশপ্ৰেম আৰু সতীত্বৰ সংঘাত দেখুৱাইছে তথাপিও দলিত অসম মাতৃৰ ব্যথা বেদনাৰ অনুৰণন শাৰীয়ে শাৰীয়ে শুনিবলৈ পোৱা যায়। এই প্ৰসঙ্গতে যুগল দাসৰ নাট "১৮৫৭"ৰ নাম উল্লেখ কৰাও যুগুত হ'ব। এইবোৰ নাটৰ যোগেৰে আমি দ্বিতীয় মহাযুদ্ধ আৰু ভাৰত স্বাধীন হোৱাৰ পাছৰ কাল-ছোৱাৰ নাট্যচিন্তাৰ স্পষ্ট আভাষ পাওঁ।

এই সময়ছোৱাত পৌৰাণিক নাটৰ প্ৰভাৱ বহু পৰিমাণে কমি দেশ-প্ৰেমমূলক নাটকৰ প্ৰসাৰ বাঢ়িছিল যদিও লক্ষ্য চৌধুৰীৰ "বব্ৰুকুমাৰ" আৰু কমলানন্দ ভট্টাচাৰ্য্যৰ "চিত্ৰাঙ্গদা"ৰ কেন্দ্ৰীয় ঘটনাৰ ওপৰত গুৰুত্ব দিয়া সংহত পৰিবেশনে নতুন চাম সমাজ-সচেতন দৰ্শকৰ অন্তৰ স্পৰ্শ

নকৰাকৈ নাছিল। সমাজ সচেতনতাৰ প্ৰেৰণাতে চৈয়দ আব্দুল মালিকে লিখা "ৰাজদ্ৰোহী" নাটৰ সংবাদে কয় "মই ৰাজদ্ৰোহী ; কিন্তু দেশদ্ৰোহী নহওঁ।" দেশৰ শক্তি আবেগিক ঐক্যৰ যোগেৰে বঢ়োৱাৰ আৱশ্যকতা উপলব্ধি কৰিয়ে চীনৰ আক্ৰমণৰ পট-ভূমিত ফণী তালুকদাৰে লিখিলে "জুয়ে পোৰা সোণ" আৰু অতুল বৰদলৈয়ে "তেজে ধোৱা কামেং"। সমাজ সচেতনতাৰ বেওনি দেখা যায় উত্তম বৰুৱাৰ "বৰ মানুহৰ দোলাত"। ভৈয়ামৰ গঞা জীৱনৰ আলমত সাম্প্ৰদায়িক সংহতিৰ আদৰ্শ দাঙি ধৰিলে সাৰদা বৰদলৈ আৰু কৃষ্ণানন্দ ভট্টাচাৰ্যই তেওঁলোকৰ "মগৰিবৰ আজানত"। এই আদৰণীয় অৱিহণাত গাঁৱৰ অনাড়ম্বৰ কথিত ভাষা ব্যৱহাৰ কৰি নাট্যকাৰদ্বয়ে সৎ সাহসৰ পৰিচয় দিছে। ৺লক্ষীধৰ শৰ্মাৰ গল্পৰ ফণী শৰ্মাই নাট্যৰূপ দিয়া "চিৰাজ"খনে বিষ্ণুৰাভা আৰু শৰ্মাৰ সৌজন্যত অসমৰ নগৰে চহৰে অভিনীত হৈ নাট্যামোদী ৰাইজক সংহতিৰ আদৰ্শৰে উদ্বুদ্ধ কৰিলে।

স্বাধীনতাৰ পাচত নাট্যকাৰসকলে এইদৰেই নতুন নতুন বিষয়বস্তু বিচাৰি উলিয়ালে। নিম্ন মধ্যবিত্ত পৰিয়ালৰ অৰ্থনৈতিক সমস্যাৰ আলমত লিখা চাৰিখন উল্লেখযোগ্য মঞ্চসফল নাট হ'ল সাৰদা বৰদলৈৰ "পহিলা তাৰিখ", গিৰিশ চৌধুৰীৰ "মিনাবজাৰ", লক্ষ্য চৌধুৰীৰ "নিমিলা অঙ্ক", আৰু অৰুণ শৰ্মাৰ "উৰুখা পঁজা"। নতুন ধৰণৰ পাৰিবাৰিক নাট সৰ্বেশ্বৰ চক্ৰৱৰ্তীৰ "অভিমান", "কল্পণ", সত্যপ্ৰসাদ বৰুৱাৰ "শিখা", ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাৰ "এবেলাৰ নাট" ৰচিত হ'ল। অনিল চৌধুৰীৰ "প্ৰতিবাদ"ৰ নায়িকা 'জেৰিণ' জানিবা স্বামীৰ অত্যাচাৰৰ বিৰুদ্ধে থিয় দিব পৰা আধুনিক যুগৰ নতুন নাৰীৰ প্ৰতীক। তেওঁৰ "চিৰন্তন"ত আমাৰ সৈতে চিনাকি কৰি দিলে স্বামী অনুৰক্তা এনে এগৰাকী আদৰ্শ স্ত্ৰীৰ সৈতে যাৰ অন্তৰ খানবান হৈ যাবৰ উপক্ৰম হৈছে গভীৰ মানসিক দ্বন্দত। চৌধুৰীয়ে খাছী সাধুকথাৰ আলমত লিখা "মাণিক বাইটং" নাটত পুৰুষ আৰু নাৰীৰ চিৰন্তন আকুতিৰ সন্ধান দিছে। নগেন শৰ্মাৰ "উল্কাৰ জুই" নাটত আমি পাওঁ জীৱন সংঘাতৰ নতুন মূল্যায়ন। "শক্তিকাৰ বাণ"ত নাট্যকাৰ প্ৰবীণ ফুকনে দুটা পৰিয়ালৰ পটভূমিত শ্ৰেণী সংগ্ৰামৰ ইংগিত দিছে আৰু "বিশ্বৰূপা"ত দাঙি ধৰিছে সমাজৰ কেবোণ কেতবোৰ। আব্দুল মজিদে তেওঁৰ "চোৰ"ত সমাজৰ তথাকথিত নেতৃস্থানীয় লোকৰ ভণ্ডামিৰ মুখা সোলোকাই দি নতুন সুস্থ সমাজৰ গঠনৰ বাবে সংগ্ৰামৰ আৱশ্যকতাৰ কথা সকিয়াই দিছে। আমাৰ সাহিত্যত বুৰঞ্জীৰ বীৰৰ

১১

জীৱনৰ প্ৰেৰণাদায়ক কাহিনীৰ আলমত লিখা নাটক কেবাখনো আছে। কিন্তু সাধক কবি মীৰাবাইৰ আদৰ্শ জীৱনৰ নাট্যৰূপ লিখি যুগল দাসে নিশ্চয় এটা অভাৱ পূৰণ কৰিছে। সুৰেশ গোস্বামীৰ "শ্ৰীমন্ত শঙ্কৰ মাধৱ" খনো উল্লেখযোগ্য। হিমেন্দ্ৰ কুমাৰ বৰঠাকুৰৰ "বাঘ" নাটকখনৰ আখ্যান ভাগ আপাতদৃষ্টিত গতানুগতিক যেন লাগিলেও সামাজিক জীৱনত গাণিতিক যুক্তিবাদৰ প্ৰতিষ্ঠাৰ প্ৰয়াসে দৰ্শক পাঠকৰ মন অন্য স্তৰলৈ লৈ যায়। অৰুণ শৰ্মাৰ "পুৰুষ", "শ্ৰীনিবাৰণ ভট্টাচাৰ্য" আৰু "আহাৰ"খনে নাট্য জগতত বেছ আলোড়নৰ সৃষ্টি কৰিছে। তেওঁ "পুৰুষ"ত ভিন্ন ৰুচিৰ স্বামী-স্ত্ৰীৰ সম্বন্ধ আৰু মানসিক সংঘাতৰ নাট্যৰূপ দিছে। "শ্ৰীনিবাৰণ ভট্টাচাৰ্য"ৰ সংঘাত হ'ল এজন প্ৰতিভাবান অভিজ্ঞ নাট্যকাৰ আৰু শিল্পী নাট্যকাৰক সন্মান দিব নজনা সহানুভূতিহীন সমাজৰ। প্ৰথমখনত চাৰ্কাচৰ বাস্তৱ পৰিবেশত সৃষ্টি কৰিছে মনস্তাত্বিক সমস্যাৰ, কিন্তু দ্বিতীয়খনত নাট্যকাৰৰ কবিসুলভ মনটোৱে বাস্তৱৰ সীমা চেৰাই কল্পনাৰ আশ্ৰয় লৈছে। নাট্যকাৰৰ কবি কল্পনাই আটাইতকৈ বেছি আচহুৱা পৰিবেশ সৃষ্টি কৰিছে "আহাৰ"ত মনৰ চিন্তা ধাৰণাৰ নাটকীয় ইমেজ সৃষ্টিৰ যোগেদি। বঙ্গদেশলৈ "এবং ইন্দ্ৰজিৎ" আৰু "পাগলা ঘোঁৰা"ৰ যোগেদি বাদল চৰকাৰে বোৱাই অনা পাশ্চাত্য নাট্য চিন্তাৰ সোঁত যেন অসমলৈ সোমাই আহিবলৈ বাট কাটি দিছে অৰুণ শৰ্মাই। বসন্ত শইকীয়াই তেওঁৰ "মৃগতৃষ্ণা" নাটতো প্ৰায় একে পদ্ধতিৰেই নাট্যবেদীত অৱিহণা আগবঢ়াইছে। কিন্তু বাস্তৱ পৰিবেশত শিক্ষিত নিবনুৱা ডেকাৰ আশা আকাঙ্ক্ষা, ধ্যান-ধাৰণাক নতুন আংগিকৰ প্ৰয়োগৰ দ্বাৰা সফল নাট্যৰূপ দি এখন মাত্ৰ মঞ্চ নাটক "জন্ম" লিখিয়েই দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থন হৈছে মহেন্দ্ৰ বৰঠাকুৰে। আন এজন সুনাম অৰ্জা জনপ্ৰিয় ডেকা নাট্যকাৰ হ'ল প্ৰফুল্ল বৰা। তেওঁৰ "সাঁকো", "বৰুৱাৰ সংসাৰ", "নেতা", "উপপথ", "দেৱযানী," "সীমান্তৰ ফুই" আৰু "নৰ্ত্তকী"য়ে ইতিমধ্যে যথেষ্ট সমাদৰ লাভ কৰিছে। "নৰ্ত্তকী"ত অনিল চৌধুৰীৰ চিত্ৰস্তনৰ দৰে সপোনৰ নাট্যৰূপ দিছে। বাস্তৱৰ সৈতে সপোনৰ বাজেৰে কিম্বদন্তি কাহিনীৰ সংযোজনে নাটখনিক আকৰ্ষণীয় কৰি তুলিছে। ভ্ৰাম্যমান নাট্যগোষ্ঠী এটাৰ সৈতে প্ৰফুল্ল বৰাৰ সম্বন্ধ স্থাপনে হয়তো নতুন নাটক সৃষ্টিৰ লগে লগে কাৰিকৰী দিশত অভূতপূৰ্ব সাফল্য লাভ কৰা ভ্ৰাম্যমান বৈতনিক নাট্যগোষ্ঠীয়ে পৰিবেশন কৰা নাটৰ মান উন্নতৰ কৰাত সহায় কৰিব। বাটৰ নাট পৰিবেশন কৰা বয় ওজাৰ "গহ্বৰ", "কবৰ"

আদিও নতুন ধৰণৰ পৰীক্ষামূলক প্ৰচেষ্টা। এই কালছোৱাত সঙ্গীতভিত্তিক সাংকেতিক নাটো ৰচিত হৈছে। পাৰ্বতী প্ৰসাদ বৰুৱাৰ "সোণৰ সোলেং", প্ৰফুল্ল বৰুৱাৰ "আশাৰ বালিচৰ", মুক্তিনাথ বৰদলৈৰ "নন্দন", জ্যোতি প্ৰসাদৰ "নিমাতী কন্যা", পৰাগ চলিহাৰ "নিয়তি, পৃথিৱী আৰু মানুহ" উল্লেখযোগ্য অৰিহণা। মালিকৰ "আলহী ঘৰ" খনেও নতুন দিশ মুকলি কৰিছে। কবি অশ্বঘোষৰ জীৱনীৰ ভেটিত পুৰুষোত্তম দাস আৰু ডঃ নিৰ্মলপ্ৰভা বৰদলৈয়ে লিখা নাট দুখন আৰু অসমীয়া গীতি নৃত্য নাট্যৰ ক্ষেত্ৰত নতুন ধৰণৰ সফল প্ৰচেষ্টা।

১৯৪৭ চনৰ পাচত অনূদিত নাটৰ ক্ষেত্ৰও বহল হ'ল। নাট্য আংগিক হিচাপে একাংকিকা আৰু ৰেডিঅ' নাটে অসমৰ নাট্য জগতত এখন নিগাজী আসন আদায় কৰি ললে। স্বাধীনোত্তৰ যুগত অতুল হাজৰিকাই শ্বেক্সপীয়েৰৰ "মাৰ্চেণ্ট অৱ ভেনিচ" আৰু "কিং লীয়েৰ"ৰ অনুবাদ কৰি "বণিজ কোঁৱৰ" আৰু "অশ্ৰুতীৰ্থ" নাম দি প্ৰকাশ কৰিলে। ফণী তালুকদাৰৰ "হেমলেট" আৰু নাৰায়ণ বেজবৰুৱাৰ "জুলিয়াচ চিজাৰ" ৰেডিঅ' যোগে প্ৰচাৰিত হ'ল। ৰবীন্দ্ৰ নাথৰো কেবাখন নাটক "ৰাজা", "তপতী", "বিসৰ্জন" আদি আৰু নৃত্য-নাটিকাও অনূদিত হৈছে। চফ'ক্লিচৰ অমৰ ট্ৰেজেডি "ইডিপাচ টাইৰেন্নাচ"ৰ আৰু "এণ্টিগণি"ৰ অসমীয়া অনুবাদ কৰিছে যথাক্ৰমে সত্য প্ৰসাদ বৰুৱা আৰু ডঃ প্ৰফুল্ল গোস্বামীয়ে। সত্য প্ৰসাদ বৰুৱাৰ "বনহংসী" ইবচেনৰ "দি ৱাইল্ড ডাক"ৰ অভিযোজনা। ইবচেনৰ "ডলচ্ হাউচ" পদ্ম বৰকটকীয়ে, "গোষ্ট" ডঃ মহেন্দ্ৰ বৰাই আৰু "হেডাগেবলাৰ" নাৰায়ণ বেজবৰুৱাই অসমীয়ালৈ অনুবাদ কৰিছে। ষ্ট্ৰীণ্ডবাৰ্গৰ "দি ফাদাৰ" অনুবাদ কৰিছে অৰুণ শৰ্মাই আৰু "কণুমী" ইবচেনৰ নাটৰ গল্প সম্ভাৰ লৈ ৰচনা কৰিছে সুৰেশ গোস্বামীয়ে। অসমৰ মঞ্চত পিৰেণ্ডেলো আৰু প্ৰিষ্টলিৰ নাটক যথাক্ৰমে "চিক্স কেৰেক্টাৰচ ইন চাৰ্চ অৱ এন অথৰ" আৰু "এন ইন্সপেক্টৰ কলচ"ক জনপ্ৰিয় কৰি তুলিছে তচদ্দুক ইউচুফে। ডঃ ভবেন শইকীয়াইয়ো "এন ইন্সপেক্টৰ কলচ"খন অনুবাদ কৰিছে। চেকভৰ "চেৰি অৰ্চাৰ্দ"ৰ মূল ৰুছ ভাষাৰ পৰা অসমীয়া ৰূপ দিছে ডঃ কনক মহন্তই। আৰ্থাৰ মিলাৰৰ "এ ভিউ ফ্ৰম দি ব্ৰীজ"ৰ অসমীয়া ৰূপ দি অভিনয় কৰোৱাইছে দেৱকুমাৰ নাথে। হকটনৰ "ডিয়েৰ ডিপাৰটেড" অসমীয়া অভিযোজনা কৰিছে যোগেন চেতিয়াই। প্ৰখ্যাত হিন্দী নাট্যকাৰ হৰেকৃষ্ণ প্ৰেমীৰ "আহুতি" আৰু জয়শংকৰ প্ৰসাদৰ "কামনা" আৰু "চন্দ্ৰগুপ্ত" অনুবাদ কৰিছে নিৰুপমা ফুকনে। ধৰ্মবীৰ ভাৰতীৰ

"অন্ধ যুগ" আৰু কানাড়ী নাট্যকাৰ আদ্যৰঙ্গচাৰীৰ "শুনা জন্মেজয়" অনুবাদ কৰি মনস্থ কৰিছে দুলাল ৰয়ে। ৰয়ে আয়োনেস্কোৰ "লেচন" খনো অসমীয়ালৈ ৰূপান্তৰ কৰিছে।

সাহিত্যৰথী বেজবৰুৱাই "গদাধৰ ৰজা" লিখি বাট দেখুৱাই দিয়া একাংকিকা ৰচনাত লক্ষ্মীধৰ শৰ্মাৰ বাছকবনীয়া চুটি নাট কেইখনে প্ৰেৰণা যোগাইছিল। এটা সত্য ঘটনাৰ ভেটিত লিখা সত্য প্ৰসাদ বৰুৱাৰ একাংকিকা "কল্পনাৰ মৃত্যু" আৱাহনত ছপা হয় ১৯৩৯ চনতে আৰু কেমাহমানৰ পাছতে কটন কলেজৰ ছুদমাৰ্চন হলত এইখনৰ সহ-অভিনয়ো হয়। অধ্যাপক ডঃ হৰি ভট্টাচাৰ্যই একাংকিকা ৰচনাত আশাশুৱীয়াকৈ লাগি সমাজৰ বিভিন্ন চিত্ৰ সন্নিবেশ কৰা দুকুৰি একাংকিকা ছপাই উলিয়াইছে।

বহুতে ভাবে যে একাংকিকা ৰচনাই পূৰ্ণাংগ নাট লিখাত হেঙাৰ দিব। এই ধাৰণা সম্পূৰ্ণ অমূলক। একাংকিকাৰ সংহত পৰিবেশ সৃষ্টি আৰু ৰচনা ৰীতিৰ অনুশীলনে ওখ খাপৰ পূৰ্ণাংগ নাট লিখাত সহায়হে কৰিব, বাধা নিদিয়ে। বিশ্ব বিখ্যাত কালজয়ী বহুতো নাটক যেনে ইবচেনৰ "গোষ্ট" নাইবা চফ'ক্লিচৰ "ৰজা ইডিপাচৰ" পৰিবেশ যে একাংকিকা সদৃশ সেই কথা কোনে অস্বীকাৰ কৰিব ? স্বাধীনোত্তৰ যুগৰ একাংকিকা-বোৰৰ যোগেদি পৰীক্ষা-নিৰীক্ষা চলোৱাৰ অসুবিধা ওলাল, এইবোৰে নিভাজ হাস্যৰস সৃষ্টিতো অৰিহণা যোগালে। পৌৰাণিক কাহিনীৰ নতুন আধুনিক ব্যঙ্গাত্মক ৰূপ দি লিখা সুকবি নৱকান্ত বৰুৱাৰ চুটি নাট "দক্ষ-যজ্ঞ"ও এক মন কৰিবলগীয়া পৰীক্ষা। ধন শইকীয়াই "মহাসমৰ"ত আৰু ভোলা কটকীয়ে "বিভ্ৰাট"ত জটিল ৰকমৰ সমস্যাৰ অৱতাৰণা কৰিছে। একাংকিকাৰ সীমিত পৰিসৰে আমাকো "ভাস্বতী"ত এটা নতুন পদ্ধতিত পাৰিবাৰিক সমস্যা এটা বিশ্লেষণ কৰি দেখুৱাটো সম্ভৱ কৰি তুলিছে। এইটো অনস্বীকাৰ্য যে একাংক নাট সন্মিলন, একাংকিকা প্ৰতিযোগিতা আৰু আন্তঃবিশ্ববিদ্যালয়ৰ নাট প্ৰতিযোগিতাই স্বাধীনোত্তৰ কালত একাংক ৰচনাৰ ক্ষেত্ৰত যথেষ্ট উদগণি দিয়াৰ ফলতে আমাৰ নাট্য জগতৰ এই দিশটো টনকিয়াল হৈ উঠা সম্ভৱ হ'ল। এই আন্দোলনত বিসকলে অৰিহণা আগবঢ়ালে তেওঁলোকৰ ভিতৰত ভোলা কটকী, ধন শইকীয়া, তফজ্জুল আলি, দুৰ্গেশ্বৰ বৰঠাকুৰ, ডঃ ভবেন শইকীয়া, অতুল বৰদলৈ, ফণী তালুক-দাৰ আৰু যোগেন চেতীয়াৰ নাম বিশেষভাৱে উল্লেখযোগ্য। একাংকিকাই লব্ধপ্ৰতিষ্ঠ পূৰ্ণাংগ নাট লিখোতা প্ৰবীণ কেইজনকো আকৰ্ষণ কৰিছে। তেওঁৰ "ত্ৰিৰঙ্গ"ত সন্নিবিষ্ট "চকৰি" খনে মঞ্চত পূৰ্ণাংগ নাটৰ দৰেই

দৰ্শকৰ সমাদৰ পাইছে। ফুকনে "ভ্ৰমসা ৰতি"ত মাতৃ হৃদয়ৰ মৰম আৰু কামনাৰ সংঘাত দেখুৱাইছে। গিৰিশ চৌধুৰীৰ মঞ্চসফল একাংকিকাৰ সংকলন "তিনি অধ্যায়" সম্প্ৰতি প্ৰকাশ পাইছে। ত্ৰৈলোক্য ৰাউতেও বিদেশী নাটৰ গল্প সম্ভাৰ লৈ একাংকিকা ৰচনাত সাৰ্থক ৰহণি যোগাইছে।

যোৱা তিনি দশকৰ নাট্য সাহিত্যৰ ধাৰা সম্বন্ধে আগবঢ়োৱা এই বিহঙ্গম দৃষ্টি সদৃশ চমু আলোচনাৰপৰা এইটো অন্ততঃ প্ৰতীয়মান হ'ব যে নাট অভিনয় আৰু পৰিবেশনৰ বাবে যথেষ্ট সুচল সুবিধা নথকা সত্ত্বেও অসমৰ নাট্যকাৰসকল হাত সাৱটি বহি থকা নাই। সাহিত্য সৃষ্টি প্ৰতিভাক নাট্য মাধ্যমেৰে প্ৰকাশ কৰিবলৈ য'তে যিকণ সুবিধা পাইছে তাৰ সৎব্যৱহাৰ তেওঁলোকে কৰিছে। তেওঁলোকৰ এই উদ্যম নিশ্চয় প্ৰশংসনীয়। বহুতো বিজ্ঞ সমালোচকে পাশ্চাত্যৰ নাট্য সাহিত্যলৈ আঙুলিয়াই দি ক'ব খোজে যে অসমৰ নাট্য সাহিত্য তেনেই পিছ পৰি আছে। পাশ্চাত্যৰ অগ্ৰগতিৰ লগত আনো আমাৰ সাহিত্যৰ আন অংগবোৰে সমানে ফেৰ মাৰিব পাৰিছে? পাশ্চাত্যৰ লগত বিজাৰলৈ নগৈ ভাৰতৰ বিভিন্ন ৰাজ্যৰ সাহিত্য সৃষ্টিলৈ চালেই উপলব্ধি কৰাটো সম্ভৱ হ'ব যে অসমৰ সাহিত্যৰ বিভিন্ন দিশ বৰ পিছ পৰা নহয়। বিশেষকৈ নাটকৰ ক্ষেত্ৰত আকাশ বাণীৰ ৰাষ্ট্ৰীয় অনুষ্ঠানত প্ৰচাৰিত নাটবোৰে আমাৰ কথাৰ সত্যতা প্ৰমাণ কৰিব। বঙ্গদেশতো যি স্থলত 'বহুৰূপী', 'নান্দিকাৰ' আদি গোষ্ঠীয়ে অনূদিত নাটক কৰিবলগীয়া হয় তেনে স্থলত অসমত ওখ খাপৰ মৌলিক নাট নাই বুলি নেতিবাচক ধাৰণা এটা লৈ থকা সমীচীন নহয়। এই কথা কোনেও নিশ্চয় অস্বীকাৰ নকৰিব যে স্বাধীনোত্তৰ যুগত গঢ়ি উঠা অসমৰ ভ্ৰাম্যমাণ নাট্য দলসমূহে কাৰিকৰী উন্নতিৰ যি চানেকি দাঙি ধৰিছে সি অকল অসমৰে নহয় সমগ্ৰ ভাৰতবৰ্ষৰ কাৰণেই এটা নতুন কথা। অসমৰ এনে ধৰণৰ দলসমূহে যে হাজাৰবো ওপৰ লোকক, অভিনয়ক জীৱিকা হিচাপে লোৱাৰ সুবিধা কৰি দিছে সেইটো নিশ্চয় গৌৰৱৰ কথা। এনে দলসমূহৰ লগত প্ৰফুল্ল ধৰাৰ দৰে আন নাট্যকাৰ সকলো সাঙোৰ খাই পৰিলে অসমৰ নাট্য সাহিত্যই যে ভাৰতৰ যি কোনো ৰাজ্যৰ লগতে ফেৰ মাৰিব পাৰিব তাত সন্দেহ নাই।

অসমীয়া নাটকত সমাজ-চেতনা

শ্ৰীঅৰুণ শৰ্মা

পুৰণি দিনৰ পৰা চিন্তাবিদসকলে আলোচনা কৰি আহিছে—শিল্প সৃষ্টিৰ কাম সকলো সময়তে আনন্দ দানেই নে সামাজিক দায়িত্বও ইয়াৰ অংগীভূত। শিল্প সৃষ্টিয়ে অতি প্ৰাচীন কালৰ পৰা অতি আধুনিক সমাজ ব্যৱস্থা পৰ্যন্ত নানান ৰাজনৈতিক, সামাজিক, ধৰ্মীয় দায়িত্ব পালন কৰি আহিছে আৰু শিল্পৰ প্ৰথম জন্মও হৈছিল সেই একে কাৰণে। শিল্প সৃষ্টিয়ে সদায় এটি গভীৰ সামাজিক শক্তি হিচাপে কাম কৰিছে, কাৰণ মানুহৰ সচেতনতাৰ জাগৰুক ৰূপে ইয়াৰ তুলনা নাই। নন্দনতত্ত্বৰ অভিজ্ঞতাৰ পৰা আমি দেখা পাওঁ কিদৰে শিল্প সংস্কৃতিয়ে মানুহৰ জীৱন প্ৰভাৱান্বিত কৰে। শিল্পৰ কাৰণে শিল্প এই মতবাদৰ যিসকল পক্ষপাতী তেওঁলোকে স্বভাৱতেই শিল্পক সামাজিক কৰ্তব্যৰ পৰা বিচ্ছিন্ন কৰি ৰাখে। তেওঁলোকে ভাবে, শিল্প সৃষ্টিত সামাজিক অৰ্থত সংস্পৃক্ত কৰাৰ অৰ্থ সৌন্দৰ্যৰ অপমৃত্যু, তেওঁলোকৰ মতে শিল্প সৃষ্টিৰ সামাজিক উপযোগিতা আৰু সৌন্দৰ্য সাধনা আপাত বিৰোধী, কিন্তু প্ৰকৃত শিল্প সৃষ্টি হৈছে মানুহে মানুহে কৰা চিন্তাৰ আদান প্ৰদানত। যি বিষয় বস্তুৱেই শিল্পীৰ উপজীব্য হওক, তাৰ প্ৰধান লক্ষ্য হ'ল অনুভূতি আৰু বিভিন্ন ভঙ্গীৰ জীৱন সম্বন্ধে তাৰ মূল্যবোধ ব্যক্ত কৰা। মানুহৰ মূল্যবোধেই যিহেতু শিল্প সৃষ্টিৰ উপজীব্য, সেয়ে মানুহ কেতিয়াও নিস্পৃহ বা নিৰাসক্ত হৈ থাকিব নোৱাৰে। প্ৰত্যেক শিল্প সৃষ্টিৰ এই যে প্ৰবৰ্তনা শক্তি, সিয়েই হৈছে তাৰ ব্যাপক সামাজিক শক্তি, যি সহজেই মানুহৰ বিচাৰ, বুদ্ধি আৰু বিশ্বাসক নানাভাৱে পৰিবৰ্তন, পৰিবৰ্দ্ধন আৰু সংশোধন কৰে। টলষ্টয়ে এঠাইত শিল্প সৃষ্টি সম্বন্ধে এই উক্তি কৰিছে: 'শিল্পৰ কাম হৈছে মানুহৰ মাজত ঐক্য সৃষ্টি কৰা, মানুহক এক সূত্ৰে গ্ৰথিত কৰা, একে ভাবেৰে

অনুভৱ কৰোৱা । ব্যক্তি আৰু সমষ্টিৰ ক্ষেত্ৰত শিল্পৰ অৱদান অপৰিহাৰ্য।"
'টলষ্টয়ৰ পদাংক অনুসৰণ কৰিয়েই লেনিনেও এক আলোচনা প্ৰসংগত কৈছিল : "শিল্প সৃষ্টিয়ে মানুহৰ চিন্তা, অনুভূতি আৰু আত্মবিশ্বাসক সংযত কৰিব লাগিব, উন্নীত কৰিব লাগিব । শিল্প সাহিত্যৰ কামেই হ'ল মানুহক শ্ৰেণী সংঘৰ্ষ সম্বন্ধে সচেতন কৰা আৰু বিক্ষুব্ধ মানুহক প্ৰভাৱান্বিত কৰা ।"

কলা-সংস্কৃতিৰ এনে এক পটভূমি আৰু দৃষ্টিকোণ আগত ৰাখি তাৰে এটি অন্য নাটকৰ কথালৈ আহোঁ । দ্বিতীয় মহাসমৰৰ অন্তত যুদ্ধ বিধ্বস্ত পোলেণ্ডৰ জনগণে শান্তিৰ প্ৰথম নিশ্বাসটো পোৱাৰেই দেশত গঠনমূলক যি কাৰ্যসূচী গ্ৰহণ কৰিলে সেই কাৰ্যসূচীৰ সৰ্বপ্ৰথম কাম আছিল পোলেণ্ডৰ প্ৰতি নগৰে-চহৰে ৰঙ্গ-মঞ্চ বিলাক পুনৰ গঢ়ি তোলা আৰু সু-সংগঠিত কৰা। জাতীয় জীৱনৰ এক চৰম দুৰ্যোগপূৰ্ণ দিনত, এক ধ্বংসস্তূপ অৱস্থাৰ পৰা এখন সমাজৰ উজ্জীৱনৰ সময়ত, নাটক আৰু ৰঙ্গমঞ্চই কিমান খিনি কৰিব পাৰে তাৰ ই মাত্ৰ এটাহে উদাহৰণ । এনে আৰু দৃষ্টান্ত একেবাৰে প্ৰাচীন গ্ৰীক নাট্যকাৰসকলৰ পৰা আমাৰ শঙ্কৰী যুগৰ অংকীয়া নাট আৰু আধুনিক কালৰ ইবচেন, চেকভাচাট্ৰে, জন অচবৰ্ণ, আৰ্নল্ড বেস্কাৰলৈকে নাট্যকাৰসকলৰ প্ৰচেষ্টাই দাঙি ধৰিছে । গতিকে নাটকে, ৰঙ্গমঞ্চই সমাজক সচেতন কৰা, সমাজৰ চেতনা জগাই তোলাৰ আদৰ্শ যুগে যুগে গ্ৰহণ কৰি আহিছে, সেই কথাত দ্বিমতৰ অৱকাশ নাই । কিন্তু সামাজিক জীৱনৰ বিভিন্ন অৱস্থা আৰু পৰিস্থিতিয়ে নিৰূপণ কৰে সচেতনতাৰ স্বৰূপ আৰু আহ্বান । দেশৰ যুদ্ধকালীন নাইবা দুৰ্ভিক্ষ আদি দুৰ্যোগপূৰ্ণ অৱস্থা আৰু শান্তিৰ সময় নাইবা জাতীয় জীৱনৰ স্বচ্ছল অৱস্থাৰ মাজত জাতীয় চেতনাৰ স্বৰূপ নিৰ্ণয়ো সুকীয়া হব । প্ৰথম অৱস্থাৰ ক্ষেত্ৰত ই বিষয় স্থূল আৰু আপাতদৃষ্টিৰে ৰূপায়িত হ'ব পিচৰ অৱস্থাৰ ক্ষেত্ৰত তেনে হোৱাৰ সুবিধা আৰু প্ৰয়োজন নাই, ই হ'ব সূক্ষ্ম আৰু গভীৰ অন্তৰগ্ৰাহ্য। প্ৰথমটোৰ ক্ষেত্ৰত থাকিব এক সামগ্ৰিক প্ৰয়াস আৰু একে উদ্দেশ্য প্ৰণোদিত আবেগ মণ্ডিত আহ্বান, দ্বিতীয় ক্ষেত্ৰত থাকিব বিক্ষিপ্ত প্ৰচেষ্টা আৰু বিভিন্নমুখী উদ্দেশ্য । একোখন ঠাই, দেশ বা একোটা জাতিৰ জীৱনত সৃষ্টি হোৱা উল্লিখিত পৰিস্থিতি আৰু অৱস্থাৰ পটভূমি বিচাৰ কৰি চালেই সেই ঠাইৰ জাতীয় চেতনাৰঞ্জিত সাহিত্য সংস্কৃতিৰ স্বৰূপ জনা যায় ।

এতিয়া আমি অসমৰ জাতীয় জীৱনৰ যুদ্ধোত্তৰ এনে পৰিস্থিতিৰ পটভূমি বিচাৰি চাওঁ । গ্ৰন্থৰ সম্পাদকে এই প্ৰবন্ধৰ কাৰণে নিৰ্দিষ্ট কৰি দিয়া

সময়ৰ সীমাৰ ভিতৰত থাকিব লাগিব যেতিয়া এই সময়ছোৱাৰ পটভূমিৰ বিচাৰহে আমি কৰিম।

এই সময় ছোৱাত—১৯৪০ চন মানৰ পৰা অসমৰ জাতীয় জীৱনত বৃহৎ ঘটনা, দুৰ্যোগ বা সংকটৰ দীৰ্ঘমিয়াদী অৱস্থিতিৰ চিন আমি তেনেকৈ নাপাওঁ। দুটামান দুৰ্যোগে ভুমুকি মাৰিহে গ'ল, কিন্তু কৰাল গ্ৰাসেৰে প্ৰৱেশ কৰিবলৈ নাপালে। দুটামান জাপানী, দুটামান চীনা আৰু দুটামান পাকিস্থানী সৈন্যই অসমৰ সীমান্তত এছাটি এছাটি ধূলি উৰাই থৈ গ'ল, কিন্তু সেই ধূলিৰ এহিচা মানহে যদি আহি আমাৰ গাত লাগিল। প্ৰতিবাৰেই আসন্ন দুৰ্যোগৰ সম্ভাৱনাতে অন্ত পৰিল, তাৰ ব্যাপক পৰিণতিৰ লীলাভূমি হৈ উঠাৰ নিষ্ঠুৰ দুৰ্যোগ অসমৰ নহ'ল। যোৱা দ্বিতীয় মহাসমৰত জাপানকে ধৰি পূব এচিয়াৰ দেশসমূহ আৰু ইউৰোপৰ বিশেষকৈ ৰাচিয়া, জাৰ্মানী, পোলেণ্ড, ফ্ৰান্স, আৰু ইংলণ্ডত যি বিভীষিকা আৰু তাণ্ডৱলীলাৰ সৃষ্টি হৈছিল, কোটি কোটি মানুহৰ যি নিকৰুণ হৃদয় বিদাৰক ঘটনা ঘটিছিল, নাইবা সেই সিদিনালৈকে সুদীৰ্ঘদিন জোৱা ভিয়েটনাম যুদ্ধত সেই দেশৰ জন সাধাৰণৰ যি অবৰ্ণনীয় অভিজ্ঞতা লাভ হ'ল, সেইবিলাকৰ পটভূমিত সেই সেই ঠাইত যিবোৰ সাহিত্য নাটক সৃষ্টি হ'ল সেইবোৰ জাতীয় চেতনাৰ বিচিত্ৰ ৰঙেৰে ৰঞ্জিত হোৱাটো স্বাভাৱিক। আনহে নালাগে বাংলাদেশৰ মুক্তি যুদ্ধত আৰু তাৰ আগৰ কেইবছৰত সেই দেশৰ জাতীয় জীৱনলৈ যি সচেতনতাৰ আহ্বান আহিছিল তাৰ সহাৰি সাহিত্য-কলা-সংস্কৃতিৰ মাজেৰে অভিব্যক্ত হৈছিল। ("জীবন থেকে নেয়া" কথাছবি আৰু "ঝৰ্ণা" নামৰ এখনি নাটক দৃষ্টান্ত।")

কিন্তু অসমৰ জাতীয় জীৱনত একমাত্ৰ মানৰ আক্ৰমণৰ বাহিৰে কোনো যুদ্ধ মহাযুদ্ধৰ নিষ্ঠুৰ আঘাত পৰা নাই, যিটো কোনো সামাজিক নাটকৰ শক্তিশালী পটভূমি বা বিষয়বস্তু হ'ব পাৰিলেহেতেন। তথাপিও উল্লেখ কৰি থব পৰাকৈ যুদ্ধৰ পটভূমিত অসমীয়া ভাষাত যোৱা দেৰ কুৰি বছৰত কেইখনমান নাটকৰ সৃষ্টি নোহোৱা নহয়। তাৰে ভিতৰত জ্যোতি প্ৰসাদ আগৰৱালাৰ 'লভিতা,' সত্যপ্ৰসাদ বৰুৱাৰ 'জ্যোতি-শিখা', ফণী তালুকদাৰৰ 'জুয়ে পোৰা সোণ আৰু প্ৰবিত্ৰতুল বৰদলৈৰ 'তেজে ধোৱা কাৰেং', বিশেষকৈ উল্লেখ, কৰিব পাৰি। দ্বিতীয় মহাসমৰৰ পটভূমিত ৰচিত 'লভিতা' আৰু 'জ্যোতি-শিখা' নাটক দুখনৰ মূল আহ্বান কিন্তু মহাযুদ্ধত জনগণে সঁহাৰি দিয়া নহয়, বৰং সেই যুদ্ধৰ বিৰোধিতা কৰি ভাৰতৰ স্বাধীনতা আন্দোলনত জপিয়াই পৰাৰহে আহ্বান। ভাৰতৰ মুক্তি সংগ্ৰামৰ প্ৰতি জনগণৰ মনত

চেতনাৰ সঞ্চাৰ কৰাইহে আছিল নাট দুখনৰ মূল কথা। এই একে দেশপ্ৰেমৰ আদৰ্শ প্ৰণোদিত আৰু তিনিখন সাৰ্থক নাটক হ'ল প্ৰবীণ ফুকনৰ "মণিৰাম দেৱান", নগাওঁ নাট্য সমিতিৰ "পিয়লি ফুকন" আৰু যুগল দাসৰ "১৮৫৭"। যুদ্ধ মহাযুদ্ধৰ বাহিৰে অসমৰ জাতীয় জীৱনত দীৰ্ঘমিয়াদী বৈচিত্ৰপূৰ্ণ কোনো অভিজ্ঞতাৰ কথা ভাবিলে মাত্ৰ এম দশকৰ আগভাগত দেশজুৰি পৰিব্যাপ্ত স্বাধীনতা আন্দোলনৰ কথাহে মনলৈ আহে। কিন্তু বৃটিছ চৰকাৰৰ সজাগ আৰু কঠোৰ দৃষ্টিক আওকাণ কৰি মুক্তভাবে নাটক লিখি নাইবা নাট্যানুষ্ঠান পাতি জনসাধাৰণক জগাই তোলাৰ সুবিধা তেতিয়া নাছিল। গতিকে সেই সময়ৰ পটভূমিত ৰচিত নাটক যিকেইখন আছে প্ৰায় আটাইকেইখন স্বাধীনতা লাভৰ পিচতহে ৰচিত হৈছে। "কুশল কোঁৱৰ", "কনকলতা" আদি কেগৰাকীমান শ্বহীদক লৈয়ো কেইখন মান নাটক ৰচনা হৈছে; কিন্তু শ্ৰেষ্ঠ সাহিত্যৰ মান দিব পৰাকৈ নাইবা নাটক সমূহৰ অভিনয়ে দৰ্শকৰ মনত সাঁচ বহুৱাব পৰাকৈ এই নাটকসমূহ ৰচিত নহ'ল। ছপা হৈ ওলোৱা নাই যদিও স্বাধীনতা আন্দোলনৰ মূলসূত্ৰ ধৰি সাম্প্ৰতিক সময়ৰ পটভূমিলৈ টানি আনি ৰচনা কৰা এখন বিশেষ নাটকৰ কথা উল্লেখ কৰি কব পাৰি, সেইখন হৈছে, অখিল চক্ৰবৰ্তীৰ 'আমি স্বপ্নাতুৰ'। নাটকখনৰ গাথনিৰ যথেষ্ট দুৰ্বলতা, ভাষা আৰু ঘটনা বিন্যাসত বহুতো অতিনাটকীয়তাৰ দোষ আছে যদিও কিছুদিন আগতে গুৱাহাটীত হোৱা ইয়াৰ মঞ্চ আৰু অনাতাঁৰ নিবেদনে দৰ্শক আৰু শ্ৰোতাৰ মনত কিছু ৰেখাপাত কৰিছিল।

বৃহৎ দুৰ্যোগ নাইবা পতনৰ blessings in disguise লাভ কৰিব নোৱাৰিলেও যোৱা ভেৰকুৰি বছৰে নানান সামাজিক দুৰ্নীতি, অন্যায়, বৈষম্য, কুসংস্কাৰ আদি জাতীয় চৰিত্ৰৰ দোষবোৰৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি কিছুমান নাটক অসমীয়া ভাষাত লিখা হৈছে। সেই নাটকসমূহৰ ভিতৰত সৰ্বপ্ৰথম সমাজ চেতনাৰ ভেটিত ৰচিত নাটকখন হ'ল, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ "কাৰেঙৰ লিগিৰী"। শতাব্দী-জোৰা পৰম্পৰাৰ মূল নীতিক (অনীতি!) বুকু আঘাত হানি সমাজত নতুন সত্য প্ৰতিষ্ঠাৰ আহ্বানেৰে অভিনৱ বিষয় নিৰ্বাচনৰ সাহসিকতা, চিন্তা আৰু ভাবনাৰ গভীৰতা, শ্ৰেষ্ঠ সুন্দৰ সাহিত্যৰ সৰ্বগুণেৰে সজ্জিত আৰু সমৃদ্ধ এইখন নাটক অসমীয়া সাহিত্যৰ এখনি সুবৰ্ণ পতাকা। তাৰ পিছত উল্লেখ কৰিব পাৰি অসমৰ গাৱঁলীয়া সমাজত হিন্দু-মুছলমান আৰু জন-জাতীয় লোকৰ সম্প্ৰীতিৰ আদৰ্শ প্ৰতিষ্ঠাৰ আহ্বানেৰে ৰচিত সাৰদাকান্ত

বৰদলৈ আৰু কৃষ্ণানন্দ ভট্টাচাৰ্যৰ "মগৰবীৰ আজান" আৰু লক্ষ্মীধৰ শৰ্মাৰ গল্পৰ ভেটিত ৰচিত ফণী শৰ্মাৰ "চিৰাজ" নাৰীৰ সামাজিক মুক্তিৰ আদৰ্শেৰে—সত্যপ্ৰসাদ বৰুৱাৰ "শাশ্বতি" আৰু অনিল চৌধুৰীৰ "চিৰন্তন", পৰ্বত ভৈয়ামৰ সম্প্ৰীতিক লৈ এই লিখকৰ "জিনূটি", শ্ৰেণীবৈষম্য আৰু নিষ্পেষিত জনৰ সংগ্ৰামী মনৰ ইংগিতেৰে "উকথা পঁজা", অৰ্থনৈতিক বৈষম্য আৰু ভুৱা আভিজাত্যৰ প্ৰতি মোহৰ কথা লৈ দুৰ্গেশ্বৰ বৰঠাকুৰৰ "চাকনৈয়া", মধ্যবিত্ত পৰিয়ালৰ অভাৱ—অনাটনৰ করুণ ছবিৰে লক্ষ্যধৰ চৌধুৰীৰ "নিমিলা অঙ্ক", সাৰদা বৰদলৈৰ "পহিলা তাৰিখ", আৰু গিৰিশ চৌধুৰীৰ "মীনা বজাৰ", বানপানীৰ দুৰ্দশাৰ ভেটিত ৰচিত অভয় ডেকাৰ "গড়া খহনীয়া", নিবনুৱা সমস্যাক লৈ ৰচিত অমৰ পাঠকৰ "ইণ্টাৰভিউ" আদি কেইখনমান নাটক পঞ্চাশৰ দশকত অসমৰ বিভিন্ন ৰঙ্গমঞ্চত অভিনীত হোৱা দেখা গৈছিল। সামাজিক জীৱনৰ বিভিন্ন দোষত্ৰুটিৰ প্ৰতি সমাজৰ মনত সক্ৰিয় চেতনাৰ সঞ্চাৰ কৰাত নাটকসমূহ কিমান কৃতকাৰ্য হৈছিল তাৰ প্ৰত্যক্ষ দৃষ্টান্ত দিবলৈ একো নাই যদিও সামাজিক চেতনাৰ ইংগিত এই নাটকসমূহত দেখা যায়। তাৰ পিচত যোৱা দশকত যিখিনি নাটক প্ৰকাশ পাইছে তাৰ ভিতৰত উল্লেখ কৰিব পাৰি আমাৰ সমাজত শিল্পীৰ জীৱনৰ আৰ্থিক পঙ্গু অৱস্থা আৰু শোষণৰ নিষ্ঠুৰ ছবি এখনেৰে ফণী শৰ্মাৰ "কিয়", সমাজৰ ফোপোলা আৰু ভণ্ড ইন্টেলেকচুৱেলিজিম আৰু আভিজাত্যৰ অন্তঃসাৰ শূণ্যতাক লৈ এই লিখকৰ 'শ্ৰীনিবাৰণ ভট্টাচাৰ্য', বিশ্বৰ ছিন্নমূল সংখ্যালঘু সম্প্ৰদায়ৰ নিষ্পেষণ আৰু চিৰ বঞ্চনাৰ প্ৰতীক ছবিৰে এই লিখকৰে—"কুকুৰনেছিয়া মানুহ" আৰু সাম্প্ৰতিক আমাৰ দেশৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক সাংস্কৃতিক আদি বিভিন্ন দিশত যিবোৰ দুৰ্নীতি, অন্যায়, শোষণ, ব্যভিচাৰ চলিছে তাৰ স্পষ্ট আৰু সাহসী অভিব্যক্তি ফুটি উঠিছে, তাৰ বিপক্ষে জনসাধাৰণক স্পষ্ট ভাষাৰে সকিয়াই দিয়া হৈছে, আব্দুল মজিদৰ "চোৰ", বহ্ন ওজাৰ "উৰ্বৰ" অৰূপ চক্ৰৱৰ্তীৰ "আগমণি", প্ৰফুল্ল বৰাৰ "উপপথ", শ্ৰীহিমেন্দ্ৰ কুমাৰ বৰঠাকুৰৰ "ঘাষ", আৰু মহেন্দ্ৰ বৰঠাকুৰৰ "জন্ম" ইত্যাদি নাটকৰ মাজেৰে।

এইখিনিতে উল্লেখ কৰি থব পাৰি যোৱা দুই দশকত বহুসংখ্যক একাংক নাট আৰু আকাশবাণী গুৱাহাটীৰ পৰা প্ৰচাৰিত জনাৰ্তাৰ নাটক অসমীয়া ভাষাত লিখা হৈছে। এই চুটি নাটকসমূহৰ ভালেখিনিত সামাজিক চেতনাৰ আহ্বান সুস্পষ্ট। বিশেষকৈ যোৱা কিছুদিন ধৰি ভালেমান জনাৰ্তাৰ নাটক লিখা আৰু প্ৰচাৰ কৰা হৈছে য'ত সমাজৰ বিভিন্ন দিশ মুকলি ভাৱে আৰু

সাহসেৰে অভিব্যক্ত কৰা হৈছে। দুই এখন বাদে এই নাটকবিলি ছপা হৈ ওলোৱা নাই ; আমি জানিব পাৰিছো 'নেচনেল বুক ট্ৰাষ্ট' এখন অসমীয়া একাংক নাটৰ সংকলন আৰু অসম প্ৰকাশন পৰিষদে এখন অসমীয়া অনাতাঁৰ নাটৰ সংকলন উলিয়াবলৈ ব্যৱস্থা হাতত লৈছে।

এইদৰে, যোৱা দেবকুৰি বছৰে. সময়ৰ হিচাপত যথেষ্ট সংখ্যক নহলেও সমাজ সচেতনমূলক অসমীয়া নাটকৰ এখন সৰুসুৰা তালিকা প্ৰস্তুত কৰিব পাৰি। কিন্তু কিতাপৰ তালিকা এখনেই প্ৰকৃত সাহিত্যৰ স্বৰূপ দাঙি ধৰে জানো? হেনৰীক ইবচেনৰ "এন্ এনেমী অব্ দি পিপল", বাৰ্ণাডশ্ব'ৰ "ব্লেক গাৰ্ল ইনচাৰ্চ অব গড" ইত্যাদিৰ পৰা আৰম্ভ কৰি এভিয়াৰ ব্ৰেখটৰ "মাদাৰ কাৰেজ এণ্ড হাৰ চিল্ড্ৰেন" "থ্ৰি পেনি অপেৰা" চাৰ্ট্ৰেৰ "মেন উইডাউট শেড", অচবৰ্ণৰ "লুকবেক ইন এঙ্গাৰ", লাইখা হো চিংগ্নিৰ "হোৱাইট হেয়াৰৰ্ড্ গাৰ্ল", আন নালাগে উপেন দত্তৰ "মানুহৰ অধিকাৰ" বা "কল্লোল" আদিৰ দৰে এখন নাটকৰ উদাহৰণ দিব পৰা বিশ্ব সাহিত্যৰ মানলৰু নাট্য পৰ্যায়ৰ ওচৰ চাপিব পৰাকৈ অসমীয়া নাটক কেইখন ওলাব, সে একেবাৰে লোনাবই ভাবি উলিয়াবলৈ টান। এই বিষয়ে বিচাৰ কৰিবলৈ গৈ এটা কথা স্পষ্টভাৱে পৰিলক্ষিত হয় ; সেইটো হৈছে অসমৰ নাট্য সংস্কৃতি সম্পৰ্কে আধুনিক শিক্ষিত বুদ্ধিজীৱি মহলৰ এক তীব্ৰ অনীহা। অথচ এই শ্ৰেণীৰ ভিতৰতে আছে প্ৰগতিশীল বুদ্ধিজীৱি। এওঁলোক আগবাঢ়ি আহিলেহে প্ৰকৃত নাট্যভাৱনাৰ সৃষ্টি হ'ব, আৰু তাৰ মাজেৰেই একোটা সুসংবদ্ধ ধাৰা আৰু আন্দোলন গঢ়ি উঠিব। মোৰ বোধেৰে প্ৰকৃত নাটক আৰু প্ৰকৃত থিয়েটাৰৰ মাজত মিলন অসমত হোৱা নাই। নাটক মাত্ৰ থিয়েটাৰ মুখাপেক্ষী হলেই নহ'ব আৰু থিয়েটাৰেও নাটক মাত্ৰ মঞ্চকলাৰ যৌথ অংগৰ এটা অংগ বুলি ধৰি ললেই নহব। থিয়েটাৰ যিহেতু দৰ্শক মুখাপেক্ষী আৰু সেই কাৰণেই—যাতে অধিক সংখ্যক দৰ্শকৰ একেলগে সহজবোধ্য হ'ব পাৰে এনে প্ৰসঙ্গৰ বক্তব্যৰ অৱতাৰণা আৰু প্ৰয়োগ কলাকো মাত্ৰ নয়ন গ্ৰাহ্য কৰি তোলাৰ অতি সচেতন বাস্তৱ কাৰণত যি সকল নাটক ৰচয়িতা তেওঁলোকে মাত্ৰ থিয়েটাৰী নাটকহে লিখিছে নাট্য সাহিত্য সৃষ্টি কৰাত সক্ষম হোৱা নাই। অৱশ্যে এটা কথা ঠিক নাটক দৃশ্যকাব্য ; ইয়াৰ দৃশ্য সম্পাদনাৰ প্ৰচেষ্টা-টোৱেই প্ৰধান লক্ষ্য হৈ পৰে ; আৰু প্ৰাথমিক স্তৰত কলা হিচাপে ই স্থূল। গতিকে প্ৰতিভা সম্পন্ন শিল্পীৰ অবিহনে, বুদ্ধিগ্ৰাহ্য জনমানসত ই সহজে প্ৰভাৱ বিস্তাৰ কৰাত অক্ষম হয়। কেৱল পঢ়িবৰ কাৰণেও নাটক

লিখিব পাৰি, কিন্তু তাৰ দ্বাৰা আপাততঃ কোনো সাৰ্থকতা নাই, থাকিলেও সি সুদূৰত। এইবিলাক কাৰণতে প্ৰতিভাবান আৰু প্ৰতিষ্ঠিত লিখক সকল নাটক ৰচনাৰ পৰা, আমাৰ ইয়াত বিৰত থাকে। কিন্তু মঞ্চৰ পাদপ্ৰদীপ জ্বলি থাকিব লাগিব; গতিকে একোটা নাট্য গোষ্ঠীৰ কোনোবা অভিনেতা, কোনোবা পৰিচালক নাইবা কোনোবা প্ৰযোজকে নিজেই এখন নাটক লিখিলে (কোনো ক্ষেত্ৰত গোষ্ঠীৰ কেবাজনো লগলাগি গোষ্ঠীৰ সকলো সভ্যৰ দাবী সন্মুখত ৰাখি নাটকৰ সমবায় ৰচনা হ'ল) আৰু মঞ্চত উপস্থাপিত হ'ল। হয়তো ভাল অভিনয় আৰু মঞ্চশৈলীৰ নানান কিটিপ খটাই নাটকখনে সাধাৰণ দৰ্শকৰ পৰা হাততালিও পালে। কিন্তু বুদ্ধিজীৱি সমাজে উন্নাসিকতা প্ৰকাশৰ সুযোগ পালে; অথচ তেওঁলোক আগুৱাই আহি সেই নাটকৰ উপস্থাপনৰ নেপথ্যত কোন আছে সেই সম্পৰ্কে জানিবলৈ কোনো কৌতুহলো বোধ নকৰিলে। ইয়াৰ বাবে একমাত্ৰ দায়ী আমাৰ অপৰিণত নাট্যবোধ যাৰ অৱস্থিতি প্ৰযোজক, অভিনেতা, নাট্যকাৰ আৰু দৰ্শক এই চতুৰ্বৰ্গৰ সচেতনশীলতা আৰু ৰুচিত। গতিকে সমাজত চেতনাৰ বীজ সিঁচিবলৈ নাটক আৰু থিয়েটাৰৰ প্ৰয়োজনৰ কথাটো যি দৰে সত্য তাৰ সমানে নাটক আৰু থিয়েটাৰ সৃষ্টিৰ কাৰণে এখন সচেতন সমাজৰ প্ৰয়োজনৰ কথাটোও সত্য। নাটক আৰু শিল্প প্ৰকৰণৰ যুগ্ম সমুন্নতিতহে যথাৰ্থ নাটক সৃষ্টিৰ অৱকাশ আৰু সেই অৱকাশে আজি অসমৰ প্ৰতিভাবান লিখকসকলৰ সংস্পৰ্শ আৰু সহযোগিতাতহে পূৰ্ণতা লাভ কৰিব। অসমীয়া সমাজৰ এনেমি অৱ্ দি পিপলৰ বিষয়ে কবলৈ অসমীয়া সাহিত্যৰ হেনৰীক ইবচেন তেতিয়াহে সৃষ্টি হ'ব।

অসমত জনকৃষ্টিৰ চৰ্চা

শ্ৰী প্ৰফুল্লদত্ত গোস্বামী

ফৰাচী বিপ্লৱ আৰু নেপোলিয়নৰ ৰণপ্ৰিয়তাৰ ফলত ইউৰোপৰ চৌপাশে যি এক জাতীয় জাগৰণে মূৰ দাঙি উঠিছিল তাৰ পৰোক্ষ ফল স্বৰূপে জনকৃষ্টিৰ চৰ্চাৰো জন্ম হ'ল বুলিব পাৰি। পৰম্পৰাগত মুখে মুখে চলি থকা সাধু আৰু গীত-পদৰ সংগ্ৰহত এই সময়ত কিছুমান লোকে আত্ম-নিয়োগ কৰিবলৈ ধৰিলে। এনে গীত-পদে যে জাতীয় সত্ত্বাৰ পৰিচয় দিব পাৰে তেনে ধাৰণা এটি সবল হবলৈ ধৰিলে। এইবিলাকৰ সংগ্ৰহত অৱশ্যে জাৰ্মানিৰ জাৰ্মিন হেৰ্ডাৰ আৰু গ্ৰীম ভাতৃদ্বয় আটাইতকৈ বাট দেখুৱাওঁতা। বৰ্তমান কালত জাৰ্মানি, ফিনলেণ্ড, আমেৰিকা যুক্তৰাষ্ট্ৰ আদি দেশত জনকৃষ্টিৰ বিভিন্ন ধৰণে চৰ্চা হবলৈ ধৰিছে। ভাৰতবৰ্ষত চৰকাৰী বিষয়া আৰু মিছনেৰীসকলৰ উদ্যোগত যোৱা শতিকাতেই বহুতো সাধু, বচন, গীত-পদ সংগৃহীত হৈছিল। "ইণ্ডিয়ান এণ্টিকুৱেৰি" আলোচনীৰ উদ্যোগত জনবিশ্বাসো চৰ্চা কৰা হৈছিল। বেদাদিৰ চৰ্চাত যেনেকৈ পাশ্চাত্য পণ্ডিতে বাট দেখুৱায়, তেনেকৈ আমাৰ পৰম্পৰাগত সংস্কৃতিৰ চৰ্চাতো এওঁলোকেই আহি দিয়ে। এওঁলোকৰ প্ৰেৰণাতে পিচলৈ দাক্ষিণাত্যৰ পণ্ডিত নটেশ শাস্ত্ৰী, উত্তৰ ভাৰতৰ গঙ্গাদত্ত উপৰেতি, বঙ্গ-দেশৰ লালবিহাৰী দে আদি লোকে যোজনা, সাধুকথা আদি সংগ্ৰহ কৰি প্ৰকাশ কৰে।

অসমৰ দুখন মূল্যবান সংগ্ৰহ ওলায় ১৮৯৫ খৃষ্টাব্দত; এখন গাৰ্ডনৰ 'ছাম এছামিজ প্ৰোভাৰ্বছ'' ; আনখন এণ্ডাৰছনৰ কছাৰী "ফোকটেইলছ এণ্ড ৰাইমছ্"। ইয়াৰ পিচতে দুজন অসমীয়া লোকৰ নাম সৱলণীয়া হয় ; এজন ভদ্ৰসেন বৰা, আনজন গোপালচন্দ্ৰ দাস। ভদ্ৰসেন বৰাৰ

"ৰামচৰিত" পুথিকাখন সাঁথৰৰ সংগ্ৰহ, প্ৰকাশ হৈছিল ১৮৯৯ খৃষ্টাব্দত। ভদ্ৰসেন বৰাৰ অহতে মণিকোঁৱৰ আৰু ফুলকোঁৱৰ মালিতা দুটি প্ৰথমে প্ৰকাশ হয় (১৯০৩)। এই মালিতাৰ আটাইতকৈ শেহতীয়া ৰূপ মিকিৰ পাহাৰৰ পৰা সংগ্ৰহ কৰাই গুৱাহাটী বিশ্ববিদ্যালয়ে অলপতে ছপাই উলিয়াইছে। পটন্তৰ বা যোজনাৰ প্ৰথম সংগ্ৰহ কৰে গোপাল চন্দ্ৰ দাসে (১৯০০)। প্ৰসন্নচন্দ্ৰ বৰুৱাৰ সৰু সংগ্ৰহ এটি ওলায় ১৯২৮ চনত। কান্তিৰাম বুঢ়া ভকতৰ "ফকৰা" ওলায় ১৯২৭ চনত। বৰ্তমান সময়ত শকত আকাৰৰ প্ৰবচনৰ সংগ্ৰহ ওলাইছে; কিন্তু এইবিলাকত পূৰ্বসুৰীসকলৰ অৱদান স্বীকাৰ নকৰাটো সঁচাকৈয়ে আক্ষেপৰ বিষয়।

অসমৰ জনজাতীয় সাধু কেতবোৰ ওলায় গ্ৰিয়াৰ্ছনে সম্পাদন কৰা "লিঙ্গুইষ্টিক চাৰ্ভে" কিতাপৰ তৃতীয় খণ্ডত (১৯০৩)। ঠিক এনে সময়তে বেণুধৰ ৰাজখোৱাই তেওঁৰ অৱদান আগবঢ়ায়। দেও-ভূত, বীৰা-যখিনী আদি সম্পৰ্কে অসমীয়া সমাজত যি বিশ্বাস এই শতিকাৰ গুৰিভাগত বৰ্তি আছিল তাৰ আলমত ৰাজখোৱাই তেওঁৰ "এচামিজ ডেমনোলজি" প্ৰকাশ কৰে ১৯০৫ খৃষ্টাব্দত। এই সৰু কিতাপখন সমাজতাত্ত্বিকৰ কাৰণে মূল্যবান সামগ্ৰী। ৰাজখোৱাৰ আন এখন কিতাপ "এচামিজ পপুলাৰ চুপাৰষ্টিশ্যনজ"(১৯২০)। এইখনত চাৰে চাৰিশমান জনবিশ্বাস গোট খুওৱা হৈছে। দুয়োখন কিতাপকে লগ লগাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ জনকৃষ্টি বিভাগৰপৰা পুনৰ ছপাই উলিওৱা হৈছে। অসমীয়া পাণ্ডিত্যৰ বপ্তানিত ৰাজখোৱাৰ কিতাপ দুখনে সহায় নকৰাকৈ থকা নাই।

ৰাজখোৱাই সাধুও দুই চাৰিটা সংগ্ৰহ কৰিছিল। এইবিলাকৰ "ৰমাই ৰতনী" (গন্তৰ কাটনি কলেজৰ আলোচনীত ওলাইছিল) সাধুটো বেজবৰুৱাৰ দ্বাৰা প্ৰকাশিত একে সাধুৰ লগত বিজাই চালে ধাৰণা হয় যে বেজবৰুৱাই নিজে প্ৰকাশ কৰা সাধুবিলাকত যেন অলপ 'হাত ফুৰাইছিল। অৱশ্যে বেজবৰুৱাৰ "ককাদেউতা আৰু নাতি ল'ৰা" নাইবা 'বুঢ়ী আইৰ সাধু"ৰ মূল্য কম নহয়, কিয়নো এই দুখনেই কৰলৈ গলে এতিয়ালৈকে প্ৰকাশ পোৱা অসমীয়া সাধু সংগ্ৰহৰ ভিতৰত আটাইতকৈ সোৱাদ লগা হৈ আছে। এই দুখন কিতাপে পাহৰণিত লোপ পাব ধৰা সাধু কেতবোৰ আমাৰ মনত আকৌ সুপ্ৰতিষ্ঠিত কৰিলে। মোৰ ধাৰণাত বেজবৰুৱাৰ কিতাপতকৈ অৰ্জুনচন্দ্ৰ দাসৰ "অসমীয়া সাধু" (১৯৪১) নাইবা প্ৰসন্নকুমাৰ ডেকাৰ "সাধুকথাৰ পুথি"ৰ (১৯৪৯) নিৰ্ভৰযোগ্যতা সৰহ।

সাধু কথা সংগ্ৰহ কৰা নিয়ম হ'ল তাক যিমান দূৰ পাৰি কোনো

এক বিশেষ অঞ্চলতে সংগ্ৰহ কৰিব লাগে; দ্বিতীয়তে মূল সাধুটোৰ অকা-টোঁত যাতে সংগ্ৰাহকৰ হাত নপৰে তালৈ লক্ষ্য ৰখা অপৰিহাৰ্য। সাধুৰ জঁকা আৰু তাক কোৱাৰ ভঙ্গী তাক কোন সময়ত কোৱা হয়, কোনে কয়, কাক কয়—এইবিলাকলৈ চকু দি কাম কৰিলেহে সাধু আৰু তাৰ সামাজিক পটভূমিৰ লগত থকা সম্পৰ্ক মুকলি হয়। তাৰ উপৰি সাধু ভিন ভিন উদ্দেশ্যেৰে কোৱা হয়। উদ্দেশ্য অনুসৰি সাধুৰো আকাৰ প্ৰকাৰৰ পাৰ্থক্য থাকে। সেই কাৰণে সাধুবিলাক বিশেষ বিশেষ শ্ৰেণীত সজোৱাটোও দৰকাৰ। অসমীয়া সংগ্ৰহবিলাকত এনে শ্ৰেণী বিভাজন দেখিবলৈ পোৱা নাযায়। বিশ্ববিদ্যালয়ৰ জনকৃষ্টি বিভাগে ছপোৱা চাইমনৰ খাচী-জয়ন্তীয়া সাধুৰ (ইংৰাজী) আৰু মোহিনীমোহন ব্ৰহ্মৰ বড়ো সাধুৰ সংগ্ৰহ দুটাহে এইফালৰ পৰা অলপ ব্যতিক্ৰম।

অসমীয়া সাধুৰ নিৰ্ভৰযোগ্য আৰু উপযুক্ত সংগ্ৰহ এতিয়াও হোৱা নাই। জনজাতীয় সাধু বৰং বেছি নিৰ্ভৰযোগ্যভাৱে কিছু ওলাইছে। হাটন, মিলজ আদি চৰকাৰী বিষয়াই যুগুত কৰা "আজামী নাগা" "চেমা নাগা" আদি কিতাপত বহুতো সাধু সংৰক্ষণ কৰিছে। নগা. মণিপুৰী, খাচিয়া আদি সাধুবিলাকৰ অধ্যয়নে দেখুৱায় যে অসমীয়া পৰম্পৰাগত সংস্কৃতিৰ কিছুমান সমল সকলোৰে উমৈহতীয়া। উদাহৰণ স্বৰূপে ঠগ প্ৰবঞ্চনাক কেন্দ্ৰ কৰি গঢ় লোৱা টেঁটন শ্ৰেণীৰ সাধু নাইবা শিয়াল বান্দৰ শ্ৰেণীৰ সাধুলৈ আঙুলিয়াব লাগে। এলউইনে সংগ্ৰহ কৰা অৰুণাচলৰ সাধুতো অসমৰ উমৈহতীয়া সংস্কৃতিৰ সমল উলিয়াব পাৰি।

অসমীয়া আলোচনীবিলাকে একালত জনকৃষ্টি সম্পৰ্কীয় সমল অলপ অচৰপ প্ৰকাশ নকৰাকৈ থকা নাছিল। পুৰণি আলোচনীত ওলোৱা সমল কিছুলৈ দৃষ্টি আকৰ্ষণ কৰা হ'ল।

বৰদৈচিলা (সাধু): জোনাকী নৱম খণ্ড, ১৯০২।

তাৰানাথ চক্ৰবৰ্তী: অসমীয়া ভকত সেৱা আৰু দেহবিচাৰৰ গীত: আসাম বান্ধৱ, প্ৰথম বছৰ ১৯০৯।

পদ্মাৱতী দেৱী ফুকননী: পানী তুলিবলৈ যোৱা নাম: ইঃ, বাঁহী ১৯১৭।

তুলসীনাৰায়ণ শৰ্মা: অসমীয়া জাতীয় গীত, নাম আৰু সাধুকথা: চেতনা, ১৯২৩।

চন্দ্ৰধৰ বৰুৱা: অসমীয়া যোজনা আদিৰ কথা: সাহিত্য সভা পত্ৰিকা ১৯৪০।

টেটোন তামুলীৰ সাধু বামেশ্বৰ বৰুৱাই (নে চলিহা) সম্ভৱ "আলোচনী" কাকতত উলিয়াইছিল। পুৰণি প্ৰবন্ধাদিৰ তালিকা এখন যুগুত কৰা আৱশ্যক। আলোচনীবিলাকত কৃষ্টিমূলক যি প্ৰকাশ দেখিবলৈ পোৱা যায় তাৰ সৰহখিনিয়ে গীত-পদ সম্বন্ধীয়। সাধুকথা আলোচনীবিলাকত কমেইহে ওলাইছে। 'আৱাহন'ত উদাহৰণ দিবলৈ গলে সাধু প্ৰকাশ হোৱা নাছিল, আনহাতে শ্ৰীৰামচন্দ্ৰ দাসে সংগ্ৰহ কৰা দুবলাৰ শান্তিৰ গতী ছপা হৈ ওলাইছিল।

অসমীয়া উল্লেখযোগ্য গীত-পদৰ ভিতৰত বিহুনামৰ আকৰ্ষণীয়তা সৰহ। বিহুনাম পুথি হিচাপে প্ৰকাশ কৰিছিল নকুলচন্দ্ৰ ভূঞা (বহাগী) আৰু ডিম্বেশ্বৰ নেওগে (আকুল পথিক)। ভূঞাদেৱে মোক চিঠি এখনত জনাইছিল, "বহাগীৰ পাতনিতে পাব তাহানি আসাম বিলাসিনী কাকতত জাননী দি, পুৰস্কাৰ দি বিহুগীতবিলাক গোটাইছিলোঁ। আপুনি এতিয়া বুজিবলৈ টান পাব—আমি যেতিয়া বিহুগীত গোটাইছিলোঁ, ভয়ত আৰু লাজত কোনেও নজনাকৈ মনে মনে গোটাইছিলোঁ।" অসমীয়া জাতীয় জীৱনত বিহুৰ স্থান, তাৰ লগত জড়িত নাম আৰু নাচ, জনবিশ্বাস ইত্যাদি সম্পৰ্কে সুচাৰুকৈ গবেষণা এতিয়াও নহ'ল। মই নিজৰ দুই এখন কিতাপত বাট মোকলাবলৈ যত্ন কৰিছিলো, কিন্তু বহল গবেষণাৰ প্ৰতি এতিয়াও কাৰো আগ্ৰহ লক্ষ্য কৰা নাই। বিহুনামৰ সংগ্ৰহ একাধিক এই বিলাকৰ ভিতৰত শ্ৰীলীলা গগৈৰ খনে ডাঙৰ। সম্ভৱ এহেজাৰমান বিহুনাম ছপাহৈ ওলাইছে। ছচবিৰ সংগ্ৰহ কৃষ্ণপদ বৰুৱাৰ খনেই (১৯৪১) ভাল। বিয়ানামৰ উত্তম সংগ্ৰহ সম্ভৱ ভুবন মোহিনী বৰানীৰ (১৯১১)। জিকিৰ, বাৰমাহী আদি গীতৰো সংগ্ৰহ ওলাইছে। জনজাতীয় গীতৰ ভিতৰত বড়ো আৰু ৰাভা গীত কিছু সংগৃহীত হৈছে।

মালিতাৰ ক্ষেত্ৰত ভদ্ৰসেন বৰাৰ নাম উল্লেখ কৰা হৈছে। ৰূপেশ্বৰ দত্তই ১৯২৫ চনত "জনা গাভৰুৰ গীত" ছপাই উলিয়াইছিল। মই জনাত এই মালিতাৰ দ্বিতীয় ৰূপ ক'তো প্ৰকাশ হোৱা নাই। দত্তকৈ এবছৰমান আগেয়ে সূৰ্যকুমাৰ ভূঞাই "বৰফুকনৰ গীত" নামৰ মালিতাটো সংগ্ৰহ কৰি তাত বুৰঞ্জীমূলক টোকা সংযোগ কৰি ছপাই উলিয়ায়। মালি-তাটিত জনকৃষ্টিমূলক দুই এটি কথাৰ ব্যাখ্যা তেওঁ দিব পৰা নাছিল। যেনে মোৰামুৱা আৰু এঠেলীয়া দেশ সম্পৰ্কে। পিচে অশ্বমুখ আৰু একচৰণ দেশৰ উল্লেখ বৰাহমিহিৰৰ বৃহৎ সংহিতা আৰু দুই এখন পুৰাণত পায়। এইবিলাক সাধুকথাৰ বস্তু। ডঃ ভূঞাই এই মালিতাৰ কিছু অংশ ১৯১০

চনতে সংগ্ৰহ কৰি বহী এখনত লিখি ৰাখিছিল। কিবেইটা মালিতা এতিয়ালৈকে পোৱা গৈছে সেইবিলাক একগোট কৰি উলিয়াব পাৰিলে ভাল।

গীত-পদৰ কাব্যিক সৌন্দৰ্য্যৰ প্ৰতি ডিম্বেশ্বৰ নেওগে দৃষ্টি আকৰ্ষণ কৰিছিল বৰ্তমান শতিকাৰ তৃতীয় দশকতে, "বাঁহী"ত লিখা প্ৰবন্ধ কেইটাৰ জৰিয়তে। ১৯২৮ চনত তেওঁ অসমীয়া নিচুকণি (আখ্যানমূলক বুলিব পাৰি) গীত

জোনবাইৰ আগৰে একেটি তৰা

আয়ে বিয়া দিলে গছীয়া দৰা,.....

এইটোৰ এক অংশৰ লগত ইংৰাজী মালিতা "ডি ক্ৰুৱেল ব্ৰাডাৰ" এক অংশৰ যে ভাবৰ সাদৃশ্য আছে এই কথাকৈ আঙুলিয়াইছিল।

ফোকলোৰ নাইবা জনকৃষ্টি বিষয়টো যে এটি স্বকীয়া বিজ্ঞান হিচাপে সুৰ দাঙি উঠিছে আৰু তাৰ যে বিশেষ সামাজিক সাৰ্থকতা আছে তাকৈ আমাৰ ভাষাত প্ৰথমে আঙুলিওৱা হয় এই লিখকৰ ১৯৪৮ চনত প্ৰকাশ হোৱা পুথি "অসমীয়া জনসাহিত্য"ত। এই খনৰ প্ৰেৰণাতে শ্ৰীভবেন নাৰ্জিয়ে "বৰো কছাৰীৰ জনসাহিত্য" লিখে (১৯৫৭)। খিৰিজি কুমাৰ বৰুৱাৰ "অসমৰ লোক সংস্কৃতি" (১৯৬১) আৰু নাৰ্জিৰ "বড়ো কছাৰীৰ সমাজ আৰু সংস্কৃতি"(১৯৬৬) সামাজিক দৃষ্টি ভঙ্গীৰে লক্ষ্য ৰাখি ৰচনা কৰা দুখন মূল্যবান কিতাপ। এই কিতাপ দুখনে দেখুৱায় যে জনকৃষ্টিয়ে অকল সাধু, গীত-পদ নাইবা যোজনা পটন্তৰকে নুবুজায় জনবিশ্বাস, গাৱঁত বতি থকা শিল্প-কৰ্ম, পূজা-পাতল আদিকো সামৰে। সম্প্ৰতি প্ৰকাশ হোৱা আন কিতাপৰ ভিতৰত ডঃ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য "অসমৰ লোক উৎসৱ' আৰু শ্ৰীনিখিলেশ বৰুৱাৰ "প্ৰান্তবাসীৰ লোক সংগীতত এভুমুকি" এই দুখনৰ নামো উল্লেখ কৰিব লাগে।

অসমীয়া সাহিত্যৰ বুৰঞ্জী

শ্ৰীশৰ্মী শৰ্মা

এতিয়ালৈকে পোৱা তথ্য অনুসৰি অসমীয়া সাহিত্যৰ পোনপ্ৰথম বুৰঞ্জী ৰচনা কৰে পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে। উনবিংশ শতিকাৰ নব্বৈৰ দশকৰ আৰম্ভৰ লগে লগে তেতিয়াৰ কলিকতীয়া অসমীয়া ছাত্ৰ হেমচন্দ্ৰ গোস্বামীয়ে অ-ভা-উ-সা সভাৰ কাৰণে 'অসমীয়া ভাষা' বোলা এলানি আলোচনা লিখিছিল আৰু পিছত ছোৱা ছোৱাকৈ ইং "জোনাকী"ত প্ৰকাশ হৈছিল। গুণাভিৰাম বৰুৱাৰ পৌৰোহিত্যত বহা অ-ভা-উ-সা সভাৰ এই অধিবেশনত পঢ়া এই আলোচনাত আদিৰে পৰা হেমচন্দ্ৰ-গুণাভিৰামলৈ অসমীয়া সাহিত্যৰ সুদীৰ্ঘ প্ৰবাহৰ চমু অথচ বৈজ্ঞানিক পদ্ধতিত ৰচিত আলোচনা ছাত্ৰ হেমচন্দ্ৰ গোস্বামীয়ে দাঙি ধৰিব পৰা কম কৃতিত্বৰ কথা নহয়। আচলতে পৰৱৰ্তীকালৰ অসমীয়া সাহিত্যৰ বুৰঞ্জী লিখকসকলে হেমচন্দ্ৰ গোস্বামীক অনুসৰণ কৰাই দেখা যায়। পিছত মাটিৰ হাকিম হেমচন্দ্ৰ গোস্বামীয়েই কুৰি শতিকাৰ দ্বিতীয় আৰু তৃতীয় দশকত ক্ৰমে "অসমীয়া পুথিৰ বিৱৰণমূলক তালিকা" (Descriptive Catalouge of Assamese Manuscript) আৰু প্ৰসিদ্ধ "অসমীয়া সাহিত্যৰ চানেকি" ৰচনা কৰি অসমীয়া সাহিত্যৰ গৱেষণাৰ বাটটো মুকলি কৰি দিয়ে। হেমচন্দ্ৰ গোস্বামীৰ এই তিনিখন ৰচনা আচলতে অসমীয়া সাহিত্যৰ বুৰঞ্জী ৰচনা আৰু গৱেষণাৰ ক্ষেত্ৰত প্ৰথম মাইলৰ খুটি।

হেমচন্দ্ৰ গোস্বামীৰ পিছত দেবেন্দ্ৰনাথ বেজবৰুৱাই ৰচনা কৰে "অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী"। চল্লিশৰ আগতেই আৰম্ভ কৰি চল্লিশৰ পিছত অসমীয়া সাহিত্যৰ বুৰঞ্জী ৰচনা কৰি প্ৰসিদ্ধি লাভ কৰা বুৰঞ্জী লেখক হ'ল ডিম্বেশ্বৰ নেওগ। হেমচন্দ্ৰ গোস্বামীৰ পিছতেই

ডিম্বেশ্বৰ নেওগে অসমীয়া সাহিত্যৰ বুৰঞ্জী ৰচনাত যথেষ্ট গৱেষণা আৰু অধ্যৱসায়ৰ পৰিচয় দিয়ে। তেওঁ "অসমীয়া সাহিত্যৰ বুৰঞ্জী"ৰ (১৯৫৭) আগ কথাত নিজেই লিখিছে যে ১৯১৯ চনতেই "চেতনা"ৰ বুকুত সাহিত্যৰ বুৰঞ্জী ৰচনাৰ পাতনি মেলে। ইয়াৰ ফলত ১৯৩৮ চনত প্ৰকাশ হয় "অসমীয়া সাহিত্যৰ জিলিঙনি"। ইয়াৰ আগতে নগাঁৱৰ চন্দ্ৰধৰ বৰুৱা সোঁৱৰণি প্ৰতিযোগিতাৰ কাৰণে ৰচিত "আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী" ১৯৩৭ চনতেই প্ৰকাশ হৈছিল। এই দুখোন বুৰঞ্জীৰ সমন্বয়ত ১৯৪০ চনত প্ৰকাশ হয় তেওঁৰ "অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভুমুকি"। ইয়াৰ পিছত তেওঁ সাহিত্যৰ বুৰঞ্জীত যোগ-বিয়োগ কৰিয়ে আছে। ফলত ১৯৫০ চনত প্ৰকাশ হয় "অসমীয়া সাহিত্যৰ জেউতি"। শেষত এই আটাইকেইখনৰ সমন্বয়ত ৰচনা কৰে "অসমীয়া সাহিত্যৰ বুৰঞ্জী" (১৯৫৭) খন। চল্লিশৰ দশকতেই ৰচনা কৰিলেও ১৯৬২ চনত প্ৰকাশিত আৰু ইংৰাজীত ৰচিত "অসমীয়া সাহিত্যৰ বুৰঞ্জীত নতুন পোহৰ" (New Light on the History of Asamiya Literature) খনে ১৯৫৭ চনত প্ৰকাশিতখনতকৈ অলপ নতুন খবৰ দিব পাৰিছে। সৰ্বশেষত ১৯৬৪ চনত প্ৰকাশ হয় তেওঁৰ "নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী"খন।

লেখকত ডিম্বেশ্বৰ নেওগে ৰচনা কৰা সাহিত্যৰ বুৰঞ্জী সাতখন। প্ৰতিখনতেই অলপ নহয় অলপ নতুন কথা সংযোগ হৈছে আৰু শেষত তেওঁৰ দৃষ্টিৰে সম্ভৱতঃ পৰিপূৰ্ণতা লাভ কৰিছে 'শেষৰ তিনিখন পুথিত। পঞ্চমখনৰ দীঘলীয়া পাতনিত তেওঁ অসম, অসমীয়া আৰু অসমীয়া ভাষা সাহিত্যৰ উৎপত্তি আৰু বিকাশৰ বিষয়ে পাণ্ডিত্যপূৰ্ণ আলোচনা দাঙি ধৰাৰ লগতে অন্যান্য বিভিন্ন সমালোচকলৈ কটুবাক্যও বৰ্ষণ কৰিছে। ইংৰাজীখনত এনে কটুবাক্য বৰ্জন কৰিছে আৰু শেষৰখনৰ আগ কথা যথেষ্ট চমু কৰিছে। পঞ্চমখনত তেওঁ বেজবৰুৱা যুগৰ পিছৰচোৱা সাহিত্যিকৰ ৰচনাৰ বিষয়ে কটূক্তি কৰিছে যদিও ষষ্ঠ ইংৰাজীখন আৰু শেষৰ অসমীয়া খনত চল্লিশৰ পিছৰ বিশিষ্ট দুই চাৰি গৰাকী সাহিত্যিকৰ নাম অন্ততঃ তেওঁ উল্লেখ কৰিছে। তেওঁৰ বুৰঞ্জী কেইখনৰ বৈশিষ্ট্যৰ কথা ১৯৬৪ চনত প্ৰকাশিত শেষৰখন বুৰঞ্জীত তেওঁ নিজে এনেদৰে উল্লেখ কৰিছে—"১৯৪০ চনত আমাৰ 'অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ ভুমুকি' ওলায়। নানা কাৰণৰ বাবে বৈষ্ণৱ যুগৰ আটাইবোৰ পুথি আৰু এই সম্পৰ্কে সকলো মতামত পঢ়ি চালি-জাৰি চাব পৰা নাছিলোঁ, আৰু কোনো আপত্তি নকৰি পূৰ্ববৰ্তী লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী প্ৰভৃতিৰ মততে হুবহু দি লিখিছিলোঁ।

পাছত লাহে লাহে যেতিয়া সেই পুথিবোৰ আৰু তাৰ বিষয়ে পূৰ্ব্ববৰ্ত্তীসকলৰ মতামত চালি-জাৰি চাবৰ সকাহ পালোঁ, তেতিয়া আমাৰ সেই পৰনিৰ্ভৰতা যে ভুল আৰু অন্যায় হৈছিল তাক বুজিব পাৰিলোঁ। গতিকে আমাৰ ১৯৫০ চনত ওলোৱা চমু আৰু ১৯৫৬ চনত ওলোৱা বহল অসমীয়া সাহিত্যৰ বুৰঞ্জী আৰু ১৯৬২ত প্ৰকাশিত 'New Light on the History of Asamiya Literature'ত আমি ক্ৰমে ক্ৰমে সেই ভুলবোৰ শুধৰাই আনিছোঁ।" (ন. পো. অ. সা. বু. ১৯৬৪)। ইয়ে নেওগ ডাঙৰীয়াৰ অধ্যয়নশীলতা, তথ্যানুসন্ধিৎসা আৰু পৰ্যবেক্ষণশীলতাৰ পৰিচয় দিয়ে।

তেওঁৰ বুৰঞ্জীত বিষয়বস্তুৰ ভেটিত সাহিত্যিক মূল্য নিৰূপণৰ চেষ্টা আছে। প্ৰতিটো যুগৰেই ৰাজনৈতিক আৰু সামাজিক পটভূমিৰ ভেঁটিত পৰিবৰ্তিত বা পৰিবৰ্দ্ধিত সাহিত্যিক দৃষ্টি-ভঙ্গীৰ কথাও সন্নিবিষ্ট হৈছে। যুগ বিভাগৰ ক্ষেত্ৰতো ক্ৰমে ক্ৰমে অভিনৱত্বৰ পৰিচয় দিব পাৰিছে। 'জোনাকী' যুগৰ বিশিষ্ট সাহিত্যিকসকলৰ ৰচনাৰ মাজেদি পাশ্চাত্যৰ প্ৰবাহ কিদৰে মূৰ্ত হৈ উঠিছিল তাৰো বিস্তৃত আলোচনা পোনপ্ৰথমে এওঁৰ সাহিত্যৰ বুৰঞ্জীতেই দেখিবলৈ পোৱা যায়। আধুনিক কবিতাৰ বিকাশৰ বিষয়ে আলোচনা কৰি উপলব্ধি কৰা সত্য "প্ৰকৃতত্তে পৰিৱৰ্তিত অৱস্থাৰ লগত নিজকে খাপখুৱাই লব পৰাই জীৱন; তাকে কৰিব নোৱাৰিলে মৃত্যু অনি-ৱাৰ্য" বা "সংস্কৃতি কথাটো এনেকুৱাই; ই বিশ্বজনীন আৰু গতিশীল; এই দুই গুণ হেৰালেই ই প্ৰাণহীন ৰীতি-নীতিত পৰিণত হয়" (অসমীয়া সাহিত্যৰ বুৰঞ্জী, ১৯৫৭)। নেওগ ডাঙৰীয়াৰ এনে উক্তি ইংৰাজী সাহিত্যৰ অধ্যয়নৰ যে সুফল তাক কবই নালাগে। তেওঁ সমাজতন্ত্ৰৰ আদৰ্শত গঢ় লৈ উঠা ইংৰাজী সাহিত্যৰ গতিবিধিৰ বিষয়ে সাধাৰণ ভাবে হলেও উল্লেখ কৰি কৈছে,—"বৰ্তমান যুগৰ সাহিত্য দিনক দিনে কলা-বিদ্যাৰ ফালৰ পৰা কালৰি কাটি সামাজিক প্ৰচাৰ কাৰ্যৰ ফালেহে আগ বাঢ়িছে, আৰু সেই কাৰ্যৰ দ্বাৰাই ই সাহিত্য আৰু সামাজক নতুন শক্তি দিবৰ প্ৰয়াস পাইছে" (অসমীয়া সাহিত্যৰ বুৰঞ্জী)। একে প্ৰসঙ্গতে বৰ্তমান যুগৰ সাহিত্যৰ স্বৰূপৰ বিষয়ে আৰু কৰি সংযোগ কৰিছে—"বৰ্তমান যুগৰ কবিতাত যদি সৌন্দৰ্য আৰু মাধুৰ্যৰ পৰিবৰ্তে আমি দুটা আৰু বহুটা গুণহে দেখা পাওঁ, তাৰ পৰা আমি বুজিব লাগিব যে আমাৰ বৰ্তমান জীৱন তেনে দুটা আৰু বহুটা হৈছে; গতিকে সাহিত্যত সিও স্বাভাবিক" (অঃ সাঃ বুঃ)।

এনেবোৰ উক্তি আৰু উপলব্ধিৰ ভেঁটিত চালে ডিম্বেশ্বৰ নেওগক উদাৰ আৰু যুক্তিযুক্তবাদী সমালোচক যেনেই লাগে। কিন্তু আচলতে এইবোৰ

তেওঁৰ পুথিগত উক্তি, পাশ্চাত্যৰ ইংৰাজী লেখকসকলৰ অসমীয়া প্ৰতিলিপি—ই তেওঁৰ অন্তৰৰ উপলব্ধিৰ কথা নহয়। কাৰণ এই একেখন সাহিত্যৰ বুৰঞ্জীতেই তেওঁ বেজবৰুৱা যুগৰ পিছৰ পাশ্চাত্য প্ৰভাৱ-পুষ্ট অসমীয়া সাহিত্যিকসকলৰ ৰচনাক "অব্যাপাৰেষু ব্যাপাৰঃ" (অৱনুৱাৰ বন্দ) বুলি পেংলাই কৰিছে আৰু স্পষ্ট ভাষাত লিখি গৈছে— "বেজবৰুৱা, বৰদলৈ আদিৰ পৰলোকত সাহিত্য ৰত্নৰ ফুল আৰু অসমীয়া সাহিত্যৰ সাধনা এটা ভগনীয়াৰ সমস্যাত পৰিণত হৈছে ; অ'ৰ-ত'ৰ পৰা আহি সাহিত্যত এখাপ মাৰিয়েই সাহিত্যিক বা সাহিত্যৰথী হব পৰা হৈছে। প্ৰত্যেক বাটৰ বাটৰুৱাই অসমীয়া সাহিত্যৰ সমালোচক হব পাৰে ; কিয়নো তাৰ বাবে সাহিত্য শিল্পৰ কোনো অনুশীলন আৰু অসমীয়া সাহিত্যৰ বিশেষ অধ্যয়ন নহলেও আলোচ্য বিষয়ৰ লগত কোনো সম্পৰ্ক থাওক-নাথাওক আন সাহিত্য সমালোচনাৰ "ওঁ ক্লিং হ্লিং হ্লিং" মাত্ৰ উচ্চাৰিলেই যথেষ্ট" (অসমীয়া সাহিত্যৰ বুৰঞ্জী, ১৯৫৭)। একেখন পুথিৰ 'আগ কথা'ত তেওঁ ডঃ বাণীকান্ত কাকতিৰ পাণ্ডিত্যৰ প্ৰতি কটাক্ষপাত কৰিবলৈয়ো এৰা নাই। এনে তিক্ততাই তেওঁৰ আলোচনাৰ ভালেখিনি গুণ খৰ্ব কৰিছে। নেওগ ডাঙৰীয়াই বেজবৰুৱা যুগৰ পৰৱৰ্তী কোনো সাহিত্যিকক স্বীকৃতি দিবলৈ ইচ্ছা কৰা যেন নালাগে।

ডিম্বেশ্বৰ নেওগ মুখ্যতঃ পশ্চাৎমুখী। তেওঁৰ আদৰ্শ সাহিত্যিক শংকৰদেৱ। তেওঁ মন কৰা নাই যে সম্প্ৰতি শংকৰদেৱো নাই আৰু শংকৰদেৱৰ দিনৰ সমাজখনো নাই। জোনাকী যুগৰ পৰা যে আমাৰ সাহিত্যই প্ৰত্যেক দিশতে ক্ৰমে ক্ৰমে আগ বাঢ়িয়ে আছে, আনকি সমালোচনা সাহিত্যৰ ক্ষেত্ৰতো যে নতুন দিগন্তৰ উন্মেষ ঘটিছে তাক তেওঁ স্বীকাৰো নকৰে। তেওঁৰ মতে "নতুন সমালোচনা বাস্তৱতে আজি প্ৰায় প্ৰৱঞ্চনাৰ দৰেই হৈছে : কিয়নো তাত সমালোচকৰ ভুৱা পাণ্ডিত্যৰ আড়ম্বৰ আছে, কিন্তু সানুভৱ নাই।" (নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী, ১৯৬৪) এনে মন্তব্য নিশ্চয় গ্ৰহণযোগ্য নহয়।

ডিম্বেশ্বৰ নেওগৰ সাহিত্যৰ বুৰঞ্জীৰ আন এটা উল্লেখযোগ্য ত্ৰুটি এয়ে যে তেওঁ প্ৰায়েই সাহিত্যতকৈ সাহিত্যিকৰ জীৱনী বেছিকৈ কয়। আচলতে সাহিত্যিক এজনৰ সাহিত্য কৰ্মৰ মান নিৰ্ণয় কৰিবলৈ হলে তেওঁৰ সমকালীন সামাজিক পৰিৱেশ বা পৰিস্থিতিৰ পৰ্যালোচনা আৰু বিশ্লেষণ কৰাৰহে আৱশ্যক আৰু সাধাৰণতে একো একোটা যুগৰ সাহিত্যিকসকলে প্ৰায়েই একে ধৰণৰ পৰিস্থিতিৰ সন্মুখীন হব লগাত পৰে। গতিকে একোটা

যুগৰ বিশিষ্ট পৰিচয় দিয়াৰ পিছত সাহিত্যিকজনৰ জীৱনী বিস্তৃতৰূপে আলোচনা কৰাৰ বিশেষ প্ৰয়োজন নাথাকে। জীৱনী ভাগত গুৰুত্ব আৰোপ কৰিলে, সাহিত্য কৰ্মৰ আলোচনা হৈ পৰে গৌণ আৰু প্ৰভাৱহীন। বৈষ্ণৱ যুগৰ সাহিত্যবিষয়ক আলোচনাত তেওঁ শঙ্কৰ মাধৱৰ পিছৰ বা তেওঁলোকৰ সমকালীন অনন্ত কন্দলি, ৰাম সৰস্বতী আৰু ভট্টদেৱৰ সাহিত্য প্ৰতিভাৰ আলোচনাৰ প্ৰতি যথোচিত মনোযোগ নিদিলেই যেন অনুমান হয়। এনেবোৰ ত্ৰুটী-বিচ্যুতিয়ে তেওঁৰ সাহিত্যৰ বুৰঞ্জীৰ ভালেখিনি গুণ ঢাকি ধৰিছে।

ডিম্বেশ্বৰ নেওগৰ লগতে প্ৰায় একে সময়তে সাহিত্যৰ বুৰঞ্জী ৰচনা কৰিবলৈ লোৱা আন এগৰাকী পণ্ডিত হ'ল বিৰিঞ্চিকুমাৰ বৰুৱা। এৰা-ধৰাকৈ চাৰিখনো সাহিত্যৰ বুৰঞ্জী ৰচনা কৰিছে যদিও নেওগৰ দৰে সাহিত্যৰ বুৰঞ্জী ৰচনা কৰা ক্ষেত্ৰত তেওঁ অধ্যৱসায়ৰ পৰিচয় দিব পৰা নাই। ১৯৫০ চনত প্ৰকাশিত 'অসমীয়া কথা সাহিত্য'খনৰ বাহিৰে বাকী তিনিওখন বুৰঞ্জী বিশেষ উদ্দেশ্যে ৰচিত। ১৯৪১ চনত প্ৰকাশিত ইংৰাজীত ৰচিত "অসমীয়া সাহিত্য" (Assamese Literature) বোলা এখানিমান বুৰঞ্জীখন তেওঁ বোম্বাইৰ 'ইণ্টাৰনেচনেল বুক হাউচ'ৰ কাৰণে ৰচনা কৰিছিল। ১৯৫৭ চনত প্ৰকাশিত আৰু ইংৰাজীত ৰচিত "আধুনিক অসমীয়া সাহিত্য"খন (Modern Assamese Literature) তেওঁ ১৯৫৮ চনত গুৱাহাটীত বহা জাতীয় কংগ্ৰেছ মহাসভাৰ অধিবেশন উপলক্ষে ৰচনা কৰিছিল আৰু ১৯৬৪ চনত প্ৰকাশিত আৰু ইংৰাজীত ৰচিত 'অসমীয়া সাহিত্যৰ বুৰঞ্জী' খন ৰচনা কৰিছিল সাহিত্য একাডেমীৰ কাৰণে। সম্ভৱতঃ সেই কাৰণে তেওঁ এটা নিৰ্দিষ্ট সীমাৰ মাজত থাকি বুৰঞ্জী কেইখন ৰচনা কৰিব লগাত পৰিছিল। তেওঁ যে এগৰাকী গৱেষক পণ্ডিত আছিল অসমৰ সাংস্কৃতিক বুৰঞ্জী আৰু লোক সংস্কৃতিৰ বিৰাট পুথি দুখনে এই কথা সদিয়াই আছে। এই বুৰঞ্জী কেইখনৰ মাজেদি গলেও সমালোচকৰ কাৰণে আৱশ্যকীয় উদাৰতা, বহুদৰ্শিতা, মননশীলতা, অধ্যয়ন প্ৰৱণতা আৰু সহনশীল পৰ্যবেক্ষণৰ নিদৰ্শন পাতে পাতে পোৱা যায়। তাহানি হেমচন্দ্ৰ গোস্বামীয়ে যেনেকৈ জ্ঞানাভিৰাম বৰুৱাৰ সাক্ষাতে গুণাভিৰামৰ সাহিত্যৰ বিষয়ে আলোচনা দাঙি ধৰিছিল, তেনেকৈ বিৰিঞ্চিকুমাৰ বৰুৱাইও তেওঁৰ বুৰঞ্জী কেইখনত লিখাৰ সময়লৈকে নবীন-প্ৰবীণসকলৰ সকলো লিখাৰ সাহিত্যৰ বিষয়ে যথাসম্ভৱ মুকলি আলোচনা তুলি ধৰি স্পন্দনপূৰ্ণ সাহিত্যিক পৰিৱেশ সৃষ্টিৰ চেষ্টা কৰিছিল। অৱশ্যে তেওঁৰ

কথা সাহিত্যখন আংশিকহে ; তাত তেওঁ মন্ত্ৰ সাহিত্যৰ পৰা বুৰঞ্জী সাহিত্যলৈ অসমীয়া কথা সাহিত্যৰ ক্ৰম বিকাশৰ পৰিচয়হে দাঙি ধৰিছে। অৰুণোদয় যুগৰ আৰু তাৰ পিছৰ বৈচিত্ৰময় অসমীয়া কথা সাহিত্যৰ পৰিচয় ড: বৰুৱাৰ পুথিত নাই। তেওঁৰ বুৰঞ্জী কেইখন সাহিত্যিকৰ জীৱনীয়ে ভাৰাক্ৰান্ত কৰাৰ নিদৰ্শনো নাই, কাৰো প্ৰতি পক্ষপাতিত্ব বা কটূক্তিও নাই। কেৱল স্থিতধী গৱেষক-সমালোচকৰ দৃষ্টিৰে তেওঁ নিৰপেক্ষভাৱে সমালোচনাত প্ৰবৃত্ত হৈছে। ড: বৰুৱাই অসমীয়াত লিখাহৈঁতেন আৰু নিজৰ অভিৰুচি অনুসৰি আৱশ্যকীয় উদ্ধৃতিৰে সকলো কেইখন বুৰঞ্জী সমৃদ্ধ কৰি ৰচনা কৰিব পৰাহেঁতেন তেওঁৰ সাহিত্যৰ বুৰঞ্জীৰ আদৰ আৰু বাঢ়িলহেঁতেন। ড: বৰুৱাৰ ৰীতি ব্যাখ্যাত্মক, কোনো কোনো ক্ষেত্ৰত তুলনামূলক আলোচনাও দাঙি ধৰিছে। আধুনিক অসমীয়া সাহিত্যৰ লগত পাশ্চাত্য সাহিত্যৰ সাদৃশ্যৰ কথা তেওঁ বেছ সুন্দৰকৈ আলোচনা কৰিছে। ভৱানন্দ দত্তৰ পিছত আমাৰ নতুন কবিতাৰ বিষয়ে আলোচনা লিখি নতুন কবিসকলক স্বীকৃতি দিয়া লিখক তেৱেঁই।

ড: বৰুৱাই "আধুনিক অসমীয়া সাহিত্য" ৰচনা কৰাৰ সময়তেই যতীন্দ্ৰনাথ গোস্বামীৰ "অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী" (১৯৫৭) খনো প্ৰকাশ হয়। এই বুৰঞ্জীখনৰ বিষয়ে ভিক্ষেশ্বৰ নেওগে তেওঁৰ "নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী" (১৯৬৪) নামৰ পুথিখনৰ 'আগ কথা'ত এনেদৰে লিখিছে— "পাছত 'অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী' বুলি ১৯৬৫ চনত ওলোৱা এখন কিতাপলৈ দুই-চাৰিজন ডেকা বন্ধুৱে আমাৰ দৃষ্টি আকৰ্ষণ কৰে। কিতাপখন মেলি চাই দেখো তাৰ পাতনিত আৰু প্ৰৱাণ পঞ্জীত আমাৰ প্ৰকাশিত কিতাপ কেইখনৰ নাম নিলগকৈ উনুকিয়ালেও মৰমপতে সি আমাৰ (১) আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী ১৯৩৭, (২) অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভুমুকি ১৯৪০, (৩) অসমীয়া সাহিত্যৰ বুৰঞ্জী (চমু) ১৯৪৭, আৰু (৪) অসমীয়া সাহিত্যৰ বুৰঞ্জী (বহল), ১৯৫৬ পুথিকেইখনৰ 'চমু' তাৎপৰ্য বুলিব পাৰি।" তাৰ পিছত বহল-বিস্তৃত, তুলনামূলক নিদৰ্শনেৰে গোস্বামীৰ বুৰঞ্জীখনৰ লগত থকা সাদৃশ্য দাঙি ধৰিছে। নেওগ ডাঙৰীয়াই দাবী কৰাৰ দৰে আমি সূক্ষ্মভাৱে বিচাৰ কৰিলে গোস্বামীৰ বুৰঞ্জীখনত চহজে নেওগ ডাঙৰীয়াৰ বুৰঞ্জীৰ যথেষ্ট প্ৰভাৱ বা সাদৃশ্য দেখিবলৈ পোৱা যায়। কিন্তু ১৯৬৪ চনত প্ৰকাশিত গোস্বামীৰ বুৰঞ্জীখনৰ পাত লুটিয়াই চালে তেওঁৰ নিষ্ঠা আৰু শ্ৰদ্ধা-বোধৰ পৰিচয় পোৱা যায়। এইটো সঁচা যে যথাৰ্থ বুৰঞ্জী লিখকৰ তথ্যানুসন্ধিৎসা বা বিশ্লেষণশীল স্থিতধী সমালোচকৰ দৃষ্টিৰে

উদ্বুদ্ধ হৈ তেওঁ সাহিত্যৰ বুৰঞ্জী ৰচনাত প্ৰবৃত্ত হোৱা নাই।

অসমীয়া সাহিত্যৰ বুৰঞ্জী ৰচনাত উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে ড: সত্যেন্দ্ৰ নাথ শৰ্মাই। ১৯৫৯ চনত প্ৰকাশিত তেওঁৰ "অসমীয়া সাহিত্যৰ ইতিবৃত্ত" বোলা পুথিখন এখন পূৰ্ণাঙ্গ পৰ্যায়ৰ অসমীয়া সাহিত্যৰ বুৰঞ্জী। ড: শৰ্মাই যুগ-বিভাগৰ ক্ষেত্ৰত হেমচন্দ্ৰ গোস্বামী বা লক্ষ্মীনাথ বেজবৰুৱাক (বেজবৰুৱাৰ সাহিত্য সভাৰ অভিভাষণ দ্ৰষ্টব্য) অনুসৰণ কৰিছে, পূৰ্ববৰ্তীসকলৰ দৰেই তেওঁ মধ্যযুগীয় সাহিত্যিকসকলৰ জীৱনী সংযোগতো কিছু গুৰুত্ব দিছে (যদিও মাত্ৰাধিক্য হোৱা নাই)। তেওঁ সাহিত্য কৰ্মৰ বিষয়ে যথাসম্ভৱ ব্যক্তি নিৰপেক্ষ বৈজ্ঞানিক দৃষ্টিসম্পন্ন আলোচনাও সংযোগ কৰিছে। গৱেষকৰ দৃষ্টি তেওঁৰ বুৰঞ্জীত বৰ্তমান। তেওঁৰ আলোচনা ব্যাখ্যাত্মক, কোনো কোনো ঠাইত তুলনামূলকো। আধুনিক যুগৰ সাহিত্যৰ বিষয়ে তেওঁ উদাৰ দৃষ্টিৰেই আলোচনাত প্ৰবৃত্ত হৈছে। পুথিখন ৰচনাৰ কাললৈ যথাসম্ভৱ সকলো সাহিত্যিকক স্বীকৃতি দিয়াৰ চেষ্টাও তেওঁৰ আছে। আচলতে এই ক্ষেত্ৰত ড: শৰ্মা ড: বৰুৱাৰ অনুগামী যেন লাগে। দুয়োজনাৰ আলোচনাও সমগোত্ৰীয়। সমকালীন বিশ্ব-সাহিত্যৰ প্ৰভাৱ-পুষ্ট সাহিত্যৰ বিষয়ে সকলো ক্ষেত্ৰতে আলোচনা কৰাৰ স্পষ্ট নিদৰ্শন তেওঁ দিব পৰা নাই। তথাপি ড: শৰ্মাৰ সাহিত্যৰ বুৰঞ্জী ৰচনাৰ ক্ষেত্ৰত এক বিশিষ্ট স্থান আছে। কাৰণ তেঁৱেই আচলতে সাহিত্যৰ একো একোটা বিশিষ্ট দিশৰ বিষয়ে ধাৰাবাহিক আলোচনা কৰাৰ পথ মুকলি কৰি দিয়ে। তেওঁৰ আগতে ড: বৰুৱাই "অসমীয়া কথা সাহিত্য" বোলা পুথিখন ৰচনা কৰিছিল, কিন্তু ই আছিল অসম্পূৰ্ণ। ড: শৰ্মাই একেৰাহে "অসমীয়া নাট্য সাহিত্য"(১৯৬২), "অসমীয়া উপন্যাস সাহিত্যৰ ভূমিকা"(১৯৬৭) আৰু "অসমীয়া কাহিনী কাব্যৰ প্ৰৱাহ" (১৯৭০) ৰচনা কৰি অসমীয়া সাহিত্যৰ বুৰঞ্জী ৰচনাৰ ক্ষেত্ৰত নতুন দিগন্ত মুকলি কৰে। সচা কথা, ড: শৰ্মাৰ প্ৰকাশ-ভঙ্গী বৈচিত্ৰ্যপূৰ্ণ নহয়। 'সাহিত্যৰ ইতিবৃত্ত'খন ৰচনা কৰোতে তেওঁ যি ভঙ্গীৰ আশ্ৰয় লৈছিল 'কাহিনী কাব্যৰ প্ৰবাহ' ৰচনালৈকে সেই একে ভঙ্গীকে প্ৰয়োগ কৰি আহিছে। বিষয়বস্তু বা সাহিত্যিক সৌন্দৰ্য বিশ্লেষণৰ ক্ষেত্ৰতো তেওঁ একে ভঙ্গীৰেই আলোচনা তুলি ধৰিছে। কিন্তু গভীৰ নিষ্ঠাৰে তেওঁ যেনেকৈ আমাৰ সাহিত্যৰ ভিন ভিন দিশৰ আলোচনামূলক বুৰঞ্জী ৰচনা কৰিবলৈ লৈছে ইয়াৰ মৰ্যাদা আমাৰ সাহিত্যৰ বুৰঞ্জীত অটুত থাকিব। ড: শৰ্মাৰ সুশৃঙ্খলিত বিস্তৃত অধ্যয়ন, চিন্তা, পৰ্যবেক্ষণ আৰু আন্তৰিক উপলব্ধিৰ সুন্দৰ পৰিচয় আছে। তেওঁ 'সাহিত্যৰ ইতিবৃত্ত'

খনতো যথাসম্ভৱ সাহিত্য কৰ্মৰ পৰিচয় দিছে, অনুভূতিপূৰ্ণ তাত্ত্বিক আলোচনাও দাঙি ধৰিছে। বাকী তিনিখন বুৰঞ্জীও মৌলিক সৃষ্টিয়েই। নাটক, উপন্যাস আৰু কাব্য বিষয়ক পুথি কেইখনৰ প্ৰতিখনতে আলোচ্য প্ৰায় প্ৰতিখন পুথিৰে চমু আভাষ দিয়াৰ পিছতহে, তেওঁ পুথি একোখনৰ গুণাগুণ, সাহিত্যিক সৌন্দৰ্য, বিশিষ্টতা বা আকৰ্ষণৰ কথা দাঙি ধৰিছে। পৌৰাণিক বা ঐতিহাসিক নাটক বা কাব্যৰ ক্ষেত্ৰত তেওঁ মূল কাহিনী ভাগৰো আভাষ দিয়াৰ চেষ্টা কৰি পঢ়ুৱৈৰ মনত অনুসন্ধিৎসা জাগ্ৰত কৰি তুলিব পাৰিছে। পাশ্চাত্য প্ৰভাৱপুষ্ট নাটক, উপন্যাস আৰু কাব্যৰ ক্ষেত্ৰত তেওঁ যথাসম্ভৱ পাশ্চাত্য সাহিত্যৰ লগত তুলনামূলক আলোচনা কৰাৰো চেষ্টা কৰিছে। প্ৰতিখন নাটক, উপন্যাস বা কাব্যৰ ক্ষেত্ৰত তেওঁৰ নিজস্ব মৌলিক অভিমতো দাঙি ধৰিবলৈ সমৰ্থ হৈছে। আনকি নাট্যকাৰ আগৰবালাৰ অপূৰ্ণতাৰ কথাও তুলি ধৰিছে। 'সাহিত্যৰ ইতিবৃত্ত', 'নাট্য সাহিত্য' আৰু 'কাব্যৰ প্ৰবাহ'ত তেওঁ পুথিখনৰ ৰচনা কাললৈ যথাসম্ভৱ সকলো সাহিত্যিকৰ সৃষ্টিকেই স্বীকৃতি দিয়াৰো চেষ্টা কৰিছে। কিন্তু 'উপন্যাস সাহিত্যৰ ভূমিকা'ত তেওঁ অৰুণোদয় যুগৰ মিচনেৰীসকলে লিখা উপন্যাস সদৃশ কাহিনী সাহিত্যৰ পৰা ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাসলৈহে আলোচনা আগ বঢ়াইছে। তেওঁ দ্বিতীয় খণ্ডত বাকীবোৰ উপন্যাসৰ বিষয়ে, আলোচনা কৰিব বুলি অৱশ্যে প্ৰতিশ্ৰুত হৈ আছে। 'নাট্য সাহিত্য', 'উপন্যাস সাহিত্য' আৰু 'কাব্য সাহিত্য'ৰ বুৰঞ্জী তিনিখনত কিন্তু নাটক, উপন্যাস আৰু কাব্যৰ বিষয়ে তাত্ত্বিক আলোচনা সংযোগ কৰিবলৈ পাহৰা নাই। আচলতে তেওঁৰ আলোচ্য নাটক, উপন্যাস আদি এই তাত্ত্বিক আলোচনাৰ ভেটিতেই আলোচিত হৈছে। কিন্তু সাহিত্যৰ বুৰঞ্জীৰ বিষয়ে কেৱল ডঃ শৰ্মায়েই নহয় অন্যান্য সকলবো কোনেও স্পষ্ট তাত্ত্বিক আলোচনা দাঙি ধৰা নাই। ডঃ শৰ্মাৰ বুৰঞ্জী কেইখনে ন ন সাহিত্যিকসকলৰ সাহিত্য কৰ্মক স্বীকৃতি দি এটা অনুকূল সাহিত্যিক পৰিৱেশ গঢ়ি তোলাত সহায় কৰিছে।

ডঃ শৰ্মাৰ পিছৰজনা অসমীয়া সাহিত্যৰ বিশিষ্ট বুৰঞ্জী লিখক হ'ল ডঃ মহেশ্বৰ নেওগ। তেওঁ এভিয়ালৈকে "অসমীয়া সাহিত্যৰ ৰূপৰেখা" (১৯৬২) আৰু তাৰ আগতে "অসমীয়া গীতি-সাহিত্য" (১৯৫৮) আৰু "শঙ্কৰদেৱ আৰু তেওঁৰ পূৰ্ববৰ্তীসকল" (Sankardeva and his Predecessors)বোলা আন দুখন খণ্ড বুৰঞ্জী ৰচনা কৰিছে। "অসমীয়া

গীতি-সাহিত্য" বোলা পুথিখনত আচলতে "অসমীয়া লোকগীত বিষয়ক আলোচনাহে সন্নিবিষ্ট হৈছে।

ডঃ নেওগ পণ্ডিত লোক, তেওঁৰ ব্যাপক অধ্যয়ন আছে, কোনো বিষয়ে বিশ্লেষণ বা পৰ্যালোচনাৰ ক্ষেত্ৰত তেওঁ অন্তৰ্দৃষ্টিপূৰ্ণ মৌলিকতাৰ পৰিচয় দিয়ে। তেওঁ "সাহিত্যৰ ৰূপৰেখা" ৰচনাৰ ক্ষেত্ৰত যুগ বিভাগতো পৰ্যবেক্ষণশীলতাৰ পৰিচয় দিছে, বুৰঞ্জী লিখকৰ অনুসন্ধিৎসাও তেওঁৰ আছে। পাশ্চাত্য প্ৰভাৱপুষ্ট অসমীয়া সাহিত্যৰ বিভিন্ন দিশৰ বিষয়েও তেওঁ প্ৰায়েই মনোজ্ঞ আলোচনা তুলি ধৰিছে। কিন্তু পুথিখনৰ 'নিবেদন'ত আৰু অন্যান্য ঠাইতো তেওঁ কেতিয়াবা আনৰ প্ৰতি সহৃদয় বা সদয়ভাব প্ৰকাশ কৰা নাই। এঠাইত তেওঁ লিখিছে—"নগেঁ গড়গাৱঁৰ বাতৰি কোঁৱাচোঁ আগৰ দিনৰ প্ৰবাদ।" "কিছুমান কিতাপৰ নাম গোটা খালেই সাহিত্যৰ বুৰঞ্জী নহয়" (সাহিত্যৰ ৰূপৰেখা: নিবেদন: প্ৰথম তাঙৰণ)। এনে উক্তিৰে তেওঁ তেওঁৰ পূৰ্ববৰ্তী কোনো সাহিত্যৰ বুৰঞ্জী লিখকলৈ কটাক্ষপাত কৰা যেন লাগে। 'ৰূপৰেখা'ত ডঃ নেওগে লিখক আৰু লিখাৰ মূল্য নিৰ্দ্ধাৰণ বা সৰহ সংখ্যক বিশিষ্ট লিখকক স্বীকৃতি দিয়াৰ চেষ্টা কৰিছে।

আধুনিক কবি হেম বৰুৱা সমালোচকো। এওঁ 'নেচনেল বুক ট্ৰাষ্ট'ৰ কাৰণে "অসমীয়া সাহিত্য" বোলা এখন বুৰঞ্জী ৰচনা কৰিছে। এই বুৰঞ্জীখন অসমীয়া আৰু ইংৰাজী দুয়ো ভাষাতেই প্ৰকাশিত। হেম বৰুৱা ইংৰাজী সাহিত্যৰ অধ্যাপক, তেওঁৰ অধ্যয়নো ব্যাপক। সংসদী ৰাজনীতিত যোগ দিয়ো তেওঁ লিখিবলৈ আৰু পঢ়িবলৈ এৰা নাছিল, বৰং এই কাল ছোৱাতেই তেওঁ সৰহকেইখন পুথি ৰচনা কৰিলে, অসমীয়া সাহিত্যৰ বুৰঞ্জীখনো। তেওঁৰ বুৰঞ্জীখনৰ মাজেদি গলে গুৰিৰে পৰা ইউৰোপীয় সাহিত্যৰ লগত তুলনামূলক আলোচনা ডাঙি ধৰা দেখিবলৈ পোৱা যায়। অৱশ্যে এই ৰীতি পোনতে লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাত আৰু পিছত নেওগ ভাতৃদ্বয়ৰ ৰচনাতো প্ৰয়োগ কৰা দেখা যায়। হেম বৰুৱাৰ বুৰঞ্জীত সাহিত্যিক সকলৰ জীৱনী সন্নিবিষ্ট হোৱা নাই, কিন্তু যুগ বিশেষৰ সামাজিক দৃষ্টিভঙ্গীৰ পৰিৱৰ্তন আৰু পৰিবৰ্দ্ধনৰ কথা সংযোগ কৰা হৈছে। তেওঁ লিখক আৰু ৰচনাৰ তালিকা সংযোগ কৰি ক'তো ভুট থকা নাই; যাঠিৰ দশকলৈকে সকলো দিশৰ প্ৰায় সকলো লিখকৰে সাহিত্য কৰ্মৰ মনোজ্ঞ আলোচনাও সন্নিবিষ্ট কৰিছে, যথাসম্ভৱ প্ৰতি গৰাকী সাহিত্যিকৰ বৈশিষ্ট নিৰ্ণয় কৰিবলৈও যত্নপৰ হৈছে। 'নেছনেল বুক ট্ৰাষ্ট'ৰ তাগিদা অনুসৰি লিলিখি যদি পুথিখন নিজস্ব ৰুচিৰ ভৈটিত ৰচনা কৰিলেহেঁতেন, আৰু

বদিহে পুথিখনব কলেবৰলৈ লক্ষ্য নকৰি আৱশ্যকীয় উদ্ধৃতিৰে আলোচনাবোৰ সমৃদ্ধ কৰি তুলিব পাৰিলেহেঁতেন, তেনেহলে হেম বৰুৱাৰ বুৰঞ্জীখন এখন উৎকৃষ্ট অসমীয়া সাহিত্যৰ বুৰঞ্জী বুলিয়েই অনুভৱ কৰিব পৰা গ'লহেঁতেন। আত্মাভিমান প্ৰকাশ পাব বুলিয়েই সম্ভৱতঃ তেওঁ নিজৰ পুথিৰ আলোচনা সংযোগ কৰা দূৰৰ কথা, পুথিখনৰ মাজত ক'তো নিজৰ নামকেই উল্লেখ কৰা নাই।

১৯৫৬ চনতে ডঃ সূৰ্যকুমাৰ ভূঞাই ইংৰাজীত "ৰচনা কৰা অসমীয়া সাহিত্যৰ অধ্যয়ন" (Studies in the Literature of Assam) বোলা পুথিখন প্ৰকাশ হৈছিল। এই পুথিখনক প্ৰকৃত অৰ্থত সাহিত্যৰ বুৰঞ্জী বুলি অভিহিত কৰা টান। ইয়াত অসমীয়া সাহিত্যৰ বুৰঞ্জীমূলক দুটা আলোচনা আছে—(১) অসমীয়া পুৰণি সাহিত্য আৰু (২) ন-পুৰণি অসমীয়া সাহিত্য। ডঃ ভূঞাৰ পুথিখন আচলতে ন-শিকাৰু বা অনা-অসমীয়া লোকৰ বুলি ৰচনা কৰাহে। তেনে লোকে এই পুথিখন পঢ়ি অসম আৰু ইয়াৰ ওচৰ-চুবুৰীয়া ৰাজ্যবোৰৰ সাহিত্যৰ বিষয়ে সাধাৰণ আভাষ পাব পাৰে। অসমীয়া সাহিত্যৰ অধোগতি বা উন্নয়নৰ কাৰণবোৰো ডঃ ভূঞাদেৱে সহানুভূতি আৰু স্বকীয় উপলব্ধিৰে দাঙি ধৰিব পাৰিছে। মুঠতে এই পুথিখনে ন-শিকাৰু বা অনা-অসমীয়াক অসমীয়া সাহিত্যৰ অধ্যয়নৰ প্ৰতি যে আকৃষ্ট কৰিব ই ধুৰুপ। সেইকাৰণেই লিখকৰ উদ্দেশ্য সফল হৈছে।

সাহিত্যৰ বুৰঞ্জী পূৰ্ণ বা খণ্ডিতৰূপত আন কেবাজনেও ৰচনা কৰিছে। এই সকলৰ ভিতৰত হেমন্ত কুমাৰ শৰ্মা, ডঃ সত্যেন্দ্ৰনাৰায়ণ গোস্বামী, যতীন গোস্বামী (গুৱাহাটীৰ), ভুবনেশ্বৰী মজুমদাৰ, তিলকচন্দ্ৰ মজুমদাৰ আদিৰ নাম উল্লেখযোগ্য। কিন্তু এওঁলোকৰ কোনেও বুৰঞ্জী লিখকৰ তথ্যানুসন্ধিৎসা বা মৌলিক চিন্তাৰ পৰিচয় দিয়া বুলিব নোৱাৰি; কেৱল পূৰ্ববৰ্তীসকলৰ অনুকৰণত একোখন চমু বা খণ্ড বুৰঞ্জী ৰচনা কৰি গৈছে। বয়সৰ কাৰণেপৰা এওঁলোক যুৱ লিখক। গতিকে এওঁলোকৰ মুখৰপৰা আমি নতুন প্ৰগতিবাদী আলোচনাহে পাব লাগিছিল। তাৰ সলনি তিলকচন্দ্ৰ মজুমদাৰৰ দৰে লিখকজনাই ডিৰেক্টৰ নেওগৰ অনুকৰণত দুজন মান সৰস্বতীৰ বিচাৰতে ব্যস্ত থাকিল। আন কেইজনেও অধ্যয়ন, চিন্তন আৰু তাত্ত্বিক উপলব্ধিত গুৰুত্ব আৰোপ নকৰিলে।

সম্প্ৰতি উপন্যাস আৰু গল্প সাহিত্যই কাব্য আৰু কবিতাৰ ঠাই পূৰাইছে বুলিব পাৰি। অন্যান্য সাহিত্যত গল্প আৰু উপন্যাসৰ বিষয়ে

নানা আলোচনা আৰু বুৰঞ্জীমূলক পুথি ওলাইছে। আনৰ সমানে সমানে নহলেও এই ক্ষেত্ৰতো আমাৰ সাহিত্য তেনেই পিছ্ পৰি থকা নাই। আমি উল্লেখ কৰি আহিছো যে ডঃ সত্যেন্দ্ৰ নাথ শৰ্মাই উপন্যাসৰ বিষয়ে এখন তাত্ত্বিক আলোচনামূলক বুৰঞ্জী ৰচনা কৰিছে। গল্প সাহিত্যৰ বিষয়ে লিখিছে ত্ৰৈলোক্য নাথ গোস্বামীয়ে। গোস্বামীৰ 'আধুনিক গল্প সাহিত্য' (১৯৬৫) বোলা পুথিখনে ইতিমধ্যে ভূয়সী প্ৰশংসা লাভ কৰিছে,--সাহিত্য একাডেমীৰ (১৯৬৭) বঁটাও লাভ কৰিবলৈও সমৰ্থ হৈছে। এই পুথিখনত কেৱল অসমীয়া গল্পৰেই বুৰঞ্জীমূলক আলোচনা লিখা হোৱা নাই। পোনতে গল্প সাহিত্য বিষয়ক তাত্ত্বিক আলোচনা দাঙি ধৰিছে, তাৰ পিছত এই আলোচনাৰ ভেঁটিত মোঁপাছা, ছেখভ, ওৱাছিংটন, আৰভিং, এলেন পো প্ৰমুখ্যে ন-পুৰণি পোন্ধৰজন বিশ্ববৰেণ্য গল্পকাৰৰ গল্পৰ আৰু ভাৰতীয় বিখ্যাত গল্পকাৰ ৰবীন্দ্ৰনাথ আৰু প্ৰেমচন্দৰ গল্পৰ আলোচনা তুলি ধৰিছে। শেষত লক্ষ্মীনাথ বেজবৰুৱাৰ পৰা স্নেহ দেৱীলৈ সাতত্ৰিশজন অসমীয়া গল্পকাৰৰ গল্পৰ মনোজ্ঞ ব্যাখ্যাত্মক আৰু তুলনামূলক আলোচনা দাঙি ধৰিছে। তেওঁৰ অসমীয়া গল্প বিষয়ক আলোচনা ভাগ অধ্যয়ন, চিন্তন, মৌলিক বিচাৰ আৰু আন্তৰিক সহানুভূতিৰ সুন্দৰ প্ৰকাশ। অৱশ্যে ভাষা আৰু ভাব পোনপটীয়া নহয়, স্পষ্ট অভিমত তেওঁ প্ৰায়েই দিয়া নাই। আলোচনাৰ মাজেদি গলে কিন্তু ক'তো ক'তো তেওঁৰ বহুমুখী পাণ্ডিত্যৰো পৰিচয় পাব পাৰি। পুথিখনত কিন্তু অসমীয়া গল্পৰ সম্পূৰ্ণ ইতিহাস পোৱা নাযায়। পুথিখনৰ পৰা প্ৰথম পৰ্যায়ৰ গল্পকাৰসকলৰ দুই এজন বাদ পৰি থকাৰ দৰে ষাঠিৰ দশকৰ পৰা ওলোৱা বিশিষ্ট গল্পকাৰ সকলৰো পৰিচয় নাই। পুথিখনৰ দ্বিতীয় সংস্কৰণো অলপতে ওলাল। কিন্তু কোনো পৰিবৰ্তন, বিশেষকৈ পৰিবৰ্দ্ধন হলে চকুত নপৰিল।

অসমীয়া নাটকৰ বুৰঞ্জী যথেষ্ট পুৰণি। পঞ্চদশ শতিকাৰ শেষ ভাগত বা ষোড়শ শতিকাৰ প্ৰাৰম্ভতে শঙ্কৰদেৱৰ হাতত জন্ম লাভ কৰি নানা পৰিবৰ্তন, পৰিবৰ্দ্ধন আৰু সংকটৰ মাজেদি আজিলৈকে ইয়াৰ নিছিগা ধাৰা বৈয়ে আছে। এই প্ৰৱাহৰ পোন প্ৰথম বুৰঞ্জী ডঃ সত্যেন্দ্ৰনাথ শৰ্মাৰ "অসমীয়া নাট্য সাহিত্য"। ইয়াৰ পিছত ডঃ প্ৰফুল্ল দত্ত গোস্বামী আৰু ডঃ হৰিশ্চন্দ্ৰ ভট্টাচাৰ্য্যই ইংৰাজীত নাটকৰ বুৰঞ্জী ৰচনা কৰে। অতুলচন্দ্ৰ হাজৰিকাৰ বৃহৎ কলেৱৰৰ পুথি "মঞ্চলেখা"ত (১৯৬৭) অসমৰ মঞ্চউপৰি নাটকৰো পৰিচয় পোৱা যায়। ডঃ গোস্বামীৰ 'অসমীয়া নাটক' (Assamese Drama) বোলা ইংৰাজী পুস্তিকাখন প্ৰাথমিক পৰিচয় ধৰণৰ।

অতুলচন্দ্র হাজৰিকাৰ 'মঞ্চলেখা'ই সাহিত্য একাডেমীৰ বঁটা লাভ কৰিছে। কিন্তু পুথিখন অপৰিকল্পিত। পুথিখনত অসমীয়া মঞ্চৰ বিৱৰ্তনৰ বুৰঞ্জী সন্নিবিষ্ট কৰাহৈতেন আৰু মঞ্চক কেন্দ্ৰ কৰি কেনেদৰে অসমীয়া নাটক আৰু অভিনয়ৰ বিকাশ ঘটিছে তাৰ বুৰঞ্জীমূলক আলোচনা দাঙি ধৰাহেঁতেন, ইয়াক অসমীয়া মঞ্চৰ সাৰ্থক বুৰঞ্জী বুলিব পৰা গ'লহেঁতেন। পুথিখনত বিক্ষিপ্তভাৱে শংকৰদেৱৰ পৰা বৰ্তমান ভ্ৰাম্যমান থিয়েটাৰলৈ বহুতো মঞ্চ, নাট্যকাৰ আৰু অভিনেতাৰ পৰিচয় তুলি ধৰা হৈছে; আনৰপৰা সংগ্ৰহ কৰি অনা মঞ্চবিষয়ক আলোচনাসমূহ আনকি সম্পাদনা নকৰাকৈয়ে যি ভাগে পাইছে, সেইভাগেই পুথিত সুমুৱাই দিছে। হাজৰিকাদেৱৰ চেষ্টা আৰু শ্ৰম প্ৰশংসনীয়। এই 'মঞ্চলেখা'ক কেন্দ্ৰ কৰি এসময় মঞ্চৰ এখন সুন্দৰ বুৰঞ্জী অনুসন্ধিৎসু লোকে ৰচনা কৰিব পৰা হৈছে। ডঃ ভট্টাচাৰ্যৰ ইংৰাজী ৰচনা কৰা "অসমীয়া নাটক আৰু মঞ্চ" বোলা পুথিখন ১৯৬৪ চনত প্ৰকাশ হৈছে। ইয়াত আৰম্ভৰ পৰা ১৯40 চনলৈ অসমীয়া নাটক আৰু মঞ্চৰ পৰিচয় দিয়া হৈছে। পোনতে সংস্কৃত নাট্য শাস্ত্ৰৰ অনুকৰণত 'ৰূপক'ৰ আলোচনা সংযোগ কৰিছে। অসমীয়া নাটৰ সদৃশ আৰু সমকালীন ভাৰতীয় প্ৰান্তীয় নাটকৰ আলোচনায়ো পুথিখনত ঠাই পাইছে আৰু শেষত অসমীয়া নাটক আৰু কেইটামান মঞ্চৰ পৰিচয় দিছে। পিচত প্ৰকাশ পালেও আচলতে ডঃ ভট্টাচাৰ্যৰ পুথিখন ডঃ সত্যেন্দ্ৰনাথ শৰ্মাৰ তুলনাত প্ৰাথমিক পৰ্য্যায়ৰ হোৱা বুলিবহে লাগে। তেওঁ নাটক আৰু নাট্যকাৰৰ বিষয়ে অন্তৰ্দৃষ্টিপূৰ্ণ তাত্ত্বিক মনোজ্ঞ আলোচনা প্ৰায়েই তুলি ধৰা নাই। অৱশ্যে পিছত অসমীয়াত প্ৰকাশ কৰা 'অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি' (১৯৬৮)খন ইংৰাজীখনতকৈ অলপ উন্নত ধৰণৰ হৈছে। ইয়াত ১৯৬৭ চনলৈ প্ৰকাশিত নাটকৰ পৰিচয় দিয়াৰ দৰে আলোচনাবোৰো বহু পৰিমাণে অন্তদৃষ্টিসম্পন্ন হৈছে।

অন্যান্য জাতিৰ দৰে অসমীয়া সাহিত্যতো পোনতে কবিতা আৰু কাব্যবেই সৃষ্টি হৈছিল; অসমীয়া কবি-কৰ্মৰ পৰিসৰো বিস্তৃত। কিন্তু এতিয়ালৈকে পূৰ্ণাঙ্গ পৰ্যায়ৰ কবিতাবিষয়ক বুৰঞ্জীহে এখনো ওলোৱা নাই। কবিতা বিষয়ক তাত্ত্বিক আলোচনাৰ পুথি লিখে পোন প্ৰথম ডঃ বাণীকান্ত কাকতিয়ে। তেওঁৰ 'পুৰণি অসমীয়া সাহিত্য'ই আৰু পিছত পুথিৰ পাতনি স্বৰূপে লেখা আলোচনাবোৰে অসমীয়া কবিতাবিষয়ক আলোচনাৰ বাট মুকলি কৰি দিয়ে বুলিব পাৰি। ডঃ কাকতিৰ আলোচনা বৈজ্ঞানিক পদ্ধতিত ৰচিত অন্তৰ্দৃষ্টিসম্পন্ন তাত্ত্বিক আলোচনাই, কিন্তু তেওঁ আচলতে কবিতাৰ

বুৰঞ্জী ৰচনাৰ প্ৰয়াস কৰা নাই। ডঃ প্ৰফুল্লদত্ত গোস্বামীৰ 'অসমীয়া জন সাহিত্য'ই আচলতে অসমীয়া কবিতাবিষয়ক পোন প্ৰথম বুৰঞ্জীমূলক আলোচনাৰ পুথি। এওঁৰ পিছত ডঃ নেওগৰ 'অসমীয়া গীতি সাহিত্য'। এই দুয়োখন পুথিয়েই খণ্ড,—অসমীয়া কবিতাৰ পূৰ্ণ পৰিচয় ইয়াত নাই। তেনেকৈ ১৯৬৯ চনত প্ৰকাশিত নন্দ তালুকদাৰৰ 'কবি আৰু কবিতা' আৰু ১৯৭০ চনত প্ৰকাশিত ডঃ সত্যেন্দ্ৰ নাথ শৰ্মাৰ 'অসমীয়া কাহিনী কাব্যৰ প্ৰবাহো' পৰিপূৰ্ণ অসমীয়া কবিতাৰ বুৰঞ্জী নহয়। আনকি ১৯৭২ চনত প্ৰকাশিত দীনেশ্বৰ ভট্টাচাৰ্যৰ 'অসমীয়া কাব্য সাহিত্য আৰু জাতীয় জীৱনত প্ৰগতিবাদী চিন্তা' বোলা পুথিখনতো ১৯৪৭ চনলৈ ৰচিত কবিতাৰ আলোচনা সন্নিবিষ্ট কৰা হৈছে বুলিহে কোৱা হৈছে। আনহাতে ভৱানন্দ দত্তই ৰচনা কৰা 'অসমীয়া কবিতাৰ কাহিনী' (১৯৬৯) বোলা কবিতা বিষয়ক তাত্ত্বিক আলোচনাৰ পুথিখনো অপূৰ্ণ, তাত কেৱল পাশ্চাত্যৰ সম্পৰ্কলৈ অভাবে পৰা কবি-কৰ্মৰ আলোচনাহে আছে। অৱশ্যে পুথিখন লিখকৰ মৰণোত্তৰ কালত প্ৰকাশিত। দত্তই সাময়িক পত্ৰিকাৰ কাৰণেহে আলোচনাবোৰ যুগুত কৰিছিল।

বিচাৰি চালে আৰু দুই-চাৰিজনে আংশিকভাবে অসমীয়া সাহিত্যৰ বুৰঞ্জী ৰচনা-কাৰ্যত হাত দিয়া হয়তো দেখা যাব, কিন্তু সৰহ সংখ্যকেই পূৰ্বৱৰ্তীসকলৰ সদৃশ গতানুগতিক। অভিনৱত্ব, বৈচিত্ৰ, মৌলিকতা আৰু অন্তৰ্দৃষ্টিৰ এওঁলোকৰ ৰচনাত অভাৱ।

অভিধান আৰু অসমীয়া অভিধানৰ পৰম্পৰা

শ্ৰীঅতুলচন্দ্ৰ বৰুৱা

মানুহে ভাষাৰ সহায়ত নিজ নিজ মনোভাৱ প্ৰকাশ কৰে আৰু শব্দবোৰ ভাষাৰ লিপিবদ্ধ আৱাজ বা ধ্বনি। অন্য কথাত কবলৈ গলে অৰ্থ প্ৰকাশক ধ্বনি বা আৱাজক এক বা ততোধিক অক্ষৰৰ সহায়েৰে লিপিবদ্ধ ৰূপ দিলেহি সি শব্দ হয়। সেই হেতুকে শব্দৰ দুটা অৰ্থ (১) আৱাজ বা ধ্বনি আৰু (২) অৰ্থযুক্ত অক্ষৰ বা অক্ষৰৰ সমষ্টি।

ভাষা কবও পাৰি, লিখিবও পাৰি। দুয়োপ্ৰকাৰ প্ৰকাশৰ আহিলা বা উপকৰণ শব্দ। শব্দ যেতিয়া কথিত অৱস্থাত আৱাজ মাত্ৰ হৈ থাকে তেতিয়া সি দ্ব্যৰ্থক হৈ অৰ্থ প্ৰকাশৰ ক্ষেত্ৰত কেতিয়াবা কেতিয়াবা অনৰ্থৰো সৃষ্টি কৰিব পাৰে। বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ জীৱনৰ এটি আমোদজনক ঘটনাত তেওঁ তাৰ প্ৰমাণ দিছিল।

এদিনাখনৰ কথা। কিবা কাৰণত শান্তিনিকেতন সেইদিনা আনন্দত উদুলি-মুদুলি। ঘৰৰ ভিতৰত ভালেমান মানুহ বহি আছে। এনেতে ৰবীন্দ্ৰনাথ কোঠাটোত সোমালহি। সোমায়েই তেওঁ গম্ভীৰভাৱে কলে, 'নেপাল বাবু, আজিকালি আপোনাৰ বৰকৈ ভুল-ত্ৰুটি হব ধৰিছে। এইটো ভাল হোৱা নাই। তাৰ বাবে আপুনি দণ্ড পাব লাগে।' এই বুলি ৰবীন্দ্ৰনাথ লাহে লাহে কোঠাৰপৰা ওলাই গ'ল।

নেপাল বাবু শান্তিনিকেতনৰ অধ্যাপক। তেওঁ চিন্তাত পৰিল। তেওঁৰ কামত নো এনে কি ভুল হ'ল যাৰ বাবে স্বয়ং গুৰুদেৱ ৰবীন্দ্ৰনাথে এইদৰে কলেহি। উপস্থিত সকলোৰে মনত উৎকণ্ঠা।

এনে সময়তে ৰবীন্দ্ৰনাথ আকৌ কোঠাত সোমালহি। তেওঁৰ হাতত এডাল লাঠি। তেওঁ লাঠিডাল নেপাল বাবুৰফালে আগবঢ়াই দি কলে—

'এয়ে হৈছে আপোনাৰ দণ্ড (লাখুটি)। কালি আপুনি ভুলতে এৰি আহিছিল।' গুৰুজীৰ কথা শুনি সকলোৰে মুখত হাঁহি বিৰিঙিল।

সংস্কৃতত এনেকুৱা দ্ব্যৰ্থক শব্দৰ কৌতুকপূৰ্ণ প্ৰয়োগৰ দ্বাৰা সৃষ্টি কৰা অনেক শ্লোক আছে। এটা শ্লোকৰ সাধাৰণ অৰ্থ হয়—হনুমন্তই ৰামক হত্যা কৰিলে, সীতাই শুনি আনন্দ লভিলে, ৰাক্ষসবোৰে হিয়া-চাকুৰি কান্দিবলৈ ধৰিলে হাৰাম, হাৰাম বুলি।

হনুমতা হতাৰাম:
সীতা হৰ্ষম্ উপাগতা
ক্ৰন্দন্তি ৰাক্ষসা: সৰ্ব্বে
হাৰাম হাৰাম।

ইয়াত হাৰাম শব্দটোতে ৰহস্য লুকাই আছে। হা-আৰাম বুলিলেই অৰ্থাৎ সন্ধি ভাঙি পঢ়ি ৰাৱণৰ আৰাম উপবনখন উলিয়ালেই অৰ্থই নিজে ধৰা দিয়েহি।

শব্দাৰ্থৰ গুণ এনেকুৱাই। অভিধানে শব্দক স্বীকৃতি দি সংৰক্ষণ আৰু সংবৰ্দ্ধন কৰে। অভিধা শব্দৰো এটা অৰ্থ শব্দৰ অৰ্থবোধক শক্তি। সেইকে অভিধান মানে শব্দকোষ বা শব্দৰ অৰ্থ থকা পুথি; শব্দ-শক্তিৰ ভঁৰাল। যি দেশৰ অভিধান যিমান উন্নত আৰু সমৃদ্ধ সেই ভাষাও সিমানে শক্তিশালী। বুৰঞ্জীয়ে চুকি পোৱাত খৃষ্টীয় পহিলা শতাব্দীতে সম্পাদিত হোৱা চীন দেশৰ 'ছুৱেন' বা শব্দাৱলীৰ কথা নামৰ অভিধানখনেই পৃথিবীৰ প্ৰথম লিখিত অভিধান। কেনোৱে আকৌ সংস্কৃতৰ অমৰকোষ অভিধানকেই পৃথিবীৰ সৰ্বপ্ৰাচীন অভিধান বুলিব খোজে। অমৰকোষপ্ৰণেতা অমৰ সিংহ যদি বিক্ৰমাদিত্য (৩৭৫-৪১৩ খৃ:) ৰজাৰ ৰাজ সভাৰ নৱৰত্নৰ এক ৰত্ন আছিল তেনেহলে অমৰকোষৰ প্ৰণয়ন চতুৰ্থ শতিকাৰ শেষ বা পঞ্চম শতিকাৰ আদিতে হৈছিল বুলি কব লাগিব। সি যিয়ে নহওক, এই দুয়োখন অভিধানে চীন আৰু ভাৰতবৰ্ষ দুয়োখন মহাদেশৰ ভাষাগত ঐতিহ্য আৰু গৌৰৱৰ উজ্জ্বল সাক্ষ্য দিয়ে।

অসমীয়া অভিধানৰ বুৰঞ্জী অদ্যাপি ছকুৰি বছৰৰ অধিক কালৰ বুৰঞ্জী নহয়। আহোমসকলে দূৰ অতীতৰ ত্ৰয়োদশ শতিকাতে আহি অসমত ছশ বছৰ কাল ৰাজত্ব কৰি থাকি অসমখন গঢ়ি তুলিছিল যদিও অসমীয়া ভাষা আৰু সাহিত্য গঢ়িবৰ কাৰণে বিশেষ একো কৰা নাছিল। তাৰ মাই কাৰণ তেওঁলোক শাসন-সংক্ৰান্ত বিষয়বোৰতে ব্যস্ত আছিল আৰু অসমীয়া ভাষা-সাহিত্যৰ কাৰণে তেওঁলোকৰ কিবা কৰিবলগীয়া আছে বুলি

প্ৰয়োজন বোধ কৰা নাছিল। বুৰঞ্জী ৰচনা অৱশ্যে আহোমসকলৰ একক কীৰ্ত্তিস্তম্ভ। অভিধান ৰচনাও যে তেওঁলোকে একেবাৰে হাতত লোৱা নাছিল এনে নহয়। এতিয়ালৈ অন্ততঃ আহোমসকলৰ ৰচিত দুখন অভিধান পোৱা গৈছে—এখনৰ নাম "বৰ অমৃ' আৰু আনখনৰ নাম 'লটি অমৃ'। আহোম ভাষাত অমৃ মানে অভিধান। 'বৰ অমৃ'ত আহোম শব্দৰ অসমীয়া অৰ্থ আৰু 'লটি অমৃ'ত অসমীয়া শব্দৰ আহোম অৰ্থ দিয়া আছে। আহোম আৰু অসমীয়াৰ মাজত ভাৱৰ আদান-প্ৰদানৰ সুবিধাৰ্থে এই দুখন অভিধান ৰচনা কৰা হৈছিল। ইয়াক পুৰা মাত্ৰাই অসমীয়া অভিধান বোলা নাযায়। ই ৰাজ-ভাষা পুথিৰ দৰে শাসক আহোমসকলৰ ভাষাৰ লগত বাহিৰৰ ভাষা অসমীয়াৰ সম্বন্ধ দৃঢ়ভাৱে জড়িত কৰিবলৈ ৰচনা কৰা একোখন ব্যৱহাৰিক পুথি আছিল। অসমীয়া ভাষা বা সাহিত্যৰ কাৰণে ইয়াৰ প্ৰয়োজন নাছিল বুলিলেও হয়। এই দুয়োখন পুথি এতিয়াও সাঁচিপাতত সঞ্চিত হৈ আছে। আহোম ৰাজত্বৰ বুৰঞ্জী আৰু অভিধান সেইদেখি ঘাইকৈ ব্যৱহাৰিক প্ৰয়োজনৰ বস্তু আছিল।

স্বীকাৰ কৰিবই লাগিব যে অসমীয়া ভাষাৰ প্ৰকৃত অভিধান ইংৰাজ শাসনৰ দান, ইংৰাজ শাসনৰ প্ৰাৰম্ভ কালৰ সৃষ্টি। অসমীয়া ভাষা কোনো এক নিৰ্দ্দিষ্ট স্থানত সৃষ্টি হোৱা নিৰ্দ্দিষ্ট লোকগোষ্ঠীৰ ভাষা নহয়; ই পৰ্বতে ভৈয়ামে থকা বিভিন্ন জাতি-উপজাতি আৰু জনজাতিৰ লোকৰ বিভিন্ন খোৱান আৰু মাত-কথাৰ সংমিশ্ৰণত গঢ়ি উঠা এটা বিশিষ্ট ভাষা। হয় পাৰে ইয়াৰ ঘাই ভুৰুকিটো সংস্কৃত; কিন্তু সেই ভুৰুকিত বিবিধ উপাদানৰ প্ৰলেপ আৰু বিবিধ ভাষা-উপভাষা, খোৱান, মাতকথাৰ ৰং-চং সংযোজিত হোৱাতহে প্ৰকৃত অসমীয়া ভাষাটো নিপোটল হৈ উঠিছে। মহান অসমীয়া জাতিটোও সেইদৰে বিভিন্ন জাতি-উপজাতিৰ লোকৰ সংমিশ্ৰণত গঢ়ি উঠিছে। সেইবাবে অসমীয়া ভাষাত যিমানবোৰ বিভিন্ন উপাদান পুঞ্জীভূত হৈ আছে, ভাৰতীয় অন্য কোনো ভাষাত নাই। ই ভাষা আমুকৰ ৰং-মহল। অসমীয়া ভাষাৰ অভিধানে সেই হেতুকে ব্যৱহাৰত থকা আৰু সহজে বুজিব পৰা সকলো প্ৰকাৰৰ শব্দ লেছেৰি বুটলি আনি তাৰ শব্দকোষত স্থান দিয়া উচিত।

অভিধান ৰচনাৰ কাৰণে শব্দ-সম্ভাৰ সংকলন কৰা, সেইবোৰৰ যথোচিত বিচাৰ কৰি সংযোজন কৰা ইত্যাদি দুৰূহ প্ৰচেষ্টাবোৰ প্ৰকৃততে একেজন লোকৰ অকলীয়া চেষ্টাৰ কাম নহয়; এনে কাৰ্য সম্পাদনৰ কাৰণে

১৩

বহুতৰ যুটীয়া প্ৰচেষ্টা, সংকল্প আৰু অধ্যৱসায়ৰ আৱশ্যক। কাৰণ, হাতী মাৰি ভুৰুকাত ভৰোৱা যেনে কাম, ডালে-পাতে, শাখাই-শিপাই পৰ্বত-ভৈয়াম আৱৰি থকা সুবৃহৎ ভাষা এটিৰ শব্দাৱলী সংগ্ৰহ কৰি একত্ৰ কৰা আৰু সেইবোৰৰ প্ৰকৃত অৰ্থ সংযোজনা কৰাও তেনে দুৰূহ কাম। পিছে, ইতিহাসে কয় যে অন্ততঃ ইংৰাজী আৰু অসমীয়া ভাষাৰ বৈজ্ঞানিক পদ্ধতিত ৰচিত হোৱা প্ৰথম অভিধান দুখন কিন্তু একোজন বিশিষ্ট ব্যক্তিৰ ব্যক্তিগত অধ্যৱসায় আৰু একনিষ্ঠ সাধনাৰহে ফল। এই বিষয়ত ডঃ জন্সন আৰু হেমচন্দ্ৰ বৰুৱা একে শ্ৰেণীৰ সাধক।

ইংৰাজী ভাষাত আধুনিক পদ্ধতিৰ সম্পূৰ্ণ অভিধান পহিলতে লিখে ডঃ চেমুৱেল জন্সনে (১৭০৯-৮৪ খৃঃ)। তেওঁ সেই অভিধান ১৭৪৭ চনত আৰম্ভ কৰি ৮।৯ বছৰৰ কঠোৰ পৰিশ্ৰমৰ অন্তত ১৭৫৫ চনত শেষ কৰে। তাৰে দুবছৰৰ পিছতে তেওঁ সেই অভিধানৰ সংক্ষিপ্ত সংস্কৰণ এটা প্ৰকাশ কৰে। সকলো গুৰুত্বপূৰ্ণ কামেই এক বা ততোধিক লোকৰ দীৰ্ঘ কালব্যাপী কৰা পৰিশ্ৰমৰ ফল। ডঃ বাণীকান্ত কাকতিদেৱেও অসমীয়া ভাষাৰ গঠন আৰু বিৱৰ্তনৰ ওপৰত লিখা অমৰ গ্ৰন্থ (থেছিচ)খন সম্পূৰ্ণ কৰোঁতে দহবছৰ মান লগাইছিল। কালীৰাম মেধি ডাঙৰীয়াৰ ভাষাতত্ত্ব আৰু ব্যাকৰণ প্ৰায় কুৰি বছৰৰো অধিক কালৰ সংকল্পবদ্ধ পৰিশ্ৰমৰ ফল।

অভিধান হেনো নৈৰ্ব্যক্তিক (Impersonal) গ্ৰন্থ; অৰ্থাৎ তাত ৰচোঁতা বা সম্পাদকৰ আপোন মনৰ পৰিচয় ফুটি উঠিব নালাগে। সেইটো এক প্ৰকাৰ অসম্ভৱ কাম। বিশেষকৈ গুটীয়া জীৱনৰ কামত নৈৰ্ব্যক্তিকতা। মাত্ৰাগত সফলতা মাত্ৰ, সম্পূৰ্ণ নৈৰ্ব্যক্তিকতা অঙ্ক বা বিজ্ঞানতহে সম্ভৱ হব। অভিধান এক প্ৰকাৰ বৈজ্ঞানিক গ্ৰন্থ যদিও গুটীয়া চেষ্টাত সম্পাদিত হলে তাতো সম্পূৰ্ণ নৈৰ্ব্যক্তিকতা আশা কৰাটো সুদূৰপৰাহত। আন নালাগে ডঃ জন্সনৰ দৰে মহৎ লোকৰ ক্ষেত্ৰতো সেইটো সম্ভৱ নহৈছিল। তেওঁৰ স্কট বিদ্বেষ এটা জনাজাত কথা। অন্ততঃ এটা শব্দৰ অৰ্থ লিখাত তেওঁৰ সেই বিদ্বেষ প্ৰকাশ পাইছিল। ইংৰাজী Oat (ওট) শব্দটোৰ মানে লিখিবলৈ গৈ তেওঁ লিখিছিল--ইয়াক স্কটলেণ্ডত মানুহে আৰু ইংলণ্ডত ঘোঁৰাই খায়। মন কৰিবলগীয়া আৰু এটা কথা এই যে ডঃ জন্সনে তেওঁৰ অভিধানত ইংৰাজী ভাষাত চলি থকা শব্দবোৰৰ বিধোৰক তেওঁ ইংৰাজী ভাষাত ব্যৱহাৰ হৈ থকা উচিত বুলি বিবেচনা কৰিছিল সেইবোৰকহে তাত ঠাই দিছিল। তেওঁৰ মনোমত নোহোৱা অথচ ব্যৱহাৰত থকা অনেক শব্দ তেওঁ স্বেচ্ছাই তালাক দিছিল। এই

বিষয়ত তেওঁ যথেষ্ট স্বেচ্ছাচাৰিতা কৰিছিল বুলি পৰৱৰ্তী সমালোচকসকলে মন্তব্য কৰিছিল। হেমকোষ ৰচোঁতা হেমচন্দ্ৰ বৰুৱাও এই বিষয়ত সম্পূৰ্ণ নৈৰ্ব্যক্তিক বা নিৰ্লিপ্ত হ'ব পৰা নাছিল; কিন্তু তেওঁৰ তেনে কাৰ্য্য কোনো প্ৰকাৰে স্বেচ্ছাপ্ৰণোদিত বা বিদ্বেষজনিত নাছিল।

আধুনিক অভিধানৰ মুখ্য কাম ৰীতিবদ্ধভাৱে ভাষাৰ শব্দাৱলীক অভিধানত সুসন্নিবেশ কৰি প্ৰত্যেক শব্দৰ বিভিন্ন অৰ্থ ব্যাখ্যা কৰা। লগতে প্ৰয়োজন অনুসৰি সেই শব্দৰ প্ৰয়োগ আৰু বৈয়াকৰণিক বৈশিষ্ট্য বিশ্লেষণ অভিধান প্ৰণেতাৰ অন্যতম কৰ্তব্য। কিছুমান অভিধানত শব্দৰ জন্ম আৰু ক্ৰমবিৱৰ্তনৰ বিশ্লেষণ পোৱা যায়। ই অতি আমোদজনক অধ্যয়ন। একো একোটা শব্দৰ জন্ম ইতিহাস ডিটেক্‌টিভ উপন্যাসতকৈও অধিক আকৰ্ষণীয়। উদাহৰণ স্বৰূপে অসমীয়া দাম (মূল্য) শব্দটোকে চাওক। ই হেনো গ্ৰীক মুদ্ৰা 'ড্ৰাখমে'ৰ পৰা আহিছে। ক'ত থাকিল গ্ৰীক মুদ্ৰা ড্ৰাখমে আৰু ক'ত আমি বজাৰৰ মাছ বেপাৰীক সোধোঁ মাছৰ দাম। ই হয়তো মহাবীৰ আলেকজেণ্ডাৰৰ ভাৰত বিজয়ৰ ইতিহাসতকৈও ডাঙৰ সত্য অন্তৰত বহন কৰিছে। এনেকুৱা একোটা শব্দই কেতিয়াবা একোখন বুৰঞ্জী ক'ব পাৰে। ড্ৰাখমেৰ দৰে আনাৰস, আলমাৰি, আলপিন, পাউৰুটী এই সকলোবোৰ হেনো পৰ্তুগীজ শব্দ, অসমত সোমাই অসমীয়া মুখত পৰি অসমীয়া হৈছে। আকৌ লিচু, চেনি আদি আহিল চীন দেশৰ পৰা। 'তাংখু' আকৌ পৰ্তুগীজৰ 'টোবেকো' (Tobacco) আৰু সংস্কৃত 'তাম্ৰকূট'ৰ যুঁজত ৰ'ব নোৱাৰি হোকা-চিলিমৰ ওপৰত বহিলহি। প্ৰাগ্‌জ্যোতিষ, কামাখ্যা, কামৰূপ আদি লৈও সংস্কৃত আৰু আৰ্য্যেতৰ ভাষাৰ টনা-আঁজোৰা। ভাষাতত্ত্বৰ বৈজ্ঞানিক বিশ্লেষণে এইবোৰ শব্দক আৰ্যীকৃত অনাৰ্য্য শব্দ বুলি ব্যাখ্যা দিয়ে। সেইবোৰো আমোদজনক আৱিষ্কাৰ আৰু তাৰ অধ্যয়ন সঁচাকৈয়ে আমোদজনক।

আধুনিক অভিধান সম্পৰ্কে বিংশ শতিকাৰ সংশোধিত আৰু পৰিশিষ্ট সম্বলিত পৰিবৰ্দ্ধিত বিখ্যাত 'চেম্বাৰ্চ ডিক্সনাৰী'ৰ পাতনিত উইলিয়াম গেড্ডি (William Geddie) চাহাবে তাকে এইদৰে কৈছে ঘোলে সম্পাদন সমিতিয়ে এইবোৰৰ কাম হাতত লৈ কোনো দিন ক'তো ইতিপূৰ্বে অভিধানত ঠাই নোপোৱা অসংখ্য শব্দ বাছি বিচাৰি সংগ্ৰহ কৰি আনি পৰীক্ষা নিৰীক্ষাৰ অন্তত অভিধানত ঠাই দিছে। উদ্দেশ্য হৈছে ব্যৱহাৰত থকা সকলো শব্দৰ অৰ্থ আৰু ইংৰাজী ভাষাৰ যাই যাই প্ৰাচীন গ্ৰন্থবোৰত থকা মাত-কথাবোৰৰ যথাযথ অৰ্থ যাতে অভিধানত বিচাৰিলে যতোপ হ'ব নালাগে

ভাবে ব্যৱস্থা কৰা ।* সেই কালৰপৰা চালে অসমীয়া ভাষাৰ পূৰ্ণাঙ্গ অভিধান আজিও ওলোৱা নাই ।

জীৱন্ত ভাষাৰ সোঁত নদীৰ সোঁতৰ দৰে ; তাক বান্ধি দি ৰাখিব নোৱাৰি । জীৱন্ত ভাষাৰ শব্দ বা মাত-কথাবোৰৰ ব্যৱহাৰো স্বাভাৱিক ধৰণে নৈৰ সোঁতৰ দৰে চলি থাকে । তাক গাৰ বলেৰে অন্যথা চলাব নোৱাৰি । হেমচন্দ্ৰ বৰুৱাৰ দৰে লোকেও লোক ব্যৱহাৰৰপৰা জুইশলা বা জুইয়াচলাই কাঠী উঠাই দি দীপকাঠীৰ দৰে অৰ্থপূৰ্ণ আকৰ্ষণীয় শব্দ এটাৰ প্ৰচলন কৰিব নোৱাৰিলে । ড: জনসনৰ ক্ষেত্ৰত সেইটো আৰু অধিক আমোদজনক হৈ পৰিছিল । তেওঁ ভাবিছিল ইংৰাজী ভাষাটোক চিৰস্থায়ী কৰিব খুজিলে তাক এটা বিশিষ্ট গঢ় দিব লাগিব, আৰু তাকে কৰিবলৈ হলে তাত ব্যৱহাৰ হবলগীয়া শব্দাৱলী নিৰ্দিষ্ট হৈ থাকিব লাগিব । তেওঁ তেনে ভাবত প্ৰণোদিত হৈ কাম আৰম্ভ কৰিছিল । সেইবাবে তেওঁৰ অভিধানত তেওঁ বিশুদ্ধ (good) আৰু উপযুক্ত বুলি বিবেচিত (proper) শব্দবোৰহে অন্তৰ্ভুক্ত কৰিছিল । পিচত প্ৰৱাহমান কালৰ সোঁতত অৱশ্যে তেওঁৰ সেই বান্ধ বা মথাউৰি নিটিকিল । তেওঁ কৈ যোৱা কথা আৰু দি যোৱা বাণীয়ে অৱশ্যে উনৈশ শতিকাৰ মাজ ভাগলৈকে প্ৰায় এক শতাব্দী জুৰি ইংৰাজী ভাষাক বাট দেখুৱাই আছিল । পিছত উনৈশ শতিকাৰ মাজ ভাগত ভাষা-বিজ্ঞান সমিতিৰ (Philological Society) বিৰূপ সমালোচনাইহে তেওঁৰ সেই ধনুন্তৰি বান্ধবোৰ কাটি-ছিঙি খণ্ড-পুষপ কৰে । উক্ত সমিতিৰ এখন বৈঠকত সেই বিষয়ে আলোচনা কৰি ডিন (পিছত আৰ্কবিছপ) ট্ৰেন্সে 'ইংৰাজী অভিধানৰ গোটাচেৰেক আসোঁৱাহ" বোলা প্ৰবন্ধ এটাত কৈছিল যে কোনো ভাষাৰ অভিধান সেই ভাষাৰ শব্দাৱলীৰ নিৰ্ভৰযোগ্য তালিকা মাত্ৰ । তাত ভাল শব্দ মাত্ৰ থাকিব লাগিব এনে কথা হব নোৱাৰে । অভিধানকৰ্তাৰ কৰ্তব্য ভাষাৰ সকলো শব্দ সজাই পৰাই সহজে পোৱাকৈ অৰ্থসহ মজুত কৰা, তেহেলৈ শব্দবোৰ ভালেই হওক

*"As before, the aim has been to include all words in general use in literary and conversational English, and all words used in Shakespeare and the Authorised Version of the Bible, in the poems and many of those in the prose writings of Spenser and Milton and in the novels of Walte. Scott".

William Geddie

বা বেয়াই হওক। শব্দৰ ভাল-মন্দ, গ্ৰহণীয় বৰ্জনীয় বিচাৰ তেওঁৰ নহয়। তেওঁ ভাষাৰ শব্দাৱলীৰ ঐতিহাসিকহে, সমালোচক নহয়।*

ওপৰৰ কথাবোৰ সকলো ভাষাৰ আধুনিক অভিধানৰ ক্ষেত্ৰতে প্ৰযোজ্য। আদিতে অভিধান আনকি বৰ্ণমালাৰ অক্ষৰানুক্ৰমেই লিখা হোৱা নাছিল; বিষয় অনুসাৰেহে শব্দাৱলী সুসংবদ্ধ কৰি অৰ্থ প্ৰযোজনা কৰা হৈছিল। অমৰকোষ অভিধানৰ কথাকেই এই প্ৰসঙ্গত উল্লেখ কৰা যায়। অভিধান প্ৰণয়নৰ প্ৰণালী বৈজ্ঞানিক ভিত্তিত স্থিৰ হোৱাৰ পাছত আমাৰ অসমীয়া ভাষাতো সেই প্ৰণালী কিমানদূৰ মানি চলা হৈছিল সেইটো চাবলগীয়া। অসমীয়া ভাষাৰ প্ৰথম অভিধান প্ৰকাশ হৈ ওলায় ১৮৬৭ চনত। মৌজাদাৰ যাদুৰাম ডেকাবৰুৱাৰ সহযোগত ড: মাইলচ্ ব্ৰন্সন নামৰ মিছনেৰী চাহাব এজনে এই কাম সম্পাদন কৰে। প্ৰকৃততে অভিধান ৰচনা কামটোৱেই একপ্ৰকাৰ মিছনেৰী বা নিঃস্বাৰ্থ কাম।

ড: ব্ৰন্সনৰ অভিধানখনৰ নাম আছিল 'অচমিয়া ইংৰাজি অভিধান'। নামটোৰ বানানেই তাৰ প্ৰকৃতিৰ ইঙ্গিত দিয়ে। এই অভিধানত প্ৰায় চৈধ্য হাজাৰ শব্দ সন্নিবিষ্ট কৰা হৈছিল আৰু প্ৰতিটো শব্দৰ পদ নিৰ্ণয় কৰি তাৰ অৰ্থ অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাত দিয়া হৈছিল। এই অভিধানৰ বিশেষত্ব মাইকৈ নিৰ্ভৰ কৰিছিল ইয়াৰ শব্দ বিন্যাস বা বানানত। শব্দবোৰ উচ্চাৰণ অনুসৰি লিখা হৈছিল আৰু শিৱসাগৰ জিলাৰ উচ্চাৰণকেই আদৰ্শ হিচাপে লৈ সেই কাম কৰা হৈছিল। উচ্চাৰণ অনুসৰি লিখাৰ উপৰিও শব্দৰ বানান লিখোতে ঈ, ী ঊ, ূ ৰ উপৰিও ণ, ষ আদি বৰ্ণৰ তাত প্ৰৱেশ নিষেধ আছিল। ফলত জদি, জতৰ, জতন হে হৈছিল; যদি, যতৰ, যতন, নহয়। শ, ষ, স, এই তিনিৰো ভিতৰত 'স' মাত্ৰ আছিল। মুঠতে ড: ব্ৰন্সনে বানানৰ ফালৰপৰা ভাষাটো যিমান পাৰে সহজ কৰিবলৈ যত্ন কৰিছিল আৰু ব্যৱহাৰ হবলৈ ধৰা দুই এটা ইংৰাজী শব্দকো তাত ঠাই দিছিল।

*"A dictionary, according to that idea of it which seems to me alone capable of being logically maintained, is an inventory of the language, much more, but this primarily. It is no task of the maker of it to select the good words of the language. The business which he has undertaken is to collect or arrange all words whether they commend themselves to his judgment or otherwise. He is an historian of the language, not a critic."

—Trence R.

ড: জন্সনৰ 'অচমিয়া ইংৰাজি অভিধান' প্ৰকাশ হোৱাৰ ৩৩ বছৰ পাছত হেমচন্দ্ৰ বৰুৱাই 'হেমকোষ' ৰচনা কৰে। হেমকোষেই অসমীয়া ভাষাৰ বৈজ্ঞানিক পদ্ধতিত লিখা প্ৰথম অভিধান। হেমকোষ আৰু ড: ব্ৰন্সনৰ অসমীয়া অভিধান—দুয়োখন তেনেই পৃথক ধৰণৰ বস্তু। বস্তুত: হেমকোষেই ড: ব্ৰন্সনৰ অভিধানৰ ওপৰত মৰণ-মাৰ মাৰিলে। হেমচন্দ্ৰ বৰুৱাৰ মতে ড: ব্ৰন্সন চাহাবৰ অভিধানে অসমীয়া ভাষাক বিপথগামী কৰিব ধৰিছিল, আৰু সেই হেতুকেহে তেওঁ অসমীয়া ভাষাৰ বৰ্ণবিন্যাস বা বানানৰ আউল ভাঙিবৰ কাৰণে 'হেমকোষ' ৰচনাৰ গুৰুভাৰ গ্ৰহণ কৰিছিল। দুয়োৰো মূল মতানৈক্য আছিল বৰ্ণবিন্যাস বা বানানত।

হেমচন্দ্ৰ বৰুৱাৰ মতে অসমীয়া ভাষাত আখৰ জোঁটনি কেৱল উচ্চাৰণৰ ওপৰতে নিৰ্ভৰ নকৰে, সেই বিষয়ত তিনিটা নিয়ম আছে: কিছুমান শব্দৰ আখৰ জোঁটনি উচ্চাৰণ মানি কৰা হয়; কিছুমানৰ ক্ষেত্ৰত মূললৈ লক্ষ্য ৰাখি কৰা হয় আৰু অন্য কিছুমানৰ আখৰ জোঁটনি পুৰণি দস্তুৰ মানি কৰা হয়। হেমকোষত এই তিনিওটা নিয়ম মানি চলা হৈছে।

ড: ব্ৰন্সনৰ অসমীয়া অভিধান প্ৰকাশ হোৱাৰ ৩৩ বছৰ পাছত হেম-কোষ আৰু হেমকোষৰ ৩২ বছৰ পাছত 'চন্দ্ৰকান্ত অভিধান' প্ৰকাশ হয় (১৯৩৩ চন)। চন্দ্ৰকান্তৰ পাতনিত কোৱা আছে 'হেমকোষে'ই ইয়াৰ ধৰণী আৰু তাৰ বিধান মতেইহে ইও চলিবলৈ যত্ন কৰিছে। সেইমতে 'চন্দ্ৰকান্ত'ক 'হেমকোষ'ৰ এটা বিকল্প সংস্কৰণ বোলা যায়। 'চন্দ্ৰকান্ত' যে 'হেমকোষ'ৰ পৰা ক'তো আঁতৰি যোৱা নাই এনে নহয়, গৈছে। গলেও কিন্তু য'ত আঁতৰি গৈছে তাতো বিশেষ উন্নতিৰ ফালে হোৱা পৰিবৰ্ত্তন লক্ষ্য কৰা নাযায়। উদাহৰণ যেনে 'শগুণ' শব্দটো। হেমকোষে তাৰ মূল 'শকুন্' বুলিছে আৰু বানান দিছে 'শগুন'। অৰ্থাৎ মূলক অনুসৰণ কৰি বানান দিয়া হৈছে। চন্দ্ৰকান্তয়ো অৰ্থ আৰু মূল সম্পৰ্কে হেমকোষৰ লগত হাত মিলাইছে, কিন্তু বানান দিওঁতেহে 'শগুণ' লিখিছে। ই নিশ্চয় সংস্কৃত গন্ধ বিধিৰ প্ৰভাৱ। পিছে এনে ক্ষেত্ৰত য'ত হেমকোষৰ পৰা কালৰি কাটি অহা হৈছে তাত অন্ততঃ 'হেমকোষ'ৰ বানানটোও বন্ধনীত ৰাখিলেহে সুবিধা হ'লহেঁতেন: কিয়নো আজিলৈকে সকলো ক্ষেত্ৰতে দুয়োখন অভিধান মানি চলি থকা হৈছে। আৰু এটা শব্দ, 'কবি' আৰু তাৰপৰা ওলোৱা 'কবিতা'। হেমকোষে দুয়োকেই 'ব'ৰে লিখিলে; অৱশ্যে বন্ধনীত 'ব' হলেও হব বুলি স্পষ্ট মত দি থলে। প্ৰথম সংস্কৰণত চন্দ্ৰকান্তই বিকল্প 'ব' বন্ধনীত নিদিয়াকৈ দুয়োতে 'ব' লিখিলে। তাৰ

মানে 'ব'ৰে লিখিলে নহয় বুলিলে।" দ্বিতীয় সংস্কৰণত কিন্তু তাৰ বিপৰীত হ'ল। এইবাৰ চন্দ্ৰকান্তই 'কৱি' আৰু 'কৱিতা'ত 'ৱ'ৰ ঠাইত কেৱল 'ব' ব্যৱহাৰ কৰিলে। আজিও কিন্তু ব আৰু ৱ দুয়োটা (কৱি আৰু কৱিতাত) সমানে চলি আছে। ইয়াতো অন্ততঃ হেমকোষৰ মতৰ উল্লেখ থকা উচিত আছিল।

চন্দ্ৰকান্ত অভিধানৰ পাতনিত আৰু আছে 'এই অভিধানত হেমকোষত থকাৰ বাজেও বহুত নতুন পুৰণি শব্দ সোমাইছে।' ইয়াৰ অৰ্থ এয়ে যে হেমকোষৰ শব্দবোৰতো চন্দ্ৰকান্তত আছেই তাৰ উপৰিও ন-পুৰণি আৰু অনেক শব্দ তাত সোমাইছে। ন শব্দৰ প্ৰৱেশ নিশ্চয় হৈছে আৰু হব লাগিবও, কিন্তু হেমকোষত থকা শব্দ এৰা পৰিলেহে প্ৰিয়বিৰহৰ দৰে দুখৰ কাৰণ উপজিব। দৰাচলতে চন্দ্ৰকান্তই কিন্তু হেমকোষত থকা আৰু ব্যৱহাৰতো থকা বহুত শব্দ এৰি দিছে,* যেনে 'অকলশৰীয়া পদ'। তৰ্কৰ চলেৰে যদি কোনোবাই কব খোজে যে অকলশৰীয়া পদ এটা খণ্ডবাক্য গতিকে চন্দ্ৰকান্তই তাক ন্যায়তঃ বাদ দিছে, তেনেহলে তেওঁক সুধিব লাগিব চন্দ্ৰকান্তৰ প্ৰথম পৃষ্ঠাত থকা 'অকৰা মৈত উঠা' খণ্ডবাক্যটোৱে তাত ঠাই পালে কেনেকৈ? মুঠ কথা কোনো এটা শব্দৰ লগত সাঙোৰ খাই খণ্ডবাক্য হৈ কোনো এটা বিশেষ অৰ্থ প্ৰকাশ কৰিলে সেই খণ্ডবাক্যই সেই শব্দৰ লগত ঠাই পোৱা উচিত। সেয়ে নহলে ভাষাৰ জতুৱা ঠাঁচ ৰক্ষা নপৰিব আৰু ভাষাও বিজতৰীয়া হবলৈ ধৰিব। খণ্ড-বাক্য বুলিয়ে ঠাই দিব লাগিব বা নালাগিব তেনে কোনো বাধা-বাধকতা থাকিব নোৱাৰে। এই বিষয়ত আধুনিক 'অক্সফৰ্ড ডিক্সনাৰী' এখন আদৰ্শ অভিধান।

শব্দাৰ্থ দিওঁতে প্ৰয়োগৰ নমুনা দেখুৱাবলৈ ঠায়ে ঠায়ে বাক্য সাজি দিয়া উচিত সেয়ে নহলে অভিধানে তাৰ সম্পূৰ্ণ কৰ্তব্য কৰিব নোৱাৰে।

---

* "হেমকোষ'ত থকা অথচ 'চন্দ্ৰকান্ত'ৰ প্ৰথম সংস্কৰণত বাদপৰা আৰু ব্যৱহাৰত থকা অথচ দুয়োখন অভিধানৰ এখনতো নথকা ন্যূনাধিক এহেজাৰ শব্দ 'চন্দ্ৰকান্ত'ৰ দ্বিতীয় সংস্কৰণ প্ৰকাশৰ সময়ত এই প্ৰবন্ধ-লিখকে অভিধান সংশোধন সমিতিৰ হাতত অৰ্পণ কৰিছিল। তাৰে সৰহখিনিয়েই গৃহীত আৰু অন্তৰ্ভুক্ত হয়। দ্বিতীয় সংস্কৰণৰ পাতনিত অৱশ্যে সমিতিয়ে তাৰ স্বীকৃতি দিছে। বিশেষভাৱে আমন্ত্ৰিত হৈ সমিতিৰ কেইবাটাও বৈঠকত আমি আলোচনাত অংশ গ্ৰহণ কৰিবলৈও সুযোগ পাইছিলোঁ।

এই প্ৰসঙ্গত অনুগত শব্দচোৰক আঙুলিয়াব পাৰি । অনুগত বুলিলেই 'কলৌ অনুগতা প্ৰাণাঃ' শ্লোক মনলৈ আহে । শব্দচো যেন সেই শ্লোক-চোৰ পৰাহে খহি আহি অসমীয়া মাত কথাত প্ৰৱেশ কৰিছেহি । সেই কথা চন্দ্ৰকান্ত বা আমাৰ আন কেইখন আধুনিক অভিধানে পাহৰিছে যদিও হেম-কোষে তাক পাহৰা নাছিল আৰু পাহৰা উচিতো নহয় । তেনেবোৰ উল্লেখে নীৰস শব্দাৰ্থতো ৰসৰ সৃষ্টি কৰে ।

স্বাধীনোত্তৰ যুগত অসমীয়াত ১৯৬২ চনত চন্দ্ৰকান্ত অভিধানৰ দ্বিতীয় সংস্কৰণ ওলোৱাত বাহিৰে দুখন মাত্ৰ অভিধান নতুনকৈ প্ৰকাশ হৈছে ; তাৰে প্ৰথমখন শ্ৰীগিৰিধৰ শৰ্মাৰ "অসমীয়া অভিধান" আৰু দ্বিতীয়খন ডঃ সত্যেন্দ্ৰনাথ শৰ্মা আৰু শ্ৰীনবেন্দ্ৰনাথ শৰ্মাৰ "ব্যৱহাৰিক শব্দকোষ" । অসমীয়া অভিধান প্ৰকাশ হয় ১৯৫২ চনত আৰু 'ব্যৱহাৰিক শব্দকোষ' ১৯৭১ চনত । দুয়োখন অভিধান প্ৰয়োজনসম্ভূত তাৎকালিক সমস্যাৰ ক্ষিপ্ৰ সমাধান স্বৰূপে ওলাইছিল অৰ্থাৎ 'আজি কেইবা বছৰৰেপৰা অসমীয়া অভিধান এখনো পাবলৈ নাইকিয়া হোৱাত অসমীয়া পঠন-পাঠনৰ যথেষ্ট অসুবিধা হৈছে' (অসমীয়া অভিধান) নতুবা 'ছাত্ৰ-শিক্ষক সাধাৰণ পঢ়ুৱৈ সকলোৰে হাতত দিব পৰা নাতিবৃহৎ এখনি অসমীয়া অভিধানৰ অভাৱ বহুত দিনৰপৰাই অনুভৱ কৰা হৈছিল' (শব্দকোষ),—এনে প্ৰয়োজনৰ তাড়নাত ৰচনা কৰা হৈছিল । নকলেও হব যে দুয়োখনৰে মূল হেমকোষ আৰু চন্দ্ৰকান্ত অভিধান । গতিকে এই দুখনেও ব্যৱহাৰত থকা প্ৰয়োজনীয় শব্দবোৰক যথাযথভাৱে ঠাই দি অভিধানৰ প্ৰয়োজনীয় কৰ্তব্য নিয়াৰিকৈ সমাধা কৰিব পৰা নাই ।

আমাৰ অসমীয়া ভাষাত এনে এখন অভিধানৰ প্ৰয়োজন হৈছে য'ত বাংলাৰ 'চলন্তিকা', 'সংসদ' বা 'আধুনিকী'ত পোৱাৰ দৰে প্ৰয়োজনীয় শব্দবোৰ লাগিলেই বিচাৰিলে পোৱা যায় । প্ৰয়োজনীয় শব্দ মানে ইয়াকে বুজোৱা হৈছে যে আজিৰ অসমীয়া ভাষাত ইংৰাজী, বঙলা, হিন্দী আদি ভাষাৰ যিবোৰ শব্দ ব্যৱহাৰৰ মাজেদি সোমাই বিয়া কৰাই অনা ছোৱালীয়ে স্বামীগৃহকে নিজৰ ঘৰ বুলি আকোৱালি লোৱাৰ দৰে অসমীয়া লৈ পৰিছে সেই শব্দবোৰ । তেনেবোৰ শব্দক এতিয়া তালাক দিয়াৰ প্ৰশ্ন নুঠে, মাত্ৰ গ্ৰহণ কৰোঁতে ব্যৱহাৰৰ ব্যাপকতা পৰীক্ষা কৰি গ্ৰহণ কৰিব লাগে । ইংৰাজী ভাষাই যদি মালয় দেশৰ 'বেমু' (bamboo), মেক্সিকোৰ 'টমেটো' (tomato), আৰবৰ 'হেৰেম' (Harem), তুৰ্কিস্থানৰ 'বে' (Bey), পাৰস্যৰ 'ডাৰ্ভিচ' (Dervish), ৰুচিয়াৰ

'ষ্টেপ' (Steppe), ইটালিৰ 'লাভা' (Lava), জাৰ্মানিৰ 'প্লাণ্ডাৰ' (Plunder), ভাৰতৰ 'লুট' (Loot), 'ৰাজা' (Raja) পণ্ডিত (Pundit) আদি শব্দ গ্ৰহণ কৰি ইংৰাজী সজাৰ পাবে, তেনেহলে অসমীয়াই 'ষ্টেচন' 'কলেজ', 'চিনেমা', 'কছাৰি', 'টেবুল', 'অফিচ' আদি শব্দক ঠাই দিয়াত বাধা কি ? আমাৰ পুৰণি শব্দ ছাত্ৰশালা, পাঠশালি আদি থাকক, কিন্তু আমাৰ নতুন বস্তু 'কলেজ' হোৱাত আৰু বাধা দিও কিয় ? তেনেকৈ জানো আমাৰ ভাষাত আগতে অনেক শব্দ হজম হোৱা নাছিল ? 'দোৱাত', 'কলম', 'উকীল', 'মুক্তিয়াৰ' আদি জানো অসমীয়া শব্দ ? পুৰণি ৰঙীচুঙা থকাতো 'দোৱাত' আহিল ; 'লেখনী' থকাতো 'কলম' আহিল ; 'কাকতি' বা 'লেখাৰু' থকাতো 'মহৰি' আহিল ; আৰু সকল আহিলেই নহয় প্ৰত্যেকে একো একো ভোখৰ ঠাই অধিকাৰ কৰি বহি লৈছেহি। এইবোৰক এতিয়া উঠাই দিবৰ সাধ্য কাৰ আছে ? গতিকে অনবিচ্ছেদ্যৰূপে যিবোৰ শব্দই ইতিমধ্যেই প্ৰৱেশ লাভ অসমীয়াৰ মুখেৰে ওলাই অসমীয়া হৈ গৈছে, সেই-বোৰক স্বীকৃতি দি নিজৰ কৰি লবই লাগিব, আৰু তাৰ মানে, অভিধানতো সেইবোৰক ঠাই দিবই লাগিব। এদিন এজন লব্ধপ্ৰতিষ্ঠ অসমীয়া সাহিত্যিকে কৈছিল "আজিকালিৰ ডেকা অসমীয়া লিখকবোৰে বঙলুৱা শব্দবোৰ ব্যৱহাৰ কৰে ; যেনে 'পৰিচয়'। আমাৰ 'চিনাকি' অসমীয়া শব্দ থাকোঁতে 'পৰিচয়' 'বঙলুৱা' শব্দ তোমালোকে ব্যৱহাৰ কৰা কিয় ?" উত্তৰত কোৱা হৈছিল "চিনাকিৰ লগত তো আমাৰ পুৰণি চিনাকি আছেই, পৰিচয়ৰ লগত চিনাকি হোৱাতনো দায় কি লাগিল ; 'পৰিচয়' যে আমাৰ সকলোৰে চিনাকি হৈ গৈছে।' বস্তুতঃ তেনে ভাব গ্ৰহণ কৰাৰ আগতে শব্দটো ক'ৰ পৰা ওলাইছে আৰু কিমান ব্যাপকভাৱে সি অসমীয়া মাত-কথাত সিপাই পৰিছে সেইটো ভালকৈ পৰীক্ষা কৰি লব লাগে। বঙালী বুলিয়ে ভয় খাব নালাগে।

আগতে উল্লেখ কৰা হৈছে যে ব্যৱহাৰত থকা ভাষা বোৱতী সুঁতিৰ দৰে। তাক হেঁচা দি নিৰ্মূল কৰিব নোৱাৰি ; এটা নহয় এটা ফালে সি জীয়াই থাকিবই। সেই হেতুকে ব্যৱহাৰত থকা উজনি-নামনি সকলো ঠাইৰে অসমীয়া শব্দাৱলীক লৈ বাংলা ভাষাৰ 'চলন্তিকা'ৰ দৰে এখন নিত্য ব্যৱহাৰ্য্য শব্দৰ সম্পূৰ্ণ অভিধান প্ৰণয়ন কৰা নিতান্ত প্ৰয়োজনীয় হৈ পৰিছে। এই বিষয়ে 'জ্ঞানমালিনী'ৰ জ্ঞানী কবি মফিজুদ্দিন আহমদে ১৯২৯ চনতে অসম সাহিত্য সভাৰ দ্বাদশ অধিবেশনৰ সভাপতিৰ আসনৰ পৰা তেওঁৰ চিন্তাপূৰ্ণ ভাষণত কৈছিল—"প্ৰথম কেবোণ উজনীয়া আৰু কামৰূপীয়াৰ মাজত। মই কব খোজো কামৰূপীয়াৰ যি শব্দ উজনিতে

ভাল তাক উজনীয়াই লোৱাত আপত্তি হব নালাগে।" অভিধানত থাকিলেই যে সেই শব্দ সকলোৱে ব্যৱহাৰ কৰে বা কৰিব লাগে সেইটো নহয়। পাঠকে বা লিখকে সন্দেহ বা খোকোজা লাগিলেহে অভিধান মেলে। একেটা ভাবকে বিভিন্ন বক্তাই বা বিভিন্ন লিখকে বেলেগ বেলেগ শব্দ আৰু বাক্য যোজনাৰ সহায়ত প্ৰকাশ কৰে। সি তেওঁলোকৰ নিজস্ব ভাষা আৰু ভঙ্গী। এনেস্থলত প্ৰচলিত, অন্ততঃ ব্যাপকভাৱে প্ৰচলিত সকলো অসমীয়া শব্দকে অসমীয়া অভিধানখনে আশ্ৰয় দিয়া উচিত। অসমীয়া ভাষাৰ ব্যৱহাৰিক বৈশিষ্ট্য নিৰ্ণয় কৰিব অসমীয়া ব্যাকৰণে, শব্দ তাৰ সহায় মাত্ৰ। শব্দই ভাষাৰ সংক্ৰমণ আৰু সংমিশ্ৰণৰহে সঙ্কেত দিয়ে।

ক্ষোভ আৰু বেজাৰেৰে সৈতে নকৈ নোৱাৰি যে চন্দ্ৰকান্ত অভিধান প্ৰণয়ন আৰু প্ৰকাশত অসমীয়া ভাষাৰ কাৰণে দাতাৰ যি উদাৰতা আৰু বদান্যতা প্ৰকাশ পাইছিল কৰ্মকৰ্তাসকলে তাক সম্যকভাৱে কাৰ্যত ৰূপায়িত কৰিব নোৱাৰিলে। সংগৃহীত অনেক প্ৰচলিত শব্দ তাৰপৰা বাদ পৰিল আৰু সেয়ে অভিধানখন পূৰ্ণাঙ্গ কৰাত ব্যাঘাত জন্মালে। আদিৰেপৰা এই মহৎ কামত দেহেকেহে লাগি থকা স্বৰ্গীয় শৰৎচন্দ্ৰ গোস্বামীদেৱে এই সম্পৰ্কে খেদ কৰি কৈছিল—"পাচৰ কালত অভিধানখন ছপাবৰ সময়ত বিশেষ বিবেচনা নকৰা কৰি কৌঁহিৰাম বাবুৱে লিখা বহুত শব্দ, ব্যাখ্যা, প্ৰয়োগ আদি কাটি দিয়া হ'ল। চন্দ্ৰকান্ত অভিধান লেখা সম্পৰ্কে এই কথা বৰ বেদনাদায়ক।" (অসম সাহিত্য সভা পত্ৰিকা, নতুন প্ৰকাশ ২য়—৩য় সংখ্যা, ১৮৭৪ শক)। এতিয়া সেই বিষয়ে অধিক আলোচনা কৰি লাভ নাই যদিও নকৈ নোৱাৰি যে অভিধানৰ পাতনিত কৌঁহিৰাম দাস ডাঙৰীয়াৰ নামটো পৰ্যন্ত উল্লেখ নথকাটো পৰিতাপৰ কথা। সি যিহওক এতিয়া তাৰ আগন্তুক নতুন সংস্কৰণত উদাৰ আৰু বহল দৃষ্টিৰে চাই বৃহৎ অসমীয়া ভাষা এটাৰ কথা মনত ৰাখি তাক নৰ-পুৰণি, উজনি-নামনি সকলো ঠাইৰ অসমীয়া ভাষাত ব্যাপকভাৱে ব্যৱহৃত হৈ থকা শব্দসমূহৰ ভঁৰালৰূপে প্ৰণয়ন কৰা হব বুলি সকলোৱে আশা কৰে। মনত ৰাখিব লাগিব যে অভিধান এক্সাত্ৰ গৱেষণাৰ সহায়ক গ্ৰন্থ নহয়, ই খাইকৈ ব্যৱহাৰিক সাহায্যৰ পুথি। মানুহে দোমোজাত পৰি কোনো এটা শব্দৰ বানান, অৰ্থ আৰু ব্যৱহাৰৰ বিষয়ে স্পষ্টজ্ঞান লাভ কৰিবৰ কাৰণেহে অভিধানৰ আশ্ৰয় লয়। তেনে স্থলত যদি অভিধানে মনৰ সংশয় দূৰ নকৰি তাক যেযেবিবাং কথাৰে বঢ়াবলৈহে প্ৰয়াস কৰে

অথবা লগা শব্দটোৰেই সন্ধান দিব নোৱাৰে, তেনেহলে তেনে অভিধানৰ প্ৰয়োজনেই বা কি ? মুঠ কথা, অভিধান বচোঁতাৰ বাট কাম শব্দ-সংকলন আৰু অৰ্থ-সন্নিবেশ : ভালেই হওক বা বেয়াই হওক, ভাষাত থকা শব্দবোৰ সংগ্ৰহ কৰি সুশৃংখলভাৱে পৰিৱেশন কৰা আৰু সেইবোৰৰ যথাযথ অৰ্থ আৰু ব্যৱহাৰ দেখুওৱা তেওঁৰ মুখ্য কৰ্তব্য।

যিকোনো ভাষাৰ পৰিসৰ বৃদ্ধি হবলৈ ধৰিলে সি ক্ৰমে নানা তৰহৰ ভাব-চিন্তা আৰু নতুন নতুন বস্তুৰ সংস্পৰ্শত আহি সেইবোৰক সাঁকোৱালি লবলৈ শিকে। ই সকলো জীৱন্ত ভাষাৰ লক্ষণ। অসমীয়া ভাষাতো তেনে অজস্ৰ শব্দৰ সমাৱেশ অতীতত হৈছিল আৰু আজিও হব লাগিছে, যেনে পুৰণিৰ গোমচেং, আংকাই, কিংখাপ, মোকাপাৰ ইত্যাদি আৰু নতুনৰ অতীন্দ্ৰিয়বাদ, অভিব্যঞ্জনা, অস্ত্ৰোপচাৰ, অধিবক্তা, সন্দৰ্ভ ইত্যাদি। ভাব বা বস্তুৰ আমদানি হোৱাৰ লগে লগে ভাব-প্ৰকাশক শব্দাৱলী আৰু বস্তুৰ ন ন নাম তাৰ লগত আহিবই। তেনেকৈ অনেক সংস্কৃত শব্দও অতৰ্কিতে ভাবৰ বাহক হিচাপে ভাষাত প্ৰৱেশ কৰাটো স্বাভাৱিক। সেই-বোৰক সংস্কৃত বুলি বাদ দিলে অভিধান পঙ্গু হৈ পৰিব। তেনে দুই-চাৰিটা শব্দ, যেনে, অকৃতদাৰ, অতিষ্ঠ, অতোনষ্ট-ততোভ্ৰষ্ট, অনৱদ্যাঙ্গী, অনৱগুণ্ঠিতা, অপৰিণামদৰ্শী, অপ্ৰমেয়, অপ্ৰত্যাশিত, অবিচ্ছিন্ন, অৰ্হতা, অলৌকিক ইত্যাদি (এইবোৰ শব্দ আনকি চন্দ্ৰকান্ত অভিধানৰ দ্বিতীয় সংস্কৰণতো নাই)।

ভাষা জনসাধাৰণৰ বস্তু। সেই অৰ্থত তাক গ্ৰহণ কৰিবলৈ হলে জনসাধাৰণৰ মনৰ ভাব প্ৰকাশ কৰা কথা আৰু লিখিত শব্দবোৰক তাৰ অভিধানে সামৰি লব পাৰিব লাগিব। এনে কিছুমান শব্দ আছে যিবোৰৰ ব্যৱহাৰ বহুকাল পূৰ্বৰেপৰা আঞ্চলিকভাৱে চলি আছে আৰু যিবোৰ বেছ অৰ্থপ্ৰকাশক, যেনে, পিকৰাতি, পাচোকা, হিংকা ইত্যাদি। তেনেবোৰ শব্দকো স্বীকৃতি দান কৰি অভিধানত ঠাই দিয়া উচিত। তেনে কাৰ্যাই ভাষাৰ প্ৰকাশিকা শক্তি বৰ্দ্ধনত সহায় কৰিব।

কোনো এঠাইৰ লোকৰ মাতকথা অন্য এঠাইৰ মানুহৰ কাণত অলপ হেনাহচা যেন লাগিবই। এনে বৈষম্যৰ মূল কাৰণ অহা-যোৱা আৰু মিলা-মিছাৰ অভাৱ। তেনে অভাৱৰো একাধিক কাৰণ থাকিব পাৰে, যেনে অন্তৰ্বৰ্তী নদ-নদী, পাহাৰ-পৰ্বত আদিৰ অৱস্থান ; বৈবাহিক সম্বন্ধ অথবা হাট-বজাৰ, মেলা-মহোৎসৱ আদিৰ সহায়ত সংঘটিত হব পৰা ভাব-বিনিময়ৰ সুযোগৰ অভাৱ ইত্যাদি। উজনি অসমতকৈ নামনি অসমত

তেনে ধৰণৰ মাতৰ হেলাচৰ্চাৰ পৰিমাণ অধিক। লিখিত ভাষাত সেইবোৰক একোটা নিৰ্দিষ্ট ৰূপত গ্ৰহণ কৰিব ধৰিলেই তেনে আহুকাল নাইকিয়া হব আৰু বস্তুতঃ সেইটো হৈছেও; যেনে বতাহ-বাতাহ, কপাল-কাপাল, চোতাল-চাতাল, ধন-ধান আদি দুয়োটাৰে ব্যৱহাৰ আছে যদিও লিখাত বতাহ, কপাল, চোতাল, ধন আদিহে ব্যৱহাৰ কৰা হয়। সেইবুলি ব্যৱহাৰত থকা, অৰ্থপ্ৰকাশক গোট গোট শব্দবোৰ শুনাত বেয়া বুলি বাদ দিব নোৱাৰি।

আগতে কোৱা হৈছে যে শব্দাৰ্থ দিয়াৰ উপৰিও শব্দ-প্ৰয়োগ আৰু শুদ্ধ ঠাঁচ নিৰ্ণয় কৰি দিয়াটোও অভিধানৰ এটা অপৰিহাৰ্য কৰ্তব্য। বিজ্ঞানসন্মত নীতিত ৰচিত হোৱা আধুনিক সকলো অভিধানতে এই বিষয়টোত বিশেষ গুৰুত্ব দিয়া দেখা গৈছে। শব্দটোৰ ব্যৱহাৰ সম্পৰ্কে অভিধানে মনৰ সকলোখিনি খোকোজা বা খুকুৰি দূৰ কৰিব নোৱাৰিলে সি অভিধানেই নহয়। বিশ্ববিখ্যাত 'ৱেবষ্টাৰ্চ নিউ ইণ্টাৰনেচনেল ডিক্সনাৰীৰ' (Webster's New International Dictionary) দ্বিতীয় সংস্কৰণৰ মুখবন্ধত স্পষ্টকৈ কোৱা হৈছিল—'এই সংস্কৰণৰ বিশেষত্বই এই যে ইয়াত শুদ্ধ ঠাঁচৰ ব্যৱহাৰ থকা বাক্যাংশ, পূৰ্বপ্ৰত্যয় আৰু পৰপ্ৰত্যয় যোগত হোৱা শব্দাৱলী আৰু যুটিয়া শব্দবোৰ যথাযথভাৱে অন্তৰ্ভুক্ত কৰা হৈছে। † অসমীয়াতো কিছুমান শব্দ যুটীয়া হিচাপে ব্যৱহাৰ হয় আৰু তাৰ যোৰ ভাঙিলে অৰ্থত অনৰ্থ ঘটে। তেনেবোৰ প্ৰয়োগ-সিদ্ধ শব্দ অভিধানত ঠাই দিয়া সৰ্বতোপ্ৰকাৰে কাম্য; উদাহৰণ যেনে, অকাল-বোধন, অপৰিণত-বয়স্ক, অৱনী-মণ্ডল, অক্ষয়-ভাণ্ডাৰ ইত্যাদি। কোৱা বাহুল্য যে এনে যুটীয়া শব্দই কেতিয়াবা সিহঁতৰ প্ৰত্যেকৰে নিজ অৰ্থ এৰি অন্য অৰ্থহে প্ৰকাশ কৰে; যেনে, অকাল-কুষ্মাণ্ড; ইয়াৰ অকাল আৰু কুষ্মাণ্ড দুয়োটা লগ লগাই আৰতবীয়া কোনোবা নহৈ তাৰ অৰ্থ কৰিলে—অকৰ্মণ্য লোক; উপহাসত ইয়াৰ অৰ্থ হ'ল কুসন্তান। তেনেকৈ 'অৰ্থহীন'ৰ অৰ্থ দুটা, নিৰৰ্থক আৰু দুখীয়া। অদ্য-প্ৰভৃতি মানে আজিলৈকেও হব পাৰে আজিৰ পৰাও হব পাৰে। এনেবোৰ ব্যৱহাৰৰ উদা-

† The new feature of this edition is the inclusion of phrases, the combination and the words made from prefixes and combining forms" (Webster's New International Dictionary—Second Edition).

হৰণ দি লিখা অভিধান অকল বিপদ-তাৰণ বা আপদত হাত দিয়া বন্ধুৱেই নহয়, কৌতুহলপূৰ্ণ অধ্যয়নৰ বিষয়বস্তুও হয়।

কোনো এক বিশেষ শব্দৰ লগত সংগতি ৰাখি বিশেষ অৰ্থত ব্যৱহাৰ হোৱা খণ্ডবাক্য আৰু জতুৱা-ঠাঁচবোৰ অভিধানত সন্নিবিষ্ট কৰাটোও নিতান্ত প্ৰয়োজনীয় কাম বুলি আগতে উল্লেখ কৰা হৈছে; হেমকোষ আৰু চন্দ্ৰকান্তত তাকে কৰিবলৈ যত্ন চলিছিল যদিও সেই বিষয়ত আশানুৰূপ কৃতকাৰ্যতা লাভ হোৱা নাই। অসমীয়াত জতুৱা ঠাঁচ আৰু খণ্ডবাক্যৰ ব্যৱহাৰ অপৰ্যাপ্ত। সেইবোৰৰ সংগ্ৰহ আৰু প্ৰকাশৰ চেষ্টাও নোহোৱাকৈ থকা নাই। এইচ. বি, কটনৰ Phrases in English and Assamese পি.গৰ্ডন চাহাবৰ Some Assamese Proverbs; প্ৰসন্নলাল বৰুৱাৰ "পটন্তৰ মালা"; শ্ৰীৰামচন্দ্ৰ দাসৰ "ফকৰা-যোজনা"; নবকুমাৰ দাসৰ "যোজনা", ইন্দ্ৰনাৰায়ণ ৰবাৰ "অসমীয়া প্ৰবচন", ভীমেশ্বৰ বৰুৱাৰ "প্ৰবচন", ডিম্বেশ্বৰ নেওগৰ "বহবহী", বেণুধৰ ৰাজখোৱাৰ "অসমীয়া খণ্ডবাক্য কোষ", প্ৰফুল্লচন্দ্ৰ বৰুৱাৰ "অসমীয়া প্ৰবচন", হৰেন্দ্ৰনাথ শৰ্মাৰ "অসমীয়া বচন-ভঙ্গী", চন্দ্ৰধৰ বৰুৱাৰ "বস্তুকোষ"—তেনে প্ৰচেষ্টাৰে ফল। ৰাজখোৱাদেৱৰ 'খণ্ডবাক্য কোষ' ১৯৬১ চনত ড: মহেশ্বৰ নেওগৰ ভূমিকা আৰু পৰিশিষ্টৰে নতুনকৈ নৱৰূপত ওলাইছে। শেষৰ পাঁচখন পুথিক যোৱা ত্ৰিশ বছৰ কালৰ ভিতৰত প্ৰকাশ হোৱা সেই বিষয়ৰ গ্ৰন্থসমূহৰ ভিতৰত শ্ৰেষ্ঠ বুলি ধৰিব লাগিব।

উপৰোক্ত আটাইবোৰ পুথিতে যোজনা-পটন্তৰ আৰু প্ৰধান-বচনত যথেষ্ট গুৰুত্ব দিয়া হৈছে। অভিধানত কিন্তু যোজনা-পটন্তৰ প্ৰাসঙ্গিক-ভাবে অ'ত ত'ত আৱশ্যকীয় হলেও পোনে পোনে প্ৰয়োজনীয় নহয় জতুৱা-ঠাঁচ আৰু খণ্ডবাক্যহে অভিধানৰ অঙ্গ-স্বৰূপ। সেই কাৰণে ৰাজখোৱাৰ 'খণ্ডবাক্য কোষ' আৰু হৰেন্দ্ৰনাথ শৰ্মাৰ 'বচন-ভঙ্গী'হে অসমীয়া অভিধানৰ ভাগী-বংশ। যথাৰ্থতে দুয়োখন পুথিতে থকা অনেক খণ্ডবাক্য আৰু খুৰীয়া শব্দ দুয়োখন অভিধানতে আছেও।

'অসমীয়া বচন-ভঙ্গী'ত ৬৬৭৭ টা বিভিন্নধৰ্মী জতুৱা-ঠাঁচ আছে। বিশেষকৈ 'খণ্ডবাক্য কোষ'ত স্থান নোপোৱা নাবনিৰ অনেক জতুৱা-ঠাঁচ আৰু খণ্ডবাক্য তাত সন্নিবিষ্ট কৰা হৈছে। সেই দিশেদি টকাৰ 'খণ্ড-বাক্য কোষ'ৰ পৰিপূৰক বুলিও কব পাৰি। পুথিৰ নিবেদনত শৰ্মাদেৱে নিজেই কৈছে—"এই পৰ্যন্ত ইতিপূৰ্বে প্ৰকাশ পোৱা 'খণ্ডবাক্য কোষ' আৰু 'বস্তুকোষ' দুখনিয়ে অসমীয়া ৰাইজক এই বিষয়ত যথেষ্ট সবল

যোগাইছে ; কিন্তু অসমীয়া ভাষা বচন-ভঙ্গীত ইমান চহকী যে এই দুখন গ্ৰন্থ এখনো এই বিষয়ত স্বয়ংসম্পূৰ্ণ হব পৰা নাই।" তেখেতৰ 'বচন-ভঙ্গী' হেনো পৰিকল্পিত সুবৃহৎ সংস্কৰণ এটাৰ ক্ষুদ্ৰ তাঙৰণ মাত্ৰ আছিল। মহাকালৰ পৰিহাসত সেই সুবৃহৎ সংস্কৰণ সম্পূৰ্ণ নহ'ল। 'বচন-ভঙ্গী' তাবে পূৰ্বাভাগ বা কচৰৎ মাত্ৰ আছিল। যেয়েহে খণ্ডবাক্য বা যুৰীয়া শব্দবোৰৰ অৰ্থ ব্যাখ্যা কৰোঁতে তাত সেইবোৰৰ অন্তৰ্নিহিত আখ্যান বা কাহিনী আদি যথাযথৰূপে দিয়া হোৱা নাই, বৰঞ্চ হেমকোষ বা চন্দ্ৰকান্ত-তেই সেই কাহিনীবোৰ দিয়া আছে। উদাহৰণ স্বৰূপে যেনে, অগস্ত্য-যাত্ৰা, জড়-ভৰত গুৱাল-গালি ইত্যাদি।

উজনিৰ বচন-ভঙ্গীৰ লগত নামনিৰ বচন-ভঙ্গীৰ অ'ত ত'ত কিঞ্চিৎ পাৰ্থক্য থকাটো স্বাভাৱিক ; যেনে, নামনিত কয়—'একৰ কাই বোটলা' ; উজনিত তাকে বোলে—'একৈয়া বোটলা।' দুয়োটাবে অৰ্থ একে। আকৌ একেটা শব্দয়ে অলপ বেলেগ ৰূপ লৈ বেলেগ অৰ্থ প্ৰকাশ কৰিব পাৰে ; যেনে 'ঘৰজীয়া' আৰু 'ঘৰ-জোঁৱাই।' 'ঘৰজীয়া' তাচ্ছিল্য অৰ্থত ব্যৱহাৰ হয় ; নিজৰ ঘৰ এৰি আনৰ ঘৰত যি চপনীয়া থাকে। 'ঘৰ-জোঁৱাই' হলে শহুৰেকৰ ঘৰত বাসকৰা বা চপাই লোৱা জোঁৱাই ; যেন প্ৰথম জনৰ সন্মান নাই, দ্বিতীয় জনৰ আছে। এনে ধৰণৰ ব্যৱহাৰত থকা শব্দ নামনিত প্ৰচুৰ। সতুৰা-ঠাঁচত ব্যৱহাৰ হোৱা শব্দ-সংগ্ৰহত যথেষ্ট যত্ন আৰু পৰীক্ষাৰ প্ৰয়োজন। এনেবোৰ পৰীক্ষা-নিৰীক্ষাৰ সহায়ত স্বয়ংসম্পূৰ্ণ কৰি তোলা অসমীয়া অভিধান এখনৰ অভাৱ আজি সকলোৱে অনুভৱ কৰি আছে। গাঁও-ভূঁইৰ ভাষাৰ লগত সম্যক সম্বন্ধ থকা উজনি নামনি উভয় অঞ্চলৰে উদাৰ দৃষ্টি-ভঙ্গী আৰু ভাষাজ্ঞানসম্পন্ন এদল পণ্ডিতৰ যৌথ চেষ্টাত ই সহজসাধ্য হব বুলি আশা কৰা যায়।

পুৰণি সাহিত্য আলোচনাৰ পৰ্যালোচনা

[১৯৪১ চনৰ পৰা ১৯৭৩ চনলৈ]

শ্ৰীহৰিনাথ শৰ্মা দলৈ

পুৰণি অসমীয়া সাহিত্যৰ সম্পাদনা আৰু আলোচনাৰ পথ জোনাকী যুগতে ভালকৈয়ে মুকলি হয়। বিংশ শতিকাৰ চতুৰ্থ দশকৰ শেষলৈকে ই অৱশ্যে উন্নতিৰ উচ্চতাৰ ফালে ভালেখিনি আগোৱাছে। এই কাল-ছোৱাত এডোৱাৰ্ড গেইট, পণ্ডিত হেমচন্দ্ৰ গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱা, কণকলাল বৰুৱা, কালিৰাম মেধি, বাণীকান্ত কাকতি, সূৰ্যকুমাৰ ভূঞা আদি আৰু কেইবা গৰাকী যাত্ৰীয়ে অগ্ৰ-পিছাকৈ উক্ত কষ্টদায়ক পথত বাট বুলিছিল আৰু লগে লগে পুৰণি সাহিত্যৰ আলোচনা-গৱেষণা-ৰূপ সম্পদৰ নিজ নিজ বোজাবোৰ ক্ৰমে গধুৰ কৰি লৈ লৈ আহিছিল। দৰাচলতে কবলৈ গলে, এই অগ্ৰগামী যাত্ৰীসকলে থৈ যোৱা চোঁপোলাবোৰ এই পথৰ পৰবৰ্তী পথিকসকলৰ কাৰণে কেৱল আকৰ্ষণৰ খনিয়েই নহয়, বহু বিষয়ত দিগ্‌দৰ্শনকাৰকো। পুৰণি সাহিত্যৰ সমালোচক হিচাপে ড: কাকতি আছিল ১৯৪১ চনৰ আগৰ শিখৰ। "পুৰণি অসমীয়া সাহিত্য"ত (১ম সংস্কৰণ ১৯৪০) প্ৰকাশিত প্ৰবন্ধবোৰ আৰু ভৱানন্দ পাঠক নাম লৈ "বাঁহী"ত প্ৰকাশ কৰা প্ৰবন্ধসমূহ তেওঁৰ পুৰণি অসমীয়া সাহিত্য-সমালোচনাৰ উৎকৃষ্ট নিদৰ্শন। এই গোটেইবোৰ ১৯৪১ চনৰ আগৰ ৰচনা হলেও ইয়াৰ মাজেদি প্ৰকৃত সাহিত্য-সমালোচনাৰ যি যথাৰ্থ পথ দৃষ্টিগোচৰ হৈছিল তাৰদ্বাৰা সাম্প্ৰতিক সমালোচকসকল প্ৰভূতভাৱে উপকৃত। ড: কাকতি আছিল ইংৰাজী সাহিত্যৰ বিদগ্ধ পণ্ডিত, সংস্কৃত সাহিত্যতো তেওঁৰ যথোচিত জ্ঞান আছিল। গভীৰ অধ্যয়নশীলতা আৰু মননশীলতা সমালোচকৰ এই দুই গুণৰ অধিকাৰী কাকতিয়ে লাভ কৰিছিল প্ৰচুৰ

যথাৰ্থ বিষয়জ্ঞান আৰু বোধশক্তি। তেওঁৰ সাহিত্য-বিচাৰত বৈজ্ঞানিক দৃষ্টিভঙ্গীয়ে প্ৰৱেশ কৰিছে। বিষয়বস্তুৰ গভীৰ জ্ঞানে তেওঁৰ সমালোচনাত ব্যাখ্যাত্মক ৰূপ আৰু বিশ্ব-সাহিত্যৰ লগত পৰিচয়ে তুলনাত্মক ৰূপ দিয়াত হয়তো সহায়তা কৰিছে।

১৯৪১ চনৰ পৰা বৰ্ত্তমানলৈ যিমানখিনি আমাৰ পুৰণি সাহিত্য ছপা হৈ ওলাইছে আৰু সেই সম্বন্ধে যিমান আলোচনা হৈছে, তাৰ সম্যক পৰ্যালোচনা অলপ কেইখিলামান পাতত সামৰি থোৱা এটা প্ৰবন্ধৰ ভিতৰত সম্ভৱ নহয়। আলোচনাযোগ্য কিবা কথা ইয়াত বাদ পৰিবও পাৰে। তাৰবাবে ত্ৰুটি মাৰ্জনীয়।

পুৰণি অসমীয়া সাহিত্যৰ আলোচনা-প্ৰসঙ্গত প্ৰথমতে জন-সাহিত্যৰ আলোচনা সম্বন্ধে দুষাৰ কোৱাৰ প্ৰয়োজন। এই দিশৰ পথ-প্ৰদৰ্শক হিচাপে পণ্ডিত হেমচন্দ্ৰ গোস্বামী আৰু ডিম্বেশ্বৰ নেওগৰ নাম উল্লেখ কৰিব-লগীয়া। গোস্বামীদেৱে "অসমীয়া সাহিত্যৰ চানেকি"ৰ প্ৰথম খণ্ডত (১৯২৯) জন-সাহিত্যৰ প্ৰায় সকলোবোৰ শাখাৰেই কিছুমান চানেকি আৰু নেওগদেৱে "আকুল পথিক"ত (১৮৪৪শক) কিছুমান লোক-গীত সংগ্ৰহ কৰি জন সাহিত্য আলোচনাৰ পথ বহু পৰিমাণে উজু কৰি থৈ গৈছে। ১৯৪১ চনৰ পাছৰ পৰা আমাৰ জনসাহিত্য আলোচনাত বহুতো লিখকৰ দৃষ্টি নিপতিত হৈছে। জন-সাহিত্যৰ গৱেষক আৰু প্ৰধান আলোচক ডঃ প্ৰফুল্লদত্ত গোস্বামীয়ে ইতিমধ্যে অসমীয়া আৰু ইংৰাজী উভয় ভাষাতে জন-সাহিত্যৰ গৱেষণামূলক আলোচনা কৰি সাহিত্য আৰু সংস্কৃতিত ইয়াৰ স্থান নিৰ্ণয় কৰিছে। তেওঁৰ ১৯৪৮ চনতে ওলোৱা "অসমীয়া জনসাহিত্য"ৰ ইতিমধ্যে কেইবাটাও বৰ্দ্ধিত সংস্কৰণ ওলাইছে। ইয়াত প্ৰধানভাৱে ব্যাখ্যাত্মক আৰু ঠাইবিশেষে তুলনাত্মক আলোচনাৰ যোগেদি জন-সাহিত্যসমূহৰ স্বৰূপ দাঙি ধৰিবলৈ তেওঁ যত্ন কৰিছে। ডঃ গোস্বামীদেৱৰ "বাৰ মাহৰ তেৰ গীত" (১৯৬২) এই লোক-গীতৰ সংগ্ৰহটি আৰু ইয়াত সংযোগ কৰা আলোচনাত্মক পাতনিটি জন-সাহিত্যৰ আলোচনা কাৰ্য্যৰ শ্ৰীবৰ্দ্ধক। ডঃ বিৰিঞ্চিকুমাৰ বৰুৱাই মন্ত্ৰ-সাহিত্য সম্বন্ধে এটা ব্যাখ্যাত্মক আলোচনা দি গৈছে[1]। ঠেক পৰিসৰৰ মাজেদি এই আলোচনাই মন্ত্ৰৰ বিষয় আৰু প্ৰকৃতিৰ আভাস দিব পাৰে। ভাব, ভাষা, প্ৰকাশভঙ্গী আদি সকলো কাৰণৰ পৰাই ডঃ বৰুৱাৰ বিহু-গীতৰ আলোচনাটি[2] অতি উৎকৃষ্ট।

---

(১) অসমীয়া কথা-সাহিত্য (১৮৭২ শক)
(২) অসমীয়া ভাষা আৰু সংস্কৃতি (১৯৫৭)

ডঃ মহেশ্বৰ নেওগৰ "অসমীয়া গীতি-সাহিত্য"ত (১৯৫৮) লোক-গীতবোৰৰ যি আলোচনা পোৱা যায়, সি চমু হলেও ভৱিষ্যত আলোচনাৰ আধাৰস্বৰূপ : শ্ৰীৰামচন্দ্ৰ দাসে নিজে জন-সাহিত্যৰ বিশেষ আলোচনা কৰা নাই, কিন্তু অসংখ্য গীত-পদ, ফকৰা-যোজনা আদি সংগ্ৰহ কৰি সমালোচকৰ দৃষ্টিগোচৰ কৰিছে। ইতিমধ্যে অধ্যাপক লীলা গগৈয়ে বিহু-গীতৰ সকলো দিশ আলোচনা কৰি সৰল ভাষাত এখন গ্ৰন্থ প্ৰণয়ন কৰিছে। ইয়াৰ উপৰিও, জন-সাহিত্যৰ ওপৰত লিখা বিভিন্ন লিখকৰ কিছুমান আলোচনা গ্ৰন্থ আৰু আলোচনীৰ পাতত সিঁচৰিত হৈ পৰি আছে। ইয়াৰ ভিতৰত, উদাহৰণ স্বৰূপে, হেম বৰুৱাৰ "লোক-গীত আৰু কাহিনী-গীত"[৩], ডঃ সত্যেন্দ্ৰনাথ শৰ্মাদেৱৰ "পুৰণি আখ্যান গীত"[৪], ডঃ উপেন্দ্ৰনাথ গোস্বামীৰ "লোক সাহিত্যৰ সৌন্দৰ্য্য"[৫] আৰু ডঃ হৰিনাথ শৰ্মাদলৈৰ "অসমীয়া জন-সাহিত্যত ভুমুকি"[৬] আদিৰ কথা উল্লেখ কৰা হল[৭]।

অধ্যাপক উপেন্দ্ৰচন্দ্ৰ লেখাৰু পুৰণি অসমীয়া ৰামায়ণ-সাহিত্যৰ প্ৰবীণ সমালোচক আৰু উক্ত-বিষয়ৰ গৱেষণাৰ বাটকটোঁতা। তেওঁৰ অসমীয়া 'ৰামায়ণ সাহিত্য' (১৯৪৮) ভৱিষ্যত গৱেষকৰ কাৰণে নিৰ্ভৰযোগ্য সহায়। মাধৱ কন্দলীৰ ৰামায়ণৰ পৰা আৰম্ভ কৰি সকলোবোৰ ৰামায়ণ-সাহিত্য আৰু তাৰ ৰচয়িতাসকলৰ আলোচনা ইয়াৰ অন্তৰ্ভুক্ত। বিষয়বস্তুৰ ব্যাপকতাৰ অনুপাতে গ্ৰন্থৰ পৰিসৰ বহুত কম; সেইকে মূলৰ লগত বিষয়বস্তুৰ সম্যক ৰূপে তুলনামূলক আলোচনাৰ স্থান অৱশ্যে ইয়াত কম। তথাপি লেখাৰু দেৱৰ এই ৰচনাৰ মাজত বিশ্লেষণী-প্ৰতিভা, সূক্ষ্ম-পৰ্য্যবেক্ষণ আৰু কলাৰ সামগ্ৰিক মূল্য-নিৰূপণ-ক্ষমতা প্ৰকট। উল্লেখযোগ্য কথা—১৯৫৩ চনত

(৩) অসমীয়া সাহিত্য (১৯৭০)

(৪) সাহিত্যৰ আভাস (১৯৬৩)।

(৫) ভাষা আৰু সাহিত্য (২য় সং : ১৯৬৬)

(৬) সাহিত্য আৰু সংস্কৃতি (১৯৬৫)

(৭) যদিও আমাৰ আলোচনাৰ ভিতৰত ঠিকভাবে নপৰে, তথাপি এইখিনিতে উল্লেখ নকৰি নোৱাৰিলো যে, ১৯২৪ চনতে ডঃ সূৰ্য্যকুমাৰ ভূঞাদেৱে "মণিৰাম দেৱানৰ গীত" বৈজ্ঞানিক দৃষ্টি-ভঙ্গীৰে সম্পাদনা কৰি উলিয়ায়। ইয়াৰ দীঘলীয়া পাতনিত ভূঞাদেৱে এই গীতৰ ঐতিহাসিক পটভূমি আৰু কাহিনী-গীতৰ লক্ষণ, ভাষা আদি বহুত কথা ধৰাচি মাৰি আলোচনা কৰে। উক্ত সংস্কৰণটি আধুনিক গৱেষণাৰ কাৰণে বৰ মূল্যবান।

এই গ্ৰন্থৰ কথাই এক প্ৰকাৰ চমু আকাৰ লৈ ইংৰাজীত "ৰামায়ণৰ অসমীয়া অনুবাদ" নামৰ প্ৰবন্ধ ওলায়। [৮] ইতিমধ্যে ডঃ সত্যেন্দ্ৰনাথ শৰ্মায়ো তেওঁৰ ইংৰাজী গ্ৰন্থত অসমীয়া ৰামায়ণ সম্বন্ধে আলোচনা কৰিছে। [৯] স্থানভেদে মূলৰ লগত সম্বন্ধ দেখুৱাই ৰামায়ণৰ ৰচনাৰীতি, কবিৰ কলাত্মক-দৃষ্টি-প্ৰদৰ্শন আদি এই আলোচনাৰ প্ৰধান বিশেষত্ব। কেইবাগৰাকী কৃতিলোকৰ চেষ্টাত এতিয়ালৈকে মাধৱ কন্দলী-ৰামায়ণৰ বিভিন্ন সংস্কৰণ ওলাইছে।[১০] কিন্তু কোনো সংস্কৰণতে পুৰণি অসমীয়া সাহিত্যৰ আলোকময় কীৰ্ত্তি-স্তম্ভস্বৰূপ এই ৰামায়ণৰ সৰ্বভাৰতীয় কাব্যিক পটভূমিত বিশেষত্ব, ৰচনা-বৈশিষ্ট্য, কাব্যিক গুণাগুণ, অগ্ৰমুখী আলোকপাত আদি সম্বন্ধে যথোচিত আলোচনা হোৱা নাই। অৱশ্যে পণ্ডিত কণক শৰ্মা আৰু অধ্যাপক উমাকান্ত গোস্বামীয়ে তেওঁলোকৰ সম্পাদিত ৰামায়ণৰ ভূমিকাত যি আলোচনা কৰিছে, সি এই প্ৰসঙ্গত উল্লেখযোগ্য। মাধৱ কন্দলিৰ ৰামায়ণ সম্বন্ধে ইতিমধ্যে দুই এজন আলোচকে যি প্ৰবন্ধ লিখিছে, সিও কন্দলীৰ বিশাল প্ৰতিভাৰ কিঞ্চিৎ বিকাশত সহায়তা নকৰি থকা নাই।[১১] ডঃ মহেশ্বৰ নেওগ আৰু ডঃ সত্যেন্দ্ৰনাথ শৰ্মাৰ যথাক্ৰমে "দুৰ্গাবৰী গীতি-ৰামায়ণ" (১৯৫৪) আৰু ৰঘুনাথ মহন্তৰ "কথা ৰামায়ণ"ৰ সম্পাদনা বিশেষ উল্লেখযোগ্য। দুয়ো গৰাকী পণ্ডিতে নিজ নিজ ভূমিকাত ৰচকৰ পৰিচয়, বিষয়বস্তুত মৌলিকতা, ৰচনাৰ সৌন্দৰ্য্য, ভাষাৰ বৈশিষ্ট্য আদি স্বকীয় বিশ্লেষনী-প্ৰতিভা আৰু সূক্ষ্ম-পৰ্যবেক্ষণেৰে স্পষ্ট কৰি তুলিছে এই দুয়োখন সম্পাদিত গ্ৰন্থই পুৰণি ৰামায়ণ সাহিত্যৰ একোটা দিশ ভালকৈ পোহৰাইছে। ৰঘুনাথ মহন্তৰ "শত্ৰুঞ্জয়" আৰু "অদ্ভুত ৰামায়ণ"—এই দুখন কাব্যৰ ভূমিকাত ডঃ বিৰিঞ্চিকুমাৰ বৰুৱাদেৱে যি চমু আলোচনা দাঙি ধৰিছে, তাৰ মাজত কাব্যৰ বিষয়বস্তুৰ ব্যাপকতা আৰু মৌলিকতাৰ সম্যক সন্ধান নাথাকিলেও ভৱিষ্যত আলোচনাৰ কাৰণে প্ৰেৰণাদায়ক ইংগিত স্পষ্ট।

---

(৮) Aspects of Early As. Literature, G. U. 1953.

(৯) Epics and Puranas in Early As. Literature, 1972

(১০) পণ্ডিত কণক শৰ্মা আৰু অধ্যাপক উমাকান্ত গোস্বামীৰ যুটীয়া সম্পাদনাত ওলোৱা ৰামায়ণ (১৯৪০), প্ৰসন্নলাল চৌধুৰীৰ সম্পাদনাত ওলোৱা ৰামায়ণ (১৯৪১) আৰু দত্তবৰুৱা সম্পাদিত ৰামায়ণ (১৯৫২)

(১১) মাধৱ কন্দলী (সাহিত্যৰ আভাস, ১৯৬৩, ডঃ সত্যেন্দ্ৰনাথ শৰ্মা) মাধৱ কন্দলীৰ ৰামায়ণ (সাহিত্য আৰু সংস্কৃতি, ১৯৬৩, ডঃ হৰিনাথ শৰ্মা দলৈ)

আমাৰ মনসা-কাব্যৰ প্ৰথম প্ৰধান আলোচক ৺ভাৰতচন্দ্ৰ দাস। তেওঁৰ "অসমীয়া সাহিত্যৰ বুৰঞ্জী" (মনসা-শাখা)ৰ প্ৰথম সংস্কৰণ ১৯৪৯ চনত প্ৰকাশ হয়। মনকৰ, দুৰ্গাবৰ আৰু নাৰায়ণদেৱ—এই তিনিওজন মনসা কবি আৰু তেওঁলোকৰ কাব্যৰ বিষয়ে, বিশেষকৈ কাব্যৰ কথাবস্তুৰ সুন্দৰ বিশ্লেষণ আৰু তাৰ মাজেদি প্ৰকাশ পোৱা ধৰ্মীয় আৰু সামাজিক অৱস্থা আদিৰ বিষয়ে কৰা আলোচনা দাসদেৱৰ এই গ্ৰন্থৰ বৈশিষ্ট্য। কবি আৰু ঘটনাৰ স্থান কাল সম্বন্ধে তেওঁ দিয়া কিছুমান মন্তব্যৰ লগত পৰৱৰ্তী সমালোচকসকল অৱশ্যে একমত নহয়। গ্ৰন্থৰ ভিতৰৰ কথাৰ ওপৰত নিৰ্ভৰ কৰি সকলো সিদ্ধ কৰা কাৰণে দাসৰ আলোচনাত ব্যাখ্যাত্মক ৰূপ পাই। মনকৰী আৰু দুৰ্গাবৰী কাব্য প্ৰসঙ্গত[12] মনসা-দেৱী আৰু তেওঁৰ পূজাৰ ৰীতিনীতি আৰু কামৰূপত মনসা-পূজাৰ প্ৰৱৰ্তন সম্বন্ধে ড: বিৰিঞ্চিকুমাৰ বৰুৱা আৰু ড: সত্যেন্দ্ৰনাথ শৰ্মা দেৱে কৰা তুলনাত্মক আলোচনা পাণ্ডিত্য-পূৰ্ণ আৰু তথ্য প্ৰকাশক; কিন্তু সেই একে আলোচনাৰে পাছৰ অংশত কাব্যৰ বিষয়বস্তুৰ সকলো দিশৰে বিশ্লেষণ পোৱা নাযায়। মনসা কাব্য-সমূহৰ বিৰাট কুক্ষী প্ৰদেশৰ বহু দিশত বহু কথা সোমাই আছে। অতুলচন্দ্ৰ বৰুৱাই ইয়াৰ এটা দিশৰ (আদি ৰস) বহল আলোচনা কৰি বাকী দিশবোৰলৈও সমালোচকৰ দৃষ্টি আকৰ্ষণ কৰিছে।[13] সুকবি নাৰায়ণদেৱ বিৰচিত বিশাল মনসা কাব্য "সুকনানী : পদ্মাৱতী" (পদ্মা পুৰাণ) যথেষ্ট কষ্ট স্বীকাৰ কৰি দৈৱচন্দ্ৰ তালুকদাৰে ১৯৬৪ চনত সম্পাদনা কৰি উলিয়াইছে। কাব্যৰ ঘটনাৰ স্থান আদি সম্বন্ধে সম্পাদকে যি চমু ভূমিকা লিখিছে, সি স্বকীয় মতবৈশিষ্ট্যপূৰ্ণ। তালুকদাৰৰ এই সম্পাদনাই নাৰায়ণ-দেৱ বিষয়ক গৱেষণাৰ পথ মুকলি কৰি দিলে।

১৯৪১ চনৰ পাছত আমাৰ পুৰণি নাট্য-সাহিত্যৰ আলোচকসকলৰ ভিতৰত কালিৰাম মেধিৰ নাম প্ৰথমে উল্লেখ কৰিবলগীয়া।[14] শঙ্কৰ-মাধৱ আদি ধৰ্ম গুৰুসকলে ৰচনা কৰা একুৰি এখন নাট বছাই কৰি বিভিন্ন ঠাইৰ পৰা তেওঁ সংগ্ৰহ কৰে আৰু "অঙ্কাৱলী" নাম দি ১৯৪৯ চনত

---

(১২) মনসা-কাব্য, (১৯৫১) ড: বিৰিঞ্চি কুমাৰ বৰুৱা আৰু ড: সত্যেন্দ্ৰ নাথ শৰ্মা সম্পাদিত।

(১৩) অসমীয়া কাব্যত প্ৰেমৰ বোৱতী সুঁতি (১৯৭০)

(১৪) ড: বিৰিঞ্চি কুমাৰ বৰুৱা সম্পাদিত "অসমীয়া নাট" ইংৰাজী ভূমিকাৰ সৈতে ১৯৪০ চনতে ওলায়।

সম্পাদনা কৰি উলিয়ায় । ইংৰাজীত লিখা বি দীঘলীয়া ভূমিকা ইয়াৰ লগত সংযোগ কৰিছে, তাত তেওঁ অসমীয়া নাটৰ উৎপত্তি সংস্কৃত নাটকৰ অৱনতি, সংস্কৃত নাটকৰ লগত অসমীয়া নাটৰ মিল-অমিল আদি কথাবোৰ বহলাই আলোচনা কৰিছে । ইয়াৰ উপৰিও, নাটবোৰৰ বিষয়বস্তু চমুকৈ দাঙি ধৰাৰ লগতে সেইবোৰৰ মূলবো আভাস দিছে । যেধিদেৱৰ বিস্তৃত আলোচনাৰ মাজত সৰু-সুৰা কিবা দোষ-ত্ৰুটি থাকিব পাৰে, তথাপি তেওঁৰ "অঙ্কাৱলী" পুৰণি অসমীয়া নাট্য সাহিত্য আলোচনাৰ ইতিহাসত কীৰ্তি-স্তম্ভ । অসমীয়া নাট্য সাহিত্যৰ গৱেষক ডঃ হৰিশ্চন্দ্ৰ ভট্টাচাৰ্য্য [১৫] আৰু ডঃ সত্যেন্দ্ৰ নাথ শৰ্মাৰ [১৬] অঙ্কীয়া নাট সম্পৰ্কীয় আলোচনা বিশেষ উল্লেখযোগ্য । অঙ্কীয়া নাটৰ উৎপত্তি, কাহিনী বিশ্লেষণ, ইয়াৰ মূল, চৰিত্ৰাৱলী আদি সম্বন্ধে দুয়ো গৰাকী পণ্ডিতে হ্ৰস্ব-দীৰ্ঘভাৱে আলোচনা কৰিছে যদিও উভয়ৰে আলোচনা নিজস্ব বৈশিষ্ট্যপূৰ্ণ । কাহিনী আৰু চৰিত্ৰ বিশ্লেষণত ডঃ শৰ্মাৰ মনোনিবেশ অধিক লক্ষ্য কৰা যায় । অঙ্কীয়া নাটৰ গদ্য-বৈশিষ্ট্যৰ বিষয়ে ডঃ বিৰিঞ্চিকুমাৰ বৰুৱাই সূক্ষ্মভাৱে আলোচনা কৰি গৈছে । [১৭] ইয়াৰ উপৰিও, যোগ্য ব্যক্তিৰ দ্বাৰা শঙ্কৰ-মাধৱৰ বিবোৰ নাট সম্পাদিত হৈ ওলাইছে, আৰু নিৰ্দ্দিষ্ট নাট সম্বন্ধে তাৰ ভূমিকাত বি আলোচনা কৰা হৈছে, সেইবোৰেও ইয়াৰ আলোচনাৰ পথৰ অগ্ৰগতিত সহায়তা নকৰাকৈ থকা নাই । [১৮]

শঙ্কৰদেৱৰ গৱেষক ডঃ মহেশ্বৰ নেওগৰ শঙ্কৰী-সাহিত্যৰ, তথা বৈষ্ণৱ-সাহিত্যৰ আলোচনাত্মক অৱদান আপেক্ষিকভাৱে বেছি । গৱেষণা গ্ৰন্থ "শঙ্কৰদেৱ আৰু তেওঁৰ কাল"ৰ উপৰিও ইংৰাজী আৰু অসমীয়া উভয়

---

(১৫) অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি (১৯৬৮)
(১৬) অসমীয়া নাট্য সাহিত্য (২য় সংস্কৰণ, ১৯৬৫)
(১৭) অসমীয়া কথা-সাহিত্য (১৮৭২ শক)
(১৮) বিষ্ণুনাৰায়ণ শাস্ত্ৰী সম্পাদিত পাৰিজাত-হৰণ নাট (১৯৬২)
ডঃ হৰিনাথ শৰ্মা দলৈ সম্পাদিত ৰাম-বিজয় নাট (১৯৬১)
ডঃ হৰিনাথ শৰ্মা দলৈ পাৰিজাত হৰণ নাট (১৯৬২)
তিলকচন্দ্ৰ মজুমদাৰ ৰুক্মিণীহৰণ নাট (১৯৬৭)
হেমন্ত কুমাৰ শৰ্মা চোৰধৰা-পিম্পৰা গুচোৱা নাট
অতুলচন্দ্ৰ বৰুৱাৰ "ৰুক্মিণীহৰণ নাট" নামৰ প্ৰবন্ধ (সমালোচনা সাহিত্য, ১৯৫৮)

ভাষাতে তেওঁ যথেষ্ট মূল্যবান আলোচনা আগ বঢ়াইছে। মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰায় সকলো দিশকে সামৰি লোৱা "শ্ৰীশ্ৰীশঙ্কৰদেৱ" গ্ৰন্থত (১৯৪৯) সময়ানুক্ৰমিকভাৱে শঙ্কৰী-সাহিত্যৰ শ্ৰেণী বিভাগ বহু পৰিমাণে বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ ওপৰত প্ৰতিষ্ঠিত। বিষয়বস্তুৰ ব্যাপকতা আৰু আন হাতে গ্ৰন্থৰ পৰিসৰৰ সঙ্কীৰ্ণতালৈ চাই সাহিত্য আলোচনা চমু কৰিলেও বৰগীত-ভটিমাৰ আলোচনাটি বিশেষত্বপূৰ্ণ আৰু মনোৰম। কাব্য-নাটসমূহৰ মূল্য বিচাৰৰ কোনো কোনো ঠাইত ডঃ নেওগদেৱৰ সেই কালত যথোচিত মনপৰ হোৱা নাছিল যেন লাগে। ডঃ নেওগদেৱৰ পৰৱৰ্ত্তী গ্ৰন্থ "অসমীয়া সাহিত্যৰ ৰূপ-ৰেখা"ৰ অন্তৰ্গত শঙ্কৰদেৱৰ সাহিত্য আলোচনাংশৰ বেছি ভাগ কথা "শ্ৰীশ্ৰীশঙ্কৰদেৱ"ৰ অন্তৰ্গত আলোচনাৰ অনুৰূপ। এফালে "কীৰ্ত্তন" আৰু "নাম-ঘোষা"ৰ বিজ্ঞানসন্মত সংস্কৰণ ওলাইছে, তাৰ ভিতৰত ডঃ নেওগ সম্পাদিত "কীৰ্ত্তন-ঘোষা আৰু নাম-ঘোষাই" (১৯৫৫) শ্ৰেষ্ঠত্ব দাবী কৰিব পাৰে। "কীৰ্ত্তন"ৰ অন্তৰ্গত প্ৰতিটো আখ্যানৰ মূলৰ সৈতে কৰা আলোচনা আৰু "নাম-ঘোষা"ৰ মূল সাপেক্ষ ঘোষাবোৰৰ যথাযোগ্য শ্লোকৰ যথাস্থানত উদ্ধৃতি উক্ত সংস্কৰণৰ আকৰ্ষণীয় বৈশিষ্ট্য। সাহিত্যৰ বুৰঞ্জীৰ প্ৰবীণ লিখক ডিম্বেশ্বৰ নেওগৰ শঙ্কৰী তথা বৈষ্ণৱ সাহিত্যৰ আলোচনা বিশেষ উল্লেখযোগ্য। তেওঁৰ ৰচনাৰ মাজত মৌলিক চিন্তা আৰু অতীত প্ৰেমে উক দিছে; কিন্তু তেওঁৰ বৰ্ণীয় আলোচনা আৰু পদৰ দীঘলীয়া উদ্ধৃতিবোৰে (অসমীয়া সাহিত্যৰ বুৰঞ্জী ১৯৫৬) গুণাগুণ বিশ্লেষণাত্মক সাহিত্যিক-আলোচনাৰ স্থান অধিক পৰিমাণে আগুৰি পেলাইছে। তীৰ্থনাথ শৰ্মাদেৱে মাধৱদেৱৰ ৰচনাৱলীৰ যি আলোচনা কৰিছে,[19] সি চমু হলেও ভৱিষ্যত প্ৰসাৰণৰ ইঙ্গিত তাৰ মাজত আছে। ডঃ উপেন্দ্ৰনাথ গোস্বামীৰ "শঙ্কৰদেৱ আৰু মাধৱদেৱৰ বৰগীত" প্ৰবন্ধ[20] বিষয় বৈশিষ্ট্যেৰে পৰিপুষ্ট। "সাহিত্যৰ ইতিবৃত্ত"ত থকা বৈষ্ণৱ সাহিত্য আলোচনাৰ স্বকীয় মূল্যৰ উপৰিও ডঃ সত্যেন্দ্ৰনাথ শৰ্মাৰ "অসমীয়া কাহিনী কাব্যৰ প্ৰবাহ"ৰ (১৯৭০) অন্তৰ্গত হৰিশ্চন্দ্ৰ উপাখ্যান, অমৃত-মন্থন, বলিছলন, ৰাজসূয়, ৰুক্মিণীহৰণ, কুমৰ হৰণ আদিৰ আলোচনাবোৰে পুৰণি সাহিত্য সমালোচনা পদ্ধতিৰ এটা নতুন পথ নিৰ্দ্দেশ কৰিছে। মন কৰিবলগীয়া কথা এই যে, ডঃ শৰ্মা সম্পাদিত "ৰুক্মিণী-হৰণ কাব্য" (১৯৬২) আৰু "উষা-পৰিণয়

---

(১৯) Aspects of Early As. Literature, G. U.
(২০) ভাষা আৰু সাহিত্য

কাব্য''ৰ পাততনিৰ আলোচনাৰ লগত ''কাব্যপ্ৰৱাহ''ৰ 'ৰুক্মিণীহৰণ' আৰু উষা পৰিণয়ৰ আলোচনাৰ কিছু মিল থাকিলেও পৰৱৰ্তী এই আলোচনাই নতুন ৰূপ লৈছে। ডঃ নেওগ সম্পাদিত ''উষা-পৰিণয়''ৰ সুকীয়া সংস্কৰণেও পীতাম্বৰ দ্বিজৰ কবি-প্ৰতিভা অধ্যয়নত সহায়তা কৰে। নবীনচন্দ্ৰ শৰ্মা সম্পাদিত ''কুমৰ হৰণ কাব্য''ৰ (১৯৬৮) দীঘল ভূমিকাই অনন্ত কন্দলীৰ কাব্য-প্ৰতিভা আৰু ''কুমাৰ হৰণ''ৰ অন্তৰ্গত বহুত দিশ সুন্দৰভাবে প্ৰকাশ কৰিছে। অতুলচন্দ্ৰ বৰুৱাৰ ৰাজসূয় আৰু বলিছলন কাব্যৰ আলোচনাও (সমালোচনা সাহিত্য) এই প্ৰসঙ্গত উল্লেখ কৰিবলগীয়া। ইতিমধ্যে প্ৰকাশিত ৰুক্মিণীহৰণ,[২১] বলিছলন,[২২] কুৰুক্ষেত্ৰ[২৩] আৰু অজামিলোপাখ্যান[২৪] ডঃ হৰিনাথ শৰ্মা দলৈৰ এই চাৰিটা আলোচনাৰ কথাও শঙ্কৰী সাহিত্য আলোচনা প্ৰসঙ্গত উল্লেখ কৰা হ'ল। হেম বৰুৱাই ''অসমীয়া সাহিত্য''ত (১৯৭০) বৈষ্ণৱ সাহিত্যৰ এটা সামগ্ৰিক তুলনাত্মক আলোচনা দাঙি ধৰিছে। এই আলোচনা চমু; আলোচ্য সকলো বিষয়কে সামৰি নললেও ইয়াৰ কোনো কোনো সঙ্কেতধৰ্মী উক্তিয়ে চিন্তাশীল পাঠকৰ অন্তৰত ৰেখাপাত কৰে। অতুলচন্দ্ৰ বৰুৱাৰ বৈষ্ণৱ কাব্যত আদি ৰস সম্বন্ধীয় আলোচনাৱলীয়ে (অসমীয়া কাব্যত প্ৰেমৰ বোৱতী সুঁতি) বৈষ্ণৱ সাহিত্য সমালোচনাৰ এটা নতুন দিশ পোহৰ কৰি তুলিছে। বিশেষ ভাবে উল্লেখ কৰিবলগীয়া কথা এই যে, ৺হৰিনাৰায়ণ দত্তবৰুৱাই অশেষ কষ্ট কৰি মাধৱ-কন্দলী ৰামায়ণৰ পৰা আৰম্ভ কৰি সৰু ডাঙৰ বহুত পুৰণি সাহিত্য সম্পাদনা কৰি প্ৰকাশ কৰিছে। এই গ্ৰন্থবোৰে গৱেষক-আলোচকৰ বাট সুকলি কৰিছে।

''মাধৱ-সুলোচনা'', ''মৃগাৱতী'', ''মধুমালতী'' আৰু কবিৰাজ চক্ৰৱৰ্তীৰ ''শকুন্তলা''—ডঃ সত্যেন্দ্ৰনাথ শৰ্মাদেৱে এই কেইখন কাব্যৰো যি বিশ্লেষণাত্মক সমালোচনা কৰিছে[২৫] তাৰদ্বাৰা উত্তৰ বৈষ্ণৱ-যুগৰ কাব্য ধাৰাৰ লগত পাঠকৰ সহজ পৰিচয় হয়। ইয়াৰ আগতে (১৯৫৯) আলোচনা-মূলক পাততনিৰ সৈতে অজ্ঞাত কবিৰ প্ৰণয়-কাব্য ''মধুমালতী''খন

---

(২১) সাহিত্য আৰু সংস্কৃতি (১৯৬৫)
(২২) অসম কলেজ শিক্ষক সন্থাৰ আলোচনী (১৯৭১-৭২)
(২৩) বন্দনা, ধুবুৰী (১৯৭২)
(২৪) সাহিত্য সমন্বয় (১৯৭২)
(২৫) অসমীয়া কাহিনী কাব্যৰ প্ৰৱাহ (১৯৭০)

ড: বিৰিঞ্চি কুমাৰ বৰুৱা আৰু ড: সত্যেন্দ্ৰনাথ শৰ্মাৰ যুটীয়া সম্পাদনাত ওলায়। ইয়াৰ পাতনি শৰ্মাদেৱৰ স্বকীয় প্ৰৱন্ধতকৈ বিস্তৃত, কাব্যালোচনাৰ প্ৰায় সকলো দিশকেই স্পৰ্শ কৰিছে। ড: শৰ্মা সম্পাদিত ৰাম সৰস্বতী বিৰচিত "গীত-গোবিন্দ"ৰ (১৯৫৫) বিস্তৃত পাতনিয়ে সংস্কৃত আৰু অসমীয়া গীত-গোবিন্দ সম্বন্ধে প্ৰয়োজনীয় কথাৰ আভাষ দিব পাৰে। "শ্ৰীৰাম আতা আৰু ৰামানন্দৰ গীত" (১৯৫৪) ড: বিৰিঞ্চিকুমাৰ বৰুৱাৰ দ্বাৰা সম্পাদিত হৈ ওলায়। শঙ্কৰ-মাধৱ বিৰচিত বৰগীতৰ পাছত ৰচিত সেই ধৰণৰ গীতবোৰৰ প্ৰকৃতি আৰু গুণাগুণ নিৰ্ণয়ৰ কাৰণে ড: বৰুৱাই লিখি যোৱা ইয়াৰ ভূমিকাটিৰ বিশেষ মূল্য আছে।

পুৰণি অসমীয়া মহাভাৰতীয় সাহিত্যৰ সমালোচনাৰ ক্ষেত্ৰত অধ্যাপক উপেন্দ্ৰ চন্দ্ৰ লেখাৰু,[২৬] ড: সত্যেন্দ্ৰনাথ শৰ্মা[২৭], ড: মহেশ্বৰ নেওগ,[২৮] অধ্যক্ষ মহেশ্বৰ শৰ্মা[২৯], ড: বিৰিঞ্চি কুমাৰ বৰুৱা,[৩০] আৰু হৰিনাৰায়ণ দত্তবৰুৱাৰ[৩১] নাম বিশেষভাৱে উল্লেখ কৰা হল। দত্তবৰুৱাই ১৯৫৫ চনৰ পৰা ১৯৭১ চনৰ ভিতৰত বিৰাট কলেৱৰ বিশিষ্ট মহাভাৰতীয় অনুবাদৰ চাৰিটা সংস্কৰণ উলিয়াই পুৰণি অসমীয়া সাহিত্যৰ শ্ৰীবিকাশত উল্লেখযোগ্য বৰঙণি যোগাইছে। ড: বৰুৱাই দত্তবৰুৱা-সম্পাদিত মহাভাৰতত যি চমু, অথচ সাৰগৰ্ভ আগকথা আগ বঢ়াইছে, তাত মহাভাৰতৰ অনুবাদৰীতি সম্বন্ধে প্ৰধানভাৱে পোৱা যায়। ড: নেওগে প্ৰাক্ শঙ্কৰী কবিৰ মহাভাৰতীয় কাব্যৰ আৰু অধ্যক্ষ শৰ্মাই ৰামসৰস্বতীকৃত মহাভাৰতীয় পদৰ আলোচনা কৰিছে। অধ্যাপক লেখাৰু আৰু ড: শৰ্মাৰ আলোচনাই সকলোখিনি মহাভাৰতীয় সাহিত্যক সামৰিছে। এই আটাই কেইগৰাকী সমালোচকৰ আলোচনাই প্ৰধানভাৱে কবি-পৰিচয়, অনুবাদৰীতি, আৰু স্থানবিশেষে ৰচনা-প্ৰসঙ্গ, কাব্যিক সৌন্দৰ্য্য আদি প্ৰকাশ কৰিছে।

কবি ৰামসৰস্বতী বিৰচিত বধ-কাব্যসমূহ পুৰণি অসমীয়া সাহিত্যৰ অন্যতম উৎকৃষ্ট সম্পদ। এতিয়ালৈকে এই কাব্য বিষয়ক যি আলোচনা হৈছে, সি আশানুৰূপ নহয়। সাহিত্যৰ বুৰঞ্জী কেইখনতো নিৰ্দিষ্ট সীমাৰ চেপাত ইয়াৰ আলোচনাই যথোচিত পৰিপুষ্টি লাভ কৰা নাই। ড: বাণীকান্ত

(২৬) Aspects of Early Ass. Literature. G. U.
(২৭) Epics and Purans in Early As. Literatur.
(২৮) Aspects of Early Acs. Literatur, G. U.
(২৯) I bit.
(৩০) দত্তবৰুৱা সম্পাদিত মহাভাৰতৰ আগ কথা
(৩১) সম্পাদিত আৰু প্ৰকাশিত মহাভাৰত আৰু তাত দিয়া পাতনি।

কাকতিয়ে বধ-কাব্যৰ মূল্যানিৰ্ণয়াত্মক এটা প্ৰবন্ধ লিখিছিল—অৱশ্যে ১৯৪১ চনৰ আগতে। [৩২] দত্তবৰুৱা সম্পাদিত "ঘটাসুৰ-বধ" কাব্যত ডঃ বিৰিঞ্চিকুমাৰ বৰুৱাই যি ভূমিকা লিখিছিল সি বধ-কাব্য সম্বন্ধীয় অতি উৎকৃষ্ট ব্যাখ্যাত্মক আলোচনা। [৩৩] এই আলোচনা অৱশ্যে বধ-কাব্যৰ সাহিত্যিক গুণ আৰু ৰস আৰু অসমীয়া সামাজিক, অৰ্থনৈতিক আৰু ধৰ্মীয় জীৱনৰ ওপৰত ইয়াৰ প্ৰভাৱ আদি কঁহিয়াই দেখুৱা বিষয়তেই সীমিত। "অশ্বকৰ্ণ যুদ্ধ" আৰু "কুলাচল বধ"—এই দুখন কাব্যৰ ওপৰত ডঃ সত্যেন্দ্ৰনাথ শৰ্মাই কৰা আলোচনা [৩৪] আৰু "কুলাচল-বধ" কাব্যৰ ওপৰত অতুলচন্দ্ৰ বৰুৱাই কৰা আলোচনা [৩৫] মন কৰিব লগীয়া। ইয়াত বৰুৱাৰ সমালোচনাৰ পৰিসৰ আপেক্ষিকভাবে বহল দেখা যায়। কাব্যিক-গুণৰাশিৰ ওপৰত দৃষ্টি ৰাখি ডঃ শৰ্মাই প্ৰধানভাবে গুৰুত্ব দিছে কথা-বস্তুৰ বিশ্লেষণত; বৰুৱাদেৱৰ দৃষ্টি আন আন দিশতো নিপতিত হোৱা দেখা গৈছে।

বহুকাল আগতে পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে গীতাতত্ত্ব, ভট্টদেৱৰ জীৱনী আৰু তেওঁৰ সাহিত্য প্ৰতিভাসম্বন্ধীয় দীঘলীয়া পাতনিৰ সৈতে ভট্টদেৱ বিৰচিত "কথা-গীতা" সম্পাদনা কৰি উলিয়াই ভট্টদেৱক পৰিচিত কৰে। পাটবাউসী সত্ৰৰ ভূতপূৰ্ব অধিকাৰ বামদেৱ গোস্বামীয়ে নিজ সত্ৰত থকা সাঁচিপতীয়া "কথা-ভাগৱত"ৰ পৰা ১৮৬৮ শকত ১ম, ২য় আৰু ৩য় স্কন্ধ, ১৮৭২ শকত ৪ৰ্থ, ৫ম আৰু ৬ষ্ঠ স্কন্ধ আৰু ১৮৭৪ শকত ৭ম, ৮ম আৰু ৯ম স্কন্ধ ছপা কৰি উলিয়ায়। লগে লগে এই কাল ছোৱাৰ ভিতৰতে তেওঁ ভট্টদেৱৰ "ভক্তি-বিবেক" (গোবিন্দ মিশ্ৰকৃত পদ), "প্ৰসঙ্গ মালা", "নন্দোৎসৱ" আদি পুথিও ছপা কৰি উলিয়ায়। এই পুথিবোৰত গোস্বামীদেৱে বিশেষ আলোচনাত্মক পাতনি সংযোগ নকৰিলেও, তেওঁৰ সম্পাদনাই ভট্টদেৱৰ সাহিত্যৰ গৱেষক-আলোচকৰ কাৰণে বহু পৰিমাণে পথ মুকলি কৰিছে। উক্ত গোস্বামীদেৱৰ সম্পাদিত "কথা-ভাগৱত"ৰ (১ম, ২য়, আৰু ৩য় স্কন্ধ) চমু পাতনিত দুৰ্গেশ্বৰ শৰ্মাই "ভক্তি-সাৰ"কে

---

(৩২) পুৰণি অসমীয়া সাহিত্য।

(৩৩) "ঘটাসুৰ-বধ" (দত্তবৰুৱা সম্পাদিত) আমাৰ হাতত নথকা কাৰণে ইয়াৰ প্ৰকাশৰ চন দিব পৰা নগ'ল যদিও ই ১৯৪১ চনৰ পাছত প্ৰকাশিত।

(৩৪) কাহিনী কাব্যৰ প্ৰৱাহ।

(৩৫) সমালোচনা সাহিত্য।

(সংস্কৃত) আদি কবি ভট্টদেৱকৃত এখাৰিৰ গ্ৰন্থ অভিকা বিজে। ১৯৫১ চনত অধ্যাপক লক্ষ্মীনাৰায়ণ চট্টোপাধ্যায়ৰ সম্পাদনাত ভট্টদেৱৰ "ভক্তি-বিবেক" (সংস্কৃত)[৩৬] ছপা হৈ ওলায়। ভট্টদেৱৰ জীৱনী, কথা-ভাগৱত আৰু ইয়াৰ ৰচনা প্ৰসঙ্গ, ভট্টদেৱৰ গদ্য-সাহিত্য, কথা ভাগৱতৰ ৰচনাৰীতি, কথা ভাগৱত জনপ্ৰিয় নোহোৱাৰ কাৰণ—এই কেইটা দিশৰ "ভট্টদেৱ : কথা ভাগৱত" নামৰ এটা দীঘলীয়া প্ৰবন্ধ ডঃ হৰিনাথ শৰ্মা দলৈয়ে ১৯৫৬ চনৰ বিহু সংখ্যা "আৱাহন"ত প্ৰকাশ কৰে। কথা ভাগৱতৰ প্ৰথম স্কন্ধটো প্ৰয়োজনীয় শব্দাৰ্থ ব্যাখ্যাৰ সৈতে ডঃ শৰ্মা দলৈয়ে ১৯৫৭ খৃঃত সম্পাদন কৰি উলিয়ায়। "আৱাহন"ত প্ৰকাশিত উক্ত প্ৰবন্ধটোৰ লগত ভাগৱত পুৰাণ বিষয়ক আৰু কিছু প্ৰয়োজনীয় কথা সংযোগ কৰি তাক ইয়াৰ ভূমিকা হিচাপে সুমোৱা হয়। ইয়াৰ পাছত পাটবাউসী সত্ৰৰ সাঁচিপতীয়া পুথিৰ পৰা মূল পাঠ লৈ নলবাৰী সংস্কৃত সঞ্জীৱনী সভাত সংৰক্ষিত সাঁচিপতীয়া পুথিৰ পৰা পাঠান্তৰ দি ডঃ হৰিনাথ শৰ্মা দলৈয়ে ১৯৬০ চনত কথা ভাগৱতৰ ১০ম স্কন্ধ আৰু ১৯৬৭ চনত ইয়াৰ ২য় আৰু ৩য় স্কন্ধ সম্পাদন কৰি উলিয়ায়। ১৯৫৯ চনত ডঃ মহেশ্বৰ নেওগদেৱৰ সম্পাদিত "কথা-ভাগৱত"ৰ ১ম স্কন্ধ বেলেগকৈ আৰু ২য়-৩য় স্কন্ধ বেলেগকৈ ওলায়। কবিৰাজৰ জীৱনী, ৰচনাশৈলী আৰু কবিৰাজৰ একশৰণ নাম ধৰ্ম—প্ৰথম স্কন্ধৰ ভূমিকাত এই তিনিটা দিশৰ আলোচনা তেওঁ দিছে। ২য়-৩য় স্কন্ধৰ ভূমিকাত আকৌ কবিৰাজৰ ৰচনাৱলী আৰু কথাকাৰ কবিৰাজ আৰু গোপালচৰণ—এই দুই দিশৰ আলোচনা নেওগদেৱে দাঙি ধৰে। ডঃ নেওগদেৱৰ আলোচনাও প্ৰধানভাৱে ব্যাখ্যাত্মক। ডঃ শৰ্মা দলৈ আৰু ডঃ নেওগৰ আলোচনাৰ মাজত দুই এটা মতবৈশিষ্ট্য লক্ষ্য কৰা যায়। ডঃ সত্যেন্দ্ৰনাথ শৰ্মাই দীঘলীয়া ভূমিকাৰ সৈতে ১৯৬২ চনত "কথা-গীতা" সম্পাদন কৰি উলিয়াইছে। মূল-গীতা, অসমীয়া গীতা, কথা-গীতা আৰু ভট্টদেৱ, ভট্টদেৱৰ ৰচনাৱলী, পূৰ্বৱৰ্তী প্ৰভাৱ আৰু গদ্যশৈলী—এই বিষয়বোৰ ভূমিকাত আলোচনা কৰি শৰ্মাদেৱে "কথা-গীতা" অধ্যয়নৰ পথ সুগম কৰিছে। নৰনাৰায়ণ গোস্বামীৰ সম্পাদনাত ভট্টদেৱ বিৰচিত "কথা-ভক্তি ৰত্নাৱলী"[৩৭] ওলায় ১৯৭৩ চনত। তেওঁৰেই

---

(৩৬) ডঃ বাণীকান্ত কাকতিয়ে এই গ্ৰন্থ সংগ্ৰহ কৰে, অধ্যাপক উপেন্দ্ৰচন্দ্ৰ লেখাৰুৱে কাৰ্যকাৰক হিচাপে ইয়াক প্ৰকাশৰ পথত আগ বঢ়ায় আৰু হৰিনাৰায়ণ দত্তবৰুৱাদেৱে প্ৰকাশ কৰে।
(৩৭) এই পুথি ধৰ্মেন্দ্ৰনাথ পাঠকে সংগ্ৰহ কৰিছে।

সম্পাদনাত গোপালমিশ্র বিৰচিত "ঘোষা-বত্ন"বো ৩য় সংস্কৰণ পূর্বৰ হেমচন্দ্র গোস্বামীৰ পাতনিৰ সৈতে ১৯৭০ চনত ওলাইছে। "কথা-ভক্তি ৰত্নাৱলী"ৰ দীঘলীয়া ভূমিকাত ডঃ ভগৱানচন্দ্র গোস্বামীয়ে মূল ভক্তিৰত্নাৱলীৰ পৰিচয় দিয়াৰ উপৰিও ভট্টদেৱৰ কথা-ভক্তিৰত্নাৱলীৰ সকলো বিশেষত্ব, ইয়াৰ ৰচনা-কাল, ভক্তি—ইয়াৰ স্বৰূপ, ঐতিহাসিক ক্রমবিকাশ আদি বহুত কথা আলোচনা কৰিছে।

বুৰঞ্জী সম্পাদনা আৰু সেই বিষয়ৰ আলোচক হিচাপেও পণ্ডিত হেমচন্দ্র গোস্বামী অগ্রগামী। ১৯৪১ চনৰ বহুকাল আগতেই ডঃ সূর্যকুমাৰ ভূঞাদেৱে বহু বুৰঞ্জীৰ সম্পাদনা আৰু সেই বিষয়ৰ আলোচনা অনুসন্ধান আৰু গৱেষণা কৰি প্ৰসিদ্ধ বুৰঞ্জীবিদ পণ্ডিত আৰু ইয়াৰ সমালোচক হিচাপে খ্যাতিমান হৈ উঠিছিল। [৩৮] তেওঁ যে আজীৱন নিজৰ অধ্যাপনাৰ বাহিৰা অসম-বুৰঞ্জী-সমুদ্রত ডুব মাৰি তাৰ পৰা মণি-মুক্তাবোৰ বাহিৰ কৰিছে, আৰু নিজে তাক থঁহি-মাজি চিকচিকীয়া কৰি ভাষা-জননীৰ সৌন্দর্য-প্রসাধনৰ যোগান ধৰিছে, ই তেওঁৰ দেশ মাতৃৰ প্রতি শ্রদ্ধা ভক্তি আৰু অনুৰাগৰ পৰিচয়। পাছত ভূঞাদেৱে সুকুমাৰ মহন্তৰ থৰত পোৱা "অসম-বুৰঞ্জী" (১৯৪৫), "সাতসৰী অসম বুৰঞ্জী" (১৯৬০) আদি সম্পাদনা কৰি উলিয়ায়। উক্ত "অসম বুৰঞ্জী"ৰ ইংৰাজী ভূমিকা আৰু অন্য গ্রন্থত [৩৯] থকা "অসমীয়া বুৰঞ্জী সাহিত্য" নামৰ প্ৰবন্ধ অসমীয়াৰ মানত বুৰঞ্জী কি, ইয়াৰ শ্রেণী বিভাগ, ভাষা, সাহিত্যিক সৌন্দর্য আদি অনেক কথাৰ আলোচনাৰে সমৃদ্ধ। তেওঁৰ "An Assamese Chronicle of Tripura" নামৰ প্ৰবন্ধই [৪০] ত্রিপুৰা বুৰঞ্জীৰ সকলো বিষয়ৰে জ্ঞান দিব পাৰে। ভূঞাদেৱ সম্পাদিত "ৰজন ৰৰফুকনৰ গীত"ৰ পাতনিও অসম বুৰঞ্জীৰ ঘটনা, চৰিত্র আৰু বহু বিষয়ক কথাৰ সমালোচনাৰ কাৰণে

---

(৩৮) নিখিল ভাৰত-বুৰঞ্জী মহাসভাৰ আধুনিক বুৰঞ্জী শাখাৰ সভাপতিৰ অভিভাষণত ডঃ ভূঞাদেৱে কৈছিল—"I had to earn my bread by teaching Shakespeare and Milton. But history has been my beloved pursuit to which I have consecrated all my thoughst and my energy".

(Studies in the literature of Assam)

(৩৯) Studies in the literature of Assam (1956)

(৪০) Ibid.

পাহৰিব পৰা নহয় । তেওঁৰ "বুৰঞ্জীৰ বাণী" (১৯৫১), "কৌৰৱ বিদ্ৰোহ" (১৯৪৮), "মিৰজুমলাৰ অসম আক্ৰমণ" (১৯৫৬) আদি বুৰঞ্জীৰ ঘটনা আৰু চৰিত্ৰৰ এক প্ৰকাৰ বিৱৰণ হলেও ইয়াৰ মাজত আছে ভূঞাদেৱৰ মননশীলতা আৰু সমালোচনাত্মক দৃষ্টিকোণ । পাণ্ডিত্য আৰু অনুভূতিৰ উম দি অতীতক সজীৱ ৰূপত ৰূপায়িত কৰি তোলা এই গ্ৰন্থবোৰ এক প্ৰকাৰ বুৰঞ্জীৰ সমালোচনাও । এই একে দৃষ্টিকোণৰ পৰা "মণিৰাম দেৱান"(১৯৫০) আৰু "দূৰবীণ" (১৯৫১)ৰ প্ৰণেতা বেণুধৰ শৰ্মাও অন্ধকাৰময় অতীতৰ গৰ্ভৰ পৰা সা-সঁজুলি উদ্ধাৰ কৰি আকৰ্ষণীয় আলোকময় মূৰ্তি নিৰ্মাণ কৰোঁতা প্ৰসিদ্ধ সমালোচক শিল্পী । ভূঞা আৰু শৰ্মা উভয়ৰেই গদ্যৰ বিষয়বস্তু বৈষয়িক । শৰ্মাৰ ৰচনা কিন্তু অধিক ভাবোদ্দীপক (Subjective) । আন হাতেদি, অনুভূতি বৰ্জিত হলেও ভূঞাদেৱৰ ৰচনাত বৰ্ণনাত্মক পদ্ধতিৰ লক্ষণ বৰ্তমান । বুৰঞ্জীৰ বিষয়, ভাষা, ৰচনাৰীতি, ব্যাকৰণিক বৈশিষ্ট্য আদি দিশত দৃষ্টিপাত কৰি আৰু প্ৰাসঙ্গিক উপযুক্ত উদ্ধৃতি দাঙি ধৰি ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই যি আলোচনা কৰিছে (অসমীয়া কথা সাহিত্য) আজিও সি এই বিষয়ৰ আলোচনাৰ শ্ৰেষ্ঠ ।

শঙ্কৰদেৱ আদি মহাপুৰুষসকল আৰু তেওঁলোকৰ ভক্ত শিষ্যসকলৰ জীৱন-চৰিত বৰ্ণনা কৰা পুথিবিলাকেও পুৰণি অসমীয়া সাহিত্য ভঁৰালৰ এটা দিশ পুষ্ট কৰি ৰাখিছে । ৰামচৰণ ঠাকুৰৰ "শঙ্কৰ চৰিত", দৈত্যাৰি ঠাকুৰৰ "শঙ্কৰ-মাধৱদেৱৰ চৰিত", ৰামৰায়ৰ "গুৰুলীলা", নীলকণ্ঠ দাস কৃত "দামোদৰদেৱৰ চৰিত" আদি কেইখানমান চৰিত পুথি বহু দিন আগতে ছপা হৈ ওলাইছে । ১৯২৭ চনতে শৰৎচন্দ্ৰ গোস্বামীদেৱে নীল কণ্ঠ দাস কৃত "দামোদৰদেৱ-চৰিত্ৰ"ত বৈষ্ণৱ ধৰ্মৰ আদি-অন্ত, অসমত বৈষ্ণৱ ধৰ্ম, অসমৰ বৈষ্ণৱাচাৰ্য্যসকল আৰু বুৰঞ্জী আৰু চৰিত পুথি আদি বিষয়ক দীঘলীয়া পাতনি লিখি চৰিত পুথিৰ গুৰুত্ব বঢ়াইছে । ১৯৪১ চনৰ পাছত ছপা হৈ ওলোৱা চৰিত পুথিৰ ভিতৰত অধ্যাপক উপেন্দ্ৰ লেখাৰু সম্পাদিত "কথা গুৰুচৰিত"(১৯৫২) অতি বিখ্যাত । লেখাৰুদেৱে চমু ভূমিকাত এই চৰিত-পুথিৰ বিষয়বস্তু, ৰচনাৰ আনুমানিক সময়, ভাষা আদিৰ বিষয়ে আলোচনা কৰিছে । ডঃ বাণীকান্ত কাকতি আৰু ডঃ বিৰিঞ্চিকুমাৰ বৰুৱাই চুটিয়াভাৱে ইংৰাজী ভাষাত যি আগকথা ইয়াত আগ বঢ়াইছে, তাৰ মাজত চৰিত পুথিৰ ঐতিহাসিক মূল্য, কথা-গুৰু চৰিতৰ বিষয়ব্যাপকতা আৰু দেশৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক দিশ নিৰীক্ষণত ইয়াৰ প্ৰয়োজনীয়তা আদি প্ৰকাশ পাইছে । ডঃ মহেশ্বৰ নেওগৰ

সম্পাদনাত ৰামানন্দ দ্বিজৰচিত "বংশীগোপালদেৱ চৰিত" আৰু শিৱনাথ তালুকদাৰ আৰু কমলেশ্বৰ শৰ্মাৰ যুটীয়া সম্পাদনাত বনগঞাগিৰি বিৰচিত "হৰিদেৱ চৰিত" (১৮৮২ শক) ছপা হৈ ওলাইছে। " বংশী গোপাল-দেৱ চৰিত"ৰ ভূমিকা এই পুথি সম্পৰ্কীয় বহুত মূল্যবান কথাৰে পৰিপুষ্ট। "কথা-গুৰুচৰিত"ৰ গদ্য আৰু ৰচনা ৰীতিৰ ওপৰত ডঃ বিৰিঞ্চি বৰুৱাই যি আলোচনা কৰিছে (অসমীয়া কথা সাহিত্য), সি পৰৱৰ্তীসকলৰ আদৰ্শ স্বৰূপ। চৰিত সাহিত্য সম্বন্ধে ডঃ সত্যেন্দ্ৰনাথ শৰ্মাই লিখা আলোচনাৰ (সাহিত্যৰ আভাস, ১৯৬৩) সাহিত্যিক মূল্য অধিক। চৰিত পুথি কি, ইয়াৰ স্বৰূপ, ইয়াৰ সামাজিক মূল্য আদি কথাবোৰ ইয়াত সুন্দৰভাৱে আলোচিত হৈছে।

যোৱা তিনি দশকৰ ভিতৰত আমাৰ পুৰণি সাহিত্যৰ আলোচনা, সম্পাদনা আৰু প্ৰকাশন নিচেই কম নহয় যদিও একেবাৰে সন্তোষজনকো নহয়। আলোচনাৰ কথা এৰিছোৱেই. এতিয়াও আমাৰ বহুত আপুৰুগীয়া পুথি প্ৰকাশ হ'বলৈ বাকী আছে। ভট্টদেৱৰ "কথা-ভাগৱত"ৰ নিচিনা এখন অমূল্য গ্ৰন্থ আজিলৈ সম্পূৰ্ণভাৱে ছপা হৈ নোলোৱাটো বৰ দুখৰ কথা। পুৰণি সাহিত্যৰ আলোচনা আৰু সম্পাদন-প্ৰকাশন সম্বন্ধে আমি দুটা পদ্ধতিৰ কথা উল্লেখ কৰিব বিচাৰিছোঁ। "শঙ্কৰ বাক্যামৃত", "মাধৱ-কাব্যামৃত"ত যেনেকৈ তেওঁলোকৰ সকলো গ্ৰন্থকে সম্পাদন কৰি এখন গ্ৰন্থতে প্ৰকাশ কৰা হৈছে, ঠিক তেনেকৈ ৰাম সৰস্বতী, অনন্ত কন্দলী, ভট্টদেৱ আদিৰ ৰচনাৱলীবো স্বকীয়া স্বকীয়া সম্পাদন হব লাগে। দ্বিতীয়তে, শ্ৰেণীগত হিচাপে পুৰণি সাহিত্যৰ সঙ্কলনো বিশেষ প্ৰয়োজনীয়। শঙ্কৰ-মাধৱ বিৰচিত বৰগীতৰ সঙ্কলন, "ভক্তি-গীত-পদ-সঞ্চয়ন", "অঙ্কাৱলী," আৰু "অঙ্কীয়া নাট"ৰ নিচিনা সমগ্ৰ ৰামায়ণ সাহিত্য, মহাভাৰতীয় সাহিত্য, মনসা-কাব্য, পুৰাণ সাহিত্য, বধ-কাব্য, বুৰঞ্জী সাহিত্য, চৰিত সাহিত্য আদি শ্ৰেণীগতভাৱে আমাৰ পুৰণি সাহিত্য ওলালে ইয়াৰ অধ্যয়ন আৰু গৱেষণাৰ পথ অধিক সুচল হয়। সমালোচনাও এই দুয়োটা পদ্ধতিতেই আগ বাঢ়িব লাগে। অৱশ্যে "অসমীয়া ৰামায়ণ সাহিত্য" (অধ্যাপক লেখাৰু), "অসমীয়া গীতি সাহিত্য" (ডঃ নেওগ), "অসমীয়া কাহিনী কাব্যৰ প্ৰৱাহ" (ডঃ শৰ্মা) আদি গ্ৰন্থ উক্ত শ্ৰেণীগত সমালোচনাৰ আদৰ্শ স্বৰূপে ইতিমধ্যে থিয় দিছে। শ্ৰেণীগত আৰু কবিগত, এই উভয় ধৰণৰ সম্যক গৱেষণা আলোচনাৰ কাৰণে পুৰণি সাহিত্যৰ অধিকাংশই বৈ আছে। আৰু এটা কথা—প্ৰসঙ্গভেদে ওপৰতো উল্লেখ কৰা হৈছে। আমাৰ

অধিকাংশ পুৰণি সাহিত্যই মুদ্ৰণসাপেক্ষ । গতিকে সমালোচনাৰ ক্ষেত্ৰত বিভিন্ন দিশেদি মূলৰ সূক্ষ্ম বিচাৰ নাথাকিলে পুৰণি কবিসকলৰ সৃষ্টিমূলক প্ৰতিভাৰ যথোচিত ৰূপায়ণ কৰা নহয়, লগতে আলোচনাও সৌষ্ঠৱপূৰ্ণ হৈ নুঠে ; সি সন্ধানী পাঠকৰ জ্ঞান-স্পৃহা দূৰ কৰিবলৈ অপাৰগ হয় ।

প্ৰকাশক, সম্পাদক আৰু সমালোচকৰ নিষ্ঠা, আন্তৰিকতা, ত্যাগ স্বীকাৰ আৰু কষ্ট সহিষ্ণুতাৰ ওপৰত পুৰণি সাহিত্যৰ যথোচিত মূল্যাঙ্কন নিৰ্ভৰ কৰিছে ।

জীৱনী সাহিত্য

শ্ৰীনন্দ তালুকদাৰ

আধুনিক অসমীয়া সাহিত্যত আধুনিক ঠাঁচত জীৱনবৃত্ত ৰচনাৰ জয়যাত্ৰা সূচনা কৰিছিল গুণাভিৰাম বৰুৱাই। বৰুৱা ডাঙৰীয়াৰ "আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত" (১৮৮০ খৃ) আধুনিক অসমীয়া সাহিত্যৰ প্ৰথম জীৱন চৰিত্ৰ। নাটক, কবিতা, বুৰঞ্জী আদি আধুনিক অসমীয়া সাহিত্যৰ কেউটি দিশৰে গুণাভিৰাম বৰুৱা পথ প্ৰদৰ্শক। বছ্‌বেলে জনচনৰ জীৱনী লিখাৰ দৰে আনন্দৰাম ঢেকিয়াল ফুকনৰ অনুগামী গুণাভিৰাম বৰুৱায়ো জীৱনৰ সৰু-বৰ সকলো কথাকে সামৰি ঢেকিয়াল ফুকনৰ জীৱনীখন ৰচনা কৰিছিল। আনহাতে চৰিত পুথি ৰচনা কৰাৰ পৰম্পৰাৰ পৰা আঁতৰি আহি কথিত গদ্যত জীৱনী ৰচনা কৰাৰ আহিও তেওঁৱেই প্ৰদৰ্শন কৰিছে। ১৭৮ পৃষ্ঠাৰ জীৱনী গ্ৰন্থত ঢেকিয়াল ফুকনৰ লগতে বৰুৱা ডাঙৰীয়াৰ নিজৰ জীৱনৰ কিছু কথাও পৰোক্ষভাৱে প্ৰকাশ পাইছে।

এই কালছোৱাতে ৰচনা কৰা সদৰামিন হৰকান্ত শৰ্মা মজুমদাৰ বৰুৱাৰ আত্মজীৱনী "সদৰামীনৰ আত্মজীৱনী" (১৯৬০ চনত প্ৰকাশিত) খনেই প্ৰথম আত্ম জীৱনী। ১৮১৫ খৃঃৰ পৰা ১৮৭২ খৃঃ লৈ এইকালছোৱাৰ ভালেখিনি ঘটনাই আত্মজীৱনীখনি সমৃদ্ধ কৰিছে। পুথি খনিত মানৰ আক্ৰমণৰ কাল ছোৱাৰ আৰু আদি বৃটিছ যুগৰ ভালেমান কথা সুন্দৰ ভাৱে লিপিবদ্ধ কৰা হৈছে। পুথিখনিৰ লিখাৰ ঠাঁচ মন কৰিব লগীয়া। "অপৰ মঞ্জি মঙ্গলদৈ যাবৰ কাৰণে ৰাউনা হৈ গৌহাটীত হুককিমন্ কমিচনাৰ চাহেবক তক্ৰেশ্বৰৰ বাঙালাত দেখা দি লডাপিলৰ পদ্মৰেখা ৰাণীক দেখা দি বিদায় হৈ, লডাপিলৰ বাগিত ৰাতি থাকি, পৰদিনা ৰাউনা হৈ ৰাই ৬ সপ্তেম্বৰ মঙ্গলদৈ চাৰ্জ গ্ৰহণ কৰিলোঁ। এবং সন্দীবাবৰ আৱাসভিৰ

৬০০ টাকা দিলোঁ। কাত্তিক মাহে, তেওঁ বদলি হৈ মৈনীৰেক সহিত গল।"

গুণাভিৰামৰ দৰে হেমচন্দ্ৰ বৰুৱা আধুনিক অসমীয়া সাহিত্যৰ পথ প্ৰদৰ্শক। হেমচন্দ্ৰ বৰুৱাই এখন আত্মজীৱনী ৰচনা কৰি চতুৰ্থ বছৰ "জোনাকী"ত প্ৰকাশ কৰিছিল। তেওঁৰ অসম্পূৰ্ণ আত্মজীৱনীখনিয়েও সেই যুগৰ ৰীতি-নীতি আৰু ভালেমান কথাৰ সন্ধান দিয়ে:

"মই চৰকাৰি কামৰ পৰা অৱসৰ লোৱাৰ পাচত (১৮৮২ খৃ:) দেশ-হিতৈষী কিছুমান অসমীয়া ভদ্ৰলোকে আসাম নিউচ নামেৰে এখন ইংৰাজী অসমীয়া সাপ্তাহিক বাতৰি কাকত চলাবলৈ থিৰ কৰি মোক তাৰ সম্পাদক নিযুক্ত কৰাত মই তিনি বছৰমান আনৰ পৰা অধিক সহায়তা নোপোৱাকৈ একেহাতে সেই কাকত চলাও; কিন্তু কওঁতে বেজাৰ লাগে যে সি চিৰ-জীৱী নহল। কিছুমান বছৰৰ আগেয়ে অসমীয়া ভাষাৰ এখনি ডাঙৰ অসমীয়া ইংৰাজী অভিধান লিখিছিলোঁ। সি সম্পূৰ্ণ হৈ পৰি আছে, এতিয়ালৈকে পোহৰ দেখা নাই।"

জোনাকী যুগৰ গুৰিয়ালসকলৰ ভালেকেইজনে আত্মজীৱনী ৰচনা কৰিছিল। কেবাখন আত্মজীৱনী অসম্পূৰ্ণ। লক্ষ্মীনাথ বেজবৰুৱাৰ "মোৰ জীৱন সোঁৱৰণ", পদ্মনাথ গোহাঞিবৰুৱাৰ "মোৰ সোঁৱৰণী", বেণুধৰ ৰাজখোৱাৰ "মোৰ জীৱন দাপোন" সম্প্ৰতি পুথিৰ আকাৰত ছপা হৈ ওলাইছে। বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ' পূৰ্বতে প্ৰকাশ হৈছিল যদিও সম্প্ৰতি পৰিবৰ্ধিত আকাৰত প্ৰকাশ হৈছে। বেজবৰুৱাৰ 'জীৱন সোঁৱৰণ'ৰ ভাষা প্ৰাঞ্জল আৰু তেওঁ নিজস্ব ৰচনা ৰীতিৰ মাজেৰে অফুৰন্ত হাস্যৰসৰ যোগান ধৰিছে। আনহাতে তেওঁৰ আত্মজীৱনীত পুথি ৰচনাৰ পটভূমিকে আদি কৰি ভালেখিনি কথাৰ সন্ধান পোৱা গৈছে।

তথ্যৰ ফালৰ পৰা পদ্মনাথ গোহাঞি বৰুৱাৰ 'মোৰ সোঁৱৰণী'য়ে (১৯৭০ চনত প্ৰকাশিত) ভালেখিনি আপুৰুগীয়া কথাৰ আৰু তেওঁ প্ৰতিখন পুথিকে কি কি পৰিবেশ আৰু পৰিস্থিতিৰ মাজত ৰচনা কৰিব লগা হৈছিল সেই কথাৰো সন্ধান দিব পাৰিছে। গোহাঞি বৰুৱাৰ ভাষাও নিৰ্ভেজ অসমীয়া। আত্মজীৱনীত লিখা তেওঁৰ দগা পৰ্বতলৈ যাত্ৰাৰ কাহিনী বৰ চিত্তাকৰ্ষক।

বেণুধৰ ৰাজখোৱাৰ 'মোৰ জীৱন দাপোন'ত (১৯৬৯) তেওঁৰ ব্যক্তি-গত জীৱনৰ কথাৰ উপৰিও শিক্ষা, সমাজ ব্যৱস্থা আৰু ৰাজত্বত আদিৰ

কথা বহলাই লিখিছে। বেণুধৰ ৰাজখোৱাই কাৰ্য্যৱশতঃ শিৱসাগৰৰ পৰা গোলাঘাটলৈ বদলি হওঁতে চাৰিখন গৰুৰ গাড়ীৰে তিনি দিন নে চাৰি দিনৰ মূৰত গৈ ওলাইছিল।

আত্মজীৱনী কেইখনিত সেই সময়ৰ সমাজ ব্যৱস্থা, নগৰ কেন্দ্ৰিক সভ্যতা আৰু শিক্ষা ব্যৱস্থাৰ সুন্দৰ চিত্ৰ ফুটি উঠিছে। তেওঁলোকে কলিকতালৈ গৈ উচ্চ শিক্ষা লোৱাৰ লগতে কিদৰে অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা স্থাপন কৰি নৱন্যাস আন্দোলনৰ গুৰি ধৰিছিল সেই কথাৰো সন্ধেদ পোৱা যায়। 'হৰিবিলাস আগৰৱালাৰ আত্মজীৱনী' (১৯৬৭) এখনি উল্লেখযোগ্য আত্মজীৱনী।

এই কালছোৱাৰ ভালেমান আত্মজীৱনী আছিল অসম্পূৰ্ণ। ৰজনীকান্ত বৰদলৈৰ আত্মজীৱনী, ৰজনীকুমাৰ পদ্মপতিৰ আত্মজীৱনী, হিতেশ্বৰ বৰবৰুৱাৰ আত্মজীৱনী, ভোলানাথ দাসৰ আত্মজীৱনী, কমলাকান্ত ভট্টাচাৰ্যৰ 'মনত পৰা কথা', কনকলাল বৰুৱাৰ মোৰ সোঁৱৰণী (My Reminiscence), আনন্দচন্দ্ৰ আগৰৱালাৰ 'আত্মজীৱনী' অসম্পূৰ্ণ আত্মজীৱনী। ৰজনীকান্ত বৰদলৈৰ আত্মজীৱনীত উপন্যাস ৰচনাৰ পটভূমিৰ কথাও প্ৰকাশ কৰিছে। কনকলাল বৰুৱাৰ আত্মজীৱনীত সেই সময়ৰ গুৱাহাটী চহৰৰ ভালেমান কথা আৰু কলিকতালৈ কৰা নৌকা ভ্ৰমণৰ কথা আছে।

জ্ঞানদাভিৰাম বৰুৱাৰ 'মোৰ কথা' 'ৰামধেনু'ত প্ৰকাশ হৈছিল। সৰহভাগ আত্মজীৱনী অসম্পূৰ্ণ যদিও প্ৰধান বৈশিষ্ট্য হৈছে সেইবোৰৰ মাজেদি যুগৰ নানান তথ্যপাতি প্ৰকাশ কৰাটো। শিক্ষা, সামাজিক অৱস্থা, নগৰ-চহৰৰ বিৱৰণ, যাতায়াতৰ কথা, অৰ্থনৈতিক অৱস্থা আদিৰ কথা সৰহভাগ আত্মজীৱনীৰে অন্যতম বৈশিষ্ট্য। আত্মজীৱনীসমূহৰ মাজেৰে যুগৰ ছবি একোখনি দাঙি ধৰিব পাৰিছে। কবি গনাই বৰাৰ আত্মজীৱনী "মোৰ সংসাৰ যাত্ৰাৰ কথা" সম্প্ৰতি প্ৰকাশৰ বাবে যো-জা কৰিছে।

সাম্প্ৰতিক কালত প্ৰকাশিত আত্মজীৱনীৰ ভিতৰত শৈলধৰ ৰাজখোৱাৰ "অতীতৰ সোঁৱৰণী" (১৯৬৯) আৰু পদ্মধৰ চলিহাৰ "জীৱন বীণাৰ সুৰ" (১৯৬৩) উল্লেখযোগ্য পুথি। চলিহা ডাঙৰীয়াই জীৱন বীণাৰ সুৰত জীৱনৰ ভাল-বেয়া কোনো কথাকে লুক-ঢাক নকৰাকৈ লিখি যোৱাটো এটা প্ৰধান বৈশিষ্ট্য। চলিহা ডাঙৰীয়া আৰু অম্বিকাগিৰী ৰায়চৌধুৰী এই দুগৰাকী কবিয়ে তেওঁলোকৰ জীৱনৰ পূৰ্ব প্ৰণয়ৰ কথাকো

আত্ম-জীৱনীত লিখি গৈছে। চলিহা ডাঙৰীয়াই বৃহৎ সাহিত্য সৃষ্টিৰ উদ্দেশ্যে তেওঁৰ আত্মজীৱনী ৰচনা কৰা নাছিল। যাথোন নিজৰ জীৱনৰ সঁচা ঘটনাৱাজি আৰু নিজ চকুৰে দেখা ঘটনা বিলাক অকণো ৰহণ নসনাকৈ লিখি গৈছে। বাজখোৱা ডাঙৰীয়াৰ 'অতীতৰ সোঁৱৰণী'ৰ ভাষা আৰু বৰ্ণনা মনোৰম। দৈনন্দিন জীৱনৰ কথাবোৰো সুন্দৰ আৰু প্ৰাঞ্জল ভাষাত উপস্থাপন কৰিছে। বাজখোৱাৰ চিকাৰৰ বৰ্ণনা মনোৰম আৰু লোমহৰ্ষক।

সম্প্ৰতি প্ৰকাশ পোৱা দুখন মনোৰম আত্মজীৱনী প্ৰতাপচন্দ্ৰ গোস্বামীৰ "জীৱন স্মৃতি আৰু কামৰূপী সমাজ" (১৯৭১) আৰু নজৰ আলিৰ "মোৰ জীৱনৰ কিছু কথা" (১৯৬৯)। প্ৰতাপ চন্দ্ৰ গোস্বামী এগৰাকী পণ্ডিত ব্যক্তি আৰু সুসাহিত্যিক শৰৎচন্দ্ৰ গোস্বামীৰ জ্যেষ্ঠ ভ্ৰাতৃ। গোস্বামী ডাঙৰীয়াৰ পুথিত তেওঁৰ জীৱনৰ নানান সমস্যা আৰু সংঘাতৰ উপৰিও কামৰূপৰ সমাজ-ব্যৱস্থাৰ ভালেমান খুটিনাটি কথাৰ সন্ধান পোৱা যায়। কি পৰিস্থিতিত তেওঁলোকে তাৰানাথ ভট্টাচাৰ্য্যৰ সম্পাদনাত "আসাম বান্ধৱ" উলিয়াব লগা হৈছিল সেই কথাৰো খৰচি মাৰি আলোচনা কৰিছে। পুথিখনি সম্পৰ্কে পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াই লিখিছে—"গোস্বামী দেৱৰ আত্ম-কাহিনীত আমাৰ অতীত সামাজিক জীৱনৰ এই নিচিনা অনেক হৃদয়গ্ৰাহী চিত্ৰ পোৱা যায়। কিতাপখনি সৰল কথোপকথনৰ ভাষাত আত্মগোপন নকৰাকৈ লিখা হৈছে।"

নজৰ আলি আছিল এগৰাকী নিম্ন প্ৰাইমাৰী স্কুলৰ শিক্ষক। কোনো প্ৰখ্যাত সাহিত্যিক বা উচ্চপদবীধাৰী ব্যক্তিও নহয়। তেওঁৰ আত্মজীৱনীত উল্লেখ কৰা ব্যক্তি সকলো থানাৰ দাৰোগা, মৌজাদাৰ, চাহ-বাগানৰ বাবু, উকিল, মহৰি, গাঁৱৰ গাঁওবুঢ়া, টুটুকীয়া-মগনীয়া ব্যক্তি। নজৰ আলিয়ে নিজৰ জীৱনৰ সংঘাত আৰু বিপৰ্য্যয়ৰ কথা গাঁৱলীয়া পটভূমিত স্বাভাৱিক ভাৱে বৰ্ণনা কৰি এখন উৎকৃষ্ট আত্মজীৱনী লিখিছে। তেওঁ সাহিত্যিক হোৱাৰ মানসেৰে আত্মজীৱনীখন লিখা নাছিল; কিন্তু পুথিখনৰ মাজেৰে প্ৰকাশ পাইছে এজন সহজ-সৰল শিক্ষকৰ জীৱনৰ অকৃত্ৰিম কাহিনী। তেওঁৰ জীৱন কাহিনীৰ অন্তৰালত পৰোক্ষভাৱে প্ৰকাশ পাইছে গাঁৱলীয়া সমাজৰ নানান সমস্যাৰ কাহিনীৰে মনোৰম চিত্ৰ এখনি। পুথিখনিৰ পৰিচয়ত এম ইব্ৰাহিম আলিয়ে লিখিছে "উপন্যাসতকৈও সঁচা কাহিনী প্ৰায় চাৰি কুৰি বছৰীয়া দীঘল এটি জীৱনৰ অভিজ্ঞ পৰশ পাই জীৱন্ত হৈ উঠিছে। এই কাহিনীত মানুহ জীৱনৰ সাধাৰণ সংঘাত অভিজ্ঞন

কৰি একোটিহঁত বেদনাক্লিষ্ট মানুহৰ কাহিনীয়ে সফল ৰূপ পাইছে গৈ।"

এগৰাকী শিক্ষাবিদ ৰাজবালা দাসৰ "তিনি কুৰি দহ বছৰৰ স্মৃতি" (১৯৭১) নামৰ আত্মজীৱনীখনত গুৱাহাটীৰ স্ত্ৰী-শিক্ষা আন্দোলনৰ কথা আৰু অসমৰ মহিলা আন্দোলনৰ কথা জীৱন্ত হৈ উঠিছে। তেওঁ গুৱাহাটীৰ প্ৰথম ছোৱালী শিক্ষানুষ্ঠান পাণবজাৰ ছোৱালী হাইস্কুল আৰু সন্দিকৈ ছোৱালী কলেজৰ প্ৰধান শিক্ষয়িত্ৰী স্বৰূপে স্ত্ৰী-শিক্ষাৰ লগত নিবিড় ভাৱে জড়িত। তেওঁ নিজেও কলিকতাৰ কলেজত পঢ়া ছাত্ৰী। তেওঁৰ আত্মজীৱনীখনত স্ত্ৰী-শিক্ষাৰ পথত থকা হেঙাৰবোৰৰ কথা অকপটভাৱে বৰ্ণনা কৰিছে। পুৰণি গুৱাহাটীৰ সমাজখনৰ কিছু কথাও তেওঁৰ আত্মজীৱনীত বৰ্ণনা কৰিছে।

স্বাধীনতা আন্দোলন আৰু জাতীয় জীৱনৰ সংকট কালৰ কথা ভালেকেইজন লোকৰ লিখনীত প্ৰকাশ পাইছে। মহামানৱ মহাত্মা গান্ধী, জৱহৰলাল নেহৰু, আবুল কালাম আজাদেও তেওঁলোকৰ আত্মজীৱনীত স্বাধীনতা আন্দোলনৰ কথা লিখি গৈছে।

মহম্মদ তৈয়বুল্লাৰ "কাৰাগাৰৰ চিঠি" (১৯৬২), কৃষ্ণনাথ শৰ্মাৰ "কৃষ্ণ শৰ্মাৰ ডায়েৰী" (১৯৭২), লক্ষ্মীধৰ শৰ্মাৰ "জীৱন স্মৃতি" (১৯৬৩), নন্দমোহন মজুমদাৰৰ "এৰি অহা দিনবোৰ" (১৯৬৬), দীননাথ মেধিৰ "বিয়াল্লিছ" (১৯৫৫) আৰু ব্ৰজনাথ শৰ্মাৰ "বিপ্লৱী" (১৯৭৩) গ্ৰন্থত অসমৰ স্বাধীনতা আন্দোলনৰ ইতিহাস প্ৰকাশ পাইছে।

মহম্মদ তৈয়বুল্লা স্বাধীনতা আন্দোলনৰ এগৰাকী অক্লান্ত কৰ্মী। তৈয়বুল্লা ডাঙৰীয়াই স্বাধীনতা আন্দোলনৰ বাবে কেবাবাৰো কাৰাবৰণ কৰিব লগীয়া হৈছিল। ঘৰত পদুলি মুখলৈ চাই বাবাজানৰ বাবে অপেক্ষা কৰি থকা মৰমৰ জীয়াৰীকেইজনীলৈ লিখাৰ ছলেৰে চিঠিৰ মাজেৰে আন্দোলনৰ এখনি নিখুঁত চিত্ৰ দাঙি ধৰিছে। তেওঁৰ ভাষাও মনোৰম। লক্ষ্মীধৰ শৰ্মাৰ পুথিখনিতো তেওঁৰ জীৱনৰ বিভিন্ন কথাৰ লগতে স্বাধীনতা আন্দোলনৰ চমু পৰিচয় পোৱা যায়। নন্দমোহন মজুমদাৰ স্বাধীনতা আন্দোলনৰ এগৰাকী অক্লান্ত কৰ্মী। মজুমদাৰৰ 'এৰি অহা দিনবোৰ'ত স্বাধীনতা আন্দোলনৰ কথাকে প্ৰকাশ কৰিছে। বিয়াল্লিছৰ আন্দোলনৰ সময়ত সৰভোগ অঞ্চলত থানা, এয়াৰ ফিল্ড আদি যুদ্ধৰ ঘাটি ভস্মীভূত কৰাৰ কাৰ্য্যত মুকলি মঞ্চৰ জনপ্ৰিয় অভিনেতা ব্ৰজনাথ শৰ্মাই আগভাগ লৈছিল। তেওঁৰ 'বিপ্লৱী' গ্ৰন্থত আন্দোলনৰ কথাৰ লগতে তেওঁ কিদৰে নানান বিপৰ্য্যয়ৰ মাজেৰে আত্ম গোপন কৰি ফুৰিছিল সেইবোৰ কাহিনী

উপন্যাসৰ দৰে মনোৰম ৰূপত শৰ্মা ডাঙৰীয়াই বৰ্ণনা কৰিছে। দীননাথ মেধিৰ গ্ৰন্থতো আন্দোলনৰ কথা আৰু কাৰাগাৰৰ কথাই পোৱা যায়। কৃষ্ণনাথ শৰ্মা স্বাধীনতা আন্দোলনৰ আন এগৰাকী যুঁজাৰু। তেওঁৰ ডায়েৰীত অসহযোগ আন্দোলন আৰু গান্ধীজী আদি ৰাষ্ট্ৰীয় নেতাসকলৰ লগত থকা ঘনিষ্ঠ সম্পৰ্কৰ কথা প্ৰকাশ পাইছে। পুথি কেইখনৰ মাজত স্বাধীনতা আন্দোলনৰ বাবে তেওঁলোকৰ পৰিয়ালৰ লোকে পোৱা নানান কষ্ট আৰু নিৰ্য্যাতনৰ কথা প্ৰকাশ পাইছে। আন্দোলনৰ জীৱত থকা সৰু-বৰ ভালেমান কথাও পুথি কেইখনিত প্ৰকাশ পাইছে।

বিভিন্ন আলোচনীৰ পাতত ভালেকেইখন আত্মজীৱনী অসম্পূৰ্ণ ভাবে সিঁচৰতি হৈ আছে। অমিয় কুমাৰ দাসৰ 'জীৱন স্মৃতি', ডিম্বেশ্বৰ নেওগৰ 'অতীত মাধুৰী' অম্বিকাগিৰী ৰায় চৌধুৰীৰ 'মোৰ জীৱনৰ ধুমুহা এছাটি' বেণুধৰ শৰ্মাৰ 'মেজৰ পৰা মজিয়ালৈ' নীলমণি ফুকনৰ 'মোৰ জীৱন স্মৃতি' নলিনী বালা দেৱীৰ 'এৰি অহা দিনবোৰ' জ্ঞাননাথ বৰা, দৈৱচন্দ্ৰ তালুকদাৰ প্ৰভৃতি ভালেকেইজন প্ৰথিত যশা সাহিত্যিকৰ আত্মজীৱন চৰিত অসম্পূৰ্ণ হৈ ৰ'ল। ইয়াৰ ভিতৰত অম্বিকাগিৰী ৰায় চৌধুৰীৰ 'মোৰ জীৱনৰ ধুমুহা এছাটি' আৰু নলিনী বালা দেৱীৰ 'এৰি অহা দিনবোৰ' পুথিৰ আকাৰত ছপাবলৈ যো-জা কৰিছে। ৰায়চৌধুৰীৰ আন এখনি জীৱন আলেখ্য 'মোৰ দাদা'। অধ্যাপক অতুল চন্দ্ৰ হাজৰিকাৰ 'স্মৃতি লেখা' পুথিৰ আকাৰত যুগুত কৰি ছপাবৰ যো-জা কৰিছে। আত্মজীৱনী বাজিত প্ৰাক্ স্বাধীনতা যুগৰ শিক্ষা-সংস্কৃতি আৰু সাহিত্য চৰ্চাৰ ভালেখিনি কথা মনোৰম ভাষাত প্ৰকাশ পাইছে। বেণুধৰ শৰ্মাৰ ৰাহ লগা কথাৰে, অম্বিকাগিৰীয়ে বিপ্লৱী জীৱনৰ চিনাকিৰে, নলিনী বালা দেৱী, ডিম্বেশ্বৰ নেওগে কাব্যিক বৰ্ণনাৰে, অমিয় কুমাৰ দাস, নীলমণি ফুকন, জ্ঞাননাথ বৰাই নিভাঁজ গদ্য ৰচনাৰে আত্মজীৱনীবাজি আকৰ্ষণীয় কৰিছিল। হাজৰিকাৰ স্মৃতি লেখাত তেওঁ নিবিড় ভাবে জড়িত শিক্ষানুষ্ঠান, ছাত্ৰ সন্মিলন আৰু সাহিত্য সভা আদিৰো পৰিচয় দাঙি ধৰিছে। একাডেমীৰ বঁটা লাভ কৰা লক্ষ্মীনাথ ফুকনৰ "মহাত্মাৰ পৰা ৰূপকোঁৱৰলৈ" গ্ৰন্থকো এক প্ৰকাৰ আত্মজীৱনীকে আখ্যা দিব পাৰি। মহাত্মা গান্ধী, নেহৰু, ভাগৱৰালা, হেম গোস্বামী, ৰাধানাথ চাংকাকতী প্ৰভৃতি ৰাজনীতিবিদ, শিক্ষাবিদ, সাংবাদিক, সাহিত্যিক আদিৰ সান্নিধ্য লাভৰ কথা বৰ্ণনা কৰোঁতে আওপকীয়াভাৱে তেওঁৰ নিজৰ জীৱনৰ কথাও প্ৰকাশ পাইছে। ফুকন ডাঙৰীয়াৰ গল্প-উপন্যাসৰ নিচিনা পুথিখনৰ ভাষা আৰু উপস্থাপন ৰীতি মনোৰম।

আত্মজীৱনী বাজিৰ জৰিয়তে আমি মহান ব্যক্তি সকলৰ জীৱনৰ নানান সংঘাত বিপৰ্যয়ৰ কথাৰ উপৰিও আমোদজনক সৰু-বৰ ভালেমান কাহিনীও উপভোগ কৰিছোঁ। পৰোক্ষভাৱে লিখকৰ লগতে আন আন চৰিত্ৰ কিছুমানো ওলাই পৰিছে। আত্মজীৱনীবাজিৰ মাজেৰে ওলাই পৰিছে যুগৰ হুবহু প্ৰতিচ্ছবি। অনুগামী জীৱনীকাৰৰ পক্ষে ব্যক্তি বিশেষৰ জীৱনী লিখা সম্ভৱ হলেও চাক্ষুষ দ্ৰষ্টাৰ দৰে যুগৰ হুবহু প্ৰতিচ্ছবি দাঙি ধৰাটো সম্ভৱ নহয়।

O O O

গুণাভিৰাম বৰুৱাৰ পিচত অসমীয়া সাহিত্যৰ এখনি নিখুঁত জীৱনী গ্ৰন্থ ডক্টৰ সূৰ্য্যকুমাৰ ভূঞাৰ "আনন্দৰাম বৰুৱাৰ জীৱন চৰিত" (১৯২০)। ডক্টৰ ভূঞাই কলিকতাত পঢ়া কালছোৱাতে অশেষ কষ্ট কৰি আনন্দৰাম বৰুৱা সম্পৰ্কে ভালেখিনি তথ্য সংগ্ৰহ কৰিছিল। গ্ৰন্থখনিত বৰুৱাৰ পাণ্ডিত্য, অধ্যৱসায়, শিক্ষা আদিৰ উপৰিও সমগ্ৰ গ্ৰন্থৰাজিৰ পৰিচয় দাঙি ধৰিছে। ডক্টৰ ভূঞাৰ আনন্দৰাম বৰুৱা অসমীয়া জীৱনী সাহিত্যৰ মুকুটমণি স্বৰূপ। গোপাল কৃষ্ণ গোখলে (১৯১৬) ৰবীন্দ্ৰনাথ ঠাকুৰ (১৯২০) তেওঁৰ আন দুখনি জীৱনী গ্ৰন্থ। জোনাকী (১৯২৮) আৰু চানেকী (১৯২৮) ডক্টৰ ভূঞাৰ দুখনি জীৱনী সংকলন।

জীৱনীকাৰ হিচাবে ডক্টৰ ভূঞাৰ ৰচনা পণ্ডিত আৰু মহৎ লোকৰ মাজতে সীমাবদ্ধ নহয়। সেৱক ভকতৰ জীৱনৰ কথাও যে মনোৰম ভাষাত লিখিব পাৰি সেই আদৰ্শও ডক্টৰ ভূঞাই দেখুৱাইছে তেওঁৰ হৰিহৰ আতা (১৯৬০) গ্ৰন্থৰ মাজেৰে। হৰিহৰ আতাৰ জীৱনৰ লগতে সত্ৰৰ ভিতৰৰ সৰু-বৰ কথাৰো আভাস দাঙি ধৰিছে। পুথিখনিৰ মাজেৰে সত্ৰৰ পৰিৱেশ ফুটি উঠিছে। ডক্টৰ ভূঞাৰ আত্মজীৱনী "Some Literary Reminiscences" (১৯৫৪)। তেওঁৰ "Men I have met" গ্ৰন্থতো সান্নিধ্যলৈ অহা সৰু-বৰ ভালেমান লোকৰ কথা একোখনি ফ্ৰেমত বন্ধাই ৰখা ধুনীয়া ছবি যেন লাগে।

এইখিনিতে কুৰি শতিকাৰ প্ৰথমৰপৰা চতুৰ্থ দশকলৈ ৰচনা কৰা কেইখনমান জীৱনী গ্ৰন্থৰ উল্লেখ কৰাৰ লোভ সামৰিব নোৱাৰিলোঁ। বেজবৰুৱাই প্ৰথমতে আধুনিক ৰীতিত "শঙ্কৰদেৱ" (১৯১২), "শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ" (১৯১৬) গ্ৰন্থ ৰচনা কৰিছিল। প্ৰথমখনত শঙ্কৰদেৱৰ

সাহিত্যৰ পৰিচয় আৰু দ্বিতীয়খনত শঙ্কৰদেৱ মাধৱদেৱৰ লগতে তেওঁৰ অনুগামীসকলৰ জীৱনৰ কথাও বেজবৰুৱাৰ স্বভাব-সুলভ ৰচনাৰে মনোৰম ভাষাত ৰচনা কৰিছে। চৰিত্ৰ পুথিকে সম্বল হিচাবে লৈ গ্ৰন্থ-দুখনি ৰচনা কৰিছে যদিও ভালেখিনি অলৌকিকতা পৰিহাৰ কৰিছে। বেজবৰুৱাৰ গ্ৰন্থ দুখনিয়েই প্ৰথমে শঙ্কৰদেৱৰ মহান প্ৰতিভাৰ কথা পাঠকৰ চকুৰ আগত দাঙি ধৰিছিল।

সৰ্বেশ্বৰ শৰ্মা কটকীৰ "হেমচন্দ্ৰ বৰুৱাৰ জীৱন চৰিত" (১৯২৭) "সত্যনাথ বৰাৰ জীৱন চৰিত" (১৯২৯), কমলেশ্বৰ চলিহাৰ "বিশ্বৰসিক বেজবৰুৱা" (১৯৩৯), দণ্ডিনাথ কলিতাৰ "কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা" (১৯২৪) শ্ৰীশ্ৰীৰামচন্দ্ৰ দাসৰ "জেমছেদজী টাটা" (১৯২৮), কামাখ্যা চৰণ ভট্টাচাৰ্য্যৰ "ধীৰেশ্বৰাচাৰ্য্যৰ জীৱন চৰিত" (১৯২৮), বংশীধৰ চৌধুৰীৰ "জৱহৰলাল" (১৯৩৯) আদি এই কালছোৱাৰ কেইখনমান উল্লেখযোগ্য জীৱন চৰিত।

অসমীয়া সাহিত্যত সৰহ সংখ্যক জীৱনী গ্ৰন্থ ৰচনা কৰিছে প্ৰবীণ সাহিত্যিক মহাদেৱ শৰ্মাই। "বুদ্ধ চৰিত" (১৯১৪), "মহম্মদ চৰিত" (১৯২৮), "যীশু জীৱনী" (১৯৩৮), "শ্ৰীশ্ৰীৰামকৃষ্ণ পৰম হংস" (১৯৪১), "কস্তুৰবা গান্ধী" (১৯৪৪), "জৱধ্বজ" (১৯৬০), "গোপীনাথ বৰদলৈ" (১৯৫৬), "সন্ত চৰিত" (১৯৬৩) "গুৰু নানক", "স্বামী বিবেকানন্দ", "শ্ৰীমন্ত শঙ্কৰৰ লীলা প্ৰসঙ্গ" শৰ্মা ডাঙৰীয়া ৰচিত জীৱনী গ্ৰন্থ। শৰ্মা ডাঙৰীয়াই বিভিন্ন ধৰ্মৰ মহাপুৰুষসকলৰ জীৱনৰ পৰিচয় দাঙি ধৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছিল। তেওঁৰ জীৱনী বাজিত মহাপুৰুষসকলৰ জীৱনৰ বিভিন্ন কাৰ্য্যৰ চমু আভাস আৰু মহত্বৰ কথা প্ৰকাশ কৰিছে।

"স্মৃতি তীৰ্থ" (১৯৪৮) নলিনী বালা দেৱীয়ে ৰচনা কৰা তেওঁৰ পিতৃ কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ জীৱনী। পুথিখনিত কৰ্মবীৰৰ কৰ্ম বহুল জীৱনৰ কথা, অসহযোগ আন্দোলনৰ কথা, তেওঁৰ মহান ব্যক্তিত্বৰ কথা আৰু জীৱনৰ সৰু-বৰ ভালেমান কথা সুন্দৰ ভাষাত ৰচনা কৰিব পাৰিছে।

"বিশ্বদীপা" (১৯৬৯) নলিনী বালা দেৱীয়ে ৰচনা কৰা বিশ্বৰ কেইগৰাকীমান মহিয়সী নাৰীৰ জীৱন চৰিত। সাহিত্য, সংগীত, কলা, মানৱসেৱা আৰু অন্যায়ৰ বিৰুদ্ধে থিয় দি নাৰীৰ মহিমা প্ৰকাশ কৰা কেইগৰাকীমান নাৰীৰ জীৱন কাহিনী নলিনী বালা দেৱীয়ে 'বিশ্বদীপা'

গ্ৰন্থৰ মাজেৰে প্ৰকাশ কৰিছে। 'চৰ্দাৰ বল্লভ ভাই পেটেল' (১৯৬০) তেওঁৰ আন এখনি জীৱনী।

বেজবৰুৱাৰ পিচত শংকৰ-মাধৱৰ ভালেকেইখন সৰু-বৰ জীৱন চৰিত ৰচনা কৰা হৈছিল। ইয়াৰ ভিতৰত ডক্টৰ মহেশ্বৰ নেওগ ৰচিত "শ্ৰীশ্ৰী শঙ্কৰদেৱ" (১৯৪৯) বিজ্ঞান সন্মত ভাৱে ৰচনা কৰা এখনি জীৱনী গ্ৰন্থ। পুথিখনিত অলৌকিকতা বাদ দি শ্ৰীশঙ্কৰদেৱৰ জীৱন চৰিত, বৈষ্ণৱ ধৰ্ম আৰু শঙ্কৰী-সাহিত্যৰ বিষয়ে বিস্তৃত আলোচনা কৰিছে। পুথিখনিত শঙ্কৰী-সাহিত্য আৰু কলা-কৃষ্টিৰ কথাও পৰ্য্যালোচনা কৰা হৈছে। এই জীৱন চৰিতখন এখন মূল্যবান প্ৰামাণ্য গ্ৰন্থ।

শ্ৰীবাপচন্দ্ৰ মহন্তৰ "মহাপুৰুষ শঙ্কৰদেৱ" (১৯৬৫) গ্ৰন্থতো মহাপুৰুষৰ জীৱনৰ বিভিন্ন কৰ্মৰাজিৰ উপৰিও প্ৰাচীন কামৰূপৰ ঐতিহ্য বিচাৰ কৰিছে। শঙ্কৰদেৱৰ জীৱন দৰ্শন, কলাকৃষ্টি আৰু সাহিত্যৰ আলোচনা পুথিখনিৰ অন্যতম বৈশিষ্ট্য।

বেণুধৰ শৰ্মাৰ "মণিৰাম দেৱান" (১৯৫০) এখনি তথ্যবহুল জীৱনী। 'মণিৰাম দেৱান'ক জীৱনী গ্ৰন্থ নুবুলি ইতিহাস আখ্যা দিলে বোধহয় ভুল কোৱা নহব। মণিৰাম দেৱানক কেন্দ্ৰ কৰি গঢ়ি উঠা প্ৰথম স্বাধীনতা আন্দোলনৰ ভালেমান কথা, তথ্য-পাতি দলিলসহ শৰ্মা ডাঙৰীয়াই গ্ৰন্থখন ৰচনা কৰিছে। মণিৰাম দেৱান গ্ৰন্থ বহুবছৰ ধৰি তথ্য-পাতি আৰু সমল সংগ্ৰহৰ ফলত ৰচনা কৰা পুথি। মণিৰাম দেৱানৰ লগতে দুতিৰাম বৰুৱা, পিয়লি বৰুৱা, বাহাদুৰ গাঁওবুঢ়া আদি ভালেমান দেশহিতৈষী পুৰুষৰ কথাও পুথিখনিত পোৱা যায়। তেওঁৰ আন এখনি তথ্যবহুল জীৱনী গ্ৰন্থ "অসমীয়া সাহিত্যৰ পৰমাচাৰ্য্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী" (১৯৭২)। পুথিখনিত নবন্যাস আন্দোলনৰ পটভূমিৰ কথাও আছে। "গঙ্গা গোবিন্দ ফুকন" তেওঁৰ আন এখনি জীৱনী গ্ৰন্থ। "অৰ্ঘাৱলী"ত (১৯৬৪) শৰ্মা ডাঙৰীয়াই কুৰি গৰাকী অসমীয়া মহান ব্যক্তিৰ জীৱনৰ কথাও মনোৰম ভাষাত ৰচনা কৰিছে। পুথিখনিৰ অন্যতম বৈশিষ্ট্য প্ৰকাশ পাইছে উপস্থাপন ৰীতিত। শৰ্মা ডাঙৰীয়াই প্ৰতিজন ব্যক্তিৰ ব্যক্তিত্বৰ ওপৰত আলোক সম্পাত কৰিছে। পুথিখনিত ব্যক্তি বিশেষৰ মহত্ব, কৰ্ম আৰু গুণৰাজিৰ কথা বিভিন্ন দৃষ্টি-ভঙ্গীৰে পৰ্য্যালোচনা কৰিছে। অতুল্য ঠাঁচ আৰু নিজস্ব বৈশিষ্ট্যৰে শৰ্মা ডাঙৰীয়াৰ গদ্যশৈলী সমৃদ্ধ।

লোকপ্ৰিয় গোপীনাথ বৰদলৈ এগৰাকী ৰাজনীতিবিদ যদিও তেওঁ "তৰুণ ৰাম ফুকন" (১৯৪০), "বুদ্ধদেৱ" (১৯৪৭) আৰু "গান্ধীজী"

(১৯৬৯) এই তিনিখন জীৱনী ৰচনা কৰিছিল। তেওঁ আছিল তৰুণৰাম ফুকনৰ ঘনিষ্ঠ অনুগামী। পুথিখনিত যাইকৈ প্ৰকাশ পাইছে অসহযোগ আন্দোলনত ফুকনৰ অৱদানৰ কথা। বৰদলৈ ডাঙৰীয়া আছিল গান্ধীজীৰো পৰম প্ৰিয়। গান্ধীজীৰ জীৱন চৰিতখনিতো বেচি ঠাই লৈছে অসহযোগ আন্দোলনৰ কথাই। এই দুয়োখন পুথিতে আওপকীয়া ভাৱে বৰদলৈৰ নিজৰ জীৱনৰ কিছু কথাও প্ৰকাশ পাইছে।

"চন্দ্ৰকুমাৰ আগৰৱালা" (১৯৬৭) জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা জীৱন চৰিত। জ্যোতিপ্ৰসাদে পুথিখনিত চন্দ্ৰকুমাৰ আৰু পৰিয়াল বৰ্গৰ পৰিচয়তে আবদ্ধ নাথাকি চন্দ্ৰকুমাৰৰ ভালেকেইটি প্ৰখ্যাত কবিতা ৰচনা কৰাৰ পটভূমিৰ আভাষ দাঙি ধৰিব পাৰিছে। কবিতা ৰচনাৰ পটভূমিৰ লগতে কবিজনাৰ কাব্যসৃষ্টি আৰু ব্যক্তিত্বৰ ভালেখিনি আভাস পুথিখনিত পোৱা যায়। পুথিখনিৰ ভাষা আৰু উপস্থাপন ৰীতি মনোৰম।

আধুনিক যুগত এই যুগৰ পুৰুষসকলৰ জীৱন চৰিত যিমান লিখা হৈছে তাৰ তুলনাত সন্ত মহন্তসকলৰ জীৱন চৰিত সিমান নহয়। অৰ্জুন চন্দ্ৰ দাসৰ "মহাপুৰুষীয়া ধৰ্মৰ পঞ্চৰত্ন" (১৯৬৬), মথুৰা দাস বুঢ়া আতা, নাৰায়ণ দাস ঠাকুৰ আতা, শ্ৰীৰাম আতা, পদ্ম আতা আৰু গোপাল আতাৰ জীৱন চৰিত। পুথিখনিত পঞ্চৰত্ন বা পঞ্চ আতাৰ লগতে আন আন ভকত আতৈসকলৰ জীৱনৰ কিছু কথা আৰু সত্ৰৰ ভিতৰ চ'ৰাৰ কিছু কথাৰো সন্ধেদ পোৱা যায়। হৰমোহন দাসৰ "মহাপুৰুষ" গ্ৰন্থতো শ্ৰীশঙ্কৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ আৰু হৰিদেৱ এই চাৰি গুৰুজনাৰ জীৱন চৰিতৰ উপৰিও বৈষ্ণৱ ধৰ্মৰ চমু আভাষ দাঙি ধৰিছে।

প্ৰসন্নকুমাৰ ডেকাৰ "সাধু পুৰুষ ভক্তদাস আতৈ" (১৯৭০), প্ৰতাপ-চন্দ্ৰ চৌধুৰীৰ "শ্ৰীশ্ৰীহৰিদেৱ" (১৯৬৯), ডম্বৰুধৰ হাজৰিকাৰ "মহাত্মা মাধৱদেৱ" (১৯৬৯), অম্বিকাচৰণ চৌধুৰীৰ "বৈষ্ণৱ গুৰু শ্ৰীশ্ৰীদামোদৰ দেৱ" (১৯৬৬) আদি বৈষ্ণৱ সন্ত-মহন্তৰ জীৱন চৰিত।

মহাদেৱ শৰ্মাৰ জীৱন চৰিতৰাজিৰ উপৰিও আৰু এচাম লিখকে বিভিন্ন মহাপুৰুষ আৰু মহামানৱৰ জীৱন চৰিত পুথিৰ আকাৰত প্ৰকাশ কৰিছে। আনন্দচন্দ্ৰ বৰুৱাৰ "এচিয়াৰ জ্যোতি"ত (১৯৫৯) বুদ্ধদেৱৰ জীৱনৰ কথা মনোৰম ভাষাত ৰচিত পুথি। বৰুৱাৰ আন এখন জীৱনী "পণ্ডিত মদন মোহন মালবীয়" (১৯৪৬)। ৰাপচন্দ্ৰ মহন্ত আৰু কেশদা মহন্তৰ "গোস্বামী তুলসী দাস আৰু ৰাম চৰিত মানস" (১৯৭০), শৰৎচন্দ্ৰ গোস্বামীৰ "কনফুচিয়াচ" (১৯৬৬), "চক্ৰেটিছ প্লেটো আৰু এৰিষ্টটল" (১৯৫২)

উল্লেখযোগ্য গ্ৰন্থ। গোস্বামী ডাঙৰীয়াই কনফুচিয়াচ চক্ৰেটিছ্ প্লেটো আৰু এৰিষ্টটলৰ জীৱনৰ চমু পৰিচয়ৰ উপৰিও বিশেষ গুৰুত্ব আৰোপ কৰিছে তেওঁলোকৰ জীৱন দৰ্শনৰ ওপৰত। দ্বিতীয় এখন গ্ৰন্থ অৰ্থাৎ চক্ৰেটিছ্ প্লেটো আৰু এৰিষ্টটল গ্ৰন্থত গ্ৰীক সংস্কৃতি আৰু দৰ্শনৰ আভাষ দিয়াৰ পিছতহে জীৱন পৰিচিতি দাঙি ধৰিছে।

ইছলাম ধৰ্মাৱলম্বী অসমীয়া সাহিত্যকৰ সংখ্যা কম নহয়; কিন্তু সেই অনুপাতে ইছলাম ধৰ্মৰ ধৰ্মগুৰুসকলৰ জীৱন চৰিতৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা বিধৰ। অতুলচন্দ্ৰ বৰুৱাৰ "নবী-কথা"ত (১৯৬৯) ইছলাম ধৰ্মৰ কেইগৰাকীমান ধৰ্মগুৰুৰ জীৱনৰ কথা সাধুৰ আকাৰত ৰচনা কৰিছে। বৰুৱা ডাঙৰীয়াৰ ৰচনা ৰীতি সাৱলীল আৰু ভাষাও সুৱলা। মহিবুল হুচেইনৰ "হজৰত আজান পীৰ" (১৯৫৬), জমিৰুদ্দিন আহম্মদৰ "মহান খলিফা কেইগৰাকী" (১৯৬৯), "হজৰত মহম্মদ" (১৯৬৮), এম ইব্ৰাহীম আলিৰ "চোৰাব-ৰুস্তম" (১৯৬০) আৰু "কুমাৰী জেবুন্নিচা" (১৯৩৯) উল্লেখ যোগ্য পুথি। আব্দুছ্ চাত্তাৰ ডাঙৰীয়াই প্ৰথম স্বাধীনতা ৰণৰ যুজাৰু মণিৰাম দেৱানৰ ঘনিষ্ঠ সহযোগী বাহাদুৰ গাঁওবুঢ়াৰ জীৱন চৰিত "বাহাদুৰ গাঁওবুঢ়া" (১৯৬৯) ৰচনা কৰিছে।

অসমীয়া সাহিত্যত এলানি জীৱনী গ্ৰন্থ ৰচনা কৰিছে হৰেন্দ্ৰনাথ শৰ্মাই। তেওঁৰ কেবাখনো পুথিয়ে ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰিছে। শৰ্মা ডাঙৰীয়াৰ ভালেকেইখন জীৱনী গ্ৰন্থ শিশুৰ উপযোগীকৈ ৰচনা কৰা। তেওঁৰ "জোৱান ডাৰ্ক" (১৯১৮) আৰু "কাঙাল পাচা" (১৯৩১) মনোৰম জীৱনী গ্ৰন্থ। "সময় বালিত খোজৰোৰ", "শিবাজী", অশোক" আৰু "সত্যসন্ধাৰ প্ৰথম খোজ" চাৰিখনি শিশুৰ উপযোগীকৈ সুৱলা ভাষাত ৰচনা কৰা জীৱনী গ্ৰন্থ। পুথি কেইখনিৰ ৰচনা পদ্ধতি মনোৰম।

শ্ৰীশঙ্কৰদেৱ, মহাত্মা গান্ধী আৰু বেজবৰুৱাৰ বিষয়ে ৰচনা কৰা জীৱন চৰিতৰ সংখ্যাই সৰহ। আব্দুছ্ চাত্তাৰৰ "গান্ধীজীৰ জীৱনৰ কথা" (১৯৬৯), হেমচন্দ্ৰ দত্তৰ "মহাত্মাগান্ধী" (১৯৬২), হাৰুণাৰ ৰচিদৰ "মহাত্মা গান্ধী" (১৯৫৬), উষা বৰঠাকুৰৰ "বাপুজীৰ আত্মকথা" (১৯৫০) উল্লেখ-যোগ্য ৰচনা। অমিয় কুমাৰ দাস ডাঙৰীয়াই মহাত্মা গান্ধীৰ আত্মজীৱনী-খন "মোৰ সত্য অন্বেষণৰ কাহিনী" নামেৰে অসমীয়ালৈ তৰ্জমা কৰিছে।

শিশুৰ উপযোগীকৈ শ্ৰীশঙ্কৰদেৱৰ বিষয়ে ভালেকেইখন পুথি ৰচনা হৈছে। ইয়াৰ ভিতৰত প্ৰেমধৰ দত্তৰ পুথিখনৰ ভাষা বেচ মনোৰম। হৰেন্দ্ৰ দেৱগোস্বামীৰ "অকণিৰ শঙ্কৰদেৱ" (১৯৫৪), হৰকান্ত দাসৰ

"শ্ৰীশ্ৰীশঙ্কৰদেৱ" (১৯৬২), হৰিনাৰায়ণ দত্ত বৰুৱাৰ "শ্ৰীমন্ত শঙ্কৰদেৱ" আৰু কমলেশ্বৰ চলিহাৰ "নৱাৱ শঙ্কৰদেৱ" আন আন পুথি।

বেজবৰুৱাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে ভালেকেইখন সৰু-বৰ জীৱন চৰিত ৰচনা আৰু প্ৰকাশ হৈছিল। ইয়াৰ ভিতৰত যতীন্দ্ৰনাথ গোস্বামীৰ "সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা" (১৯৬৮) আৰু শশী শৰ্মাৰ "ৰসৰাজ বেজবৰুৱা" (১৯৬৭) উৎকৃষ্ট গ্ৰন্থ। গোস্বামীয়ে তেওঁৰ গ্ৰন্থত বেজবৰুৱাৰ জীৱনৰ ভালেমান কথা আৰু সেই যুগৰ তথ্যৰ সন্ধান দিব পাৰিছে। শৰ্মাই বেজবৰুৱাৰ জীৱনতকৈ প্ৰাধান্য দিছে সাহিত্যৰাজিৰ ওপৰতহে বেচিকৈ। তেওঁৰ গ্ৰন্থত বেজবৰুৱাৰ গ্ৰন্থৰাজি চালি-জাৰি বিচাৰ কৰি চাইছে। পৰিশ্ৰমী লিখক শশী শৰ্মাই একল বেজবৰুৱাৰ জীৱনীতে আবদ্ধ নাথাকি "পণ্ডিত হেমচন্দ্ৰ গোস্বামী" (১৯৭১) আৰু সাহিত্যৰথী "পদ্মনাথ গোহাঞি বৰুৱা"ৰ (১৯৭১) সাহিত্য কীৰ্তিৰ কথাও আন দুখনি গ্ৰন্থত বিচাৰ বিশ্লেষণ কৰিছে। এই তিনিখন পুথিতে শৰ্মা ডাঙৰীয়াই জীৱন পৰিচয়তকৈ গুৰুত্ব দিছে সাহিত্যৰাজিৰ ওপৰত। "মেক্সিম গৰ্কী" (১৯৬৮), "লেনিন, ৰুচ বিপ্লৱ আৰু ভাৰত" "কৃতী ছাত্ৰ দীনেশ চন্দ্ৰ মিশ্ৰ" (১৯৫৬) তেওঁৰ আন উল্লেখযোগ্য জীৱন চৰিত।

আজলী তৰা নেওগৰ "আনন্দ ৰাম ঢেকিয়াল ফুকন" (১৯৪০) আৰু "গুণাভিৰাম বৰুৱা" (১৯৪০) দুখন জীৱন চৰিত। পুথি দুখনিত মহান ব্যক্তি দুগৰাকীৰ জীৱনৰ চমু আভাষ দিব পাৰিছে। ৰমেশ চন্দ্ৰ বৰকাকতীৰ "প্ৰত্নতত্ত্ববিদ সোণাৰাম চৌধাৰী" (১৯৫৫) গ্ৰন্থতো সোণালী যুগৰ এইগৰাকী প্ৰথিত যশা ব্যক্তিৰ জীৱনৰ কিছু কথাৰ আভাস পোৱা যায়।

"সুৰদেউলৰ পূজাৰী" (১৯৬৭) সঙ্গীতাচাৰ্য লক্ষ্মীৰাম বৰুৱাৰ জীৱন চৰিত। পুথিখনি ৰচনা কৰিছে তেওঁৰ নাতি ল'ৰা কাঞ্চন বৰুৱাই। সঙ্গীতাচাৰ্য বৰুৱাই সঙ্গীত সাধনাতে এক প্ৰকাৰ জীৱন উচৰ্গা কৰিছিল। বৰুৱা নানান আপদ বিপদতো পিঠি দি একান্তভাৱে সঙ্গীত চৰ্চা কৰা এইগৰাকী কলা সাধকৰ জীৱনৰ কথা, কথাসাহিত্যিক কাঞ্চন বৰুৱাই আকৰ্ষনীয় ৰূপত দাঙি ধৰিছে। পুথিখনিৰ ছপা বন্ধাও চকুত লগা। "নীলমণি ফুকনৰ চিন্তাধাৰা" (১৯৭২) নামৰ পুথিখনি ৰচনা কৰিছে দিলীপ চৌধুৰীয়ে। চৌধুৰীয়ে কিছুমান প্ৰশ্নোত্তৰ শিতানেৰে বয়োজ্যেষ্ঠ সাহিত্যিক ফুকন ডাঙৰীয়াৰ জীৱনৰ ভালেমান কথা আৰু জীৱন দৰ্শনৰ আভাষ দিব পাৰিছে। চৌধুৰীৰ প্ৰচেষ্টা নতুন আৰু প্ৰশংসনীয়।

অম্বিকা পদ চৌধুৰীৰ "কালিদাস", নিশিপদ চৌধুৰীৰ "হিৰেনচাং"

দুখনি চৌধুৰী ভাতৃদ্বয়ৰ সুৰলা ভাষাত ৰচনা কৰা তথ্যবহুল জীৱনী গ্ৰন্থ। হিৰেনচাং গ্ৰন্থত ঐতিহাসিক সমলো ভালেমান পোৱা যায়। দুৰ্গেশ্বৰ শৰ্মাৰ "ভাষাবিদ বাণীকান্ত কাকতী" (১৯৫৫) ডক্টৰ কাকতীৰ বিষয়ে লিখা জীৱনী গ্ৰন্থ। স্বৰ্গীয় কাকতীৰ বিষয়ে ৰচনা কৰা আন এখনি গ্ৰন্থ ডক্টৰ বিনোদ শৰ্মাৰ "ডক্টৰ কাকতিৰ সাহিত্য" (১৯৭২)। ডক্টৰ শৰ্মাই তেওঁৰ গ্ৰন্থত বিশেষ গুৰুত্ব আৰোপ কৰিছে ডক্টৰ কাকতিৰ সাহিত্য কীৰ্তিৰ ওপৰতহে।

অসমীয়া সাহিত্যত সৰু-বৰ সবহ সংখ্যক জীৱনী ৰচনা কৰিছে প্ৰধান কথা সাহিত্যিক কমলেশ্বৰ চলিহা ডাঙৰীয়াই। "অকণিৰ বেজবৰুৱা" (১৯৬৬), "আব্ৰাহাম লিঙ্কন" (১৯৬৭), "ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ (১৯৬৭), "এনীবেচাণ্ট" (১৯৬৯), "পণ্ডিত মতিলাল নেহেৰু" (১৯৬৯), "পণ্ডিতা ৰমাবাই," "বিশ্বকবি ৰবীন্দ্ৰনাথ" (১৯৬৭), "ভগ্নী নিবেদিতা", "গোপাল কৃষ্ণ গোখলে," "স্বামী বিবেকানন্দ" আদি তেওঁৰ এনানি জীৱন চৰিত।

ডক্টৰ প্ৰফুল্ল দত্ত গোস্বামীৰ "মানিক চন্দ্ৰ বৰুৱা আৰু তেওঁৰ যুগ" (১৯৭০) আৰু "ইউৰোপৰ মনীষী পাচগৰাকী" দুখনি জীৱনী গ্ৰন্থ। প্ৰথমখনত মানিক চন্দ্ৰ বৰুৱা আৰু তেওঁৰ সময়ৰ কথা নানান তথ্য-পাতি-সহ ৰচনা কৰিছে।

অম্বিকাগিৰী ৰায়চৌধুৰীৰ জীৱন কালতে তেওঁৰ সম্পৰ্কে ৰচনা কৰা দুখন পুথি "অসম কেশৰী অম্বিকাগিৰী' আৰু "অম্বিকাগিৰী আৰু তেওঁৰ জীৱনদৰ্শন"। 'অসম কেশৰী অম্বিকাগিৰী' শীৰ্ষক জীৱনী গ্ৰন্থখন ৰচনা কৰিছে দীনবন্ধু তালুকদাৰে। 'অম্বিকাগিৰী আৰু তেওঁৰ জীৱনদৰ্শন' পুথিৰ ৰচক কথা সাহিত্যিক তিলক দাস। তিলক দাসে ৰায়চৌধুৰীৰ জীৱনৰ আভাষ দি জীৱন দৰ্শনৰ কথা আলোচনা কৰিছে।

বিনন্দচন্দ্ৰ বৰুৱাৰ "আমাৰ লক্ষ্মীনাথ" (১৯৬৮) লক্ষ্মীনাথ বেজ-বৰুৱাৰ বিষয়ে শিশুৰ উপযোগীকৈ ৰচনা কৰা জীৱন আলেখ্য। তেওঁৰ আন এখনি জীৱনী গ্ৰন্থ "অসম গৌৰৱ" (১৯৬৩)।

উপেন্দ্ৰনাথ গোস্বামীৰ "সীমান্ত কেশৰী" (১৯৪৭), কুশদত্তৰ "জৰ্জ বাৰ্ণাৰ্ড শ্ব" (১৯৫০), প্ৰভাত শৰ্মাৰ "চি, ভি, ৰমন" (১৯৫২), কান্ত কুমাৰ বৰুৱাৰ "বুকাৰ ৱাচিংটন", বিশ্বনাৰায়ণ শাস্ত্ৰীৰ "বিজয় লক্ষ্মী পণ্ডিত" (১৯৫০), প্ৰেমধৰ ৰাজখোৱাৰ "আচাৰ্য্য কৃপালনী", প্ৰণীতা দেৱীৰ "আচাৰ্য বিনোৱা ভাৱে" (১৯৫৫) অসমীয়া সাহিত্যৰ বিভিন্ন গুণী-জ্ঞানী পুৰুষৰ বিষয়ে ৰচনা কৰা কেইখনমান জীৱনী গ্ৰন্থ।

"শৰৎচন্দ্ৰ গোস্বামীৰ চমু জীৱনী" গ্ৰন্থত শিক্ষাবিদ আৰু অসম সাহিত্য সভাৰ প্ৰাণ প্ৰতিষ্ঠাতা গোস্বামী ডাঙৰীয়াৰ কৰ্মবহুল জীৱনৰ আভাষ পোৱা যায়। পুথিখনিত গোস্বামী ডাঙৰীয়াৰ সাহিত্য সৃষ্টিৰ পটভূমিৰ কথাও আলোচনা কৰিছে। পুথিখনি ৰচনা কৰিছে অতুলচন্দ্ৰ বৰুৱাই।

চিত্ৰ মহন্ত আন এগৰাকী জীৱনী লিখক। তেওঁৰ "লোকপ্ৰিয় গোপীনাথ বৰদলৈ" (১৯৫০), "অকণিৰ বিদ্ৰোহী পিয়লি" আৰু "অকণিৰ বিদ্ৰোহী মণিৰাম" জীৱনী গ্ৰন্থ। বনমালী বৰ্মনৰ "নবীন স্মৃতি" (১৯৩৩) কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ জীৱন পৰিচিতি। "দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মা" (১৯৪৭) দীননাথ শৰ্মা ৰচিত এখনি জীৱন চৰিত। সোণাৰাম চুতীয়াৰ "চানেকী" (১৯৪৭) গ্ৰন্থত ভ্ৰমৰচন্দ্ৰ শইকীয়াৰ জীৱনৰ পৰিচয় দাঙি ধৰিছে। গোকুল ডেকাৰ "কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা" (১৯৬৯) "ভাৰতৰত্ন লালবাহাদুৰ" (১৯৬৮), "ৰাষ্ট্ৰপতি জাকিৰ হুচেইন" (১৯৭০), পদ্মনাথ শৰ্মাৰ "আমাৰ ৰাষ্ট্ৰপতি" (১৯৭০), "ডক্টৰ সৰ্বপল্লী ৰাধাকৃষ্ণণ" (১৯৬৬), "বিনোৱাজীৰ জীৱন কথা", বাণী পাঠকৰ "বেজ-বৰুৱাৰ বতৰা," আবতি হাজৰিকাৰ "ৰায়চৌধুৰীৰ জীৱন সংগ্ৰাম", বিদ্যাকান্ত হাজৰিকাৰ মেক্সিম গৰ্কীৰ জীৱনৰ আধাৰত ৰচনা কৰা "জিলিকিছে খোজ যাৰ সময় বালিত", প্ৰণব কুমাৰ মহন্তৰ "ওৱাল্ট ডিজনী" আৰু কৈলাশ শৰ্মাৰ "লালবাহাদুৰ শাস্ত্ৰী" (১৯৬৯) সাম্প্ৰতিক কালত প্ৰকাশিত কেইখনমান মনোৰম জীৱন চৰিত। উক্ত পুথিবোৰৰ মাজেৰে মহান পুৰুষসকলৰ কৰ্মবহুল জীৱনৰ কথা, জীৱন সংগ্ৰামৰ চমু আভাস আৰু জীৱন দৰ্শনৰ পৰিচয় প্ৰকাশ পাইছে।

অসম সাহিত্য সভাৰ জৰিয়তে কেবাখনো জীৱনী গ্ৰন্থ প্ৰকাশ হৈছে। ইয়াৰ ভিতৰত হৰিপ্ৰসাদ নেওগৰ "ৰাধাকান্ত সন্দিকৈ" আৰু নকুলচন্দ্ৰ ভূঞাৰ "ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া" (১৯৬১) গ্ৰন্থত দানবীৰ সন্দিকৈ ডাঙৰীয়াৰ জীৱন পৰিচিতি দাঙি ধৰিছে। নেওগৰ জীৱনীখন সৰু। নকুল ভূঞাই পিছত বিস্তৃত ভাৱে সন্দিকৈ ডাঙৰীয়াৰ জীৱনৰ পৰিচয় দাঙি ধৰিছে। সাহিত্য সভাৰ জৰিয়তে সম্পাদিত বিশ্বনাথ ৰাজবংশী, প্ৰমথনাথ চক্ৰৱৰ্তী আৰু শতবাৰ্ষিকী উৎসৱ উপলক্ষে আৰু প্ৰথম মৃত্যু বাৰ্ষিকী উপলক্ষে যুগুত কৰা স্মৃতিগ্ৰন্থসমূহত সাহিত্য কীৰ্তি, কৰ্মবহুল জীৱন আৰু জীৱনৰ নানান খুটি নাটি কথাৰ সন্দেশ প্ৰকাশ পাইছে। "ডিম্বেশ্বৰ নেওগ" "অম্বিকাগিৰী ৰায়চৌধুৰী", "যদুনাথ চৌধাৰী", "নকুলচন্দ্ৰ ভূঞা", "চন্দ্ৰকুমাৰ আগৰৱালা", "আগৰৱালা প্ৰতিভা",

"বেজবৰুৱা প্ৰতিভা", "গোহাঞিবৰুৱা প্ৰতিভা", "ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ" এই শ্ৰেণীৰ গ্ৰন্থ। সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত আন এখনি উল্লেখযোগ্য গ্ৰন্থ কমলেশ্বৰ শৰ্মা ৰচিত "কবি চৌধাৰী আৰু চৌধাৰীদেৱৰ কবিতা।" গুৱাহাটী সবিতা সভাৰ "বেজবৰুৱা প্ৰতিভা" "গোহাঞিবৰুৱা প্ৰতিভা" আৰু "চৌধাৰী প্ৰতিভা" আৰু প্ৰকাশন পৰিষদৰ "গোহাঞিবৰুৱা প্ৰতিভা" আৰু "লক্ষ্মীনাথ বেজবৰুৱা" এই শ্ৰেণীৰ গ্ৰন্থ।

সাম্প্ৰতিক কালত কেবাখনো জীৱনী সংকলন প্ৰকাশ হৈছে। এই ক্ষেত্ৰত পদ্মনাথ গোহাঞিবৰুৱা অগ্ৰণী। গোহাঞিবৰুৱা সংকলিত "জীৱনী সংগ্ৰহ"ত ভালেমান মহৎ লোকৰ জীৱন পৰিচয় পোৱা যায়। ডক্টৰ সূৰ্য্যকুমাৰ ভূঞাৰ "জোনাকী" আৰু "চানেকী" গ্ৰন্থৰ কথা পূৰ্বতে উল্লেখ কৰিছোঁ। অতুলচন্দ্ৰ বৰুৱাৰ "সাহিত্য জীৱন"ত (১৯৬৫) কথা শিল্পী হলিৰাম ডেকা, বিহগী কবি চৌধাৰী আৰু শেৱালি কবি বৰকাকতীৰ জীৱনৰ কথা নানান সৰু-বৰ কথাৰে মনোৰম ৰূপত দাঙি ধৰিছে। বৰুৱা ডাঙৰীয়াই উক্ত মহান ব্যক্তিসকলৰ জীৱনৰ লগতে সাহিত্যৰাজিৰো আলোচনা কৰিছে। সোৱাদ লগা ভাষাৰে সৰু-বৰ সকলো কথাকে আকৰ্ষণীয় ৰূপত ৰচনা কৰিব পৰাটো বৰুৱা ডাঙৰীয়াৰ লিখনীৰ অন্যতম বৈশিষ্ট্য। সতীশচন্দ্ৰ কাকতীৰ "জীৱনী মালা"ত (১৯৪০) এঘাৰ গৰাকী ৰাজনীতিবিদ সাহিত্যিকৰ জীৱনৰ পৰিচয় আছে। "নাৰীৰত্ন" (১৯৫১) আৰু "অমৰ কাহিনী" (১৯৪৯), কালীনাথ বৰ্মনৰ দুখনি জীৱনী সংকলন। দুৰ্গেশ্বৰ শৰ্মাৰ "জীৱনী চয়নতো" (১৯৬৭) অসমৰ ভালে কেইজন কৃতী সন্তানৰ জীৱনৰ পৰিচয় প্ৰকাশ পাইছে। অধ্যাপক অতুলচন্দ্ৰ হাজৰিকা আৰু হেমন্ত কুমাৰ শৰ্মা সম্পাদিত "কামৰূপ ৰত্নমালা" গ্ৰন্থত ভালেমান স্বৰ্গগত লোকৰ কৰ্মবহুল জীৱনৰ পৰিচয় পোৱা যায়। অতুলচন্দ্ৰ হাজৰিকা সংকলিত আন এখনি জীৱন আলেখ্য "বিশ্বজ্যোতি" (১৯৫৮)। বিশ্বজ্যোতি নগৰাকী ধৰ্ম প্ৰবৰ্তকৰ জীৱন আলেখ্য।

"উত্তমচন্দ্ৰ বৰুৱাৰ জীৱনী" (১৯৬২) আৰু "দত্তবৰুৱাৰ জীৱন কথা" (১৯৬৬) দুখন সুকীয়া ধৰণৰে যুগুত কৰা পুথি। উত্তমচন্দ্ৰ বৰুৱাৰ জীৱনীখনৰ সংকলক প্ৰফুল্লচন্দ্ৰ বৰুৱা। পুথিখনিত উত্তমচন্দ্ৰ বৰুৱাৰ বিষয়ে লিখা কালীৰাম বৈশ্য আৰু গোপালকৃষ্ণ দেৱ প্ৰবন্ধৰ উপৰিও উত্তমচন্দ্ৰ বৰুৱাই নিজে লিখা "মোৰ সংক্ষিপ্ত জীৱনী" শীৰ্ষক ৬০ পৃষ্ঠাৰ আত্মজীৱনীখনো প্ৰকাশ কৰিছে। পুথিখনিৰ মূল্যবান অংশ

হৈছে বৰুৱাৰ আত্মজীৱনী খণ্ড। বৰুৱাৰ জন্ম ১৮৬৯ খৃঃত। সেয়েহে পুথিখনিত উনবিংশ শতিকাৰ শিক্ষা-সংস্কৃতি আৰু সমাজ ব্যৱস্থাৰ ভালেমান আপুৰুগীয়া সমল পোৱা যায়। ভালেমান পুৰণি পুথিপত্ৰ আৰু সেই সময়ৰ মাটি পটন আদিৰ কথা আত্ম জীৱন চৰিতৰ মাজেৰে প্ৰকাশ পাইছে।

"দত্তবৰুৱাৰ জীৱন কথা" তিনিখণ্ডত ৰচনা কৰা। প্ৰথম খণ্ড 'জীৱন স্মৃতি' ৺হৰিনাৰায়ণ দত্তবৰুৱাৰ আত্মজীৱনী। দ্বিতীয় খণ্ডত দত্ত-বৰুৱাৰ জীৱন আলেখ্য ৰচনা কৰিছে কমলেশ্বৰ চলিহাই। তৃতীয় খণ্ডত আছে দত্তবৰুৱা সম্পৰ্কে লিখা ভালে কেইজন লোকৰ ৰচনা আৰু শোকবাণী আদি। শিক্ষাবিদ সাহিত্যিক এইজনা মহান ব্যক্তিয়ে কিদৰে নানান সংঘাত আৰু বিপৰ্যয়ৰ মাজেৰে দত্তবৰুৱা কোম্পানী, উমা প্ৰেছ, শ্ৰীগুৰু প্ৰেছ আদি স্থাপন কৰি ভালেমান আপুৰুগীয়া পুথি পোহৰলৈ আনিছিল সেইকথা পুথিখনিত স্পষ্টভাৱে দাঙি ধৰিছে।

কমল চৌধুৰীৰ "হাঁহি কান্দোনৰ মেলা" (১৯৭১) গল্প উপন্যাসৰ দৰে মনোৰম ভাষাত ৰচনা কৰা পুথি। প্ৰবীণ গীতিকাৰ, কণ্ঠশিল্পী চৌধুৰী ডাঙৰীয়াই আজীৱন শিল্প-কলা চৰ্চা কৰি ভালেমান গুণীজ্ঞানী লোকৰ সান্নিধ্যলৈ অহাৰ সুযোগ পাইছিল। 'মনোমতী'ৰ সঙ্গীত পৰিচালক ৰূপে বহু দিনৰে পৰা কথাছবি জগতৰ লগতো জড়িত। চৌধুৰী ডাঙ-ৰীয়াই জীৱনৰ কেইটিমান স্মৰণীয় মুহূৰ্ত্তৰ কথা আৰু কেইগৰাকীমান মহান ব্যক্তিৰ কথা কাহিনীৰ আকাৰত মনোগ্ৰাহীকৈ ৰচনা কৰিছে। অসমীয়া সাহিত্যত এনে সাহিত্য ৰচনা কৰা পুথিৰ সংখ্যা বিৰল।

প্ৰখ্যাত ফৰাচী লিখক আন্দ্ৰে মৰয়ে The Ariel উপন্যাসৰ কলাকৌশলৰে ৰচনা কৰা জীৱনী। The Ariel শ্বেলীৰ জীৱন কাহিনীৰে ৰচনা কৰা পুথি। অসমীয়া সাহিত্যত এই ৰীতিৰ প্ৰৱৰ্তন কৰা দেখা গৈছে কথা সাহিত্যিক ছৈয়দ আব্দুল মালিকক। মালিক ডাঙৰীয়া এগৰাকী যশস্বী চুটি গল্প লিখক আৰু ঔপন্যাসিক। তেওঁ এটি গল্পৰ আকাৰত ৰচনা কৰিছে কবি-নাট্যকাৰ গণেশ গগৈৰ জীৱন কাহিনী। "মৰহা পাপৰি" গল্প গগৈৰ জীৱন কাহিনীৰে ৰচনা কৰা। ঠিক তেনেদৰে জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱন কাহিনীৰে ৰচনা কৰিছে "ৰূপ তীৰ্থৰ যাত্ৰী" নামৰ এখনি উপন্যাস। এই খনি উপন্যাসৰ প্ৰথম আৰু দ্বিতীয় খণ্ড প্ৰকাশ হৈছে। তৃতীয় খণ্ড এতিয়াও বাকী। এনে প্ৰচেষ্টা প্ৰশংসনীয়।

অসমীয়া সাহিত্যত বিবিধ ধৰণে সকলৰ ভালেমান জীৱনী গ্ৰন্থ ৰচনা

কৰা হৈছে। এতিয়াও ভালেমান গুণীজ্ঞানী লোকৰ জীৱন কাহিনী লিপি-বদ্ধ হোৱা নাই। বহুতো গুণীজ্ঞানী লোকৰ কৰ্মবহুল জীৱন বিস্মৃতিৰ গৰ্ভত লীন হৈ গৈছে। বহুজনৰ হয়তো মৃত্যুৰ পিছত দুই-এটি প্ৰবন্ধ বা দুই এখন কিতাপ প্ৰকাশ হয়। সম্প্ৰতি এই কাৰ্য্যৰো ব্যতিক্ৰম দেখা গৈছে। অসমৰ দুগৰাকী খ্যাতনামা সাহিত্যিকক জীৱন কালতে অভিনন্দন গ্ৰন্থৰে তেওঁলোকৰ সাহিত্য-কৰ্ম আৰু জীৱনৰ পৰ্যালোচনা কৰা হৈছে। এই কাৰ্য্যত অগ্ৰণী স্বৰূপ গুৱাহাটী সবিতা সভাৰ "চৌধাৰী প্ৰতিভা" গ্ৰন্থৰ কথা আমি পূৰ্বতে উল্লেখ কৰিছো। বিহগী কবি ৰঘুনাথ চৌধাৰীৰ জীৱন কালতে উক্ত গ্ৰন্থ সংকলন কৰা হৈছিল।

বুৰঞ্জীবিদ বেনুধৰ শৰ্মাকো ৭৫ বছৰীয়া জন্ম জয়ন্তী উপলক্ষে "বেনুধৰ শৰ্মা অভিনন্দন গ্ৰন্থ" (১৯৬৯)ৰে সম্বৰ্দ্ধনা জনোৱা হৈছে। পুথিখন সংকলন কৰিছে কলিয়াবৰ সাহিত্য সভা আৰু জ্ঞান জ্যোতি চক্ৰৰ হৈ উপেন্দ্ৰ বৰকটকীয়ে।

কথা সাহিত্যিক ত্ৰৈলোক্যনাথ গোস্বামী ডাঙৰীয়াকো "ত্ৰৈলোক্যনাথ গোস্বামী অভিনন্দন গ্ৰন্থ"ৰে (১৯৭২) সম্বৰ্দ্ধনা জনোৱা হৈছে। এইখন পুথি নলবাৰী সম্বৰ্দ্ধনা সমিতিৰ হৈ সম্পাদনা কৰিছে শশী শৰ্মাই।

মৃত্যু বাৰ্ষিকী উপলক্ষে নাইবা শতবাৰ্ষিকী উপলক্ষে সংকলন কৰা সৰহ ভাগ পুথিয়ে সাহিত্যিকসকলক লৈ ৰচনা কৰা যদিও সম্প্ৰতি ৰাজনীতিবিদ, কলাবিদ, অভিনেতা সকলৰ বিষয়েও দুই চাৰিখন পুথি সংকলন কৰা হৈছে। "ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা স্মৃতিগ্ৰন্থ" ৰাজনীতিবিদৰ বিষয়ে সংকলন কৰা স্মৃতিগ্ৰন্থ।

অভিনেতা চন্দ্ৰ ফুকনৰ স্মৃতিত প্ৰকাশিত শম্ভুৰাম শইকীয়া সম্পাদিত "চন্দ্ৰ ফুকন গৌৰৱণী গ্ৰন্থ" (১৯৭৩) আৰু অভিনেতা কথাছবি পৰিচালক ব্ৰজেন বৰুৱাৰ স্মৃতিত প্ৰকাশিত "আমাৰ মাজৰ ব্ৰজেন বৰুৱা" (১৯৭৩) তেনে এখনি গ্ৰন্থ। এইখন গ্ৰন্থ সম্পাদনা কৰিছে হীৰেন ভট্টাচাৰ্য্যই।

প্ৰতিজন শিল্পী, ৰাজনীতিবিদ, সাহিত্যিকৰে জীৱন সংগ্ৰামপূৰ্ণ। বিশেষকৈ আমাৰ অসমৰ নিচিনা এখন পিছপৰা দেশত সাহিত্যিক শিল্পীয়ে খ্যাতিৰ বাটত উপনীত হওতে নানান বাধা-বিঘিনি আৰু বিপৰ্যয় অতি ক্ৰম কৰিব লগীয়া হয়। কিন্তু তেওঁলোকৰ মহত্ব অভিলাষী প্ৰাণত বাধা বিপৰ্যয়ে প্ৰাচীৰ ৰূপে থিয় দিলেও পথভ্ৰষ্ট কৰিব নোৱাৰে। জীৱন যুদ্ধত অগ্ৰসৰ হবলৈ তেনে আহিৰ প্ৰয়োজন। সেই বাবে এনে মহৎ লোকৰ কৰ্মবহুল জীৱনৰ ইতিবৃত্ত আৰু মহত্বৰ কথা উঠি অহা ডেকা-গাভৰুৰ চকুৰ আগত দাঙি ধৰাটো আমাৰ কৰ্ত্তব্য।

অসমীয়া আলোচনী

(স্বাধীনতাৰ পৰৱৰ্তী কাল)

শ্ৰীযোগেশ দাস

পৃথিৱীৰ ভিতৰতে অসমীয়া আলোচনী বেছিকৈ ওলায়, আৰু মৰেও বেছিকৈ—এনেকুৱা কথা এটা প্ৰচলিত হৈ আছে। কথাটো প্ৰমাণ-সিদ্ধ নহয়, কিয়নো বিশ্বৰ সকলো ভাষাত হোৱা আলোচনীৰ জন্ম-মৃত্যুৰ হাৰ এই সম্পৰ্কত কেতিয়াও তুলনা কৰি চোৱা হোৱা নাই। কিন্তু অসমীয়া আলোচনীও যে ওলায় আৰু মৰে, তাকো দলে দলে, এই কথা মিছা নহয়। অৱশ্যে আলোচনী মৰাত আচৰিত হ'বলগীয়া একো নাই। যশপাল নকলাই' অলপতে লিখা (জুলাই ১৯৭৩) এটা প্ৰবন্ধত 'চেটাৰ ডে ইভনিং পোষ্ট', 'কলিয়াৰ্চ', 'লুক', 'লাইফ' আদিৰ নিচিনা বিশ্বজোৰা খ্যাতি থকা বহু পুৰণা পশ্চিমীয়া আলোচনীয়েই বন্ধ হৈ যাব লগাৰ বাধ্যবাধকতা বিশ্লেষণ কৰিছে: সময়ৰ সলনিৰ সৈতে নিজকে খাপ খুৱাই লব নোৱাৰাৰ কাৰণেই এইবিলাক নিযুত সংখ্যক প্ৰচালন (চাৰ্কুলেচন) থকা কাকত বন্ধ হৈ গৈছে; অথচ এইবিলাক আলোচনীৰ পৰিচালনাত আছিল বিৰাট বিৰাট পৰিমাণৰ বাজেট। অসমীয়া আলোচনীৰ তেনে ধনৰ সৌভাগ্য ঘটা নাই; পঢ়ুৱৈৰ সংখ্যাও হাজাৰৰ ওপৰত অভাৱনীয়। উৎপাদন-ব্যয়ৰ অকুলন ৰৰঙণি ফেৰিৰ বাহিৰে বিজ্ঞাপনেই কাকত-পত্ৰৰ একমাত্ৰ অৱলম্বন। উপৰোক্ত ইংৰাজী কাকতবিলাকৰ বিজ্ঞাপনী-ৰাজহ অতিশয় হ্ৰাস হৈ যোৱাটো বিপৰ্যয়ৰ প্ৰধান কাৰণ। ভাৰতবৰ্ষত আজিকালি এ, বি, চিৰ পৰিসংখ্যাৰ ওপৰত নিৰ্ভৰ কৰি বৰ বৰ কোম্পানীবিলাকে বিজ্ঞাপন বণ্টন কৰে। 'এক ভাষা এক আলোচনী' নীতিৰ ভিত্তিত কদা-কাচিৎ বৃহৎ ব্যৱসায়ী প্ৰতিষ্ঠানৰ এক পৃষ্ঠা বিজ্ঞাপন পোৱা, আৰু সৰহ ভাগ ক্ষেত্ৰতে দুৱাৰে, দুৱাৰে

চৰকাৰী বিভাগে বিভাগে ঘূৰি-পকি কেইটিমান বিজ্ঞাপন গোটাই অনা অৱস্থাৰ মাজত যদি এখন 'পছোৱা' মাত্র এবছৰ, নাইবা এখন 'ৰামধেনু' দহ বছৰমান বৰ্তিয়েই অন্তৰ্দ্ধান হয় তাত আচৰিত হ'বলগীয়া বৰ বেছি একো নাই। অৱশ্যে বিজ্ঞাপনী-ৰাজহৰ সৈতে পৰিচালনা, সম্পাদনা, ওপৰত কৈ অহা পৰিৱৰ্তিত অৱস্থাৰ সৈতে সংগতি ৰক্ষা ইত্যাদি বিষয়ো সংযুক্ত হৈ আছে। কিন্তু এইবিলাক বিষয় এই প্ৰবন্ধৰ বিচাৰ্য নহয়।

আধুনিক অসমীয়া সাহিত্যত একোখন প্ৰখ্যাত আলোচনীয়ে একোটা যুগ বিৱৰ্তনৰ সূচনা কৰে, এই অভিমত অৰুণোদই, জোনাকী, বাঁহী, আৱাহন, ৰামধেনু আদি আলোচনীৰ ক্ষেত্ৰত প্ৰকাশিত হৈ অহা দেখা যায়। একোটা যুগ-সন্ধিৰ সূচনা কালত এইবিলাক আলোচনীয়ে আমাৰ সাহিত্যৰ সমাগত দিনবিলাকৰ প্ৰতিফলন কৰি অহালৈ চাই তেনে অভিমত প্ৰকাশ নিতান্ত অসমীচীন বুলি কব নোৱাৰি। কিন্তু তেনে 'সন্মান'ৰ পাত্ৰ হ'ব পৰা কোনো আলোচনী সম্প্ৰতি অসমীয়া ভাষাত নাই। অৱশ্যে ওপৰত উল্লেখ কৰা আলোচনীবিলাক প্ৰধানতঃ সাহিত্য-বিষয়ক; আজিকালি সাধাৰণতে একোখন আলোচনী কেৱল সাহিত্য-কেন্দ্ৰী হৈ নাথাকে। মানসিক অভিজ্ঞতাৰ পৰিসৰ বিস্তাৰিত হোৱাৰ লগে লগে কাকত-কলম যোগে আত্মপ্ৰকাশৰ গঢ়ো বেলেগ হৈ আহিছে। ডিম্বেশ্বৰ নেওগে শঙ্কৰোত্তৰ কিন্তু বৃটিছ-পূৰ্ব কালৰ বিবিধ বিষয়ক পুথি ৰচনাৰ লক্ষণক অসমীয়া সাহিত্যৰ বিস্তাৰ যুগ বুলি কৈছিল। আধুনিক মানসিকতাৰ সৈতে সঙ্গতিপূৰ্ণ কাৰণে স্বাধীনতাৰ পৰৱৰ্তী কালৰ অসমীয়া সাহিত্যক আমি নিশ্চয় দ্বিতীয় বিস্তাৰ যুগ বুলিব পাৰো। ৰাজনীতি-অৰ্থনীতি-মনোবিশ্লেষণত নতুন, শক্তিশালী প্ৰভাৱ, চিনেমা, থিয়েটাৰত বহিঃবিশ্বৰ উল্লেখযোগ্য পৰীক্ষাৰ প্ৰতিধ্বনি, ৰহস্য এডভেঞ্চাৰৰ প্ৰতি আগ্ৰহ, ক্ৰীড়া জগতত অধিকতৰ গুৰুত্ব প্ৰদান, স্বৰাজোত্তৰ পৰিৱৰ্তনত ব্যাপক নৈৰাশ্য, সঘন ৰাজনৈতিক উত্থান-পতন তথা অৰ্থনৈতিক ক্ষেত্ৰত আপাত দৃষ্টিত ভাঙিব নোৱাৰা আউল ইত্যাদি ইমানবিলাক আলোড়ন ইতিপূৰ্বে কোনো কালতে আমাৰ মানসিকতাত উঠা নাছিল। এইবিলাক আলোড়নে লিখিত আকাৰত প্ৰকাশ বিচৰাত সেই বাবে বিবিধ আৰু বিচিত্ৰ কাকত-পত্ৰ ওলাবলৈ ধৰে। একেখন মাত্র আলোচনীৰ পক্ষে এনে এটা বিচিত্ৰ, বৰ্ণাঢ্য মানসিকতাক ৰূপ দিয়া বোধহয় আৰু সম্ভৱ হৈ থকা নাই। ভাৰতীয় মহাজাতীয়তা তথা বৃহল বিশ্ব-ভ্ৰাতৃত্বৰ কথা বাদ নিদিয়াকৈও অসমীয়া মানুহৰ অসমীয়া মানুহ হিচাপে বহু সমস্যা-সংকট, বহু আশা-আকাংক্ষা আছে, যিবোৰে সমাধানৰ আৰু

পূৰণৰ বাট নানা ষ্টকণ্ডাইদি বিচাৰি থকাও দেখা গৈছে। বঙলা সাপ্তাহিক 'দেশ' পত্ৰিকাৰ দৰে আলোচনী এখন প্ৰকাশ কৰিব পাৰিলে কিখানি কিছু সীমিতভাৱে উক্ত মানসিকতাৰ প্ৰতিনিধিত্ব কৰিব পাৰে। উক্ত কাৰণতে স্বাধীনতাৰ পৰৱৰ্তী কালৰ অসমীয়া আলোচনীৰ এটা পৰ্যালোচনা দাঙি ধৰা ক্ৰমাৎ টান হৈ আহিছে। তলত এটা মোটামুটি লেখহে দিবলৈ যত্ন কৰা হৈছে। এই পৰিচয় সম্পূৰ্ণ বুলি কবলৈ সাহ নহয়; ক'ৰবাত কেনেবাকৈ কোনোখন আলোচনী অলক্ষিতে বৈ যাবও পাৰে।

যদিও 'ৰামধেনু' মাহেকীয়া আলোচনীয়েই যুদ্ধোত্তৰ যুগৰ অসমীয়া মানসিকতাক সাহিত্যৰ যোগেদি প্ৰকৃষ্টভাৱে প্ৰকাশ দিয়ে, তথাপি যিহক প্ৰকৃততে আধুনিক ধাৰা বুলিব পাৰি তাৰ সূচনা কৰে মাহেকীয়া 'পচোৱা' আলোচনীয়েহে। শ্ৰীহেম বৰুৱা সম্পাদিত পচোৱাৰ প্ৰকাশ আৰম্ভ হয় ১৯৪৮ চনৰ জুন মাহত, আৰু ই মাত্ৰ এবছৰ জীয়াই থাকে। এই এটা বছৰতে এই আলোচনীখনে কেবাটাও বৈশিষ্ট্য আনি দিয়ে: নানান চিন্তাশীল বিদেশী-বিভাষী প্ৰবন্ধৰ অনুবাদ, লেখকলৈ বটা-পাৰিশ্ৰমিক দান, 'জয়ন্তী'য়ে কমল নাৰায়ণ দেৱৰ নেতৃত্বত প্ৰৱৰ্তন কৰা নতুন কবিতাক এটা স্থৈৰ্য দান। সম্পাদক বৰুৱা নিজেই জয়ন্তীৰ কবিতা আন্দোলনৰ কেন্দ্ৰস্থলত আছিল; তেওঁ পৰৱৰ্তী ৰামধনুৰ লগতো সম্বন্ধ ৰক্ষা কৰি আছিল; ৰামধেনুৱে পচোৱাই কাটি দিয়া বাটেৰেই আগুৱাই যায় বুলিব পাৰি।

'ৰামধেনু'ৰ আৰম্ভণি অলপ বিচিত্ৰ ধৰণৰ। যিহক 'ষ্টেণ্ডাৰ্ড' আলোচনী বুলিব পাৰি তাৰ প্ৰচলন অসমত প্ৰায়েই দীৰ্ঘস্থায়ী নহয়। বৰ্তমান সময়তো তেনে মাহেকীয়া আলোচনী নাই বুলিব পাৰি। এনে অভাৱ পূৰণৰ কাৰণেই ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা সম্পাদিত শিশু-আলোচনী 'ৰংঘৰ'ক (১৯৫৮-৫৯) শেষৰ ফালে ডাঙৰৰ আলোচনী কৰা হৈছিল (২য় বছৰৰ ৬ষ্ঠ সংখ্যাৰ পৰা), আৰু এইখন 'ডাঙৰৰ ৰংঘৰ'কে পিছত 'ৰামধেনু' বুলিবলৈ লোৱা হয়। ইয়াৰ বিচিত্ৰতা ইমানতে শেষ নহয়। ১৮৭২ শকৰ ব'হাগৰ পৰা ১ম বছৰ ১ম সংখ্যা বুলি ইয়াক আৰম্ভ কৰা হৈছিল যদিও ২য় সংখ্যাৰ পৰাই আকৌ ৰংঘৰৰ ক্ৰম ধৰি ৩য় বছৰ বুলিবলৈ লোৱা হয়। ৰামধেনুৰ সম্পাদক ৰূপে আছিল ইন্দ্ৰকমল বেজবৰুৱা (ব'হাগ-ভাদ), ডঃ মহেশ্বৰ নেওগ (আহিন চ'ত), শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য (১৯৬৩লৈ) আৰু শ্ৰীৰাধিকামোহন ভাগৱতী (১৯৬৩-১৯৬৬)। প্ৰথম দুজন সম্পাদক অলপ অলপ দিনৰ কাৰণেহে আছিল; শেষৰ জনে অতি নিষ্ঠাৰে আলোচনীখনক মানবিশিষ্ট

১৬

কবি বৰ্তাই ৰাখিবলৈ যত্ন কৰিছিল যদিও বন্ধ হৈ যোৱাৰ আগে আগে ৰামধেনুৰ যি পয়োভৰ, সেই পয়োভৰ-দিনীয়া উজ্জ্বলতা ভালেখিনি হ্রাস পাই আহিছিল। সেই পয়োভৰৰ দিনবিলাক আছিল শ্রীভট্টাচাৰ্যৰ সম্পাদকত্বত। চিন্তাশীল, তত্ত্বমূলক সম্পাদকীয়, বিশ্লেষণ ধৰ্মী সাহিত্য-সমালোচনা, যুদ্ধোত্তৰ যুগৰ জটিল মানসিকতা ব্যক্ত কৰা গল্প-কবিতা, যুদ্ধ-পূৰ্ব কাললৈকে প্রায় নিৰৱচ্ছিন্নভাৱে চলি অহা ৰোমান্টিক কবিতাৰে সৈতে নতুন যুগৰ কবিসকলৰ ঘোৰ সংঘাত-সংঘৰ্ষ, বামপন্থী চিন্তা-চৰ্চাৰ ওপৰত অধিক গুৰুত্ব, অৱহেলিত জাতীয় কৃষ্টিমূলক কাৰ্য-কলাপৰ ওপৰত নতুন আলোকপাত, সাহিত্য আৰু সাহিত্যিকৰ সবলতা-দুৰ্বলতাৰ বিষয়ে বলিষ্ঠ সমালোচনা ইত্যাদি বৈশিষ্ট্যৰে ৰামধেনুৱে যথেষ্টভাৱে যুগ-মানসিক প্রতিফলিত কৰিছিল। যুগৰ পৰিৱৰ্তনৰ সৈতে একাত্মবোধ কৰা কেইজন-মান প্রবীণ লেখকৰ বাহিৰে প্রায় সকলো যুদ্ধোত্তৰ যুগৰ কবি, গল্পকাৰ, সমালোচকেই আহি ৰামধেনু-চ'ৰাত থুপ খাইছিল; সেইসকলৰ বহুতেই জনপ্রিয়তা আজি আজিও লিখক ৰূপে অগ্রগণ্য হৈ আছে; ৰামধেনুৰ অন্তৰ্দ্ধানৰ আগে আগে তেওঁলোক বিচ্ছিন্ন হৈ পৰিছিল, আৰু ৰামধেনুৰ নিচিনা কাকত এখনৰ অভাৱত তেওঁলোকৰ স্বতঃস্ফূৰিত সৃষ্টি-কৰ্মও ভালে খিনি ব্যাহত হৈ পৰিল বুলিব লাগে।

ৰামধেনুৰ সমসাময়িকভাৱে তিনিচুকীয়াৰ পৰা দুখন মাহেকীয়া সাহিত্য-লোচনী চকুত লগাকৈ ওলাইছিল—(১) প্রেমধৰ ৰাজখোৱাৰ সম্পাদনাত 'সৌমাৰ-জ্যোতি'; ১৮৭২ শকৰ আহাৰৰ পৰা ওলাই ২য় বছৰৰ ২য় সংখ্যা-লৈকে বৰ্তি থাকে। (২) শ্রীপ্রফুল্ল বৰুৱা সম্পাদিত 'কাণ্ডাৰী'ও ১৮৭২ শকৰ আহাৰৰ পৰাই ওলাই মাত্র ছয় সংখ্যা প্রকাশিত হয়। দুয়োখন আলোচনীয়ে মানবিশিষ্ট গল্প-প্রবন্ধেৰে যেনেকৈ পঢ়ুৱৈৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিছিল, তেনে জনপ্রিয় লিখকসকলকো তাত লিখিবলৈ উৎসাহিত কৰিছিল।

কিন্তু ৰামধেনুৰ পিছত সাহিত্য-আলোচনী হিচাপে পঢ়ুৱৈৰ মনত দ সাঁচ বহুৱাব পৰা, আৰু বেছি দিন স্থায়ী, আছিল শ্রীমহেন্দ্র বৰা সম্পাদিত 'মণিদীপ'। ১৯৬০ চনৰ নৱেম্বৰ মাহত আৰম্ভ হৈ মণিদীপ ৯ম বছৰৰ ৩য়-৪ৰ্থ সংখ্যাত নিৰ্বাপিত হয়; শেষৰ কালে ৰামধেনুৰ দৰেই অনিয়মিত হোৱাৰ উপৰি ইয়াৰ সম্পাদনাৰ ভাৰ ডঃ বৰাৰ ঠাইত এজন এজনকৈ ক্রমে শ্রীচন্দ্রপ্রসাদ শইকীয়া, শ্রীনীলমণি ফুকন আৰু শ্রীচাৰু বহুত্তই গ্রহণ কৰিছিল। তেওঁলোকৰ এজনো সেই দায়িত্বত বেছি বেছি দিন থকা

নাছিল কাৰণে এতিয়াও কোনো স্বকীয় ছাপ দি যাব নোৱাৰিলে। বিশেষ আড়ম্বৰ নোহোৱাকৈ পৰিষ্কাৰ, ৰুচিকৰ ছপাৰে পাঠকৰ দৃষ্টি আকৰ্ষণ কৰা মণিদীপে ডঃ বৰাৰ সম্পাদনাত খ্যাতিমান লিখক-লিখিকাৰ ভাল ভাল গল্প-কবিতা-প্ৰবন্ধ যোগোৱাৰ উপৰি বিশ্ববিখ্যাত লিখক, শিল্পী আদিৰ সৃষ্টি-কৰ্মৰ পৰিচয়, সমকালীন সাংস্কৃতিক বা-বাতৰি, অনুবাদ সাহিত্য আদিৰে নতুন স্বাদৰ যোগান ধৰিবলৈ সমৰ্থ হৈছিল। সমসাময়িক কিন্তু কম দিন বৰ্তি থকা আন এখনি উল্লেখযোগ্য আলোচনী শ্ৰীসত্যেন্দ্ৰনাৰায়ণ গোস্বামী আৰু শ্ৰীকুশ দত্ত সম্পাদিত 'পূৰ্বাকাশ' : কলিকতাৰ পৰা প্ৰকাশিত এই আলোচনীখন ১৯৬০ চনৰ জুন মাহৰ পৰা আৰম্ভ হৈ ২য় বছৰৰ ২য় সংখ্যালৈকে ওলাই আছিল। মণিদীপৰ দৰেই পৰিষ্কাৰ ছপাৰে 'পূৰ্বাকাশে' বহু ন-পুৰণি সাহিত্যিক গল্প-কবিতা-প্ৰবন্ধ, পুৰণি কবিতাৰ পুনৰ্মুদ্ৰন, সাহিত্য-সংবাদ, অনুবাদ, প্ৰতি সংখ্যাতে একোজন কৃতী সাহিত্যিকলৈ শ্ৰদ্ধা নিবেদন আদিৰে এটা নিজস্বতা প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰিছিল।

যদিও এইদৰে আলোচ্য কালছোৱাৰ প্ৰতিখন সাহিত্য-আলোচনীৰ বিবৰণী দি যোৱা সম্ভৱ নহয়, তথাপি আমি স্বীকাৰ কৰিব লাগিব যে যেতিয়াই কোনো এদল উৎসাহী সাহিত্যসেবীয়ে এখন আলোচনী উলিয়াইছে লাগিলে নিতান্ত কম সময়ৰ কাৰণেই হওক, তেতিয়াই তেওঁলোকে কোনো বৈষয়িক লাভৰ আশা নাৰাখি, নিতান্ত সাহিত্যৰ মৰমতে আৰু নতুন আশা, আকাঙ্খা প্ৰকাশ কৰিবৰ মনেৰেই তেনে কামত আত্মনিয়োগ কৰিছে দুই-এদলে অসমীয়া আলোচনী নথকাত বহু সংখ্যক লিখক-লিখিকাই তেওঁলোকৰ যুগোপযোগী ভাব প্ৰকাশৰ সুবিধা পোৱা নাই বুলিয়েই সেই অভাৱ মোচন কৰো বুলিয়েই এনে কষ্টকৰ, খৰচান্ত কামত প্ৰবৃত্ত হৈছে। আমি তেনে আলোচনী কিছুমানৰ বিষয়ে তলত অলপ আলোচনা কৰিলো। ('কিছুমান' বোলাৰ অৰ্থ আন কিছুমান আমাৰ অলক্ষিতে ৰৈ যাবও পাৰে; আকৌ, ইয়াক 'আলোচনা' নবুলি প্ৰায় নামোল্লেখ বুলিলেও চলে।) নীৰৱ সাহিত্য-সেৱী শুক্লেশ্বৰ বৰাই পুৰণি মাহেকীয়া 'জয়ন্তী'ৰ এটি নতুন ৰূপ ১০ম বছৰ হিচাপে ১৯৫৩ চনত আকৌ আৰম্ভ কৰিছিল; বৰাদেৱে ইয়াত ন-পুৰণি লিখকসকলক একত্ৰিত কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল। শ্ৰীকেশৱ মহন্ত আৰু শ্ৰীদিলীপ শৰ্মাৰ সম্পাদনাত ১৮৭৭ শকৰ ব'হাগ পৰা আৰম্ভ হোৱা 'প্ৰবাহ' মাহেকীয়া আলোচনীখন প্ৰধানকৈ বামপন্থীৰ ভাবধাৰাৰ বাহক আছিল; হ'লেও প্ৰবাহে নতুন পুৰুষৰ সৃজনীমূলক পৰীক্ষা, কাৰ্যক উৎসাহ যোগোৱাত কৃপণালি কৰা নাছিল। এই শ্ৰেণী সাহিত্যালো-

চনীৰ ভিতৰত তিনিখন এতিয়াও ওলাই থকাটো উল্লেখযোগ্য : 'অসম সাহিত্য সভা পত্ৰিকা', 'আৱাহন' আৰু 'আমাৰ প্ৰতিনিধি'। তিনিওখনৰে বিচিত্ৰ দিন-কাল পাৰ হৈছে, ৰূপৰ পৰিৱৰ্তন হৈছে। পত্ৰিকাই অসম সাহিত্য সভাৰ মুখপত্ৰ ৰূপে ত্ৰিংশ বছৰত সম্প্ৰতি ভৰি দিছে; অসমৰ সৰ্ববৃহৎ সাংস্কৃতিক অনুষ্ঠানৰ বলেৰে বলীয়ান কাৰণে পত্ৰিকা কেতিয়াও মৰণোন্মুখ হ'ব লগাত পৰা নাই; প্ৰতি বছৰ ভোটৰ দ্বাৰা নিৰ্বাচিত এজন সম্পাদকৰ পৰিচালনাত তিনি বা চাৰি সংখ্যাকৈ ওলাই থকা পত্ৰিকা এই বছৰ (১৯৭৩) শ্ৰীহেমন্ত কুমাৰ শৰ্মাৰ সম্পাদনাত মাহেকীয়া হৈ ওলাইছে; সাহিত্য সভাই দল-মত নিৰ্বিশেষে সকলোকে প্ৰতিনিধিত্ব কৰিব লগাত পৰাৰ দৰে পত্ৰিকায়ো সেই ধৰ্মকে ৰক্ষা কৰিবলৈ গৈ বিশেষ সৃজনীমূলক বিষয়লৈ যোৱাৰ পৰিৱৰ্তে ঐতিহ্যবাহী আলোচনা-বিলোচনাৰ ওপৰতে প্ৰধানকৈ গুৰুত্ব দি আহিছে। 'আৱাহনে' ডাঃ দীননাথ শৰ্মাৰ সুযোগ্য সম্পাদনাত ৰোমাণ্টিক যুগৰ ভৰপকৰ দিনত আৰু যুদ্ধৰ আগলৈকে সকলো শিক্ষিত অসমীয়াক সামৰি এটা যুগৰ প্ৰতিনিধিত্ব কৰি অহাৰ পিছত যুদ্ধোত্তৰ যুগত প্ৰকাশৰ স্থান হিচাপে কলিকতাৰ পৰা গুৱাহাটীলৈ তাঁত-বাটি কৰি থাকি, মাজতে দুধাৰমান বামপন্থী চিন্তাধাৰাৰ ধাৰক হৈ, এতিয়া আকৌ সেই ভৰপক দিনৰ দৰে চলিবলৈ চেষ্টা কৰি আছে; কিন্তু যি দেখা গৈছে ডাঃ শৰ্মাৰ নিচিনা নিষ্ঠাবান সাহিত্য-সেৱীৰ ঐকান্তিকতা সত্বেও পৰিৱৰ্তিত অৱস্থাৰ লগত তাল মিলাব নোৱাৰি হাড়-ছালে-কলেৱৰ মাত্ৰ হৈ ওলাই আছে; বয়সৰ হেঁচায়ো তেওঁৰ উদ্যমক ব্যাহত কৰিছে নিশ্চয়। 'আমাৰ প্ৰতিনিধি'কে শিল্পী ডঃ ভূপেন্দ্ৰ কুমাৰ হাজৰিকাৰ সম্পাদনাত বৰ্তমান নিয়মীয়াকৈ ওলাই থকা একমাত্ৰ অসমীয়া মাহেকীয়া আলোচনী বুলিব পাৰি। আমাৰ প্ৰতিনিধি প্ৰথমে শ্ৰীপদ্ম বৰকটকীৰ সম্পাদনাত "সমসাময়িক কলা-সাহিত্যৰ এদনীয়া সাময়িকী" ঘোষণাৰে ছমহীয়া হৈ ওলাইছিল আৰু ১৮৮১ শকৰ চ'ত মাহত বঙালী বিহু সংখ্যাতে ইয়াৰ পাতনি; সম্পাদনাৰ ভাৰ শ্ৰীবৰকটকীৰ পিছত ডঃ হাজৰিকাই গ্ৰহণ কৰে; আৰু দ্বিতীয় বছৰৰ পৰা (১৮৮৩শক) ইয়াক মাহেকীয়া কৰি উলিয়াই অহা হৈছে। কলা জগতৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি আমাৰ প্ৰতিনিধিয়ে অসমীয়া আলোচনীলৈ বৈচিত্ৰ্য আনি দিছে; শিল্পী হিচাপে সম্পাদকৰ বিশেষ জনপ্ৰিয়তাই আলোচনীখনক এটা বিশিষ্ট ৰূপ দিছে; কিন্তু নতুন নতুন লিখক-লিখিকাই গল্প-কবিতা-গীত-প্ৰবন্ধ, আলোচনা-সমালোচনা আদি লিখিবলৈকো আমাৰ প্ৰতিনিধিক এটি চ'ৰা ৰূপে পাই

আহিছে। কলিকতাৰ পৰা প্ৰকাশিত এইখন আলোচনীয়ে অসমৰ সাংস্কৃতিক কাৰ্য্য-কলাপৰ বিষয়ে তিৰ্য্যক টিপ্পনী দিয়া, দেশৰ অৰ্থনীতিৰ বিচাৰ কৰাৰ উপৰি বিশ্বৰ কলাক্ষেত্ৰৰ সা-সংবাদো অসমীয়া পাঠকক দি আহিছে। আমাৰ প্ৰতিনিধিৰ জ্যোতি-সংখ্যা, বিহু-সংখ্যা, পূজা-সংখ্যা এই তিনিটা ডাঙৰ ডাঙৰ বিশেষ সংখ্যা অতিশয় জনপ্ৰিয়। আন খন প্ৰতিনিধিৰ কথাও এইখিনিতে উল্লেখ কৰিব লাগিব: শ্ৰীপদ্ম বৰকটকীৰে সম্পাদনাত কলিকতাৰ পৰাই ১৯৬৫ চনৰ অক্টোবৰত 'নতুন প্ৰতিনিধি' ওলায়; ই সৰহ দিন নাথাকিল যদিও সম্পাদকে প্ৰথম খন প্ৰতিনিধিত কৰাৰ দৰে আকৰ্ষণীয় শিতান খুলি, আকৰ্ষণীয়কৈ সজাই-পৰাই ইয়াক পাঠকৰ হাতত তুলি দিছিল। গুৱাহাটীৰ পৰা ১৯৬৯ চনৰ ডিচেম্বৰত গান্ধী শতবাৰ্ষিকী সংখ্যা বুলি ৫ম বছৰৰ ৩য় সংখ্যা উলিয়াওঁতে নতুন প্ৰতিনিধিৰ প্ৰকাশকে জনাইছিল যে মাজৰ ছোৱাত ইয়াৰ প্ৰকাশ অনিয়মিত হৈছিল। গান্ধীবাদক কঠোৰভাৱে সমালোচনা কৰি বিপ্লৱী সামাজিক পৰিবৰ্ত্তনৰ সূচনা কৰিব খোজা মনোভাৱৰ আভাস সেই সংখ্যাত দিয়া হৈছিল; কিন্তু আলোচনীখন নীৰৱ হৈ গ'ল। বৰ্তমান ওলাই থকা মাহেকীয়া আলোচনী হিচাপে শ্ৰীযতীন গোস্বামী সম্পাদিত 'নতুন প্ৰৱাহ'ৰ কথা এইখিনিতে উল্লেখ কৰি থওঁ: ১৮৯৩ শকৰ মাঘৰ পৰা আৰম্ভ হোৱা এই আলোচনীখনে দ্বিতীয় বছৰত ভৰি দিছে যদিও ইয়াৰ প্ৰভাৱ সম্বন্ধে এতিয়াও কব পৰা হোৱা নাই; তাতে "অসমৰ বাতাৱৰণৰ মাজত এখন নিয়মীয়া মাহেকীয়া আলোচনী এটা বছৰ বাচি থকাটো নিশ্চয় এটা খবৰ" বুলি সম্পাদকীয়ভাৱে কোৱালৈ চাইও মন্তব্য পিচুৱাই থোৱাই শ্ৰেয় বিবেচনা কৰিছো; হ'লেও কাকতখনে সুখপাঠ্য ৰচনা-সম্ভাৰৰ যোগান ধৰিবলৈ প্ৰশংসনীয়ভাৱে যত্ন কৰিছে; ন-ন কবি-গল্পকাৰসকলে ইয়াত আত্মপ্ৰকাশৰ এটা সুবিধা পাইছে; নাট্যচৰ্চা আৰু চিত্ৰশিল্প সম্পৰ্কীয় ইয়াৰ বিশেষ বিনোদন সংখ্যাই সুৰুচিৰ অনুভূতি আৰু সুচিন্তাৰ খোৰাক যোগাব পাৰিছে বুলি আমি ক'ব পাৰো।

মানবিশিষ্ট, সুচিন্তিত-সুপৰিকল্পিত আলোচনীৰ অভাৱ দূৰ কৰিবলৈ চলোৱা দুটামান প্ৰচেষ্টাৰ কথা এইখিনিত উল্লেখ কৰো, বিখিনাক প্ৰচেষ্টা ঠিক ব্যৰ্থ হৈ নগলেও নানান কাৰণত অতি অলপ অলপ দিনৰ ভিতৰতে বন্ধ হৈ গৈছে। ১৯৬৮ চনৰ মে' মাহৰ পৰা গুৱাহাটীত দুখনি নতুন মাহেকীয়া আলোচনী সাজৰে আৰম্ভ কৰা হয়: এখন শ্ৰীচন্দ্ৰপ্ৰসাদ শইকীয়া সম্পাদিত 'অসমীয়া' আৰু ইখন এই লিখকৰ (যোগেশ দাস) দ্বাৰা

সম্পাদিত 'প্ৰহৰী''। অসমীয়া ৩য় বছৰৰ ১ম সংখ্যালৈকে ওলাই ১৯৭০ৰ মে'ত বন্ধ হৈ যায়; প্ৰহৰী ২য় বছৰৰ ৬ষ্ঠ সংখ্যালৈকে ওলাই ১৯৬৯ৰ অক্টোবৰৰ পৰা ওলাবলৈ এৰে। চন্দ্ৰকুমাৰ আগৰৱালাৰ একে নামৰ বিখ্যাত বাতৰি কাকতখনৰ ঐতিহ্য মনত ৰাখি তেওঁৰে নিউ প্ৰেছৰ পৰা অসমীয়াখন উলিওৱা হৈছিল, আৰু শ্ৰীশইকীয়াৰ সুসম্পাদনাত চকুতলগা ফৰ্মাৰে, প্ৰখ্যাত লিখকসকলৰ সম্ভাৰেৰে, আলোড়ন তোলা গ্ৰন্থৰ পৰিচয়েৰে পাঠকৰ সুদৃষ্টি আকৰ্ষণ কৰিব পাৰিছিল। প্ৰহৰীৰ বিষয়ে সম্পাদক ৰূপে এই লিখকে একো মন্তব্য দাঙি ধৰিব নোখোজে, কিন্তু এইখিনি হলে কব যে এমুঠি লিখকৰ দ্বাৰা গঠিত এখনি সমবায়ৰ দ্বাৰা পৰিচালিত প্ৰেছ আৰু আলোচনী এটা বলিষ্ঠ পৰীক্ষা আছিল, প্ৰতি সংখ্যাত এখনকৈ উপন্যাস দিবলৈ যত্ন কৰাটোও এটা নতুন পৰীক্ষা আছিল, ইয়াৰ ক্ষুদ্ৰ উদ্যোগ আঁচনি, ব্যক্তি আৰু ঘটনাৰ ওপৰত টিপ্পনী দিয়া শিতান, সাধাৰণ পাঠকৰ স্মৰণীয় অভিজ্ঞতা বৰ্ণনা আদিও ভালেখিনি পৰীক্ষামূলক আছিল। এটা সুসংগঠিত পুৰণা প্ৰেছৰ সহায়)সত্বেও যে অসমীয়া বন্ধ হল আৰু সমবায় প্ৰচেষ্টাৰেও যে প্ৰহৰীক ৰক্ষা কৰিব পৰা নগ'ল,, এই দুটা যাই সাহিত্য প্ৰেমী অসমীয়া ৰাইজক ৰাক্‌কৈয়ে হতাশ কৰিছিল। ব্যক্তিগত অভিজ্ঞতাৰে কওঁ, এই দুয়োখন আলোচনীৰে পুৰণা কপী এতিয়া লৈকে বিভিন্ন জনে বিচৰাটোৱে এইবিলাকৰ উপযোগিতাও প্ৰতিপন্ন কৰিছে। সজ প্ৰচেষ্টাৰ আন এটি শেহতীয়া উদাহৰণ এই বছৰৰ আৰম্ভৰ ফালে (ফেব্ৰুৱাৰী ১৯৭৩) শ্ৰীদিলীপ শৰ্মাৰ দ্বাৰা সম্পাদিত 'ক্ৰান্তি': সাহিত্য, সমাজ, সংস্কৃতি, ঘটনা আদি বিভিন্ন দিশত তীব্ৰ সমালোচনাশীল, অথচ পক্ষপাতিতাশূণ্য ভাৱে উলিয়াব খোজা এই আলোচনীয়ে মাত্ৰ দুটা সংখ্যাৰ পিচতে নিতাল মাৰিব লগাটো দুখৰ বিষয়। নতুনকৈ আৰম্ভ হোৱা (১৮৯৪ শক) শ্ৰীমতী উমা বৰুৱা সম্পাদিত 'অজন্তা' মাহেকীয়া আলোচনীখনে ক্ৰমান্বয়ে পঢ়ুৱৈ সমাজৰ দৃষ্টি আৰু মন আকৰ্ষণ কৰিব ধৰিছে; অজন্তা সৰ্বসাধাৰণৰ অৰ্থে প্ৰকাশিত যদিও মহিলা সমাজৰ ওপৰত কিছু বেছি গুৰুত্ব দিবলৈ যত্ন কৰা হৈছে; ইয়াৰ শৰৎ আৰু বসন্ত বিশেষ সংখ্যা দুটা সাধাৰণ সংখ্যাতকৈ বুজন বিধৰ আৰু বেছি আকৰ্ষণীয় পাঠ্য সম্ভাৰেৰেও পৰিপূৰ্ণ; এগৰাকী মহিলা সাহিত্যিকে পৰিচালনা কৰা বাবে ইয়াৰ ভৱিষ্যতৰ প্ৰতি সকলো অসমীয়া পাঠক-পাঠিকাই আগ্ৰহেৰে লক্ষ্য ৰাখিব।

এতিয়ালৈকে দি অহা বিৱৰণত সাধাৰণ সাহিত্যালোচনীৰ কথাই

কোৱা হৈছে যদিও তাৰ মাজতেই কিছু বৈচিত্ৰ্যৰ আভাষ প্ৰকাশ পোৱাটো পাঠকে মন কৰিছে নিশ্চয়। এতিয়াৰ পৰা হলে আকাৰ-প্ৰকাৰ উভয়তে অসমীয়া আলোচনী বা সংগ্ৰহ-সংকলনে বৈচিত্ৰ্য প্ৰদৰ্শন কৰাৰ ওপৰত আমি গুৰুত্ব দিম। প্ৰকৃত পক্ষে এই ক্ষেত্ৰতহে অসমীয়া আলোচনী সাহিত্যই বিস্তাৰ লাভ কৰাটো সূচাব। যেনে মাহেকীয়া 'সমাজ' নামৰ আলোচনী খনে যদিও জনপ্ৰিয় লিখক-লিখিকাৰ গল্প-প্ৰবন্ধ-কবিতাৰে পৰিৱেশন কৰিছিল তথাপি ই সমাজ-সেৱাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছিল। ১৯৫৭ চনৰ এপ্ৰিলৰ পৰা আৰম্ভ হোৱা এই মাহেকীয়া কাকত-খন সম্পাদনা কৰে শ্ৰীৰামচৰণ দাস আৰু শ্ৰীনকুল দাসে যুটীয়াকৈ। ৰম্য ৰচনা, হলীৰাম ডেকাৰ গল্প, গধুৰ প্ৰবন্ধ আদিৰে সমাজ এখন লেখত লবলগীয়া আলোচনী হৈ উঠিছিল। কিন্তু ইয়াৰ লগত তুলনা কৰিলে তিনি বছৰ আগতে আৰম্ভ কৰা "প্ৰগতিশীল তিনিমহীয়া আলোচনী" "নতুন পৃথিৱী" সামাজিক সমালোচনাপূৰ্ণ পত্ৰিকা হিচাপে বহুত বেছি বলিষ্ঠ। ডঃ হীৰেন গোহাঁই, শ্ৰীঅনিল ৰায়চৌধুৰী আৰু শ্ৰীতাৰকচন্দ্ৰ গোস্বামীক লৈ গঠিত এখন সম্পাদনা সমিতিয়ে ১৯৭১ চনৰ নৱেম্বৰৰ পৰা এই আলো-চনীখন উলিয়াইছে। বৰ্তমান আমাৰ দেশৰ সমাজ তথা ৰাষ্ট্ৰ ব্যৱস্থাত শোষণৰ নানা কৌশললৈ লক্ষ্য ৰাখি আৰু বহু সৎ লোকো বিভ্ৰান্ত হৈ পৰিছে বুলি আঙুলিয়াই দি, বিশেষকৈ মাৰ্ক্সীয় মতবাদৰ কাৰ্যকৰী ৰূপদানৰ সাহায্যত, "বৰ্তমান বাহাল হৈ থকা ৰাষ্ট্ৰ-যন্ত্ৰৰ পতন" ঘটাবলৈ লক্ষ্য ৰাখি নতুন পৃথিৱীয়ে বিচাৰ বিশ্লেষণ কৰিছে, তেনে প্ৰবন্ধ পাতিকেই প্ৰধানতঃ গুৰুত্ব দিছে। "দল নিৰপেক্ষ ভাৱে সঠিক মাৰ্ক্সবাদৰ চৰ্চাই 'নতুন পৃথিৱী'ৰ মুখ্য উদ্দেশ্য" বুলি ঘোষণা কৰিছে।

এই যুগৰ এটা প্ৰধান স্বাক্ষৰ বহন কৰিছে অসম বিজ্ঞান সমিতিৰ তিনি-মহীয়া আলোচনী 'বিজ্ঞান জেউতি'য়ে। ১৯৬১ চনৰ পৰা ওলাবলৈ আৰম্ভ কৰা এই আলোচনী খনে সম্প্ৰতি ১১শ বছৰত ভৰি দিছেহি; বিজ্ঞান আৰু বিজ্ঞানীৰ পৰিচয়, দেশ-বিদেশৰ নানান বৈজ্ঞানিক আৱিষ্কাৰৰ সংবাদ, মনোবিজ্ঞান, চিকিৎসা আদি বিষয়ৰ আলোচনা আদি সচিত্ৰ কৰি আৰু বিমান পাৰি সৰল অসমীয়াত প্ৰকাশ কৰিবলৈ লৈ বিজ্ঞান জেউতিয়ে বিজ্ঞা-নক উঠি অহা চাম অসমীয়াৰ ওচৰ চপাই দিয়াৰ দায়িত্ব বহন কৰিছে। বৰ্তমান ইয়াৰ সম্পাদক ডঃ চন্দ্ৰ শৰ্মা।

আলোচ্য কালছোৱাৰ আন এটি উল্লেখযোগ্য পৰীক্ষা হৈছে প্ৰথম অসমীয়া ডাইজেষ্ট পত্ৰিকা 'সঞ্চয়'। ভিক্ৰুগড়ৰ সীমান্তিক প্ৰকাশন

উদ্যোগত আৰু শ্ৰীতফজ্জুল আলিৰ সম্পাদনাত ১৯৬১ চনৰ পৰা ১৯৬৪ চনলৈকে তিনিমহীয়াকৈ এই ডাইজেষ্ট পত্ৰিকাখন ওলাই এটা অভিনৱ স্বাদ অসমীয়া পঢ়ুৱৈ সমাজক দিছিল। জ্ঞাতব্য-বিষয়ক আৰু আমোদজনক মৌলিক গল্প-প্ৰবন্ধ-কবিতাৰ উপৰি নানান বিদেশী পত্ৰিকা আৰু প্ৰখ্যাত গ্ৰন্থৰ পৰা বিবিধ সামগ্ৰী চুম্বক ৰূপত সজমে পৰিবেশন কৰিছিল। বিডাৰ্ছ ডাইজেষ্টৰ আৰ্হিৰ আলুগুটিৰ ইতিবৃত্ত, মাৰ্ক টোৱেইনৰ চিগাৰেট এৰাৰ নিচিনা বিষয়ৰ উল্লেখ, কেৱল হাঁহিৰৰ কাৰণে লিখা সৰু সৰু ঘটনা ইত্যাদি সজমৰ বিশেষ আকৰ্ষণ আছিল ।

১৯৫৬ চনত মৌচুমী সংখ্যা ৰূপে আৰম্ভ কৰা 'চিত্ৰবন' বোলছবি সম্পৰ্কীয় এখনি উন্নত মানৰ আলোচনী। চতুৰ্ভুজৰ সম্পাদনাত কলিকতাত ছপা কৰা কিন্তু গুৱাহাটীৰ পৰা প্ৰকাশিত চিত্ৰবনত মঞ্চ, নাট, বোলছবিৰ বিষয়ে চিন্তাশীল প্ৰবন্ধ-পাতিৰ উপৰি সুখপাঠ্য, গল্প-কবিতাও দিয়া হৈছিল এবা-এবাকৈ ওলাই থকা চিত্ৰবনৰ নৱম সংখ্যাৰ পৰা সম্পাদক ৰূপে আছিল কবি শ্ৰীহীৰেন ভট্টাচাৰ্য্য ।)

কেৱল গল্পৰ আলোচনী ৰূপে আন এটা পৰীক্ষা চলায়, 'পঞ্চতন্ত্ৰ'ই। ১৯৫৯ চনৰ আগষ্টত প্ৰথমে তিনিমহীয়াকৈ আৰম্ভ কৰা উপযুক্ত মানৰ গল্পালোচনী খনি সম্পাদন কৰিছিল মৃত্যুঞ্জয়ে । তৃতীয় সংখ্যাৰ পৰা পঞ্চতন্ত্ৰ মাহেকীয়া হয় আৰু পিছলৈ সম্পাদক হয় শ্ৰীশঙ্কৰলাল শৰ্ম্মা। অধুনা-মৃত এই আলোচনীখনে কেবাটাও উল্লেখযোগ্য অসমীয়া চুটিগল্প পোহৰলৈ আনে আৰু গল্প সম্বন্ধে আলোচনা তথা গল্প-কবিতা প্ৰকাশ কৰে। (ডিব্ৰুগড়ৰ পৰাও কেৱল গল্প আৰু কবিতাৰ এখনি ক্ষুদ্ৰ পত্ৰিকা 'গল্প-কবিতা' নামেৰে ওলাইছিল। পত্ৰিকাৰ কপি নোপোৱাত সবিশেষ জনাব নোৱাৰিলো—সম্পাদক শ্ৰীবিপিন শৰ্মা আছিল)।

'সাদিনীয়া নৱযুগ' (১৯৬৩-৬৭ চন) এই কালছোৱাৰ অসমীয়া আলোচনী তথা সংবাদসেৱাৰ ক্ষেত্ৰতে এটা সাহসী পদক্ষেপ আছিল। শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যই বামধেনু এবাৰ পিছতে সাদিনীয়া নৱযুগৰ গোটেই কালছোৱাৰ সম্পাদক আছিল। বঙলা 'দেশ' সাপ্তাহিকৰ নিচিনাকৈ ইয়াক সম্পাদনা পৰিচালনা কৰিব খোজা হৈছিল যদিও চাৰি বছৰৰ বেছি টিকাই ৰাখিব পৰা নহ'ল—এনে উদ্যমত ইয়াৰ দাৰা ৰৰ বেয়াকৈ চেঁচাপানী চলা হ'ল। গল্প-কবিতাৰ উপৰি ৰিপ'ৰ্টেজ, আত্মজীৱনী সাময়িক ঘটনাৱলীৰ বিষয়ে টীকা-টিপ্পনী, বোলছবি আৰু ক্ৰীড়া জগতৰ পৰ্যালোচনা আৰু সৰ্বোপৰি সমসাময়িক জীৱন সম্বন্ধে শ্লেষপূৰ্ণ ৰচনাৰ বুধবৰীয়া চ'ৰাৰ অৱি-

য়তে চিন্তাহৰণ হাজৰিকা চৰিত্ৰৰ ৰস সৃষ্টি ইত্যাদিৰে নৱযুগে সঁচাকৈয়ে এক নৱযুগৰে পাতনি মেলিব খুজিছিল, কিন্তু অসমীয়া মানুহৰ দুৰ্ভাগ্যৰ কাৰণে আন বহু সজ প্ৰচেষ্টাৰ দৰে ইও ব্যৰ্থ হৈ গ'ল। ইয়াৰ "প্ৰথম অসমীয়া সাদিনীয়া আলোচনী" বুলি ঘোষিত গৌৰব ম্লান পৰি গ'ল। এনে কাকতৰ প্ৰধান অৱলম্বন, চিলাৰায় প্ৰকাশনৰ উৎসাহী ভ্ৰাতৃদ্বয়ৰ দ্বাৰা প্ৰতিষ্ঠিত লক্ষ্মী প্ৰিন্টিং প্ৰেছটোও আজি হস্তান্তৰিত। এনে এটা প্ৰতিষ্ঠানে আৰু সহজে গঢ় লৈ নুঠে।

শ্ৰীশশী ফুকন সম্পাদিত 'বিস্ময়' নামৰ আলোচনী খনেও আন এটা দিশ মুকলি কৰি দিয়ে, যিটো দিশত সম্প্ৰতি আনেও খাট বুলিবলৈ লোৱা দেখা গৈছে। ১৯৬৯ চনৰ জানুৱাৰীত আৰম্ভ হোৱা বিস্ময়ক এক হিচাপে ৰহস্য পত্ৰিকা বাখ্যা দিব পাৰি, যদিও কেৱল ৰহস্যমূলক কাহিনীতে সীমাবদ্ধ নেথাকি আলোচনী খনে বহু ৰোমাঞ্চকৰ, লোমহৰ্ষক সত্য ঘটনাৰ বিৱৰণী, বিজ্ঞান-কাহিনী, খেল-জগতৰ বাতৰি কৌতুকাদি সংগ্ৰহ ইত্যাদিৰে পাঠকৰ মনোৰঞ্জন কৰিব পৰা বিচিত্ৰ পাঠ্যসম্ভাৰ পৰিবেশণ কৰি বিশেষ জনপ্ৰিয়তা অৰ্জন কৰিছে। উল্লেখযোগ্য যে বিস্ময়ে আৰম্ভৰে পৰা নিৰবিচ্ছিন্ন ভাৱে এতিয়ালৈকে ওলাই থাকি নতুন পাঠকক এটা ভিন্ন স্বাদ দিবলৈ সক্ষম হৈছে।

যুদ্ধোত্তৰ অসমীয়া আলোচনী সাহিত্যৰ বৈচিত্ৰ্যত ৰৰঙনি যোগাইছে কেইখনিমান ব্যঙ্গ-হাস্যমূলক ক্ষুদ্ৰ আলোচনীয়ে। নৱযুগৰ উপৰি আজি-কালি বাতৰিকাকতবিলাকেও ব্যঙ্গ-চিত্ৰ তথা ব্যঙ্গ-ৰচনাৰ ওপৰত গুৰুত্ব দিছে; 'দৈনিক অসম'ৰ কাৰ্টুন, কাঁহুদী, সময়ৰ শৰ চ'ৰা এই সম্পৰ্কত উল্লেখযোগ্য; কিন্তু কেৱল এনে বিষয়কে লৈ উলিওৱা 'নাম নাই", 'ৰহিমলা', 'কাৰ্টুন' আদি পত্ৰিকাই অন্যান্য ভাষাত থকা এনে ৰসৰ যোগান অসমীয়া পাঠকক যোগাবলৈ চেষ্টা কৰে। কেপ্টেইন সত্যব্ৰত শইকীৰ সম্পাদিত নামনাই। আলোচনীত ব্যঙ্গ-বক্ৰোক্তিৰ দ্বাৰা বৰ্তমান সমাজৰ কঠোৰ সমালোচনা কৰা হৈছিল, আৰু ১৯৫৮ চনত আৰম্ভ কৰা এই মাহেকীয়া কাকতখনত সাধাৰণ আলোচনামূলক প্ৰবন্ধ-পাতিয়েও ঠাই পাইছিল। শিল্পী শ্ৰীপুলক গগৈৰ দ্বাৰা সম্পাদিত কাৰ্টুন ব্যঙ্গচিত্ৰপ্ৰধান আলোচনী ৰূপে এক অভিনৱ প্ৰচেষ্টা আছিল। দীৰ্ঘনাসা নগৰীয়া সম্পাদিত ৰহিমলা ১৮৯০ শকৰ পৰা বছৰি দুবাৰকৈ ওলোৱা ৰহিমলাত সৰল হাস্যৰসাত্মক গল্প-কবিতা-প্ৰবন্ধ পৰিবেশন কৰা হৈ আহিছে।

বংগৰৰ পিচত 'জোনবাই' আৰু 'ৰ'দালি এই দুখন মাহেকীয়া কাকতে

এই কালছোৱাত শিশু-আলোচনীৰ অভাৱ পূৰাইছিল, কিন্তু সম্প্ৰতি এখনো ওলাই থকা নাই। অসম একাডেমীৰ উদ্যোগত শ্ৰীনৰকান্ত বৰুৱাৰ সম্পাদনাত জোনবাই ১৯৬১ চনৰ জানুৱাৰীৰ পৰা ওলাবলৈ আৰম্ভ কৰে; পিচলৈ ইয়াৰ সম্পাদনাৰ ভাৰ শ্ৰীনৰেন্দ্ৰনাথ শৰ্মাই লয়, সহ সম্পাদক হয় শ্ৰীনন্দ তালুকদাৰ; ৬ষ্ঠ বছৰৰ ৪ৰ্থ সংখ্যাই জোনবাইৰ শেষ সংখ্যা (চন-মাহৰ উল্লেখ নথকাত দিব নোৱাৰিলো)। ৰ'দালি মাহেকিয়াকৈ শ্ৰীসুৰেশ চন্দ্ৰ ৰাজখোৱাৰ সম্পাদনাত ১৯৬৯ চনৰ অক্টোবৰৰ পৰা (আহিন ১৮৯১ শকত ওলায় আৰু ১৯৭২ চনৰ এপ্ৰিলত ৩য় বছৰৰ ১ম সংখ্যাৰূপে ওলাই (শেষত পৰিচালক-সম্পাদক শ্ৰীভগগিৰী ৰায়চৌধুৰী) বন্ধ হৈ যায়। কিশোৰ-কিশোৰীৰ কাৰণে দুয়োখন আলোচনীয়েই মানবিশিষ্ট আছিল (ৰ'দালি ৮।৯ৰপৰা ১৩।১৪ বছৰীয়া ল'ৰা-ছোৱালীৰ কাৰণে বুলি ঘোষনা কৰা হৈছিল); দেশী-বিদেশী-জনজাতীয় সাধু, মনীষীসকলৰ পৰিচয়, নানা জ্ঞাতব্য বিষয়ৰ সংবাদ আমোদজনক কথা, গল্পৰ ছলেৰে শিক্ষাদান, ধাৰাবাহিক উপন্যাস, লৰা-ছোৱালীৰ ৰচনা, চিত্ৰ আদিৰে দুয়োখন আলোচনী সমৃদ্ধ আছিল। ডাঙৰৰ নিয়মীয়া আলোচনী কম থকা সময়তে শিশুসকলৰো আলোচনী নথকাটো যেন আমাৰ এটা জাতীয় বৈশিষ্ট্যৰে পৰিচায়ক। সমাজনেতা ৰাজনীতিবিদ গৌৰীকান্ত তালুকদাৰ প্ৰতিষ্ঠিত সম্পাদিত 'দীপক' মাহেকীয়া আলোচনীখনেও ১৯৫৪ চনৰ পৰা একেৰাহে ১৯৬৬ চনলৈকে অসমীয়া শিশু আলোচনীৰ অভাৱ পূৰাই বহুখিনি জনপ্ৰিয়তা অৰ্জন কৰিছিল। নিজকে সম্পাদক-ককা আখ্যা দি স্বৰ্গীয় তালুকদাৰে নাতিইঁতক নানা নীতিজ্ঞান দিবলৈ অক্লেশ চেষ্টা কৰিছিল, আৰু পৰ্বত-ভৈয়ামৰ ল'ৰা-ছোৱালীৰ মাজৰ পৰা বহুতো চেমনীয়া লিখক-লিখিকা উলিয়াইছিল। ১৯৬৬ চনত তেওঁৰ পৰলোক ঘটাত অধ্যাপক শ্ৰীঅতুল চন্দ্ৰ হাজৰিকাই দীপকৰ সম্পাদনা কৰিবলৈ লয় আৰু "পৰিয়ালৰ আটাইৰে বাবে" উপযোগীকৈ, কিন্তু প্ৰধানকৈ চেমনীয়াইঁতৰ ওপৰত গুৰুত্ব দি নানান সংবাদ পৰিবেশন কৰাৰ উপৰি লব্ধ প্ৰতিষ্ঠ সাহিত্যিকসকলক ইয়াৰ পাতত লিখা লিখোৱাই নতুন চাম পাঠকৰ সৈতে এটা সম্পৰ্ক স্থাপন কৰি দিবলৈ চেষ্টা কৰে। প্ৰশ্নোত্তৰ, স্বাস্থ্যবিধি আদি শিতানৰ জৰিয়তে তেওঁ দীপকক সৰ্বজনগ্ৰাহ্য কৰি তুলিছিল। ১৯৭০ চনৰ জানুৱাৰীত শ্ৰীহাজৰিকাই স্বাস্থ্যজনিত কাৰণত কাৰ্যভাৰ এৰি দিয়াত স্বৰ্গীয় তালুকদাৰৰ পুত্ৰ শ্ৰীপবিত্ৰ কুমাৰ তালুকদাৰে দীপকৰ সম্পাদনা কৰিবলৈ লয় আৰু নতুন উদ্যমেৰে জ্ঞান-বিজ্ঞান, ৰাজনীতি স্বাস্থ্যবিধি আদিৰ শেহতীয়া সংবাদ সম্বলিত কৰি আৰু ডেকা চাম

লিখক-লিখিকাক লিখিবলৈ উৎসাহিত কৰে। কিন্তু লাহে লাহে দীপক নিৰ্বাপিত হৈ আছে।

আমাৰ এই লেখাৰ সামৰণিত কেইখনিমান সাময়িক সংকলনৰ বিষয়ে উল্লেখ কৰিছো। এইবিলাকক আমি নিয়মীয়া আলোচনী বুলিব খোজা নাই, কাৰণ বছৰত দুটা সংখ্যাৰ অনধিক প্ৰকাশ হোৱাটো আৰু তাকো সৰহ দিনলৈ ওলাই নথকাটোৱে এইবিলাকৰ সাময়িকতা নিৰ্দ্দিষ্ট কৰাত আহুকাল ঘটায়। কিন্তু এইবিলাক সংকলন সুখপাঠ্য, চিন্তাগধুৰ প্ৰবন্ধ-পাতিৰে সমৃদ্ধ আছিল; প্ৰায়বিলাকেই আকাৰত বৃহৎ; কোনোখনে বেছ চকুতলগা হৈ আলোড়নো তুলিছে। ডঃ ভূপেন হাজৰিকাৰ 'গতি' এই ধৰণৰ সংকলনৰ ভিতৰত প্ৰথমে ওলায় আৰু ই আছিল সংস্কৃতি বিষয়ত বিশেষ গুৰুত্ব আৰোপ কৰা, কলাকাৰ-সম্পাদকৰ সুৰুচিবোধৰ পৰিচয় জ্ঞাপক। ১৯৫৭ চনত, এটা (শৰৎ), ১৯৫৮ চনত এটা (বসন্ত), ১৯৫৯ চনত এটা (শীত) এই তিনিটা সংখ্যা ওলোৱাৰ পিচত গতি বন্ধ হৈ যায়। কবি-অধ্যাপক (আজিকালি অধ্যক্ষ) শ্ৰীবীৰেন বৰকটকী সম্পাদিত 'হিমাচল'ৰ প্ৰথম দুটা সংখ্যা ১৯৬১ চনত আৰু দ্বিতীয় দুটা সংখ্যা ১৯৬২ চনত ওলায়; সাহিত্যৰ তাত্ত্বিক আলোচনা, বুৰঞ্জীমূলক প্ৰবন্ধ আৰু নামজ্বলা লিখক-লিখিকাৰ মৌলিক ৰচনাৰে সমৃদ্ধ এই বৃহৎ সংকলন আৰু তাৰ পিছত ওলোৱা নাই। ১৮৭৩-৭৪ শকত শিলঙৰ পৰা ওলোৱা আকৰ্ষণীয় সংকলন শ্ৰীভদ্ৰ বৰা সম্পাদিত 'মৌচুমী'ৰো মাত্ৰ দুটা সংখ্যাহে ওলায়। ইয়াৰ সুখপাঠ্য ৰচনাৰাজিৰ উপৰি নিখুঁত ছপা বন্ধা আৰু চকুত লগাকৈ সজোৱাৰ ধৰণ বিশেষ আকৰ্ষণৰ বস্তু আছিল। এই শ্ৰেণীৰ শেহতীয়া, বিশেষভাৱে উল্লেখযোগ্য আৰু এতিয়াও চলি থকা (বুলি কব পৰা, কাৰণ শেহতীয়া সংখ্যা এটা সময়ত নোলাল!) বৃহৎ সংকলন হ'ল শ্ৰীভবেন বৰুৱা সম্পাদিত 'সংলাপ'। ১৮৯৩ শকৰ (১৯৭১ চন) আহাৰত আৰম্ভ কৰা সংলাপৰ এতিয়ালৈকে তিনিটা সংখ্যা ৩৫০ পৃষ্ঠামানৰ ডিমাই আকাৰৰ বিৰাট সংকলন ওলাইছে; ভাল কাগজত নিখুঁত ছপা, অনাড়ম্বৰ সত্বেও ৰুচিকৰ অঙ্গসজ্জা; বাণী প্ৰকাশৰ শ্ৰীঅম্বিকাপদ চৌধুৰীৰ নিচিনা সুসজ্জা আৰু সুসাহিত্যৰ প্ৰতি চকু থকা লোক ইয়াৰ প্ৰকাশক। সেই আবাড়সা প্ৰথম দিৱসেই ঘোষণা কৰি দিয়া হৈছে যে ''সংলাপ''ৰ প্ৰকৃতি মূলতঃ সংকলনৰ; সেয়ে 'সংলাপ'ৰ বিভিন্ন সংখ্যাবোৰ অনিৰ্দ্দিষ্ট কালত প্ৰকাশ হ'ব।''সেই দেখিয়েই হবলা ''প্ৰথম বছৰ, প্ৰথম সংখ্যা, প্ৰথম প্ৰচেষ্টা'! যি হওক সংলাপে আমাক নিৰাশ কৰা নাই। ডেকা সমালোচক হিচাপে

ভবেন বৰুৱাক নির্ভুলতা প্ৰয়াসী, সৎ সাহিত্য-কলাৰ প্ৰতি গভীৰ অনুৰাগী বুলি আমি জানি আহিছো। বিশ্বৰ চিন্তাবিদ, শিল্পীসকলৰ গুৰুত্বৰ পৰা আৰম্ভ কৰি আমাৰ দেশ তথা স্ব-ৰাজ্যৰ সাহিত্যিকসকলৰ গুৰুত্বলৈকে পৰীক্ষা কৰাৰ তেওঁৰ এই 'ছিৰিয়াছ' (ঐকান্তিক) উদ্যমক ছিৰিয়াছ পাঠক-সকলে সমাদৰ জনাইছে। পূব-পশ্চিমৰ উল্লেখযোগ্য সাহিত্যৰ অনুবাদ, কবিতা, উপন্যাসৰ আলোচনা, মাৰ্ক্স-এঙ্গেলছৰ মতবাদ, ফ্ৰয়েড আইনষ্টাইনৰ তত্ত্বৰ পৰিচয়, আমাৰ যশস্বী শিল্পীসকলৰ অংকনৰ প্ৰতি বাহিৰৰ দৃষ্টি আকৰ্ষণ ইত্যাদিৰে কেউটা সংকলন সমৃদ্ধ হৈছে। প্ৰখ্যাত পণ্ডিত শ্ৰীকৃষ্ণকান্ত সন্দিকৈয়ে ঠিকেই মন্তব্য কৰিছে: "'সংলাপ' নতুন ধৰণৰ আলোচনী। উচ্চাকাঙ্ক্ষাপ্ৰেৰিত এই প্ৰয়াসটো জীয়াই ৰাখিবলৈ আমাৰ পাঠকসমাজে যত্ন কৰিব বুলি মোৰ বিশ্বাস।" ১৯৬৩ চনৰ পৰা বছৰত দুসংখ্যাকৈ শ্ৰীমুনীন দত্তবৰুৱাৰ সম্পাদনাত 'নীলাচল' বেছ বুজন আকাৰত, গহীন গম্ভীৰ ভঙ্গীত ওলাবলৈ আৰম্ভ কৰে; বছা বছা গল্প-উপন্যাস, চিন্তাশীল প্ৰবন্ধ-পাতি ইত্যাদিৰ কাৰণে ছমহীয়া নীলাচল হাতত লৈ পাঠকে অনুভৱ কৰিব পাৰিছিল যে ইয়াৰ আৰত সুচিন্তা আৰু সুপৰি-কল্পনা আছে। বৰ্তমান সেই দুটা বুজন সংকলন সাদিনীয়া বাতৰি কাকত নীলাচলৰ অংশ ৰূপে শ্ৰীহোমেন বৰগোহাঞিৰ সম্পাদনাত ওলাই আছে। পূজা আৰু বিহুত বৃহৎ আকাৰত বহু সুখপাঠ্য গল্প-উপন্যাসেৰে, চকুত লগা চিত্ৰাদিৰে আকৰ্ষণীয় হৈ ওলোৱা আৰু বিশেষ জনপ্ৰিয়তা অৰ্জন কৰা সংকলন হৈছে শ্ৰীসতীশ কাকতি সম্পাদিত 'অসম বাণী' আৰু শ্ৰীকীৰ্তি হাজৰিকা সম্পাদিত 'দৈনিক অসম'।

বহু মিনি আলোচনী ওলাইও বৰ্ণাঢ্যতা বৃদ্ধিত সহায় কৰিছে; কিন্তু সেইবিলাকৰ লেখ লোৱা সম্ভৱ নহ'স। সেইদৰে আন কেবাখনো আলো-চনী অলপ অলপ দিন থকাৰ কথা জানো, কিন্তু হাতৰ ওচৰত নথকা কাৰণে বিৱৰণ দিয়াত অসুবিধা হ'ল। গুৱাহাটীৰ পৰা 'সমকালীন' ১৯৬৬ চনৰ অক্টোবৰত বিশেষ সংখ্যা ৰূপে আৰম্ভ হৈ কেবা সংখ্যালৈকে ওলাই আছিল। যোৰহাটৰ পৰা ১৯৬৬ চনৰ মাৰ্চত হৰিপ্ৰসাদ নেওগৰ সম্পাদনাত মাহেকীয়া 'সাহিত্য-দূত' আৰম্ভ হৈ পঞ্চম সংখ্যালৈকে ওলাই বন্ধ হয়। ডিব্ৰুগড়ৰ পৰা ১৯৭১ চনৰ এপ্ৰিলত আৰম্ভ হৈ মাত্ৰ তিনিটা সংখ্যা ওলোৱা 'গতিপথ'ৰ সম্পাদক আৰু সহযোগী সম্পাদক আছিল হৰিপ্ৰসাদ নেওগ আৰু শ্ৰীনগেন শইকীয়া। শ্ৰীপ্ৰসন্নৰাম দাসৰ সম্পাদনাত দুটামান সংখ্যা ওলোৱা এখনি আলোচনী আছিল 'আগমনী' (১৮৯৩ শক)।

চিত্রগুপ্ত সম্পাদিত ‘দীপশিখা’ আন এখনি তেনে আলোচনী। শ্ৰীঅশ্বিনী-কুমাৰ শৰ্মাৰ সম্পাদনাত ওলোৱা ‘নীলাকাশ’ দ্বিতীয় বছৰ আৰম্ভ হোৱালৈকে দেখিছো (১৮৮৯ শক), তাৰ পিচৰ কথা কব নোৱাৰিলো। শ্ৰীমতী প্ৰীতি বৰুৱাৰ সম্পাদনাত ওলোৱা মনোবিজ্ঞান চ'ৰাৰ মুখপত্ৰ ‘মনন’ৰ (আৰম্ভ আগষ্ট ১৯৭০) তিনিটা মান সংখ্যা ওলাইছিল—মনোবিজ্ঞানক জনসাধাৰণৰ ওচৰ চপাই দিয়া, মানসিক ৰোগৰ চিকিৎসা আদি বিষয়ৰ সম্বাদ দিয়া ইত্যাদিৰ কাৰণে মননৰ বিশেষ প্ৰয়োজন আছিল। কেইখনিমান বাৰ্ত্তালোচনীও আলোচ্য কালছোৱাৰ শেষৰ ফালে ওলোৱা চকুত পৰিছে। এখন সমিতিৰ দ্বাৰা সম্পাদিত মাহেকীয়া বাৰ্ত্তালোচনী ‘নতুন প্ৰতিশ্ৰুতি’ৰ মাত্ৰ দুসংখ্যাহে ওলায় (১৮৯৩ শক)। সমসাময়িক সাহিত্য, ৰাজনীতি আদিৰ ওপৰত ইয়াত আলোচনা কৰা হৈছিল। শ্ৰীযতীন্দ্ৰকুমাৰ বৰগোহাঞি সম্পাদিত বাৰ্ত্তালোচনী ‘সমকাল’ৰ যি দুটা সংখ্যা দেখিলো (১ম এপ্ৰিল আৰু ২য় মে' ১৯৭৩) তাত সাহিত্য সভা, সাহিত্যিকৰ ৰচনা সম্বন্ধে কঠোৰ সমালোচনা, মাৰ্ক্সবাদৰ আলোচনা আদি প্ৰকাশ পাইছে। পষেকীয়া বাৰ্ত্তালোচনী ‘অগ্ৰদূত’ মঙ্গলদৈৰ পৰা শ্ৰীকনকসেন ডেকাৰ সম্পাদনাত ওলাই আছে আৰু অসমৰ সমস্যাৱলীৰ বিষয়েই বাইকৈ ইয়াত চোকা ভাষাত আলোচনা কৰি অহা হৈছে। গুৱাহাটীৰ পৰা শ্ৰীমুকুট বৰদলৈ আৰু শ্ৰীৰবীন্দ্ৰ বৰাৰ সম্পাদনাত ওলোৱা ‘বৰ্তমান’ৰ ১ম বছৰৰ ৫ম সংখ্যালৈকে (ফেব্ৰুৱাৰী ১৯৭৩) দেখিছো; সাহিত্য বিষয়ক এই আলোচনীখন বোধকৰো ওলাই আছে। এনেকৈ সময়ে সময়ে আৰু দুই এখন আলোচনী ওলাই আছে। সেই সকলোবোৰৰে সম্ভেদ দিয়া এই সীমিত আলোচনাত সম্ভৱ নহ'ল।

অসমীয়া চুটি গল্পৰ আঙ্গিক

(এটা চমু পৰ্য্যালোচনা)

চৈয়দ আব্দুল মালিক

যদিও লক্ষ্মীনাথ বেজবৰুৱাই নামকৰণৰ ক্ষেত্ৰত সাধুকথা আৰু চুটি গল্পৰ মাজত বিশেষ পাৰ্থক্য ৰাখিব খোজা নাছিল, তথাপি সংগৃহীত সাধুকথাবোৰ তেওঁ সাধুকথাৰ কথনভঙ্গীতে লিপিবদ্ধ কৰিছিল আৰু চুটি গল্পবোৰৰ কাহিনী পৰিৱেশনত কিছুদূৰ সচেতন ভাবেই এক স্বকীয় ৰচনা-ৰীতিৰ আশ্ৰয় লৈছিল। অৱশ্যে বেজবৰুৱাই আধুনিক চুটি গল্পৰ বিশেষ বিশেষ 'চৰিত্ৰ' বা 'লক্ষণ সম্পৰ্কীয় কোনো সূত্ৰ অনুসৰণ কৰাৰ স্পষ্ট প্ৰমাণ নাই। পুৰণি কথা 'সাধুকথা' আৰু সমকালীন বা সাম্প্ৰতিক কাহিনী 'চুটি গল্প' এনে এটা ধাৰণাৰ বশৱৰ্ত্তী হৈ তেওঁ চুটি গল্প লিখা যেন লাগে। (ঐতিহাসিক পটভূমিত লিখা দুটিমান চুটি গল্পও তেওঁৰ আছে)। ব্যঙ্গাত্মক চুটি গল্পবোৰৰ ৰচনা শৈলীতকৈ কথনৰীতি আৰু বক্তব্যহে তেওঁৰ অধিক মনোযোগৰ বিষয় আছিল (ভোকেন্দ্ৰ বৰুৱা, নাওলুচন্দ্ৰ, আহি, চেনীচম্পা, জগৰামণ্ডলৰ প্ৰেমাভিনয় আদি গল্প)। সুখপাঠ্যতা বা Readability বেজবৰুৱাৰ ৰচনাৰ বিশেষত্ব ; কিন্তু ক্ষেত্ৰ বিশেষে বেজবৰুৱাৰ সংযম আৰু গাম্ভীৰ্য্যও উপেক্ষণীয় নহয় (ভদৰী, এৰাবাৰী, ৰতনমুণ্ডা, আমালৈ নেপাহৰিব আদি গল্প)। কোনো কোনো চুটি গল্প চুটিগল্প হৈ নাথাকি দীঘল গল্প হৈ পৰিছিল, কিয়নো একেটা গল্পতে উপকাহিনী, লিখকৰ মন্তব্য, উপসংহাৰ আদিয়েও ঠাই পাইছিল। কেতিয়াবা নাটকীয় দৃশ্য আকাৰেও বেজবৰুৱাই চুটিগল্প লিখিছিল আৰু কেতিয়াবা তেওঁৰ গল্পই উপন্যাসিকা বা ৰচনাৰ ৰূপো লৈছিল।

বেজবৰুৱা অসমীয়া চুটি গল্পৰ জনক বাটকটীয়া আৰু প্ৰৱৰ্ত্তক। কোনো বিশেষ মতবাদে তেওঁৰ গল্প লিখনীক প্ৰভাৱান্বিত কৰা নাছিল।

যি প্ৰয়োজনাতিৰিক্ত সতৰ্কতা আৰু সংযমে শৰৎচন্দ্ৰ গোস্বামীৰ চুটি গল্প-বোৰক কষ্ট-কল্পিত সৃষ্টিৰ ৰূপ দিছিল, তাৰেই অভাৱে বেজবৰুৱাৰ চুটি গল্পক ৰসাত্মক, মনোগ্ৰাহী আৰু সুখপাঠ্য কৰি তুলিছিল। কবিতা, উপন্যাস আৰু চুটি গল্পৰ বিষয়বস্তুৰ প্ৰকৃতি অনুসৰি ৰচনা ৰীতি আৰু পৰিৱেশন কৌশল বেলেগ বেলেগ হোৱাটো নতুন কথা নহয়। বেজবৰুৱাৰ চুটি গল্প ৰচনাৰ ক্ষেত্ৰতো সেয়ে নোহোৱাকৈ থকা নাই। ধাৰণা হয় যে গল্প ৰচনাৰ ৰীতি আয়ত্ব কৰিবলৈ অনুশীলন কৰাৰ ধৈৰ্য্য আৰু অৱসৰ বেজবৰুৱাৰ নাছিল, কলা-কৌশল তেওঁৰ গৌণ বিবেচনাৰ কথা আছিল। মুখ্য কথা আছিল কাহিনী উপস্থাপন কৰি পাঠকক চমৎকৃত আৰু আহ্লাদিত কৰা।

এই বিষয়ত বেজবৰুৱা সফল হৈছিল। কৰবাত কৰবাত গল্প উপন্যাস লিখিবলৈ শিকোৱা কাৰখানা আছে। তেনে কাৰখানাৰ বিষয়বস্তু নিৰ্ব্বাচন; কাহিনী পৰিৱেশনৰ কৌশল (টেকনিক) আদিৰ প্ৰশিক্ষণ দিয়া হয়; কিন্তু শুদ্ধ ব্যাকৰণৰ জ্ঞানে যেনেকৈ নিৰ্ভুল ৰচনা লিখিবলৈ শিকালেও, সৃজনী-মূলক সাহিত্য সৃষ্টি কৰিবলৈ প্ৰেৰণা বা যোগ্যতা দান কৰিব নোৱাৰে, সেইদৰে কেৱল আঙ্গিকৰ বৈশিষ্ট্য বা পৰিপূৰ্ণতাই (Perfection of technique) কোনো নিটোল সৃষ্টি সম্ভৱ কৰি তুলিব বুলি আশা কৰিব নোৱাৰি।

নিজেই চুটি গল্প লিখা আৰম্ভ কৰি বেজবৰুৱাই নিজেই বিভিন্ন বিষয়ৰ আৰু বিভিন্ন ধৰণৰ বহুত গল্প লিখি থৈ গ'ল। সাহিত্যিক মূল্যা-য়নৰ তুলাচনিৰে জুখিলে আকাৰতকৈ গুণৰ পৰিমাণ তাকৰ বুলি প্ৰমাণিত হব পাৰে, কিন্তু তেনে নহয় কাৰ?

বেজবৰুৱাৰ পিছত চেগাচেৰেকাকৈ বহুতে চুটি গল্প লিখিলে। সৰহ ভাগ এতিয়া দুষ্প্ৰাপ্য হোৱা আলোচনীৰ পাতত থাকিল। বহুত গল্পৰ দৰেই বহুত লিখকো কালৰ বুকত হেৰাই গ'ল। কিন্তু অসমীয়া ভাষাত চুটিগল্প লিখাৰ ঐতিহ্য আৰু পৰম্পৰাত ছেদ নপৰিল। এইবোৰ গল্পত বিষয়বস্তুৰ বিভিন্নতা আৰু বৈচিত্ৰ থাকিলেও আঙ্গিকৰ কোনো বিশেষ অভিনৱত্ব নাছিল।

১৯২০ চনৰ পৰা ১৯৩০ চনৰ ভিতৰত ৰচিত হোৱা চুটি-গল্পবোৰত আঙ্গিকৰ বৈশিষ্ট্য অথবা পৰীক্ষা নিৰীক্ষা নাইবা পৰিবৰ্দ্ধন নাইবা (New experiments বা development of technique) বিশেষ হোৱা নাছিল। দৈৱচন্দ্ৰ তালুকদাৰ, দণ্ডিনাথ কলিতা আদিৰ গল্পত

যুগ চেতনা আৰু সমাজ চেতনা প্ৰকট, কিন্তু আঙ্গিকৰ ক্ষেত্ৰত বেজবৰুৱাতকৈ বেছি আগবঢ়া নহয়।

'আবাহন যুগ'ক যদি অসমীয়া চুটি গল্পৰ সোণালী যুগ আখ্যা দিয়া যায়, তেন্তে তাৰ যথাৰ্থতাৰ স্বাক্ষৰ বিষয়বস্তুৰ নতুনত্ব আৰু ৰচনাৰীতি-সচেতন বৈচিত্ৰ্যও স্পষ্টভাৱে দেখা যাব। আবাহনে কেইজনমান আশাশুধীয়া চুটি গল্প লিখকক সুপ্ৰতিষ্ঠিত কৰিলে আৰু তেওঁলোকৰ অৱদানে পিছত স্থায়ী স্বীকৃতি লাভ কৰিলে। ত্ৰৈলোক্যনাথ গোস্বামী, ইন্দ্ৰীৱৰ গগৈ, ৰাধিকামোহন গোস্বামী, লক্ষ্মীনাথ ফুকন, নগেন্দ্ৰনাৰায়ণ চৌধুৰী আদি লিখকে সমসাময়িক জীৱনৰ চিত্ৰ আৰু সমস্যাৱলীক গল্পাকাৰে সফলভাৱে দাঙি ধৰিলে। সীমাবদ্ধ পৰিসৰৰ মাজত সমস্যাবহুল জীৱন-চিত্ৰ ফুটাই তোলাত তেওঁলোকৰ দক্ষতা অনস্বীকাৰ্য্য আৰু তেওঁলোকৰ সংযত আৰু সৰল বক্তব্যও উল্লেখনীয়; কিন্তু আঙ্গিকৰ বৈচিত্ৰ বা বৈশিষ্ট্য তেওঁলোকৰ সীমাবদ্ধ। আঙ্গিকেৰে নিজৰ বিশেষত্ব প্ৰতিষ্ঠা কৰিলে মনোৰম গল্প লিখক ৰমা দাসে। সেই সময়ৰ নব্য-সমাজত 'এলাইট'সকলৰ প্ৰেম প্ৰণয়, সঙ্কোচ আৰু 'মেনাৰিজম' ৰব দক্ষতাৰে দাসে চুটি গল্পত জীৱন্ত কৰি দাঙি ধৰিলে। বিষয়বস্তুৰ লগত খাপ খোৱা ভাষা, মনোগ্ৰাহী বৰ্ণনা গল্পৰ আৰম্ভনি মধ্যবৰ্ত্তী অৱস্থা আৰু সামৰণিৰ কলা-সুলভ চিত্ৰন আৰু বৰ্ণন তেওঁৰ গল্পৰ এক বিশেষ আকৰ্ষণ। যৌন মনস্তত্ত্ব, পুৰুষ নাৰীৰ যৌন সম্পৰ্ক আৰু মানুহৰ মনোজগতৰ বৈচিত্ৰময় সংঘাতক গল্পৰূপ দিয়াত ৰমা দাসৰ দক্ষতা লিখকৰ নিজস্ব বৈশিষ্ট্যৰে সমৃদ্ধ। মুনীন বৰকটকী, কৃষ্ণ ভূঞা, বীণা বৰুৱা (বিৰিঞ্চি বৰুৱা) গল্প ৰচনাৰ সচেতন কুশলী। ৰমা দাসৰ চুটি গল্পক যদি "এছথেটিক ক্ৰিয়েচন' আখ্যা দিয়া হয়, তেন্তে এওঁলোকৰ গল্পক সমস্যা-সচেতন কলা সৃষ্টি বুলিব পাৰি। কিন্তু এওঁলোকৰ আঙ্গিক চেতনা লক্ষ্মীধৰ শৰ্ম্মা, হলীৰাম ডেকা, মহীচন্দ্ৰ বৰা আদিতকৈ যে অধিক প্ৰখৰ গল্পবোৰে তাৰ প্ৰমাণ দিয়ে।

লক্ষ্মীধৰ শৰ্মা পটু কাহিনীকাৰ আছিল। ৰমা দাসৰ বৰ্ণনাৰ ৰোমান্তিক ঠুনুকা নমনীয়তা তেওঁৰ গল্পত বৰ বেছি নাই যদিও আৰু 'ব্যৰ্থতাৰ দান' 'চিৰাজ' আদি গল্প যথেষ্ট বস্তুনিষ্ঠ যদিও, কিছুমান গল্প ৰচনাত শৰ্মাই আঙ্গিকৰ প্ৰতি সচেতন দৃষ্টি ৰাখিছিল। মোপাছাঁ বহুতৰে আদৰ্শ আৰু প্ৰেৰণা আছিল যদিও, আইভান বুনিন, টুৰ্গেনেভ, এ. এ. মিলান, গ্ৰাহাম গ্ৰীন আদিৰ আঙ্গিকো অসমীয়া গল্প লিখকসকলৰ অপৰিচিত নাছিল।

বেজবৰুৱাৰ ৰচনাৰ গতিশীলতা আৰু উচ্ছলতাৰ সোঁতত লঘু গুৰু

বিভিন্ন চিত্ৰ আৰু বৰ্ণনা মিহলি হৈ পৰিছিল। বহু সময়ত তেওঁ অস্থানতো হাস্যৰসৰ পৰিৱেশন কৰি ৰসভঙ্গ নকৰাও নহয়। চুটি গল্পতো এনে দৃষ্টান্ত দেখা যায়। এই পদ্ধতিৰ ঐতিহ্যবাহী হিচাপে নহলেও পৰম্পৰাৰ অনুগামী হিচাপে আৱাহন যুগৰ গল্পকাৰ মহীচন্দ্ৰ বৰা আৰু হলিৰাম ডেকায়ো অসমৰ আমোলা শ্ৰেণীৰ জীৱন আৰু কাৰ্য্য-কলাপৰ লঘু দিশটোত আমোদজনক আলোকপাত কৰিছিল। এই বিষয়ত মহীচন্দ্ৰ বৰাৰ সৃষ্টি এক সুস্থ হাস্যৰসৰ বৈহ্নেৰে উজ্জ্বল। ইয়াৰ কাৰণে বৰাই গল্প ৰচনাত এক নতুন কৌশল প্ৰয়োগ কৰিছিল; কিছু লঘু নাটকীয়তা, পৰিৱেশ সৃষ্টি আৰু জীৱন্ত কথোপকথনৰ মাজেদি কাহিনীৰ অগ্ৰগতি আৰু পৰিসমাপ্তি ঘটোৱাত বৰাৰ দক্ষতা একক। সম্পূৰ্ণ এটা গল্পক শ্লেষৰ নিৰ্দোষ ৰূপদান কৰি উপাদেয় আৰু সুখপাঠ্য কৰি তোলাত বৰাৰ কৌশল অননুকৰণীয় আছিল। অসমৰ সংস্কাৰাচ্ছন্ন গাৱলীয়া সমাজ আৰু সমসাময়িক নব্য শিক্ষিত নগৰীয়াসকল যদি বেজবৰুৱাৰ লঘু সমালোচনাৰ পাত্ৰ আছিল, তেন্তে মহীচন্দ্ৰ বৰা আৰু হলীৰাম ডেকাৰ গল্পৰ সমল যোগাইছিল নগৰীয়া আমোলা মহৰীৰ আচৰণ-বিচৰণ, ত্ৰুটি-বিচ্যুতি আদিয়ে। ইয়াৰ কাৰণে দুয়ো গল্প লিখাৰ স্বকীয়া ৰীতি আৰু কৌশল প্ৰয়োগ কৰিছিল। সামান্য কৃত্ৰিমতাই ঠাই পাইছিল যদিও, এওঁলোকৰ ৰচনাৰ গতিশীলতা আৰু আৰু চতুৰতা আকৰ্ষণীয়।

দ্বিতীয় মহাসমৰে অসমীয়া সাহিত্যৰ ওপৰত যি আঘাত হানিলে চুটি গল্পও তাৰ বলি নহৈ নাথাকিল। যুদ্ধ শেষ নোহোৱা পৰ্যন্ত অসমীয়া সাহিত্যই মূৰ দাঙি উঠিব পৰা নাছিল। যুদ্ধই বিশৃঙ্খলা যি ধ্বংস আৰু পৰিবৰ্তন সাধন কৰিলে, তাৰ বেগুনি অসমৰ চিন্তা আৰু সৃষ্টিৰ জগতত্তো নপৰি নাথাকিল। জীৱনৰ প্ৰতি দৃষ্টিভঙ্গী আৰু নতুন পৰিস্থিতি আৰু পৰিৱেশৰ নতুন মূল্যায়নৰ প্ৰয়াস চিন্তাশীল কবি-সাহিত্যিক-গল্পকাৰৰ লিখনীত স্পষ্ট-অস্পষ্ট ৰূপত প্ৰকাশ পালে। যুদ্ধ পৰৱৰ্তী যুগৰ মনোধৰ্মীতাৰ ঠাইত বস্তুধৰ্মী পৰ্যবেক্ষণ আৰু প্ৰকাশ ক্ৰমে গভীৰ হৈ উঠিল। আৱাহন যুগতেই গল্প লিখাৰ বিবোৰ কলা-কৌশলৰ স্বকীয়তাই বিশিষ্টতা লাভ কৰিছিল, যুদ্ধ পৰৱৰ্তীকালত সেইবোৰৰ বিশেষ বিকাশ সাধন নহলেও, লিখকসকলৰ নতুন শক্তিশালী আৰু বাস্তৱধৰ্মী মনোভঙ্গীয়ে নাটকীয়তা আৰু কৃত্ৰিমতাৰ পৰিবৰ্তে স্বাভাৱিকতা আৰু বস্তুনিষ্ঠতাক অধিক প্ৰাধান্য দিলে।

১৭

সমাজ সচেতন গল্প লিখক বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ, যোগেশ দাসৰ, অথবা ভবেন শইকীয়াৰ গল্পত আঙ্গিকতকৈ বিষয়বস্তুৱে অধিক মনোযোগ লাভ কৰিলে। বৰ্ণনা আৰু কথোপকথন অধিক স্বাভাৱিক আৰু বাস্তৱধৰ্মী হ'ল, সংযম আৰু মিতব্যয়িতাই গল্পবোৰক কলাসুলভ কৰি তুলিলে। টেক্‌নিক সৰ্ব্বস্বতা প্ৰয়োজনীয় বুলি বিবেচিত নোহোৱা হ'ল, কিন্তু গল্প কোৱাৰ স্পষ্টবাদিতা, বলীষ্ঠতা আৰু স্বাভাৱিকতা প্ৰায় নিয়মত পৰিণত হ'ল। খণ্ড কবিতাৰ নিচিনাই চুটি গল্পও যে এক স্বয়ং সম্পূৰ্ণ কলাসৃষ্টি, এই কথা এই কেইজন গল্প লিখকে লিখনীৰ মাজত প্ৰতিষ্ঠা কৰিলে। আৱাহন যুগৰ গল্পৰ সুৰুচি, শালীনতা আৰু ৰুচিসন্মত মিতব্যয়িতা যুদ্ধ পৰৱৰ্ত্তী গল্পত নোহোৱা হৈ নগলেও, সেয়ে গল্পৰ উপজীব্য হৈ নাথাকিল। বাস্তৱৰ যথাৰ্থ চিত্ৰায়ণৰ প্ৰয়োজনত গল্পৰ আঙ্গিক যিদৰে অনাড়ম্বৰ আৰু কৃত্ৰিমতাবৰ্জিত হব ধৰিলে, তেনেকৈ আগৰ অব্যৱহাৰ্য্য বা অশ্লীল বুলি বিবেচিত বিষয় বস্তু, বৰ্ণনা আৰু উক্তি, কথোপকথন আদি ব্যৱহাৰৰ প্ৰতি মধ্যবিত্ত ৰুচিসুলভ সঙ্কোচ অথবা নেতিবাচক স্পৰ্শকাতৰতা নোহোৱা হৈ আহিল। হোমেন বৰগোহাঁই আৰু মেদিনী চৌধুৰীৰ গল্পত এই অভিনৱত্ব বিশেষত্ব হিচাপে ওলাই পৰিল। জয়ন্তী, সুৰভি, আৱাহন যুগত যদি জীৱন আৰু জগত ভাগ্য আৰু পুৰুষাকাৰৰ আলোচনা গল্পৰ প্ৰিয় বিষয়বস্তু হৈ উঠিছিল, যুদ্ধোত্তৰ যুগৰ গল্পত সেইবোৰৰ ঠাইত ব্যক্তি আৰু সমাজ আহিল আৰু নৈতিকতা, দাৰিদ্ৰ্য আৰু পাপ চেতনা, মানৱতাৰ পুনঃপ্ৰতিষ্ঠা আৰু এক ব্যাপক অসন্তুষ্টি আৰু বিৰোধ (nonconfarmism) বলীষ্ঠভাবে প্ৰকট হৈ উঠিল। কোনো ব্যক্তিৰ নহয়, বঞ্চিত আৰু সৰ্ব্বহাৰা, শ্ৰেণীৰ তথা মানুহৰ নতুন সঙ্কল্প আৰু সংগ্ৰামৰ নিশ্বাস ব্যক্ত হৈ উঠিল। স্বাধীনতাৰ পিছৰ কৰুণ স্বপ্নভঙ্গয়ো লিখকসকলৰ বক্তব্য আৰু সুৰত উষ্ণতা আৰু দৃঢ়তা দিলে। ইয়াৰ বাবে যি নতুন আঙ্গিকৰ প্ৰয়োজন হ'ল, সি আপোনা-আপুনিয়েই ৰূপ লৈ উঠিল। যোগেশ দাস আৰু বীৰেশ্বৰ বৰুৱাৰ গল্পত যদিও সূক্ষ্ম আৰু জটিল মনোবিশ্লেষণৰ প্ৰচেষ্টা উৰ্মিহীনভাবে চলি থাকিল, তথাপি আন কেইজনমান লিখকে ৰাজনৈতিক দৃষ্টিকোণেৰে অথবা সাধাৰণ মানৱীয় দৃষ্টিকোণেৰে জীৱনৰ সমস্যাৱলীৰ চিত্ৰন আৰু বিশ্লেষণ কৰিবলৈ লওঁতে চুটি গল্পৰ আঙ্গিকেও কিন্তু নতুন ৰূপ নলৈ নাথাকিল। সৌৰভ চলিহাৰ গল্পৰ কথনৰীতিৰ নিজস্ব বৈশিষ্ট্য আছে। সামান্য একোটা ঘটনা, পৰিস্থিতি অথবা মানসিক বিৱৰণ তেওঁ গল্পৰ আকাৰত আটক ধুনীয়াকৈ

সজাই পৰিৱেশন কৰিব জানে। এই বিষয়ত তেওঁ যি দক্ষতা অৰ্জন কৰিছে, তাৰ মাজেদি মননশীলতা, সৌকুমাৰ্য্য আৰু সূক্ষ্ম বস্তুনিষ্ঠ পৰ্য্যবেক্ষণ শক্তিৰ এক দুৰ্লভ সমাহাৰৰ আভাষ স্পষ্ট হৈ উঠিছে। নগেন শইকীয়াই চুটি গল্প কোৱাৰ বিভিন্ন কৌশলৰ ওপৰত চলোৱা পৰীক্ষাই শেষত কেনেদৰে স্থায়ী গঢ় লৈ উঠিব এতিয়াই কবলৈ টান; কিন্তু বিমূৰ্ত অনুভূতি অথবা জটিল মানসিক সংঘাতআদিক গল্প ৰূপ দিয়াৰ এক প্ৰচেষ্টা শইকীয়াই চলাই আছে। ইয়াৰ বাবে আঙ্গিকৰ প্ৰয়োগ প্ৰয়োজন অনুসৰি কৰিবলগীয়া হৈছে।

চন্দ্ৰপ্ৰসাদ শইকীয়া আৰু ইমৰাণ শ্বাহৰ শব্দ আৰু প্ৰকাশ ভঙ্গীৰ প্ৰতি থকা বিশেষ সচেতনতাই, বিষয় বস্তু সবল নহলেও তেওঁলোকৰ গল্পবোৰক সৰসতা আৰু সাবলীলতা দান কৰিছে। চমাৰচেট মমৰ গল্প লিখাৰ কৌশলৰ অনিবাৰ্য্যতা যদিও তেওঁলোকৰ গল্পত নাই, তথাপি এওঁলোকৰ পৰিৱেশন কলাৰ এটা বৈশিষ্ট্য আছে।

কেইজনমান পুৰণি গল্প লিখকে এতিয়াও কম বেছি লিখি আছে আৰু সম্ভাৱনা থকা নতুন গল্পকাৰো কেইজনমান ওলাইছে। গল্পকাৰৰ ব্যক্তিগত ৰীতি বা ষ্টাইলক আমি আঙ্গিক বুলিব নোৱাৰো, যদিও বৈশিষ্ট্য থাকিলে আৰু লিখকৰ নতুন নতুন সৃষ্টিৰ মাজত এক অগতানুগতিক নিজস্বতা প্ৰকাশ পালে, তাক এক নতুন আঙ্গিকৰ লক্ষণ বুলি ধৰাৰ থল থাকিব পাৰে।

যুদ্ধ-পৰৱৰ্ত্তী কালৰ অসমীয়া গল্পকাৰসকলৰ উদ্ভাৱন শক্তি, গভীৰ বিশ্লেষণ-প্ৰতিভা, যুগচেতনা আৰু সামাজিক দায়িত্ববোধৰ মূল্য অকনো অস্বীকাৰ নকৰাকৈও, গল্পৰ আঙ্গিকৰ বিষয়ত এই কথা কব পাৰি যে চুটি গল্পৰ সম্ভাব্য প্ৰায়বোৰ আঙ্গিক বৈচিত্ৰই আৱাহন যুগতে পুষ্টি লাভ কৰিছিল। যুদ্ধ পৰৱৰ্ত্তীকালৰ গল্পত নতুন নতুন বিষয়বস্তু নিৰ্বাচন, গভীৰতৰ আৰু ব্যাপকতাৰ বিশ্লেষণ আৰু প্ৰকাশৰ বলীষ্ঠতা আৰু নিৰাড়ম্বৰতা আৰু চিত্ৰ-ধৰ্মীতা আৰু গল্প কোৱাৰ এক উদ্দেশ্যধৰ্মিতা এনেভাৱে প্ৰকাশ পাইছে যে আঙ্গিকৰ গতানুগতিকতা বা অভিনৱত্বই গল্পকাৰৰ গুনাগুন নিৰ্ণয়ৰ অপেক্ষা নেৰাখে। এক বিজ্ঞান সন্মত মননশীলতা, matter of fact কথা ৰীতিয়ে বৰ্ত্তমান অসমীয়া চুটিগল্পৰ বিশিষ্ট আঙ্গিকৰ ৰূপ লৈছে বুলি আমি কব পৰা হৈছোঁ। কিন্তু নাটক ৰচনাত টেকনিকৰ যি গুৰুত্ব আছে, চুটিগল্পত সেই গুৰুত্ব নাই। আংশিক বা সামগ্ৰিক আবেদন সৃষ্টিৰ প্ৰয়োজনত যি ৰচনা কৌশল প্ৰয়োগ কৰা হয়, সি অকৃত্ৰিম আৰু স্বাভাৱিক হলেই অধিক মনোগ্ৰাহী হয়। আমাৰ বৰ্ত্তমানৰ গল্পলিখকসকলে এই কথা উপলব্ধি কৰিছে—ই আশাপ্ৰদ লক্ষণ।

অসমীয়া সাহিত্য আৰু সংবাদ-পত্ৰ

(যুদ্ধোত্তৰ যুগ)

শ্ৰীকমল গগৈ

মাৰ্কিণ প্ৰেছিডেণ্ট জেফাৰছনে কৈছিল, "বাতৰি কাকত নথকা চৰকাৰতকৈ চৰকাৰ নথকা বাতৰি কাকতকে মই অধিক পছন্দ কৰিলোঁহেঁতেন।" কিন্তু তেওঁ লগতে কৈছিল "প্ৰতিজন লোকে সেই বাতৰি কাকতবোৰ পাব লাগিব আৰু কাকতবোৰ পঢ়িব পৰা হব লাগিব।" মাৰ্কিণ যুক্তৰাজ্যৰ দৰে পাশ্চাত্য গণতন্ত্ৰৰ দেশত বাতৰি কাকতৰ ভূমিকাৰ ওপৰত কিদৰে গুৰুত্ব আৰোপ কৰা হয় তাক জেফাৰছনৰ এই এষাৰ কথাৰ পৰাই উপলব্ধি কৰিব পৰা যায়। প্ৰতিজন লোকে বাতৰি কাকত পঢ়িব পৰা হলে আৰু বাতৰি কাকত পঢ়িবলৈ পালে, নাগৰিক দায়িত্ব সম্পৰ্কে সকলো সচেতন হব পাৰিব আৰু তেতিয়া চৰকাৰৰো হয়তো প্ৰয়োজন নাথাকিব। সেইকাৰণে মাৰ্কিণ প্ৰেছিডেণ্টজনৰ উক্তি সম্পূৰ্ণ অতিৰঞ্জিত নহয়। কিন্তু এয়া ৰাজনৈতিক দৃষ্টিভঙ্গীৰ বিচাৰ। সামাজিক দিশত, সাহিত্য সংস্কৃতিৰ দিশত সংবাদপত্ৰৰ ভূমিকা কিমান তাৰো আলোচনা কৰিব লগা আছে।

আন এজন মাৰ্কিণ লোকে কৈ গৈছে—"বাতৰি কাকত সৰ্বসাধাৰণৰ শিক্ষক। সেই অনন্ত পুথি বাতৰি কাকত আমাৰ ৰাষ্ট্ৰীয় গৌৰৱৰ সমল।" এয়া, মানৱ জীৱনত বাতৰি কাকতে সকলো দিশত গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ স্বীকৃতি। সেয়ে বাতৰি কাকতে সমাজ আৰু ব্যক্তিৰ সৰ্বতোমুখী বিকাশত অৰিহণা যোগায় বুলি কোৱাৰ যুক্তি আছে। ভাৰতৰ উন্নয়নশীল সমাজখনৰ বিভিন্ন দিশ বিশ্লেষণ কৰি চালে বাতৰি কাকতৰ বহুমুখী অৱদানৰ বিষয়ে উপলব্ধি কৰিব পৰা যায়। ৰেডিঅ' আৰু টেলিভিছনৰ দৰে আধুনিক যুগৰ প্ৰচাৰ মাধ্যমে প্ৰতিটো পৰিয়াল স্পৰ্শ কৰিব

নোৱাৰা ভাৰতত বাতৰি কাকতৰ ভূমিকা হয়তো আৰু কেইবা দশকলৈকে অম্লান হৈ থাকিব।

ভাৰতত বাতৰি কাকতৰ বিকাশ সাধনৰ ইতিহাস যথেষ্ট সংঘাতপূৰ্ণ। ভাৰতৰ স্বাধীনতাৰ আন্দোলনে দেশবাসীৰ মনত যি আলোড়নৰ সৃষ্টি কৰিলে সেয়ে সংবাদপত্ৰ আৰু সাংবাদিকতাৰ বিকাশতো অৰিহণা যোগালে। কিন্তু বিদেশী চৰকাৰৰ পক্ষৰ পৰা সংবাদপত্ৰৰ উন্নতি সাধনত নানা বিধি অধি-নিয়মৰ যোগেদি সদায় প্ৰতিবন্ধক সৃষ্টি কৰা হৈছিল। সেই কাৰণে ভাৰতত সংবাদপত্ৰ আৰু সাংবাদিকতাৰ বিকাশ যথেষ্ট মন্থৰ গতিৰ হৈছিল। ভাৰতৰ শিক্ষিত সমাজৰ অদম্য প্ৰেৰণা আৰু দেশাত্মবোধেহে সীমিত সংখ্যাৰ বাতৰি কাকতৰ প্ৰকাশ অব্যাহত ৰাখিবলৈ ধৈৰ্য্য আৰু সাহস যোগাইছিল। সেই সময়ছোৱাত সাংবাদিকতা আছিল দেশ সেৱা। সাংবাদিকতাক এটা বৃত্তি বুলি গন্য কৰা নহৈছিল। তথাপি এই অৱস্থাৰ মাজেদিয়েই ভাৰতৰ সংবাদপত্ৰই সমাজ আৰু ব্যক্তিৰ উৎকৰ্ষ সাধনৰ বাবে অৰিহণা আগ-বঢ়াই আহিছিল। সেই অৰিহণা আজি অৰ্দ্ধ শতাব্দী বা তাৰ পাছতো পৰম সন্তুষ্টিৰে স্মৰণ কৰিব পৰা গৈছে।

অসম এই সৰ্বভাৰতীয় গতিধাৰাৰ ব্যতিক্ৰম নাছিল। অসমতো সংবাদপত্ৰই সমাজৰ বিৱৰ্তনত এক উল্লেখযোগ্য অৱদান আগবঢ়াইছিল। অসমত সংবাদপত্ৰ যুগৰ সূচনা হৈছিল—উনৈশ শতিকাৰ পঞ্চাশৰ দশকত। ১৮৪৬ চনৰ জানুৱাৰী মাহত শিৱসাগৰৰ দিখৌৰ পাৰত সংবাদপত্ৰৰ অৰুণোদয় হৈছিল। বেপ্টিষ্ট মিছনেৰীসকলে ধৰ্ম, বিজ্ঞান আৰু সাধাৰণজ্ঞান বিষয়ক মাহেকীয়া আলোচনী (Monthly paper), 'অৰুণোদই সম্বাদ পত্ৰ' প্ৰকাশ কৰিছিল। মিছনেৰীসকলে প্ৰকাশ কৰা আলোচনীৰ মূল উদ্দেশ্য যে খৃষ্টান ধৰ্ম প্ৰচাৰ সেই সম্পৰ্কে সন্দেহ কৰিব লগা নাছিল। তথাপি ই অসমীয়া ভাষা, সাহিত্য আৰু সমাজৰ পৰিবৰ্তনত যি বৰঙণি দিলে তাক অসমীয়া সমাজে পাহৰিব নোৱাৰে। ডঃ নেওগে কৈছে, "এই কাকতেই অসমীয়া পাঠকৰ মানসিক দিগন্ত প্ৰসাৰিত কৰি দিলে আৰু ই আমাৰ সামাজিক-ৰাজনৈতিক জীৱনৰ বহুতো ঘটনাৰ সাক্ষী হৈ ৰ'ল। তাতোকৈও ডাঙৰ কথা, এই কাকতেই অসমীয়াক আত্মপ্ৰত্যয়ী কৰিলে, আৰু অসমীয়া মানুহে বিচাৰক বা নিৰ্বিচাৰক, অসমীয়া ভাষাৰ শিক্ষা আৰু প্ৰশাসনৰ বাহন হোৱাৰ দাবী একত কৰি তুলিলে।" কাৰণ 'অৰুণোদই'ত দেশ-বিদেশৰ বতৰা, কাহিনী আৰু জীৱনী, নীতিশিক্ষা-মূলক গল্প, জ্ঞান-বিজ্ঞানৰ বা-বাতৰি, অসম তথা ভাৰতৰ বুৰঞ্জীৰ কথা

প্ৰকাশ কৰা হৈছিল। 'অৰুণোদই'য়ে একালত অসমীয়াৰ মাজত এনে প্ৰভাৱ বিস্তাৰ কৰিছিল যে 'অৰুণোদই' আৰু বাতৰি কাকত বা আলোচনী সমাৰ্থক হৈ পৰিছিল। এই আলোচনীখনৰ জৰিয়তেই অসমীয়া পাঠক পাশ্চাত্যৰ জ্ঞান-বিজ্ঞান আৰু চিন্তাধাৰাৰ লগত পৰিচিত হৈ উঠিছিল। অসমীয়া সমাজৰ পৰিবৰ্তনত এই 'সম্বাদপত্ৰ'খনৰ ভূমিকা সেইবাবে সদায় স্মৰণীয় হৈ থাকিব। ডঃ সত্যেন্দ্ৰনাথ শৰ্মাই 'অৰুণোদই'ৰ অৱদানৰ বিষয়ে আলোচনা কৰি লিখিছে যে অসমীয়া সাহিত্যৰ প্ৰথম আলোচনী-বাতৰি কাকত স্বৰূপে ইয়াৰ সাহিত্যৰ ইতিহাসত বিশেষ স্থান আছে। ইয়ে বঙালী ভাষাৰ প্ৰচলনৰ বিৰোধিতা কৰি অসমীয়া ভাষাক ন্যায্য স্থান পোৱাত সহায় কৰে, এইখন কাকতেই আনন্দৰাম ঢেকিয়াল ফুকন, নিধিৰাম লিবাই ফাৰোৱেল ; হেমচন্দ্ৰ বৰুৱা আদিৰ দৰে লিখকক সাহিত্য সেৱাৰ প্ৰেৰণা যোগায়, আৰু "অসমীয়া আলোচনী আৰু বাতৰি কাকত প্ৰৱৰ্তনৰ আদৰ্শ দাঙি ধৰি বাতৰি কাকত ব্যৱসায় তথা সাংবাদিকতাৰ সূচনা কৰে। 'অৰুণোদই'ৰ পৰা প্ৰেৰণা লাভ কৰিয়েই 'আসাম বিলাসিনী', 'আসাম মিহিৰ', 'আসাম দৰ্পন', 'আসাম নিউজ', 'আসাম বন্ধু' 'আসাম' আদি আলোচনী বাতৰি কাকত প্ৰকাশ পাইছিল। 'অৰুণোদই'ৰ দৰে এইবিলাক আলোচনী আৰু সংবাদ পত্ৰৰ জীৱনকাল দীৰ্ঘলীয়া নাছিল যদিও এইবিলাকত প্ৰকাশিত সামগ্ৰীয়েও অসমৰ ভাষা-সাহিত্যৰ প্ৰতি উল্লেখযোগ্য অৱদান দিবলৈ সমৰ্থ হৈছিল। এইদৰে 'অৰুণোদই'য়ে সৃষ্টি কৰা পৰম্পৰা পৰৱৰ্তী কালছোৱাতো অব্যাহত আছিল।

বিংশ শতিকাৰ আৰম্ভণিৰ দশক আৰু তাৰ আগৰ দশকত অসমত কেইবাখনো বাতৰি কাকত আৰু আলোচনী প্ৰকাশ পাইছিল। প্ৰকৃততে-কবলৈ গ'লে ১৮৯৪ চনত গুৱাহাটীৰ পৰা প্ৰকাশ পোৱা 'আসাম' নামৰ জাতীয়তাবাদী সাদিনীয়া কাকতখনেহে অসমত সংবাদপত্ৰ যুগৰ সূচনা কৰিছিল। এই কাকতখনৰ যুটীয়া সম্পাদক আছিল সেই সময়ৰ বিশিষ্ট লোক আৰু সাহিত্যসেৱী মাণিকচন্দ্ৰ বৰুৱা আৰু কালীৰাম বৰুৱা। ইয়াৰ পাছত ১৯০২ চনত 'আসাম বন্তি' প্ৰকাশ পালে। একে বছৰতে ডিব্ৰুগড়ৰ পৰা 'দি ইষ্টাৰ্ণ হেৰাল্ড' আৰু 'চিটিজেন' নামৰ দুখন ইংৰাজী সাদিনীয়া কাকত ওলাইছিল। 'টাইমছ অব্ আচাম' অৱশ্যে ১৮৯৬ চনতে প্ৰকাশ পাইছিল। 'উষা' (১৯০৭) আৰু 'বাঁহী'ৰো (১৯০৯) জন্ম হৈছিল, বিংশ শতিকাৰ আৰম্ভণিৰ দশকতে। এই বাতৰি কাকত আৰু আলোচনীসমূহৰ যোগেদি অসমীয়া ভাষা আৰু সাহিত্যৰ শ্ৰীবৃদ্ধিত

কি পৰিমাণে বৰঙণি যোগোৱা হৈছিল, তাক ভাষা আৰু সাহিত্যৰ ইতিহাস অধ্যয়ন কৰা সকলে ভালদৰে জানে।

অসমত বাতৰি কাকত আৰু আলোচনীৰ বিস্তৃতি সাধনত প্ৰথম মহাযুদ্ধই সাময়িকভাৱে হলেও কিছু বাধাৰ সৃষ্টি কৰা দেখা গৈছিল। এই সময়ছোৱাত সাদিনীয়া 'অসমীয়া' (১৯১৮) আৰু 'চেতনা' (১৯১৯)ৰ বাহিৰে আন উল্লেখযোগ্য বাতৰি কাকত প্ৰকাশ পোৱা নাছিল। অৱশ্যে বাঁহী আৰু আন কেইখনমান আলোচনী চলি আছিল। ছাত্ৰ সন্মিলনৰ ফালৰপৰা 'জন্মভূমি' আৰু 'মিলন' নামৰ আলোচনীও নিয়মমতেই প্ৰকাশ পাই আছিল। 'অসমীয়া' আৰু 'চেতনা' দুয়োখন কাকত গুৱাহাটীৰ পৰা প্ৰকাশ পাইছিল। 'চেতনা'ৰ মূল কথা আছিল জাতীয়তাবাদ। অসমীয়াৰ স্বকীয়তা সংৰক্ষণৰ বাবে অসমৰ জনসাধাৰণক উদ্বুদ্ধ কৰাই এইখন কাকতৰ লক্ষ্য আছিল যদিও ইয়াৰ প্ৰবন্ধসমূহৰ মান উচ্চস্তৰৰ আছিল। সাদিনীয়া 'অসমীয়া'ৰ প্ৰতিষ্ঠাতা আছিল জোনাকী যুগৰ কবি সাহিত্যিক চন্দ্ৰকুমাৰ আগৰৱালা। চন্দ্ৰকুমাৰ আগৰৱালা অসমীয়া ভাষাত ৰোমাণ্টিচিজমৰ প্ৰবৰ্তক 'জোনাকী' কাকতৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল। এইজন লোকৰ তত্বাৱধানত চলা বাতৰি কাকতৰ অন্যতম লক্ষ্য যে সাহিত্য সেৱা আছিল তাক কোৱা নিষ্প্ৰয়োজন। সাদিনীয়া অসমীয়াৰ সম্পাদক স্বৰূপে কাৰ্য্যনিৰ্বাহ কৰা মহেশ্বৰ বৰুৱা, অমিয়কুমাৰ দাস, লক্ষ্মী ফুকন, মোহন মহন্ত, ডিম্বেশ্বৰ নেওগ, জ্যোতিপ্ৰসাদ আগৰৱালা, পদ্মধৰ চলিহা, আনন্দচন্দ্ৰ বৰুৱা আদি সকলোৱেই একোজন বিশিষ্ট সাহিত্যিক। সাদিনীয়া 'অসমীয়া'ই অসমত সাংবাদিকতাৰ প্ৰেৰণা জগাই তুলিলে। জাতীয়তাবাদীৰ ভাৱধাৰা ক্ৰমানুয়ে বিস্তৃত হৈ পৰাতো এইখন কাকতে যোগোৱা বৰঙণিৰ কথা পাহৰিব নোৱাৰি।

প্ৰথম মহাযুদ্ধ আৰু অসহযোগ আন্দোলনৰ প্ৰতিক্ৰিয়া ক্ৰমে অন্তৰ্হিত হোৱাৰ পাছত তৃতীয় দশকৰ শেষৰ ফালে কেইখনমান বাতৰি কাকতে জন্ম লাভ কৰিছিল। তাৰ ভিতৰত যোৰহাটৰ পৰা কীৰ্তিনাথ বৰদলৈৰ সম্পাদনাত ওলোৱা 'সাদিনীয়া বাইজ' (১৯২৭) আৰু শ্ৰীনীলমণি ফুকনে সম্পাদনা কৰা 'দৈনিক বাতৰি' (১৯২৯) উল্লেখযোগ্য বাতৰি কাকত।

অসমীয়া সাহিত্যত ১৯৩০ৰ পৰা ১৯৪৩ লৈকে অনুৰ্বৰ যুগ চলিছিল বুলি ডঃ সত্যেন্দ্ৰনাথ শৰ্মাই উল্লেখ কৰিছে। এই সময়ছোৱাত সাহিত্য সেৱাৰ গতি মন্থৰ হোৱাৰ কেইবাটাও কাৰণ আছিল। মহাযুদ্ধৰ পাছৰ অৰ্থনৈতিক প্ৰতিক্ৰিয়া সমগ্ৰ বিশ্বত বিস্তৃত হৈ পৰিছিল; তাৰ ফলত

অসমতো অৰ্থনৈতিক মন্দা পৰিলক্ষিত হৈছিল। ইয়াৰ উপৰিও মহাত্মা গান্ধীৰ নেতৃত্বত চলা অসহযোগ আন্দোলনে জনসাধাৰণৰ চিন্তাৰ সুঁতি আন ফালে ঘূৰাই দিছিল। সেইকাৰণে এই দশকটোত প্ৰকাশিত গ্ৰন্থৰ সংখ্যাও নগণ্য আছিল। 'জোনাকী' আৰু 'বিজুলী' যুগৰ সাহিত্যিক-সকলৰ অধিকাংশৰে লিখনী ইতিমধ্যে স্থবিৰ হৈ পৰিছিল। চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, আনন্দচন্দ্ৰ আগৰৱালা আৰু পদ্মনাথ গোঁহাঞিবৰুৱাৰ দৰে সাহিত্যসেৱীসকলক বাৰ্দ্ধক্যই পূৰ্বৰ উৎসাহ উদ্দীপনাৰে সাহিত্যসেৱা কৰাত বাধা প্ৰদান কৰিছিল। অৱশ্যে বেণুধৰ ৰাজখোৱা, চন্দ্ৰধৰ বৰুৱা, ৰঘুনাথ চৌধাৰী, বেণুধৰ শৰ্মা, দুৰ্গেশ্বৰ শৰ্মা, অম্বিকাগিৰী ৰায়চৌধুৰী আদি কেইবাজনো লোকে আশাশুধীয়াকৈ সাহিত্যসেৱা কৰি আছিল। এটা অনুৰ্বৰ যুগ বুলি কোৱা হলেও এই দশকতে 'অসম সেৱক' (১৯৩২) নামৰ সাদিনীয়া কাকত আৰম্ভ হয়। এইখন কাকতৰ জৰিয়তে অসমৰ ৰাইজৰ মাজত ৰাজনৈতিক মতবাদ প্ৰচাৰ কৰিবলৈ চেষ্টা কৰা হৈছিল যদিও তাৰ মাজেদিয়ে সাহিত্য ক্ষেত্ৰতো অৱদান দিয়া হৈছিল। সেই সময়ত নতুন লিখক সৃষ্টি আৰু অসমীয়া ভাষাৰ সৌষ্ঠৱ বৃদ্ধিৰ বাবে এইখন কাকতৰ যোগেদি চেষ্টা চলোৱা হৈছিল।

চতুৰ্থ দশকৰ শেষৰ ফালে আৰম্ভ হৈছিল দ্বিতীয় মহাযুদ্ধ। এই মহাযুদ্ধৰ সামৰণি নোপৰোঁতেই ভাৰতৰ স্বাধীনতাৰ বাবে শেষ ব্যাপক আন্দোলন আৰম্ভ হৈছিল। ৪২ ৰ গণ-আন্দোলনত কিছু দিনৰ কাৰণে হলেও সামাজিক জীৱনত অচলতাই দেখা দিছিল। মহাযুদ্ধৰ ফলত দেশত দেখা দিয়া অভাৱ-অনাটন আৰু ৰাজনৈতিক অস্থিৰতাই সকলো ক্ষেত্ৰত প্ৰতিক্ৰিয়া কৰিছিল। সেইবাবে পুথিৰ প্ৰকাশ অতি সীমাবদ্ধ হৈ পৰিছিল। বাতৰি কাকতৰ প্ৰকাশতো প্ৰচুৰ বাধা পৰিছিল। সেইবাবে ১৯৪৭ চনত স্বাধীনতা লাভৰ সময়লৈকে সাহিত্যসেৱা আৰু সাংবাদিকতাৰ ক্ষেত্ৰত 'মন্দা' অৱস্থা চলিছিল। তথাপি তাৰ মাজতে ১৯৪৬ চনত সাদিনীয়া অসমীয়াৰ লগতে দৈনিক অসমীয়া কাকতৰ প্ৰকাশ এটা উল্লেখযোগ্য ঘটনা। দৈনিক অসমীয়াৰ জীৱনকাল দীঘলীয়া নহ'ল। কিন্তু জীৱনৰ দুটা বছৰৰ ভিতৰতে দৈনিক অসমীয়াই অসমৰ সামাজিক চিন্তাধাৰাত এটা পৰিবৰ্তন আনি দিয়াৰ লগতে সাহিত্য জগতলৈকো উল্লেখনীয় অৱদান আগবঢ়ালে। এইখন বাতৰি কাকতৰ লগত জড়িত শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য, শ্ৰীকীৰ্তিনাথ হাজৰিকা, ডঃ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য, শ্ৰীসদানন্দ চলিহাৰ দৰে লোক অসমীয়া সাহিত্য জগতত

সুপৰিচিত হৈ পৰিছে। এই সকল সাহিত্যিকে আন সহকৰ্মীসকলৰ লগ লাগি দৈনিক অসমীয়াৰ সুযোগ্য সম্পাদক শ্ৰীদেৱকান্ত বৰুৱা আৰু শ্ৰীহৰেন্দ্ৰনাথ বৰুৱাৰ নেতৃত্বত অসমীয়া সাহিত্য আৰু সাংবাদিকতাৰ এক নতুন ধাৰা প্ৰৱৰ্তনৰ প্ৰেৰণা দান কৰিছিল।

ডঃ মহেশ্বৰ নেওগে কৈছে "যুদ্ধৰ পিছত অসমীয়া সাহিত্যই নতুন গজালি মেলিবলগীয় হ'ল, আৰু এই গজালি মাটিৰ তলৰ আগৰ শিপাৰ পৰাই যদিও ওলাল, তাৰ ডাল-পাতবোৰ আগতকৈ সুকীয়া ধৰণৰ হ'ল।"

মহাযুদ্ধত অসমৰ জনসাধাৰণ বিশেষভাৱে বিপৰ্যয়ৰ সন্মুখীন হব লগা হৈছিল, কাৰণ যুদ্ধ অসমৰ দুৱাৰদলি পাইছিলহি। যুদ্ধকালীন অভাব-অনাটন, মানসিক উত্তেজনা, ভৱিষ্যতৰ অনিশ্চয়তা, আৰু একে সময়তে হোৱা ভাৰতৰ স্বাধীনতাৰ শেষ সংগ্ৰামৰ উৎসাহ-উদ্দীপনা, বিদেশী চৰকাৰৰ অন্যায়-উৎপীড়নৰ অভিজ্ঞতা অসমৰ শিক্ষিত, অৰ্দ্ধশিক্ষিত সকলোৰে অন্তৰত পুঞ্জীভূত হৈ পৰিছিল। সেই অভিজ্ঞতা আৰু অনুভূতিৰ বাবে বহুতেই বাতৰি কাকতকে মাধ্যম স্বৰূপে বিচাৰিছিল আৰু দৈনিক অসমীয়াই সেই সকলক যথাশক্তিৰে সুযোগ দিছিল। কিন্তু দৈনিক অসমীয়া দীৰ্ঘস্থায়ী নহ'ল।

তাৰ বাবে অসমৰ ৰাইজ আৰু অসমীয়া ভাষা-সাহিত্যই বিশেষ আক্ষেপ কৰিব লগা নহ'ল। ভাৰতৰ স্বাধীনতা লাভে সকলোৰে অন্তৰত উচ্ছাসৰ তৰঙ্গ তুলিছিল। শিক্ষিত সমাজে স্বাধীনতাৰ যোগেদি ব্যক্তি আৰু সমাজৰ সকলো আশা-আকাঙ্ক্ষাই পূৰ্ণতা লাভ কৰিব বুলি উৎফুল্ল হোৱা যেন দেখা গৈছিল। সেই কাৰণে ১৯৪৮ চনত 'দৈনিক অসমীয়া'ৰ অপ-মৃত্যুৰ কেইমাহমানৰ ভিতৰতে উজ্জ্বল ভৱিষ্যতৰ প্ৰতিশ্ৰুতি লৈ আন এখন দৈনিক বাতৰি কাকত 'নতুন অসমীয়া'ই জন্মলাভ কৰিলে। সংবাদপত্ৰ আৰু আলোচনী প্ৰকাশৰ প্ৰতি অৰ্থ-সম্পদ থকা শ্ৰেণীৰ দুই একৰ মনো-যোগ আকৰ্ষিত হ'ল। ইয়াৰ পাছৰ পৰা অসমত প্ৰকৃত অৰ্থত সংবাদ-পত্ৰ আৰু সাংবাদিকতাৰ যুগ আৰম্ভ হ'ল। অসমৰ জনসাধাৰণে বাতৰি কাকতৰ বৈত ভূমিকাৰ কথা উপলব্ধি কৰিবলৈ ধৰিলে। দেশ-বিদেশৰ সাধাৰণ বা-বাতৰি ৰাজনীতি, অৰ্থনীতিৰ লগতে ভাষা-সাহিত্যৰ গতি-ধাৰাৰ লগত নিজক পৰিচিত কৰিবলৈ বাতৰি কাকতৰ প্ৰয়োজন বোধ কৰিবলৈ ললে। অসমৰ জনতাৰ সেই প্ৰয়োজন পূৰণ কৰিবৰ বাবে স্বাধীনতাৰ পাচৰ সৰু-বৰ বাতৰি কাকতসমূহে ঐকান্তিক প্ৰচেষ্টা চলোৱাৰ

কথা নিশ্চয় সকলোৰে চকুত পৰিব। অৱশ্যে প্ৰকৃততে জনসাধাৰণৰ চাহিদা পূৰণ কৰা হৈছে নে নাই সেয়া সুকীয়া কথা।

'অৰুণোদই সম্বাদ-পত্ৰ'ই অসমীয়া ভাষাৰ বাক্য গঠন ৰীতি আৰু বৰ্ণবিন্যাসৰ নতুন ধাৰা প্ৰৱৰ্তনৰ লগতে পাৰ্য্যমানে বিদেশী শব্দ ধকৰা ঠাঁচত অসমীয়া অনুবাদ কৰি নতুন শব্দ সৃষ্টি কৰিবলৈ প্ৰচেষ্টা চলাইছিল। কেইবাজনো মিছনেৰী লিখক-লিখিকাই অসমীয়া অভিধান আৰু ব্যাকৰণ ৰচনা কৰি এই প্ৰচেষ্টাত বিশেষ ৰৰঙণি যোগাইছিল। 'অৰুণোদই'ৰ লগত সমসাময়িক প্ৰতিভাশালী লিখকসকল জড়িত থকাৰ বাবেই ভাষা সম্পৰ্কত এনে ধৰণৰ পৰীক্ষা নিৰীক্ষা চলোৱা সম্ভৱ হৈছিল।

'অৰুণোদই'ৰ এই পৰম্পৰা এশ বছৰৰ পাছৰ অসমীয়া সংবাদপত্ৰয়ো ৰক্ষা কৰিছিল আৰু এতিয়াও সি অব্যাহত আছে। ভাষা আৰু সাহিত্যৰ বেলিকাও সহজ প্ৰচাৰ মাধ্যমৰ ভূমিকাই আটাইতকৈ বেছি। বাতৰি কাকত অসমীয়া সমাজৰ কাৰণে এতিয়াও প্ৰধান আৰু সহজ প্ৰচাৰ মাধ্যম হৈ আছে; আজিৰপৰা দেৰ কুৰি বছৰৰ আগতেতো কথাই নাই। সেই সময়ত বাতৰি কাকতৰ যোগেদিয়েই সকলো ন-পুৰণি সাহিত্যিকে সাহিত্য-চৰ্চা কৰিছিল। অসমত পুথি প্ৰকাশক আৰু পুথি কিনি অধ্যয়ন কৰা লোকৰ সংখ্যা অতি সীমাবদ্ধ হোৱা বাবে বাতৰি কাকতেই সাহিত্যিকৰ মঞ্চ হৈ পৰিছিল।

দ্বিতীয় মহাযুদ্ধৰ প্ৰায় লগে লগে, ডিব্ৰুগড়ৰ পৰা ওলোৱা সাপ্তাহিক 'তৰুণ অসম' (১৯৩৯) কাকতে পঞ্চাশৰ দশকত 'অৰুণোদই'ৰ পৰম্পৰা আৰম্ভ কৰিছিল, দেখনিয়াৰভাৱে। সেইখন কাকতৰ সম্পাদক আছিল স্বনামধন্য সাংবাদিক, বুৰঞ্জীবিদ সাহিত্যিক শ্ৰীবেণুধৰ শৰ্মা। এইজন সাহিত্যিকে কলিকতাত অসমীয়া 'ছাত্ৰৰে' প্ৰকাশ কৰা 'জোনাকী' আলোচনীৰ ঐতিহ্য লৈ অবিচ্ছিন্নভাৱে সাহিত্যসেৱা কৰি আহিছিল। অসমীয়া ভাষাৰ স্বকীয়তা ৰক্ষাৰ ওপৰত গভীৰ নিষ্ঠাবান শ্ৰীশৰ্মাক কোনোৱে তেওঁৰ ভাষা সম্পৰ্কীয় দৃষ্টিভঙ্গীৰ বাবে শুচি বায়ুগ্ৰস্ত বুলি ধৰিলেও তেওঁ সেইবোৰৰ প্ৰতি কেৰেপ নকৰিছিল। 'জৰমাৰ দিয়া' 'সলিশিয়ান' 'কাতুৰ্বাদ মিনতি', 'গেলা গপত ওফন্দা' 'জাকত জীন নোযোৱা' 'ডাকু দিয়া' আদি শব্দ আৰু খণ্ডবাক্যবোৰ শ্ৰীশৰ্মাই তেওঁৰ লিখনীত ব্যৱহাৰ কৰি অসমীয়া ভাষাৰ সৌষ্ঠৱ আৰু ইয়াৰ সমৃদ্ধি প্ৰকাশৰ চেষ্টা কৰিছিল। এইবোৰ শ্ৰীশৰ্মাই সৃষ্টি কৰা নতুন শব্দ, খণ্ডবাক্য নহয়। কিন্তু এইবোৰ লিখিত ভাষাত ব্যৱহাৰ কৰা সমীচীন হৱনে আৰু কৰা হলে ভাষা সাহিত্যৰ

সৌন্দৰ্য্য ৰক্ষা পৰিৱনে সেই সম্পৰ্কে ৰহুতৰ মনত খুকুৰি আছিল। শ্ৰীশৰ্মা এইসকলৰ বিৰোধী শিবিৰত আছিল।

শ্ৰীবেণুধৰ শৰ্মাই অসমীয়া ভাষাৰ সাংবাদিকতা 'দৈনিক বাতৰি'ৰ পৰা আৰম্ভ কৰিছিল। 'দৈনিক বাতৰি'ৰ সম্পাদক আছিল ককা শ্ৰীনীলমণি ফুকন। শ্ৰীশৰ্মা আছিল সহকাৰী সম্পাদক। সেই সময়তে তেওঁ 'শব্দশাল' আৰম্ভ কৰিছিল। তাৰ পূৰ্ণ প্ৰয়োগ তৰুণ অসমত দেখিবলৈ পোৱা যায়। 'অৰুণোদই' যুগত ৰবফক 'পানী শিল', ক্ৰছুক 'পেৰেঙনি' আঙুৰক 'লতা পনিয়ল' বুলিবলৈ মিছনেৰী আৰু তেওঁলোকৰ ধাৰা অনুসৰণ কৰাসকলে প্ৰয়াস পোৱাৰ দৰে শ্ৰীশৰ্মায়ো ছাবমেৰিণক শিহু জাহাজ, টাইম ব'মক 'খেন বোমা', হুইপক, 'সোকাধৰা', কৰেছপণ্ডেণ্টক 'বাতৰি যোগনিয়াৰ' ৰাউণ্ড টেবল কনফাৰেন্সক 'চাকলি পীৰাৰ মেল', ক্ৰছৱৰ্ডক 'হাঁচটি খেল' বুলি লিখিছিল। সেইবিলাক নতুন শব্দৰ আটাইবোৰকে গ্ৰহণ কৰা নহলেও 'খেন বোমা', 'বাতৰি যোগনিয়া'ৰ এতিয়াও চলি আছে আৰু ইয়াৰ প্ৰচলন কোনো কাৰণতে বন্ধ হোৱাৰ সম্ভাৱনা নাই। কিন্তু শ্ৰীশৰ্মাৰ, 'এইবেলি শেমৰ এজাত', 'এইবেলি বানেহে বান', 'বিলাতৰ মলযাত জাৰ্মানী বিমান ৰনাই কুৰিছে', ধৰণৰ সংবাদ-শিৰো নামাৰ প্ৰচলন স্থায়ী নহ'ল। তথাপিও শ্ৰীশৰ্মা তথা 'তৰুণ অসমে' অসমীয়া ভাষাৰ সমৃদ্ধিৰ বাবে নিজস্ব বিশ্বাস আৰু পদ্ধতিৰে যি প্ৰচেষ্টা বা পৰীক্ষা চলালে সিহে উল্লেখযোগ্য কথা। সেই প্ৰচেষ্টাকে বিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধৰ বাতৰি কাকতসমূহেও চলাই আহিছে আৰু সেই কাৰণেই বাতৰি কাকতৰ ভাষা-সাহিত্যৰ প্ৰতি বৈশিষ্ট্যপূৰ্ণ অৱদান আছে।

স্বাধীনতা লাভৰ পাছত যি কেইখন অসমীয়া বাতৰি কাকতৰ জন্ম হ'ল—সেই কেইখন কাকতৰ আত্মপ্ৰত্যয়ৰ ভাব আছিল প্ৰচুৰ আৰু দৃষ্টিভঙ্গী আছিল আশাবাদী আৰু দূৰপ্ৰসাৰী। উদাহৰণ স্বৰূপে নতুন অসমীয়া'ই ভাষা, বৰ্ণ-বিন্যাস আদিৰ বিষয়ত আত্মপ্ৰত্যয়ৰ ভাব লৈ আগবাঢ়িছিল। এইখন কাকতত ব্যৱহৃত ভাষা আৰু শব্দাৱলীয়ে অসমীয়া লিখক, সাংবাদিকৰ দৃষ্টিভঙ্গী সম্প্ৰসাৰিত হোৱাৰ প্ৰমাণ দিছিল। কাকতখনৰ নিজস্ব সুবিধাৰ কাৰণে ইংৰাজী শব্দ বা ইংৰাজীত লিখা মানুহ বা ঠাইৰ নাম অসমীয়া আখৰেৰে লিখোঁতে কিছুমান ৰীতি অনুসৰণ কৰা হৈছিল। ইংৰাজী 'এছ' আখৰৰ ঠাইত অসমীয়া 'ছ', chৰ ঠাইত চ, y ৰ ঠাইত দীৰ্ঘ ঈকাৰৰ ব্যৱহাৰ সকলোৱে মানি লব লগা হ'ল। এই পৰম্পৰা অৱশ্যে 'দৈনিক অসমীয়া'ৰ পৰা চলি আহিছিল; কিন্তু

তাৰো কিছু পৰিৱৰ্তন ঘটোৱা হ'ল। দৈনিক অসমীয়াই tion ৰ সলনি 'শ্যন' লিখিবলৈ লৈছিল, কিন্তু নতুন অসমীয়াই ইয়াক সহজ কৰি 'চন' কৰিলে। সেই কাৰণে ষ্টেশ্যনৰ পৰিৱৰ্তে ষ্টেচন লিখিবলৈ লোৱা হ'ল। অসমীয়া ভাষা-সাহিত্যই বাতৰি কাকতত ব্যৱহৃত এই আখৰ জোটনি সহজভাৱেই মানি লোৱা দেখা গৈছিল আৰু তাৰ ফলত সকলোৰে লিখনীত বৰ্ণ-বিন্যাসৰ এক সমবেশ (uniformity) গঢ়ি উঠিছিল। এই সমবেশ সৃষ্টি কৰাও অতি সাধাৰণ কথা নহয়। ব্যাকৰণ অভিৱৰ্তনৰ দৰে বৰ্ণ-বিন্যাস অভিৱৰ্তন এখনৰ আয়োজন নকৰাকৈ এই কাম সম্পন্ন কৰাৰ প্ৰশংসা বাতৰি কাকতৰে প্ৰাপ্য।

বাতৰি কাকতে এইদৰে ভাষা-সাহিত্যৰ ক্ষেত্ৰত নেতৃত্ব দিয়াৰ পটভূমিত আছিল কাকতৰ সম্পাদক আৰু সম্পাদকৰ সহকাৰী সকল। সেই কাৰণে ককা নীলমণি ফুকনৰ 'বাতৰি' শ্ৰীবেণুধৰ শৰ্মাৰ 'তৰুণ অসম', শ্ৰীদেৱকান্ত বৰুৱাৰ 'দৈনিক অসমীয়া', অম্বিকাগিৰী ৰায়চৌধুৰীৰ 'ডেকা অসম', শ্ৰীবিজয়চন্দ্ৰ ভাগৱতীৰ 'অসম সেৱক', শ্ৰীদেবেন্দ্ৰনাথ শৰ্মাৰ 'ৰাইজ,' আৰু অসম ৰাইজ শ্ৰীকীৰ্তিনাথ হাজৰিকা আৰু শ্ৰীহৰেন্দ্ৰনাথ বৰুৱাৰ 'নতুন অসমীয়া', শ্ৰীসতীশচন্দ্ৰ কাকতীৰ 'অসম বাণী', শ্ৰীচন্দ্ৰ প্ৰসাদ শইকীয়াৰ 'অসম বাতৰি', শ্ৰীহোমেন বৰগোহাঞিৰ 'নীলাচল', শ্ৰীকীৰ্তিনাথ হাজৰিকাৰ সম্পাদনাত চলা 'দৈনিক অসম' আৰু শ্ৰীবীৰেন্দ্ৰ কুমাৰভট্টাচাৰ্য্যৰ 'নবযুগ'ৰ দৰে বিভিন্ন সংবাদপত্ৰই অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰতি যোগোৱা বৰঙণিও বেলেগ বেলেগ। বাগ্মিতাত অদ্বিতীয় 'ককা' আৰু 'দিখৌৰ খৰ স্ৰোতৰ দৰে' বেগৱান অসমীয়া ভাষা লিখাত সিদ্ধহস্ত শ্ৰীবেণুধৰ শৰ্মাৰ ৰচনাশৈলীৰ ব্যৱধান থকাই স্বাভাৱিক। 'বজ্ৰ কঠোৰ দুখ বেদনা নিৰ্যাতনৰ ঘোৰ বৰষণ লাগি, কাল বিজয়ী ৰুদ্ৰ লীলাৰ ডমৰু ভেদি' যাৰ অন্তৰত অনল জাগি উঠিছিল সেই অসম কেশৰী অম্বিকাগিৰী ৰায় চৌধুৰীৰ প্ৰকাশভঙ্গী আৰু শব্দ সংযোজন আছিল অনন্য। এইজন 'বিপ্লৱী'য়ে জীৱনৰ বিয়লি পৰলৈকে অসম আৰু অসমীয়াক ৰক্ষা কৰিবলৈ' যি সংগ্ৰাম চলাইছিল, সি 'ডেকা অসম'ৰ পাতত স্পষ্ট হৈ আছে। 'ডেকা অসম'ৰ ভাষাৰ ৰৌদ্ৰতা অসমীয়া সাহিত্যৰ উল্লেখনীয় বিষয় হৈ থাকিব। শ্ৰীদেৱকান্ত বৰুৱাৰ বলিষ্ঠ লিখনীৰ লগত শ্ৰীহৰেন্দ্ৰ নাথ বৰুৱা আৰু শ্ৰীসতীশচন্দ্ৰ কাকতিৰ লিখনীৰ আৰু তেওঁলোকে সম্পাদনা কৰা কাকতৰ ভাষা-সাহিত্যৰ দিশৰ পাৰ্থক্য সাধাৰণতে চকুত পৰে। সেইদৰে শ্ৰীবীৰেন্দ্ৰনাথ ভট্টাচাৰ্য্য আৰু শ্ৰীকীৰ্তিনাথ হাজৰিকা,

শ্ৰীদেৱেন্দ্ৰনাথ শৰ্মা আৰু শ্ৰীবিজয়চন্দ্ৰ ভাগৱতীৰ ৰচনা-ৰীতিৰ পাৰ্থক্য সুস্পষ্ট। শ্ৰীভট্টাচাৰ্য্য আৰু শ্ৰীহাজৰিকা দুয়োজনেই সাধাৰণতে অব্যহৃত থকা অসমীয়া শব্দ পাৰ্য্যমানে নিজৰ লিখাত ব্যৱহাৰ কৰে যদিও শব্দ চয়নৰ সাৱলীলতালৈ লক্ষ্য কৰিলে দুয়োজনৰ লিখনীৰ পাৰ্থক্য চকুত পৰে। শ্ৰীচন্দ্ৰপ্ৰসাদ শইকীয়াৰ দৰে শ্ৰীহোমেন বৰগোঁহাঞিয়ে সাংবাদিকতা সাহিত্যত নতুন ৰূপ দিবলৈ চেষ্টা কৰি আহিছে। তেওঁলোকৰ লিখনীয়ে আধুনিক লিখক-লিখিকাৰ ওপৰত কি প্ৰভাৱ বিস্তাৰ কৰিছে সেয়া অৱশ্যে এতিয়ালৈকে সুস্পষ্ট হোৱা নাই। তথাপি এই সম্পাদক সকলে সম্পাদনা কৰা কাকতসমূহে ভাষা-সাহিত্যৰ প্ৰতি উমৈহতীয়াভাৱে যি বৰঙণি আগবঢ়াইছে তাৰ খতিয়ানহে অধিক আৱশ্যকীয় বিষয়। গুৱাহাটীৰ বাহিৰৰ 'জন্মভূমি', (সাপ্তাহিক আৰু দৈনিক), 'মহাজাতি' আৰু 'গণতন্ত্ৰ'ৰ দৰে বাতৰি কাকতেও অসমীয়া সাহিত্যৰ প্ৰসাৰ আৰু উন্নতি সাধনত অৰিহণা যোগাই আহিছে।

অসমীয়া বাতৰি কাকতসমূহত আলোচনী স্তম্ভ এটা সাধাৰণতে ৰখা হয় আৰু সেই স্তম্ভত প্ৰবন্ধ, চুটি গল্প, ভ্ৰমণ কাহিনী, জীৱনী, বিজ্ঞান বাৰ্তা, ৰম্য ৰচনা আদি প্ৰকাশ পায়। বাতৰি কাকতৰ সেই আলোচনী স্তম্ভই ১৯৪৮ চনৰ পৰা যিসকল সাহিত্যিকৰ সৃষ্টি কৰিলে তাৰ সংখ্যা যথেষ্ট বেছি। সাহিত্যসেৱাৰ প্ৰথম সোপান বাতৰি কাকত আৰু আলোচনীত লিখনী প্ৰকাশ। বাতৰি কাকত আৰু আলোচনীত লিখনী প্ৰকাশ পোৱাৰ পাচতহে একোজন সাহিত্যিকে প্ৰকাশকৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰে। পোনপটীয়াকৈ গ্ৰন্থ প্ৰকাশ কৰি সাহিত্যিক আখ্যা লাভ কৰাৰ দৃষ্টান্ত সমসাময়িক অসমত অতি বিৰল।

অসমত বাতৰি কাকত আৰু আলোচনীসমূহৰ ভাষা-সাহিত্যৰ প্ৰতি অৱদান এই কাৰণেই বেছি যে এই পত্ৰিকা আৰু সাময়িকীসমূহে গতিশীল দৃষ্টিভঙ্গী গ্ৰহণ কৰি আহিছে। গতিশীল দৃষ্টিভঙ্গী গ্ৰহণ কৰা বাবেই জোনাকী যুগৰ ৰোমাণ্টিক সাহিত্যৰ পৰিবৰ্তে আধুনিক কালৰ বাস্তৱবাদী সাহিত্য প্ৰতিষ্ঠিত হ'ল। আধুনিক কালৰ সাহিত্যত বহুতো পুৰণি সংস্কাৰৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰা হৈছে, ধৰ্ম আৰু আধ্যাত্মিকতাৰ ওপৰত গুৰুত্ব দিবলৈ এৰি পেলোৱা হৈছে। মাৰ্ক্সীয় দৰ্শনৰ দ্বাৰা প্ৰভাৱান্বিত চিন্তাধাৰা বিস্তৃত হৈ পৰিছে। সাহিত্যৰ শুচিতা সম্পৰ্কে জনসাধাৰণৰ ধাৰণাৰ পৰিবৰ্তন ঘটোৱাত আধুনিক লিখকসকলে কৃতকাৰ্য্যতা লাভ কৰিছে। ফ্ৰয়েডীয় বিশ্লেষণ প্ৰণালীৰে যৌনতত্ত্ব সম্পৰ্কে কৰা আলোচনা

মুকলিভাৱে গৰিষ্ঠ সংখ্যকে গ্ৰহণ কৰা দেখা গৈছে। আধুনিক সাহিত্যৰ প্ৰকাশ কৌশলো সম্পূৰ্ণ নতুন হৈ পৰিছে। এই সকলো বিলাক অৰ্থাৎ আদৰ্শ, দৃষ্টিভঙ্গী আৰু কৌশলৰ পৰিৱৰ্তন পৰীক্ষা-নিৰীক্ষাৰ মাজেদিহে সম্ভৱ হৈছে। সেই পৰীক্ষা-নিৰীক্ষা বাতৰি কাকতৰ জৰিয়তে চলোৱা হৈছিল। সেয়ে বাতৰি কাকত আৰু আলোচনীৰ অৱদান। বাতৰি কাকত আৰু আলোচনীয়ে ৰক্ষণশীল মনোভাৱ গ্ৰহণ কৰা হলে এই পৰিৱৰ্তন দ্ৰুত গতিৰ নহ'লহেঁতেন।

মহিলা আৰু শিশুৰ কাৰণে বাতৰি কাকতত ৰখা সুকীয়া স্তম্ভই এই দুই শ্ৰেণীৰ পাঠক পাঠিকাক বিশেষভাৱে উপকৃত কৰিছিল। তেওঁলোকে সাহিত্য সেৱাৰ প্ৰেৰণা ইয়াৰ পৰাই লাভ কৰিছিল। 'সাদিনীয়া অসমীয়া' 'শান্তিদূত' (১৯৫৪-৫৬) 'নতুন অসমীয়া', 'অসম বাণী'ৰ অকণিৰ চ'ৰাত লিখিবলৈ আৰম্ভ কৰা বহুত 'অকণি' এতিয়া প্ৰাপ্তবয়স্ক সাহিত্যিক হৈ ওলাইছে। মহিলাসকলৰ কাৰণে ওলোৱা 'উৰুলি'য়ে কম সময়ৰ বাবে হলেও এক বিশিষ্ট ভূমিকা পালন কৰিছিল।

বাতৰি কাকতৰ সৌজন্যতে ৰম্য ৰচনাৰ প্ৰকাশ আৰু মান উন্নত হ'ল। শ্ৰীতিলক হাজৰিকা, শ্ৰীভদ্ৰ বৰা আৰু শ্ৰীগোলাপ বৰাৰ মান বিশিষ্ট ৰম্য ৰচনাই বাতৰি কাকতৰ পিঠিতে প্ৰথমে আত্মপ্ৰকাশ কৰিছিল।

১৮৭৩ চনৰ পৰা অসমৰ পঢ়াশালিত অসমীয়া ভাষা প্ৰৱৰ্তিত হ'ল যদিও অসমীয়া ভাষাৰ দুৰ্যোগ এশ বছৰৰ পাছতো আঁতৰা নাই। অসমীয়া ভাষাৰ 'আত্ম প্ৰতিষ্ঠাৰ' বাবে এতিয়াও সংগ্ৰাম চলাব লগা হৈ আছে। অসমত অসমীয়াক ৰাজ্যভাষা (চৰকাৰী ভাষা) কৰিবলৈ লওঁতে, অসমৰ আঞ্চলিক ভাষা অসমীয়াক শিক্ষাৰ মাধ্যম কৰিবলৈ লওঁতে অসমীয়া ভাষী বাইজে আন্দোলন কৰিব লগা হৈছিল। সেই আন্দোলন অসমীয়াৰ, অসমীয়া ভাষাৰ অস্তিত্ব ৰক্ষাৰ আন্দোলন আছিল। সেই আন্দোলনত (১৯৬০, ১৯৭২) অসমৰ বাতৰি কাকতসমূহে যথাযথ অৰিহণা যোগাই আহিছে। এনেবোৰ প্ৰশুত 'আচাম 'ট্ৰিবিউন', 'আচাম এক্সপ্ৰেছ'ৰ দৰে ইংৰাজী কাকতেও সমানে ৰৰঙণি দিছিল।

বাতৰি কাকতত ভাষা আৰু সাহিত্যৰ পৰীক্ষা নিৰীক্ষাৰ এতিয়াও শেষ হোৱা নাই। অসমীয়া চৰকাৰী ভাষা ঘোষিত হোৱাৰ পাছত অসমীয়া ভাষাক বিশ্ববিদ্যালয়ৰ শিক্ষালৈকে একমাত্ৰ মাধ্যম কৰাৰ দাবী তোলাৰ পাছত বাতৰি কাকতৰ দায়িত্ব আৰু বৃদ্ধি পাইছে। অসমীয়া ভাষাৰ প্ৰসাৰ সাধনত বাতৰি কাকতেই সহায়ৰ হাত আগবঢ়াব লাগিব। ভাষা-

টোক সহজ আৰু সকলোৰে বোধগম্য কৰিব লাগিব। সেই দিশত 'দৈনিক অসম', 'জনমভূমি'ৰ দৰে দৈনিক অসমীয়া কাকত দুখনৰ দায়িত্ব বেছি। এই দুখন কাকতৰ বাহিৰেও আন তিনিদিনীয়া, সাপ্তাহিক বাতৰি কাকত সমূহেও নিজৰ দায়িত্ব উপলব্ধি কৰা দেখা গৈছে। অসমীয়া বাইজে এতিয়া পুলিচ থানাৰ পৰিবৰ্তে 'আৰক্ষী চকী' ডেপুটী কমিছনাৰৰ সলনি 'উপায়ুক্ত', ছাব ডেপুটী কলেক্টৰৰ সলনি 'উপপ্ৰতি সমাহৰ্তা'ৰ (আৰ্মাণ শব্দৰ দৰে কষ্টকৰ উচ্চাৰণৰ ব্যৱহাৰ কৰিবলৈ লৈছে। হেলিক'প্টাৰ, ছাবমেৰিণ, 'ৰকেট'ৰ অসমীয়া ৰূপান্তৰ কৰিবলৈ চেষ্টা কৰা নাই। 'টেলি-ফোন', ৰেডিঅ'ৰ কিবা প্ৰতিশব্দ বিচাৰি উলিওৱাৰ কথা ভবা নাই। আখৰ জোটনিৰ বেলিকাও সমবেশ ৰীতি এটা প্ৰৱৰ্তন কৰিবলৈ চেষ্টা চলাইছে। কিন্তু এইবোৰ পৰীক্ষা এটা সীমালৈকে হোৱাহে বাঞ্চনীয়। 'তিৰিচা নজৰ'ৰ দৰে বাক্যাংশ বাতৰি কাকতত প্ৰয়োগ কৰি পৰীক্ষা চলোৱাৰ (দৈনিক অসম) প্ৰয়োজন দেখা নাযায়। নজৰ, কমৰ আদি ফাৰ্চী ভাষাৰ শব্দবোৰ স্ত্ৰীলিঙ্গ। হিন্দীত 'তিৰচী নজৰ'হে শুদ্ধ।

News is tomorrows history done up in to-days' neat package. আজি শৃঙ্খলাবদ্ধভাৱে পৰিবেশন কৰা বাতৰি কাইলৈৰ ইতিহাস কাৰণেই বাতৰিৰ ভাষায়ো সাহিত্যত প্ৰভাৱ বিস্তাৰ কৰি আহিছে। সেই প্ৰভাৱৰ মূল্য ৰক্ষা কৰিবলৈ বাতৰি কাকতো সচেষ্ট হোৱা আৱশ্যক। অসমৰ বাতৰি কাকতে সেই দায়িত্ব এতিয়ালৈকে যথাযথ ভাৱে পালন কৰি আহিছে সেয়ে ভাষা-সাহিত্য আৰু জনতা সকলোৰে বাবে সন্তোষৰ বিষয়।

অনুবাদ সাহিত্য

শ্ৰীযতীন গোস্বামী

দ্বিতীয় মহাযুদ্ধখনে পৃথিৱী তোলপাৰ লগাই মানুহৰ সামাজিক অৰ্থ-নৈতিক জীৱনত নানান বিপৰ্যয়ৰ সৃষ্টি কৰিলে হয় কিন্তু আনফালে এই বিশ্ব-যুদ্ধখনে দূৰৰ পৃথিৱীখনক ওচৰ চপাই অনাতো বিশেষ সহায় কৰিছিল। বৃটিশ মিত্ৰপক্ষৰ প্ৰচাৰ পুস্তিকা আৰু পত্ৰিকাসমূহে আঞ্চলিক অনুবাদ সাহিত্য জগতলৈ এক বিশিষ্ট অৱদান দিছিল সেই কথা স্বীকাৰ নকৰি উপায় নাই। এই অনূদিত প্ৰচাৰ-পুস্তিকা আৰু পত্ৰিকাসমূহে বিভিন্ন দেশৰ ভৌগোলিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক অৱস্থাৰ কথাৰ উপৰিও কেতিয়াবা কেতিয়াবা একমাত্ৰ প্ৰচাৰৰ কাৰণেই সাহিত্য জগতৰ লগতো পৰিচয় কৰি দিছিল। এনে ধৰণৰ বহুত প্ৰচাৰ পুস্তিকা বা পত্ৰিকাত সাম্ৰাজ্যবাদী মিত্ৰ শক্তিগোষ্ঠীৰ কথা অসমীয়াত অনুবাদ কৰি অসমৰ গাৱেঁ-ভূঞে বিতৰণৰ ব্যৱস্থা কৰিছিল।

দৰাচলতে অনুবাদ সাহিত্যৰ মূলৰ নিৰ্বাচনৰ ক্ষেত্ৰত সাহিত্য সৃষ্টিৰ নিচিনাকৈ এটা নিৰ্দ্দিষ্ট সময় ধাৰ্য্য কৰি দিব নোৱাৰি। মূল লিখকৰ সৃষ্টি প্ৰেৰণাৰ বাবে লগা অনুকূল পৰিৱেশৰ নিচিনাকৈ অনুবাদৰ ক্ষেত্ৰতো একোটা পৰিৱেশে নিশ্চয়কৈ সহায় কৰে। বৈপ্লৱিক চিন্তা, অৰ্থনৈতিক সমস্যা, আদৰ্শাত্মক অথবা সংস্কাৰধৰ্মী মনোভাব ইত্যাদিবোৰে অনুবাদৰ পৰিৱেশ বা নিৰ্বাচন নিৰ্দ্ধাৰণ কৰে। স্বাধীনতাৰ পিছৰ কালছোৱাৰ অনু-বাদ সাহিত্যক এনে পৰিৱেশেও যথেষ্ট সহায় কৰিছিল। দেশৰ সুস্থাৱস্থাত প্ৰগতিশীল চিন্তামূলক গল্প, কবিতা, নাটক, জীৱনী আদি আৰু সংকটময় কালত বিশেষকৈ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক দিশৰ ওপৰত আলোকপাত কৰা ৰচনাসমূহৰ অনুবাদৰ প্ৰতি আকৰ্ষণ লক্ষ্য কৰা যায়।

স্বাধীনতাৰ পিছত পাঠক, সমালোচক আৰু ৰাজনীতি-অৰ্থনীতি বিষয়ক ছাত্ৰসকলৰ চৰ্চাৰ গণ্ডী বহল হ'ল। ইতিমধ্যে ছোভিয়েট ৰুছিয়াত 'জন-সাধাৰণৰ সাহিত্য' নামে বিৱৰ্তিত হোৱা এবিধ নতুন ৰূপৰ সাহিত্যৰ প্ৰতিও আমাৰ সাহিত্যিকসকলৰ এটা অংশ আকৰ্ষিত হ'ল। জামান, পোলিচ, নৰৱেজিয়ান, ফৰাচী, জাপানী, ৰুচীয়, চীনা আদি বিভিন্ন ভাষাৰ উৎকৃষ্ট সাহিত্যসমূহেও আমাৰ অনুবাদকসকলক আকৰ্ষণ কৰিলে। ভাৰতত থকা বিদেশী ৰাষ্ট্ৰদূতাবাসবিলাকৰ ভিতৰত আমেৰিকান ৰুছীয়া, জাৰ্মান ডেম'ক্ৰেটিক ৰিপাব্লিক আদি বিভিন্ন প্ৰতিষ্ঠানৰ তৰফৰ পৰা প্ৰতিযোগিতা-মূলকভাবে ভাৰতৰ প্ৰান্তীয় ভাষাত প্ৰচাৰিত প্ৰচাৰ-পত্ৰসমূহৰ উপৰিও সেই সেই দেশৰ সাহিত্য, বিজ্ঞান অৰ্থনীতি আদি বিষয়ক বহুত ভাল ভাল কিতাপ অনূদিত হৈছে। ব্যক্তিগত প্ৰচেষ্টাৰ উপৰিও সাহিত্য একাডেমী, নেচনেল বুক ট্ৰাষ্ট, অসম প্ৰকাশন পৰিষদৰ উদ্যোগতো দেশী-বিদেশী বিভিন্ন উৎকৃষ্ট সাহিত্যৰ কিছু অংশৰ অনুবাদ অসমীয়াত হৈছে।

স্বাধীনতা লাভৰ কিছু পিছৰে পৰা দেশী আৰু বিদেশী সাহিত্যৰ অনু-বাদৰ দিশটোৰ প্ৰতি ৰামধেনু, পচোৱা, মণিদীপ, অসমীয়া আদি কেইখন-মান আলোচনীয়ে বিশেষভাবে মনোনিবেশ কৰে আৰু এতিয়াৰ আমাৰ প্ৰতিনিধি, নতুন প্ৰবাহ, ছুমহীয়া নীলাচল, নতুন পৃথিৱী আদি আলোচনী-সমূহৰ উপৰিও দৈনিক, সাপ্তাহিক কাকতকেইখনৰ বিশেষ আলোচনী আকাৰৰ সংখ্যাবোৰে অৰিহণা যোগাই আছে।

মন কৰিবলগীয়া যে স্বাধীনতাৰ আগছোৱাত অনূদিত সাহিত্যবোৰৰ প্ৰায়বিলাকেই ইংৰাজী মূলৰ পৰা অনা; কিন্তু পিছৰ কালছোৱাত অনূদিত সাহিত্যবোৰে কেৱল ইংৰাজী বা ইউৰোপীয় সাহিত্যৰাজিৰ মাজতে আবদ্ধ নাথাকি পৃথিৱীৰ বিভিন্ন চুক-কোণলৈ গৈছে। অৱশ্যে সেইবোৰ সাহিত্যৰ সৰহভাগেই ইংৰাজী অনুবাদৰ পৰা অসমীয়ালৈ পুনৰানুবাদ হৈছে। সেইদৰে ভাৰতীয় সাহিত্যবো মূল বঙলা আৰু হিন্দীৰ বাহিৰে অনূদিত হোৱা পাৱ-বোৰ গল্প, কবিতা, প্ৰবন্ধৰ অনুবাদ ইংৰাজী আৰু অতি কম সংখ্যকহে হিন্দী মাধ্যমেৰে অহা।

এই ক্ষুদ্ৰ প্ৰবন্ধত আমাৰ সাহিত্যৰ সকলো বিভাগ সামৰা সম্ভৱ নহয়। সেইবাবে কেৱল গল্প, উপন্যাস, কবিতা আৰু শিশু-সাহিত্যৰ ক্ষেত্ৰত অনুবাদ কৰ্মৰ কিঞ্চিৎ আভাষ দিবলৈ যত্ন কৰিম।

১৮

গল্প-উপন্যাস

গল্প-উপন্যাসৰ অনুবাদৰ ক্ষেত্ৰত প্ৰাক-স্বাধীনতা কালৰ প্ৰচেষ্টাৰ এটা সামান্য আভাষ ওপৰত দাঙি ধৰা হৈছে। সেই প্ৰচেষ্টাৰ ফল স্বৰূপে আগৰ অনূদিত পুথি কেইখনমান ঠিক স্বাধীনতা লাভৰ অগা-পিছাকৈ বা অলপ কিছুদিনৰ ভিতৰতে প্ৰকাশ পায়। এই অনূদিত গল্প উপন্যাস-সমূহৰ বহুতেতে মূলৰ ৰচনা ৰীতি আৰু আখ্যান সূত্ৰক সুন্দৰভাবে ৰক্ষা কৰি অনুবাদকৰ স্বকীয় প্ৰকাশ ভঙ্গীৰে মূলৰ উপজীব্য অংশবোৰক সুন্দৰকৈ পৰিৱেশন কৰা কথা মন কৰিবলগীয়া। এই ক্ষেত্ৰত ডঃ ৰোহিণীকুমাৰ বৰুৱাই কৰা জোহান বোয়েৰৰ 'এ গ্ৰেট হাঙ্গাৰ'ৰ অনুবাদ 'পৰম ক্ষুধা', শ্ৰীকীৰ্তিনাথ হাজৰিকাই কৰা ১৯৪৩ চনৰ ষ্টেলিন বঁটাবিজয়ী প্ৰসিদ্ধ লিখিকা ৱান্দা ভাচিলিয়েস্কাৰ 'ৰেইনবো'ৰ অনুবাদ 'ৰামধনু', শ্ৰীলক্ষেশ্বৰ শৰ্মাই কৰা 'লাষ্ট দেজ অৱ পম্পিয়াই'ৰ অনুবাদ 'পম্পিয়াইৰ প্ৰলয় কাহিনী' আৰু নোবেল বঁটাবিজয়ী গ্ৰেজিয়া দেলেদ্দাৰ 'মাদাৰ'ৰ সাৱলীল অনুবাদ 'মাতৃ', ৺হৰেন্দ্ৰনাথ কলিতাই কৰা চাৰ্লচ ডিকেন্সৰ বিখ্যাত উপন্যাস 'এ টেল অৱ টু চিটিজ'ৰ অনুবাদ 'নগৰ দুখনৰ কথা' আদি কেইখনমান উপন্যাসৰ নাম বিশেষভাৱে উল্লেখযোগ্য এই কাৰণেই যে পৰাধীনতাৰ নানাবিধ সমস্যাত জৰ্জৰিত হৈ থকা কালৰ ভিতৰতে এই উপন্যাসসমূহৰ সাৱলীল অনুবাদ হৈছিল আৰু 'পৰম ক্ষুধা', 'ৰামধনু' আদি উপন্যাসৰ অনুবাদে সেই সময়ত চিন্তা জগততো যথেষ্ট প্ৰভাৱ পেলাবলৈ সক্ষম হৈছিল। ইয়াৰ ভিতৰৰে কখনমান উপন্যাস ১৯৩৯ চন মানৰ পৰাই আলোচনীৰ পাতত ধাৰাবাহিক-ৰূপে ওলাই আছিল। ইয়াৰ পিছত বহুকেইখন উপন্যাসৰ অনুবাদ হবলৈ ধৰে। স্বাধীনতা লাভৰ পিছত কেবাখনো নোবেল বঁটাবিজয়ী উপন্যাসৰো অনুবাদ হৈছে। যতীন গোস্বামীয়ে কৰা আৰ্ণেষ্ট হেমিংৱেৰ 'দি ওল্ডম্যান এণ্ড দি চী'ৰ অনুবাদ 'বুঢ়া আৰু সাগৰ', নলিনীধৰ ভট্টাচাৰ্য্যই কৰা বৰিচ পেষ্টাৰ্নেকৰ 'ডক্টৰ ঝিভাগো'ৰ একে নামতে অনুবাদ, নগেন ঠাকুৰে কৰা মিখাইল চোলোকভৰ 'এণ্ড কোৱাইট ফ্লোজ দি ডন'ৰ অনুবাদ 'ডন নীৰৱে বয়', যদু শইকীয়াই কৰা মেক্সিম গোৰ্কীৰ 'মাদাৰ'ৰ অনুবাদ 'মা', নৰকান্ত বৰুৱাই কৰা জন হাৰ্চেৰ 'এ বেল ফৰ অদানো'ৰ অনুবাদ 'অদানোৰ ঘণ্টাৰ কাহিনী', অনু বৰুৱাই কৰা অৰৱেলৰ প্ৰতীকধৰ্মী উপন্যাস 'এনিমেল ফাৰ্ম'ৰ একে নামৰ অনুবাদ, কৃপা বৈশ্যাই কৰা ইভান তুৰ্গেনিভৰ 'স্প্ৰীং টৰেণ্টচ'ৰ অনুবাদ 'বসন্ত প্লাবন', হেম বৰুৱাই কৰা গ্ৰীক আৰু ৰোমান

আখ্যানৰ উপকথাৰ ভিত্তিত ৰচিত ন্যুমেনৰ 'এমৰ এণ্ড চাইকী'ৰ ভাবানুবাদ 'কিউপিড আৰু চাইকী', মহম্মদ পীয়াৰে কৰা টলষ্টয়ৰ "আন্না কাৰেনিনা'ৰ চম্ অনুবাদ 'হাইফেন'ৰ উপৰিও সতীশ ৰাজখোৱাৰ 'ৰক্তাক্ত' ('স্কাৰলেট লেটাৰ'ৰ অনুবাদ), প্ৰণীতা দেৱীৰ 'জীৱনৰ লালসা' ('লাষ্ট ফৰ লাইফ'ৰ অনুবাদ), দীননাথ শৰ্মাৰ 'মাটি আৰু মানুহ' ('গ্ৰোথ অৱ দি চইল'ৰ অনুকৰণত), সুশীল শৰ্মাৰ আৰু ঘন গগৈৰ 'ঈশ্বৰৰ সন্ধানত এজনী কলী ছোৱালী' ('দি ব্লেক গাৰ্ল ইন চাৰ্চ অৱ গড'ৰ অনুবাদ) 'বীৰেন বৰকটকীৰ 'কুমাৰী পৃথিৱী', ('ভাৰ্জিন চইল'ৰ অনুবাদ)' বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'দেৱ দুন্দুভি বাজে কাৰ বাবে' (ফৰ হুম দি বেল টোলচ'ৰ অনুবাদ), নবদ্বীপৰঞ্জন পাটগিৰিৰ 'এটি কলি দুটি পাত' (টু লিভচ এণ্ড এ বাদৰ অনুবাদ) আদি উপন্যাস কেখনৰ ভিতৰৰ কেইখনমানৰ অনুবাদ লেখত লবলগীয়া। অৱশ্যে ইয়াৰে দুই এখনৰ অনুবাদ বৰ সোৱাদ লগা নৰনৰ হোৱা নাই।

ওপৰত উল্লেখ কৰাবোৰৰ উপৰিও বীৰেশ্বৰ বৰুৱাৰ 'অন্নপূৰ্ণা,' ধানেশ্বৰ হাজৰিকাৰ 'দীন দুখী,' বিমল নাথৰ 'পাপ আৰু পৰাজিত', সত্যেন্দ্ৰ নাৰায়ণ গোস্বামীৰ 'বিদায় যুদ্ধ বিদায়', মুস্তাফিজুৰ ৰহমানৰ চীনা ঔপন্যাসিক লিন-উ-টাঙৰ 'লিভচ অন দি উইন'ৰ অনুবাদ 'সৰাপাত' আৰু ফৰাচী ঔপন্যাসিক ৰেনেমাৰাৰ 'বাতোয়ালা'ৰ অনুবাদ 'মন-অৰণ্য', বীৰেন বৰকটকীৰ 'প্ৰেম আৰু শকাবে', লক্ষহীৰা দাসৰ 'ডোৰিয়ান গ্ৰে', পদ্ম বৰকটকীৰ 'প্ৰথম প্ৰেম', ৰাধিকামোহন গোস্বামীৰ 'মুক্তা', সুৰেন্দ্ৰ মোহন দাসৰ 'যুদ্ধ আৰু শান্তি', ডাঃ দীননাথ শৰ্মাই কৰা আলবেয়াৰ কেমুৰ 'বাহিৰা মানুহ' আদি বহু কেইখন বিশ্ববিখ্যাত উপন্যাস অসমীয়ালৈ অনূদিত হৈছে। ইয়াৰ উপৰিও বিদেশী ভাষাৰ উপন্যাসৰ অনুবাদ মুস্তাফিজুৰ ৰহমানকে ধৰি কেবাজনেও নিয়মীয়াভাবে কৰি আছে।

ভাৰতীয় ভাষাৰ উপন্যাসৰ অনুবাদ অসমীয়াত বেছি হোৱা নাই। এনেকৈ সৰ্বভাৰতীয় স্বীকৃতি পোৱা উপন্যাসবো আটাইবোৰবে অনুবাদ এতিয়াও হৈ নুঠাটো দুখৰ কথা। স্বাধীনতা লাভৰ অলপ আগ-পিছাকৈ তেতিয়ালৈকে শ্ৰেষ্ঠ বঙলা গল্প উপন্যাসৰ ভিতৰত কেখনমানৰ অনুবাদ হৈছিল শ্ৰীবিভূভূষণ চৌধুৰীৰ সৌজন্যত। তাৰে ভিতৰত আছিল শৰৎ চন্দ্ৰ আৰু ৰবীন্দ্ৰনাথৰ কেবাখনো উপন্যাস। এইবোৰ পুথিৰ কেবাখনবো অনুবাদত যথেষ্ট বঙলুৱা ঠাঁচ বৈ যোৱাত আৰু নিভাঁজ আৰু সাৱলীল অনুবাদ নোহোৱাত সুখপাঠ্য হৈ নুঠিল। স্বাধীনতা লাভৰ পিছত ভাৰতীয় উপন্যাস সাহিত্যৰ ডঃ সত্যেন্দ্ৰনাথ শৰ্মাই কৰা কালিন্দীচৰণ পাণীগ্ৰাহীৰ মৃন্ময় উৰীয়া

'মৃত্তিকা পুতলা'ৰ অনুবাদ 'মাটিৰ পুতলা' সমকালীন ভাৰতীয় সাহিত্যৰ অনুবাদৰ ক্ষেত্ৰত এক উল্লেখযোগ্য বৰঙণি। খাজা আহমদ আব্বাচৰ 'ইনকিলাব'ৰ সাৱলীল অসমীয়া অনুবাদ কৰি উলিয়াইছে ইমৰান শ্বাহে। নিৰুপমা ফুকনে কৰা প্ৰেম চাঁদৰ গল্প 'প্ৰতিজ্ঞা', মায়াদেৱীৰ 'প্ৰেম চাঁদৰ গল্প', চিত্ৰ মহন্ত আৰু লোকনাথ ভড়ালীয়ে মূল হিন্দীৰ পৰা কৰা অনুবাদ 'চিত্ৰলেখা', পৰেশচন্দ্ৰ শৰ্মাই কৰা 'বগা তেজ', মূল তামিল ভাষাৰ কাব্য 'শিলপ্পদিকৰম'ৰ হেম বৰুৱাই কৰা সাৰানুবাদ 'কন্নকী', অমূল্য ফুকনৰ 'তাচৰ ঘৰ', কেশৱ মহন্তৰ 'কবি', পুলিনবিহাৰী বৰঠাকুৰৰ 'মৰহি যোৱা ছবি', লোকনাথ ভড়ালীৰ 'কথা পঞ্জাব', কুল গগৈৰ 'কথা ভাৰতী হিন্দী কাহিনী', সুৰেন্দ্ৰমোহন চৌধুৰীৰ 'গোৰা', খগেন্দ্ৰনাৰায়ণ দত্তবৰুৱাৰ 'অমৃত কুম্ভৰ সন্ধানত', 'বিগলিত কৰুণা জাহ্নৱী যমুনা', আৰু 'মৰু প্ৰান্তৰ'কে ধৰি বহু কেইখন ভাৰতীয় উপন্যাস আৰু ভ্ৰমণ কাহিনীৰ অনুবাদে আংশিক অভাব পূৰ কৰিছে।

বিদেশী আৰু স্বদেশী গল্পৰ বেছিভাগ অনুবাদ ৰামধেনু, মণিদীপ, আৱাহন, আমাৰ প্ৰতিনিধি, নীলাচল, অসমীয়া আদি আলোচনীৰ পাততেই দেখা যায়। অনূদিত গল্পসমূহৰ ফালে মন কৰিলে দেখা যায় যে ইয়াৰ মূলৰ গণ্ডী সুদূৰ প্ৰসাৰী হলেও ভাৰতীয় অন্য কেতবোৰ ভাষাৰ তুলনাত অসমীয়ালৈ কৰা অনুবাদৰ সংখ্যা যথেষ্ট কম। অনিসকুমাৰ শৰ্মাৰ 'চেখভৰ অনুপম গল্প', বিনোদ শৰ্মাৰ 'গোৰ্কিৰ শ্ৰেষ্ঠ গল্প', 'নিৰুপমা ফুকনৰ 'বিশ্ব গল্প চয়নিকা', বিমল নাথৰ 'হৰ্থৰ্নৰ শ্ৰেষ্ঠ গল্প', লক্ষহীৰা দাসৰ 'অস্কাৰ ৱাইল্ডৰ গল্প', অমূল্য হাজৰিকাৰ 'অ' হেনৰীৰ গল্প' আদি কিছুমান আঙুলিৰ মূৰত লেখিব পৰা বিদেশী গল্প সংকলনৰ বাহিৰে অনূদিত গল্পবোৰ আলোচনীৰ পাততে আছে। এই গল্পসমূহৰ ভিতৰত অমূল্য ফুকনে কৰা জনপ্ৰিয় পোলিচ গল্পকাৰ লিয়োপোল্ড ৱাক'স্কিৰ মূলৰ অনুবাদ 'ৰোমাঞ্চ', গোকুল গোস্বামীয়ে কৰা ৰোমৰ এলবাৰ্ট মোৰাভিয়াৰ গল্প 'বন্ধুত্ব', সৌৰভকুমাৰ চলিহাই কৰা জাৰ্মান গল্পকাৰ ৱলফগাং বৰখাটৰ গল্পৰ অনুবাদ 'ৰুটি' আৰু জেমচ থাৰ্বাৰৰ 'ৱাল্টাৰ মিটিৰ গোপন জীৱন' যতীন গোস্বামীয়ে কৰা ভাৰ্জিনিয়া উল্‌ফৰ 'দি দাচেছ অ্যাণ্ড জুৱেলাৰ'ৰ অনুবাদ 'গহনাৰ বেপাৰী' আৰু কনস্তান্তিন পাউষ্টোৱস্কিৰ মূল ৰুছীয়া ভাষাৰ গল্প 'লিয়োংকা', ডঃ প্ৰফুল্লদত্ত গোস্বামীয়ে কৰা ৰাখটাং এনন্যানৰ মূল আৰ্মেনীয় গল্প 'ধূসৰ চক্ৰৱৰ্তী', অনু বৰুৱাৰ যুগোশ্লাভ গল্পকাৰ চিদমীৰ মিল্লাৰ গল্পৰ অনুবাদ 'প্ৰথম প্ৰেম', মুস্তাফিজুৰ ৰহমানে কৰা মোপাচাৰ

'ইভেন্দ'ৰ ভাবানুবাদ 'নিঃসঙ্গ জোনাক', নবেন শৰ্মাই কৰা আলবেয়াৰ কেমুৰ গল্পৰ অনুবাদ 'আলহী', হেম শৰ্মাই কৰা প্ৰেম চাঁদৰ গল্প 'আৰব এনিশা', গোলাপ খাউণ্ডে কৰা কিশোৰ সাহুৰ হিন্দি গল্পৰ অনুবাদ 'পখী নীড়', ইন্দ্ৰ বনিয়াই কৰা গুড়িপতি ভেঙ্কটচলমৰ মূল তেলেগু গল্প 'গালিওৱালা'ৰ অনুবাদ 'মোৰ কি দোষ', ইমৰাণ শ্বাহে কৰা খাজা আহমদ আব্বাচৰ গল্প 'তেজ ৰঙা হিমালয়' আদিবোৰ দেশী-বিদেশী গল্প অনুবাদৰ কাৰণে নিৰ্বাচনৰ ক্ষেত্ৰত এটা কথা মন কৰিব পাৰি যে জীৱন বোধৰ আদৰ্শাত্মক কথা আৰু বিভিন্ন অনুভূতিৰ বিচিত্ৰতা উপস্থাপনৰ কৌশলৰ দিশটোৱে অধিক আকৰ্ষণ লাভ কৰিছে।

।। শিশু-সাহিত্য ।।

আমাৰ ভাষাত শিশু-সাহিত্য এনেয়ে যথেষ্ট নহয় ; মৌলিক ৰচনাৰ অভাৱৰ একাংশ অনূদিত পুথিয়ে পূৰণ কৰিব পাৰিলেহেঁতেন। স্বাধীনতা লাভৰ পিছৰ কালছোৱাত বিভিন্ন ভাৰতীয় ভাষাত বিজ্ঞানসন্মত শিশু-মনস্তত্ত্বমূলক আকৰ্ষণীয় বহুত কিতাপ ওলাইছে। তাৰে কিছু সংখ্যক কিতাপ অসমীয়ালৈ অনূদিত হলেও বৰ ডাঙৰ কাম হ'লহেঁতেন। সেইদৰে ইংৰাজী, ৰুছীয়, জাৰ্মান, জাপানী আদি ভাষাৰ শিশু পুথিও যথেষ্ট অনুবাদ হোৱা নাই।

স্বাধীনতা লাভৰ পিছত বিদেশী ভাষাৰ শিশু-সাহিত্যৰ অনুবাদ যেখিনি পৰিমাণে হৈছে হাৰুণাৰ ৰচিদৰ হাতত। তেওঁৰ 'টম খুড়াৰ জুপুৰী', 'থ্ৰী মাচকেটিয়াৰ্চ', 'ৰত্নদ্বীপ', 'অলিভাৰ টুইষ্ট', "বনবীৰ টাৰ্জান' আদিৰ সৰল অনুবাদ শিশু আৰু কিশোৰ-কিশোৰীৰ আকৰ্ষণৰ বস্তু। মহেন্দ্ৰ বৰাৰ 'গালিভাৰ', 'ডনকুইকচোট', ৰোহিণী বৰুৱাৰ 'পৰিলিৰ-পৰিযান', মহেশ্বৰ নেওগৰ 'ডাৱৰৰ সিপাৰে ধুনীয়া দেশ', বেনুধৰ শৰ্মাৰ 'ৰবীন্সন ক্ৰুচো', প্ৰফুল্লদত্ত গোস্বামীৰ 'বিলাতী হোজা' আদি অনূদিত পুথি কেইখন শিশু-মনৰ সহজ গ্ৰহণযোগ্য হৈছে। আবুল লেইচে কৰা মাৰ্ক টোৱেইনৰ 'টম ছুয়াৰ', মুক্তিনাথ বৰদলৈৰ 'চাইলাচ মাৰ্ণাৰ', লক্ষেশ্বৰ হাজৰিকাৰ 'পিকুনিত্ৰ', প্ৰবীণা শইকীয়াৰ 'অজান দেশত এলিচ', সুপ্ৰভা গোস্বামীৰ 'ডন কুইকচোট' আদি কেবাখনো সাধু পুথিৰ উপৰিও শিশু-গল্প অনুবাদ সংকলনৰ ক্ষেত্ৰত ৺হৰেন্দ্ৰনাথ শৰ্মাৰ 'ইচপৰ সাধু', প্ৰফুল্লচন্দ্ৰ বৰুৱাৰ 'গ্ৰীচ দেশৰ সাধু', ছাখিনা আহমদৰ 'পঞ্জাৱৰ সাধু', অতুলচন্দ্ৰ

হাজৰিকাৰ 'গ্ৰীমচ আৰু এণ্ডাৰচনৰ সাধু', কালিদাস খাটনিয়াৰৰ 'পঞ্চতন্ত্ৰ কথা কুসুম' আদি সাধু-পুথিসমূহে উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে।

আৰব্য উপন্যাসৰ ৰমনীয় গল্পসমূহৰ অনুবাদ অসমীয়া ভাষাত প্ৰাক্-স্বাধীনতা কালতো হৈছিল। আলোচ্য কালছোৱাত সেইবোৰৰ সাৰানুবাদৰ ভিতৰত মুনীন দত্তবৰুৱাৰ 'আলিবাবা আৰু দুকুৰি ডকাইত', কৃষ্ণকান্ত ভট্টাচাৰ্য্যৰ 'চিন্দাবাদৰ কাহিনী', আজলিতৰা নেওগৰ 'সিন্দবাদ' 'আলিবাবা' আৰু আলাদ্দিন' আদি উল্লেখযোগ্য। নেচনেল বুক ট্ৰাষ্ট আৰু সাহিত্য একাডেমীৰ উদ্যোগত অনূদিত হোৱা অনু বৰুৱাৰ 'পোহৰ আৰু আনন্দৰ সাধু', অমূল্য ফুকনৰ 'শিখৰে শিখৰে', সাবিত্ৰী বৰুৱাৰ 'পক্ষীজগত', অনু বৰুৱাৰ 'বাপু', ৰমা বেজবৰুৱাৰ 'সবগলৈ ভ্ৰমণ', মৃগেন ৰায়চৌধুৰীৰ 'বাঘৰ মাহীয়েক মেকুৰী' আৰু 'ৰোহান্তা আৰু নান্দ্ৰিয়া,' অমূল্য ফুকনৰ 'আমাৰ নদ-নদী', অতুলচন্দ্ৰ হাজৰিকাৰ 'গেঙ্গি কোঁৱৰৰ সাধু' আদিৰ অনুবাদ অভাৱ পূৰণত সহায়ক হৈছে। এইবোৰৰ উপৰিও ভাৰতীয় বিভিন্ন ভাষালৈ অনূদিত হোৱা কেবাখনো ৰুচীয় সচিত্ৰ শিশু-পুথিৰ অনুবাদ অসমীয়ালৈ হোৱাটো মন কৰিবলগীয়া। আলোচনীৰ পাততো কিছু সংখ্যক অনুবাদ ওলাইছে।

এনেদৰে বিগত তিনিটা দশকত আমাৰ অনুবাদ সাহিত্য নিচেই নগণ্য নহয়। অনুবাদৰ কাম মৌলিক ৰচনাতকৈ সহজ নহয়। হোমাৰৰ ৰচনা সৰল হোৱা সত্ত্বেও তাকেই প্ৰতীক কৰিলৈ অনুবাদৰ বিষয়ে কৈ মহাকবি ভাৰ্জিলে কৈছিল-"হোমাৰৰ ৰচনাৰ অনুবাদ হাৰ্কিউলাচৰ গদা কাঢ়ি অনাতকৈও কঠিন কাম।" অনুবাদকে মূলৰ সকলো ভাব, সৌন্দৰ্য্য আৰু প্ৰকৃতি সম্পূৰ্ণ ৰক্ষা কৰি অনূদিত ভাষাত সমানে উপস্থাপন কৰিব লাগে। মুকলি অনুবাদ বা ভাবানুবাদৰ ক্ষেত্ৰত অনুবাদকে নিজস্ব প্ৰতিভাৰে মূলৰ শ্ৰী আৰু সম্পদ ৰক্ষা কৰিব লাগে। অনূদিত ভাষা সাহিত্যৰ গ্ৰহণ সাপেক্ষতা আৰু মূলৰ সমানে উপাদেয় কৰি তোলাটো অনুবাদকৰ প্ৰধান লক্ষ্য হোৱা উচিত। জাৰ্মান সমালোচক কাৱাৰে কৈছে, "মূলৰ নিচিনাকৈ সুন্দৰকৈ অনুবাদ কৰিব পাৰিলেহে অনুবাদ ভাল হৈছে বুলি কব লাগিব।"

সঙ্গীত বিষয়ক আলোচনা ঃ এটি খতিয়ান

শ্ৰীবীৰেন্দ্ৰনাথ দত্ত

প্ৰাচীন কালৰেপৰা অসমত উচ্চমানৰ সঙ্গীত-কলাৰ বহুল চৰ্চা থকাৰ পৰ্যাপ্ত প্ৰমাণ ইতিহাস আৰু পুৰাতত্ত্বই দিয়ে। সঙ্গীতৰ উৎকৰ্ষ আৰু প্ৰসাৰৰ পৰিপ্ৰেক্ষিতত তাহানিৰ অসমত সঙ্গীতৰ তত্ত্ব আৰু প্ৰয়োগ সম্পৰ্কীয় আলোচনা হোৱাটোও স্বাভাৱিক আছিল, যদিও অতি প্ৰাচীন কালৰ অসমৰ সঙ্গীতৰ ৰূপ আৰু সেই সম্পৰ্কে হোৱা আলোচনাৰ প্ৰকৃতিৰ বিষয়ে আমাৰ জ্ঞান প্ৰায় শূন্য। অৱশ্যে অন্ততঃ ছয়-সাতশ বছৰ আগতে উৎপত্তি লাভ কৰি বিশেষকৈ নৱ-বৈষ্ণৱ আন্দোলনৰ যোগেদি অহা সাংস্কৃতিক প্লাৱনৰ দ্বাৰা স্ফীত হৈ সঙ্গীতৰ যি উচ্ছল ধাৰাই এসময়ত অসম-ভূমি সঞ্জীৱিত কৰি তুলিছিল, সেই ধাৰা কেইটিমান সুঁতিয়েদি শীৰ্ণৰূপত আজিও প্ৰবহমান। দুৰ্ভাগ্যবশতঃ বিশিষ্ট ৰাগ আৰু তালৰ পৰিচয় বহনকাৰী এই সঙ্গীত-ধাৰাত ভাৰতৰ অন্যান্য মাৰ্গীয় সঙ্গীত-ধাৰাৰ অনুৰূপ স্বৰ-বিন্যাসৰ বৈশিষ্ট্য-নিৰ্দেশকাৰী সাঙ্কেতিক পদ্ধতি অনুসৃত হোৱা নাছিল আৰু ফলত এই সঙ্গীতৰ পয়োভৰৰ যুগতো সঙ্গীতৰ শাস্ত্ৰসন্মত আলোচনা কিমানদূৰ হৈছিল কোৱা টান। তথাপি অসমত কেইবা শ বছৰ ধৰি চলি অহা ৰাগসমূহৰ প্ৰকৃতিৰ প্ৰতি যে মনোযোগ দিয়া হৈছিল তাৰ আভাস পোৱা যায় পৰম্পৰাগতভাৱে প্ৰচলিত ৰাগ-মালিতাবোৰৰ পৰা। সেইদৰে বাদ্য-প্ৰদীপ আদি গ্ৰন্থ আৰু খোল-মৃদঙ্গৰ মালিতাৰপৰা তালৰ প্ৰকৃতি সম্বন্ধীয় আলোচনাৰ সম্ভেদ পোৱা যায়। তাৰ উপৰি চৰিত পুথিত গুৰু দুজনাই বিভিন্ন সময়ত বিভিন্ন পৰিৱেশত ৰচনা আৰু পৰিৱেশন কৰা গীতসমূহৰ কথা যি যত্ন আৰু গুৰুত্ব সহকাৰে বৰ্ণিত হৈছে তাৰপৰা ধাৰণা হয়

যে গীতবোৰৰ সাঙ্গীতিক গাঁথনি সম্পৰ্কীয় আলোচনাৰো এক ধৰণৰ পৰম্পৰাৰ প্ৰচলন অসমত আছিল।১

কিন্তু আধুনিক কালত—বিশেষকৈ আলোচ্য সময়ছোৱাৰ ভিতৰত—মাৰ্গীয়, দেশীয় বা আধুনিক, কোনোবিধ সঙ্গীতকলৈ অসমত তাত্ত্বিক আৰু প্ৰায়োগিক দিশৰপৰা যথেষ্ট মৌলিক ধৰণৰ আলোচনা অন্ততঃ লিখিত ৰূপত হৈছে বুলি ক'ব নোৱাৰি। ১৯০৯ আৰু ১৯১০ চনত প্ৰকাশিত ৺লক্ষ্মীৰাম বৰুৱাৰ 'সঙ্গীত-কোষ' আৰু 'সঙ্গীত-সাধনা'ৰ পিচত সেই পৰ্যায়ৰ মৌলিক বিজ্ঞানসন্মত গ্ৰন্থ অসমীয়াত আৰু ৰচিত হোৱা নাই। বহুদিনৰ পৰা দুষ্প্ৰাপ্য এই গ্ৰন্থদুখন অকল অসমৰ সঙ্গীত জগতৰ দিক্‌পাল এগৰাকীৰ বৃহৎ কৃতি (magnum opus) হিচাপেই উল্লেখযোগ্য এনে নহয়। অসমীয়া ভাষাত ৰচিত সঙ্গীত বিষয়ক তত্ত্ব আৰু তথ্য-সমৃদ্ধ সৰ্বাধিক গুৰুত্বপূৰ্ণ গ্ৰন্থ হিচাপেও সেই দুখনৰ শ্ৰেষ্ঠত্ব আজিও অম্লান। ১৯৬৮ চনত ওলোৱা শ্ৰীকাঞ্চন বৰুৱাৰ 'সুৰ-দেউলৰ পূজাৰী' নামৰ পুথি-খন যাইকৈ লক্ষ্মীৰামৰ জীৱনালেখ্য যদিও তাত সঙ্গীত-কোষ আৰু সঙ্গীত-সাধনাৰ নিৰ্বাচিত অংশ, দুটিমান পূৰ্বে প্ৰকাশিত আৰু অপ্ৰকাশিত প্ৰবন্ধ আৰু লগতে অনুসন্ধিৎসু জনৰ বাবে লাগতিয়াল অন্যান্য প্ৰামাণ্য তথ্য সন্নিবিষ্ট হোৱাত উক্ত পুথিখনক আলোচ্য সময়ছোৱাত প্ৰকাশিত সঙ্গীত-সম্পৰ্কীয় গ্ৰন্থৰ লেখত আগশাৰীত স্থান দিব পৰা হৈছে।

মৌলিক চিন্তা আৰু প্ৰয়োগেৰে অসমৰ সঙ্গীতৰ ভঁৰাল চহকী কৰোঁতাসকলৰ ভিতৰত লক্ষ্মীৰামৰ পিচতে নাম লব লাগিব ৺কীৰ্তিনাথ বৰদলৈৰ। দুৰ্গাবৰী, শুকনান্নী, ব্যাহ-গোৱা ওজাপালি আৰু বৰগীত আদিৰ সাঙ্গীতিক সম্পদৰ ভেটিত এক কামৰূপী সঙ্গীত-ধাৰাৰ অস্তিত্বক প্ৰমাণ কৰাৰ আৰু তাক যথাযোগ্য আসনত প্ৰতিষ্ঠা কৰাৰ সপোন কীৰ্তি-নাথে দেখিছিল আৰু পৰম নিষ্ঠাৰে তাকেই ৰূপ দিবৰ চেষ্টা কৰিছিল তেওঁৰ 'কামৰূপী সঙ্গীত', 'সুৰ-বিজয়' আদি ৰচনাত। আমাৰ নিৰ্দিষ্ট সময়ছোৱাৰ আগভাগলৈকে কৰ্মক্ষেত্ৰত সক্ৰিয় হৈ থাকিলেও কীৰ্তিনাথৰ মৌলিক চিন্তাসম্ভূত ৰচনাবোৰ তাৰ আগৰ।

---

১ বিভিন্ন গীতৰ পটভূমিকাৰ বিষয়ে চলিত পুথিত থকা বৰ্ণনাৰ ভেটিত এটি সৰস আলোচনা কৰা হৈছে ডঃ মহেশ্বৰ নেওগৰ "বৰগীতৰ অনুকূল" নামৰ প্ৰবন্ধত (পচোৱা, ১ম বছৰ, ১০ম সংখ্যা)

বিষ্ণু ৰাভা অসমৰ সঙ্গীত জগতৰ আন এটি উজ্জ্বল নাম। গীত-নৃত্য-নাট্য আদি সুকুমাৰ কলাৰ বিভিন্ন দিশত অসাধাৰণভাবে পাৰদৰ্শী, গুণমুগ্ধ ৰাইজৰ দ্বাৰা কলাগুৰু উপাধিৰে বিভূষিত এইগৰাকী প্ৰতিভাধৰ শিল্পীয়েই সম্ভৱতঃ আলোচ্য সময়ছোৱাৰ প্ৰথমাৰ্দ্ধত অসমত সঙ্গীত-বিষয়ৰ তাৎপৰ্য্যপূৰ্ণ চিন্তা-চৰ্চাৰ ক্ষেত্ৰত শ্ৰেষ্ঠ বৰঙণি আগ বঢ়াইছিল। সঙ্গীতৰ তাত্ত্বিক আৰু প্ৰায়োগিক উভয় দিশতে আছিল ৰাভাদেৱৰ গভীৰ ব্যুৎপত্তি; তাৰ উপৰি অসমৰ আৰু ভাৰতৰ নানা প্ৰান্তৰ উচ্চাঙ্গ আৰু লৌকিক সঙ্গীতৰ লগত তেওঁৰ পৰিচয় আছিল প্ৰগাঢ়। তেওঁৰ এই বিশেষ জ্ঞান আৰু অভিজ্ঞতা প্ৰতিফলিত হৈছে অসমীয়া সংস্কৃতিৰ বিষয়ে তেওঁৰ বিভিন্ন ভাষণ আৰু ৰচনাৱলীত থকা সঙ্গীত সম্পৰ্কীয় মন্তব্যসমূহত। কিন্তু সঙ্গীতৰ বিশেষ ক্ষেত্ৰত বিষ্ণু ৰাভাৰ অধ্যয়ন আৰু অনুশীলনপুষ্ট চিন্তাৰ পৰিপক্ক ফলৰ নিদৰ্শন পোৱা যায় বাঁহী, আৱাহন, ৰামধেনু আদি বিভিন্ন আলোচনীত প্ৰকাশিত তেওঁৰ 'শ্ৰীশ্ৰীমন্তী কলাৱতী, 'সঙ্গীত আৰু শ্ৰীশ্ৰীশঙ্কৰদেৱৰ বৰগায়ন', 'ভাৰতীয় সঙ্গীত কলাৰ ভূমিকা', 'আদিম ভাৰতীয় নৃত্য বিশাৰদ আৰু তুৰীয় নটমূৰ্ত্তি' প্ৰবন্ধত। ইয়াৰ কেইটামানতো তেওঁ ভাৰতীয় শাস্ত্ৰবৰ্ণিত সঙ্গীত-নৃত্যাদি সম্পৰ্কীয় তত্ত্বৰ ব্যাখ্যা আৰু আলোচনা আগবঢ়োৱাৰ উপৰিও আধুনিক সঙ্গীতবিজ্ঞানৰ দৃষ্টিকোণৰপৰা ভাৰতীয় সঙ্গীতৰ বৈশিষ্ট্য বিশ্লেষণ কৰাৰ অতি প্ৰশংসনীয় প্ৰচেষ্টাও কৰিছে। সম্ভৱতঃ এই ক্ষেত্ৰত ৰাভাদেৱৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৰঙণি হল ভাৰতীয় সঙ্গীতৰ এক বিশেষ ধাৰাৰ প্ৰৱৰ্তক হিচাপে শঙ্কৰদেৱক বিশিষ্ট স্থান দিয়াৰ সপক্ষে তুলনামূলক অধ্যয়নৰ ভেটিত আগবঢ়োৱা কিছু-মান গুৰুত্বপূৰ্ণ যুক্তি।[১]

পঞ্চাশৰ দশকৰ পৰা বৰগীতৰ বিশিষ্ট ৰাগ, তাল আৰু গায়ন পদ্ধতিৰ আধাৰত বৰগীতক এটি স্বতন্ত্ৰ সঙ্গীত-ধাৰা ৰূপে প্ৰতিপন্ন কৰাৰ বিষয়ে এক সচেতনতাৰ উমান পোৱা যায় সেই সময়ত কাকতে-পত্ৰে ওলোৱা

---

১ স্বৰ্গীয় ৰাভাৰ হাতেলিখা কাকত-পত্ৰ কিছুমানৰ পৰা দেখা যায় যে এই দিশত আৰু অধিক কাম কৰিবলৈ লৈ তেওঁ প্ৰণালীবদ্ধভাবে বহু সত্ৰীয়া গীত আৰু তালৰ সাঙ্কেতিক লিপিকৰণ কৰি এখনি প্ৰবন্ধ ৰচনা কৰাৰ আঁচনি কৰিছিল। তাৰে কিছুমান সম্পূৰ্ণ আৰু কিছুমান অসম্পূৰ্ণ অৱস্থাত পোৱা গৈছে। ৰাভাদেৱৰ অপ্ৰকাশিত ৰচনাৱলী চোৱাৰ সুযোগ দিয়াৰ বাবে প্ৰবন্ধ লিখক প্ৰকাশন পৰিষদৰ সচিবৰ ওচৰত কৃতজ্ঞ।

কিছুমান প্ৰবন্ধ-পাতিৰ পৰা। শ্ৰীপুৰুষোত্তম দাসৰ "বৰগীতৰ সাঙ্গীতিক ভিত্তি"-শীৰ্ষক প্ৰবন্ধ (ৰামধেনু, ৩য় বছৰ, ৬ষ্ঠ সংখ্যা) আৰু সেই একে শিৰোণামাৰে শ্ৰীবীৰেন ফুকনৰ প্ৰতিবাদ-প্ৰবন্ধ হিচাপে প্ৰকাশিত পৰিপূৰক আলোচনা (ৰামধেনু, ৩য় বছৰ ৯ম সংখ্যা) এই সন্দৰ্ভত বিশেষভাৱে উল্লেখযোগ্য। শ্ৰীদেবেন্দ্ৰচন্দ্ৰ চাংকাকতিৰ "সঙ্গীত শাস্ত্ৰমতে বৰগীত" (জয়ন্তী ১১শ বছৰ ২য় সংখ্যা) আৰু "বৰগীত" (সাঃ সঃ পত্ৰিকা ২৬শ বছৰ ১ম সংখ্যা) নামৰ প্ৰবন্ধ দুটি আৰু সাহিত্য সভা পত্ৰিকাত (১৬শ বছৰ ১ম সংখ্যা) প্ৰকাশিত শ্ৰীচাংকাকতি ৺লক্ষ্মীনাথ দাস আৰু ডঃ মহেশ্বৰ নেওগৰ "বৰগীত আৰু শাস্ত্ৰীয় সঙ্গীত"—শীৰ্ষক যুটীয়া আলোচনাটিৰো এই ক্ষেত্ৰত যথেষ্ট গুৰুত্ব আছে। শ্ৰীখগেন্দ্ৰনাথ দাসেও দুটিমান ইংৰাজী আৰু অসমীয়া প্ৰবন্ধত বৰগীতৰ সাঙ্গীতিক বৈশিষ্ট্যৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিছিল। ষাঠিৰ দশকত সত্ৰীয়া সঙ্গীতৰ তালৰ বিষয়ে লিখিত শ্ৰীকেশৱ চাংকাকতিৰ তাল-সমলয় নামৰ প্ৰবন্ধটিয়ে (অসমীয়া, প্ৰথম বছৰ) বিশেষত্ব দাবী কৰিব পাৰে এই কাৰণেই যে উত্তৰ ভাৰতীয় তবলাৰ তাল আৰু সত্ৰীয়া তালৰ এই তুলনামূলক অধ্যয়নটি প্ৰত্যক্ষ গৱেষণালব্ধ জ্ঞানৰ আধাৰত প্ৰস্তুত। শ্ৰীচাংকাকতিৰ "শাস্ত্ৰীয় ৰাগ আৰু তালৰ ভিত্তিত বৰগীত" (সাহিত্য-সুৰভি, ১৯৭৩) প্ৰবন্ধটিও যথেষ্ট মূল্যবান। অলপতে প্ৰকাশ পোৱা ডঃ কেশৱানন্দ গোস্বামীৰ "সত্ৰ-সংস্কৃতিৰ ৰূপৰেখা" নামৰ গ্ৰন্থতো খাইকৈ নগাঁও অঞ্চলত প্ৰচলিত সত্ৰীয়া সঙ্গীত পদ্ধতি সম্পৰ্কে ভালেখিনি কথাই স্থান পাইছে।

পণ্ডিত মনোৰঞ্জন শাস্ত্ৰীৰ "অসমত সঙ্গীত চৰ্চা" নামৰ প্ৰবন্ধ (ৰামধেনু, ৬ষ্ঠ বছৰ, ১ম-২য় সংখ্যা) আলোচ্য সময়ছোৱাত প্ৰকাশ পোৱা সঙ্গীত সম্পৰ্কীয় আলোচনাৰ ক্ষেত্ৰত এক উল্লেখনীয় সংযোজন। পুৰাণ, কাব্য আৰু অন্যান্য উৎসৰ পৰা আহৃত বিভিন্ন তথ্যৰ পাণ্ডিত্যপূৰ্ণ অথচ সাৱলীল অৱতাৰণাৰে শাস্ত্ৰীদেৱে প্ৰাচীন অসমত সঙ্গীত-চৰ্চাৰ প্ৰতুলতাৰ কথা বৰ্ণনা কৰাৰ উপৰিও প্ৰত্যক্ষ অভিজ্ঞতাৰ আধাৰত মঙ্গলদৈ অঞ্চলৰ ব্যাহ-গোৱা ওজা-পালিৰ সঙ্গীত-পৰম্পৰাৰ বিষয়ে কিছুমান প্ৰাসঙ্গিক তথ্যৰ সমাৱেশ কৰিছে। সঙ্গীত বিজ্ঞান আশ্ৰিত নহলেও এই তথ্যসমূহে ভৱিষ্যতৰ গৱেষণাকাৰীৰ বাবে অতি প্ৰয়োজনীয় সূত্ৰৰ যোগান ধৰিব। ব্যাহ-গোৱা ওজা-পালিৰ নৃত্য-গীত পৰিৱেশনৰ বৈশিষ্ট্য সম্বন্ধে আৰু কিছু জ্ঞাতব্য তথ্য শ্ৰীঅতুল বৰুৱাৰ "সভা-গোৱা ওজা-পালি" নামৰ প্ৰবন্ধতো আছে। (সাহিত্য সভা পত্ৰিকা, ১৮শ বছৰ, ৩য় সংখ্যা)।

ইয়াৰ উপৰি সময়ে সময়ে প্ৰকাশিত যিবোৰ প্ৰবন্ধ-পাতিত অসমৰ সঙ্গীতৰ বিশেষত্বই স্থান পাইছে তাৰ ভিতৰত উল্লেখযোগ্য কেইটামান হ'ল শ্ৰীসুন্দৰ বৰদলৈৰ "ভাৰতীয় সঙ্গীত আৰু অসম" (সুৰভি ৩য় বছৰ ?), শ্ৰীবীৰেন্দ্ৰকুমাৰ ফুকনৰ "আধুনিক অসমীয়া সঙ্গীত" (ঝঙ্কাৰ ১৯৫৪), শ্ৰীখগেন্দ্ৰনাথ দাসৰ "অসমত সঙ্গীত-চৰ্চা" (ঝঙ্কাৰ, ১৯৫৪-৫৫) ইত্যাদি। সাহিত্য সভাৰ অধিৱেশনৰ সঙ্গীত শাখাৰ সভাপতিৰ অভিভাষণ সমূহকো এই ক্ষেত্ৰত লেখত ল'ব পাৰি। এইবোৰৰ সৰহভাগতে সঙ্গীত সম্বন্ধীয় মৌলিক চিন্তা সহজলভ্য নহয় যদিও তাৰ ভিতৰত শ্ৰীমুক্তিনাথ বৰদলৈ, শ্ৰীশান্তিদেৱ ঘোষ, শ্ৰীপাৰ্বতীপ্ৰসাদ বৰুৱা প্ৰমুখ্যে দুগৰাকীমানৰ ভাষণক মৌলিকতাৰ বাবে বিশেষ শ্ৰেণীত থব পাৰি। শ্ৰীপৰাগ চলিহাৰ 'অসমৰ সঙ্গীত' (অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত 'অসমীয়া সংস্কৃতি' গ্ৰন্থ দ্ৰষ্টব্য) আন এটি মূল্যবান প্ৰবন্ধ। কিন্তু সঙ্গীতকে ধৰি সুকুমাৰ কলাৰ বিভিন্ন বিভাগত অসমৰ সুপ্ৰাচীন আৰু ঐশ্বৰ্যপূৰ্ণ ঐতিহ্যক বিভিন্ন মাধ্যমেদি অসমৰ ভিতৰে-বাহিৰে উজ্জ্বল আলোকত যথাযথভাৱে দাঙি ধৰাৰ প্ৰয়াসেৰে যি গৰাকী ব্যক্তিয়ে যোৱা দুই-তিনি দশক ধৰি আটাইতকৈ আশাশুধীয়া সেৱা আগ বঢ়াইছে সেয়া হ'ল ডঃ মহেশ্বৰ নেওগ। গভীৰ অধ্যয়ন আৰু নিৰলস অনুসন্ধানৰ দ্বাৰা নিজকে প্ৰস্তুত কৰি অসমৰ সঙ্গীত-পৰম্পৰাৰ—বিশেষকৈ সত্ৰীয়া নৃত্য-গীতৰ ধাৰাৰ—ডঃ নেওগে কৰা বিজ্ঞানসন্মত বৰ্ণনা আৰু বিশ্লেষণৰ নিদৰ্শন সিঁচৰতি হৈ আছে অসমীয়া আৰু ইংৰাজী বিভিন্ন আলোচনী, ভাষণ, স্মৃতি-গ্ৰন্থ পুস্তিকা আদিত। তেওঁৰ 'শ্ৰীশঙ্কৰদেৱ' নামৰ গ্ৰন্থতো শঙ্কৰী সঙ্গীত-ধাৰাৰ বিষয়ে যথেষ্ট তথ্য আছে। কিন্তু এই দিশত ডঃ নেওগৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কৃতি হ'ল শ্ৰীপুৰুষোত্তম দাস আৰু শ্ৰীবীৰেন ফুকনৰ সহযোগত সম্পাদিত "স্বৰ-ৰেখাত বৰগীত" নামৰ অসমীয়া আৰু "Rhythm in the Vaishnava Music of Assam" নামৰ ইংৰাজী গ্ৰন্থ। এই দুখনেই সত্ৰীয়া সঙ্গীতৰ ওপৰত গৱেষণাপ্ৰসূত বৰ্তমানলৈ প্ৰকাশিত সৰ্বাধিক প্ৰামাণ্য আৰু নিৰ্ভৰযোগ্য গ্ৰন্থ।

ইয়াৰ উপৰিও ভাৰতীয় সঙ্গীতৰ বিষয়ে কিছুমান প্ৰবন্ধ-পাতি নানা সময়ত অসমৰ পত্ৰ-পত্ৰিকাত প্ৰকাশিত হৈছে। ইয়াৰ ভিতৰত আছে—শ্ৰীবীৰেন্দ্ৰকুমাৰ ফুকনৰ "ভাৰতীয় শাস্ত্ৰীয় সঙ্গীতত আধুনিকতাৰ প্ৰভাৱ" (ঝঙ্কাৰ, ১৯৫৪-৫৫), শ্ৰীসতীশ বৰপুজাৰীৰ "ভাৰতৰ বাদ্য-সঙ্গীত" (ৰামধেনু, ৭ম বছৰ, ৬ষ্ঠ সংখ্যা), শ্ৰীসুন্দৰ বৰদলৈৰ 'সঙ্গীত আৰু সাধনা'

(ঝঙ্কাৰ, ১৯৫৪), শ্ৰীগোলোকচন্দ্ৰ খাউণ্ডৰ "প্ৰাচীন সঙ্গীত শাস্ত্ৰত শ্ৰুতিৰ আলোচনা" (সাঃ সঃ পত্ৰিকা, ২৫শ বছৰ, ২য়-৩য় সংখ্যা), "ঠাৎ আৰু ৰাগ" (সাঃ সঃ পত্ৰিকা, ২৬শ বছৰ, ২য় সংখ্যা), "ৰাগৰ বিষয়ে আলোচনা" (সাঃ সঃ পত্ৰিকা, ২৮শ বছৰ, ১ম সংখ্যা), শ্ৰীহীৰেণ শৰ্মাৰ 'ভাৰতীয় শাস্ত্ৰীয় সঙ্গীত' (সঙ্গীতায়ন, অসম সঙ্গীত নাটক একাডেমীৰ স্মৃতি-গ্ৰন্থ, ১০ম অধি.), শ্ৰীমতী লক্ষ্মী শইকীয়াৰ "ৰাগ-সঙ্গীত" (নীলাচল,-৬ষ্ঠ বছৰ ১ম সংখ্যা) ইত্যাদি। কিছুদিন আগতে শ্ৰীমতী শইকীয়াৰ শাস্ত্ৰীয় সঙ্গীত সম্বন্ধে "সঙ্গীত-মঞ্জৰী" নামৰ এখন প্ৰাৰম্ভিক পুথিও প্ৰকাশিত হৈছে। শ্ৰীতীৰ্থনাথ শৰ্মাৰ দুই-এক ভাষণ আৰু ৰচনাতো সঙ্গীতৰ বিষয়ে কিছু তথ্য-পাতি পোৱা যায়।

আমি সঙ্গীত বোলোঁতে অৱশ্যে মাথোঁকৈ গীত আৰু বাদ্যৰ ওপৰতে জোৰ দিছোঁ। কিন্তু শাস্ত্ৰমতে সঙ্গীতে গীত, বাদ্য আৰু নৃত্য তিনিওকে সামৰে। এইখিনি সময়ৰ ভিতৰত বিষ্ণু ৰাভাই লিখা কিছুমান নৃত্য সম্পৰ্কীয় প্ৰবন্ধ-পাতিৰ উল্লেখ আমি আগতে কৰিছোঁ। ডঃ নেওগেও অসমৰ নৃত্য সম্পৰ্কে কেইবাটাও মূল্যবান প্ৰবন্ধ লিখাৰ উপৰিও 'শ্ৰীহস্ত-মুক্তাৱলী সম্পাদনা কৰি উলিয়াইছে। [১]প্ৰবীণ শিল্পী প্ৰদীপ চলিহাই-লিখা অসমৰ নৃত্য-ধাৰাৰ পৰিচয়মূলক আলোচনাবোৰ বিশেষকৈ ওজা-পালি নৃত্য-পদ্ধতিৰ বিষয়ে তেখেতে কৰা গৱেষণামূলক অধ্যয়নৰ আলোকেৰে উদ্ভাসিত। শ্ৰীসুৰেশ গোস্বামীয়ে 'ভাৰতীয় নৃত্য-কলা' নামৰ পুথি ৰচনা কৰাৰ উপৰিও নৃত্য সম্পৰ্কে কেইবাটিও প্ৰবন্ধ লিখিছে। শ্ৰীগজেন বৰুৱা আৰু শ্ৰীচাৰু বৰদলৈৰ নৃত্য-সম্পৰ্কীয় প্ৰবন্ধ কেইটিও লেখত লবলগীয়া। শ্ৰীৰোমেশ্বৰ শইকীয়া বায়নৰ 'সত্ৰীয়া নৃত্যকলা' প্ৰবন্ধত (প্ৰহৰী, ২য় বছৰ, ৩য়-৪ৰ্থ-৫ম সংখ্যা) সত্ৰীয়া নৃত্যৰ, বিশেষকৈ কমলাবাৰী সত্ৰত প্ৰচলিত নৃত্য-গীতৰ চৰ্চা আৰু শিক্ষাদান ৰীতিৰ সুন্দৰ আভাস পোৱা যায়। পৰিহৰেশ্বৰ দেৱালয়ৰ (ডুবি) নৃত্যৰ বিষয়ে পৰিচয়-মূলক আলোচনা কৰিছে শ্ৰীৰত্ন তালুকদাৰ (সঙ্গীতায়ন), শ্ৰীসতীশ চৌধুৰী (নীলাচল ৫ম বছৰ, ১ম সংখ্যা) আদিয়ে। ইয়াৰ উপৰি অসমৰ বিভিন্ন জনজাতীয় আৰু অ-জনজাতীয় লোক-নৃত্যসম্পৰ্কে বহুতো বিৱৰণমূলক প্ৰবন্ধ নানা কাকত-পত্ৰত ওলাইছে।

---

১ ডঃ নেওগৰ দ্বাৰা সম্পাদিত অসমৰ নৃত্য আৰু বাদ্যৰ বিষয়ে বিস্তৃত তথ্য আৰু আলোচনা সম্বলিত এখন গ্ৰন্থৰ প্ৰকাশ আসন্নপ্ৰায়।

শাস্ত্রীয় সঙ্গীতৰ বিষয়ে অসমত মৌলিক ধৰণৰ আলোচনা যদিও কিছু হৈছে, 'অনা-শাস্ত্রীয়' সঙ্গীতৰ ক্ষেত্ৰত সেইখিনিও হৈছে বুলি কোৱাৰ থল তেনেকৈ নাই। আমি জানো যে দেশী বা লৌকিক সঙ্গীতৰ ক্ষেত্ৰত অসম বিশেষভাৱে চহকী। লোকগীতৰ বিষয়ে সৰু-ডাঙৰ প্রচুৰ প্ৰবন্ধ-পাতি, আনকি বৃহৎ কলেবৰৰ গ্রন্থও সম্প্রতি অসমত যথেষ্ট ওলাইছে। কিন্তু ইয়াৰ প্ৰায় সকলোবোৰতে গীতসমূহৰ অকল সাহিত্যিক আৰু সামাজিক দিশৰ বিচাৰহে আছে, সেইবোৰৰ সাঙ্গীতিক বৈশিষ্ট্যৰ দিশটো প্ৰায় সম্পূৰ্ণৰূপে উপেক্ষিত। লোকগীতৰ সুৰ-সংৰক্ষণ আৰু সাঙ্গীতিক চৰিত্রৰ বিশ্লেষণৰ কামত তাহানি লক্ষ্মীৰাম আৰু কীৰ্তিনাথেই হাত দিছিল যদিও তাৰ পিছত এই দিশত অসমত কাম বিশেষ আগবঢ়া নাই। শ্ৰীপুৰুষোত্তম দাসৰ "অসমীয়া লোক-সঙ্গীত" নামৰ প্ৰবন্ধত (ঝঙ্কাৰ, ১৯৫৪-৫৫) লোকগীতৰ সুৰৰ প্ৰকৃতিক অনুধাৱন কৰাৰ এটা প্ৰয়াস দেখা যায়। শ্ৰীহেমাঙ্গ বিশ্বাসৰ "লোক-গীতৰ ৰাগ-ৰূপ আৰু গীত-ৰীতি" প্ৰবন্ধত (স্বাক্ষৰ, সাহিত্য সভা সংখ্যা, ১৯৭৩) অসমকে ধৰি ভাৰতৰ কেইবাটাও অঞ্চলৰ লোক-গীতৰ সুৰৰ চানেকিৰে সূক্ষ্ম অথচ গভীৰ তাৎপৰ্য্যপূৰ্ণ বিচাৰ আছে।[১] লোকগীতৰ স্বৰ-লিপিবদ্ধ কৰি ভৱিষ্যতৰ কাৰণে সংৰক্ষণৰ উদ্যমৰ ক্ষেত্ৰত শ্ৰীযোগেন দাসৰ "আমাৰ সাঁচতীয়া গীতি-সুৰ" নামৰ পুথিখনেই বোধহয় সাম্প্রতিক কালৰ একমাত্র নিদৰ্শন।

আধুনিক সঙ্গীতৰ বেলিকাও সেই একে কথাকে কব পাৰি, অৰ্থাৎ, আধুনিক গীতৰ আলোচনা যিখিনি হৈছে তাত গীতি-কবিতাৰ সাহিত্যিক আৰু সামাজিক মূল্যাঙ্কনৰ প্ৰচেষ্টাৰ তুলনাত সাঙ্গীতিক লক্ষণৰ বিচাৰৰ প্ৰয়াস প্ৰায় নগণ্য। অসমীয়া আধুনিক গীতক নতুন ৰূপ দিওঁতা জ্যোতিপ্ৰসাদকে আধুনিক সঙ্গীতৰ আলোচনাৰ বাট মোকলাওঁতা বুলিও ধৰিব লাগিব। অসমীয়া লোক-সুৰৰ লগত ভাৰতীয় সঙ্গীতাদৰ্শ আৰু পশ্চিমীয়া সঙ্গীত-ৰীতিৰ সমন্বয় ঘটাই অনন্য সাৰ্থকতা লাভ কৰা জ্যোতি-প্ৰসাদে 'অসমীয়া সঙ্গীতৰ ধাৰা'ত ১৯৩৬ চনতে ব্যক্ত কৰিছিল তেওঁৰ সঙ্গীত-ভাৱনা যʼত প্ৰকাশিত হৈছে আধুনিক অসমীয়া সঙ্গীতৰ কাৰণে এই তিনি ধাৰাৰ ত্ৰিবেণী-সঙ্গমৰ পোষকতা। আন এঠাইত তেওঁ আধুনিক

১ প্ৰসঙ্গতঃ উল্লেখযোগ্য যে 'স্বাক্ষৰ'ত প্ৰকাশিত কথাখিনি শ্ৰীবিশ্বাসৰ বক্তব্যৰ একাংশহে। তেখেতৰ সম্পূৰ্ণ বক্তব্য প্ৰকাশিত হৈছে বঙালী আলোচনী 'এক্ষণ'ৰ দশম বৰ্ষ শাৰদীয় সংখ্যাত।

জীৱন-যাত্ৰাৰ বৈচিত্ৰ্য আৰু সংঘাতক যথাৰ্থৰূপত প্ৰতিফলিত কৰিবলৈ ফিল্ম আদি অত্যাধুনিক মাধ্যমত পশ্চিমীয়া হাৰ্মনী-ভিত্তিক সঙ্গীতৰ আগমনৰ অৱশ্যম্ভাৱিতাৰ কথা স্পষ্টভাৱে ঘোষণা কৰিছে।" (ডিব্ৰুগড় কানৈ কলেজৰ সঙ্গীত সন্মিলনৰ সভাপতিৰ অভিভাষণ, ১৯৪৮)

ৰবীন্দ্ৰ সঙ্গীত ভাৰতীয় আধুনিক সঙ্গীতত এক যুগান্তকাৰী আলোড়নৰ বাহক, এইটো অনস্বীকাৰ্য্য। ৰবীন্দ্ৰ-সঙ্গীতৰ ভাব আৰু সুৰৰ অসাধাৰণ কলাসুলভ আৰু মননশীল বৈশিষ্ট্যৰ কথা অতি বিচক্ষণতাৰে উপস্থাপিত হৈছে ৺ভৱানন্দ দত্তৰ "ৰবীন্দ্ৰ সঙ্গীত" নামৰ প্ৰবন্ধত (অৰুণাচল, বহাগ ১৮৭৮)। "সঙ্গীত কলা সম্বন্ধে বিশেষ জ্ঞান নথকা সাধাৰণ শ্ৰোতাৰ ফালৰ পৰাহে" আলচ কৰা হৈছে বুলি কোৱা হলেও প্ৰবন্ধটোত ধ্ৰুপদ, টপ্পা, ঠুংৰী আৰু লোক-সঙ্গীত আদিৰ বিষয়ে প্ৰাসঙ্গিক প্ৰাথমিক আলোচনাৰে ৰবীন্দ্ৰ সঙ্গীতৰ বিকাশত এইবোৰৰ অৱদানৰ কথা অতি নিয়াৰিকৈ আলোচনা কৰা হৈছে। "বাহ্যিক অলঙ্কাৰ আৰু চমৎকাৰিত্বৰ" ঠাইত ভাব সম্পদকে প্ৰধান কৰি ৰবীন্দ্ৰনাথে সংযোজনা কৰা সুৰৰ বৈশিষ্ট্যৰ কথাও সুন্দৰভাৱে দাঙি ধৰা হৈছে। এইখিনিতে কব পাৰি-যে জ্যোতিপ্ৰসাদৰ গীত বা জ্যোতি-সঙ্গীত সম্পৰ্কে অসমত বৰ্তমানে প্ৰভূত আগ্ৰহ দেখা গলেও জ্যোতিপ্ৰসাদৰ গীতসমূহৰ উপযুক্ত সাঙ্গীতিক মূল্যায়ন সামান্যহে হৈছে। বিষ্ণু ৰাভাৰ 'অমৰ জ্যোতি' ('জ্যোতি-প্ৰতিভা' গ্ৰন্থ দ্ৰষ্টব্য) নামৰ প্ৰবন্ধত জ্যোতিপ্ৰসাদৰ সুৰৰ কিছু লক্ষণ চানেকিৰে সৈতে দাঙি ধৰা হৈছে। শ্ৰীনিৰ্মল চক্ৰৱৰ্তী, শ্ৰীতফজ্জুল আলি, শ্ৰীভবেন বৰুৱা, আদি কেইগৰাকীমান ব্যক্তিয়ে জ্যোতিপ্ৰসাদৰ কিছুমান গীতৰ সুৰৰ বৰ্ণনা বা বিশ্লেষণ কৰিবৰ যত্ন কৰিছে; কিন্তু স্বীকাৰ কৰিব লাগিব যে জ্যোতি-সঙ্গীত সম্পৰ্কীয় প্ৰায়বোৰ আলোচনাত (সেইবোৰৰ সংখ্যাও তাকৰ নহয়)। তথ্য আৰু বস্তুনিষ্ঠাতকৈ ব্যক্তিনিষ্ঠ উচ্ছ্বাসৰ মাত্ৰাহে সৰহ।

সুকুমাৰ কলা হিচাপে সঙ্গীতৰ তত্ত্ব আৰু প্ৰয়োগৰ বিভিন্ন দিশৰ উপৰিও সঙ্গীতৰ কিছুমান সামাজিক দিশো আছে; তাৰে দুটা পৰস্পৰ সম্পৰ্কযুক্ত দিশ হ'ল সঙ্গীতৰ শিক্ষা আৰু চৰ্চাৰ ৰাজহুৱা ব্যৱস্থা আৰু সমাজৰ মানসিকতাৰ ক্ষেত্ৰত সঙ্গীতৰ প্ৰভাৱ আৰু সম্ভাৱনা। এই দুই দিশৰ কিছু আলোচনা আছে শ্ৰীসুন্দৰ বৰদলৈৰ "অসমত সঙ্গীত-শিক্ষাৰ উচ্চ কেন্দ্ৰ" (ৰামধেনু, ৫ম বছৰ, ৩য় সংখ্যা), শ্ৰীখগেন্দ্ৰনাথ দাসৰ "শিক্ষাৰ অঙ্গ স্বৰূপে সঙ্গীত" (শৰাই, বহাগ ১৮৬৯), শ্ৰীগিৰীন্দ্ৰনাথ বৰাৰ "সঙ্গীত আৰু অসমীয়া সমাজ" (ৰামধেনু, ৬ষ্ঠ বছৰ, ৪ৰ্থ সংখ্যা) আদি প্ৰবন্ধত।

সঙ্গীত আদি কলাৰ সামাজিক ভূমিকাৰ গুৰুত্ব সম্পৰ্কে জ্যোতিপ্ৰসাদে তেওঁৰ কেইবাখনো ৰচনাত অতি সাৰপূৰ্ণ মন্তব্য কৰিছিল। বৰ্তমানৰ অসমীয়া আধুনিক গীতৰ সামাজিক লক্ষণ সম্পৰ্কে কিছুমান বিতৰ্কমূলক কিন্তু তাৎপৰ্য্যপূৰ্ণ প্ৰশ্ন তুলিছিল শ্ৰীভবেন বৰুৱাই তেখেতৰ "প্ৰাপ্তবয়স্কৰ সমস্যা আৰু অসমীয়া সংস্কৃতি" প্ৰবন্ধত (ৰামধেনু, ১৮শ বছৰ, ৭ম সংখ্যা)। সম্প্ৰতি প্ৰকাশিত তেখেতৰ "অসমত এটি সাংস্কৃতিক শিক্ষাৰ কেন্দ্ৰীয় প্ৰতিষ্ঠান স্থাপন কৰাৰ এখন আঁচনি" নামৰ প্ৰবন্ধত (প্ৰকাশিকা, বাণী প্ৰকাশৰ ৰূপালী জয়ন্তী স্মৃতি-গ্ৰন্থ) সন্নিবিষ্ট হৈছে অসমৰ জাতীয় জীৱনত সঙ্গীতকে ধৰি কলা-সংস্কৃতিৰ উপাদানসমূহৰ সুপ্ৰয়োগৰ বিষয়ে সুচিন্তিত আৰু ভাবোদ্দীপক কেইটামান পৰামৰ্শ।

অসমীয়া গীতি-সাহিত্য

শ্ৰীসুৰেন গোস্বামী

বৰ্ত্তমান যুগত অসমীয়া সঙ্গীত বিশেষকৈ অনাতাঁৰ আৰু বোলছবিমুখী হোৱালৈ লক্ষ্য ৰাখি আলোচনা কৰিবলৈ গলে পোনতে মনত পৰে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালালৈ। আগৰৱালাৰ পূৰ্ববৰ্ত্তী এই ৰোমাণ্টিক যুগতে সত্যনাথ বৰা, লক্ষ্মীৰাম বৰুৱা, ৰাধানাথ ফুকন, পদ্মধৰ চলিহা, কীৰ্ত্তিনাথ শৰ্মাবৰদলৈ প্ৰমুখ্যে গীতিকাৰসকলে কৰা আশা-শুধীয়া চেষ্টাত অনুপ্ৰাণিত হৈ বৰ্ত্তমান যুগৰ গীতিকাৰ আৰু শিল্পীসকলে যি বৰঙণি আগ বঢ়াইছে, তাতেহে অসমীয়া গীতি-সাহিত্য আৰু সঙ্গীতে সুপ্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে। আকৌ এই প্ৰতিষ্ঠিত সঙ্গীতক নতুন ৰূপেৰে সজাই পৰাই যুগান্তৰ সৃষ্টি কৰা ক্ষেত্ৰত জ্যোতিপ্ৰসাদকে পথ প্ৰদৰ্শক হিচাপে গণ্য কৰিব লাগিব।

প্ৰাক্‌শঙ্কৰী যুগৰ পৰা চলি অহা অসমৰ নিজস্ব সম্পদ ওজাপালিৰ গীত, বিশিষ্ট ৰাগ-ৰাগিনী সমৃদ্ধ দুৰ্গাবৰী গীত, বৰগীত আৰু আনহাতে নিচুকণি গীত, আইনাম, বিয়ানাম, বিহুগীত আদিবোৰ থলুৱা গীতৰ দৰে হৃদয়-স্পৰ্শী অসমীয়া সঙ্গীতে প্ৰতিষ্ঠা লাভ কৰিও যথোচিত প্ৰচাৰ মাধ্যম নোহোৱাত সেইবোৰে আঞ্চলিক ভিত্তিতহে জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছিল। সেয়ে দ্বিতীয় মহাসমৰৰ সময়লৈকে অসমীয়া সঙ্গীতক 'ধনৰীয়া' বুলি হাঁহি উৰুৱাই দিয়া লোকৰ সংখ্যাও অসমত কম নাছিল। শঙ্কৰী গীত-মাতবিলাক স্থান আছিল সত্ৰ-নামঘৰত, লোকগীতখিনি আছিল গঞা ৰাইজৰ মুখত আৰু সৃষ্টিধৰ্মী গীতবোৰ গোৱা হৈছিল সভা-সমিতি, নাট্যানুষ্ঠান আৰু বৈঠকী অনুষ্ঠানত। প্ৰফুল্ল বৰুৱা, চাৰু বৰদলৈ, ভূপেন হাজৰিকা প্ৰমুখ্যে কেইগৰাকীমান শিল্পীয়ে কলিকতালৈ গৈ গীত-মাত ৰেকৰ্ড কৰিছিল, কিন্তু অনাতাঁৰ কেন্দ্ৰযোগে এইবোৰ শুনাৰ সৌভাগ্য অসমীয়া ৰাইজৰ মুষ্টিমেয়

ভাগ্যবান লোকবহে হৈছিল বা গ্ৰামোফন যন্ত্ৰও মাত্ৰ কেইজনমান ধনী লোকেহে কিনিবলৈ সক্ষম হৈছিল। ১৯৩৫ চনত জ্যোতিপ্ৰসাদৰ 'জয়মতী' বোলছবিয়ে অসমীয়া বাইজক গীত-মাত সম্পৰ্কে আভাষ দিবলৈ কিছু পৰিমাণে সক্ষম হ'ল। এই মৰ্মে অসমীয়া সঙ্গীতক নতুন সুৰ দান কৰা আৰু প্ৰচাৰ কৰা, এই দুয়ো ফালৰ পৰাই জ্যোতিপ্ৰসাদ বাটকটীয়া।

অসমীয়া সঙ্গীত-সূৰ্যৰ এই প্ৰচণ্ড উত্তাপ ছাঁ-পোহৰৰ মাজেৰে আগৰবালাই বাইজক দিবলৈ সক্ষম হলেও ১৯৩৯ চনত আৰম্ভ হোৱা দ্বিতীয় মহাসমৰেহে আশীৰ্বাদ স্বৰূপে থিয় দি পূৰ্ণ মুক্তি প্ৰদান কৰা বুলি কব লাগিব। সেই সময়ত ভাৰত চৰকাৰে মুখ্যত: যুদ্ধৰ প্ৰচাৰ কাৰ্যৰ কাৰণে কলিকতা অনাতাঁৰ কেন্দ্ৰৰপৰা নিতৌ আধা ঘণ্টাকৈ অসমীয়া আৰু উড়িয়া ভাষাত নিয়মীয়াকৈ অনুষ্ঠান প্ৰচাৰ কৰাৰ ব্যৱস্থা কৰিছিল। প্ৰাথমিক ভাবে অসমৰ স্বনামধন্য শিল্পী শ্ৰীকমলনাৰায়ণ চৌধুৰী আৰু পিছত শ্ৰীপুৰুষোত্তম দাস এই দুগৰাকী শিল্পীয়ে অনুষ্ঠান পৰিচালনাৰ ভাৰ পাই তৎপৰতাৰে কাৰ্য কৰাত ভালেমান অসমীয়া শিল্পী নকৈ গঢ়ি উঠাৰ উপৰিও অসমীয়া গীত-মাত প্ৰচাৰ হোৱাত যথেষ্ট সুবিধা হ'ল।

অসমীয়া সঙ্গীতৰ বাবে এতিয়া কেবাখনো ক্ষেত্ৰ সৃষ্টি হ'ল। একালে পূৰ্ব-পৰম্পৰা গতিত চলি অহা সভা-সমিতি, নাট্যানুষ্ঠান আদি, একালে বোলছবি আৰু আনফালে অনাতাঁৰ কেন্দ্ৰ। এই বিভিন্ন দিশত অসমীয়া গীতৰ ৰূপ প্ৰতিৰূপে কিদৰে আত্মপ্ৰকাশ কৰিছে তাকে আমি চমুকৈ আলোচনা কৰি চাওঁহক।

১৯৪২ চনৰ গণবিপ্লৱত সুৰৰ বানেৰে 'সাজু হ ন-জোৱান, তই কৰিব লাগিব অগ্নিস্নান', 'বিশ্ব বিজয়ী ন-জোৱান' আদি গীতৰ সুৰ আৰু কথাৰে জ্যোতিপ্ৰসাদে অসমীয়া সঙ্গীতক যি নতুনত্ব দি গ'ল, সেইবোৰ চিৰদিন জাতীয় ভাব উদ্দীপক গীত হিচাপে অমৰ হৈ ৰব। প্ৰকৃততে আধুনিক অসমীয়া সঙ্গীতৰ ক্ষেত্ৰত জ্যোতিপ্ৰসাদ সাম্প্ৰতিক কাললৈ পথ প্ৰদৰ্শক ধ্ৰুৱতৰা হৈ জিলিকি আছে।

ৰোমান্টিক যুগৰ জনপ্ৰিয়, স্বদেশানুৰাগী কবি, নাট্যকাৰ তথা গীত ৰচক পদ্মধৰ চলিহাৰ অৱদানো গণ-বিপ্লৱৰ কালছোৱাত উল্লেখযোগ্য। 'ফুলনি' (১৯১৪), 'স্বৰাজ সঙ্গীত' (১৯২১) আৰু 'গীত-লহৰী' (১৯২৮) নামৰ অতুলনীয় কাব্যিক সৌন্দৰ্যবাহী গীতৰ পুথি ৰচক চলিহাদেৱৰ ভালেমান গীতে সেই সময়ত দৃঢ়তাৰে বাট বুলিছিল।

১৯

গণ-বিপ্লৱৰ এই কালছোৱাৰ পৰা গীতিকাৰ আৰু সুৰকাৰ শিল্পী উমেশচন্দ্ৰ চৌধাৰীয়েও অসমীয়া সঙ্গীত জগতত এক উল্লেখযোগ্য বৰঙণি আগ বঢ়াইছে। স্বদেশ প্ৰেমৰ ভাবধাৰাৰে চৌধাৰীয়ে 'অসম এচোচিয়েচন', 'অসম সাহিত্য সভা' আদিৰ দৰে অনুষ্ঠানৰ বাবে প্ৰায়েই গীত ৰচিছিল। তেখেতৰ 'দেৱধ্বনি', 'মন্দাকিনী' আৰু 'প্ৰতিধ্বনি' নামৰ গীতৰ পুথি কেইখন অসমীয়া গীতি সাহিত্যলৈ উল্লেখযোগ্য অৱদান।

সেই সময়ৰ আন এগৰাকী প্ৰখ্যাত শিল্পী ৺পাৰ্বতিপ্ৰসাদ বৰুৱাৰ অৱদান অসমীয়া সঙ্গীতৰ বাবে আপুৰুগীয়া সম্পদ। জগতৰ ৰূপ-ৰস-গন্ধ-স্পৰ্শ 'শব্দ আদিৰ অনুভূত সৌন্দৰ্য্যৰ মৃদু শিহঁৰনেৰে লোকগীতৰ ঠাঁচত গীত ৰচা বৰুৱাই 'সোণৰ সোলেং' (১৯৫৫), 'ভঙা টোকাৰীৰ সুৰ' (১৯৫৯), 'গুণগুণনি' (১৯৫৭), 'লুইতী' (১৯৫৯), 'শুকুলা ডাৱৰ ঐ কঁহুৱা ফুল' (১৯৬৩) আদি গীতি কবিতাৰ পুথি অসমীয়া সঙ্গীতক দি গৈছে। দেশৰ হকে নিজক ত্যাগ কৰি কৰুণ ভাবধাৰাৰে 'কল্পতৰু তুমি যদি কল্পনা পাৰত', 'বিলত তিৰেবিৰায় পদুমৰ পাহি ঐ', 'চৰাই হালধীয়া' আদি গীতৰ সৃষ্টিকাৰী ৺কমলানন্দ ভট্টাচাৰ্যই 'বাউলী' নামৰ গীতৰ পুথি এখনো দান দি গৈছে।

জ্যোতিপ্ৰসাদৰ সৌঁহাত স্বৰূপ শিল্পী ৺বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতেও যুদ্ধোত্তৰ কালছোৱাত সমান্তৰালভাৱে গতি কৰিছিল। তেওঁৰ 'লগন উকলি গ'ল', 'বিশ্বৰ ছন্দে ছন্দে মহানন্দে আনন্দে' আদি গীতৰ মূৰ্চনাই আজিও অসমীয়াৰ হিয়াত একুৰা অগণি জ্বলায়। তেওঁৰ জীৱিত কালত প্ৰকাশিত 'মুক্তি দেউল'ত সন্নিবিষ্ট কেইটামান গীতৰ উপৰিও প্ৰায় একুৰি গীত সন্নিবিষ্ট কৰা 'পৰ জনমৰ শুভ লগণত' নামৰ গীতৰ সংকলন এটা ৰাভা-দেৱৰ মৃত্যুৰ পিছত (১৯৭৩) প্ৰাগ্‌জ্যোতি প্ৰকাশ ভৱনৰ হৈ শ্ৰীগোপাল দাসে প্ৰকাশ কৰি উলিয়ায়।

এই সকল গীতিকাৰৰ লগতে 'গীতি-শতদল' (১৯৫৬) নামৰ পুথি ৰচয়িতা শ্ৰীমিত্ৰদেৱ মহন্ত; 'বন্তিত চিৰ বন্দিত জয় উৎসৱ গীতি নুকুলী', 'হেজাৰ বাহুৰে সাৱটি ধৰিছে' আদি আধ্যাত্মিক ভাবৰ গীত ৰাশিৰ ৰচয়িতা পদ্মশ্ৰী নলিনীবালা দেৱী; 'মাতৃ পূজাত হেলা নকৰিবি', 'বেলি পৰো পৰো হ'ল নাৱৰীয়া' আদিৰ ৰচয়িতা ৺গণেশচন্দ্ৰ গগৈ; 'সেউতী নালাগে, মালতী নালাগে', ধন্ত্ৰ দে বোৱনী, ধানো দে দাৱনী' আদিৰ ৰচয়িতা পদ্মশ্ৰী অতুলচন্দ্ৰ হাজৰিকা; 'সৌটি বেঁকা বাটৰ মূৰত সোণটিহঁতৰ ঘৰ', 'বিপ্লৱী ভাৰতৰ নৱ ইতিহাস' আদিৰ ৰচয়িতা শ্ৰীআনন্দচন্দ্ৰ বৰুৱা প্ৰমুখ্যে গীতিকাৰ

সকলে আধুনিক অসমীয়া গীতৰ জগতত সময়ে সময়ে ইন্ধন যোগাইছে। ৬অম্বিকাগিৰী ৰায়চৌধুৰীৰ 'বল ভাই আগুৱাই', 'তই ভাঙিব লাগিব শিল' আদি অপূৰ্ব দেশ প্ৰেমমূলক গীতেও সমসাময়িকভাবে উদ্দীপনা যোগাইছিল। ৰায়চৌধুৰীৰ 'আজি বন্দো কি ছন্দেৰে' নামৰ গীতৰ পুথিখনত ভালেমান তেজোদ্দীপ্ত গীতৰ সমাবেশ ঘটিছে।

১৯৪২ চনৰ গণ বিপ্লৱৰ পৰিপ্ৰেক্ষিতত হোৱা নতুন জাগৰণে জগাই তোলা শিল্পীসকলৰ ভিতৰত প্ৰথমেই নাম লব লাগিব শ্ৰীপুৰুষোত্তম দাসৰ। থলুৱা গীত-মাতক ভিত্তি কৰি 'বানৰ জীয়ৰী কান্দে মাজ ৰাতি', 'উৰে নৱ ভাৰতৰ গৌৰৱ পতাকা' আদি মহিমামণ্ডিত সুৰৰ গীত আৰু সুৰ ৰচনাকাৰী শ্ৰীদাসে যুদ্ধোত্তৰ কালত অসমীয়া সঙ্গীত জগতলৈ হেজাৰৰো অধিক গীতৰ অৱদান দিছে। ইয়াৰে কিছু সংখ্যক গীত তেখেতৰ 'সুৰ-বাণী' (১৯৪৬), 'ত্ৰিবেণী' (১৯৫০) আৰু 'শ্ৰীমতী' (১৯৬২) নামৰ গীতৰ পুথিৰ সন্নিবিষ্ট কৰি গীতি সাহিত্যলৈ মূল্যবান অৱদান দিছে।

দ্বিতীয় মহাযুদ্ধৰ আগৰেপৰা থলুৱা গীত-মাতক সেৱা কৰা আন গীতিকাৰ সুৰকাৰ শ্ৰীমুক্তিনাথ বৰদলৈৰ সাঙ্গীতিক অৱদানো স্বাধীনোত্তৰ কালৰ সম্পদ। গঠনমূলক কাৰ্যকলাপে সৃষ্টি কৰা সাৱলীলতাত অনুপ্ৰাণিত হৈ হৃদয়ৰ ভক্তি ভাব ধাৰাৰে 'পৰ্বতৰ বুকুৰেদি সনে ঢকা বাট', 'বেলি মাৰ যায় আই যশোমতী' আদিৰ দৰে সুমধুৰ গীতৰ ৰচনাকাৰী শ্ৰীবৰদলৈয়ে 'গুঞ্জন' (১৯৬০), 'কুমকুম' (১৯৬৫) আৰু 'ফুল-চন্দন' (১৯৬৭) নামৰ তিনিখন গীতৰ পুথি সঙ্গীত প্ৰেমী আৰু সাহিত্যিকসকলক দিছে।

এই শতিকাৰ তৃতীয় দশকৰ শেষ ভাগৰপৰাই বনকোঁৱৰ ৬আনন্দ ৰাম দাসে আধুনিক গীতৰ এটা সুকীয়া আৰু জনপ্ৰিয় অঙ্গ হিচাপে 'বনগীত'ক সু-প্ৰতিষ্ঠিত কৰি তোলে। 'ফুলে মইনা কেতেকী টগৰে মালতী', 'হাঁহিৰে ভুলাব নোৱাৰ ৰূপহী' ইত্যাদি গীতৰ ৰচনাকাৰী ৬আনন্দিৰাম দাসৰ 'সুৰ নিজৰা' (১৯৩৯) খনেই একমাত্ৰ গীতৰ পুথি।

শ্ৰীপৰাগধৰ চলিহাৰ নামো উল্লেখযোগ্য। 'অ' মোৰ ৰূপহী মৰমী চেনেহী', 'আমি ৰংপুৰীয়া অনপ মতীয়া' 'বিহুৰে বাউলি বা' আদি কিছু সংখ্যক গীতৰ মাজেৰে প্ৰচুৰ সম্ভাৱনা আৰু প্ৰতিশ্ৰুতি দিও চলিহাই গীত ৰচনা ত্যাগ কৰাটো বাস্তৱিকতে পৰিতাপৰ কথা। সমসাময়িক গীতিকাৰ সুৰকাৰ আৰু সুকণ্ঠ শিল্পী ৬শিৱপ্ৰসাদ ভট্টাচাৰ্যও 'নতুন অসমৰ অ' শিল্পীৰ দল', 'কোনে কয় জয়া নাই' ইত্যাদি নতুন প্ৰতিশ্ৰুতি ভৰা কিছু সংখ্যক গীত ৰচি অকালতে সঙ্গীত প্ৰেমীসকলৰ মাজৰপৰা আঁতৰি গ'ল

সমসাময়িকভাবে অসমীয়া গীতি-সাহিত্যত উল্লেখযোগ্য অৱদান আগ বঢ়োৱা শিল্পী ৺দৰ্পনাথ শৰ্মাৰ 'সেইদিনা নিৰালৰ মধু জোছনাত', 'শিল্পী পাৰিবা জানো আঁকি দিব মোক' আদি গীতবোৰৰ কথা উল্লেখ-যোগ্য। লোক-গীতৰ আধাৰত 'ঢৌ দেখি হালি-জালি পৰে', 'ৰাতি পুৱাইলোৱে কুৰুৱাই পাৰে ৰাৱ' আদি গীত আৰু 'গীতাৱলী' (১৯৫৬) নামৰ পুথিৰ ৰচয়িতা শিল্পী শ্ৰীকমল নাৰায়ণ চৌধুৰী; 'হে মোৰ চিত্ত হৰিণী', 'মোৰ জীৱনৰ জীয়া কাহিনী', 'যা অ' মৰমী ফাগুনী যা' আদিৰ ৰচয়িতা ৺মলিন বৰা প্ৰমুখ্যে ভালেমান গীতিকাৰে অসমীয়া গীতি-সাহিত্যত বৰঙণি যোগাইছে।

১৯৪২ চনৰ গণ-বিপ্লৱৰ পৰিপ্ৰেক্ষিতত পোৱা এইকন সুবিধাতে ভালেমান অসমীয়া কণ্ঠ শিল্পীয়ে সেই সময়ৰ গীত-মাত অনাতাঁৰ কেন্দ্ৰ যোগে গাই ভাৰতৰ সুৰাকাশ মুখৰিত কৰি তুলিছিল। আনহাতে 'জয়মতী' বোলছবিৰপৰা 'চিৰাজ' (১৯৪৮) ছবিলৈকে মুক্তি পোৱা অসমীয়া বোলছবি কেইখনৰ গীতেও সঙ্গীত জগতত নতুনত্ব দান কৰি জনপ্ৰিয়তা লাভ কৰিব পাৰিছিল।

১৯৪৭ চনত দেশ স্বাধীন হোৱাৰ লগে লগে অসমীয়া সঙ্গীত জগতেও এক নতুন প্ৰেৰণা লাভ কৰিলে। স্বাধীনতাৰ পিছত ভাৰত চৰকাৰে জাতি গঠনত অনাতাঁৰ কেন্দ্ৰৰ গুৰুত্ব বোধ কৰি দেশৰ কেইখনমান ৰাজ্যত অনাতাঁৰ কেন্দ্ৰ স্থাপনৰ দিহা কৰিলে। এই সূত্ৰে অসমতো ১৯৪৮ চনৰ ১৫ জুলাই তাৰিখে এটি কেন্দ্ৰৰ উদ্বোধন হ'ল। প্ৰাক্-স্বাধীনতা কালৰপৰা গীত-মাতেৰে অসমীয়া সঙ্গীত জগতত বৰঙণি যোগোৱা শিল্পী সকলৰ মনৰ বন্ধ দুৱাৰখনি মেল খালে, লগে লগে বঙালী সুৰীয়া গীত-মাতৰ ভিকাচন কৰা আন্দোলনো ওৰ পৰিল আৰু নতুন নতুন শিল্পীয়ে আত্ম প্ৰকাশ কৰাৰ সুবিধাকনো পালে।

এই পৰিবৰ্ত্তনৰ লগতে গীত-মাতবোৰৰ ৰচনা আৰু সুৰৰ নতুনত্ব মন কৰিব লগীয়া। প্ৰাক্ স্বাধীনতা কালত শিল্পীসকলে যদিও অসমীয়া গীত-মাতত যথেষ্ট বৰঙণি আগ বঢ়াইছিল, তথাপি (১) বঙালী গীত-মাতক অসমৰ পৰা বিতাড়িত কৰাৰ প্ৰতিশ্ৰুতি (২) অসমীয়া গীত-মাতক প্ৰতিষ্ঠা কৰাৰ দৃঢ়তা, (৩) ইংৰাজ শাসনৰ পৰিপ্ৰেক্ষিতত দিবলগীয়া সঁহাৰি, (৪) বিদেশী শাসনে বন্দ কৰি ৰখা হৃদয়ৰ অনুভূতি (৫) সঙ্গীত প্ৰসাৰৰ বাবে যথোপযুক্ত মাধ্যমৰ অভাৱ ইত্যাদি সমস্যাবোৰে শিল্পীসকলৰ মনত বৈপ্লৱিক চিন্তাধাৰা আনি দিয়া হাবিয়াসেৰে নিগৰিত হৈছিল একে জাতীয় ভাব ধাৰাৰ গীত। কিন্তু দেশ স্বাধীন হোৱাৰ পিছত আৰু স্থানীয়

ভাবে অনাতাঁৰ কেন্দ্ৰ গঢ়ি উঠাত শিল্পীসকলে অনুভূতি সম্পন্ন গীত ৰচনা কৰিবলৈ আৰু দেশী-বিদেশী নানা সুৰেৰে গীত-মাতবোৰত ৰহন চৰাবলৈ অৱকাশ পালে ।

এই সময়ছোৱাত অতি কম দিনৰ ভিতৰতে সাধাৰণৰ দৰে ইন্ধন যোগোৱা শিল্পী হিচাপে নাম লব লাগিব যেনেই ড: ভূপেন হাজৰিকাৰ। যাহাৰ ভৈয়াম, দেশী-বিদেশী সুৰ বুটলি আনি মহিমাময় স্বপ্নেৰে ৰঞ্জিত গীত অসমীয়াক দিয়াৰ উপৰিও সুস্থ সবল সমাজ গঢ়ি তুলিবলৈ গীতৰ ভাষাৰে মুক্ত কণ্ঠে অসমীয়া ৰাইজক মাতি দিলে । হাজৰিকাৰ এই অনুভূতি সম্পন্ন গীতৰ সাক্ষী হিচাপে আছে তেখেতৰ 'জিলিকাব লুইতৰে পাৰ' (১৯৫২), 'সংগ্ৰাম লগ্নে আজি' (১৯৬২) আৰু 'আগলি বাঁহৰে লাহৰী গগণা' (১৯৬৪) নামৰ তিনিখন গীতৰ পুথি ।

এই প্ৰসঙ্গতে সুকণ্ঠৰ অধিকাৰী, সুৰকাৰ শিল্পী শ্ৰীইন্দ্ৰ বৰুৱাৰ ৰচনাৰ কথাও উল্লেখযোগ্য । কম সংখ্যক হলেও অসমীয়া জীৱনৰ ছবি প্ৰকাশ কৰি লিখা তেখেতৰ 'তাতৰ দোৰেপাতি চলাই মনে পতি', 'পথা-ৰানৰ মাজে মাজে গৰু গৰু আনি' ইত্যাদি বিহুসুৰীয়া গীতৰ জৰিয়তে শ্ৰীবৰুৱাই যথোচিত সমাদৰ লাভ কৰিছে ।

এই যুগৰ প্ৰখ্যাত গীতিকাৰ শ্ৰীকেশৱ মহন্তই বোলছবি আৰু অনাতাঁৰ কেন্দ্ৰৰ বাবে গীত ৰচি সঙ্গীত জগতত এখন সুকীয়া আসন লাভ কৰিছে । মানৱীয় দুষ্কৃতি তথা দুশ্চিন্তাৰ অৱসান ঘটাবলৈ শান্ত আক্ষেপ তথা সুন্দৰ গতাক পাবোকে আঙুলিয়ায় জৰ্তুৰা চাঁচৰ ভাষাৰে শ্ৰীমহন্তই গীত ৰচনা কৰি জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে । তেখেতৰ 'ৰ'দ জিকি-মিকি' (১৯৬০), 'কুঁৱলী আঁতৰি যা' (১৯৬৪) আৰু 'দিশ ধৰলি বৰণ' (১৯৭০) নামৰ গীতি সংকলন তিনিটি অসমীয়া গীতি সাহিত্যলৈ উল্লেখযোগ্য অৱদান ।

অনাতাঁৰ কেন্দ্ৰ গুৱাহাটীত স্থাপন হোৱাৰ কিছুদিন পিছতে প্ৰকৃতিৰ সমস্ত সৌন্দৰ্য্যৰ প্ৰেৰণাৰে জীৱনক উপভোগ কৰা অনুভূতি প্ৰকাশ কৰাৰ হাবিয়াস আৰু লগতে এটি সুকণ্ঠ লৈ ওলাই আহিল শ্ৰীমতী লক্ষহীৰা দাস । প্ৰায় এহেজাৰ গীত ৰচনা কৰি আৰু বহুতো গীতত কণ্ঠ দান কৰি বোলছবি আৰু অনাতাঁৰ কেন্দ্ৰ যোগে অসমীয়া ৰাইজৰ হৃদয় পৰশা শ্ৰীমতী দাসে 'প্ৰথমা' (১৯৪৯), 'সুৰ-সেতু' (১৯৫৬), 'গীতালি' (১৯৬০) আৰু 'ময়ুৰ পখী' (১৯৬৮) নামৰ গীতৰ পুথি কেইখনেৰে আমাৰ গীতি সাহিত্য চহকী কৰিছে ।

তাহানিৰ শ্ৰীনৰ বৰুৱাই গভীৰ আবেদন ভৰা কিছু সংখ্যক গীতৰ মাজেৰে প্ৰতিশ্ৰুতি দিয়ো অসমৰ সাংস্কৃতিক ক্ষেত্ৰৰ পৰা আঁতৰি গ'ল। আনফালে সেই ঠাই পূৰণ কৰিবলৈ ওলাই আহিল বৰ্তমানৰ সুপ্ৰসিদ্ধ কবি শ্ৰীনৱকান্ত বৰুৱা। সুদৃঢ় চেতনাৰ বাণীত গভীৰ ভাবধাৰা সানি ৰচা তেখেতৰ 'আকাশ আমাক অকণি আকাশ দিয়া', 'বহাগৰ দুপৰীয়া', 'ধুন ধুন ধুনীয়া মোৰ আইটিজনী' ইত্যাদি কিছু সংখ্যক শ্ৰীবীৰেন্দ্ৰনাথ দত্তৰ সুৰ সংযোজনাৰে অসমীয়া সঙ্গীতৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে।

সমসাময়িকভাবে গীতি-সাহিত্যত বৰঙণি যোগোৱা আন এগৰাকী শিল্পী হল বৰ্তমানৰ গীতিকাৰ আৰু সুৰকাৰ শ্ৰীতফজ্জুল আলি। হৃদয়ৰ শান্ত ভাবধাৰাৰে পৃথিৱীৰ সমস্ত দিশলৈ দৃষ্টি দি ৰচনা কৰা শ্ৰীআলিৰ গীতৰ মূল সৌন্দৰ্য্য প্ৰকাশ কৰিছে ভাৰতীয় ৰাগ সঙ্গীতৰ ভিত্তিত কৰা সুৰ সংযোজনাই। সাতশৰো অধিক গীত ৰচনাকাৰী তফজ্জুল আলিয়ে 'মন্দাক্ৰান্তা' (১৯৫৭), 'অঘৰী ককাইদেউৰগীত' (১৯৫৯) আৰু 'অনুষ্টুপ' (১৯৬২) নামৰ তিনিখন গীতৰ পুথি অসমীয়া সঙ্গীত আৰু সাহিত্য প্ৰেমীসকলক দিছে। এইখিনিতে শ্ৰীফণী তালুকদাৰৰ গীতিৰাজিৰ কথা উল্লেখযোগ্য। প্ৰকাশিত কোনো গীতৰ পুথি পোৱা নহলেও শ্ৰীতালুকদাৰৰ 'ৰিম ঝিম ৰিম ঝিম আকাশতে গলে হিম', 'চম্পা জাগা ফুলনি শুৱাই', 'সোৱনশিৰিৰ তপত বালিত' ইত্যাদিৰবোৰ গীতে গীতি সাহিত্যলৈ বৰঙণি যোগাইছে।

বিহু গীতৰ চপল সুৰক হৃদয়ত বান্ধিলৈ সুৰ সৃষ্টি কৰা সুৰকাৰ শ্ৰীহেমেন হাজৰিকাৰ গীত ৰাজিৰ কথাও উল্লেখযোগ্য। 'বহাগী অ' শাওনী,অ ভাদৈ পাটগাদৈ', 'চিকুন বিহুটি গাজি কাচি আজি নাহিলি', 'এই লুইত কাবেৰী সিন্ধু গঙ্গা', 'এই পৃথিৱীৰ নাট ঘৰত' ইত্যাদি অলেখ হৃদয় স্পৰ্শী গীতৰ মাজেৰে শ্ৰীহাজৰিকাই অসমীয়া গীতৰ জগতত সুৰ আৰু কথাৰে ৰহন সানিছে।

প্ৰকৃতি আৰু মানৱ জীৱনৰ ৰূপ সৌন্দৰ্য্যৰ মাজত থকা বাস্তৱতা আৰু প্ৰতিশ্ৰুতিত অনুপ্ৰাণিত হৈ মানৱৰ হৃদয়ৰ শুকান বালিতো সজীৱতা আনি দিয়াৰ প্ৰবল কামনা আৰু নতুন প্ৰতিশ্ৰুতিৰে ৰচনা কৰা শ্ৰীমতী নিৰ্মলপ্ৰভা বৰদলৈৰ গীতৰাজি সাম্প্ৰতিক কালৰ সঙ্গীত জগতলৈ অন্যতম উল্লেখযোগ্য অবদান। 'বৰ্ষা ঋতু ভাল পাওঁ মই', 'মই এই মাটিৰে ল'ৰা, 'অ'কাৰ বিয়া যায়' ইত্যাদিকে ধৰি পাচশৰো অধিক গীত বৰদলৈয়ে ৰচাৰ উপৰিও কেবাখনো বোলছবিতো গীতৰ যোগান ধৰি অসমৰ সঙ্গীত ভাণ্ডাৰলৈ অৰিহণা যোগাইছে।

স্বাধীনোত্তৰ কালৰ আন এগৰাকী জনপ্ৰিয় গীতিকাৰ হ'ল শ্ৰীমতী আলিমুন্নিচা পিয়াৰ। সাৱলীল কাহিনীৰে প্ৰেম-দয়া আৰু সহানুভূতি পোৱাৰ কোমল কামনা লৈ শ্ৰীমতী পিয়াৰে 'শালি ধানৰ পথাৰত সোণ খটোৱা শিহনাত', 'এই বেলি ফুলা নাই নাহতী কপৌ ফুল' ইত্যাদি ধৰণৰ শতাধিক গীত ৰচনা কৰিছে। ১৯৫৬ চনত প্ৰকাশ হোৱা 'সুৰ নিজৰা'খনেই বৰ্ত্তমানলৈ তেখেতৰ একমাত্ৰ গীতৰ পুথি।

প্ৰসঙ্গক্ৰমে শ্ৰীলীলা গগৈৰ গীতৰ অৱদানো উল্লেখযোগ্য। 'এটি দুটি কথা কওঁ চাপি আহা বোৱনী', 'টুন টুন টুনী চৰাই, মোৰ ধান নাখাবি', 'ৰঙালি ৰদালি ৰঙেৰে পখালি' ইত্যাদিৰ দৰে শতাধিক গীত ৰচনাকাৰী শ্ৰীগগৈয়ে 'গীত মালঞ্চ' (১৯৬৪) নামৰ এখন গীতৰ পুথিও প্ৰকাশ কৰিছে।

এই সকলৰ উপৰিও শ্ৰীসতীশ দাসৰ 'ক মনবৰ কাই কচোন', 'সন্ধ্যা যেতিয়া তুলসীৰ তল,' 'মইনামতী নদীৰ পাৰত মধুমতী গাওঁ' ইত্যাদি; শ্ৰীইদ্ৰিছ আলিৰ 'এই পুৰাতন মাটিৰ প্ৰেমত', 'শুনিছো মযো আকাশ মাধোন', 'ক'বে পখী কিয়নো তই' ইত্যাদি গীত আৰু 'নিবিৰিলি' (১৯৭০) নামৰ গীতৰ পুথিখন; বন্ধু ওজাৰ 'মেঘৰ আৰতে কিনো লুকাভাকু', 'এই নদীৰ সিপাৰতে কিনো ফুল ফুলে', ইত্যাদি; শ্ৰীশ্যামানন্দ বৈশ্যৰ 'স্বাগতৰ বাসন্তিকা', 'আঘোণৰ পথাৰে মাতে ঐ বিজুৱাই', 'অ' অজি নেমেলিবি নাওঁ' আদি; উমেশ দত্তৰ 'এই পৃথিৱীৰ পাৰে পাৰে মই', 'তোমাৰ স্বপ্ন কাজল সনা দুটি চকু' ইত্যাদি; শ্ৰীক্ষীৰদাকান্ত বিষয়াৰ 'বিৰিখে পেলালে কুঁহি ঐ মইনা, 'আবেগৰ বোকোচা বব মই নোৱাৰো' আদি; 'সুৰৰ কবিতা' নামৰ গীতি সংকলনৰ ৰচয়িতা ৺সূৰ্য্য ৰবা; সুৰকাৰ শ্ৰীমুকুল বৰুৱাৰ 'মোৰ গীতে গীতে সুৰ গাঁঠি গাঁঠি', 'ভাৰতৰ নুমলি জী হেনো এইখন অসম দেশ' (উৰিষ্যাৰ গায়ক অক্ষয় মহান্তিয়ে গাইছে) আদি; ৺অনুৰাধা দাসৰ 'পাহৰি নাযাবা সোণ' আদি; শ্ৰীনগেন বৰাৰ 'শাহ এইৰ দুটি চুমা দুগালতে লৈ' ইত্যাদি; শ্ৰীভগগিৰী ৰায় চৌধুৰীৰ 'কোৱা কোন পিনে যাওঁ', 'বস্তি জনাৰ কোনে', 'কুৱলী শীতৰ হিম সৰা ৰাতি' আদি; শ্ৰীজয়ন্ত বৰুৱাৰ 'তুলি দিলো মন ডিঙাৰে পাল', 'কণমান ৰবণীৰে চিপ' আদি, শ্ৰীযতীন বৰাৰ 'ইযে কৃষ্ণলীলা তৃষ্ণা নদীৰ পাৰ', 'চাপ্ৰা বহুদূৰ', 'গুম গুম গাম গাম ব্যস্ত চেউ পাম' আদি গীতবোৰৰ দৰে বহুতো গীতিকাৰৰ গীতে সময়ে সময়ে অসমৰ সুৰাকাশ মুখৰিত কৰি তুলিছে। শেহতীয়াকৈ ওলাই অহা শ্ৰীধীৰেন্দ্ৰমোহন শৰ্মা, শ্ৰীবিৰিঞ্চি বৈশ্য, শ্ৰীগুণীন ৰাজখোৱা, 'মনৰ দুৱাৰ খুলিলো' (১৯৭১) নামৰ গীতৰ

পুথিৰ ৰচয়িতা হেমন্ত গোস্বামী, 'ছন্দৰ ধ্বনি', (১৯৭১) নামৰ গীতৰ পুথিৰ ৰচয়িতা নিত্যা দত্ত আৰু পৰাগ ভট্টাচাৰ্য্য প্ৰমুখ্যে গীতিকাৰসকলৰ অসমীয়া গীতৰ জগতত ইন্ধন যোগোৱাৰ প্ৰচেষ্টাকো আদৰণি জনাব লাগিব। আনহাতে সুৰ আৰু কথাৰ জৰিয়তে অসমীয়া সঙ্গীতৰ নতুন ৰূপ সৃষ্টি কৰা তথা নতুন নতুন গীতিকাৰ সুৰকাৰ সৃষ্টি কৰা ক্ষেত্ৰত গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ ভূমিকাও যথেষ্ট বুলি পৰিগণিত হয়।

আধুনিক অসমীয়া গীত

শ্ৰীমুক্তিনাথ বৰদলৈ

ৰবীন্দ্ৰনাথৰ সৃষ্ট সঙ্গীতৰ বিষয়ে প্ৰাচীণ আৰু নবাগকলে ফঁহিয়াই আলোচনা কৰিছে। ৰবি ঠাকুৰৰ মতে 'ৰাগৰ ভেটিৰ বাহিৰৰ সঙ্গীত সৃষ্টি সম্ভৱ হ'লেও আমি তাৰ শৃংখল চিঙি মুক্ত হব পাৰোঁ সঁচা, কিন্তু তাৰ মৌলিক গুণবোৰ এৰাই চলিব নোৱাৰোঁ'। ভালকৈ চালে দেখা যায় যে এহাতে তেওঁ ধ্ৰুপদ, খেয়াল, টপ্পাত যে অভিজ্ঞ আছিল এনে নহয়। আনহাতে লোকসঙ্গীত যেনে, বাউল, ভাটিয়ালী, কীৰ্তন আদিতো তেওঁৰ গভীৰ অনুৰাগ আছিল। সুৰকাৰ হিচাপে তেওঁ ৰাগ আৰু লোকসঙ্গীতক আচৰিত কৃতিত্বৰে মিশ্ৰণ কৰা দেখিবলৈ পাওঁ। বহুত পাশ্চাত্য সুৰ তেওঁ অতিশয় নিপুণতাৰে দেশীসুৰ বা লোকসঙ্গীতৰ লগত মিশ্ৰণ কৰি নিজস্ব সঙ্গীত বা ৰবীন্দ্ৰ সঙ্গীত যাউতি যুগীয়া কৰি থৈ গৈছে। অভিজ্ঞসকলে ৰবীন্দ্ৰ সঙ্গীতৰ সৌন্দৰ্য নিশ্চয় মন নকৰাকৈ থকা নাই। ভৈৰৱীৰ লগত তেওঁ টোড়ি ৰাগৰ এচোৰেঙা, ভৈৰৱীৰ লগত বাহাৰৰ মিশ্ৰণ কৰি অপূৰ্ব সঙ্গীত সৃষ্টি কৰি গৈছে। ৰবীন্দ্ৰনাথৰ দিনত সেয়ে আছিল আধুনিক, কিন্তু সেই দেওনা পাৰ হৈ তেওঁৰ প্ৰতিভা-উজ্জ্বল সঙ্গীত ৰবীন্দ্ৰ সঙ্গীত নামেৰে জীয়াই থাকিল। মুঠতে সুৰ সৃষ্টিত শাস্ত্ৰীয় সঙ্গীতৰ গঙ্গাজল আৰু লোকসঙ্গীতৰ তুলসীপাত নহলে ই নিষ্ফল। আধুনিক সঙ্গীতত শাস্ত্ৰীয় ৰাগৰ মিশ্ৰণ আৰু লোকসঙ্গীতৰ ধ্বনি স্পষ্ট বা প্ৰকট নহলে সি টিকিব নোৱাৰে।

সুপ্ৰসিদ্ধ সঙ্গীতকাৰ শচীনদেৱ বৰ্মণক সোধা হৈছিল,—তেওঁৰ ৰচিত সঙ্গীতৰ গুণাগুণৰ বিষয়ে। তেওঁ উত্তৰত একে কথাকে কৈছিল যে তেওঁৰ সুৰত শব্দ গাঁথনিৰ লগত মিলাই খেয়ালৰ প্ৰভাৱেৰে ভাটিয়ালী, বাউল

আদি পৰিৱেশন কৰাই তেওঁৰ সাৰ্থকতা। শচীনদেৱ বৰ্মণৰ 'তাজ-মহল', 'পদ্মাৰ ঢেউ' আদি বহুতো গীত সেই গুণেৰে সমুজ্জ্বল হৈ আজিও জীয়াই থাকিব পাৰিছে। "আমাৰ আত্মাৰ লগত ওতঃপ্ৰোতভাৱে সংশ্লিষ্ট সংস্কৃতি-তকৈ আন একোৱেই অধিক সন্তোষ আৰু সুখ দিব নোৱাৰে। পৃথিৱীক আমাৰ নিজস্ব জীৱনৰ সাঙ্গীতিক অৱদান নিদিয়াকৈ আমি আন্তৰ্জাতিক সঙ্গীতৰ প্ৰেমী হৈ পৰিব নোৱাৰো।" এই সূত্ৰটো সঙ্গীত সৃজনৰ মূল কথা আৰু আধুনিক সঙ্গীতৰ যথাৰ্থ মূল্যায়ণ। এতিয়া দেখা গ'ল যে আমি বুজা বা কৰাৰ দৰে আধুনিক সঙ্গীতৰ ৰচনা বা পৰিৱেশনৰ ভেঁটি থাকিব লাগিব, তাৰ যোগসূত্ৰ হ'ব জন-জীৱনৰ মূল লোকসঙ্গীত, জাতীয় আত্মাক স্পৰ্শ কৰিব পৰা শাস্ত্ৰীয় বা ৰাগ সঙ্গীত। তাৰ ওপৰতো যদি পাশ্চাত্য সঙ্গীতৰ বা থলুৱা নানা সঙ্গীতৰ তাত মিশ্ৰণ বা সমৰ্থন থাকে, তেন্তে আধুনিক সঙ্গীতৰ অলপায়ু খণ্ডন হয় আৰু সি কলাসঙ্গত হৈ এক স্থায়ী জাতীয় বা কলাবিষয়ক সম্পদ হৈ পৰে।

অসমীয়া আধুনিক সঙ্গীতৰ বিষয়ে এই নিবন্ধৰ মোখনিত কৰা কথাখিনি প্ৰায়েই খাটে। অসমীয়া আধুনিক সঙ্গীতত সাৰ পানী দিছে আকাশবাণী আৰু চেগাচোৰোকা কথাছবিবোৰে। সঙ্গীতৰ ফালৰপৰা ক্ষতিযে হৈছে তাত কোনো সন্দেহ নাই। আনফালে আমি চাব পাৰোঁ—আমি কিমান দূৰ সঙ্গীতৰ বন্ধনৰ বা ঋণৰ পৰা মুক্ত হৈ সাঙ্গীতিক স্বাধীন সৃষ্টিৰ পট-ভূমিলৈ ওলাই আহিব পাৰিছোঁ।

কবলৈ গলে অসমীয়া আধুনিক সঙ্গীতৰ অৰুণোদয় হয় বৃটিছ যুগৰ পৰা। সঙ্গীত ওজা লক্ষ্মীৰাম বৰুৱাদেৱক এক অৰ্থত এই যুগৰ প্ৰৱৰ্তক বুলিলে ভুল কৰা নহ'ব। লক্ষ্মীৰামৰ "সঙ্গীত কোষ". আৰু "সঙ্গীত সাধনা" আছিল অসমীয়া আধুনিক সঙ্গীতৰ পথপ্ৰদৰ্শক। লক্ষ্মীৰাম বৰুৱাই যে শব্দৰ ৰচনাত ৰাগামিশ্ৰিত সুৰ সন্নিৱেশ কৰিছিল এনে নহয়, নতুন ৰাগ সৃষ্টিৰ প্ৰয়াসো কৰিছিল। পৰিতাপৰ বিষয়, গুণগ্ৰাহিতা নথকা আমি অসমীয়াই তালৈ সম্পূৰ্ণৰূপে আওকাণ কৰাৰ লগে লগে তাক পাহৰণৰ গহ্বৰত পুতি পেলালোঁ। এই বৃটিছ যুগতে বেণুধৰ ৰাজখোৱা, চন্দ্ৰধৰ বৰুৱা, পদ্মধৰ চলিহা আদি কেবাগৰাকী দেশপ্ৰেমিক গীত ৰচনাত মনোনিবেশ কৰে। অৱশ্যে ইয়াৰ বহুত গীত আনৰ অৰ্থাৎ বাংলা গীতৰ সুৰত পেলাই থিয় কৰা হৈছিল। গতিকে বৃটিছৰ যুগৰ এইছোৱা কালক 'অনুকৰণৰ যুগ' বুলিলে বঢ়াই কোৱা নহব। কিন্তু স্বকীয় প্ৰতিভাৰ অৱদানো টোকাৰি, বনগীত সুৰীয়া গীতি পদ্যবোৰ, কমলানন্দ ভট্টাচাৰ্যৰ

অপূৰ্ব ৰচনা, সুৰাৰোপ আৰু গীত, সকলোতকৈ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু ভ্ৰাতৃ কমলাপ্ৰসাদৰ যুগপৎ গীত-সুৰ সৃষ্টি অসমীয়া আধুনিক সঙ্গীতত অপূৰ্ব আৰু স্বকীয়। আনফালে কীৰ্তিনাথ বৰদলৈৰ মুটীয়া নাটিকা সমূহৰ দুৰ্গাবৰী, ব্যাহ আদি দেশীসুৰৰ প্ৰৱৰ্তনে নতুনত্ব অথচ এক মৌলিক জাগৰণ আনিলে। তেতিয়া এইচ. এম. ভিৰ গীত আৰু নাটসমূহে এই আধুনিকত্বত এক মনোহাৰিত্ব আনি দিছিল। এনে সময়তে আহিল অনাতাঁৰ আৰু স্বাধীনতা। পুৰুষোত্তম দাস আদি কৃতী লোকৰ গীত, কমলনাৰায়ণ চৌধুৰী আদি কলাসাধকৰ কণ্ঠই অসমীয়া গীতত এক জোৱাৰ আনিলে। দুই এক কথাছবি, অনাতাঁৰৰ মাধ্যমত 'মধ্যম অধম' গীত আৰু গায়কৰ সৃষ্টি হ'ল আৰু অসমীয়া সঙ্গীতত আধুনিকত্বৰ চাব পৰিল। এনে সময়তে ভূপেন হাজৰিকা, ৰুদ্ৰ বৰুৱা আদি ভালেমান সু-গীতিকাৰ ওলাই আহিল আৰু অসমীয়া গীতি সাহিত্যই এক গঢ় লবলৈ ধৰিলে। সুৰকাৰ গীতিকাৰ কণ্ঠদাতা হিচাপে আজিকোপতি ভূপেন হাজৰিকাই সঙ্গীত প্ৰেমীৰ সৰহভাগৰ অন্তৰ জয় কৰি আছিছে। সুৰকাৰ স্বৰূপেও কেবাজনেও জনপ্ৰিয়তা লাভ কৰিছে। গীতিকাৰ হিচাপে আগ-ৰণুৱা কেশৱ মহন্তৰ গীত ৰচনা অনবদ্য। নৱকান্ত বৰুৱা, নলিনী বালা দেৱী আদি কবিসকলে গীত ৰচনাত হাত দি এক শ্ৰেণীৰ উত্তম গীতৰ সৃষ্টি কৰিছে। ইয়াৰ লগত বীৰেন দত্ত, বীৰেন ফুকন, মিহিৰ বৰদলৈ, খগেন মহন্ত, পাৰবীন চুলতানা আদি এদল সঙ্গীতজ্ঞ গায়ক-গায়িকাৰ থুলে অসমৰ সঙ্গীত গগণ পোহৰাবলৈ ধৰিছে। আকাশবাণীৰ সৌজন্যত বহুতো তৰুণ গীতিকাৰৰ ৰচনা ন ন কণ্ঠত নিনাদিত হৈ উঠিছে। এক সাংগীতিক হুলস্থূল হৈছে সঁচা, লেখ বাঢ়িছে সিও সঁচা, কিন্তু স্থায়ী সংগীত কিমান ওলায় তাক সময়েহে কব। সাধ্য-সাধনা সিদ্ধি কিমানৰ ৰচনা বা কণ্ঠত ওলায় সিও ভবিষ্যতৰ বুকুত। ইয়াৰ ধাঁৰে ধাঁৰে লোক সঙ্গীত, বিহুগীত বনগীত (আনন্দিৰাম দাস কবলৈ গলে আধুনিক গীতত বনগীতৰ প্ৰৱৰ্তক), ওজাপালি (যদিও আকাশবাণীয়ে শুকনান্নী, দুৰ্গাবৰী, মাৰৈ আদি বেলেগাই দেখুৱাৰ জনা নাই), গোঁসানী নাম, বিয়ানাম আদি নিভাঁজ দেশীসুৰে ভুমুকি মাৰি অসমৰ সঙ্গীত ঐশ্বৰ্যৰে বাহিৰৰ বহু গুণীক মুগ্ধ কৰিছে। এই প্ৰসঙ্গতে কব পাৰি অসমৰ নিজস্ব সঙ্গীত সম্পদ অপাৰ। সঙ্গীতকাৰসকলৰ সুৰ সৃষ্টিৰ সেই কাৰণে বহুতো সুবিধা আছে। তেওঁ-লোকে মাত্ৰ তৎপৰ হৈ দেশী সুৰবোৰ আয়ত্ব কৰাৰ চেষ্টা কৰা উচিত। শাস্ত্ৰীয় সঙ্গীতত (যদিও দুই এটা ৰাগ প্ৰধান শুনা যায়) অসম পিছপৰা।

সুৰকাৰ সকলেও শাস্ত্ৰীয় ৰাগ-ৰাগিণী, খেয়াল ধ্ৰুপদৰ চৰ্চা কৰিলে আধুনিক সঙ্গীতৰ সমৃদ্ধি হ'ব। আনহাতে আন্দাজত সুৰ সঞ্চাৰ, আবেগত যেই সেই গীত ৰচনা, আৰু এজন ভাল গায়কৰ অনুকৰণত গীত গাই নাম কিনাৰ অসাধ্য চেষ্টা আধুনিক গীতৰ ডাঙৰ ৰোগ (যি সংক্ৰামক হৈ বহুতো মন্দকবি যশপ্ৰাৰ্থী'ক ধৰাশায়ী কৰিব), তেনে সঙ্গীত স্বাধীনতাৰ ২৬ বছৰৰ পাছত বৰ্জন কৰা অনিবাৰ্য। কথাষাৰ সঙ্গীত অনুশীলন কৰা ব্যক্তি, আকাশবাণী আদিয়ে যেন প্ৰণিধান কৰে।

অসমীয়া ভ্ৰমণ কাহিনী

[১৯৪১ চনৰপৰা ১৯৭৩ চনলৈ]

শ্ৰীহেমন্তকুমাৰ শৰ্মা

অসমীয়া সাহিত্যত ভ্ৰমণ কাহিনীয়ে এখনি আসন লাভ কৰিছে সঁচা; কিন্তু সেই আসন ওখ আৰু বহল বুলিব নোৱাৰি। অৱশ্যে অসমীয়া ভ্ৰমণ-কাহিনীৰ ইতিহাস পুৰণি বুলিয়েই কব লাগিব। অসমীয়া ভ্ৰমণ-কাহিনীৰ প্ৰথম আভাস পোৱা যায় উত্তৰ বৈষ্ণৱ যুগ অৰ্থাৎ সপ্তদশ শতিকাৰ প্ৰাৰম্ভৰপৰা ৰচিত হবলৈ ধৰা চৰিত-পুথিসমূহত। বিবোৰত অসমৰ বৈষ্ণৱ গুৰু আৰু সন্ত-মহন্তৰ জীৱনীৰ লগতে তেওঁলোকৰ ভ্ৰমণ-বৃত্তান্তও পোৱা যায়। সেইদৰে অষ্টাদশ শতিকাৰ আদি ভাগত ৰচিত 'ত্ৰিপুৰা-বুৰঞ্জী' মুখ্যতঃ ভ্ৰমণ-কাহিনীহে। অৱশ্যে এইটো ঠিক যে ভ্ৰমণ-কাহিনীৰ প্ৰকৃত সোৱাদ উক্ত কোনো পুথিতেই পোৱা নাযায়। সেইদৰে ঊনবিংশ শতিকাৰ শেষৰ ফালে গুণাভিৰাম বৰুৱাৰ ৰচিত "সৌমাৰ ভ্ৰমণ", আসাম যাত্ৰা" প্ৰমুখ্যে দুটিমান ভ্ৰমণ বিষয়ক প্ৰবন্ধ প্ৰকাশিত হয় যদিও অসমীয়া ভ্ৰমণ সাহিত্যৰ দিক নিৰ্ণয়ত বিবোৰ বিশেষ একো সহায় কৰিব পৰা নাই।

প্ৰকৃততে অসমীয়া ভ্ৰমণ-কাহিনীৰ এটি উজ্জ্বল ৰূপ দেখিবলৈ পোৱা যায় বিংশ শতিকাৰ আৰম্ভণিৰ পৰাহে। আৰু এই ৰূপ ধাৰাবাহিক-ভাৱে জিলিকিবলৈ ধৰে দ্বিতীয় মহাযুদ্ধৰ পিচৰ পৰা। দ্বিতীয় মহাযুদ্ধৰ আগতে জ্ঞানদাভিৰাম বৰুৱাৰ লণ্ডনৰ অভিজ্ঞতা লৈ লিখা 'বিলাতৰ চিঠি' (১৯৩৯) প্ৰকাশ পায়। অৱশ্যে বিলাতৰ চিঠিবোৰ আগেয়ে (১৯০৯-১৯১০ চনত) বাঁহী'ত প্ৰকাশ হৈছিল। সেইদৰে বিকাশচন্দ্ৰ গোহাঁয়ে ২য় মহাযুদ্ধৰ আগতে লিখা 'বিলাত-ভ্ৰমণ' নামে আকৰ্ষণীয় ভ্ৰমণ বৃত্তান্ত এটি 'আৱাহন'ত ছোৱা ছোৱাকৈ প্ৰকাশ পায়। মাধৱ বেজবৰুৱাই

ভাৰতৰ বিভিন্ন স্থানৰ মনোৰম বৰ্ণনা দি 'আৱাহন'ত এলানি ভ্ৰমণ-কাহিনী লিখিছিল। আনন্দচন্দ্ৰ আগৰৱালাৰ 'ব্ৰহ্মদেশ যাত্ৰা' আৰু লক্ষ্মীনাথ ফুকনৰ 'উত্তৰ-পশ্চিম' প্ৰাক যুদ্ধ যুগৰ ভ্ৰমণ-বৃত্ত।

এইটো উল্লেখনীয় যে কোনো ভাষাত অধিক আৰু উৎকৃষ্ট ভ্ৰমণ-কাহিনী পাবলৈ হলে সেই ভাষা-ভাষী লোকৰ লিখা-শক্তিৰ উপৰিও ভ্ৰমণ-স্পৃহা আৰু ভ্ৰমণৰ সুবিধা দুয়োটাই একেলগে থাকিব লাগিব। অসমীয়া ভ্ৰমণ-কাহিনী সংখ্যাত তাকৰ হোৱাৰ প্ৰধান কাৰণ হ'ল—অসমখন ভাৰতৰ এনে ঠাইত অৱস্থিত য'ত মাত্ৰ বাহিৰলৈ ওলাবলৈ বটলৰ দৰে এখন সৰু মুখ আছে আৰু সেই মুখ খনতো মাজে মাজে প্ৰাকৃতিক দুৰ্যোগে একোটা ঠিলা মাৰে। যান-বাহনৰ অসুচলৰ উপৰিও অসমীয়া-লোকৰ ভ্ৰমণৰ কাৰণে আৰ্থিক-মানসিক দুয়োবিধ প্ৰস্তুতিৰেই অভাৱ। তদুপৰি যি সকল লোকে দেশ ভ্ৰমণৰ সুবিধা পাইছে তেওঁলোকৰ সৰহভাগৰেই ভ্ৰমণ-কাহিনী লিখাৰ ইচ্ছা বা যোগ্যতা নাই। এনেস্থলত বেছিকৈ অসমীয়া ভ্ৰমণ-কাহিনী ওলায় ক'ৰপৰা? তথাপি সীমিত পৰিস্থিতিৰ মাজত থাকিও ইতিমধ্যে কেইবাজনো লোকে আকৰ্ষণীয় ভ্ৰমণ-কাহিনী লিখিছে আৰু সেইবোৰেও অসমীয়া সাহিত্যৰ এটি অঙ্গ পূৰণত বিশেষ সহায় কৰিছে।

যুদ্ধোত্তৰ কালৰপৰা এতিয়ালৈকে পুথিৰ আকাৰত প্ৰকাশিত ভ্ৰমণ-কাহিনীৰ সংখ্যা তিনি কুৰিৰ অধিক নহ'ব কিজানি। অৱশ্যে মাজে সময়ে সমসাময়িক বাতৰি-কাকত আৰু আলোচনীত প্ৰকাশিত ভ্ৰমণ-কাহিনী এই তালিকাত ধৰা হোৱা নাই। প্ৰকাশিত ভ্ৰমণ কাহিনীসমূহক আলোচনাৰ সুবিধাৰ কাৰণে দুই শ্ৰেণীত ভগাব পাৰি। ভাৰত ভ্ৰমণ-কাহিনী আৰু বিদেশ ভ্ৰমণ-কাহিনী।

।। ভাৰত ভ্ৰমণ-কাহিনী ।।

ভাৰত ভ্ৰমণ-কাহিনীক আকৌ দুই শ্ৰেণীত ভগাব পাৰি: তীৰ্থ-ভ্ৰমণ সম্পৰ্কীয় আৰু বিভিন্ন স্থান-ভ্ৰমণ সম্পৰ্কীয়। তীৰ্থ-ভ্ৰমণ সম্পৰ্কীয় গ্ৰন্থ কেইখনত প্ৰধানকৈ তীৰ্থ যাত্ৰাৰেই বিৱৰণ পোৱা যায়। দ্বিতীয় শাখাৰ ভিতৰতপৰা ভ্ৰমণ-কাহিনীও তীৰ্থস্থানৰ উপৰিও ভাৰতৰ ভিন ভিন আকৰ্ষণীয় ঠাইবোৰৰ বিৱৰণ আছে।

হিমালয়ৰ চিৰতুষাৰাবৃত্ত অত্যুচ্চ শিখৰমালা, পবিত্ৰ গঙ্গা-যমুনাৰ

অবৰ্ণনীয় সৌন্দৰ্য, অসংখ্য দেৱ-দেৱীৰ মঠ-মন্দিৰ আৰু যোগী-ঋষিসকলৰ আশ্ৰম আদিয়ে চিৰকাল ভাৰতীয় কবি আৰু সৌন্দৰ্য পিপাসুসকলৰ মন মুগ্ধ কৰি আহিছে; হিমালয়ৰ বৈচিত্ৰ্য অনেক কাব্য-কবিতাত বৰ্ণিত হৈছে। গতিকে হিমালয় তথা তাৰ তীৰ্থসমূহ দৰ্শন কৰিবলৈ ধৰ্মপ্ৰাণ হিন্দুৰ ইচ্ছা হোৱাটোৱেই স্বাভাৱিক। অৱশ্যে হিমালয় ভ্ৰমণ ব্যয় বহুল আৰু কষ্টকৰ। তথাপি আগ্ৰহশীল ভ্ৰমণ-কাৰীৰ অন্ত নাই। এই ক্ষেত্ৰত অসমীয়া ভ্ৰমণকাৰীৰ সংখ্যা তেনেই তাকৰ আৰু যিসকল গৈছে তেওঁলোকৰ ভিতৰত দুই-চাৰি গৰাকীমানেহে হিমালয়ৰ কথা লিখিছে। এওঁলোকৰ ভিতৰত শ্ৰীমতী সুব্ৰতা বৰুৱা অন্যতম। তেওঁ 'হিমতীৰ্থ বদ্ৰিনাথ' (১৯৬২) নামৰ ভ্ৰমণ-কাহিনীতে হিমালয়ৰ দুৰ্গম ঠাইত অৱস্থিত হিন্দুৰ অন্যতম মহাতীৰ্থ বদ্ৰীনাথ বা বদৰিকাশ্ৰম ভ্ৰমণৰ সুন্দৰ বিৱৰণ সহজ সৰল ভাষাত দাঙি ধৰিছে। যাওঁতে বাটত পোৱা ঠাইবোৰ, যেনে—হৃষীকেশ, লক্ষ্মণ ঝুলা, দেৱপ্ৰয়াগ, শ্ৰীনগৰ, কৰ্ণপ্ৰয়াগ আদিৰ বৰ্ণনা সৰল অথচ আবেগসনা ভাষাত দিছে। বদ্ৰিনাথৰ দৈনন্দিন পূজাৰ প্ৰকৰণ আৰু পদ্ধতি সম্পৰ্কেও পুথিখনিত চমু আভাস দিয়া হৈছে।

ভাৰতৰ তীৰ্থ দৰ্শন কাহিনী (১৯৭১)ৰ লিখক শ্ৰীনাথ দেৱ গোস্বামীয়ে দক্ষিণ আৰু উত্তৰ ভাৰতৰ বিভিন্ন তীৰ্থস্থান, যেনে—ত্ৰিবেণী, গয়া, ভুবনেশ্বৰ, পুৰী, তিৰুপতি, মহাবলীপুৰম, ৰামেশ্বৰ, কন্যাকুমাৰী, পুণা, কাশী, লক্ষ্ণৌ, হৰিদ্বাৰ, লক্ষ্মণঝুলা, দেৱপ্ৰয়াগ, বদ্ৰিনাথ, বৃন্দাবন আদিৰ বৰ্ণনা দিছে। তদুপৰি পূব ভাৰতৰ তীৰ্থ পৰশুৰাম কুণ্ডৰো বিৱৰণ আছে। ইয়াৰ উপৰি কুম্ভমেলা, সমুদ্ৰস্নান, পুৰীত ৰুক্মিণীদেৱীৰ বিবাহোৎসৱ আৰু জগন্নাথৰ ৰথ যাত্ৰাৰ বিৱৰণে পুথিখনিৰ আকৰ্ষণ বঢ়াইছে। লিখকে উত্তৰ ভাৰত আৰু দক্ষিণ ভাৰতৰ তীৰ্থস্থানবোৰৰ মাজত থকা কেইবাটিও পাৰ্থক্য দেখুৱাত তুলনামূলক অধ্যয়নৰ কাৰণে পাঠকৰ সুবিধা হৈছে। লিখকৰ বিৱৰণীৰপৰা তীৰ্থযাত্ৰাৰ কেইটিমান নিয়ম সম্পৰ্কেও অলপ জানিব পাৰি। এইবোৰত লেখকৰ নিষ্ঠা প্ৰকাশ পাইছে। তীৰ্থ-ভ্ৰমণ সম্পৰ্কীয় আন এখন গ্ৰন্থ হ'ল নিৰুপমা কটকীৰ 'দেৱভূমি বদ্ৰিনাথৰপৰা দেৱী কন্যাকুমাৰী'। এই পুথিত উত্তৰ আৰু দক্ষিণ ভাৰতৰ বিভিন্ন তীৰ্থস্থানৰ বিৱৰণ সহজ-সৰল ভাষাত দিয়া হৈছে। তীৰ্থস্থানৰ বৰ্ণনাৰ লগতে লিখিকাই বাটত লগপোৱা দুই-এজন মানুহৰ বিষয়ে দিয়া বিৱৰণে সাধুকথাৰ দৰে পুথিখনৰ আকৰ্ষণ বঢ়াইছে। যেনে—কৰ্ণপ্ৰয়াগৰ শ্ৰীৰণজিৎ, কাশীৰ বুঢ়ী দিদিমা, বাঙালোৰৰ সুৰেশ। উত্তৰ

আৰু দক্ষিণ ভাৰত ভ্ৰমণ কালত লেখিকাই স্বামীৰে সৈতে নিজে ৰান্ধি-বাঢ়ি খাই ঘোৰাটোও উল্লেখযোগ্য কথা। নানা কষ্টৰ মাজেতো তীৰ্থ-ভ্ৰমণ কৰাটোৱে লেখিকাৰ ধৰ্মপ্ৰাণতাৰ ইঙ্গিত দিয়ে। পুথিখনৰ নামটি 'দেৱভূমি বদ্ৰিনাথৰপৰা দেৱী কন্যাকুমাৰী'লৈ হোৱা হলে নিখুঁত হ'লহেঁতেন।

যিকেইখন অসমীয়া ভ্ৰমণ-কাহিনীত তীৰ্থস্থানৰ উপৰি আন ঠাইৰ বিৱৰণো দিয়া হৈছে সেইবোৰৰ ভিতৰত সম্ভৱ প্ৰথম ৰচিত হয় হৰিনাথ দত্তবৰুৱাৰ 'ভাৰত-ভ্ৰমণ।' মুস্তাফিজুৰ ৰহমানৰ 'তুষাৰ মৰুৰ প্ৰান্তত' (১৯৬৩) নামৰ চমু ভ্ৰমণ বৃত্তান্তখনিত দাৰ্জিলিং আৰু কালিম্পং ভ্ৰমণৰ সুন্দৰ বিৱৰণ আছে। পুথিখনত লেখকে দাৰ্জিলিঙৰ চমু ইতিহাসো দাঙি ধৰিছে। ভ্ৰমণ-বৃত্তান্তৰ মাজত বৰ্ণিত মিলাৰেপাৰ কৌতুহলপূৰ্ণ জীৱনীটোৱে কাহিনীৰ আকৰ্ষণ বঢ়াইছে। হেমন্তকুমাৰ শৰ্মাই 'কাবেৰীৰ পাৰে পাৰে' (১৯৬৩) দক্ষিণ ভাৰত আৰু উৰিষ্যাৰ কেইখনমান তীৰ্থস্থানৰ উপৰিও দাক্ষিণাত্যৰ মন্দিৰৰ ভাস্কৰ্য্য আৰু তাৰ সামাজিক জীৱনৰ বিৱৰণ দিবলৈ যত্ন কৰিছে। আতাউৰ ৰহমান চাহাবে অসম বিধান সভাৰ উপাধ্যক্ষ হৈ থকা কালত ভাৰতৰ বিভিন্ন ঠাইলৈ যাওঁতে বিভিন্ন ঠাই ছোৱাৰ উপৰিও নানা ধৰণৰ মানুহৰ সান্নিধ্যলৈ অহাৰ সুযোগ পাইছিল। সেইবোৰৰ অভিজ্ঞতালৈ লিখা পুথি 'ভাৰত ভ্ৰমিলোঁ'ত (১৯৭২) দক্ষিণ আৰু উত্তৰ ভাৰতৰ বিভিন্ন ঠাইৰ ভ্ৰমণ অভিজ্ঞতা চমুকৈ বৰ্ণিত হৈছে। লিখক ৰাজনীতিজ্ঞ, সমাজ-নেতা, গতিকে তেওঁৰ ভ্ৰমণ-কাহিনীত দৃষ্টিভঙ্গীৰ বৈশিষ্ট্য দেখা যায়। যেনে দক্ষিণ ভাৰতৰ ভালেমান ঠাইৰ নাম 'ম' আখৰেৰে শেষ হোৱাটো তেওঁ লক্ষ্য কৰিছে। দক্ষিণ ভাৰতত দুই তিনি বিঘা মাটিৰ ওপৰত তাল পাতেৰে ছোৱা সৰু সৰু ঘৰ কিছুমানৰ সমষ্টিয়েই গাঁও। উত্তৰ ভাৰতৰ বিভিন্ন ঠাইত কৃষিৰ বিষয়ত সৰু-সুৰা শিল্পই কেনেকৈ গঢ় লৈছে তাৰো লিখকে সন্ধেদ লৈছে। লুধিয়ানাত সকলো ড্ৰাইভাৰে দাড়ি, পাগুৰী থকা কাৰণে নিজৰ ড্ৰাইভাৰটোক চিনি নোপোৱাত হোৱা আমোদজনক ঘটনাটো আৰু চিমলা, লক্ষ্ণৌ, কানপুৰ, বোম্বে, গোৱা, শ্ৰীনগৰ আদিৰ বৰ্ণনাখিনি মনোগ্ৰাহী হৈছে। লিখকৰ ভাষা সাৱলীল, বৰ্ণনা ৰসাল আৰু প্ৰাণস্পৰ্শী। লিখকে সামৰণিত দিয়া মন্তব্য প্ৰণিধান যোগ্য। সেয়ে হ'ল চাব জানিলে আৰু উপভোগ কৰাৰ উপযুক্ত পৰিৱেশ ৰচনা কৰিব পাৰিলে অসমতেই কাশ্মীৰতকৈও সুন্দৰ ঠাই আছে।

বৰ্তমানে অসম চৰকাৰে প্ৰায় প্ৰতি বছৰে শিক্ষামূলক ভ্ৰমণৰ কাৰণে ছাত্ৰ-ছাত্ৰীক সুবিধা দিয়াৰ উপৰিও অসমৰ একোটা ডাঙৰ দলক ভাৰত

দৰ্শনৰ কাৰণে সুবিধা দি অহা দেখা গৈছে। এনে এটা দলত কেইবা শ জনসাধাৰণ নাইবা স্কুল অথবা কলেজৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী থাকে। প্ৰতিটো দলৰ কাৰণে সুকীয়াকৈ ৰেলগাড়ীৰ ব্যৱস্থা কৰা হয়। এনেকৈ যোৱা দুটা দলৰ দুজন লোকৰ ভাৰত-দৰ্শন নাম দি লিখা দুখন ভ্ৰমণ-কাহিনী পোৱা গৈছে। এখনৰ লিখক খগেন্দ্ৰনাথ দাস (১৯৬৪) আনখনৰ বমা বৰঠাকুৰ (১৯৭২)। দাসৰ ভাৰত-ভ্ৰমণত পশ্চিম বঙ্গ, বিহাৰ, উত্তৰ প্ৰদেশ, দিল্লী, পঞ্জাব, বোম্বাই, মহীশূৰ, মাদ্ৰাজ, অন্ধ্ৰ, উৰিষ্যা আৰু অসমৰ বিভিন্ন ঠাই আৰু চৰকাৰৰ খাৰা প্ৰতিষ্ঠিত কল-কাৰখানাৰ চমু বিৱৰণ পোৱা যায়। বৰঠাকুৰে ভাৰত দৰ্শনত প্ৰায় পাঁচ শ জনীয়া ছাত্ৰ-ছাত্ৰী দল এটাই ভাৰতৰ বিভিন্ন ঠাইত শিক্ষামূলক ভ্ৰমণ কৰোঁতে কেনেদৰে তিতা-মিঠা অভিজ্ঞতা লাভ কৰিছিল তাৰ বাস্তৱ বৰ্ণনা দিছে। পাঁচ শ ছাত্ৰ-ছাত্ৰীয়ে একেখন প্লেটফৰ্মতে একেলগে খোৱা-লোৱা কৰা ছাত্ৰ-ছাত্ৰীৰ মাজত খোৱা বস্তু বিতৰণ কৰা বা ছাত্ৰ-ছাত্ৰী টেচনৰ পৰা বাহিৰলৈ ফুৰিবলৈ ওলাই গৈ সময়মতে উভতি নহা আদি বিবিধ অসুবিধাৰ কথা বিতংভাৱে বৰ্ণনা কৰা হৈছে। বিশেষকৈ দলটি আম্বালাৰ পৰা কুৰুক্ষেত্ৰলৈ যোৱাৰ পথত হোৱা লটি-ঘটি মন কৰিব লগীয়া। পুথিখনত উত্তৰ ভাৰতৰ বিভিন্ন ঠাইৰ বৰ্ণনাৰ লগতে কোনো কোনো ঠাইৰ ঐতিহাসিক বিৱৰণ দিয়াত আকৰ্ষণ বাঢ়িছে। পুথিখন এনে দলবদ্ধভাৱে যোৱা ভাৰত দৰ্শনকাৰীৰ কাৰণে উপাদেয় হ'ব।

ৰোহিণী কুমাৰ কাকতিয়ে ব্যক্তিগত অভিজ্ঞতা আৰু কেইবাখনি পুথিৰ সহায় লৈ 'হিমকন্যা' নামে এখনি মনোৰম ভ্ৰমণ-কাহিনী লিখিছে। ইয়াত কাশ্মীৰৰ বিভিন্ন ঠাইৰ ভ্ৰমণ-বৃত্তান্ত আছে। বৰ্ণনা ৰসাল, তথ্য-পূৰ্ণ। মাজে মাজে কথোপকথন থকাত বেছি আকৰ্ষণীয় হৈছে। লিখকে ভ্ৰমণ-কাহিনীৰ লগতে জম্মু-কাশ্মীৰৰ চমু ঐতিহাসিক বিৱৰণো দিছে। ঠাইবোৰৰ বৰ্ণনাৰ লগতে দূৰত্ব আৰু উচ্চতা সম্পৰ্কে আভাষ দিয়াত কাশ্মীৰ সম্পৰ্কে সাধাৰণ ভৌগোলিক পৰিচয় লাভ কৰিব পাৰি। কাশ্মীৰৰ 'হাউচ বোট'ৰ বিৱৰণ, কাশ্মীৰী লোকৰ সাজ-পাৰ, খাদ্য, ব্যৱহাৰ, প্ৰাকৃতিক দৃশ্য আদিৰ বিৱৰণে ভ্ৰমণ-কাহিনীটো ৰসাল কৰি তুলিছে। গল্পৰ ভঙ্গিমাত লিখাত আৰু লিখকে মাজে মাজে নিজা অভিমত দিয়াত পুথিখন বহু ভ্ৰমণ-কাহিনীতকৈ সোৱাদ লগা হৈছে। অপু বৰুৱাই দিল্লীৰ ডুৰ-বীয়া ছবিত সূক্ষ্ম দৃষ্টিভঙ্গীৰে দিল্লীৰ বৈচিত্ৰ্যপূৰ্ণ জীৱনৰ কিছু আভাস দিছে।

২০

অসম ভাৰতৰ উত্তৰ-পূব মূৰত অৱস্থিত। অসম প্ৰকৃতিৰ ৰমনীয় দৃশ্যৰাজিৰে ভৰপূৰ; কিন্তু ভাৰতৰ এচুকত তথা যানবাহনৰ সুচল নোহোৱা কাৰণেই নেকি অসমৰ সৌন্দৰ্য্যই বিদৰে বিদেশীৰ মন আকৰ্ষণ কৰিব লাগিছিল, সেইদৰে পৰা নাই। সেই কাৰণে আন বিদেশী আৰু ভাৰতীয় ভাষাত অসম তথা উত্তৰ-পূব ভাৰতৰ বিষয়ে নিচেই কম সংখ্যক ভ্ৰমণ-কাহিনীহে পোৱা যায়। আনকি অসমীয়া ভাষাতো এই বিষয়ে অধিক ভ্ৰমণ-কাহিনী পোৱা নাযায়। নেফা বা বৰ্তমানৰ অৰুণাচলৰ বিষয়ে লিখা পুথিৰ ভিতৰত লক্ষেশ্বৰ শৰ্মাৰ 'মিচিমি পাহাৰৰ ৰণ শিঙা' (১৯৬৫) আৰু লীলা গগৈৰ 'সীমান্তৰ মাটি আৰু মানুহ' উল্লেখযোগ্য। 'মিচিমি পাহাৰৰ ৰণ শিঙা'ত লিখকে মিচিমি পাহাৰৰ বিভিন্ন অঞ্চল তথা পৰশুৰাম কুণ্ড, বুঢ়া-বুঢ়ীৰ থান, শদিয়া, কাৰলাং উপত্যকা, নহিদিং অঞ্চল আদিৰ ভ্ৰমণ অভিজ্ঞতা বৰ্ণনা কৰিছে। লিখকে প্ৰশাসনীয় বিষয়া হিচাপে তিনি বছৰৰো অধিক কাল থকা কাৰণে তাৰ আদিবাসী সকলৰ জীৱনৰ লগত নিবিড়ভাৱে পৰিচিত হোৱাৰ সুবিধা পাইছে। সেইহে ভ্ৰমণ-কাহিনীখনত তাৰ স্থানীয় লোক সমাজ-চিত্ৰ, (বিবাহ, আইন,-কানুন) আদিৰ কথাও বৰ্ণনা কৰিছে। পুৰাতাত্ত্বিকৰ দৃষ্টিৰে লিখা তাম্ৰেশ্বৰী মন্দিৰৰ বিৱৰণটি আকৰ্ষণীয় হৈছে। শ্ৰীগগৈৰ 'সীমান্তৰ মাটি আৰু মানুহ'ত অৰুণাচলৰ বাসিন্দা সকলৰ শিক্ষা আৰু সাংস্কৃতিৰ জীৱনৰ আভাস পোৱা যায়। হেমলতা বৰাৰ 'সেউজীয়া পাহাৰৰ মাজে মাজে'ও এই বিষয়ে লিখা আন এখন সোৱাদ লগা ভ্ৰমণ কাহিনী।

অসমীয়া ভাষাত ইতিমধ্যে ভাৰতৰ বিভিন্ন ঠাইৰ ভ্ৰমণ-কাহিনী সম্পৰ্কীয় কেইখনমান লেখৰ পুথি অনূদিত হৈছে। তেনে পুথিৰ ভিতৰত খগেন্দ্ৰ নাৰায়ণ দত্তবৰুৱাই বঙলা ভাষাৰ পৰা প্ৰাঞ্জলভাৱে অনুবাদ কৰা শংকু মহাৰাজৰ 'বিগলিত কৰুণা জাহ্নবী-যমুনা' (১৯৬২) তৰুণ কুমাৰ ভাডুড়ীৰ 'মৰু-প্ৰান্তৰ' (১৯৬১) আৰু কালকূটৰ 'অমৃত কুম্ভৰ সন্ধানত' (১৯৭১) প্ৰধান। উপন্যাসৰ দৰে সোৱাদ লগা আৰু দুঃসাহসিক ঘটনাৰে পৰিপূৰ্ণ ভ্ৰমণ-কাহিনী তিনিখনত ক্ৰমে হিমালয়ৰ বিভিন্ন তীৰ্থ ভ্ৰমণ, মধ্যপ্ৰাচ্যৰ জীৱন ইতিহাস আৰু ত্ৰিবেণীৰ কুম্ভমেলাৰ পটভূমিত লেখা বিচিত্ৰ কাহিনী পোৱা যায়। মাৰাঠী ভাষাৰ পৰা অসমীয়া ভাষালৈ অনূদিত আন এখন ভ্ৰমণ-কাহিনী হ'ল—শ্ৰীপাদ যোশীৰ 'পূৰ্বাঞ্চল চক্ৰৰ' অনুবাদ কৰিছে অনিমা গুহই। এই পুথিখনিত লিখকে তেজপুৰত বহা অসম সাহিত্য সভা (১৯৬৮), গুৱাহাটী, যোৰহাট, ডিব্ৰুগড় আদি ঠাই

আৰু নগালেণ্ড মণিপুৰ আৰু ত্ৰিপুৰা ভ্ৰমণৰ বৃত্তান্ত দিছে। বৰ্ণনাৰ মাজে মাজে ব্যক্তিগত অভিমত দাঙি ধৰাত পুথিখনৰ আকৰ্ষণ বৃদ্ধি হৈছে।

॥ বিদেশ ভ্ৰমণ কাহিনী ॥

বিদেশ ভ্ৰমণ-কাহিনীৰ ভিতৰত ইংলেণ্ড আৰু আমেৰিকাৰ ভ্ৰমণ-কাহিনীয়েই বেছি। এই দুয়োখন দেশৰ লগতে ভাৰতৰ শিক্ষা, সংস্কৃতি ৰাজনীতি, অৰ্থনীতি আদিৰ ক্ষেত্ৰত আদান-প্ৰদান বেছি হোৱাত ৰাজনৈতিক, সাংস্কৃতিক বা শিক্ষা সম্বন্ধীয় কাৰণত এই দুখন দেশলৈ ভাৰতৰ অন্যান্য ঠাইৰ দৰে অসমৰ ভালেমান লোকে যাবলৈ সুবিধা পাইছে। সেইয়ে তুলনামূলকভাৱে আন দেশৰ ভ্ৰমণ-কাহিনীতকৈ এই দুই দেশৰ কাহিনী অধিক। অৱশ্যে ৰুচিয়াৰ লগত আমাৰ সম্পৰ্ক ক্ৰমশঃ গাঢ় হৈ অহাত ৰুচিয়া ভ্ৰমণ সম্পৰ্কীয় পুথিও ইতিমধ্যে কেইখামনো ওলাইছে।

বিলাত বা গ্ৰেটবৃটেইন ভ্ৰমণ সম্পৰ্কীয় পুথিৰ ভিতৰত জ্ঞানদাভিৰাম বৰুৱাৰ বিলাতৰ চিঠি'ৰ কথা আগতে উল্লেখ কৰা হৈছে। ইয়াৰ পিচত লিখা পুথিৰ ভিতৰত ড: প্ৰফুল্লদত্ত গোস্বামীৰ 'বিলাতত সাত মাহ'ত (১৯৫৮ পিচত 'সোণ-ৰূপ নহয় সি দেশ' নামত প্ৰকাশিত) ইংলণ্ডৰ শিক্ষা, কলা-কৃষ্টি আদিৰ বিষয়ে থূলমূল বিৱৰণ দিয়া হৈছে। বদজন'ৰ (৺যোগীন্দ্ৰনাৰায়ণ দত্তবৰুৱা) 'বাইয়া কণ্ডিওচ' (১৯৬০)ত ইংলেণ্ডৰ সমাজ জীৱনৰ কেইটিমান দিশৰ চিত্ৰ, যেনে—খোৱা-লোৱা, নাচ-গান, ঘুৰাখেল, হেমলেটৰ অভিনয় দৰ্শন, ষ্ট্ৰেট ফোৰ্ডত থকা চেকছপীয়েৰৰ থকা ঘৰ, বৃটিছ কাউন্সিল আদিৰ বিৱৰণ বৰ বাস্তৱ ভঙ্গীৰে দিয়া হৈছে। বদজন'ৰ আন এখন ভ্ৰমণ-বৃত্তান্ত হ'ল 'দুই চোপ্সৰ'। ইয়াতো লিখকে বিভিন্ন শ্ৰেণীৰ মানুহৰ সান্নিধ্যলৈ আহি পোৱা অভিজ্ঞতাৰ কথা বৰ্ণনা কৰিছে। শ্ৰীধনঞ্জয় তালুকদাৰৰ 'গ্ৰেট বৃটেইনৰ কথা'ত (১৯৬৭) গ্ৰেট বৃটেইনৰ গাঁও, সংবিধান, ৰাজনৈতিক দল, শিক্ষা, পুলিচ, যান-বাহন, শিল্প আদিৰ বিষয়ে সুন্দৰ ভাৱে থবচিয়াৰি আলোচনা কৰা হৈছে। শ্ৰীমতী অনু বৰুৱাই 'সাগৰ দেখিলোঁ'ত (১৯৬৮) ইংলণ্ডৰ বিভিন্ন ঠাইৰ উপৰিও পেৰিচ আৰু জেনেভাৰো বিৱৰণ দিছে কাব্যিক ভাষাৰে। লিখিকাই এটি পৰ্যবেক্ষকৰ মন লৈ তাৰ মানুহক বুজিবলৈ যত্ন কৰিছে। লিখকাই ইংলণ্ডত থকা ভাৰত-পাকিস্তানৰ পূৰ্ব সংস্কাৰেৰে আবদ্ধ নাৰীৰ সমস্যাৰ কথাও উপলব্ধি কৰিছে। ছেক্সপীয়েৰ আৰু ওৱৰ্ডচৱৰ্থৰ জন্ম-

স্থানৰ বিৱৰণ দুটি সাহিত্যৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে উপাদেয় হৈছে। ডাক্তৰ ললিত বৰুৱাৰ 'ইউৰোপৰ বাটত' (১৯৫৬) গ্ৰেট বৃটেইনৰ উপৰিও ফ্ৰান্স, চুইজাৰলেণ্ড, ইটালী, চুইডেন, হলেণ্ড, ডেনমাৰ্ক আৰু নৰৱে ভ্ৰমণৰ অভিজ্ঞতাৰে সমৃদ্ধ। লিখকে এই দেশবোৰৰ বিশেষকৈ জনস্বাস্থ্য, শিক্ষা, সামাজিক নিৰাপত্তা সমাজ-কল্যান আদিৰ ব্যৱস্থা সম্বন্ধে সুবলা ভাষাত বিৱৰণ দিছে। জ্ঞানবালা দেৱীৰ 'আকাশ পথেদি বিদেশলৈ' আন এখন মনোৰঞ্জক ভ্ৰমণ-কাহিনী। কিছুদিন আগতে ডঃ ভবেন্দ্ৰনাথ শইকীয়াই 'এই বন্দৰৰ আবেলি' নাম দি এলানি ভ্ৰমণ-কাহিনী 'অসম বাণী'ত প্ৰকাশ কৰিছিল। এওঁৰ উপৰি ৰাজবালা দাস, বিনোদ গোস্বামী, দিলীপ দত্ত আৰু হীৰেন গোঁহায়ে বাতৰি কাকতত ইংলণ্ডৰ বিষয়ে ভ্ৰমণ-কাহিনী লিখিছে।

আমেৰিকা যুক্ত ৰাষ্ট্ৰৰ বিষয়েও ইতিমধ্যে কেইবাখনি ভ্ৰমণ-কাহিনী ওলাইছে। এইবোৰৰ ভিতৰত হেম বৰুৱাৰ 'সাগৰ দেখিছা'ই (১৯৫৪) প্ৰথম। অসমীয়া ভ্ৰমণ-সাহিত্যৰ ভিতৰত বোধকৰোঁ এইখনেই আটাইতকৈ আলোড়নকাৰী গ্ৰন্থ। উল্লেখযোগ্য যে অসমীয়া ভাষাত এতিয়ালৈ বৰুৱাই আটাইতকৈ বেছি সংখ্যক ভ্ৰমণ-কাহিনী লিখিছে আৰু এই ক্ষেত্ৰত তেওঁৰেই শ্ৰেষ্ঠত্বৰ দাবী কৰিব পাৰে। হেম বৰুৱাৰ ভাষাৰ আড়ম্বৰ আছে যদিও তাৰ কাব্যিকতাই পাঠকক মুগ্ধ কৰে। লিখকে বৰ্ণনাৰ মাজে মাজে নাটকীয় ৰীতিত উপস্থাপন কৰাত পুথিবোৰৰ আকৰ্ষণ বাঢ়িছে। লিখকে তিনি কুৰি ওঠৰ দিন আমেৰিকা ভ্ৰমণ কৰি তাত লাভ কৰা অভিজ্ঞতাৰ কথা তথা ৰাজনীতি-শিক্ষা, সমাজ-সংস্কৃতিৰ কথা বৰ প্ৰাঞ্জল ভাষাত বৰ্ণনা কৰিছে। আমেৰিকাৰ শিক্ষা, সংস্কৃতি, গাৰ্হস্থ্য জীৱন আদিৰ বিষয়ে লিখা এখন উল্লেখযোগ্য ভ্ৰমণ-কাহিনী হ'ল ডঃ বিৰিঞ্চিকুমাৰ বৰুৱাৰ 'প্ৰফেচাৰ বৰুৱাৰ চিঠি' (১৯৬৮) ডঃ বৰুৱাই ১৯৬৩ চনত লোক-সংস্কৃতিৰ পৰ্য্যটক প্ৰফেচৰ হিচাপে মাৰ্কিণ যুক্ত ৰাষ্ট্ৰৰ ইণ্ডিয়ানা বিশ্ববিদ্যালয়ত প্ৰায় আঠ মাহ অধ্যাপনা কৰিছিল। সেই কালছোৱাত লাভ কৰা তেওঁৰ বিচিত্ৰ অভিজ্ঞতাৰ কথাৰে পুথিখনি সমৃদ্ধ। পুথিখনিত আমেৰিকাৰ শিক্ষা পদ্ধতি আৰু ছাত্ৰ-ছাত্ৰীৰ বিষয়ে ভালেমান তথ্য পাব পাৰি। বৰুৱাৰ ৰচনাত সৰলতাৰ লগতে পাণ্ডিত্যৰো পৰিচয় আছে।

চন্দ্ৰপ্ৰসাদ শইকীয়াই 'আমেৰিকাৰ চিঠি'ত (১৯৬৭) ভাৰত সম্পৰ্কে আমেৰিকাৰ ধাৰণা, আমেৰিকাৰ পাকিস্তান প্ৰীতি, ৰাষ্ট্ৰসংঘ, হলিউদ আদিৰ বিষয়ে এজন সাংবাদিক আৰু ৰাজনৈতিক সচেতন ব্যক্তি হিচাপে

বৰ্ণনা কৰিছে। ভ্ৰমণ-কাহিনীটো লিখকৰ নিজস্ব দৃষ্টিভঙ্গীৰে সমৃদ্ধ হৈছে।

ডঃ বিৰিঞ্চিকুমাৰ বৰুৱাৰ দৰে ডঃ প্ৰফুল্লদত্ত গোস্বামীয়েও আমেৰিকাৰ ইণ্ডিয়ানা বিশ্ববিদ্যালয়ৰ আমন্ত্ৰণক্ৰমে ১৯৬৬ চনত ফোকলোৰ ইনষ্টিটিউটত ভিজিটিং প্ৰফেচাৰ হিচাপে অধ্যাপনা কৰিছিল। তেওঁ তাত থকা কাল ছোৱাত নিউইয়ৰ্ক, ৱাচিংটন প্ৰমুখ্যে আমেৰিকাৰ কিছুমান ঠাইত ভ্ৰমণ কৰে। ডঃ গোস্বামীয়ে আমেৰিকাত 'ভাৰতৰ সন্মান', শিক্ষা-পদ্ধতি, তাৰ লোকৰ আতিথ্য, ঘৰুৱা জীৱন, নিগ্ৰো-বিদ্বেষ আদি আমেৰিকাৰ জীৱন-যাত্ৰাৰ কথা স্পষ্টভাৱে উল্লেখ কৰিছে। এটা অধ্যায়ত তেওঁ জাপান ভ্ৰমণৰ অভিজ্ঞতাও বৰ্ণনা কৰিছে। ডঃ প্ৰসন্ন চন্দ্ৰ গোস্বামীয়ে 'বৈদেশিকা'ত সহজ সৰল ভাষাত আমেৰিকা-ভ্ৰমণৰ অভিজ্ঞতা সম্যক ভাৱে বৰ্ণনা কৰিছে। ভালেমান বছৰৰ আগতে অসম বাণীত ধাৰাবাহিকভাৱে প্ৰকাশ হোৱা মামনি গোস্বামীৰ ভ্ৰমণ-বৃত্তান্তত আমেৰিকাৰ সামাজিক আৰু পাৰিবাৰিক জীৱনৰ চিত্ৰ সুন্দৰ ভাৱে প্ৰকাশ পাইছে।

১৯৫৫ চনৰ পৰা ৰুচিয়াৰ লগত ভাৰতৰ সম্বন্ধ ক্ৰমশঃ গভীৰ হৈ আহিছে। ইয়াৰ ফলত অকল ৰাজনীতিয়েই নহয়, অৰ্থনৈতিক, সাহিত্যিক, সাংস্কৃতিক আদি দিশতো দুয়োখন দেশৰ মাজত ভাবৰ আদান-প্ৰদান হোৱা দেখা যায়। এনেবোৰ কাৰণতে কেইবাজনো অসমীয়া লোকে ৰুচিয়া ভ্ৰমণৰ সুবিধা পাইছে আৰু তাৰ ফলত কেইবাখনো ৰুচিয়া বিষয়ক ভ্ৰমণ-কাহিনী পোৱা গৈছে। এনে পুথিৰ ভিতৰত হেম বৰুৱাৰ 'ৰঙা কৰবীৰ ফুল' (১৯৫৯) উল্লেখযোগ্য। হেম বৰুৱাই সংসদী দলৰ এটাৰ প্ৰতিনিধি স্বৰূপে ৰুচিয়ালৈ গৈ এটা তীক্ষ্ণ সন্ধানী মন লৈ যি অভিজ্ঞতা লাভ কৰিছে তাৰেই প্ৰতিফলন হৈছে 'ৰঙা কৰবী ফুল' পুথিখনিত ৰুচিয়াৰ ডেকা-গাভৰুৰ জীৱন, দেশনেতা, সাহিত্য-নেতাসকলৰ প্ৰতিমূৰ্তিৰে সুশোভিত মস্কোৰ বিভিন্ন স্কোৱাৰ, ৰঙ্গমঞ্চ, শিল্পকলা, মস্কো বিশ্ববিদ্যালয়, কৃষি-খাম, লেনিনগ্ৰেডৰ আৰ্ট গেলাৰী, পোন্ধৰখন ৰাজ্য বা প্ৰদেশ মিলি গঠিত হোৱা ছোভিয়েট ইউনিয়নৰ ৰাজনীতিৰ আভাস, মানুহৰ আচাৰ-ব্যৱহাৰ আদিৰ বিৱৰণ পোৱা যায়।

'ৰঙা কৰবী ফুল'ৰ উপৰিও ডঃ অমলেন্দু গুহৰ 'ছোভিয়েট দেশত এভুমুকি' (১৯৫৮), ডঃ কনক মহন্তৰ 'বগা তথা ৰঙা আকাশ' (১৯৬২), আব্দুল মালিকৰ 'মাজত মাথোন হিমালয়', আৰু সুৰেন্দ্ৰ মোহন দাসৰ 'টলষ্টয়ৰ দেশত' (১৯৬৯) ৰুচ দেশ সম্পৰ্কীয় উল্লেখযোগ্য ভ্ৰমণ-কাহিনী।

কথাশিল্পী মালিকৰ 'মাজত মাথোন হিমালয়'ত বিস্তৃতভাৱে জীৱনৰ বিচিত্ৰ ৰূপ তেওঁ গল্প লিখাৰ দৰে মনোৰম ভঙ্গিমাৰে লিখি গৈছে। এওঁলোকৰ উপৰি নৰকান্ত বৰুৱা, ৰেণুকা বৰকটকীয়েও কেইটিমান প্ৰবন্ধত ৰুচ দেশ ভ্ৰমণৰ অভিজ্ঞতা বৰ্ণনা কৰিছে।

জাৰ্মান দেশৰ বিষয়ে অসমীয়াত উল্লেখযোগ্য ভ্ৰমণ-কাহিনী ওলোৱা নাই। কেৱল বাগ্মীৰ নীলমণি ফুকনৰ 'বাৰ্লিনত কি দেখিলোঁ' (১৯৬৯) পুথিত অতি চমুকৈ বাৰ্লিনৰ সমাজ-জীৱনৰ চিত্ৰ দাঙি ধৰা হৈছে। মঞ্জু মালা দাসেও বাতৰি কাকতত জাৰ্মান সমাজ সম্পৰ্কীয় দুই এটি চিত্ৰ দাঙি ধৰিছিল।

ঘড়ীৰ দেশ চুইজাৰলেণ্ডৰ প্ৰাকৃতিক দৃশ্য, মানুহৰ আচাৰ-ব্যৱহাৰ আৰু শিক্ষা-সংস্কৃতিৰ আভাস দাঙি ধৰা হৈছে বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'চুইজাৰলেণ্ড ভ্ৰমণ'ত (১৯৪৮)। শিশুৰ উদ্দেশ্যে লিখা কাৰণে পুথি-খনিৰ ভাষা সহজ সৰল আৰু বৰ্ণনা আকৰ্ষণীয়। শৰৎকুমাৰ দত্তয়ে এটি প্ৰবন্ধত চুইজাৰলেণ্ডৰ আল্পচ পৰ্বত বগোৱা দুঃসাহসিক বিৱৰণ দিছে।

ধৰ্মদত্ত শৰ্মাই ৰসাল ভাষাৰে ডেনমাৰ্কত লাভ কৰা বিচিত্ৰ অভিজ্ঞতাৰ কথা বৰ্ণনা কৰিছে 'ডেনমাৰ্ক' ভ্ৰমণ-কাহিনীত। পুথিখনিত থকা চুৰেজ-খালৰ বিৱৰণটি বেছ আকৰ্ষণীয়।

মধ্যপ্ৰাচ্যৰ সংঘৰ্ষ সম্পৰ্কে ইজৰাইলক লৈ আজি সমগ্ৰ বিশ্বতে তোল-পাৰ। এই দেশখনৰো সুন্দৰ পৰিচয় পোৱা যায় হেম বৰুৱাৰ 'ইজৰাইল (১৯৬৭) আৰু প্ৰমোদ বৰুৱাৰ 'এই মাটিৰেই মানুহ' (১৯৭২) নামৰ ভ্ৰমণ-কাহিনীত। 'ইজৰাইল'ত ইহুদীসকলৰ গাঁৱলীয়া জীৱন, নাৰী সমাজ, শিক্ষা-পদ্ধতি, সাজ-পাৰ, আচাৰ-ব্যৱহাৰ, ভাষা সাহিত্যৰ আভাষ দিয়া হৈছে। প্ৰমোদ বৰুৱাই 'এই মাটিৰেই মানুহ'ত ইজৰাইলৰ ৰাজহুৱা অনুষ্ঠান, বিশেষকৈ বনুৱা সমবায়, মহিলা আৰু যুৱক সংগঠন বিলাকে দেশৰ সংহতি আৰু অৰ্থনৈতিক উন্নতিৰ ক্ষেত্ৰত আগবঢ়োৱা বৰঙণিৰ বিষয়ে আলোচনা কৰিছে।

ভাৰতৰ নিচেই কাষৰে দেশ আফগানিস্তান। এই দেশ সম্পৰ্কেও দুখন ভ্ৰমণ-কাহিনী প্ৰকাশ পাইছে। আব্দুছ চাত্তাৰে ভাৰত আফগান সাংস্কৃতিক বিনিময় চুক্তিৰ ভেঁটিত কাবুলত কেইবামাহো শিক্ষকতা কৰাৰ সুবিধা পাইছিল। সেই সুযোগতে তেওঁ আফগানিস্তান সম্পৰ্কে বিভিন্ন অভিজ্ঞতা লাভ কৰি সেইবোৰ প্ৰকাশ কৰে 'বিদেশত দুদিনমান'ত (১৯৫৭)

লিখকে পুথিখনিত আফগানসকলৰ অতিথি-পৰায়ণতা, পুৰুষৰ প্ৰতি নাৰীৰ লাজ-সংকোচ, ভাৰত ধনী দেশ বুলি তাৰ জনসাধাৰণৰ ধাৰণা ; সেই দেশৰ যানবাহন, গাঁও, শিক্ষানীতি, তাৰ লোকে ভাৰতীয় চিনেমা আৰু হিন্দী গানৰ প্ৰতি আগ্ৰহ, পুলিচৰ তৎপৰতা, আৰু সামাজিক প্ৰথাৰ বিৱ-ৰণ চমুকৈ দাঙি ধৰিছে। অমলেন্দু গুহই 'আফগানিস্তানত এভুমুকি' (১৯৬১, পৰিবৰ্ধিত ১৯৬৮) নামৰ ভ্ৰমণ-কাহিনীত আফগানিস্তানৰ হিন্দু প্ৰশাসণ-ব্যৱস্থা কাবুলত ভাৰতীয় স্বাধীনতা আন্দোলন সম্পৰ্কে ধাৰনা, ৰুছ-মাৰ্কিন সহ-অৱস্থান, কাবুল বিশ্ববিদ্যালয়, কণিষ্ক-মন্দিৰ আদিৰ বিষয়ে চমু আভাস দিছে।

মহম্মদ মছউদে 'বৰফৰ দেশ ভিয়েনা'ত (১৯৭১) অষ্ট্ৰিয়া আৰু তাৰ আশেপাশে থকা ভালেমান দেশ আৰু সেইবোৰৰ বিষয়ে লাভ কৰা মিঠা-তিতা অভিজ্ঞতাৰ কথা বৰ্ণনা কৰিছে। ডঃ নুৰুল হুদাই 'পবিত্ৰ হজৰ কথা'ত হজ-যাত্ৰাৰ চমু বিৱৰণ আছে।

আফগানিস্তানৰ উপৰি গাতে লাগি থকা ভাৰতবৰ্ষৰ ওচৰচুবুৰীয়া দেশ হ'ল বাংলা দেশ, পাকিস্থান, চিকিম, ভুটান, ব্ৰহ্মদেশ আৰু পাকিস্তানৰ বা বাতৰি প্ৰায় নিতৌ বাতৰি কাকত আৰু আ'কাশ-বাণীত পোৱা যায় যদিও ভ্ৰমণ-কাহিণী হিচাপে এই দুখন দেশৰ লগতে ভুটান আৰু শ্ৰীলংকাৰ কোনো কিতাপ এতিয়ালৈ ওলোৱা নাই ; কিন্তু ওলোৱাটো বাঞ্ছনীয়। নেপালৰ বিষয়ে বিবিধ তথ্যপূৰ্ণ বিৱৰণ এটি পোৱা যায় যতীণ গোস্বামীৰ 'বাগমতী দেখিছো'ত (১৯৬৮)। গোস্বামীয়ে নেপালৰ পৌৰানিক আৰু ঐতিহাসিক কাহিনীৰ চমু আভাস দিয়াৰ উপৰিও ধৰ্মীয় উৎসৱ, মঠ-মন্দিৰ, কলা-ভাস্কৰ্য্য, সাজপাৰ অলংকাৰ, প্ৰাকৃতিকদৃশ্য, ৰাজনৈতিক অৱস্থা আদিৰ বৰ্ণনা দিছে। লিখকে পাহাৰ-ভ্ৰমণৰ অভিজ্ঞতা আকৰ্ষণীয়ভাবে বৰ্ণনা কৰিছে। লিখকৰ ভাষা সোৱাদ লগা আৰু দৃষ্টিভঙ্গীৰ সুক্ষতা আছে। দেশৰ ভ্ৰমণ-অভিজ্ঞতাৰ কথা আবেগ সনা ভাষাৰে বৰ্ণনা কৰিছে। পুথি-খনিত চিকিমৰ ইতিহাস আৰু তাৰ মানুহৰ আচাৰ-নীতি, ধৰ্ম, শিক্ষা আদিৰ কথা বৰ্ণনা কৰিছে।

ব্ৰহ্মদেশৰ বিষয়ে পুথিৰ আকাৰত কোনো ভ্ৰমণ-কাহিনী ওলোৱা নাই। যদিও হেম-বৰুৱাৰ সানমিহলিত সন্নিৱিষ্ট 'ব্ৰহ্মদেশৰ নাটঘৰৰ ৰামায়ণ আখ্যান' আৰু 'সোণবৰণীয়া দেশ ব্ৰহ্মদেশৰ ঝিলিমিলি' নামৰ প্ৰবন্ধ দুটিৰ পৰা ভাৰতীয় সংস্কৃতিৰ লগত ব্ৰহ্মদেশৰ সংস্কৃতিৰ নিবিড় সমন্বয়ৰ কথা জানিব পাৰি। এইটো উল্লেখনীয় যে ভাৰতীয় লোকৰ পাশ্চাত্য দেশসমূহৰ লগত

যেনে ওচৰ সম্বন্ধ ওচৰৰ দেশসমূহৰ লগত তেনে নহয়। অথচ পূব দেশ তথা দক্ষিণ-পূব এচিয়াৰ লগত ভাৰতীয় সংস্কৃতি একেডাল ডোলতে সাঙোৰ খাই আছে। পশ্চিমীয়া জাতি ইংৰাজৰ শাসন আৰু পশ্চিমীয়া শিক্ষা-সংস্কৃতিৰ প্ৰতি ভাৰতীয় লোকৰ আকৰ্ষণে হয়তো আমাক ইমান দিনে পূব-দক্ষিণ দিশলৈ মন মেলাব পৰা নাছিল। সুখৰ বিষয় স্বাধীনতাৰ পাচত এই ভূ-খণ্ডলৈকো আমাৰ মানুহৰ দৃষ্টি আকৰ্ষিত হৈছে আৰু সেই দেশবোৰক লৈ কেইখনমান ভ্ৰমণ-কাহিনী ওলাইছে। তাৰ ভিতৰত হেম বৰুৱাৰ 'মেকং নৈ দেখিলোঁ' (১৯৬৭) প্ৰধান। এই পুথিখনিত হেম বৰুৱাই দক্ষিণ-পূব এচিয়াৰ থাইলেণ্ড, কেম্বোডিয়া, লাওচ, মালয়েছিয়া আৰু চিঙ্গাপুৰ এই পাঁচখন দেশৰ শিক্ষা-সংস্কৃতি আদিৰ বিৱৰণ তেওঁৰ স্বভাৱ সুলভ কাব্যিক ভাষাত দাঙি ধৰিছে। এই দেশবোৰত ভাৰতৰ কলা-কৃষ্টি আৰু প্ৰাচীন সাহিত্যৰ (বিশেষকৈ ৰামায়ণৰ) প্ৰভাৱ যে পৰিছে তাৰো স্পষ্ট আভাষ পুথিখনে দিছে।

বাঞ্চা শইকীয়াই 'দিহিঙে দিপাঙে'ত (১৯৬৯) দক্ষিণ-পূব এচিয়াৰ কেইখনিমান দেশ—জাপান, ফিলিপাইন, মালয়েছিয়া আৰু চিঙ্গাপুৰৰ ইতিহাসক আৰু সামাজিক অৱস্থাৰ চমু বিৱৰণ দিছে। গল্পৰ আকাৰত বৰ্ণোৱা নাৰ্চ চিলডাৰ কাহিনী বোলছবিত দেখুৱা হিটলাৰৰ নিষ্ঠুৰতাৰ নিদৰ্শন আৰু ৰূপহী গাভৰু ফ্ৰাউলীনৰ কাহিনী লোমহৰ্ষক আৰু চিত্তা-কৰ্ষক। অণু বৰুৱাই 'সূৰ্যমুখী'ত (১৯৭১) পূব এচিয়াৰ টাইৱান আৰু হংকঙৰ ভ্ৰমণৰ অভিজ্ঞতা ৰসাল ভাষাত বৰ্ণনা কৰিছে। বৰ্ণনাটিত টাই-ৱান আৰু হংকঙৰ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু সামাজিক চিত্ৰৰ আভাষ দিয়া হৈছে।

উল্লিখিত ভ্ৰমণ-কাহিনীসমূহৰ উপৰিও আৰু কেইগৰাকীমান লিখকৰ ভ্ৰমণ অভিজ্ঞতাৰ বিৱৰণ আলোচনী আৰু বাতৰি কাকতত পোৱা যায়। সিবোৰৰ ভিতৰত সতীশ চন্দ্ৰ কাকতিৰ আমেৰিকা ভ্ৰমণৰ অভিজ্ঞতা, ধৰনীধৰ বসুমাতাৰীৰ আন্দামান নিকোবৰ দ্বীপপুঞ্জৰ ভ্ৰমণ-কাহিনী হৰে-কৃষ্ণ বৰ্মনৰ 'জাপান ভ্ৰমণ', ডঃ মহেশ্বৰ নেওগৰ পূব ইউৰোপ ভ্ৰমণ, ডঃ ভুবনমোহন দাসৰ ফৰাচী ভ্ৰমণ, ডঃ কমলা ৰয়ৰ 'ফৰাচী বৃটেনীৰ শ্যামলী উপকূলত', দিলীপ শৰ্মাৰ 'চীন ভ্ৰমণ' আদিত উল্লিখিত দেশবোৰৰ বিষয়ে দুই এটি কথা জানিব পাৰি। এইখিনিতে এটি কথা উল্লেখ কৰিব পাৰি যে আমাৰ বেছি সংখ্যক ভ্ৰমণ-কাহিনী ঠাইৰ বৰ্ণনাৰে ভৰপূৰ; ঠাইৰ বিৱৰণ ভ্ৰমণ-কাহিনীৰ অবিচ্ছেদ্য অঙ্গ যদিও সেই ঠাইৰ মানহৰ চিন্তাধাৰা,

আচাৰ-ব্যৱহাৰ, শিক্ষা-সংস্কৃতি আদিৰ বিৱৰণৰ মূল্য তাতকৈ কোনো গুণে কম নহয়, বৰং বেছিহে। অৱশ্যে ইয়াৰ কাৰণে ভ্ৰমণকাৰীয়ে বিভিন্ন ঠাইৰ স্থানীয় লোকৰ লগত সু-পৰিচয় হোৱাৰ উপৰিও তেওঁৰ সূক্ষ্ম পৰ্য্যবেক্ষণশীলতা, অনুভূতিশীল মন, বিশ্লেষণশীল শক্তি আৰু আকৰ্ষণীয় ভাষাত বৰ্ণনীয় বিষয় উপস্থাপনৰ ক্ষমতা থাকিব লাগিব। এই প্ৰসঙ্গত হেম বৰুৱাই 'ইজৰাইল'ৰ পাতনিত উল্লেখ কৰা এষাৰি কথা প্ৰণিধানযোগ্য: দেশ ভ্ৰমণ আৰু কিতাপ অধ্যয়ন এই দুয়োটা সমপৰ্য্যায়ৰ কথা। মানুহৰ অন্তৰ- স্ৰোত নজনাক জানিবলৈ নুবুজাক বুজিবলৈ সদায়ে এক ধাউতি বিদ্যমান। এই কাৰণেই মানুহে কিতাপ পঢ়ে বা দেশ ভ্ৰমণ কৰে। ইয়াকে যেনিবা চিনেমা চোৱাদি উপভোগ কৰিবলৈ গলে একো কথাই নিসিজে। সূক্ষ্ম দৃষ্টীৰে সকলো বস্তু নিৰীক্ষণ কৰিব জানিব লাগিব। সংবেদনশীল অন্তৰ এখনেৰে সকলো বস্তু উপলব্ধি কৰিবলৈ যত্ন কৰিব লাগিব। নহলে কিতাপ পঢ়াও মিছা দেশ-ভ্ৰমণো মিছা।"

দেখা যায় যে এচিয়া, ইউৰোপ আৰু উত্তৰ আমেৰিকাৰ কেইখনমান দেশৰহে ভ্ৰমণ-কাহিনী আমাৰ ভাষাত ওলাইছে। আফ্ৰিকা, দক্ষিণ আমেৰিকা আৰু অষ্ট্ৰেলিয়াৰ ভ্ৰমণ-কাহিনী এতিয়াও ওলোৱা নাই। অন্য নেলাগে ভাৰতবৰ্ষৰ বহুতো ঠাই অসমীয়া ভ্ৰমণ-কাহিনীয়ে ছুব পৰা নাই। আমি আশা কৰোঁ, অসমীয়া ভ্ৰমণ-কাৰীসকলে এই কথালৈ লক্ষ্য ৰাখিব আৰু নতুন নতুন ঠাইৰ ন ন তথ্য-পাতিৰে ভ্ৰমণ-কাহিনীৰ সৃষ্টি কৰিব আৰু আমাৰ সাহিত্যকো সমৃদ্ধ কৰিব।

অসমীয়া ভাষাৰ বৈভৱ আৰু যুদ্ধোত্তৰ যুগৰ ভাষা

শ্ৰীতীৰ্থনাথ শৰ্মা

অসমীয়া ভাষাই আপোনাৰ বলতে আপোনাকে সঞ্জীৱিত আৰু সমৃদ্ধ কৰাৰ প্ৰচেষ্টা এটা সৰ্বদায় কৰি আহিছিল। স্বাধিকাৰসূত্ৰে সংস্কৃতৰপৰা শব্দাৱলী আৰু ভঙ্গিতা ধাৰ কৰিছিল সঁচা, কিন্তু তাৰ বাহিৰে আন বঙলা আদি ভাষাবিলাকৰপৰা শব্দাৱলী আৰু প্ৰকাশভঙ্গী গ্ৰহণ পৰা পক্ষত নকৰিছিল। যেতিয়া কৰিছিল তেতিয়া সমাজত সেই শব্দ আচহুৱা অৱস্থাত নাছিল সি ইতিপূৰ্বেই জাতত উঠিছিল। পুৰণি কালত অসমীয়া ভাষাত যেতিয়া বিজ্ঞান, ৰাজনীতি, যুদ্ধ-বিদ্যা, হাতী-পালন, কুকুৰা পালন, মন্দিৰ নিৰ্মাণ আদি বিভিন্ন বিষয়ৰ গদ্য গ্ৰন্থ লিখা হৈছিল তেতিয়া হিন্দী বঙলা আদি চুবুৰীয়া ভাষাবিলাকত এইবাৰ লৌকিক প্ৰয়োগ বিজ্ঞানৰ গ্ৰন্থ লিখাই হোৱা নাছিল। গতিকে অসমীয়ালোকে আন ভাষাৰ আহি লোৱাৰ সুযোগো পোৱা নাছিল। এই সুযোগ নোপোৱাৰ কাৰণে নিজৰ ভৰিতে থিয় দিয়াৰ বাহিৰে উপায়ো নাছিল। ফলত অসমীয়া ভাষাৰ সমৃদ্ধি দিনক দিনে বৃদ্ধি পাইছিল।

পুৰণি কালত অসমীয়া মানুহে পোনছাটেই বিদেশী বস্তুৰ দৰেই বিদেশী শব্দকো ব্যৱহাৰ কৰিবলৈ যেবো-গেবো কৰিছিল। বচত ফল্-মূল-ফুল, আৰু আন খোৱা বস্তু আগতে অসমত নাছিল। সেইবোৰ কেতিয়া কোন সময়ত আহি অসমত সোমাল ঠাৱৰকৈ কোৱা টান, কিন্তু আগতে যে নাছিল, পাছতহে আহিল এই কথা সহজে জানিব পাৰি। এইবোৰ বস্তু অসমীয়া মানুহে পোনতে খাবলৈ ভাল নাপাইছিল। পাছলৈ খাবলৈ ধৰিলে যদিও পূজা-সেৱাত প্ৰসাদ, নৈবেদ্য, ভোজনি আদিত নিদিছিল। শেহত এই বিধি-

নিষেধো বিদূৰ হ'ল। এই বস্তবোৰৰ নামো অসমীয়া ভাষাত আগেয়ে নাছিল। নাছিল বুলি বিদেশী, নামটোকে আপোন কৰিও লোৱা নাছিল। 'টমাট', টবাক' আদি পৰ্তুগীক নামবোৰ হিন্দী আদি ভাষাই প্ৰায় গোটে গোটে গ্ৰহণ কৰিছিল। অসমীয়া ভাষাই সুকীয়াকৈ ধুনীয়া ধুনীয়া নাম একোটা দি লৈছিল। বঙচঙীয়া ধুনীয়া দেখি টমাটোৰ নাম দিলে বিলাহী বেঙেনা, 'টবাক' নুবুলি কাম চাই নাম দিলে 'ধপাত' (ধোঁৱাপাত)। সেই দৰে অমিতাও পূৰ্বৰে পৰা আমাৰ দেশৰ থলুৱা ফল নহয়। ইয়াৰ চাবেক ঘৰ আমেৰিকা, ভাৰতলৈ আহিল সপ্তদশ শতিকাত। আন ভাৰতীয় ভাষা-বোৰে 'Papaya' এই স্পেনীয় ভাষাৰ নামটোকে আদৰি ললে, পেঁপে (বঙলা), পপাই (হিন্দী), পপ্পাই (তেলেগু) ইত্যাদি অলপ হেনাইচা কপেৰে। অসমীয়াই কিন্তু এই নামটোকে আশ্ৰয় কৰি এটা শুৱলা নাম দি ললে 'অমিতা' বা 'অমৃতা' বা মধুফল (মৈৰফল কামৰূপ)। অসমীয়া মানুহৰ ভাবটো এনেকুৱা—'মোৰ ঘৰত থাকিবিহে থাকিবি মই দিয়া নামেৰেহে মাতিম'। কিছুমান শব্দত বহিৰাগত শব্দটো থাকি যায়, কিন্তু অসমীয়াই তাক সম্পূৰ্ণ বিশ্বাস নকৰি তাৰ লগত সমাৰ্থবাচক অসমীয়া শব্দ এটা লগ লগাই দিয়ে। এনেদৰে কিছুকাল চলাৰ পাছতহে তাক অকলে কামত লগায় যেনে লেম-চাকি পাছলৈ চাকিৰ নেগুৰত নধৰাকৈয়ে লেমে চলা-ফুৰাৰ অধিকাৰ পালে। সেইদৰে টিং-পাট, বঙলা-ঘৰ, ৰেল-গাড়ী, মটৰ-গাড়ী ইত্যাদি কিমান।

এইবোৰৰ পৰাই অসমীয়া এটা ৰক্ষণশীল স্বভাৱৰ ভাষা বুলি গম ধৰিব পাৰি। কোনো পণ্ডিতে কয় বোলে ইংৰাজী ভাষাই পৰৰ শব্দ গোটাই আনি নিজকে সমৃদ্ধ কৰিছে। জাৰ্মনী ভাষাই পৰাপক্ষত পৰৰ শব্দ লব নোখোজে, নিজৰ শব্দৰ পৰাই নতুন শব্দ সৃষ্টি কৰে। তেওঁ-লোকৰ মতে জাৰ্মানী স্বাভিমানী ভাষা। ভাৰতীয় হিন্দী, বঙলা আদি ভাষাৰ তুলনাত অসমীয়াও তেনেকৈ স্বাভিমানী ভাষা। প্ৰয়োজন হ'লে নিজৰ শব্দৰেই নতুন শব্দ নিৰ্মাণ কৰি লয়। নোৱাৰাতহে পৰৰ ভঁৰালৰ শব্দত হাত দিছিল। পুৰণি বুৰঞ্জীবিলাকে বহুত শব্দ আৰু ভঙ্গী নিজে নিজে নিৰ্মাণ কৰিছিল। পুৰণি শব্দতো নতুন অৰ্থৰ সঞ্চাৰ কৰিছিল। থাপিত, প্ৰাণ-পৰিভুগী, বজা-পোৱালি, ৰৰমত্য জীৱন্তি-বঁটা আদি এনেকুৱা পুৰণিৰ আলমত বহুত নতুন শব্দ নিৰ্মাণ কৰিছিল বা সেইবোৰত বুৰঞ্জী লেখকৰ কাপৰ আগত আহি উকৰি পৰিছিল। কেৱল ৰজাঘৰীয়া চিঠি-পত্ৰত আৰু দাঁতিয়লিয়া মানুহৰ মুখত হেনা-চা ভাষা দিছিল আৰু তাকো

ইচ্ছা কৰিয়ে দিছিল। তাত বাজে আন ঠাইত সেই শব্দবোৰক লাই দিয়া নাছিল। সংস্কৃত গ্ৰন্থৰ ভাঙনি কৰোতে সংস্কৃত শব্দসম্ভাৰ আৰু ভঙ্গীৰ মোহ এৰাবলৈ ভট্টদেৱে টান পাইছিল, কিন্তু তাৰ মাজতো এটা নতুন ভঙ্গীৰ কথাই নকওঁ বহুত শব্দৰ বিচক্ষণ প্ৰয়োগ আৰু পুৰণি শব্দক নতুন চেতনা দি কথা-ভঙ্গীক বিচিত্ৰ কৰি তুলিব পাৰিছিল। মাধৱ কন্দলী, শঙ্কৰদেৱ, মাধৱদেৱ, ৰাম সৰস্বতী আদি মহাকবি সকল অসমীয়া ভাষাৰ লেখকেই নাছিল, তেওঁলোক ভাষাৰ নিৰ্মাতাও আছিল। তেওঁলোকৰ হাতত বহুত মামৰে ধৰা শব্দ উজ্বল হৈ পৰিছিল। বহুত শব্দৰ কায়কল্প হৈছিল। আন কিছুমান শব্দই জন্মলাভ কৰিছিল। মহাকবিসকলে নিজৰ উদ্ভাৱনী শক্তিৰে এনে অঘটন ঘটাই অসমীয়া ভাষাটো হেমাৰ ভাৰে উপঢৌকন দি গৈছে। ইয়াকে কৰোতে সেইসকলে অন্য ভাষাৰ পৰা শব্দাৱলী ধাৰ কৰা নাছিল, হুবহু অনুবাদ কৰা শব্দেৰেও ভাষাক আচহুৱা যেন কৰা নাছিল। অসমীয়া ভাষাৰ সঞ্জীৱনী ৰস অসমীয়া ভাষাৰ পৰাই আহৰণ কৰিছিল। এই অসমীয়া ভাষাই আকৌ অনুৰস আহৰণ কৰিছিল এখন নিতোল সমৃদ্ধ আৰু বিবিধ কৰ্মতৰঙ্গেৰে তোলপাৰ হৈ থকা অসমীয়া সমাজৰ পৰা। যিসকল পুৰুষে এই ভাষাক মহিমাময়ী কৰিছিল সেইসকল তেতিয়াৰ সমাজৰ লগত ক্ষীৰণীৰবৎ সংশ্লিষ্ট আছিল। সমাজৰ এটা বিৰাট অংশৰ লগত সেই সকলৰ সম্বন্ধটো তৈল-জলবৎ লগা-নলগা বিধৰ নাছিল। সেইদেখি সমাজাশ্ৰয়ী ভাষাকেহে সেইসকলে চিনি পাইছিল, ভাল পাইছিল আৰু তাৰ অন্তৰ্নিহিত মহিমাৰো ওৰ পাইছিল। সংস্কৃতৰ ওপৰতে নিভৰ আশ্ৰয় কৰা হলে আজি আমি এই নিচিনা এটা সমৃদ্ধিশালিনী ভাষাৰ উত্তৰাধিকাৰী হব নোৱাৰিলোহেঁতেন।

এইবোৰ কাৰণতে অসমীয়া ভাষাৰ শব্দ ভাণ্ডাৰ মেটমৰা। একোটা অৰ্থ বুজাবলৈ দেখাৰা শব্দ আছে। মূল অৰ্থৰ সূক্ষ্ম প্ৰভেদবোৰ প্ৰকাশ কৰিব পৰাকৈও বিভিন্ন শব্দ কথা বতৰাত ব্যৱহাৰ কৰা হয়। পৰণি লেখকসকলে সেইবোৰ প্ৰভেদ মানি শব্দবিলাকৰ ব্যৱহাৰ কৰিছিল। পুৰণি কবিসকলে ব্যৱহাৰ কৰা বহুত শব্দ আজি অপ্ৰচলিত হ'ল, কিন্তু ঠিক সেই অৰ্থ বুজাব পৰা নতুন শব্দও নোলাল, দুটা বা তিনিটা শব্দেৰে বৰ্ণনামূলক প্ৰকাশভঙ্গীৰ আশ্ৰয় লব লগা হৈছে। উদাহৰণৰূপে 'সন্ধুক' এই ক্ৰিয়াৰ ব্যৱহাৰ আজিকালি নাই। সন্ধুক মানে পুনৰ চেতন পোৱা, মূৰ্চ্ছা ভগা (সন্ধুকি যেন শেনগোট উঠি। মাৰিলা কৃষ্ণক ঝাৱনে মুঠি। কংসবধ) আদি এটা ধাতুৰ ৰূপেৰে সেই ভাব বুজোৱা ধাতুৰ ব্যৱহাৰত নাই। এইদৰে

অসংখ্য শব্দ লোপ পোৱাদিয়ে পালে আৰু কিছুমান লোপ পালেই।

অসমীয়া শব্দবৈভৱ সম্বন্ধে দুটা উদাহৰণ দিয়া উচিত হ'ব। 'বহুত' এই অৰ্থ বুজোৱা কিমান শব্দ আছে চাওক। এই শব্দ বিলাকৰ মূল অৰ্থ 'বহুত', কিন্তু সূক্ষ্ম প্ৰভেদ নোহোৱা নহয়। সেইবোৰ ক'ত কেনেকৈ ব্যৱহাৰ কৰিব লাগে নিপুণ লেখকে জানে।

(১) বহুত, ঢেৰ, দেধাৰ, দেখৰ দেখৰমান সৰহ, বিস্তৰ প্ৰচুৰ, বেছি, অনেক, অসংখ্য, অলেখ, অপ্লাবিত, 'ভালেমান, ভালেটি, ভালেখিনি, উভৈনদী, ওগাইৰহ, ওৱাদানি, হেজাৰ-বিজাৰ দামা-দামি ইত্যাদি। ইয়াৰ লগতে ক্ৰিয়াবিশেষণ ৰূপে ব্যৱহৃত হোৱা শব্দবোৰ লগ লগালে তালিকাখন আৰু দীঘলীয়া হয় যেনে—পাচিয়ে-পাচিয়ে, হোৱা-হোৰে, হেজাৰ ভাৰে, ওনাওনে, সোপাসোপে ইত্যাদি ।

আকাৰত ডাঙৰ বুজোৱা শব্দ—

বৃহৎ, বিশাল, বিপুল, আদি শব্দৰ উপৰিও ডাঙৰ, বৰ, বিয়াগোম (গছ, সাপ আদিত) ধেদঙা, হতঙা (মানুহত)

'অকামিলা' অৰ্থ বুজোৱা শব্দ—

অকামিলা, অকৰ্মণ্য, অলগন্ধ, অপাত্ৰ, আলাবাদু, আলাই-আবৰী (স্ত্ৰী) লাবাং, অজগৌ, থুপৰী (স্ত্ৰী) ইত্যাদি

এফালে ঢালখোৱা এই অৰ্থ বুজাবলৈ—

এঢলীয়া, আওঢলীয়া, আওগৰীয়া, হেৰেমগৰীয়া, এচলীয়া, হেলনীয়া, একতীয়া, হামোকাখোৱা ইত্যাদি ।

শীঘ্ৰাৰ্থত —ক্ৰিয়াবিশেষণ

শীঘ্ৰে, সোনকালে, ততালিকে, তৎকালে, তৎক্ষণে, তৎক্ষণাৎ, নিমিষত, সাউত কৰে, ততাতৈয়াকৈ, খপহ কৰে (কামত), টপৰাই (কোৱাত) ইত্যাদি। ইয়াৰ লগতে চাওঁতে চাওঁতেই, চকুৰ পচাৰতে আদিবো উল্লেখ কৰিব পাৰি।

এই শব্দবিলাকৰ মূল অৰ্থতো একে হলেও অৰ্থত সূক্ষ্ম প্ৰভেদ আছে। অৰ্থৰ সূক্ষ্ম প্ৰভেদবোৰৰ দ্যোতনা দিব পৰা ক্ষমতা যি ভাষাত নাই বা থাকিলেও নিচেই কম সেই ভাষাই দুখীয়া। অসমীয়া ভাষাৰ একাৰ্থ আৰু নানাৰ্থ শব্দবোৰৰ এখন বৃহৎ অভিধান হ'ব। সেইবোৰ ভাষাৰ ডাঙৰ সম্পদ তাক কদাপি হেলা কৰা উচিত নহয়।

আমাৰ ভাষাৰ প্ৰকাশ-ক্ষমতাৰ নমুনা স্বৰূপে বিশেষ বিশেষ বিশেষণবোৰলৈ আঙুলিয়াব পাৰি। আমাৰ বিদ্যা-বুদ্ধিৰে যিমানখিনি জানো ভাৰতীয় ভাষাৰ ভিতৰত অসমীয়া ভাষাৰ বৈশিষ্ট্যবোৰৰ ভিতৰত ইও এটা।

ৰঙলা হিন্দী আদি ভাষাত এনে বিচিত্ৰ অৰ্থভেদ দ্যোতক বিশেষণবোৰ সাহিত্যৰ ভাষাত দেখা নাই। বহুত গুণ বা কৰ্মৰ অতিশয়তা বুজাবলৈ বেলেগ বেলেগ শব্দৰ ভঁড়ালেৰে অসমীয়া ভাষা সমৃদ্ধ আৰু নৈপুণ্যপূৰ্ণ। উদাহৰণৰূপে দুই চাৰিটাৰ উল্লেখ কৰা হল।

ধুম-কলা, গভাইত চোৰ, ডাল দৰিদ্ৰ, দিন-ডকাইত বিয়াগোম সাপ, আলৰ বুঢ়া, চুনচাট টেঙা, চেৰেমা গোবাদ, ব্ৰহ্মাণ্ডৰ তিতা, খধা মূৰ্খ, গোকাত মিছা, দোপাত কানীয়া, আও পুৰণি, কৌটি-কলীয়া ইত্যাদি।

এই ধুম, ভগাইত, চেৰেমা, গোকাত আদি অতিশয়তাজ্ঞাপক বিশেষণ বোৰৰ নিজৰ আচুতীয়া বিশেষ্য আছে। আন ভাৰতীয় ভাষাত এনে ধৰণৰ শব্দ-বৈচিত্ৰ কিমাণ আছে নাজানো।

সেইদৰে এটা বা এগোট বা নিৰ্দিষ্ট অৰ্থ বুজোৱা শব্দও বস্তুৰে বস্তুৰে পৃথক। বিভাষী লোকৰ কাৰণে এইবোৰ উজুটি খোৱাৰ স্থল। যেনে লোন এজেৰা, চাকি এখৰ, গছ-এজোপা, জুই একুৰা, পানীটুপি। নিৰ্দিষ্ট অৰ্থ বুজাবলৈ লোণ জেৰা, চাকিখৰ ইত্যাদি ৰূপ ব্যবহাৰ অসমীয়া ভাষাত বৈশিষ্ট্য আৰু বৈভৱ।

এইখিনি ভাতৰ পিটিকি চোৱা চাউলৰ নিচিনা কেইটা মানহে। অসমীয়া ভাষাৰ অষ্টনিধিৰ ভাণ্ডাৰ এনেধৰণৰ বৈশিষ্ট আৰু বৈভৱৰ লেখ দিবলৈ গলে সৰু-সুৰা এখন গ্ৰন্থই হ'ব।

প্ৰবাদ বা প্ৰবচন বাক্য খণ্ডবাক্যবোৰেও ভাষাৰ পুষ্টিশালিতাৰ পৰিচয় দিয়ে। এটা সুপুষ্ট ভাষা হলেহে খণ্ডবাক্য (idiom) আৰু প্ৰবাদ-বাক্য বিলাকৰ উদ্ভৱ হয়। এটা কৰ্মমুখৰ বৈচিত্ৰ্যশালী জাতীয় জীৱনত বিভিন্ন শব্দৰ উদ্ভৱ হবই, কিন্তু তাৰ উপৰিও জীৱনৰ নানা দিশৰ অভি-জ্ঞতা বিলাকেও খণ্ড-বাক্য আৰু প্ৰবাদবাক্যৰূপে ভাষাৰ পুষ্টি সাধন কৰে। সেইবোৰে মনৰ ভাবৰ জেউতি চৰাই কৰৰ কাৰণে সমল দিয়ে। এই বাক্যবিলাক কাৰো পৰা ধাৰ কৰা নহয়—ইয়াৰ কোনোবা এজন প্ৰথম বক্তাও নাই, বা আছিল যদিও তেওঁনো কোন জনাৰ উপায় নাই। খণ্ড-বাক্য আৰু প্ৰবাদবাক্যবিলাক ভাষা নদীৰ তৰঙ্গ-স্বৰূপ। অসমীয়া ভাষাৰ এনে বাক্যবোৰ গোটেই অসমতে চলাথ কৰিলে হেজাৰে বিজাৰে ওলাব। অলপতে প্ৰকাশিত হোৱা ডঃ সৰ্বেশ্বৰ ৰাজগুৰে সংগ্ৰহ কৰা 'অসমীয়া প্ৰবাদ' নামৰ গ্ৰন্থত ছয় হেজাৰ মান যোজনা, পটন্তৰ খণ্ডবাক্য সন্নিবিষ্ট হৈছে। সংগ্ৰাহকে নিজেই কৈছে যে, অসমীয়া প্ৰবাদ বাক্যৰ প্ৰকাশিত হোৱাখিনি একাংশহে। সংগ্ৰহৰ ব্যাপক আয়োজন কৰিলে এই সংখ্যা

ভালেখিনি বাঢ়িব। যেনেহলে এই দিশতো আমাৰ ভাষাই পৃথিবীৰ উন্নত ভাষাৰ লগতো ফেৰ মাৰিব পাৰিব। অকল ফেৰহে মাৰিবনে, বহুত ভাষাতকৈ আগশাৰিত স্থান লব।

এই খণ্ডবাক্য আৰু প্ৰধান বাক্যবোৰত একো একোটা ঐতিহ্য আৰু তাৰ সহচাৰ্যৰ কোশ আছে। কেতিয়াবা একোটা শব্দয়ো নিজৰ চাৰিওপিনে এনে কোশ ৰচনা কৰিছে আমাৰ বাগ্-ভাণ্ডাৰত স্থান লৈ আছে। সেইবোৰ নজনাৰ দোষত কেতিয়াবা তাৰ ৰস পাবলৈ পাছৰ চাম লোক সমৰ্থ নহয়, কেৱল স্থূল অৰ্থতো গ্ৰহণ কৰিয়েই ক্ষান্ত থাকে। দুটামান খণ্ডবাক্য আৰু প্ৰবাদবাক্যৰ নমুনা দিলে কথাষাৰ পৰিস্ফুট হব।

অষ্টম দৰিদ্ৰ—অষ্টম দৰিদ্ৰ বুলিলে অতি দুখীয়া। এই অৰ্থতো সকলোৱে জানে। অষ্টম মানে অতিশয় কেনেকৈ হ'ল এই কথা কিজানি বহুতে নাজানে। 'দৰিদ্ৰাষ্টক' নামৰ আঠটা স্তবকৰ সংস্কৃতত এটি অষ্টক-কবিতা, আছে। এই অষ্টকৰ আঠটা শ্লোকত আঠ শ্ৰেণীৰ দৰিদ্ৰৰ বৰ্ণনা দিয়া হৈছে। প্ৰথম শ্লোকত বৰ্ণনা কৰা খিৰ দৰিদ্ৰতকৈ দ্বিতীয় শ্লোকত কৰা শ্ৰেণী আৰু বেছি দৰিদ্ৰ। এইদৰে সৰ্বশেষত অষ্টম শ্লোকত বৰ্ণিত দৰিদ্ৰজন সৰ্বাধিক, ছালহিগা ভিকহু। তেওঁৰ সম দুখীয়া আৰু হ'ব নোৱাৰে। অষ্টম দৰিদ্ৰ বোলোতে দৰিদ্ৰষ্টকত বৰ্ণিত অষ্টমজন দৰিদ্ৰৰ নিচিনা এই অৰ্থ আছিল। এতিয়া মানুহে দৰিদ্ৰাষ্টকৰ সাহচাৰ্যৰ কথাষাৰ পাহৰি গৈ কেৱল অতিশয় এই পৰ্য্যৱসিত অৰ্থটোহে জানে। একালত দৰিদ্ৰাষ্টক, গঙ্গাষ্টক আদি অষ্টকবোৰ শিক্ষিত বা অৰ্দ্ধশিক্ষিত অসমীয়া মানুহৰ মুখে মুখে আছিল।

আভোকৰ ন মুঠি-দহ মুঠিৰে একঠা হয়, সেৰৰ জোখেৰে আধাসেৰ। সৰহকৈ খাব পৰা মানুহেহে একঠা চাউলৰ ভাত খাব পাৰে। পাছে কোনোবা অতিথিয়ে পাগ জুৰি লৈ ভোক নাই ভোক নাই বুলিও ন মুঠি চাউল বান্ধিবলৈ লয় আৰু খায়। আভোক বুলিও একঠাৰ এমুঠি কম ন মুঠি খায়। সেই জন অতিথিয়ে ভোক থাকিলে বা কিমানখিনি খায়। তাকে কোৱা হয় 'আভোকৰ ন মুঠিয়েই আটিছে'। বিপদ কম থাকোতেই ডাঙৰ বিপদৰ কথা সোঁৱৰাই দিওঁতে এনে প্ৰবাদবাক্য প্ৰয়োগ কৰা হয়।

গোটা শব্দবোৰৰো গুৰি-গোষ্ঠী জনা থাকিলে প্ৰয়োগ সবল হয় আৰু ভাষাৰ দ্যোতনা শক্তি বাঢ়ে। একোটা শব্দতে কদম্ব-কেশৰৰ নিচিনাকৈ একোটা ঐতিহ্য লিপিট খাই থাকে। সেই ঐতিহ্যৰ সাহচৰ্যতহে কৰ খোজা কথাষাৰ সমুজ্জ্বল হৈ উঠে। আটাইবোৰ শব্দতে যে ঐতিহ্য

সাহচর্য থাকে এনে নহয়, কিন্তু কিছুমানত থাকে। যেনে 'জ্বৰে এৰিলেও পৰকিতিয়ে নেৰে' এই পৰকিতি শব্দটো প্ৰকৃতিৰ পৰা অহা। আয়ুৰ্বেদত প্ৰকৃতি বুলিলে ৰোগৰ লক্ষণকো বুজায়। জ্বৰ গলেও তাৰ লক্ষণ কাহ, মুৰ-কামোৰণি আদি থাকি যায়। সেই কথাকে অনুৰূপ অৱস্থাত লগাই দৃষ্টান্তৰূপে উপস্থাপিত কৰা হয়। পৰকিতি শব্দটোৰ মূল আয়ুৰ্বেদ শাস্ত্ৰৰ। অৰ্থটো জনা নাথাকিলে এই প্ৰবাদ বাক্যৰ আচল মৰ্ম বুজা নাযায়। সেই দৰে বিষম, বিধাৰণ এই দুটা শব্দৰ অৰ্থও আয়ুৰ্বেদীয় তত্ত্বৰ ওপৰত প্ৰতিষ্ঠিত। বায়ু, পিত্ত, কফ এই ত্ৰিধাতু সাম্য হৈ থাকিলে শৰীৰ সুস্থ হৈ থাকে; তাৰ কোনোবা এটাৰ দুটাৰ বা তিনিওটাৰ আধিক্য বা কোনো-বাটোৰ ন্যূন্যতা ঘটিলে শৰীৰ অসুস্থ হয়। ত্ৰিধাতুৰ সাম্যাৱস্থা নষ্ট হৈ বিষমাৱস্থা আহে। সেই দেখি অসমীয়া মানুহে গা বেয়া হোৱাক গা বিষম হোৱা বুলি কয়। সেই নিচিনাকৈ গা বিধাৰণ বুলিলেও ত্ৰিধাতুৰ ধাৰণ বা ধৃতি নথকা বৈষম্য অৱস্থাকে বুজায়।

এইবোৰ চিন্তা কৰি চালে ওলাই পৰিব যে অসমীয়া ভাষাটোৰ মহিমা অপাৰ। উনৈশ শতিকা আৰু কুৰি শতিকাৰ খ্যাতিমান লেখকসকলে এই মহিমা বুজি পাইছিল। সেইসকলে সেই মতে নিজৰ ভাষাক শক্তিমতী কৰি লিখিবও পাৰিছিল। নতুন নতুন শব্দও গঢ়িছিল। পৰভাষাৰ পৰা ধাৰ কৰা বা ইংৰাজীৰে অনুবাদমূলক শব্দই তেওঁবিলাকক সন্তোষ দিব নোৱাৰিছিল। উপযাচি অসমলৈ অহা শব্দকো সেই লেখকসকলে যথে-মধে গ্ৰহণ নকৰিছিল। আজি আমি ব্যৱহাৰ কৰি থকা বহুত শব্দ আৰু ভঙ্গী উনবিংশ, বিংশ শতিকাৰ আগছোৱাৰ লেখকসকলে আমালৈ এৰি থৈ যোৱা। এই সকল লেখক ভাষা সম্বন্ধত ৰক্ষণশীল আছিল; থাকিলেও সেই ৰক্ষণশীলতাই ভাষাক দুৰ্বল কৰা নাছিল। পুৰণি সংবাদ পত্ৰ আৰু মাহেকীয়া কাকতে যুগৰ ভাব আৰু কাৰ্য বুজাবলৈ বহুত পুৰণি শব্দক নকৈ গঠন কৰিছিল। সাহিত্যৰ বিভিন্ন বিভাগত ইংৰাজী আৰু বঙ্গদেশৰ প্ৰভাৱ পৰিছিল, কিন্তু ভাষা নিজ মহিমাৰেই মহীয়ান হৈছিল।

আজিকালি অসমীয়া সাহিত্যত ব্যৱহৃত হোৱা ভাষাৰ পূৰ্বৰ সৃষ্টি শালিনী শক্তি আছে নে নাই? নিজৰ ভাষাৰ সম্পদখিনিৰ যথাযথ প্ৰয়োগ কৰা হৈছে নে নাই তাক ভাবি চালে উপকাৰ হব। আজিকালি বিজ্ঞানৰ পঠন-পাঠনৰ সুবিধাৰ কাৰণে ভালেমান বিদেশী শব্দ গত্যন্তৰ হৈ আমি গ্ৰহণ কৰিব লগা হৈছোঁ। নতুন শব্দৰ নিৰ্মাণ কৰিছো। ভালে কেইটা-মান পুৰণি শব্দকো বৈজ্ঞানিক মৰ্যাদা দান কৰিছোঁ। এইটো অপৰিহাৰ্য্য

ভাষাকৰ্ম। প্ৰকাৰান্তৰে পাৰিভাষিক শব্দবোৰ জাতিটোৱে একমতেৰে চুক্তি কৰি গ্ৰহণ কৰাৰ নিচিনা। এইবোৰ শব্দই জ্ঞানৰ বিভিন্ন দিশত আগবাঢ়িবলৈ আমাক সুবিধা দিব আৰু অদূৰ ভৱিষ্যত আমাৰ ভাষাৰ প্ৰকাশ-শক্তিও বঢ়াব।

সাহিত্যৰ আন বিভাগবোৰত গল্প, উপন্যাস, বুৰঞ্জী, সংবাদপত্ৰ আদিৰ ভাষাত বৰ্তমান যুগৰ লেখকসকলৰ উদ্ভাৱনী প্ৰতিভাতকৈ সমাহৰণ বৃত্তিৰ পৰিচয়হে বেছিকৈ পোৱা যায়। আগৰ চাম লেখকে পুৰণি শব্দকে লৰচৰ কৰি লৈছিল বা নতুন অৰ্থবোধৰ উপযোগী কৰি লৈছিল। ইংৰাজীৰ পৰা অনুবাদ যে তেখেতসকলে নকৰিছিল এনে নহয়, কিন্তু সেই ইংৰাজী অনূদিত শব্দ আৰু ভঙ্গীবোৰ হাতত সাৰে ভৰিত সাৰে সোমোৱাদি সোমাইছিল। লিখিবৰ সময়ত অতৰ্কিতে ইংৰাজী চৰ্চাৰ প্ৰভাৱত কলমৰ আগত আহিপৰা কিছুমান শব্দ আৰু ভঙ্গী আমি যে নাপাওঁ এনে নহয়। সেইবোৰৰ প্ৰৱেশ চোৰাং। জানি শুনি শব্দৰ অভাৱত বা মোহত পৰি কৰা ইংৰাজী শব্দৰ আৰু বচন-ভঙ্গীৰ অনুবাদ নহয়। গুণাভিৰাম বৰুৱাৰ লেখনীতো অতৰ্কিতে ইংৰাজী ভঙ্গীৰ অনুবাদ ওলাই পৰিছিল এনেবোৰ বাক্যত—তেওঁ কুইনাইন ললে (আনন্দৰাম), "লৰা-ছোৱালী কিটাৰ সাৱধান লবা"। এই দুয়োটা বাক্যৰে যে ৰূপটো গুৰিতে to take quinine আৰু to take care of the children আছিল আৰু সেয়ে কব নোৱাৰাকৈয়ে অসমীয়া সাজ পিন্ধিলে তাক পঢ়া মাত্ৰেই ধৰিব পাৰি। এইদৰে বিচাৰিলে বহুত ওলাব, কিন্তু সেইবোৰ ইংৰাজীৰ মোহত বা গুণত মুগ্ধ হৈ তাৰ যথাযথ বা অনুবাদ ব্যৱহাৰ কৰিছিল এনে নহয়। এইবোৰ অজ্ঞাতকৃত প্ৰয়োগ।

কিন্তু বৰ্তমান চামৰ লেখকসকলে ইংৰাজী শব্দৰ ব্যৱহাৰ জানি শুনি কৰো বুলি কৰে। তাৰ ভাবাৰ্থদ্যোতক প্ৰতিশব্দ এটাই তেওঁলোকৰ মনত সন্তুষ্টি দান কৰিব নোৱাৰে। অতৰ্কিতে আমাৰ লেখাত ইংৰাজী ভঙ্গীৰ অনূদিত অসমীয়া ৰূপ যে কিমান সোমাইছে তাৰ লেখ-জোখেই নাই। কেতিয়াবা শব্দটোৰ সৌন্দৰ্য আৰু দ্যোতনা-শক্তিত মুগ্ধ হৈ অসমীয়াতো তেনে একোটা শব্দ লাগে বুলি অনুভৱ কৰি আজিকালি আমি সংস্কৃতমূলক বা সংস্কৃতি শব্দৰ সহায়তা লৈ অনুবাদ কৰি আমাৰ ভাষাত ব্যৱহাৰ কৰোঁ। উদাহৰণ স্বৰূপে নব-দিগন্ত বা নতুন দিগন্ত, আদি প্ৰয়োগলৈ লক্ষ্য কৰিব। এইটো এটা আকৰ্ষণীয় আৰু অৰ্থদ্যোতক

২১

লাক্ষনিক শব্দ। পাছে ইয়াৰ মূল ইংৰাজী new horizon। আগৰ অসমীয়াত বা সংস্কৃতত এনে প্ৰয়োগ নাছিল। এইটো হ'ল জানি শুনি বিচাৰি অনা শব্দ, কিন্তু আমি যেতিয়া লিখো 'সেই বিয়াত কোনেও যোগ নিদিলে' তেতিয়া তাত ইংৰাজীৰ to join the marriage ceremony ইংৰাজী ভঙ্গীটোৰ চোৰাং প্ৰবেশৰ উমান পাওঁ। অসমীয়া মানুহে বিয়ালৈ গৈছিলহে যোগ নিদিছিল। এনে ধৰণৰ শব্দ আমাৰ ভাষাত বাঢ়ি গৈ আছে। অনস্বীকাৰ্য শব্দটো আজিকালি হোৱাই নোহোৱাই প্ৰয়োগ কৰা দেখা যায়। ইয়াৰো মূল ইংৰাজী undeniable পাছে এই শব্দটো ইংৰাজীৰপৰা পোনে পোনে অসমীয়ালৈ অনূদিত হোৱা নাই, ই আহিছে বঙলা ভাষাৰ মাজেদিহে।

সাহিত্য সমালোচনাৰ বেলিকা অসমীয়া ভাষাত আৰু ঠাঁচত ইংৰাজী আৰু বঙলাৰ প্ৰভাৱ সকলোতকৈ বেছি। সাধাৰণ পাঠকে আজিকালিৰ সমালোচনাৰ ভাষা স্থলবিশেষে বুজিবলৈ টান পায়। পাঠকৰ পাত্ৰতাৰ অভাৱেই নুবুজাৰ কাৰণ বুলি কব নোৱাৰি। অত্যাধিক ৰূপে পৰ-ভাষাৰ গাত আউজিবলৈ যাওঁতে লেখকৰ নিজৰ ব্যক্তিত্বও ছায়াঘন বা ছায়ামূৰ্তি হৈ পৰাটো স্বাভাৱিক। হলেও এইবিলাক শব্দ এতিয়া আচহুৱা আৰু অস্পষ্ট যেন লাগিলেও পুনঃপৌনিক প্ৰয়োগে কালত তাৰ আচহুৱা অস্পষ্ট ভাব নাইকিয়া কৰিব আৰু অসমীয়া 'খাঁচ' সম্পদৰূপেই পৰিগণিত হব পাৰিব। পাছে এই অভ্যাসৰপৰা এটা বিপদ ঘটাৰো সম্ভাৱনা আছে।

ঋণ বৃত্তিয়ে অসমীয়া লেখকৰ মনত যদি ঘৰকৈ গা কৰে তেনেহলে নিজ ভাষাৰ সম্পদলৈ হেলা ওপজাৰ সম্ভাৱনা আছে। পুৰণি শব্দ, ভঙ্গিতাক নেওচি হাততে পোৱা লোকৰ বস্তুৰে কাম সাধিবলৈ যাওঁতে দৰিদ্ৰ হোৱাৰ শংকাও থাকে। বুজাবুজি কথাষাৰ বাদ দি বঙলা বুজাপৰা শব্দ ব্যৱহাৰ কৰাৰ কোনো হেতু নাই। 'মৰো জীওঁকৈ' বুলিলেই যেতিয়া হয় তেতিয়া 'মৰিয়া হৈ' এই বঙলা ভঙ্গীটো কি দুখত লিখিব লাগে?

আমাৰ অসমীয়া খণ্ডবাক্য আৰু প্ৰবাদ বাক্যৰ অভাৱ নাই, বৰং উভৈনদী; এনে ক্ষেত্ৰত ইংৰাজী খণ্ডবাক্য বা প্ৰবাদবাক্যৰ অসমীয়া অনুবাদ কৰিবলৈ ললে আমাৰ নিজস্ব বস্তুবোৰ মামৰে ধৰি নষ্ট পোৱাৰ আশংকা থাকে। তদুপৰি 'মেকুৰী জোলোঙাৰপৰা ওলাল' বা 'মেকুৰীৰ ডিঙিত টিলিঙা অঁবা' এনে ধৰণৰ ইংৰাজীৰপৰা অনুবাদ কৰা প্ৰবাদবোৰৰ গুৰিতে সেই দেশত চলা সাধু কথা। বিৰাল-তপস্বী, বক ধাৰ্মিক, পুনৰ্মুষিক

এইবোৰৰ গুৰি আমাৰ দেশৰ সাধু কথা। সাধু কথাৰ সাহচৰ্যৰ কাৰণেহে বাক্য কেইষাৰ অৰ্থ প্ৰকাশক হৈছে। আমাৰ জাতীয় স্মৃতিত বিদেশী সাধুকথাৰ কোনো সংস্কাৰ নাই। তেনে স্থলত এই বাক্যবিলাকেও ইংৰাজী নজনা অসমীয়া মানুহৰ মনত প্ৰভাব পেলাব নোৱাৰে। কেৱল ইংৰাজী জনা মানুহলৈকেহে আমি অসমীয়া ভাষা নিলিখোঁ। এইষাৰ কথাও আমাৰ লেখকসকলে মনত ৰাখিব লাগে।

লিখিত ভাষাৰ আৰু কোৱা ভাষাৰ ব্যৱধান বৰ বেছি হোৱা উচিত নহয়। এই কথা সকলো ভাষাৰ ওস্তাসকলে স্বীকাৰ কৰে। সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱায়ো তেখেতৰ সাহিত্য সভাৰ অভিভাষণত এই নীতিটো স্পষ্টভাষাৰে ঘোষণা কৰিছিল। তেখেতে লিখিছিল "ভাষাত অকল শিক্ষিতৰ আধিপত্য নৰজে, ই জনসাধাৰণৰ সম্পত্তি....যি জাতিৰ সাহিত্য কোৱা ভাষাৰপৰা যিমান নিলগ হৈ যায় সেই জাতিৰ জাতীয় জীৱন সিমান ক্ষীণাবলৈ ধৰে আৰু অন্তত কেতিয়াবা তাৰ অস্তিত্বও লোপ পায়গৈ।" এই মতকে দঢ়াই বৃদ্ধ বয়সতো তেখেতে কৈছিল "কথিত আৰু লিখিত ভাষা একে হোৱাটো সাহিত্যৰ ভাল লক্ষণ বুলি মোৰ বিশ্বাস।"

পাছে কথিত ভাষাৰ আৰু লিখিত ভাষাৰ ঠগ অলপ নহয় অলপ বেলেগ হবই। বিষয় অনুসৰিও ভাষাই আচহুৱা সাজ পিন্ধিবলৈ বাধ্য হয়। কিন্তু সেই বুলি যাৰ কাৰণে লিখা হয় তেওঁলোকে যদি লিখিত ভাষাটো পঢ়াত আৰু বুজাত বেছি ধৈৰ্য অৱলম্বন আৰু বুজিবলৈ শ্ৰম কৰিবলগীয়া হয় তেনেহলে লেখকৰ উদ্দেশ্য কিছু পৰিমাণে বাধাগ্ৰস্ত হয়। আজিকালিৰ লিখিত অসমীয়া ভাষাটোৱে তেনে এটা গতি লৈছে নেকি চিন্তা কৰি চাবৰ সময় হৈছে। আন বিধ কেইটাৰ কথালৈ নগৈ অকল উপন্যাসৰ কথাকে যদি ধৰোঁ তেনেহলে এই কথাৰ অলপ তত্ত্ব ধৰিব পাৰিম। জন-জীৱনৰ লগত উপন্যাসৰে এটাইতকৈ ঘনিষ্ঠ সম্বন্ধ আৰু সেই বাবে ইয়াৰ ভাষাও জনজীৱনৰ ওচৰ চপা বিধৰ। সাহিত্যৰ এনে বিভাগৰ যদি দুটা দৃষ্টান্ত লওঁ তেনেহলেই আমাৰ বিষয়টো পৰীক্ষা কৰি চোৱা সুবিধা হব। ইংৰাজী শিক্ষা নোপোৱা এজন অসমীয়া পাঠকে মনোমতী উপন্যাসৰ ভাষাৰ ক্ষেত্ৰত কতো ধমক খাব লগা নহয়। কিন্তু একেবাৰে এই দশকত লিখা এনে কিছুমান উপন্যাস বা চুটি গল্প আছে। যিবোৰৰ পাতে পাতে অসমীয়া সাধাৰণ শিক্ষিত লোকে আহুকাল বোধ কৰিব। উপন্যাসতে যদি এনে দশা হয় তেনেহলে আন কেইবিধ সাহিত্যত ভাষাই বেছিকৈহে আমনি কৰিব।

উনৈশ শতিকাৰ শেহৰ ফালৰ লেখকসকলৰ কাপত অসমীয়া ভাষাত যিমান নতুন শব্দ বা ভঙ্গী আপোন সম্পদেৰেই সৃষ্টি হৈছিল কুৰি শতিকাৰ মাজ ভাগৰপৰা শব্দৰ ক্ষেত্ৰত সেই সৃজনী শক্তি ক্ষীণ হৈ আহিছে। আমি আগতে কৈ আহিছো আমাৰ এই দুৰ্বলতাৰ কাৰণ হাততে পালে পৰৰপৰা লৈ কাম সধাৰ মনোবৃত্তি, নিজ ভাষাৰ সম্পদ সৌষ্ঠৱৰ প্ৰতি মনোযোগিতাৰ অভাৱ ।

সবাতোকৈ ওপৰ কথা হৈছে নিজ ভাষাটোৰ মহিমা উপলব্ধি কৰা । প্ৰত্যেক ভাষাৰ একোটা স্ব-মহিমা থাকে । তাক যিজনে জানে আৰু জানি আয়ত্ত কৰে তেওঁহে ভাষাৰ উদ্গতিত এহেচোক দিব পাৰে । পাছে সেই মহিমা চিনি পাবলৈ হলে সেই ভাষাত কথা কোৱা মানুহবিলাকৰ লগত এটা নিবিড় সম্বন্ধ ঘটাব পাৰিব লাগিব । অসমৰ জনসাধাৰণৰপৰা আঁতৰত থকা বা কাষতে থাকিও মিলিব নোৱাৰাজনে সেই মহিমা উপলব্ধি কৰা কথাষাৰ টান কথা। অকল মানুহেই নে ? অসমৰ চাৰিওফালৰ প্ৰকৃতিখনৰ লগতো ঘনিষ্ঠ পৰিচয় লাগে, কাৰণ অসমৰ প্ৰকৃতিয়ে অসমীয়া ভাষাক স্বৰূপ গ্ৰহণ কৰোতে অশেষ অৱদান আগবঢ়াইছে । অসমৰ গাৱঁত আৰু হাবিত কিমান ধুনীয়া ধুনীয়া চৰাই আছে, কিমান প্ৰকাৰৰ গছ-গছনি ফল-ফুল আছে, আজিকালি আমি সেইবোৰ চিনি পাও চাবি নামকে নাজানো। অসমীয়া জীৱন-ধাৰা, ভাব-কৰ্ম এইবোৰৰ কথাও আজিৰ নবযুবক এজনে সুধিলে বহুত কথাৰে উত্তৰ দিব নোৱাৰে। এনে স্থলত অসমীয়া ভাষাটোৰ মণিমুক্তা বিচাৰিলে আমি ক'ত পাম । নিজ ভাষাটোৰ মহিমা বিভূতি অকল কিতাপ পঢ়িয়ে পাব নোৱাৰি ভাষাটো কোৱা লোকৰ জীৱন সান্নিধ্য আৰু তেওঁবিলাকৰ চঁউপাশৰ প্ৰকৃতিয়েহে সেই মহিমাৰ সন্ধান দিব পাৰিব। এই দিশত বৰ্তমান লেখকসকল যিমান সজাগ হয় সিমানেই আমাৰ ভাষা আৰু সাহিত্যৰ মঙ্গল হ'ব ।

———

অসমীয়া ভাষাতাত্ত্বিক আলোচনা

শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য

ভাষা-চৰ্চ্চাৰ পটভূমি :

ভাষা মানুহে কয় : চৰাই-চিৰিকতি, জীৱ-জগতৰো নৰেতৰ-বানৰ, বিহঙ্গম, জলচৰ, স্থলচৰৰ মাজত তাৰতম্য ভেদে উচ্চাৰিত আৰু কথিত ভাষা, আবেগ সঞ্চাৰী ইঙ্গিত সূচক ভাষা, সংকেতসূচক ধ্বনি-উপধ্বনি, অনুকাৰ ব্যঞ্জক প্ৰকাশক্ৰিয়া চলি আছে। মহাকাশ মহাজগতৰো মহা-ব্যোমত শব্দৰ মহাতৰঙ্গ উৰ্দ্ধধ্বনিত, প্ৰতি-প্ৰতিধ্বনিত হৈ আছে। শব্দ ব্ৰহ্ম, অক্ষৰ ব্ৰহ্ম আদি বৈদিক শব্দৰ শক্তি তথা অভিধা-লক্ষণা ব্যঞ্জনাৰ যুগলৈকে ভাষাতত্ত্বৰ গুৰিগছ বিচাৰি যাব পাৰি। বৈদিক ভাষা-উপভাষা তথা প্ৰকৃতিৰ বুকুতে ভাষাতত্ত্বৰ অন্তৰ্নিহিত নীতি-নিয়মনৰ (Discipline) কিছু বিতৰ্কমূলক, ধৰ্মতত্ত্ব সাপেক্ষ, আধ্যাত্মিক ব্যাখ্যা প্ৰনোদিত উদাত্ত, অনুদাত্ত, স্বৰিত সুৰমানৰ বিশ্লেষণ, পৰ্যালোচনা ভাৰতীয় আৰু অভাৰতীয় পণ্ডিত-গৱেষকে ইতিপূৰ্বে বহুত কৰিছে। বৈদিক আৰু বেদাঙ্গ-উপবেদৰ পিচত মহাকাব্যৰ যুগত আৰ্যদ্ৰষ্টা-ঋষিসকলে জ্ঞানমাৰ্গেৰে শ্ৰুতি-স্মৃতিৰ সীমাৰেখা ভেদ কৰি ব্যাকৰণ, অলঙ্কাৰ শাস্ত্ৰৰ থিবোৰ অভিজ্ঞান-নিৰ্দৰ্শন পৰৱৰ্তী যুগলৈকে এৰি গৈছে—সেইসমূহৰ লেখ-জোখ আমি এতিয়াও পূৰ্ণ বৈজ্ঞানিক পদ্ধতিৰে লব পৰা নাই। তথাপি হেমচন্দ্ৰৰ প্ৰাকৃত ব্যাকৰণ আৰু দেশী শব্দমালা, পানিনিৰ সংস্কৃত ব্যাকৰণৰ গুৰুত্ব, আৰু উপাদেয়তা ভাৰতীয় তথা বিদেশী ভাষাবিদ, ব্যাকৰণকীৰ, ভাষাতাত্ত্বিক তথা ভাষা বৈজ্ঞানিকসকলে বিভিন্ন পৰ্যায়ত ভিন ভিন কাৰণত স্বীকাৰ কৰিছে। আধুনিক ভাষাতত্ত্বক সম্প্ৰতি কালত বিজ্ঞানৰ শাৰীত পেলোৱা

হৈছে। ইয়াৰ ধ্বনিতত্ত্ব, ধ্বনিমান বিচাৰ, প্ৰায়োগিক ধ্বনি বিচাৰ, শব্দ সংখ্যানুক্ৰমিক কাল নিৰূপণ, ৰূপতত্ত্ব, ৰূপমান, অৰ্থতত্ত্ব, অৰ্থমান বিচাৰ, উপ-ভাষাতত্ত্ব (বোলী বিজ্ঞান) আদিৰে ধ্বনি গৱেষণাগাৰত ধ্বনি-চিত্ৰ, সুৰমান, সুৰতৰঙ্গ ৰূপায়ণ আদিত পদাৰ্থ-বিজ্ঞানৰ যান্ত্ৰিক আৰু পৰিসংখ্যা বিজ্ঞানৰ পদ্ধতি, ক্ৰমৰ সহায় লোৱা হয়। বিশেষকৈ মৌলিক আৰু আকৰ্ষিত ভাষা উপ-ভাষাবোৰক ধ্বনিগত লিপিদানৰ বাবে আধুনিক ভাষা-বিজ্ঞানৰ বৰ্ণনাত্মক বিশ্লেষণ মাৰ্কিণ যুক্ত ৰাজ্য, ভাৰত, বৃটেইন আদি দেশত পেৰিছৰপৰা প্ৰচাৰিত আন্তঃৰাষ্ট্ৰীয় ধ্বনিতাত্ত্বিক লিপি সন্থাৰ সঙ্গতি সাপেক্ষে আৱশ্যকীয় পৰিবৰ্তনেৰে প্ৰয়োগ-পৰীক্ষা কৰা হৈছে।

অসমত ভাষাতাত্ত্বিক আলোচনাৰ সূচনা :

অৰুনোদয় যুগৰপৰা অৱাহন যুগৰ কালিৰাম মেধি, বাণীকান্ত কাকতি-লৈকে ৰবিনচন ব্ৰাউন, ব্ৰন্সন, নিকল, আনন্দৰাম ঢেকিয়াল ফুকন, বেণু-ধৰ ৰাজখোৱা, দেৱানন্দ ভৰালী, হেমচন্দ্ৰ বৰুৱা প্ৰমুখ্যে দেশী-বিদেশী পণ্ডিতসকলে গতানুগতিক আৰু সংস্কৃত-ইংৰাজী গদ্ধা-ব্যাকৰণাদৰ্শ ৰক্ষা কৰিহে অসমীয়া ভাষাৰ বৈশিষ্ট্য বখানিছিল আৰু অসমত বঙলা ভাষাৰ আধিপত্য বিস্তাৰ খৰ্ব কৰি অসমীয়া ভাষাৰ স্বাধিকাৰ স্থাপনৰ চেষ্টা চলাই-ছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ আলোচনীত (১৯৫৩) (ডক্টৰ) গোলোকচন্দ্ৰ গোস্বামীয়ে ইংৰাজী ভাষাতে 'লিংগুইষ্টিক ষ্টাডীজ ইন এচামীজ' নামৰ উপাদেয় প্ৰবন্ধ এটি লিখিছিল। গোস্বামীৰ সেই প্ৰবন্ধ-টিৰ সাৰবত্তা আৰু প্ৰায় একুৰি দুবছৰ আগৰ ভাষাতাত্ত্বিক চৰ্চাৰ পৰিবেশ স্বীকাৰ কৰিছোঁ। ১৯৫৪ চনত পুণাৰ ডেক্কান কলেজত স্থাপিত ভাষা-তাত্ত্বিক বিদ্যালয়ৰ যোগেদি নতুনকৈ অনুপ্ৰাণিত হৈ যোৱা কুৰি বছৰত ভাৰত তথা অসমত আধুনিক ভাষা-বৈজ্ঞানিক চৰ্চা-আলোচনা আৰু গৱে-ষণাৰ কিদৰে বিকাশ হৈছে তাৰ কিছু ইঙ্গিত দিবলৈকে ওলাইছোঁ। অসমীয়া ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাক অসমীয়া ব্যাকৰণ আৰু 'হেম-কোষ'ৰ স্ৰষ্টাৰূপে আমি ভাষাতত্ত্বৰ, বিশেষকৈ অসমীয়া ভাষাতাত্ত্বিক চৰ্চা-বহল সম্ভাৱৰত আগশাৰীৰ বৰপীৰা দিব লাগিব। সত্যনাথ বৰা, লোক নাথ শৰ্মা, গিৰিধৰ শৰ্মা আদিৰ ব্যাকৰণ কেইখনো যোৱা তিনি দশকৰো অধিক কাল আমাৰ বিদ্যালয়সুলভ জীৱনৰ পাথেয় হৈ আছে। আধু-নিক ভাষা-বিজ্ঞানৰ অৰ্থেৰে কালিৰাম মেধিৰ গ্ৰন্থৰ স্থান সৰ্বভাৰতীয় তথা

বিদেশী সুধী সমাজত প্ৰামান্য নহলেও বহুত বিষয়ত সেইবিৰ নিজস্ব তথা ক্ষেত্ৰ অধ্যয়ন আছিল। সেই দৃষ্টিৰে ডক্টৰ বাণীকান্ত কাকতি আধুনিক অসমৰ প্ৰথম ভাষা-বৈজ্ঞানিক ৰূপে সৰ্বভাৰতীয় তথা বিশ্বৰ ভাষাৰ ক্ষেত্ৰত সন্মানিত। ডঃ কাকতিৰ গ্ৰন্থখন কিছু পৰিমাণে পৰ্যালোচিত—সমালোচিত হৈছে যদিও আৰু সম্প্ৰতি ডঃ গোলোকচন্দ্ৰ গোস্বামীৰ দ্বাৰা পৰিবৰ্দ্ধিত গ্ৰন্থখনি ভাষাগত তথ্য সংগ্ৰহ, সংকলন, বিশ্লেষণৰ দৃষ্টিৰে চালে কামৰূপী, পোৱালপৰীয়া, নগঞা আদি উপ-ভাষাৰ নিদৰ্শন আৰু পুৰণি সাহিত্যৰ দৃষ্টান্তৰ যথাৰ্থতাৰ বাহিৰে অষ্ট্ৰিক, চীন-তিব্বতীয়, টাই শ্যামীয় ভাষা গোষ্ঠীৰ বেলিকা পোনপটীয়া তথ্য সংগ্ৰহ নিদৰ্শন পৰিচয় আৰু ক্ষেত্ৰ অধ্যয়ন তেনেই অনুষ্টুপীয়া। ডঃ কাকতিৰ পথ অনুসৰণ কৰিয়ে অসমত আৰু গুৱাহাটী বিশ্ববিদ্যালয়ত অলপকৈ হলেও অসমৰ ভিতৰে-বাহিৰে কলিকতা পুণা, উৎকল, মহীশূৰ আদি অন্যান্য বিশ্ববিদ্যালয়, অসম সাহিত্য সভা, বড়ো সাহিত্য সভা, মিচিং কেবাং, কাৰ্বী দৰবাৰ, টিওৱা সন্মিলন, ৰাভা পৰিষদ আদিৰ যোগেদি জনজাতীয় বিবিধ ভাষা-উপ-ভাষা, লোক সাহিত্য আৰু জনকৃষ্টিৰ চৰ্চা আৰু বিকাশ ঘটিছে। সেইবোৰ ভাষাগত চৰ্চা প্ৰায় যোৱা কুৰি বছৰৰ অনুষ্ঠানিক আৰু কোনো কোনো ক্ষেত্ৰত ব্যক্তিগত প্ৰচেষ্টা বুলিবও পাৰি। আগৰ নেফা আৰু এতিয়াৰ অৰুণাচল কৰ্তৃপক্ষৰ যোগেদি সংগৃহীত, সংকলিত আৰু প্ৰকাশিত জন-জাতীয় স্বকীয় গ্ৰন্থবোৰত ভাষা-উপ-ভাষাৰ বিৱৰণ আছে; কিন্তু যুগোপযোগী বৈজ্ঞানিক বিশ্লেষণ নাই বুলিবই পাৰি

দ্বিতীয় মহাৰণৰ পিছৰ ভাষা-চৰ্চা :

ডক্টৰ শ্ৰীসুনীতিকুমাৰ চট্টোপধ্যায়ৰ বঙলা ভাষাৰ "উৎপত্তি গুৰি আৰু বিকাশ" ১৯২৬ খৃষ্টাব্দত গৱেষণা গ্ৰন্থৰূপে প্ৰকাশ পায়: এই ভাষাতাত্ত্বিক বিশ্ব বিশ্ৰুত পণ্ডিতজনাৰ প্ৰেৰণা আৰু তত্ত্বাৱধানত স্বৰ্গীয় বাণীকান্ত কাকতিয়ে অসমৰ জন-জাতীয় তথা আৰ্য ভিন্ন পৰিবেশত "অসমীয়া ভাষা, ইয়াৰ গঠন আৰু ক্ৰমবিকাশ" শিতানত গৱেষণা গ্ৰন্থ লিখি ১৯৩৫ চনত কলিকতা বিশ্ববিদ্যালয়ৰপৰা ডক্টৰেট উপাধি লাভ কৰে আৰু স্বৰূপতে অসমীয়া ভাষাৰ বৈজ্ঞানিক ভেঁটি সৰ্বভাৰতীয় আৰু বিশ্ব সুধী সমাজত প্ৰতিষ্ঠা কৰে। ১৯৪১ চনত ডক্টৰ কাকতিৰ গ্ৰন্থ অসমৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰপৰা প্ৰকাশিত হয়। এই অনুষ্ঠানে সপ্তম দশকত ডক্টৰ উপেন্দ্ৰনাথ গোস্বামী কামৰূপীৰ উপভাষা সম্পৰ্কীয় গৱেষণা গ্ৰন্থ প্ৰকাশ

কৰি এতিয়ালৈকে ভাষা তাত্ত্বিক চৰ্চাৰ পথ আৰু পথেয় সুচল, সহজলভ্য কৰি তুলিছে। ডক্টৰ গোস্বামীৰ কামৰূপী উপভাষা অধ্যয়নৰ প্ৰেৰণা নিশ্চয়কৈ স্বৰ্গীয় কাকতিৰ গ্ৰন্থখনেই। তথাপিও বহুত ক্ষেত্ৰত আৰু বিশেষকৈ প্ৰণয়ন পদ্ধতিত গোস্বামীৰ গ্ৰন্থখন ১৯৫৪ চনত আৰম্ভ হোৱা পুনাৰ ভাষাতাত্ত্বিক বিদ্যালয়ৰ পঠন-পাঠন, গৱেষণা পদ্ধতি, দেশী-বিদেশী পণ্ডিতৰ ভাষাশিবিৰ, ভাষা চৰ্চাৰ সমূহীয়া পৰিণতিৰ এক বিশিষ্ট আঞ্চলিক প্ৰয়োগ। এই বিদ্যালয়ৰ অনুপ্ৰেৰণাতে ডক্টৰ গোলোকচন্দ্ৰ গোস্বামীৰ ৰচিত অসমীয়া ধ্বনিতত্ত্বৰ ইংৰাজীতে লিখা গ্ৰন্থখন তথ্য হলেও বিদেশী গৱেষণা পদ্ধতিৰ প্ৰয়োগ কৰি প্ৰকাশ কৰা হৈছে। ডক্টৰ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্যৰ ৰচিত বড়ো ভাষাৰ গৱেষণা গ্ৰন্থও ভাৰতীয় আৰু লগতে বিদেশী গৱেষণা পদ্ধতিৰ এটি যুটীয়া প্ৰচেষ্টা।

ডক্টৰ গোলোকচন্দ্ৰ গোস্বামীৰ "ধ্বনি বিজ্ঞানৰ ভূমিকা", বৰ্ণ পৰিচয় সম্পৰ্কীয় অসমীয়া গ্ৰন্থ, ডক্টৰ উপেন্দ্ৰনাথ গোস্বামীৰ "ভাষা বিজ্ঞান" আদি অসমীয়া পুথি কলেজ আৰু বিশ্ববিদ্যালয় স্তৰৰ পাঠ্যক্ৰম স্পৰ্শী হলেও, এইবোৰৰ ব্যৱহাৰিক আৰু বৌদ্ধিক মূল্য আছে। অসমীয়া ভাষাৰ ধ্বনি গঠন-প্ৰকৃতিৰ ওপৰত আৰু শব্দ সম্ভাৰৰ ক্ষেত্ৰত ডঃ কাকতিৰ পিছতে ডঃ বিৰিঞ্চিকুমাৰ বৰুৱাই "অসমীয়া ভাষা" আৰু "অসমীয়া ভাষা আৰু সংস্কৃত" গ্ৰন্থ দুখন প্ৰকাশ কৰি কিছু পৰিমাণে শিক্ষাৰ্থীৰ প্ৰয়োজন পূৰাইছে। আমাৰ ভাষাতাত্ত্বিক চৰ্চাৰ বাবে এতিয়ালৈকে ইংৰাজী, বঙলা, হিন্দী ভাষাৰ পুথি-পত্ৰ, প্ৰবন্ধৰহে সহায় লব লগীয়া হৈ আছে। পুনাৰ ডেক্কান কলেজৰপৰা ভাৰতীয় ভাষাতাত্ত্বিক সমাজৰ দ্বাৰা প্ৰকাশিত 'ইণ্ডিয়ান লিংগুইষ্টিকচ্' গৱেষণা-পত্ৰিকাত, গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা ওলোৱা 'জাৰ্ণেল অব্ ডি গৌহাটী ইউনিভাৰচিটী' (আৰ্টচ্) কামৰূপ অনুসন্ধান সমিতিৰ গৱেষণা (ৰিৰ্চাচ) পত্ৰিকা, অসম একাডেমী ৰিভিউ' (১৯৭১) প্ৰথম সংখ্যা)ত সৰ্বভাৰতীয় ভাষাতাত্ত্বিক সন্মিলনৰ কাৰ্য বিৱৰণী (১৯৭০) সংকলন আদি গ্ৰন্থত, তদুপৰি লণ্ডনৰ স্কুল অব্ অৰিয়েণ্টেল এণ্ড আফ্ৰিকান ষ্টাডীজ, অনুষ্ঠানৰ দ্বাৰা প্ৰকাশিত ইংৰাজী বুলেটিন, মাৰ্কিণ যুক্তৰাজ্য 'লেংগুৱেজ' আলোচনীত, ডক্টৰ ৰবাৰ্ট ছেফাৰৰ সম্পাদিত "চীনো-তিব্বেতিকা' গ্ৰন্থ-পঞ্জীৰ প্ৰবন্ধসূচীত অসমৰ বিবিধ থলুৱা ভাষা আৰু অসমীয়া ভাষাৰ বৈজ্ঞানিক আৰু বিজ্ঞানমুখী প্ৰবন্ধ আলোচনা ওলাই আছে। এইবোৰৰ সংখ্যা বেছি নহলেও, গুণৰ ফালৰপৰা সৰ্বভাৰতীয় আৰু বিশ্বৰ সুধী সমাজৰ গ্ৰহণীয় বিষয়-বস্তুৰে সমৃদ্ধ। সম্প্ৰতি গুৱাহাটী বিশ্ববিদ্যালয়ত

ডক্টৰ ৰোহিণীকুমাৰ মহন্তৰ অধীনত সাধাৰণ ভাষাতত্ত্বৰ এবছৰীয়া পাঠ্যক্ৰম আৰম্ভ হৈছে : ডক্টৰ মহন্তৰ স্কুল অৱ অৰয়েণ্টেল ষ্টাডীজৰ জৰিয়তে, ডক্টৰ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্যৰ (গুৱাহাটী বিশ্ববিদ্যালয়) জৰিয়তে, ডক্টৰ সত্যেন্দ্ৰনাথ গোস্বামীৰ (কলিকতা বিশ্ববিদ্যালয়) আৰু ডক্টৰ গোলোকচন্দ্ৰ গোস্বামীৰ (গুৱাহাটী বিশ্ববিদ্যালয়) অধীনত প্ৰণীত আৰু প্ৰশংসিত কৃতী গৱেষণা গ্ৰন্থবোৰ ভাষাতাত্ত্বিক চৰ্চাৰ কঠিয়াতলী হৈছে; প্ৰকাশিত ৰূপত সুধী সমাজৰ আগত ওলাব পৰা নাই। ইতিমধ্যে অৱশ্যে ইংৰাজী অসমীয়া ভাষাৰ মাধ্যমত বিশ্বেশ্বৰ হাজৰিকা, বীৰেন্দ্ৰনাথ দত্ত, নহেন্দ্ৰ পাদুন, সুকুমাৰ বিশ্বাস, ৰাজেন ৰাভা, ৰংবং টেৰাং, মণি ৰাভা, লংকাম টেৰাং, ভবেন্দ্ৰ নাজ্জী, মোহিনী-মোহন ব্ৰহ্ম, ডি-এছ্ ৰৰমাথু, নগেন্দ্ৰনাথ বৰুৱা, ৰবিনছ্ বাৰ্লিং, মধুৰাম বড়ো, ডি. এন. এছ্ ভাট, নীলমণি সিংহ, খেলচন্দ্ৰ শৰ্মা, ৰাজকুমাৰ জলসিং সিংহ, আদিৰ যোৰা তিনি দশকৰ ভিতৰত বিবিধ থলুৱা আৰু অসমীয়া ভাষা মুখী আৰু বিশেষকৈ জন সংস্কৃতি প্ৰধান ৰচনাৱলী, পুথি-পত্ৰ, প্ৰবন্ধৰ যোগেদি প্ৰকাশ হৈছে। অসমৰ থলুৱা ভাষাৰ লিপি সমস্যা ৰোমান হব নে অসমীয়া, বঙলা, দেৱ নাগেৰী হব—ইও এটি প্ৰশ্ন হৈ পূব ভাৰতৰ জনজাতীয় মানুহৰ মনত চিন্তাৰ সঞ্চাৰ কৰিছে। পেৰিছৰ আন্তঃৰাষ্ট্ৰীয় ধ্বনিতাত্ত্বিক-সংস্থাৰ ৰোমানমুখী লিপি ভাষা বৈজ্ঞানিক যদিও স্থানীয়, আঞ্চলিক লিপিবোৰ আৱশ্যকীয় সংশোধন কৰি ল'ব পাৰি। লিপি 'বহুজনহিতায়' হিচাপে বিবেচনা কৰি গ্ৰহণ কৰিব লাগে। ইয়াত বৈজ্ঞানিক, স্থানীয়, আঞ্চলিক, ৰাজ্যিক আৰু প্ৰশংসনীয় সুবিধা তথা ৰাষ্ট্ৰীয় নীতিও সাঙোৰ খাই আছে। তথাপিও অসমীয়া কাইথেলী লিপি কোনো পক্ষে কম বিজ্ঞান সন্মত নহয়—বৰঞ্চ ৰোমান লিপিতকৈ প্ৰশস্ত আৰু সুবিধাজনক।

ভাষা তাত্ত্বিক আলোচনা চৰ্চাৰ বহল দিগন্তলৈকে আৰু বিজ্ঞানমুখী শব্দ বিশ্লেষক যন্ত্ৰ প্ৰয়োগ, গৱেষণা পদ্ধতিলৈকে আমাৰ অসমৰ বয়সিয়াল আৰু উঠি অহা ভাষাপ্ৰেমী, ভাষানুৰাগী আৰু ভাষা বৈজ্ঞানিকসকলৰ দৃষ্টি আকৰ্ষণ কৰি—মাথোন দুটিমান সাধাৰণ সত্য উচ্চাৰণ কৰোঁ: ভাষাৰ সৰুবৰ নাই, ভাল-বেয়াও নাই, আমি ভাৱ প্ৰকাশৰ মাধ্যম স্বৰূপে ভাষা-উপভাষা (দোৱান, বোলী) বাক যন্ত্ৰেৰে আৰু আৱশ্যকমতে ঠাঁৰে, চিন্নাৰে আৰু আঁক-বাকেঁৰে মৌখিক, মৌন আৰু লিখিত ৰূপত চৰ্চা বিশ্লেষণ কৰি সাহিত্যৰ ৰূপায়ণ কৰি আছো। অসমীয়া সাহিত্যত বৰ্তমানে ভাষাতাত্ত্বিক চৰ্চা চালুকীয়া কিন্তু বৈজ্ঞানিক সম্ভাৱনা পূৰ্ণ।

অসমীয়া বিজ্ঞান আলোচনা

শ্ৰীকালীনাথ শৰ্মা

যোৱা দুখন মহাযুদ্ধই মানুহক বহু নতুন কথা শিকাইছে। সাংস্কৃতিক, সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত বহুতো নতুন ভাবৰ আৰু কৰ্ম পদ্ধতিৰ সৃষ্টি হোৱা আমি দেখিবলৈ পাইছোঁ। এই মহাসমৰ দুখনৰ আন এটা ডাঙৰ অৱদান হৈছে বিজ্ঞানৰ ক্ষেত্ৰত। প্ৰথম যুদ্ধখনত বিজ্ঞানে ভুমুকি মাৰিলে আৰু দ্বিতীয়খনত ই এটা অপৰিহাৰ্য বিষয় হৈ পৰিল। দ্বিতীয় মহাসমৰৰ পৰিসমাপ্তি ঘটোৱা আনবিক বোমাৰ অন্তৰালত থকা বিজ্ঞানৰ কথাখিনিয়ে সমৰ ক্ষেত্ৰতে আৱদ্ধ নাথাকি সামাজিক ক্ষেত্ৰলৈ আগবাঢ়ি অহাৰ নিচিনাকৈ বিজ্ঞানৰ বহুত কথাই সমৰনীতিৰ পৰা আহি সামাজনীতিত খেপনি পুতি ললে। যুদ্ধোত্তৰ কালত সৃষ্টি হোৱা সাহিত্যত এই বাবেই বিজ্ঞানৰ, বহুতো কথাই নিজ মাহাত্ম্যত প্ৰতিপত্তি লাভ কৰিবলৈ সমৰ্থ হ'ল। গল্প কবিতা, উপন্যাস, আদি সকলোতে বৈজ্ঞানিক আহিলা পাতিয়ে স্থান লাভ কৰিলে আৰু লগে লগে সাহিত্যিকৰ দৃষ্টিভঙ্গীও বহু পৰিমানে বিজ্ঞানমুখী হৈ পৰিল। যুদ্ধোত্তৰ কালত সৃষ্টি হোৱা সাহিত্যৰ ক্ষেত্ৰত বিজ্ঞানৰ অৱদান, আৰু বিজ্ঞান সাহিত্য এই দুটা বেলেগ কথা। অৱদানৰ কথাটো বহল আৰু সৰ্বাত্মক। সকলো সাহিত্য স্ৰষ্টাৰ চিন্তাজগতত বিজ্ঞানে কম বেছি পৰিমাণে প্ৰভাৱ বিস্তাৰ কৰাৰ ফলত সাহিত্যৰ গতি পথত এটি নতুন ধাৰা লক্ষ্য কৰিব পাৰি। বিজ্ঞান বিষয়ক ৰচনাবোৰৰ কথা সুকীয়া।

দ্বিতীয়তে বিজ্ঞানমূলক সাহিত্যৰ কথাটো আহে। পোনপটীয়াকৈ বিজ্ঞানৰ কথা আলোচনা কৰা, বিজ্ঞানৰ বেলেগ বেলেগ শাখা বিভাগবোৰ জন সমাজৰ সন্মুখত ডাঙি ধৰিবলৈ প্ৰবন্ধ ৰচনা, পুথি প্ৰণয়ন আৰু সংকলন

কৰা, আৰু বিশেষজ্ঞৰ কাৰণে মৌলিক ৰচনা প্ৰস্তুত কৰা এইবোৰেই বিজ্ঞান সাহিত্যৰ বস্তু ।

এই তিনিৰকমৰ বিজ্ঞান সাহিত্যৰ প্ৰথম বিধ স্কুল-কলেজৰ পাঠ্য-পুথিৰ ভিতৰত পৰে । ছাত্ৰ-ছাত্ৰীসকলৰ ব্যৱহাৰৰ উপযোগী কৰি কিছুমান নিয়ম কানুনৰ ভিতৰত এইবিধ সাহিত্য যুগুত কৰা হয় । কিন্তু দ্বিতীয় বিধে এনেকুৱা নিয়ম মানি নচলে । সাধাৰণ শিক্ষিত মানুহক বিজ্ঞানৰ বতৰা দি তেওঁলোকক যুগোপযোগী জ্ঞানৰ প্ৰতি কৌতুহলী কৰা আৰু সম্ভৱ ক্ষেত্ৰত সেই বিজ্ঞানৰ অধিকাৰী কৰাই এইবিধ সাহিত্যৰ উদ্দেশ্য । তৃতীয়বিধ বিজ্ঞান সাহিত্য ওখ খাপৰ বস্তু । বিজ্ঞান বিষয়ত প্ৰতিষ্ঠা লাভ কৰা বা প্ৰতিষ্ঠা লাভৰ চেষ্টাত প্ৰবৃত্ত হোৱা সকলে এই সাহিত্যৰ সৃষ্টি কৰে আৰু ই তেওঁলোকৰ মাজতে আৱদ্ধ থাকে । বেছিভাগ ক্ষেত্ৰতে এইবিধ ৰচনা আলোচনী (Journal) আকাৰত ওলায় আৰু কেতিয়াবা কেতিয়াবা বিশ্ববিদ্যালয় আৰু গৱেষক মহলত ব্যৱহাৰৰ কাৰণে কিতাপ আকৰত প্ৰস্তুত হয় । কোনো কোনো খ্যাতনামা বৈজ্ঞানিকৰ নামত স্মৃতিগ্ৰন্থ হিচাপেও এনেকুৱা কিতাপ সংকলন কৰা হয় । আলোচনাৰ সুবিধাৰ কাৰণে এই তিনিবিধৰ বিজ্ঞান সাহিত্যক বিদ্যাৰ্থী সাহিত্য, জনসাহিত্য আৰু মৌলিক সাহিত্য আখ্যা দিয়া হ'য় । ইয়াৰ প্ৰথম দুবিধৰ সীমাৰেখা বৰ স্পষ্ট নহলেও শ্ৰেণী হিচাপে এই দুটা বিভাগ বৰ অস্পষ্ট নহয় ।

যুদ্ধোত্তৰ অসমীয়া বিজ্ঞান সাহিত্য সম্বন্ধে আলোচনা কৰিবলৈ হলে এই তিনিওটা ভাগৰ কথাকে সাঙুৰি লব লাগিব । অৱশ্যে আমি স্বীকাৰ কৰিবলৈ বাধ্য যে ইয়াৰ এটাও বিভাগ তেনে বিশেষ সমৃদ্ধ নহয় । বিশেষকৈ মৌলিক সাহিত্যৰ ক্ষেত্ৰত আমি তেনেই দুখীয়া । বঙালী, হিন্দী বা তামিল ভাষা সাহিত্যৰ মানদণ্ড মতে অসমীয়া সাহিত্য এতিয়াও বহু নিম্ন স্তৰৰ, আনন্দৰ কথা এয়ে যে যোৱা তিনি দশকৰ ভিতৰত অসমীয়া সাহিত্যই যথেষ্ট সমৃদ্ধি লাভ কৰিছে আৰু এই সমৃদ্ধি বিশেষকৈ গল্প সাহিত্যৰ ক্ষেত্ৰতহে দেখা গৈছে । ভ্ৰমণ বৃত্তান্ত, ৰম্য ৰচনা, নাটক আৰু অনুবাদ সাহিত্যত আমি যিদৰে বহু পিচপৰি আছোঁ বিজ্ঞান সাহিত্যততো আমাৰ বহু কৰিবলগীয়া আছে ।

বিদ্যাৰ্থী সাহিত্য : এই বিধ সাহিত্যৰ অন্তৰ্গত যিবোৰ কিতাপ তাক বহুতে সাহিত্য বুলি কব নোখোজে । পাঠ্য-পুথিক সাহিত্য বুলি নধৰাৰ সপক্ষে কাৰণ নথকাও নহয় । কাব্যিক গুণসম্পন্ন ৰস-সৃষ্টিমূলক ৰচনাকে

সাধাৰণতে সাহিত্য বুলি কব খোজে। বিজ্ঞানৰ পাঠ্য-পুথিবোৰৰ ভাষা কবিত্বপূৰ্ণ বা সোৱাদ লগা নহয়; কিন্তু বিজ্ঞান সাহিত্য সম্বন্ধীয় আলোচনাৰ পৰা এইবোৰ কিতাপ আমি সদ্যহতে বাদ দিব খোজা নাই। বিজ্ঞানৰ জনসাহিত্যৰ লিখকসকলে সাহিত্য ক্ষেত্ৰত প্ৰবেশ কৰিবলৈ হলে প্ৰথমতে বিদ্যাৰ্থী সাহিত্যৰ তালিম লব লাগিব। অসমীয়া বিজ্ঞান সাহিত্যত জন-সাহিত্যৰ সেৱা কৰিবলৈ যোৱা কেবাজনো ব্যক্তিৰ বিদ্যাৰ্থী সাহিত্যৰ লগত পৰিচয় নথকা হেতুকে তেওঁলোকৰ সাহিত্য সৃষ্টি যেন বৰ কষ্টসাধ্য হৈছে এনে প্ৰমাণ পোৱা যায়।

আমাৰ স্কুল-কলেজবোৰত বিজ্ঞান শিক্ষাৰ প্ৰচলন ঠিক যুদ্ধোত্তৰ নহলেও শিক্ষা ব্যৱস্থাত বিজ্ঞানৰ বহুল প্ৰচাৰ প্ৰকৃততে যুদ্ধৰ পিছৰপৰাহে হয়। কলেজ আৰু বিশ্ববিদ্যালয়সমূহত বিজ্ঞান চৰ্চা ঊনবিংশ শতাব্দীৰ শেষ ভাগৰ পৰাই হৈছিল। যুদ্ধোত্তৰ কালত এইটো কথা স্পষ্টভাৱে অনুভৱ কৰা হ'ল যে স্কুলীয়া অৱস্থাত বিজ্ঞানৰ লগত ভালদৰে পৰিচয় নহ'লে বিশ্ববিদ্যালয় স্তৰৰ বাবেও ভাল বৈজ্ঞানিক হব পৰা ছাত্ৰ পোৱা টান। আধুনিক সভ্যতাৰ অনিবাৰ্য আহিলাবোৰ যিমানে সহজলভ্য আৰু বহুল ভাৱে ব্যৱহৃত হবলৈ ধৰিলে সিমানে বিজ্ঞানৰ প্ৰতি কৌতুহল বুঢ়াৰপৰা ডেকা আৰু ডেকাৰপৰা কম বয়সীয়া লৰা-ছোৱালীলৈ সংক্ৰমিত হ'ল। প্ৰথমতে অসমৰ স্কুলবোৰত বিজ্ঞানৰ প্ৰবেশটো শঙ্কৰেকৰ ঘৰত ন-জোৱাই প্ৰবেশৰ নিচিনা হৈছিল। এখন ইংৰাজী কিতাপৰপৰা অনুবাদ কৰা প্ৰকৃতি পাঠ নামৰ কিতাপ এই সময়ৰ বিজ্ঞানৰ পুথি। এইখনক বিদ্যাৰ্থী সাহিত্যৰ প্ৰথম পুথি বুলি কব পাৰি। প্ৰাথমিক স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ বাবে তেনে উল্লেখযোগ্য পুথি এই সময়ত ৰচনা কৰা হোৱা নাছিল।

মাধ্যমিক স্তৰত বিজ্ঞান এটি পঠনীয় বিষয় হিচাপে গ্ৰহণ কৰাৰ পিছত বহুদিনলৈ ইংৰাজী কিতাপকেই ছাত্ৰ-ছাত্ৰীয়ে পঢ়িব লগীয়া হৈছিল। পাঠ্যক্ৰমত অসমীয়া মাধ্যম বৈকল্পিক ব্যৱস্থা হিচাপে গ্ৰহণ কৰাৰ পিছত বহুতো কিতাপ ৰচনা কৰা হ'ল। কেবাগৰাকী কৃতী শিক্ষক আৰু কলেজৰ অধ্যাপকে অসমীয়াত ভিন ভিন বিজ্ঞান বিষয়ৰ কিতাপ ৰচনা কৰিলে। এইবোৰ কিতাপ ৰচনা কৰাৰ সময়ত পৰিভাষা সংক্ৰান্ত বিষয়টোৱে লিখক সকলক যথেষ্ট চিন্তান্বিত কৰি তুলিছিল। বিজ্ঞানৰ অৰ্থ ভাৰতীয় ঋষি মুনিসকলৰ মতে আছিল তত্ত্বজ্ঞান, কিন্তু আধুনিক বিজ্ঞানৰ অৰ্থ বেলেগ আৰু এই বিজ্ঞানৰ জন্ম হৈছিল ইউৰোপত। ইয়াৰ চৰ্চাৰ সুচলতাৰ বাবে ইউৰোপীয় পণ্ডিত সমাজে লগলাগি বিবোৰ আন্তৰ্জাতিক পৰিভাষা গ্ৰহণ

কৰিছে বিজ্ঞান চৰ্চাৰ বাবে সেইবোৰৰ উপযোগিতা প্ৰশ্নাতীত। এই পৰিভাষাৰ বেছি ভাগেই লেটিন বা গ্ৰীক মূলৰ ওপৰত প্ৰতিষ্ঠিত। বিশ্ব-বিদ্যালয় স্তৰত বা গৱেষক সকলৰ নিমিত্তে এই পৰিভাষাৰ গ্ৰহণীয়তা সম্বন্ধে একো অসুবিধা নাই। কিন্তু ন-শিকাৰুৰ বাবে এই পৰিভাষাটোৱেই এটা ডাঙৰ গলগ্ৰহ হৈ পৰে। বিজ্ঞান বিষয়টোৱেই নতুন বস্তু আৰু তাৰ চৰ্চা কৰাৰ আৰু বুজাৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰা পৰিভাষাবোৰ যদি সহজবোধ্য নহয়, তেন্তে শিকাৰুসকল বৰ অসুবিধাত পৰে। এই বাবে স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে সহজে বুজিবপৰা এনানি পৰিভাষাৰ প্ৰয়োজন হৈ পৰিল। ইয়াৰ উপৰি আন এটা কথাও আছে। এইটো ভাবাবেগ সম্বন্ধীয়। বাপেকক 'ফাডাৰ' বুলি মতাটো অনুভূতিৰ ফালৰপৰা যেনেকৈ জাতীয়বোধৰ প্ৰতিকূল, শিক্ষণীয় বিষয় এটাৰ পৰিচয় বিজাতীয় শব্দ এটাৰে দিয়াও তেনেকৈ জাতীয় চেতনাৰ উদ্দীপক হব নোৱাৰে বুলি বহুতে ভাবে এগৰাকী ৰুচিয় ভদ্ৰ মহিলাই ভাৰতীয় মেল-মিটিঙত ইংৰাজীতে কথা-বতৰা হোৱা দেখি আচৰিত হৈ তেওঁৰ ভাৰতীয় বন্ধুক প্ৰশ্ন কৰিছিল হেনো—"আপোনা-লোকৰ নিজা ভাষা নাই নেকি ?" এইবোৰ নানা কথা বিবেচনা কৰি আমাৰ স্কুলবোৰত বিজ্ঞান শিক্ষা সুচল কৰিবলৈ অসমীয়া পৰিভাষাৰ প্ৰয়োজনীয়তা বোধ কৰা হ'ল। অসম চৰকাৰ আৰু অসম বিজ্ঞান সমিতি প্ৰচেষ্টাত প্ৰথম পৰ্যায়ৰ পৰিভাষা কিছু সৃষ্টি হ'ল। ইতিমধ্যে কলেজীয়া পৰ্যায়তো অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম স্বৰূপে গ্ৰহণ কৰাৰ পিচত গুৱাহাটী আৰু ডিব্ৰুগড় দুয়োখন বিশ্ববিদ্যালয়ৰ প্ৰচেষ্টাত প্ৰয়োজনীয় পৰিভাষা সৃষ্টি কৰা হৈছে।

এইদৰে অসমীয়া ভাষাত স্কুল আৰু কলেজ দুয়ো পৰ্যায়তে বিদ্যাৰ্থী বিজ্ঞান সাহিত্য সৃষ্টিৰ বাবে এটি সুদৃঢ় ভেটি স্থাপিত হৈছে আৰু প্ৰয়োজনীয় পৰিবেশ এটিও গঢ়ি উঠিছে। এই পৰ্যায়ৰ কিতাপ বিলাকৰ আৰু ৰচয়িতা সকলৰ এখন তালিকা দিয়া নিষ্প্ৰয়োজন। ইয়াত সৃষ্টিৰ ক্ষেত্ৰ বহল আৰু পৰিবৰ্তনশীল। যিবোৰ কিতাপ ওলাইছে সেইবোৰৰ সম্বন্ধে মতামত দিয়াটো আমাৰ উদ্দেশ্য নহয়। এইবিধ সাহিত্য আগতে কোৱাৰ দৰে, কিছুমান নিয়ম কানুনৰ দ্বাৰা নিয়ন্ত্ৰিত হয় আৰু ইয়াৰ স্থায়ী সাহিত্যিক মূল্যতকৈ বিদ্যাৰ্থীৰ প্ৰস্তুতিৰ উপায় স্বৰূপে মূল্যটোহে বেছি প্ৰনিধানযোগ্য।

জনসাহিত্য : সৰ্ব সাধাৰণৰ বাবে যি সাহিত্য, তাকে জনসাহিত্য বুলি কব পাৰি। যিবোৰ কিতাপ সকলোৱে বাবে গ্ৰহণযোগ্য সেইবোৰ কিতাপ পাঠ্য-পুথি বা মৌলিক ৰচনাতকৈ বেলেগ। বিজ্ঞান সাহিত্য আকৌ

বেলেগ ধৰণৰ। ইয়াক জনসাহিত্যলৈ ৰূপান্তৰিত কৰা সহজ কথা নহয়।

পশ্চিমীয়া দেশবোৰ বিজ্ঞানৰ জনসাহিত্যৰ ক্ষেত্ৰত বহু আগবঢ়া। ইংৰাজী ভাষাত যিবোৰ জনসাহিত্য আছে সেইবোৰ পঢ়িলে ৰচনাভঙ্গীত এটা সৰল ধাৰা সহজে ধৰিব পাৰি। ইয়াৰ কাৰণ এয়েযে তাত পৰিভাষা লেটিনেই হওক বা গ্ৰীকেই হওক ইংৰাজী ভাষা-ভাষীসকলৰ বাবে সেইবোৰ বৰ দুৰ্বোধ্য নহয়। অসমীয়া ভাষাত পৰিভাষা প্ৰয়োগৰ কথাটোৱে ৰচনা-শৈলীৰ সৰল গতিটো বহু পৰিমাণে ব্যাহত কৰে। পৰিভাষা বাদ দি বিজ্ঞানৰ কথা লিখিবলৈ হলে দুটা কথাৰ প্ৰয়োজন: এটা হ'ল বিজ্ঞান বিষয়ক সম্যক জ্ঞান আৰু আনটো হ'ল ভাষা সাহিত্যৰ নিপুণতা। এই দুটা গুণ একেলগে কাচিৎহে পোৱা যায়। বিশেষজ্ঞসকল সদায় বিশেষ ধৰণৰ। অধ্যাপক চি. ভি. ৰামন আছিল ইয়াৰ ব্যতিক্ৰম। কাশী বিশ্ব-বিদ্যালয়ৰ ৰজত জয়ন্তী উৎসৱৰ সময়ত অনুষ্ঠিত বিজ্ঞান মেলাত তেওঁ 'গেম অব চাইনস' নামৰ এটি জনপ্ৰিয় বক্তৃতা দিছিল। পদাৰ্থৰ ভিতৰত থকা অনুবোৰৰ সংহত অৱস্থাটো বুজাবলৈ তেওঁ উদাহৰণ দিছিল মিঠাইৰ দোকানত পিৰামিডৰ আকৃতিত সজাই থোৱা সন্দেশবোৰেৰে। শ্ৰোতাসকল সন্দেশ খোৱাৰ নিচিনাকৈ আপ্যায়িত হৈছিল। কিন্তু সকলো বৈজ্ঞানিক অধ্যাপক ৰামনৰ নিচিনা নহয়।

বিজ্ঞানৰ জনসাহিত্যৰ ৰচনা এই শতিকাৰ পঞ্চমদশকৰ পৰাহে ভালদৰে হবলৈ ধৰে। বঙালী সাহিত্য অৱশ্যে এই ক্ষেত্ৰত কিছু আগবঢ়া। অধ্যাপক জগদীশচন্দ্ৰ বসু, আচাৰ্য প্ৰফুল্ল ৰয়, আদি কেবাগৰাকী বঙালী বৈজ্ঞানিকে মাতৃ ভাষাত বিজ্ঞানৰ জনসাহিত্য ৰচনা কৰিছিল শিশুৰ উপযোগীকৈ লিখা বিজ্ঞান বিষয়ক পত্ৰিকা বঙালী ভাষাত বহু আছে। অসমীয়া ভাষাত স্বাধীনতাৰ প্ৰথম দশকত অধ্যাপক ৰোহিণীকান্ত বৰুৱাই পুষ্টি সম্বন্ধে এখন, ডঃ প্ৰসন্ন গোস্বামীয়ে 'জন্তুৰ সাহিত্য' বুলি এখন আৰু এই প্ৰবন্ধ লিখকে 'প্ৰকৃতিৰ পুতলা খেলা' আৰু 'বিজ্ঞানৰ সাধু' নামৰ দুখন কিতাপ ৰচনা কৰে। ইয়াৰ উপৰি 'ৰামধেনু'ত লিখকৰ জীৱবিদ্যা সম্বন্ধীয় কিছুমান প্ৰবন্ধ প্ৰকাশিত হয়। স্বাধীনতাৰ দ্বিতীয় তৃতীয় আৰু চতুৰ্থ দশকত বিজ্ঞানৰ জনসাহিত্য টনকিয়াল হবলৈ আৰম্ভ কৰে। ১৯৫৬ চনৰপৰা আজি পৰ্যন্ত যিসকলে জনপ্ৰিয় বিজ্ঞান সাহিত্য ৰচনা কৰি আছে তেওঁলোকৰ ৰচনা সমূহৰ চমু আভাষ তলত দিয়া হ'ল। মোৰ এই আলোচনা সম্পূৰ্ণ নহয় গতিকে এই ছেগতে এই পৰ্যালোচনাত অন্ত-ৰ্ভুক্ত নোহোৱা কিতাপৰ ৰচক বা প্ৰকাশৰ ওচৰত মাৰ্জনা ভিক্ষা কৰিছোঁ।

যিসকল লোকে জনপ্ৰিয় বিজ্ঞান সাহিত্য ৰচনা কৰি আছে তেওঁলোক হ'ল—শ্ৰীদীপেন্দ্ৰনাথ শৰ্মা (বিজ্ঞানৰ বিস্ময় বাতৰি, অদৃশ্য জগতৰ অদ্ভূত দৃশ্য) ; শ্ৰীঅমূল্য হাজৰিকা (যান্ত্ৰিক মানব, মহাকাশৰ ৰহস্য) ; ডঃ প্ৰসন্ন গোস্বামী (বিজ্ঞানৰ বিজয় কাহিনী, ফুলৰ সাধু, প্লাষ্টিক, ৰবৰ আৰু ৰেচম সূতাৰ বিস্ময়কৰ কাহিনী), ডাঃ ৰাজেন ভূঞা (ভিটামিন আৰু কেন্সাৰ) ; শ্ৰীবিনয়কুমাৰ তামুলী (বিশ্ব ৰহস্য, মহাকাশ অভিযান) ; শ্ৰীযোগেন্দ্ৰনাথ শইকীয়া (ৰহস্যময় বিশ্ব, পতঙ্গৰ কথা, জীৱ-জন্তুৰ কথা) শ্ৰীমতী মাধুৰী বৰা (সঠিক আহাৰ সবল দেহ) ; ডাঃ দেৱ ৰয় (চুম্বক আৰু বিজুলিৰ অ-আ-ক-খ) ; ৺হৰেন কলিতা (আকাশৰ কথা, চন্দ্ৰ অভিযান, পৃথিৱীৰ সাধু); ডাঃ ভুবনমোহন দাস (বিবৰ্তনৰ পথত মানৱ, মানুহ, মানৱৰ আদিকথা, আদিম যুগৰ আদি কথা, আমাৰ দৰে সিহঁতো মানৱ, বিবিধ মানৱ) ; শ্ৰীগজেন্দ্ৰকুমাৰ ৰায় (বিজ্ঞানৰ খেল) ; শ্ৰীঅমৰ দত্ত (বিজ্ঞানৰ মেজিক, শিশু বৈজ্ঞানিকৰ হকুৱা কাৰখানা) ; ডাঃ যোগেন বৰুৱা (বিজ্ঞানৰ সাধু) ; ডাঃ ললিতকুমাৰ বৰুৱা (প্ৰাথমিক প্ৰতিনিধি বিধান); শ্ৰীমতী জয়শ্ৰী দেৱী (গাৰ্হস্থ্য বিজ্ঞান); ডাঃ প্ৰতুল গোস্বামী (চিকিৎসা বিজ্ঞানৰ চমু ইতিহাস, খাদ্য প্ৰাণৰ কথা) ; ডাঃ প্ৰকনচন্দ্ৰ শইকীয়া (দাঁত আৰু মুখৰ ৰোগ); ডাঃ হিতেন্দ্ৰকুমাৰ বৰুৱা (বিজ্ঞান আৰু বৈজ্ঞানিক) ; শ্ৰীকালীনাথ শৰ্মা (আমাৰ দেহ) ; শ্ৰীফটিকচন্দ্ৰ গগৈ (ভাৰতৰ বনৰীয়া জন্তু) ; শ্ৰীসুৰেন মেধি (তৰঙ্গ জগত) ; শ্ৰীভূপতি ডেকা (গণিতৰ কথা) ; ডাঃ সত্যেন্দ্ৰনাথ চৌধুৰী (এড়ি, মুগা, পাট) ; শ্ৰীশান্তনু তামুলী (সৰীসৃপ) ; শ্ৰীক্ষীৰধৰ বৰুৱা (আকাশী যানৰ কথা) ; শ্ৰীডিম্বেশ্বৰ চলিহা (চৰাই) ; ৺শান্তিৰাম দাস (বিজ্ঞানৰ কথা) ; শ্ৰীজীৱানানন্দ দত্ত (সাগৰ সন্ধান) ; ক্ষেমেন্দ্ৰ (সাগৰিকা) ; শ্ৰীপ্ৰভাতচন্দ্ৰ কোঁৱৰ (কৰা আৰু শিকা) ; ডাঃ কনকচন্দ্ৰ মহন্ত (প্ৰাণ জগতৰ বিচিত্ৰ কাহিনী) ; ডাঃ হৰিপ্ৰসন্ন দাস (আবিষ্কাৰৰ কাহিনী) ; ডাঃ মৃগেন্দ্ৰনাথ মহন্ত (আপেক্ষিকতা বাদ) ; শ্ৰীযোগেশ্বৰ গগৈ (সচিত্ৰ মৌ-মাখি পালন) , শ্ৰীফণীন্দ্ৰনাথ কলিতা (কয়লাৰ কাহিনী) আৰু শ্ৰীসত্যব্ৰত শৰ্মা (জোন বুলি তৰা) ।

যোৱা দশকটোত অসম বিজ্ঞান সমিতিয়ে বিজ্ঞান সাহিত্যৰ সমৃদ্ধিৰ হকে ভালেখিনি কাম কৰিছে । এই কামৰ ভিতৰত বিজ্ঞানৰ জনসাহিত্যৰ ক্ষেত্ৰত একক অনুষ্ঠান হিচাপে এই সমিতিৰ কাম শলাগিব লগীয়া । ওপৰত দিয়া তালিকা খনৰ ভিতৰত কেবাখনো কিতাপ এই সমিতিয়ে

প্ৰকাশ কৰিছে। অসমীয়া ভাষাত বিশ্বকোষ এখনৰ প্ৰয়োজনীয়তা বহু দিনৰ পৰা উপলব্ধি কৰা হৈছিল। অসম বিজ্ঞান সমিতিয়ে এই বিশ্ব-কোষ প্ৰণয়নৰ কাম হাতত লৈ সদ্যহাতে তাৰ দুটি খণ্ড প্ৰকাশ কৰি উলিয়াইছে। বিশ্বকোষখন সামগ্ৰিক ভাবে বিজ্ঞান সাহিত্য নহলেও বিজ্ঞানৰ বিষয়বোৰ ইয়াত ভালদৰে আলোচনা কৰা হৈছে।

ইয়াৰ উপৰি 'বিজ্ঞান জেউতি' নামৰ বিজ্ঞানৰ আলোচনী এখন অসম বিজ্ঞান সমিতিয়ে ধাৰাবাহিক ভাবে প্ৰকাশ কৰি আহিছে। ই এখন যথাৰ্থতে বৈজ্ঞানিক জনসাহিত্যৰ আলোচনী। বিজ্ঞানৰ মূল কথাবোৰ সহজ ভাষাত সৰ্বসাধাৰণৰ বাবে প্ৰবন্ধৰ আকাৰত প্ৰকাশ আৰু প্ৰচাৰ কৰি এই আলোচনীখনিয়ে অসমৰ বিজ্ঞান সাহিত্য সমৃদ্ধ কৰিছে।

মৌলিক সাহিত্য : অসমীয়াত বিজ্ঞানৰ মৌলিক সাহিত্য একেবাৰে নাই। অসম বিজ্ঞান সমিতিয়ে আজি কেইবছৰমানৰপৰা 'জাৰ্ণেল অব দি আসাম চায়েন্স চোচাইটি, নামৰ এখন মৌলিক আলোচনী প্ৰকাশ কৰিছে। ইয়াৰ প্ৰবন্ধবোৰ ইংৰাজীত লিখা হয়। আন্তঃপ্ৰান্তীয় আৰু আন্তৰ্জাতিক ক্ষেত্ৰত আমাৰ গবেষক মণ্ডলীৰ মৌলিক প্ৰবন্ধবোৰে যাতে প্ৰচাৰ লাভ কৰিব পাৰে তাৰ বাবেই এই আলোচনীখন ইংৰাজীত প্ৰকাশ হোৱাটো বাঞ্চনীয় বুলি ভাবিবৰ থল আছে। সেইদৰে গুৱাহাটী বিশ্ববিদ্যালয়ে যিখন মৌলিক ৰচনাৰ বাৰ্ষিক সংকলন প্ৰকাশ কৰে সেইখনো ইংৰাজীতে লিখা। অসমীয়া ভাষাত বিজ্ঞানৰ মৌলিক সাহিত্য ৰচনাৰ বাবে বিজ্ঞানৰ সাধক আৰু গবেষকসকলক দুটা কথাই প্ৰেৰণা যোগাব পাৰে। এটা হ'ল অসমীয়া ভাষাৰ যথাৰ্থ সমৃদ্ধি সাধন। এই সমৃদ্ধি সাধনে আমাৰ ভাষা সাহিত্যৰ বাবে এটি আন্তৰ্জাতিক খ্যাতি অৰ্জন কৰিবলৈ সমৰ্থ হব লাগিব। দ্বিতীয় কথাটো হ'ল অসমীয়া গবেষকৰ সংখ্যা বৃদ্ধি। আমাৰ দেশত বিজ্ঞানৰ সেৱা কৰা হয় চাকৰিৰ সুবিধাৰ কাৰণে, বিজ্ঞানৰ উন্নতিকল্পে নহয়। প্ৰকৃত ভাবে বিজ্ঞানৰ কাৰণে বিজ্ঞানৰ ব্ৰতত ব্ৰতী হোৱা লোকৰ সংখ্যা আমাৰ ইয়াত নিচেই তাকৰ। বিষয়বস্তুৰ প্ৰকৃত মূল্যই ইয়াৰ চাহিদা নিৰ্ণয় কৰে। ৰুচ, ফৰাচী, জাৰ্মান আদি ভাষাত প্ৰকাশিত হোৱা মূল্যবান কিতাপবোৰ পঢ়িবৰ কাৰণে বহুতে সেইবোৰ ভাষা শিকে। আমাৰ ভাষাতো যদি তেনে উচ্চমান সম্পন্ন কিতাপ প্ৰকাশিত হয়, তেন্তে অন্য ভাষা-ভাষী মানুহে আমাৰ ভাষা শিকিবলৈ বাধ্য হব। জ্ঞানৰ কোনো ভৌগোলিক সীমা নাই। ই দেশ আৰু কালৰ সীমা চেৰাই গৈ সদায় উজ্জল হৈ থাকে।

———

অসমীয়া সাহিত্যত বিভিন্ন ভাবাদৰ্শৰ সংমিশ্ৰণ

আব্দুছ ছাত্তাৰ

জগতৰ বিভিন্ন দেশৰ সাহিত্য সৃষ্টিত কিবা নহয় কিবা এটা আন্দোলনে নাইবা বিশেষ কিবা এটাৰ সংঘাতেহে উৎসৰূপে অনুপ্ৰেৰণা যোগায়। কৰবাত কেতিয়াবা কোনোবা এখন যুদ্ধই, ক'ৰবাত কোনোবা এটা বিপ্লৱে নাইবা কোনোবা এটা ধৰ্ম আন্দোলনে বিভিন্ন ভাবাদৰ্শ দিয়াৰ লগে লগে সাহিত্যৰ গতানুগতিকতা অন্ত কৰি এটা নতুন ভাবোচ্ছ্বাস আনি দিয়ে। এনে ন'হলে সাহিত্যত স্থবিৰতা আহে আৰু তেতিয়া তেনে সাহিত্যই জীৱনাদৰ্শৰ কোনো সন্ধান দিব নোৱাৰা হয়। তাৰ ফলত সাহিত্য নিষ্প্ৰাণ হৈ গতিময়তা হেৰুৱায়। ৰুছিয়াৰ বলছেভিক বিপ্লৱ, ইউৰোপৰ খৃষ্ট ধৰ্মৰ পুণৰুত্থান, ভাৰতৰ স্বাধীনতা আন্দোলন আৰু অসমৰ বৈষ্ণৱ আন্দোলনে সাহিত্য-ক্ষেত্ৰত কি কৰিলে অলপ লক্ষ্য কৰিলেই আমি ধৰিব পাৰো। সকলো কথাৰ মূল্যবোধ আৰু মূল্যাঙ্কন বিভিন্ন আন্দোলনে এটা স্বকীয়া ৰূপত প্ৰতিষ্ঠা কৰে। এনে হোৱাৰ কাৰণেই সাহিত্যৰ বিভিন্ন ধাৰাত ভিন ভিন ধৰণৰ ৰস সৃষ্টি আৰু সৃষ্টিশীল সাহিত্যৰ নতুন নতুন ধাৰা বা ৰূপ গঢ়ি উঠা লক্ষ্য কৰিব পাৰো। যুদ্ধ আন্দোলন আদিয়ে কবি-সাহিত্যিকৰ মনত যি আলোড়নৰ সৃষ্টি কৰে সেয়ে সাহিত্যৰ নতুন ধাৰা প্ৰবৰ্ত্তন কৰে। আধুনিক অসমীয়া সাহিত্যতো এনে বিবিধ ধাৰাৰ প্ৰবৰ্ত্তন হৈছে। কিন্তু এনে ধাৰাসমূহ সাধাৰণতে পশ্চিমীয়া সাহিত্য আৰু সাহিত্যিকৰ দ্বাৰা প্ৰভাৱান্বিত হৈছে বুলি কব লাগিব। মূলতঃ ইংৰাজী সাহিত্যৰ যোগেদিয়েই আমাৰ সাহিত্যলৈ নতুন ধাৰাৰ আমদানি হৈছে। এই শতিকাৰ পঞ্চম দশকৰ পৰা ৰোমাণ্টিচিজিমৰ সুৰ আমাৰ সাহিত্যত ক্ষীণ হৈ আহিল। সাহিত্যৰ বহু ক্ষেত্ৰত বঙালী সাহিত্যৰ দ্বাৰা অসমীয়া সাহিত্য আৰু সাহিত্যিক প্ৰভাৱান্বিত হোৱা দেখা গৈছে।

'আৱাহন যুগ'ৰ পিছত ১৯৪১ চনৰ পৰা সম-সাময়িক কাললৈকে (১৯৭৩ চনলৈকে) আমাৰ সাহিত্যত বৰ দ্ৰুত গতিত আৰু বিভিন্ন ধাৰাত নতুনত্বৰ বোল লগা বা ভাবাদৰ্শৰ সংমিশ্ৰণ হোৱা দেখিবলৈ পাইছো। এই সংমিশ্ৰণৰ ধাৰাটোৱে অসমীয়া সাহিত্যৰ বিকাশত নিশ্চয় সহায় কৰিছে আৰু সেই কাৰণেই কবিতা, গল্প, উপন্যাস, আদিত কিদৰে এটা পৰিৱৰ্তন আহিছে তাকে এই প্ৰবন্ধত অতি চমুকৈ পৰ্যালোচনা কৰা হৈছে। এনে এটা বিৰাট বিষয় খুব কম কথাত মাত্ৰ অভাষ স্বৰূপেহে দাঙি ধৰিবলৈ চেষ্টা কৰা হ'ব।

চতুৰ্থ দশকৰ শেষ ভাগলৈকে (আৱাহন যুগত) অসমীয়া গল্প সাহিত্যত যিদৰে বিদেশী গল্পৰ অনুবাদ পোৱা গৈছিল সেই অনুপাতে সাহিত্যৰ অন্যান্য ক্ষেত্ৰত তেনে অনুবাদ পোৱা নগৈছিল। মোপাছাঁ, চেখভ আদিৰ কিছুমান গল্পৰ অনুবাদ আমি কেতিয়াবাই আমাৰ সাহিত্যত পালো। কিন্তু স্বাধীনতা লাভৰ পিছত অসমীয়া সাহিত্যলৈ ইংৰাজীৰ উপৰিও ৰুচীয়া, জাপানী, মিচৰীয়, আলজিৰিয়ান আদি ৰিভিন্ন দেশীয় কবিতাৰ অনুবাদ পোৱাৰ লগে লগে কবিতাৰ নতুন ধাৰাসমূহ প্ৰথমবাৰৰ বাবে আমাৰ সাহিত্যত পালো। সুজাতা প্ৰিয়ম্বদা আৰু ফণী তালুকদাৰে পৃথিৱীৰ বিভিন্ন দেশৰ কবিতাক আমাৰ ভাষালৈ ৰূপান্তৰ কৰি এটা নৱ উন্মেষ দিছে। আজি কেইবছৰমানৰ ভিতৰতে চৈয়দ আব্দুল মালিক চাহাবে আলজিৰিয়ান, আজাৰ বাইজান, উজবেক, তাজিক আদিৰ কবিতাৰ অসমীয়া অনুবাদ কৰি নতুন ভাবাদৰ্শ বা দৃষ্টিভঙ্গী আমদানি কৰিলে। পৰেশমল বৰুৱাই ৰুচ কবিতাৰ অনুবাদ উলিওৱাটো বিশেষ তাৎপৰ্যপূৰ্ণ। কবি নবকান্ত বৰুৱাই খলিল জিব্ৰানৰ কবিতা অসমীয়া অনুবাদ কৰি অসমীয়া পাঠকক নতুনত্বৰ সন্ধান দিছে। ইয়াৰ বাহিৰেও জাপানৰ হাইকু কবিতা, জৰ্মান, চীন, চিলি আদি দেশৰ কবিতাৰ ভাঙনীয়েও সামগ্ৰিকভাৱে পূব-পশ্চিমৰ কবিতাৰ ক্ষেত্ৰত কেনে ধৰণৰ বিষয়-বস্তুৱে ঠাই পাইছে সি অতি সহজে বোধগম্য হৈছে।

আধুনিক কবিতাৰ ধাৰাত হেম বৰুৱাৰ "বান্দৰ" আৰু "পূজা"ই আৰু ডঃ মহেশ্বৰ নেওগৰ "অন্ত্যজা" নামৰ কবিতাই শুভ সূচনা কৰে। পিচত ৺অমূল্য বৰুৱাই প্ৰথম বাৰৰ কাৰণে অসমীয়া সাহিত্যৰ কবিতাৰ ক্ষেত্ৰত ৰোমাণ্টিচিজিম পৰিহাৰ কৰি বাস্তৱতাৰে আধুনিকতাৰ আশ্ৰয় লৈ "কয়লা", "বেশ্যা", "কুকুৰ", "আন্ধাৰৰ হাহাকাৰ" আদি কবিতা ৰচনা কৰি ভাবাদৰ্শ আৰু বিষয়-বস্তুৰ পৰিৱৰ্তন সূচালে আৰু নিৰ্ভীক ভাৱে নিজৰ

বক্তব্য কৰবলৈ ললে। অমূল্য বৰুৱাৰ সহযোগীৰূপে এই লিখকে আধুনিক কবিতাত হাত দি "নতুন সুৰ"ৰ কবিতা কেইটি লিখে। একে সময়তে নৱকান্ত বৰুৱা, পদ্ম বৰকটকী, কেশৱ মহন্ত, ভৱপ্ৰসাদ ৰাজখোৱা, যতিনাৰায়ণ শৰ্মাই ৰোমাণ্টিক কবিতা বাদ দি সমাজ সচেতনাৰে সামাজিক দৃষ্টিভঙ্গী লৈ বাস্তৱমুখী জীৱনৰ কথা চিন্তা কৰি কবিতাত প্ৰকাশ কৰিবলৈ ললে। অমূল্য বৰুৱাৰ প্ৰথম আধুনিক কবিতাটোৱেই হৈছে মেহনতী জনতাৰ পৰা কয়লাখনিৰ বনুৱা জীৱনক কবিতাৰ বিষয়বস্তু ৰূপে লৈ "কয়লা" নামদি লিখা কবিতাটো। এই কবিতাটো প্ৰকাশ হয় আমাৰ সম্পাদনাত ওলোৱা 'কটনিয়ান'ত (ৰচনা ১৯৪৩, প্ৰকাশ হয় ১৯৪৪ত) আধুনিক কবিতাৰ প্ৰথম সংকলন হ'ল যতিনাৰায়ণ শৰ্মা সম্পাদিত "আধুনিক অসমীয়া কবিতা" (১৯৪৬) নামৰ পুথিখনিয়েই। ৰোমান্টিক ভাবধাৰাৰ পৰা অসমীয়া কবিতাই পৰিৱৰ্তনৰ নতুন ধাৰাও গতি কৰা সাক্ষ্য ইয়াৰ কবিতাসমূহেই দিয়ে।

জনজাতীয় ডেকা-গাভৰুৰ মাজৰ পৰা নাহেন্দ্ৰপাদুন, ভৃগুমুণি কাগয়ুং আৰু শ্ৰীমতী অৱন্তী পামেগামে নতুন সম্ভাৰেৰে অসমীয়া সাহিত্যৰ শ্ৰীবৃদ্ধি কৰিছে। "লুম্বৈৰ দায়ে" পৃথিবীৰ হাঁহি' নামৰ উপন্যাসত আদি জাতিৰ কাহিনী চিত্ৰিত কৰি নতুনত্বৰ সন্ধান দিছে। এই কালছোৱাৰ ভিতৰতে নাৰায়ণ ঘাটোৱাৰে অসমত চাহ বনুৱাৰ জীৱনৰ ভালেখিনি কথাৰ সন্ধান দিছে। সেইদৰে নগাভূমি হোৱাৰ পিচত আমাৰ মাজৰপৰা হৰি প্ৰসাদ গোৰ্খাৰায় আৰু গোবিন্দ পৈৰাৰ নিচিনা লব্ধ প্ৰতিষ্ঠ সাহিত্যিকক হেৰুৱাব লগা হ'ল। অসমীয়া সাহিত্যলৈ বড়ো-কছাৰীসকলৰ অৱদানো কম নহয়? এই সম্প্ৰদায়ৰ ৰিঝুৰাভাৰ নিচিনা এজন প্ৰতিভাধৰ ব্যক্তিয়ে অসমীয়া সাহিত্য সংস্কৃতিলৈ নতুন বান আনিলে। "অনন্য প্ৰান্তৰ"ৰ খ্যাতনামা লিখক শ্ৰীমেদিনী চৌধুৰীয়ে আমাৰ সাহিত্যলৈ বুজন ধৰণৰ বৰঙণি আগ বঢ়াইছে। বৰ্তমান কালত ভবেন নাৰ্জি, মঙ্গলচণ্ডী ব্ৰহ্ম, প্ৰসেনজিৎ ব্ৰহ্ম, মোহিনী ব্ৰহ্ম মণি ৰাভা আদি লোকসকলেও যথেষ্ট বৰঙণি যোগাইছে।

শ্ৰীমতী নিৰুপমা ফুকনৰ 'বিশ্ব গল্পচয়নিকা" আৰু ডঃ মহেন্দ্ৰ বৰাৰ অপূৰ্ব গল্প সংকলন "দেশে দেশে গল্প"ই বিভিন্ন দেশৰ গল্পৰ বিভিন্ন বিষয়বস্তু আৰু পটভূমিৰ পৰিচয় দিয়াত বিশেষ সহায় কৰিছে। ডঃ বৰাৰ আগতে দুই চাৰিটা গল্পৰ অসমীয়াত অনুবাদ পোৱা গৈছিল, কিন্তু এই সংকলনত গল্পৰ আগতিক ধাৰা এটা বুজাত বৰ সুবিধা হৈছে। তুৰস্কৰ

মৃতকৰ ভোজ' আৰু চীনৰ 'ভেৰোণীয়া মাক'ৰ নিৰ্বাচনা গল্পৰ বাস্তৱতাই মানবীয় সূক্ষ্ম অনুভূতি জগাই তোলাত বিশেষ সহায় কৰিছে। সাহিত্যত নতুনত্বৰ আমদানি এনেদৰে হয়। গল্প উপন্যাসত চেতনা স্রোতৰ (stream of consciousness) আমাৰ সাহিত্যত হোমেন বৰগোহাঞিয়ে ইয়াৰ প্ৰৱৰ্ত্তন কৰিলে। তাৰ পিচতে নগেন শইকীয়াইও এনে ধৰণৰ অৰ্থাৎ, চেতনাস্রোতৰ গল্প লিখিবলৈ লৈছে। অৱস্থিতিবাদৰ (Existentialism) প্ৰভাৱ এতিয়াও আমাৰ গল্প উপন্যাসত সুস্পষ্টভাৱে প্ৰতিফলিত হৈ উঠা নাই। কোনোৱা দুই এজনৰ নাম দুই এজন সমালোচকে দিছে যদিও তেওঁলোকক তেনে এটা স্পষ্টৰূপত আমি দেখিছো বুলি কব নোৱাৰো, ধুঁৱলি-কুঁৱলী অৱস্থা এটাতে এতিয়াও আছে। ডঃ মহেন্দ্ৰ বৰা আৰু হাৰুণাৰ ৰছিদে এই কালছোৱাৰ ভিতৰতে ভাঙনি কৰি আমাৰ শিশু সাহিত্যলৈ বিশেষ অৰিহণা যোগালে। বিভিন্ন ধৰণৰ অনুবাদৰ ক্ষেত্ৰত মোস্তাফিজুৰ ৰহমানে বিশেষ নিষ্ঠাৰে বৰঙণি আগবঢ়াইছে।

সৃষ্টিমূলক সাহিত্য ৰচনাত মাতৃভাষা অসমীয়া নোহোৱা অসমীয়াই সাহিত্য চৰ্চ্চা কৰি বৰঙণি যোগোৱা এই কালছোৱাৰ লিখক হ'ল অমলেন্দু গুহ, ৰবীন্দ্ৰ চৰকাৰ, হেমাঙ্গ বিশ্বাস আৰু অনিমা গুহ আদি। ইয়াতে ন-অসমীয়া ইলিমুদ্দিন দেৱানৰ নাম উল্লেখ নকৰা ভুল হ'ব। এওঁৰ অনু-প্ৰেৰণাত আৰু ভালে কেইজন ন-অসমীয়া পুৰুষ মহিলাই অসমীয়া সাহিত্য চৰ্চ্চাত নামিছে। দেৱানৰ "আজান" পত্ৰিকাই এওঁলোকৰ অনুপ্ৰেৰণাৰ থলি। জন্মাধিকাৰত অসমীয়া হৈ ছগনলাল জৈনৰ সাহিত্য চৰ্চ্চাই সংহতি সাধনত যথেষ্ট অৰিহণা যোগাইছে।

সপ্তম দশকৰ আৰম্ভণীৰেপৰা 'সীমান্তিক প্ৰকাশন'ৰ উদ্যোগত ডিব্ৰুগড়ৰ পৰা ওলোৱা অসমীয়া ডাইজেষ্ট "সঙ্গম"খনে প্ৰায় চাৰি বছৰ কাল প্ৰাচ্য আৰু পাশ্চাত্যৰ বহুতো নতুন ভাবধাৰা আমাৰ সাহিত্যত প্ৰৱৰ্তন কৰাত সহায়তা কৰিলে। এই নতুনত্বৰ বাবে জনপ্ৰিয়তা লাভ কৰি থকা অৱস্থাতে সঙ্গমে মৃত্যু বৰণ কৰা বৰ দুখনৰ কথা। 'সঙ্গমে' বাস্তৱিকতে নতুন ভাৱধাৰাৰ সঙ্গম ঘটাব পাৰিছিল।

আমাৰ নাট্যকাৰ সকলেও নতুন ভাৱধাৰা বোৱাই আনিবলৈ যত্নৰ ত্ৰুটি কৰা নাই। এৱচাৰ্ড (absurd) নাটকৰ আহিত নাটক ৰচনাৰো প্ৰচেষ্টা চলিছে। শ্ৰীঅৰুণ শৰ্মাৰ "শ্ৰীনিবাৰণ ভট্টাচাৰ্য" "কুকুৰনেচীয়া মানুহ" আৰু "আহাৰ" এনে ধাৰাৰ সাৰ্থক পৰীক্ষা। কিছুমান দেশীয় বিদেশী নাটকৰ অনুবাদেও নতুন ধাৰাৰ আমদানি কৰিছে। বিগত তিনি

দশকৰ ভিতৰত বিকশিত একাংক নাটো আমাৰ সাহিত্যত নতুন ধাৰাৰ সৃষ্টি। প্ৰথমতে কেইখনমান বিশ্ববিখ্যাত একাংকিকাৰ অনুবাদৰ পিছত ভোলা কটকী, তফজ্জুল আলি, ভবেন শইকীয়া, অতুল বৰদলৈ, দুৰ্গেশ্বৰ বৰঠাকুৰ, আব্দুল মজিদ দেউতি বৰুৱা আদি নাট্যকাৰসকলে কেৰাখনো সাৰ্থক একাংক নাট ৰচনা কৰি নতুন ধাৰাৰ প্ৰৱৰ্তন কৰিছে।

এনেদৰে আমাৰ সাহিত্যৰ বিভিন্ন ক্ষেত্ৰত নানা ভাবাদৰ্শৰ সংমিশ্ৰন ঘটিছে আৰু ঘটিবই লাগিছে। এই ক্ষুদ্ৰ আলোচনাত তাৰ আভাষ মাত্ৰ দিয়া হ'ল।

অসমীয়া সাহিত্য আৰু জন-জীৱন

শ্ৰীঅৱনীন্দ্ৰচন্দ্ৰ বৰা

সাহিত্যৰ লগত জন জীৱনৰ এক বিশেষ যোগসূত্ৰ আছে। জন-জীৱনৰ প্ৰতিভূ জন-মানস আৰু এই জন-মানসৰেই অভিব্যক্তি সাহিত্য। সাহিত্যত জন-মানস, প্ৰতিবিম্বিত ন'হলে জন-জীৱনৰ লগত তাৰ সম্পৰ্ক সুদৃঢ় হোৱা সহজ নহয়। অসমীয়া সাহিত্যত জনজীৱনৰ প্ৰতিফলন কেনেভাবে হৈছে, সেইবিষয়ে আলোচনাৰ থল আছে। আমাৰ সাহিত্যত জনজীৱনৰ পৰিচয় প্ৰকাশ পাইছে। আমাৰ সাহিত্য স্ৰষ্টাসকল ক্ৰমে জন-সমাজৰ ওচৰ চাপি আহিছে। আমি এনে ধাৰণা পোষণ কৰিলেও, আমাৰ সাহিত্যত জনগণৰ মৰ্মবেদনা কিমান গভীৰ ভাবে আৰু কিমান আন্তৰিকতাৰে প্ৰকাশ পাইছে ভাবিব লগীয়া কথা। অসমীয়া সাহিত্যত জন-জীৱনৰ এই সম্পৰ্কৰ পম খেদাৰ আগতে আমি চাওঁ সাহিত্যৰ লগতনো জন-জীৱনৰ সম্পৰ্ক কিমান দূৰ, কোনখিনিত?

সাহিত্যৰ লগত জন-জীৱনৰ এই সম্পৰ্ক ভাৱগতই নহয়, বস্তুগতও। ইয়াৰ ভুৰি ভুৰি প্ৰমাণ আছে। এইটো এটা ঐতিহাসিক সত্য যে যেতিয়াই কোনো জন সমাজে সমৃদ্ধি লাভ কৰিছে, তাৰ পূৰ্বে বা পিছত সেই সমাজৰ বা সেই জাতিৰ সাহিত্যও সমৃদ্ধ হৈছে। গ্ৰীকসকলে এসময়ত বিজয় অভিযানত যি সফলতা লাভ কৰিছিল তাৰ মূলত চক্ৰেটিছ্ প্লেটো আৰু এৰিষ্টটলৰ সাহিত্যই কম কাম কৰা নাছিল। ভাৰতৰ মৌৰ্য্য আৰু গুপ্ত যুগৰ অভিবৃদ্ধিত সেই যুগৰ অনুপম সাহিত্যই যোগোৱা বৰঙণিৰ কথা কোনে নেজানে? ইয়াৰ পৰা এই কথাই প্ৰমাণ হয় যে সাহিত্যৰ প্ৰভাৱেৰে জনসমাজ প্ৰভাবান্বিত হয় আৰু কোনো কোনো ক্ষেত্ৰত এই প্ৰভাৱে গভীৰ আৰু স্থায়ী সাঁচ পেলায়। সাহিত্য জন-জীৱনৰ স্বৰূপ প্ৰকাশেই নহয়, জনসমাজৰ গতিবিধিৰো নিৰ্ণায়ক। ৰুচ' আৰু ভলটেয়াৰৰ চিন্তাধাৰাই ফৰাচী বিপ্লৱক প্ৰেৰণা যোগালে; মাৰ্ক্স আৰু লেনিনে ৰুচ সমাজৰ

প্ৰতিচ্ছবিয়েই সলাই পেলালে। এইখোৰেই সাহিত্য আৰু জনসমাজৰ নিবিড় সম্পৰ্কৰ প্ৰমাণ।

জন-সমাজত থাকি, জন-জীবনৰ পৰা সমল আৰু প্ৰেৰণা লৈ সাহিত্যিকে যি সৃষ্টি কৰে, সি কম ফলপ্ৰসূ নহয়। সাহিত্যিক বা লিখক দ্ৰষ্টা; সহজাত শক্তিৰে তেওঁ ভূত—বৰ্ত্তমান ভৱিষ্যত তিনিওটা কালকেই অনুধাৱন কৰে। তেওঁ স্ৰষ্টাও; নিজ কল্পনাৰ শক্তিৰে তেওঁ নতুন আৰু অনুপম জগতৰ সৃষ্টি কৰি সৃষ্টিৰ আনন্দত অভিভূত হয়। তেওঁৰ এই কল্পনাৰ সৃষ্টি যদি জন জীবনৰ অনুকূল হয়, তেন্তে সি জন-সমাজত অনায়াসে প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। এনে ভাবে যেতিয়া জন-জীবনৰ ভাৱ অনুভূতি সাহিত্যিকৰ লিখনীত সঞ্জীৱিত হৈ জনসমাজৰ আগলৈ আহে, তেতিয়া সি জনমানসৰ অক্ষয় সম্পদ হৈ পৰে। যুগ-যুগান্তৰলৈ তাৰ অনুপ্ৰেৰণা বৈ যায়। ৰামায়াণ আৰু মহাভাৰতেই ইয়াৰ অকাট্য প্ৰমাণ নহয় জানো?

জন চেতনা বা জনজীৱনৰ মৰ্মোপলব্ধি আমাৰ সাহিত্যত কিমান দূৰ হৈছে, বিচাৰ কৰি চোৱা যাওক। যুদ্ধোত্তৰ কালৰ পৰা বৰ্তমানলৈকে সাহিত্যৰ যি ক্ৰম বিৱৰ্তন আমাৰ চকুত পৰে, তাৰ মূলতে জানো এই জন চেতনাই নহয়? মহাযুদ্ধৰ বিভীষিকা আৰু বিয়াল্লিছৰ গণ বিপ্লৱত জন মানসৰ যি পৰিৱৰ্তন ঘটিল, সি লিখকসকলৰ মনোজগতকো স্পৰ্শ কৰিলে, ফলত সাহিত্যত তাৰ প্ৰতিক্ৰিয়া প্ৰতিফলিত হ'ল। গণতান্ত্ৰিক শাসন ব্যৱস্থাই ইয়াত ইন্ধন যোগালে। অৱশ্যে জন চেতনাৰ এটা সোঁত আৰু সাহিত্যৰ লগত তাৰ যোগসূত্ৰৰ এটা ধাৰা আগৰে পৰা প্ৰবাহিত হৈ আছিল। মৌখিক সাহিত্যতেই প্ৰথমে এনে চেতনাৰ উন্মেষ হয় বুলিব পাৰি। আমাৰ লোকসাহিত্যৰ ভঁৰালত জানো জন জীৱনৰেই ভাব অনুভূতিবোৰ পুঞ্জীভূত হৈ থকা নাই? বৈষ্ণৱ সাহিত্যৰ যুগতে শঙ্কৰ মাধৱে বিপুল গ্ৰন্থৰাজিৰ মাজেদি জনসাধাৰণক একেখন ধৰাতলত সমবেত কৰিবলৈ যি প্ৰচেষ্টা চলাই গ'ল, তাৰ প্ৰভাৱ জানো জন-সমাজত নপৰাকৈ আছে? পৰৱৰ্ত্তী কালত আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ, গুণাভিৰাম চন্দ্ৰকুমাৰ লক্ষ্মীনাথ, পদ্মনাথ প্ৰমুখ্যে সাহিত্যৰ কৰ্ণধাৰসকলে সাহিত্য সেৱাৰ মাজেদি জনগণৰ অৱৰুদ্ধ চেতনাৰ মুক্তিৰ বাবে যি অক্লান্ত শ্ৰম কৰি গ'ল, সি জানো একেবাৰে অথলে গৈছে? আজিৰ সাহিত্য বিচাৰৰ মাপকাঠিত এই লিখক সকলৰ সাহিত্যকৃতিৰ মূল্যায়ন যিয়েই নহওক লাগে, এইটো নিৰ্বিবাদ সত্য যে যি নিষ্ঠা আৰু আন্তৰিকতাৰে যেজৰুৱাৰ দৰে লিখকে জন-জীৱনৰ চৈতন্যমূলত প্ৰাণ সঞ্চাৰ কৰি গ'ল, তাৰ নিদৰ্শন পিছৰ যুগত বৰ বেছি

বিচাৰি পোৱা নাযায়। নিজৰ সকলো গুণ অৱগুণ লৈ এই সাহিত্যকাৰ সকলে জনগণৰ কথা ভাবিছিল, জনসামজৰ উৎকৰ্ষৰ কথা চিন্তা কৰিছিল আৰু জন-মানসক আগত লৈ লিখনী চলাইছিল। নহলে "চাই লওঁ এবাৰ মুখনি তোমাৰ হেঁপাহ মোৰ পলোৱা নাই" প্ৰাণ উজাৰি দিয়া এনে অভিব্যক্তি সম্ভৱ জানো ?

প্ৰকৃতাথত অসমীয়া সাহিত্যত জন-জীৱনৰ ৰূপায়ণৰ এটা প্ৰবৃত্তি বৈষ্ণৱ যুগৰপৰাই বিকশিত হৈ আহিছে। এই প্ৰবৃত্তিয়েই জোনাকী যুগৰ স্বাক্ষৰ লৈ ভাব জগতৰ উখল-মাখলৰ মাজেদি আগুৱাই আহি যুদ্ধোত্তৰ সাহিত্যত ভিন্ন পথেদি আত্ম-মুক্তিৰ সন্ধান কৰিছে। ইমানেই। এই প্ৰবৃত্তিৰ প্ৰকাশ সাহিত্যৰ সকলো বিভাগতেই হোৱা দেখা গ'ল। উপন্যাস, চুটি গল্প, নাটক আৰু কবিতাত ই বিশেষ ভাৱে প্ৰকট হৈ উঠিল। উপন্যাসৰ ক্ষেত্ৰত ইয়াৰ সুন্দৰ নিদৰ্শন পোৱা গ'ল বিৰিঞ্চিকুমাৰ বৰুৱাৰ 'জীৱনৰ বাটত' নামৰ উপন্যাসখনত। 'জীৱনৰ বাটত, যুদ্ধোত্তৰ অসমীয়া উপন্যাস সাহিত্যৰ প্ৰথম সাৰ্থক সামাজিক উপন্যাস। গ্ৰাম্য জীৱনৰ পৰিৱেশত জন-মানসৰ অভিব্যক্তি সাৱলীল প্ৰকাশ ভঙ্গীৰে এই উপন্যাসত কৰা হৈছে। ঔপন্যাসিকে চৰিত্ৰবোৰ এনেভাবে ফুটাই তুলিছে আৰু অনুভূতিৰ তীব্ৰতা আৰু অন্তৰ্দ্বন্দ্ব এনেভাবে প্ৰকাশ কৰিছে যে চৰিত্ৰবোৰ আমাৰ মুঠেই আচহুৱা বা অচিনাকি যেন নেলাগে, সিহঁতৰ লগত সহজেই আমাৰ আত্মীয়তা গঢ়ি উঠে। এই জীৱনধৰ্মী, অবিস্মৰণীয় উপন্যাসখনৰ পিছত অসমীয়া সাহিত্যত অলেখ উপন্যাস প্ৰকাশ পাইছে। ইয়াৰ সৰহ ভাগ উপন্যাসেই একান্তই ব্যক্তিকেন্দ্ৰিক। এইবোৰত ব্যক্তিগত কামনা-বাসনাৰ প্ৰকাশ, বিলাস-বিভ্ৰম, কৌতূহল আছে, কিন্তু জনজীৱনৰ অকৃত্ৰিম অনুভূতিৰ কোনো পৰিচয় নাই। তাৰ পিছত আঙুলিৰ মূৰত লেখিব পৰা কেইজনমান শক্তিশালী লিখকে কেইখনমান সাৰ্থক উপন্যাস ৰচনা কৰি আমাক অশান্বিত কৰিছে। চৈয়দ আব্দুল মালিকৰ "সূৰুয মুখীৰ স্বপ্ন", দীননাথ শৰ্মাৰ "নদাই" বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ "ইয়াৰুইঙ্গম", যোগেশ দাসৰ "ডাৱৰ আৰু নাই", লক্ষ্মীনন্দন বৰাৰ "গঙা চিলনীৰ পাখি", ইব্ৰাহীম আলিৰ "মাটি আৰু মানুহ", হোমেন বৰগোহাঞিৰ "হালধীয়া চৰায়ে বাওধান খায়", নৱকান্ত বৰুৱাৰ "ককাদেউতাৰ হাড়", নিৰুপমা বৰগোহাঁইৰ "সেই নদী নিৰবধি", নিৰোদ চৌধুৰীৰ "অন্ধ জোনাকী", অমূল্য বৰুৱাৰ "উ-খুন-জংঙা", হিতেশ ডেকাৰ "আজিৰ মানুহ", দেৱেন্দ্ৰ আচাৰ্যৰ "অন্য যুগ অন্য পুৰুষ", ঘনকান্ত গগৈৰ "সোণৰ নাঙল",

লুম্বেৰ দাইৰ "পৃথিবীৰ হাঁহি" প্ৰভৃতি আগশাৰীৰ উপন্যাসৰ ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক অৱস্থাৰ পটভূমিত জন জীৱনৰেই ৰূপায়ণ হৈছে। ইয়াৰ সৰহ ভাগ উপন্যাষতেই ঔপন্যাসিকে জনগণৰ ভাব ভাষাৰে ই কথা কবলৈ চেষ্টা কৰিছে। ই লিখক সকলৰ জন-বাদী দৃষ্টি কোণৰেই পৰিচায়ক। উত্তৰ-পূব সীমান্ত অঞ্চলৰ উদীয়মান ঔপন্যাসিক লুম্বেৰ দাইএ 'পৃথিবীৰ হাঁহি'ৰ পাতনিত কোৱা কথা কেইআষাৰত এনে দৃষ্টিকোণেই প্ৰকাশ পাইছে—"এইবোৰ মানুহ (আদী সমাজৰ মানুহ) মোৰ চিনাকি; কিন্তু সিহঁত মোৰ কাষ চপা নাছিল, মইহে সিহঁতৰ কাষ চাপিছিলো। মোৰ কিন্তু কিবা ডাঙৰ উদ্দেশ্য নাছিল, মোৰ উদ্দেশ্য আছিল সিহঁত য'ত যেনেকৈ আছে, তেনে অৱস্থাত সিহঁতৰ ছবি এখন অঁকা"। জন-জীৱনক বুজিবলৈ আমাৰ ঔপন্যাসিকে কৰা এই চেষ্টা নিশ্চয় প্ৰশংসনীয়। আৰু এটা কথা আমি লক্ষ্য কৰিছোঁ। যে আমাৰ কেবা গৰাকীও উপন্যাসিকে অসমৰ পৰ্বত-ভৈয়ামৰ একো একোটা বিশেষ অঞ্চলৰ জনসমূহৰ জীৱন ছবি উপন্যাসৰ বিষয় বস্তু কৰি লৈছে। আমাৰ সাহিত্যত আঞ্চলিক উপ-ন্যাস ৰচনাৰ এনে প্ৰচেষ্টা শুভ লক্ষণ। অসমীয়া সাহিত্যত প্ৰকাশিত সামাজিক আঞ্চলিক উপন্যাস কেইখনৰ ভিতৰত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ "ইয়াৰুইঙ্গম", নৱকান্ত বৰুৱাৰ "কপিলীপৰীয়া সাধু", ৰাস্না বৰুৱাৰ "সেউজী পাতৰ কাহিনী", নিৰুপমা বৰগোহাঁইৰ "সেই নদী নিৰবধি", সদা মৰলৰ "সোণাপুৰ", লুম্বেৰ দাইৰ "পৃথিবীৰ হাঁহি" আদি উল্লেখযোগ্য। ভ্ৰমণ কাহিনী, ইতিহাস আৰু গল্পৰ সংমিশ্ৰণত গঢ়ি উঠা সাৰ্থক সৃষ্টি "অনন্য প্ৰান্তৰ"ত মেদিনী চৌধুৰীয়ে নামনি আৰু উজনি অসমৰ অঞ্চল বিশেষৰ ঐতিহ্য, পৰিৱেশ আৰু তাৰ পটভূমিত গঢ়ি উঠা জনগণৰ মানসিকতা যেনে আকৰ্ষণীয় আৰু অভিনৱ পদ্ধতিৰে ৰূপায়িত কৰিছে, সি পঢ়ুৱৈৰ মনত গভীৰ ভাবেই সাঁচ বহুৱাই যায়। বিভূতি ভূষণৰ "পথেৰ পাচালী" বা প্ৰেমচন্দৰ "গোদান"ৰ দৰে অবিস্মৰণীয় জনবাদী উপন্যাস আমাৰ সাহিত্যতো ৰচিত হব নোৱাৰে জানো ?

উপন্যাসৰ দৰে গল্প সাহিত্যতো জন-জীৱনৰ ৰূপায়ণ লক্ষ্য কৰিব পাৰি। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'কলঃ আজিও বয়', যোগেশ দাসৰ 'কল পটুৱাৰ মৃত্যু', লক্ষ্মীনন্দন বৰাৰ "অচিন কইনা", নিৰুপমা বৰগোহাঁইৰ "এনথ্ৰপলজিৰ সপোনৰ পিছত", মহিম বৰাৰ 'কাঠনিবাৰী ঘাট'ৰ দৰে গল্পৰ আবেদন সৰ্বাজনীন। এইবোৰ জন-জীৱনৰ মৰ্মোপ-লব্ধিৰ সঁচা অনুভূতিৰে সিক্ত।

কবিতাৰ ক্ষেত্ৰত অৱশ্যে এটা অভিযোগ শুনা যায় যে আমাৰ সৰহ ভাগ কবিতাই- জন-মনক আলোড়িত কৰিব পৰা নাই। এই অভিযোগ একেবাৰে অৰ্থহীন বুলি উৰাই দিব নোৱাৰি। কিন্তু আমি যেতিয়া জ্যোতিপ্ৰসাদ, আম্বিকাগিৰী, কমলাকান্ত, প্ৰসন্নলাল মহেন্দ্ৰ ডেকাফুকন, মফিজুদ্দিনৰ কবিতা পঢ়ো, কবিৰ উদ্দীপনাময় অভিব্যক্তিত জনগণৰ প্ৰতি কবিৰ সহানুভূতি অনুভৱ নকৰাকৈ নেথাকোঁ। জ্যোতি প্ৰসাদৰ প্ৰতি কবিতাই জন মানবৰ প্ৰতি গভীৰ সহানুভূতিৰে সিক্ত। জ্যোতি প্ৰসাদে যেতিয়া কয় "এই দেশতেই জনজীৱনত সোণমনটি সোণ হাঁহিৰে ফুলক", তেতিয়া আমাৰ মনত কবিৰ এটা মূৰ্তৰূপ প্ৰতিভাত হৈ উঠে। জ্যোতি প্ৰসাদৰ জন-জীৱনৰ প্ৰতি এনে গভীৰ আস্থা আৰু বিশ্বাসৰ পৰিচয় পৰৱৰ্ত্তী কালৰ কিমান কবিৰ কবিতাত ধৰা পৰিছে, কব নোৱাৰোঁ। কিন্তু নৱকান্তই যেতিয়া কয়—।

"আমাৰ কৰুণাই সিহঁতৰ তস্কৰ কণ্ঠত
আনি দিব সৃষ্টিৰ বাণী
সিহঁতে তাৰেই ৰচিব সৃষ্টিৰ ৰামায়ণ
সিহঁত ৰত্নাকৰ
সিহঁতক বাল্মীকি কৰাৰ দায়িত্ব আমাৰ।" (এজন বন্ধুলৈ)

বা ধীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যই যেতিয়া লিখে--।

"বিষ্ণুৰাভা সোৱা ঘূৰণীয়া বেলি
ৰঙামুখ ফুটে সঁচা আবেগত
মুক্তিৰ কঁপনি
শেহনিশা সেয়া অখ্যাত জনৰ সমদল সমাগত
সমস্বৰে ফুটে 'পোহৰ পোহৰ'।
জীৱনৰ জয়ধ্বনি।"

(বিষ্ণুৰাভা এতিয়া কিমান ৰাতি)

তেতিয়া আমি সহজ ভাবেই উপলব্ধি কৰিব পাৰোঁ যুদ্ধোত্তৰ কালীন অসমীয়া কবিয়েও জন-জীৱনৰ মৰ্মবেদনা উপলব্ধি নকৰাকৈ থকা নাই।

সাহিত্যৰ মাজেৰে আমি জন-জীৱনৰ ওচৰ চাপিবলৈ হলে আমাৰ সাহিত্যক আমি জনমুখী কৰিব লাগিব। সাহিত্য ৰচিত হব লাগিব সহজ-সৰল, সাৱলীল ভাষাত। জনসাধাৰণে তাক চুকি পোৱা হব লাগিব। সমালোচনাত্মক আৰু সৃজনীমূলক সাহিত্যৰ লগে লগে আশানুৰূপভাবে লোকোপযোগী, ব্যৱহাৰিক সাহিত্যও সৃষ্টি হব লাগিব।

সাহিত্য অনুষ্ঠানৰ অৰিহণা

শ্ৰীগুৰুদত্ত ভাগৱতী

জাতীয় সাহিত্য সৃষ্টিত যে কিছুমান ৰাজহুৱা অনুষ্ঠান বা সংগঠনে যথেষ্ট অৰিহণা যোগাব পাৰে তাৰ নিদৰ্শন আধুনিক অসমীয়া সাহিত্যৰ আৰম্ভণী কালছোৱাতে সুন্দৰকৈ দেখিবলৈ পোৱা গৈছে । কলিকতা নিবাসী অসমীয়া ছাত্ৰসকলৰ অ: ভা: উ: সা: সভাইহে (অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা) আধুনিক অসমীয়া সাহিত্যত প্ৰাণ-সঞ্চাৰ কৰিছিল। তাৰ পিছৰ কালছোৱাতো বহুতো সাংস্কৃতিক আৰু সাহিত্য আলোচনা অনুষ্ঠানে অসমীয়া সাহিত্যলৈ যথাশক্তি বৰঙণি-যোগাই আহিছে । এই অনুষ্ঠানসমূহে সাধাৰণতে দুই প্ৰকাৰে সাহিত্যলৈ বৰঙনি যোগাব পাৰে। প্ৰথমতে সুসংগঠনৰ যোগেদি আলোচনা চক্ৰ (সভা) আদিৰ নিয়মীয়া আয়োজনে এচাম লোকৰ মাজত সাহিত্য চৰ্চাৰ বাবে এটা অনুকূল পৰিৱেশ গঢ়ি তুলিব পাৰে আৰু দ্বিতীয়তে আলোচনা সভাত পঠিত নাইবা অন্যান্য ৰচনাও গ্ৰন্থাকাৰে প্ৰকাশ কৰি সাহিত্য সম্পদ বৃদ্ধি কৰিব পাৰে। চল্লিশৰ দশকৰ পৰা বৰ্ত্তমান কাললৈ,—অৰ্থাৎ সত্তৰৰ দশকৰ আৰম্ভনিলৈ অসমৰ ঠায়ে ঠায়ে বহুতো অনুষ্ঠানে স্বেচ্ছাপ্ৰণোদিতভাবে অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নতিৰ বাবে যথাসাধ্য প্ৰচেষ্টা চলাই আছে। সেই অনুষ্ঠান-সমূহৰ কাৰ্য্যধাৰা আমি কৃতজ্ঞতাৰে সুঁৱৰিব লাগিব। আমি সন্ধেদ পোৱা তাৰে গোটাচেৰেক সাহিত্য আলোচনা অনুষ্ঠানৰ অৰিহণাৰ বিষয়ে চমু আভাষ দিবলৈ যত্ন কৰিছোঁ। অসমৰ গাৱেঁ-চহৰে থকা বহু অনুষ্ঠানৰ নাম নিশ্চয় এই আলোচনাৰ অন্তৰ্ভুক্ত নহব । তাৰ বাবে আগতীয়াকৈ ক্ষমা প্ৰাৰ্থনা কৰিছোঁ ।

ছিলং মুকুল সংঘ :

ছিলং মুকুল সংঘৰ জন্ম হয় ১৯৪৫ চনৰ ২১ জানুৱাৰী, দেওবাৰে আবেলি নাইটুমখ্ৰাৰ 'ছানভিউ' ৰেছুত। সেই ৰেছুত বাস কৰিছিল

সুদক্ষ সংগঠক শ্ৰীঅতুলচন্দ্ৰ বৰুৱাই। শ্ৰীবৰুৱাই তেতিয়া নতুনকৈ এম. এ. পাছ কৰি ছিলং চেক্ৰেটৰীয়েটত কাম কৰিছিল আৰু লগতে এখন কলেজতো অধ্যাপনা কৰিছিল। তেৱেঁই প্ৰথমে শ্ৰীদেবীচৰণ দাস আৰু ৺ভুবন শৰ্মাক লগত লৈ ছিলং পাহাৰৰ ওখ-চাপৰ বাটে বাটে বাটকুৰি বাই মুকুল সংঘৰ গুটি সিচিছিল। সংঘৰ স্থায়ী সভাপতি নিৰ্বাচিত হৈছিল ৺হৰিপ্ৰসাদ বৰুৱা আৰু শ্ৰীঅতুলচন্দ্ৰ বৰুৱাই আছিল তাৰ প্ৰতিষ্ঠাতা সম্পাদক। শ্ৰীবৰুৱাই ক্ৰমে ১৯৪৫ চনৰ পৰা ১৯৪৯ চনলৈ আৰু ১৯৬০ চনৰ পৰা ১৯৬৩ চনলৈ দুবাৰো সুখ্যাতিৰে নিজৰ দায়িত্ব পালন কৰে। তেওঁৰ কাৰ্য্যকালতে আৰু তেওঁৰে সম্পাদনাত ১৯৬১ চনত ছিলং মুকুল সংঘৰ উল্লেখযোগ্য প্ৰকাশন "মুকুল প্ৰকাশ" নামৰ বুজন আকাৰৰ গ্ৰন্থ প্ৰকাশ হয়। তদুপৰি সেই একে বছৰতে শ্ৰীখনীন্দ্ৰ চন্দ্ৰ বৰুৱাই ইংৰাজীতে লিখা আৰু শ্ৰীমুক্তিনাথ বৰদলৈয়ে অসমীয়াৈল অনুবাদ কৰা অসমৰ ভাষা আৰু অধিবাসী বিষয়ক পুস্তিকাখন মুকুল সংঘই প্ৰকাশ কৰি উলিয়ায়। ১৯৬২ চনত চীনৰ ভাৰত আক্ৰমণৰ পৰিপ্ৰেক্ষিতত সংঘৰ সভ্যসকলে দেশবাসীক দেশপ্ৰেমৰ ভাৱত উদ্বুদ্ধ কৰিবলৈ স্বৰচিত প্ৰবন্ধ, চুটিগল্প, কবিতা, নাটিকা আদিৰ এটি সংকলন "হিমালয়ৰ আহ্বান" প্ৰকাশ কৰে। সংকলনটিৰ সম্পাদক আছিল ডক্টৰ প্ৰসন্ন গোস্বামী। এই তিনিখন পুথিয়েই সংঘৰ সামূহিক প্ৰকাশন। কিন্তু ইয়াৰ উপৰিও সংঘৰ সভ্যসকলৰ দ্বাৰা ৰচিত আৰু সংঘৰ আলোচনা চক্ৰত পঠিত ৰচনা-সম্ভাৰেৰে সভ্যসকলে ব্যক্তিগতভাবে কেবাখনো পুথি প্ৰকাশ কৰিছে। এনেদৰেই ছিলং মুকুল সংঘই বিগত তিনিটা দশকত ছিলংবাসী চাকৰিয়াল অসমীয়া সকলক ব্যস্ত জীৱনধাৰাৰ মাজত কিঞ্চিৎ সাহিত্য চৰ্চাৰ অৱকাশ দি আহিছে। খ্যাতনামা সাহিত্যিক শ্ৰীঅতুলচন্দ্ৰ বৰুৱাৰ পিছত ক্ৰমে শ্ৰীগণেশচন্দ্ৰ ফুকন, শ্ৰীমতী সুপ্ৰভা গোস্বামী, শ্ৰীগুৰুদত্ত ভাগৱতী আৰু শ্ৰীদেবীচৰণ দাসে সুখ্যাতিৰে সংঘৰ সম্পাদকৰ দায়িত্ব বহন কৰে। ভীষ্মপ্ৰতিম ৺হৰিপ্ৰসাদ বৰুৱাই সভাপতি স্বৰূপে সদায় সংঘৰ গুৰি ধৰি আছিল। সাহিত্যসেৱাৰ উপৰিও ছিলং মুকুল সংঘই সদায় অন্যান্য সমাজ হিতকৰ কামতো আগভাগ লৈছিল। অসমীয়া ভাষা-সাহিত্য সংস্কৃতিৰ বহুতো কৃতী পুৰুষ এই অনুষ্ঠানৰ সৈতে জড়িত আছিল।

ছিলঙৰ অন্যান্য অনুষ্ঠান :

ছিলঙত মুকুল সংঘৰ পিচতে ছিলং সাহিত্য কানন আৰু ৰূপালীম সাংস্কৃতিক সন্থাৰ নাম লব লাগিব। সাহিত্য কাননৰ জন্ম হয় ১৯৫৮ চনৰ চেপ্তেম্বৰ মাহত। প্ৰতিষ্ঠাতা সম্পাদক শ্ৰীৰাজেন্দ্ৰনাথ

হাজৰিকা আৰু প্ৰথম বৈঠকৰ সভাপতি আছিল শ্ৰীপুলিনবিহাৰী বৰঠাকুৰ। এই অনুষ্ঠানটিয়ে ইয়াৰ সভ্যসকলৰ উপৰিও অসমৰ লব্ধপ্ৰতিষ্ঠ সাহিত্যিক আৰু শিল্পীসকলক নিয়মন্ত্ৰণ কৰি বৈঠক পাতি আহিছে। সাহিত্য কাননৰ ফালৰ পৰা দুখন কিতাপো প্ৰকাশ হোৱা বুলি জানিব পৰা গৈছে। ৰূপালীম সাংস্কৃতিক সংস্থা ছিলঙৰ অন্যতম বিশিষ্ট এই অনুষ্ঠানে সাংস্কৃতিক অনুষ্ঠান। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ পুণ্যস্মৃতি বিজড়িত ১৯৬৭ চনৰ ১৭ জানুৱাৰীত ৰূপকোঁৱৰৰ মৃত্যু বাৰ্ষিকী উপলক্ষে "জ্যোতিপ্ৰতিভা" নামেৰে মূল্যবান গ্ৰন্থখন প্ৰকাশ কৰে। ১৯৬৩ চনৰ ১৭ জানুৱাৰীত ৰূপালীম সাংস্কৃতিক সংস্থাৰ প্ৰতিষ্ঠা হয়। স্থায়ী সভাপতি শ্ৰীধৰ্মেশ্বৰ দাস আৰু প্ৰতিষ্ঠাতা সম্পাদক আছিল শ্ৰীঅমিয় শৰ্মা। বৰ্ত্তমান সাধাৰণ সম্পাদক শ্ৰীকুল বৰা।

সবিতা সভা, গুৱাহাটী :

গুৱাহাটীৰ সবিতা সভা অসমৰ এটি বিশিষ্ট সাহিত্য আলোচনা অনুষ্ঠান। ১৯৫০ চনত স্থাপিত এই অনুষ্ঠানৰ প্ৰথম সভাপতি আৰু সম্পাদক আছিল ক্ৰমে বিহগী কবি ৺ৰঘুনাথ চৌধাৰী আৰু শ্ৰীনিৰেন শৰ্মা। কবিচৌধাৰীৰ স্বৰ্গগমনৰ পিছৰেপৰা অধ্যাপক অতুলচন্দ্ৰ হাজৰীকাদেৱে সবিতা সভাৰ সভাপতি স্বৰূপে গুৰি ধৰি আছে। বৰ্ত্তমান সময়লৈ (১৯৭৩) কাৰ্য্যনিৰ্বাহ কৰা সম্পাদকসকল হ'ল শ্ৰীনিৰেন শৰ্ম্মা, ডঃ হৰিশ্চন্দ্ৰ ভট্টাচাৰ্য্য, অধ্যাপক হৰিনাথ শৰ্ম্মা, শ্ৰীশুভচন্দ্ৰ বৰুৱা, অধ্যাপক হেমন্ত শৰ্মা, শ্ৰীকনক ডেকা, অধ্যাপক গোবিন্দ শৰ্মা আৰু অধ্যাপক ৰামচৰণ ঠাকুৰীয়া। যোৱা কুৰি বছৰমানৰ ভিতৰতে সবিতা সভাই কেবাখনো মূল্যবান গ্ৰন্থ প্ৰকাশ কৰি অসমীয়া সাহিত্যলৈ যথেষ্ট বৰঙণি আগ বঢ়াইছে। তলত সেই গ্ৰন্থসমূহৰ তালিকা দিয়া হ'ল :

(১) বেজবৰুৱাৰ সাহিত্য প্ৰতিভা (ডঃ হৰিশ্চন্দ্ৰ ভট্টাচাৰ্য সম্পাদিত);
(২) গোহাঞিবৰুৱাৰ সাহিত্য-প্ৰতিভা (ডঃ হৰিশ্চন্দ্ৰ ভট্টাচাৰ্য সম্পাদিত);
(৩) জীৱনীমালা (লিখক শ্ৰীজিতেন্দ্ৰনাথ বুঢ়াবৰুৱা আৰু অধ্যক্ষ ত্ৰৈলোক্যনাথ গোস্বামী);
(৪) নেওগ-তৰ্পন : ৺ডিম্বেশ্বৰ নেওগলৈ শ্ৰদ্ধাঞ্জলি (অধ্যাপক অতুলচন্দ্ৰ হাজৰীকা সম্পাদিত);
(৫) বৰজৰা (লিখক--শ্ৰীঅতুলচন্দ্ৰ হাজৰীকা)
(৬) অনুবাদ সাহিত্য (লিখক—৺জ্ঞাননাথ বৰা);
(৭) চৌধাৰীৰ সাহিত্য-প্ৰতিভা (শ্ৰীনিৰেন শৰ্মা সম্পাদিত)।

গ্ৰন্থ প্ৰকাশৰ উপৰি সবিতা সভাই নিয়মীয়াকৈ আলোচনা চক্ৰ বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰি সাহিত্যসেৱীসকলক সক্ৰিয়ভাবে উদগণি যোগাই আছে ।

গুৱাহাটীৰ আন এটি উল্লেখযোগ্য অনুষ্ঠান হ'ল 'গুৱাহাটী আলোচনা চক্ৰ' । ১৯৫৫ চনৰ ফেব্ৰুৱাৰী মাহত শ্ৰীঅতুলচন্দ্ৰ বৰুৱাই তেখেতৰ চানমাৰীত থকা নিজা বাসভবনত গুৱাহাটীৰ কেইগৰাকীমান সাহিত্যিক আৰু সাহিত্যানুৰাগী লোকক নিমন্ত্ৰণ কৰি এই অনুষ্ঠানৰ পাতনি মেলিছিল । শ্ৰীবৰুৱাই আছিল সেই অনুষ্ঠানৰ প্ৰতিষ্ঠাতা সম্পাদক । পিছলৈ ক্ৰমে ডঃ প্ৰফুল্লদত্ত গোস্বামী, ডঃ কালীনাথ শৰ্মা, শ্ৰীমহেন্দ্ৰ ভট্টাচাৰ্য আৰু ডঃ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্যই সম্পাদকৰ দায়িত্ব বহন কৰিছে । বৰ্তমানলৈ গুৱাহাটী আলোচনা চক্ৰৰ তিনিশ পঞ্চাশৰো অধিক বৈঠক হৈ গৈছে যদিও এতিয়ালৈ কোনো উল্লেখযোগ্য গ্ৰন্থ প্ৰকাশ হোৱা নাই । সম্প্ৰতি আলোচনা চক্ৰত পঠিত ৰচনাসমূহৰ এটি বুজন ধৰণৰ সংকলন প্ৰকাশৰ প্ৰস্তুতি চলিছে বুলি গম পোৱা গৈছে । গুৱাহাটীৰ প্ৰায় সকলো খ্যাতনামা সাহিত্যিকেই কম-বেছি পৰিমাণে এই অনুষ্ঠানেৰে সৈতে জড়িত হৈছে ।

গুৱাহাটী মহানগৰীত বৰ্তমান বহুতো সাহিত্য আলোচনা অনুষ্ঠানে গঢ় লৈ উঠিছে । সময়ৰ নাটনিত সেই সকলো অনুষ্ঠানৰে বিশদ বিৱৰণ দিয়া সম্ভৱ নহ'ল । কোনো অনুষ্ঠানৰ উল্লেখযোগ্য গ্ৰন্থ প্ৰকাশো চকুত নপৰিল । মাথোন এটি অনুষ্ঠানৰ কথা এই প্ৰসংগত উল্লেখ কৰা উচিত হব—, সেইটো হৈছে ৺বিৰিঞ্চিকুমাৰ বৰুৱাই প্ৰতিষ্ঠা কৰা 'অসম একাডেমী' (Assam Academy for Cultural Relations) । এই অনুষ্ঠানটিয়ে এতিয়ালৈ ভালে কেইখন অনুবাদ আৰু মৌলিক ৰচনা প্ৰকাশ কৰিছে । "বৈদিক যুগ", "ভাৰতত হিন্দু মুছলমানৰ যুক্ত সাধনা", "সাহিত্য সঞ্চয়" (সংকলন), "বিবিধ মানব" (ভুবনমোহন দাস), "ভাৰতীয় চাৰুকলাৰ চিনাকি" (নৰকান্ত বৰুৱা), "Sankardeva : Vaisnava Saint of Assam (Dr. B. K, Barua) ইত্যাদি অসম একাডেমীৰ কেইখনমান উল্লেখযোগ্য গ্ৰন্থ । অসমীয়া আৰু ইংৰাজী ভাষাৰ উপৰি অসম একাডেমীয়ে বঙলা, খাচী, গাৰো আৰু লুচাই ভাষাতো কেইখনমান পুস্তিকা প্ৰকাশ কৰিছে । এই অনুষ্ঠানে "জোনবাই" নামেৰে এখনি শিশু আলোচনীও প্ৰকাশ কৰিছিল । বৰ্তমান বন্ধ হৈছে । ইংৰাজী ভাষাত প্ৰকাশিত সাময়িক পত্ৰিকা "The Assam quarterly" আৰু "The Assam Review" দুখনো অসম একাডেমীৰ দুৱন

মূল্যবান প্ৰকাশন । সম্প্ৰতি একাডেমীয়ে কেইখনমান সৰ্বভাৰতীয় খ্যাতি সম্পন্ন গ্ৰন্থৰ অনুবাদ প্ৰকাশৰ কাম হাতত লোৱা বুলি গম পোৱা গৈছে । এই অনুষ্ঠানে সময়ে সময়ে বিভিন্ন বিষয়ে আলোচনা চক্ৰৰো আয়োজন কৰিছে ।

অন্যান্য অনুষ্ঠান :

উল্লিখিত অনুষ্ঠানসমূহৰ উপৰিও অসমৰ প্ৰায়বোৰ চহৰতে এক বা একাধিক সাহিত্য আলোচনা অনুষ্ঠান আছে । তাৰে কোনো কোনো অনুষ্ঠানে দুই এখন গ্ৰন্থও প্ৰকাশ কৰিছে । ১৯৫০ চনত প্ৰতিষ্ঠিত বৰ্ত্তিয়া আলোচনী সভাই "অতীত আৰু বৰ্তমান" নামেৰে এখনি গ্ৰন্থ প্ৰকাশ কৰিছে । গ্ৰন্থখন সম্পাদনা কৰিছে শ্ৰীঅতুলচন্দ্ৰ বৰুৱা, শ্ৰীপ্ৰাণেশ্বৰ শৰ্মা আৰু শ্ৰীতিৰণী শৰ্মাই । এই অনুষ্ঠানটিয়ে নিয়মীয়াকৈ বিশিষ্ট সাহিত্যিক সকলক নিমন্ত্ৰণ কৰি আলোচনা চক্ৰ পাতি আছে । ১৯৪৫ চনত সংগঠিত নলবাৰী সাহিত্য সমাজ বৰ্তমান সময়লৈ নিয়মীয়াকৈ চলি থকা এটি অনুষ্ঠান । এই অনুষ্ঠানৰ প্ৰতিষ্ঠাতা সভাপতি অধ্যক্ষ ত্ৰৈলোক্যনাথ গোস্বামী আৰু সম্পাদক আছিল ৺ভৱানন্দ দত্ত । সাহিত্যৰ উপৰিও এই অনুষ্ঠানত সঙ্গীত আৰু চিত্ৰকলাৰ চৰ্চাও কৰা হয় । ১৯৬৬ চনত নলবাৰীত হোৱা অসম সাহিত্য সভাৰ বাৰ্ষিক অধিবেশনৰ সময়ত নলবাৰী সাহিত্য সমাজৰ ফালৰ পৰা "এইয়া নলবাৰী" নামৰ এখনি গ্ৰন্থ প্ৰকাশ কৰে । বৰ্তমান এই অনুষ্ঠানৰ সম্পাদক অধ্যাপক শশী শৰ্মাৰ উদ্যোগত এটি সাংস্কৃতিক সংগ্ৰহালয় প্ৰতিষ্ঠাৰ আয়োজন চলিছে । যোৰহাট সাহিত্য সেৱী চ'ৰাই ১৯৫৩ চনৰ পৰাই ন-পুৰণি বিশিষ্ট সাহিত্যিকসকলক লৈ সাহিত্য আলোচনা সভা পাতি আছে । ১৯৫৬ চনত প্ৰকাশিত গল্প সংকলন "মেঘমল্লাৰ" খনেই এই চ'ৰাৰ উল্লেখযোগ্য প্ৰকাশন । সংকলনটি সম্পাদনা কৰিছিল শ্ৰীহেমন্ত বৰদলৈ আৰু শ্ৰীযাদব বৰদলৈয়ে । যোৰহাটৰ আন এটি উল্লেখযোগ্য সাহিত্য অনুষ্ঠান হ'ল 'চিন্তামণি চক্ৰ' । এই অনুষ্ঠানটিয়েও ১৯৬৪ চনৰ পৰাই সাহিত্য আলোচনাসভাৰ আয়োজন কৰি আহিছে । ডিব্ৰুগড় আলোচনা চক্ৰয়ো বহুদিনৰেপৰা বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰি থকাৰ কথা গম পোৱা গৈছে । মঙ্গলদৈতো সুৰভি সমাজ নামেৰে এটি অনুষ্ঠানে আলোচনা চক্ৰ আদি পতাৰ সম্ভেদ

পোৰা গৈছে। এনেদৰে অসমৰ প্ৰায়বোৰ চহৰতে এটি দুটি সাহিত্য চৰ্চাৰ অনুষ্ঠান আছে। নিচেই তাকৰীয়া সময়ৰ ভিতৰত সেই সকলোবোৰৰ বিষয়ে তথ্য-পাতি সংগ্ৰহ কৰা সম্ভৱ নহ'ল। ভৱিষ্যতে সুবিধা পালে এই বিষয়ে পূৰ্ণাঙ্গ আলোচনা কৰাৰ হাবিয়াস থাকিল।

মধ্য বিংশ শতিকাৰ অসমীয়া সাহিত্য

লিখকসকল

পদ্মশ্ৰী ডঃ মহেশ্বৰ নেওগ

ডঃ সত্যেন্দ্ৰ নাথ শৰ্মা

অধ্যক্ষ তীৰ্থনাথ শৰ্মা

অধ্যক্ষ ত্ৰৈলোক্য গোস্বামী

মধ্য বিংশ শতিকাৰ অসমীয়া সাহিত্য লিখকসকল

ডঃ প্ৰফুল্লদত্ত গোস্বামী

ছৈয়দ আব্দুল মালিক

ডঃ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য

ডঃ কালীনাথ শৰ্মা

মধ্য বিংশ শতিকাৰ অসমীয়া সাহিত্য
লিখকসকল

শ্ৰীমুক্তি নাথ বৰদলৈ

শ্ৰীঅতুল চন্দ্ৰ বৰুৱা

অধ্যাপক যোগেশ দাস

অধ্যাপক নন্দ তালুকদাৰ

মধ্য বিংশ শতিকাৰ অসমীয়া সাহিত্য লিখকসকল

অধ্যক্ষ আব্দুছ চাত্তাৰ

ডঃ হৰিনাথ শৰ্মাদলৈ



অধ্যাপক শশী শৰ্মা

শ্ৰীঅবনীন্দ্ৰচন্দ্ৰ বৰা

মধ্য বিংশ শতিকাৰ অসমীয়া সাহিত্য
লিখকসকল



অধ্যাপক বীৰেন্দ্ৰনাথ দত্ত

শ্ৰীঅৰুণ শৰ্মা

মঃ ইমদাদ উল্লাহ

শ্ৰীসুৰেন গোস্বামী

মধ্য বিংশ শতিকাৰ অসমীয়া সাহিত্য
লিখকসকল

অধ্যাপক হেমন্ত শৰ্মা



শ্ৰীযতীন গোস্বামী

শ্ৰীগুৰুদত্ত ভাগৱতী

অধ্যাপক হৰিদত্ত শৰ্মা

লিখক পৰিচিতি

ডক্টৰ মহেশ্বৰ নেওগ

অসম সাহিত্যৰ সভাৰ মঙ্গলদৈ অধিবেশনৰ (১৯৭৪) সভাপতি ডক্টৰ মহেশ্বৰ নেওগৰ জন্ম শিৱসাগৰৰ ওচৰৰ কমাৰফদীয়া গাঁৱত (ইং ১৯১৮, ৭ চেপ্তেম্বৰ) ১৮৩৯ শকৰ ২১ ভাদত। ১৯৩৪ খৃঃ ত যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা প্ৰথম বিভাগত চাৰিটা লেটাৰ আৰু ষ্টাৰ (* M. mvl) সহ প্ৰবেশিকা, ১৯৩৬ খৃঃত প্ৰথম বিভাগত আই-এছ্-চি, ১৯৩৯ খৃঃত ইংৰাজীত অনাৰ্চ সহ কটন কলেজৰ পৰা বি, এ, আৰু ১৯৪৭ খৃঃত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া ভাষা সাহিত্যত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ এম. এ. পাছ কৰে।

প্ৰথমতে যোৰহাট চৰকাৰী হাইস্কুল, যোৰহাট মিশন হাইস্কুল আৰু শিৱসাগৰ ফুলেশ্বৰী হাইস্কুলত সহকাৰী শিক্ষক (১৯৩৯-৪৪) আৰু ১৯৪৪ খৃঃৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ট্ৰাষ্ট বোৰ্ডৰ অফিচ চেক্ৰেটাৰী ৰূপে কাৰ্য্য নিৰ্বাহ কৰিছিল।

১৯৪৮ খৃঃৰ ডিচেম্বৰ মাহৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক, ১৯৫৭ খৃঃৰ পৰা ৰিডাৰ আৰু ১৯৬৫ খৃঃৰ পৰা জৱহৰলাল নেহৰু অধ্যাপক। বৰ্ত্তমান গুৱাহাটী বিশ্ববিদ্যালয়ৰ কলাগুৰু।

১৯৬০ খৃঃৰ পৰা ১৯৬৫ খৃঃলৈ অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক। ১৯৫৯ খৃঃত নগাওঁ আৰু ১৯৬৭ খৃঃত ডিব্ৰুগড়ত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিবেশনৰ আলোচনা চক্ৰৰ সভাপতি। ১৯৬৭ খৃঃ, ১৯৬৮ খৃঃ আৰু ১৯৭২ খৃঃ উপ-সভাপতি ; ১৯৭৪ খৃঃৰ ফেব্ৰুৱাৰীত মঙ্গলদৈত অনুষ্ঠিত একচল্লিশ অধিবেশনৰ সভাপতি। নেওগদেৱৰ স্বৰচিত

আৰু সম্পাদিত পুথিৰ সংখ্যা প্ৰায় চাৰিকুৰি। তাৰ ভিতৰত 'অসমীয়া সাহিত্যৰ ৰূপৰেখা', 'শ্ৰীশ্ৰীশঙ্কৰদেৱ' প্ৰাচ্য শাসনাৱলী' 'সত্ৰীয়া নৃত্য' 'পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি' 'সীমান্ত আৰু সাংস্কৃতি আদি উল্লেখযোগ্য। পুৰণি পুথি অধ্যয়ণ আৰু সম্পাদনা নেওগদেৱৰ আনএটা উল্লেখযোগ্য অৱদান। নেওগদেৱে কেবাখনো ইংৰাজী পুথিও ৰচনা কৰিছে। জয়ন্তী ছাত্ৰমহল (১৯৩৮–৩৯) ৰামধেনু (১৯৪৯-৫০) ঝঙ্কাৰ (১৯৫৩-৫৪, ১৯৫৪-৫৫) The Journal of the University of Gauhati (১৯৫৮ খৃঃৰ পৰা বৰ্ত্তমানলৈ) ডক্টৰ নেওগ সম্পাদিত আলোচনী।

ডক্টৰ সত্যেন্দ্ৰনাথ শৰ্মা

ডক্টৰ সত্যেন্দ্ৰনাথ শৰ্মাৰ ১৯১৭ খৃঃত শিৱসাগৰৰ ওচৰৰ জাঁজীত জন্ম। জাঁজী হাইস্কুলৰ পৰা ১৯৩৪ খৃঃত প্ৰবেশিকা, কটন কলেজৰ পৰা ১৯৩৬ খৃঃত প্ৰথম বিভাগত আই, এ, ১৯৩৯ খৃঃত ডিষ্টিংচন লৈ বি, এ, আৰু ১৯৪১ খৃঃত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ অসমীয়াত এম, এ, আৰু ১৯৫৫ খৃঃত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডি, ফিল ডিগ্ৰী লাভ কৰে।

১৯৪২ খৃঃৰ পৰা কটন কলেজত অধ্যাপনা, ১৯৪৯ খৃঃৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক, ১৯৫৬ খৃঃৰ পৰা ৰিডাৰ, ১৯৬৪ খৃঃৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ শ্ৰেণী সমূহৰ সচীব, ১৯৬৭ খৃঃৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰবীন্দ্ৰ অধ্যাপক।

'অসমীয়া সাহিত্যৰ ইতিবৃত্ত', 'অসমীয়া নাট্য সাহিত্য' (১৯৬২) অসমীয়া উপন্যাসৰ ভূমিকা' (১৯৬৫)'পৰম্পৰাগত প্ৰাচ্য নাট্যাভিনয় (১৯৭০) 'অসমীয়া কাহিনী কাব্যৰ প্ৰবাহ' (১৯৭০) 'সাহিত্যৰ আভাস' Neo- Vaisnavite Movement and The Satra Institution of Assam (১৯৬৬) আদি ডক্টৰ শৰ্মাৰ ৰচিত গ্ৰন্থ। এইখিনিৰ বাহিৰেও 'গীত গোবিন্দ, 'কথা ৰামায়ণ' 'কথাগীতা' আদি পুৰণি বহুমূলীয়া গ্ৰন্থ সম্পাদনা কৰিছে।

অসম সাহিত্য সভা পত্ৰিকাৰ ষোড়শ, অষ্টাদশ আৰু উনবিংশ বছৰ ডক্টৰ শৰ্মাই সম্পাদনা কৰিছিল।

শ্ৰীমহেন্দ্ৰ বৰঠাকুৰ

কথা সাহিত্যিক মহেন্দ্ৰনাথ বৰঠাকুৰৰ ১৯৩৭ খৃঃৰ ১ চেপ্টেম্বৰত শিৱসাগৰৰ মহখুটী গাঁৱত জন্ম। ১৯৫৩ খৃঃত যোৰহাট পলিটেকনিক স্কুলৰ পৰা প্ৰবেশিকা, যোৰহাট জগন্নাথ বৰুৱা কলেজৰ পৰা ১৯৫৫ খৃঃত আই, এ আৰু ১৯৫৮ খৃঃত বি, এ, পাছ কৰে।

১৯৫৮ খৃঃৰ পৰা মাকুম গোপালকৃষ্ণ উচ্চ ইংৰাজী বিদ্যালয়ৰ সহকাৰী প্ৰধান শিক্ষক, ১৯৬৭ খৃঃৰ পৰা গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ কথিকা বিভাগৰ সহকাৰী সম্পাদক।

উদাসী সন্ধ্যা (১৯৬১), বেগম পাৰা (১৯৬৫) আৰু বেলি ফুল (১৯৭১) বৰঠাকুৰৰ তিনিখন উপন্যাস আৰু পনীয়া সোণৰ দেশ (১৯৫৯) শিশু গ্ৰন্থ।

জন্ম (১৯৭২), নিগনি (১৯৭১), পিপা (১৯৭৩), শিৱনাথ ইতিকথা (১৯৭০), চাতক (১৯৭১) আদি বৰঠাকুৰ ৰচিত নাটক।

শ্ৰীনলিনীধৰ ভট্টাচাৰ্য্য

১৯২২ চনত যোৰহাটৰ ওচৰৰ মেলেং কাঠগাঁৱত জন্ম। কাকজান হাইস্কুলৰ পৰা ১৯৪০ চনত প্ৰবেশিকা আৰু যোৰহাটৰ জগন্নাথ বৰুৱা কলেজৰ পৰা ১৯৪২ চনত আই'এ. পাছ কৰে। গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ পৰা প্ৰাইভেটকৈ ১৯৫৪ চনত বি-এ আৰু ১৯৫৯ চনত এম-এ ডিগ্ৰী লাভ কৰে। ১৯৫৪ চনতে পৰা কাকজান হাইস্কুলত শিক্ষক আছিল। ১৯৬০ চনৰ পৰা চেণ্ট এন্থনি কলেজত আৰু ১৯৬৩ চনৰ পৰা আৰ্য্য বিদ্যাপীঠ কলেজত অধ্যাপনা কৰে।

'জয়ন্তী' যুগৰে পৰা খ্যাতনামা কবি শ্ৰীভট্টাচাৰ্য্যৰ গ্ৰন্থ আকাৰত প্ৰকাশিত ৰচনা এতিয়ালৈ নাই। বিভিন্ন কাকতত তেওঁৰ চিন্তাশীল প্ৰবন্ধ প্ৰকাশ হৈ আছে।

শ্ৰীহীৰেন্দ্ৰনাথ দত্ত

একেবাৰে বিশিষ্ট আধুনিক কবি আৰু কাব্য সমালোচক। প্ৰকাশিত গ্ৰন্থ নাই। বিভিন্ন আলোচনী কাকতত কবিতা আৰু সমালোচনামূলক

প্ৰবন্ধ প্ৰকাশ হৈছে। শ্ৰীদত্ত বৰ্ত্তমান গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ইংৰাজী বিভাগৰ অন্যতম অধ্যাপক।

শ্ৰীহৰিদত্ত শৰ্মা

১৯৩৩ চনত নলবাৰীৰ নন্দগাৱঁত শ্ৰীশৰ্মাৰ জন্ম। ১৯৫৪ চনত গঙ্গাপুখুৰী বৰকুৰিহা হাইস্কুলৰ পৰা প্ৰবেশিকা, ১৯৫৮ চনত নলবাৰী কলেজৰ পৰা স্নাতক আৰু ১৯৬৩ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম, এ, ডিগ্ৰী লাভ কৰে। ১৯৬৩ চনৰ পৰা নলবাৰী কলেজত অধ্যাপনা কৰি আছে। সেউজী কাননৰ 'আত্ম পৰিচয়' (সম্পাদিত) আৰু 'প্ৰবৰ্ত্তনা' নামৰ দুখন গ্ৰন্থ শ্ৰীশৰ্মাই বৰ্ত্তমানলৈ প্ৰকাশ কৰিছে। অসমীয়া কবিতাৰ ওপৰত ইংৰাজীৰ প্ৰভাব সম্পৰ্কে গৱেষণা কৰিছে।

ডক্টৰ মহেন্দ্ৰ বৰা

কবি-সমালোচক ডক্টৰ মহেন্দ্ৰ বৰাৰ ১৯২৯ খৃঃৰ ২২ আগষ্টত টিংখঙত জন্ম। ডিব্ৰুগড় চৰকাৰী হাইস্কুলৰ পৰা প্ৰবেশিকা, কটন কলেজৰ পৰা আই-এ আৰু ইংৰাজীত অনাৰ্চ লৈ বি, এ, পাছ কৰে। কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী সাহিত্যত এম, এ, ডিগ্ৰী লাভ কৰে।

প্ৰথমেত দৰং কলেজত পিচত ডিব্ৰুগড় কানৈ কলেজ আৰু কটন কলেজত অধ্যাপনা। গোৱালপাৰা কলেজ আৰু বিলাসীপাৰা কলেজত অধ্যক্ষ। ১৯৭৩ খৃঃত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক (বিডাৰ)।

জাতিস্মৰ (১৯৬১), এই নদীয়েদি (কবিতা), অসমীয়া কবিতাৰ ছন্দ (১৯৬২), আৰু 'ফুল তৰা গান' আলোচনা গ্ৰন্থ। ডনকুইকচোট, গালিভাৰ, নীলাসাগৰৰ সাধু অনুবাদ গ্ৰন্থ।

নতুন কবিতা (১৯৫৫) 'দেশে দেশে' গল্প (১৯৭২) সম্পাদিত গ্ৰন্থ।

সম্পাদক 'মণিদীপ" (১৯৬৬)

অধ্যক্ষ ত্ৰৈলোক্যনাথ গোস্বামী

অধ্যক্ষ ত্ৰৈলোক্যনাথ গোস্বামীৰ জন্ম নলবাৰী সত্ৰত ১৯০৬ খৃঃৰ ১৮ ফাল্গুনত। ১৯২৬ খৃঃত নলবাৰী গৰ্ডণ হাইস্কুলৰ পৰা প্ৰথম বিভাগত

প্ৰবেশিকা, ১৯২৮ খৃঃত কটন কলেজৰ পৰা প্ৰথম বিভাগত আই, এ; ১৯৩০ খৃঃত দৰ্শণত অনাৰ্চ লৈ কটন কলেজৰ পৰা বি, এ, আৰু ১৯৩২ খৃঃত কটণ কলেজৰ পৰাই ইংৰাজী সাহিত্যত এম, এ, আৰু গুৱাহাটী আৰ্লি ল কলেজৰ পৰা বি, এল, ডিগ্ৰী লাভ কৰিছিল।

প্ৰথমতে কলিকতা অক্সফোৰ্ড ইউনিভাৰচিটি প্ৰেছৰ সহকাৰী পিচত পিচত নলবাৰী গৰ্ডন হাইস্কুল, যোৰহাট, ধুবুৰী আদিত হাইস্কুলৰ সহকাৰী শিক্ষক আৰু উত্তৰ গুৱাহাটী কমলদেৱ ইনিষ্টিটিউচনৰ প্ৰধান শিক্ষক। কটন কলেজ আৰু চিলেটৰ মুৰাৰীচাঁদ কলেজত অধ্যাপনা। ১৯৪৫ খৃঃ পৰা নলবাৰী কলেজৰ প্ৰতিষ্ঠাতা অধ্যক্ষ। ১৯৬৮ খৃঃৰ ১ অক্টোবৰত অৱসৰ গ্ৰহণ।

১৯৬০ খৃঃত পলাশবাৰীত অনুষ্ঠিত অসম সাহিত্য সভাৰ অষ্টাবিংশ আৰু ১৯৬১ খৃঃত গোৱালপাৰাত অনুষ্ঠিত উনত্ৰিংশ সন্মিলনৰ সভাপতি। ১৯৬৬ খৃঃত উত্তৰ লক্ষীমপুৰত অনুষ্ঠিত সাহিত্য সভাৰ ত্ৰয়োবিংশ সন্মিলনৰ আলোচনা চক্ৰৰ আৰু ১৯৬৫ খৃঃত নলবাৰীত অনুষ্ঠিত দ্বাত্ৰিংশ সন্মিলনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি।

অৰুণা (১৯৪৮), মৰীচিকা (১৯৪৮), শিল্পীৰ জন্ম, জীৱনৰ জীয়া জুই, ১৯....গোস্বামী ডাঙৰীয়াৰ চুটিগল্প সংকলন আৰু 'জীয়া মানুহ' ব্যঙ্গাত্মক উপন্যাস।

সাহিত্য আলোচনা (১৯৬১), ইংৰাজী সমালোচনাৰ ধাৰা আৰু অসমীয়া সাহিত্যত ইয়াৰ প্ৰভাৱ (১৯৭০), সাহিত্য কলা আৰু তাৰ বিচাৰ (১৯৭২), সমুদ্ৰ মন্থন গোস্বামী ডাঙৰীয়াৰ সমালোচনাৰ পুথি।

আধুনিক গল্প সাহিত্য (১৯৬৫) পুথিখনৰ বাবে ১৯৬৫ খৃঃৰ অসম সাহিত্য সভাৰ শ্ৰেষ্ঠ পুথি বঁটা আৰু ১৯৬৭ খৃঃৰ সাহিত্য একাডেমী বঁটা লাভ কৰিছিল।

প্ৰবন্ধ চয়ন (১৯৬৫) আৰু অসমীয়া গল্প সংকলন ১৯.. সম্পাদিত পুথি। 'মন্দাকিনী' গোস্বামী ডাঙৰীয়াৰ সম্পাদিত তিনিমহীয়া আলোচনী।

ইমদাদ উল্লাহ

গোৱালপাৰা জিলাৰ কাৰবিপাৰা গাঁৱত ১৯৩৯ চনত মঃ উল্লাহৰ জন্ম। ১৯৫৪ চনত প্ৰবেশিকা, ১৯৫৬ চনত কটন কলেজৰ পৰা স্নাতক আৰু ১৯৬৬ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী সাহিত্যত

স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। স্থানীয় স্কুলৰ শিক্ষকতা, আৰ্য্য বিদ্যা-পীঠ কলেজৰ অধ্যাপনা আৰু পিচত সাংবাদিকতা কৰাৰ অভিজ্ঞতা থকা মঃ উল্লাহ বৰ্ত্তমান অসম প্ৰকাশন পৰিষদৰ সহঃ সচিব পদত অধিষ্ঠিত। কেবাখনো আলোচনীত প্ৰকাশিত তেওঁৰ পুথি সমালোচনা, প্ৰবন্ধ, অনু-বাদ আদি বিবিধ ৰচনাই সাহিত্য-প্ৰেমী পাঠকৰ সমাদৰ লাভ কৰিছে।

শ্ৰীমুনীন বৰকটকী

কথা-সাহিত্যিক-সমালোচক মুনীন বৰকটকীৰ ১৯১৬ খৃঃৰ কাতিত যোৰহাট চহৰত জন্ম। যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা প্ৰবেশিকা, জে-বি কলেজৰ পৰা আই, এ, আৰু কটন কলেজৰ পৰা ডিষ্টিংচন সহ ১৯৩৮ খৃঃত বি, এ, ডিগ্ৰী লাভ। ঢাকা বিশ্ববিদ্যালয়ত ইংৰাজী সাহিত্যত এম, এ, অধ্যয়ন।

যোৰহাট মিলন হাইস্কুলকে আদি কৰি চৰকাৰী হাইস্কুলত শিক্ষকতা। ১৯৩৫ খৃঃত দৈনিক বাতৰি, ১৯৩৯ খৃঃত বাঁহী (মাধৱ বেজবৰুৱাৰ সতে), ১৯৪৯ খৃঃত দৈনিক অসমীয়া, সাদিনীয়া আসাম ত্ৰিবিউন (ডিব্ৰুগড়) আদি সংবাদ পত্ৰৰ লগত সাংবাদিক স্বৰূপে জড়িত।

দ্বিতীয় মহাযুদ্ধৰ সময়ত 'আমাৰ অসমৰ' সহকাৰী সম্পাদক, ১৯৪৮ খৃঃৰ পৰা অস্থায়ী সঞ্চালক, ১৯৫০ খৃঃৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ সহকাৰী তথ্য পদাধিকাৰী, আৰু গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ বাৰ্ত্তা সম্পাদক কাৰ্য্য-নিৰ্বাহ।

বিভিন্ন আলোচনীত চুটি গল্প আৰু বিবিধ আলোচনামূলক প্ৰবন্ধ প্ৰকাশ। আবাহনত প্ৰকাশিত 'কণফেশ্যন' উল্লেখযোগ্য ব্যক্তিমুখী ৰচনা।

শ্ৰীতিলক হাজৰিকা

বিশিষ্ট কথা-সাহিত্যিক আৰু সাংবাদিক শ্ৰীতিলক হাজৰীকা বৰ্ত্তমান 'অসমবাণী'ৰ সহকাৰী সম্পাদক। তেখেতৰ বৰ্ত্তমানলৈ প্ৰকাশিত পুথি "আড্ডা" (১৯৫৮) আৰু "কত কথা" (১৯৬০)।

ডক্টৰ হীৰেণ গোহাঁই

ডক্টৰ হীৰেণ গোহাঁইৰ ১৯৩৯ খৃঃৰ ১ মাৰ্চত গুৱাহাটীত জন্ম। গুৱাহাটী কলেজীয়েট হাইস্কুলৰ পৰা ১৯৫৫ খৃঃত বিশ্ববিদ্যালয়ৰ ভিতৰত

দ্বিতীয় স্থান, ইংৰাজী আৰু অসমীয়াত সৰ্বোচ্চ নম্বৰ, চাৰিটা লেটাৰ, আৰু ষ্টাৰ (MmvL) সহ প্ৰৱেশিকা, কটন কলেজৰপৰা বিশ্ববিদ্যা-লয়ৰ ভিতৰত তৃতীয় স্থান, ইংৰাজীত সৰ্বোচ্চ নম্বৰসহ ১৯৫৭ খৃঃত আই.এ., কলিকতা প্ৰেচিডেন্সী কলেজৰপৰা ইংৰাজীত দ্বিতীয় শ্ৰেণী, অনাৰ্চ সহ ১৯৫৮ খৃঃত বি.এ., দিল্লী বিশ্ববিদ্যালয়ৰপৰা ইংৰাজীত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ, ১৯৬২ খৃঃত এম.এ., আৰু ইংলণ্ডৰ কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰপৰা ১৯৬৭ খৃঃত পি, এইচ্-ডি ডিগ্ৰী লাভ কৰে।

প্ৰথমতে ১৯৬২ খৃঃৰ পৰা দিল্লী বিশ্ববিদ্যালয়ৰ অধীনত কে, এম কলেজত অধ্যাপনা, ১৯৬৯ খৃঃত কিছুদিন ডিব্ৰুগড় বিশ্ববিদ্যালয়ত পিচত গুৱাহাটী বিশ্ববিদ্যালয়ত ইংৰাজী সাহিত্যৰ অধ্যাপক, বৰ্তমান উক্ত বিভাগৰ বিভাৰ।

সাহিত্য সত্য (১৯৭০), সমাজ আৰু সমালোচনা (১৯৭১), কেৱল মানুহৰ আছে গান (১৯৭১), বাস্তৱৰ স্বপ্ন (১৯৭২), আৰু সৃষ্টি আৰু যুক্তি (১৯৭২), ডক্টৰ গোহাঁই ৰচিত গ্ৰন্থ।

প্ৰচিডিংচ্ অব দি ইণ্ডিয়ান ইনষ্টিটিউট্ অব্ এডভান্স ষ্টাডিছ্, চোচিয়েল চাইন্টিষ্ট, কলিকতাৰ ফ্ৰন্টিয়াৰ আৰু বহেৰ কমাৰ্চ আদি আলোচনীত ডক্টৰ গোহাঁইৰ ভালেমান তথ্য-সমৃদ্ধ মূল্যবান প্ৰৱন্ধ প্ৰকাশ হৈছিল। বৰ্তমান তেখেত 'নতুন পৃথিৱী'ৰ সম্পাদক (১৯৭১) খৃঃৰ নৱেম্বৰৰ পৰা।

শ্ৰীসত্যপ্ৰসাদ বৰুৱা

১৯১৯ চনত শ্ৰীবৰুৱাৰ জন্ম হয়। ১৯৩৮ চনত তেখেতে কটন কলেজৰ পৰা বি.এ. আৰু ১৯৪১ চনতে আৰ্ল ল কলেজৰ পৰা বি-এল ডিগ্ৰী লাভ কৰে। প্ৰথমতে পুথি প্ৰকাশন আৰু ব্যৱসায়ৰ অবিয়তে কৰ্ম-জীৱনৰ পাতনি মেলে। ১৯৪৮ চনৰ পৰা আকাশবাণী আৰু ১৯৬৫ চনত অসম চৰকাৰৰ তথ্য আৰু জন-সংযোগ বিভাগত যুটীয়া সঞ্চালক পদৰ দায়িত্ব গ্ৰহণ কৰে। বৰ্তমান তেখেতে তথ্য-জনসংযোগ আৰু সাংস্কৃতিক—এই দুয়োটাৰ সঞ্চালক পদত কাম কৰি আছে। 'চাকৈ চকোৱা' (১৯৪০), শিখা, (১৯৫৭,) 'জ্যোতি ৰেখা' (১৯৫৮), 'আনাৰ কলি', 'কুনাল কাঞ্চন' 'বাগা দিন' (১৯৫৭), 'কল্পনাৰ মৃত্যু' (১৩৯৯-৪০), 'শাশ্বতী' ইত্যাদি সামাজিক আৰু বুৰঞ্জীমূলক বিবিধ নাটৰ উপৰিও শ্ৰীবৰুৱাই 'বনহংসী' (১৯৬১), 'ৰজা ইডিপাচ' (১৯৬৪) নামৰ অনুবাদ

আৰু 'নাটক আৰু অভিনয় প্ৰসঙ্গ (১৯৬১) শীৰ্ষক প্ৰবন্ধ পুথি আদি কেইখনো গ্ৰন্থ প্ৰকাশ কৰিছে।

শ্ৰীঅৰুণ শৰ্মা

১৯৩২ চনত জন্ম। তেজপুৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰৱেশিকা, কটন কলেজৰপৰা আই.এ. আৰু বি.এ. ডিগ্ৰী লয়। প্ৰথমতে মধ্য ছয়দুৱাৰ হাইস্কুলত শিক্ষকতা কৰে। ১৯৬০ চনৰপৰা আকাশবাণীৰ গুৱাহাটী কেন্দ্ৰৰ প্ৰযোজক স্বৰূপে কাম কৰি আছে। অনাতাঁৰ প্ৰযোজনা সম্পৰ্কে বি-বি-চিত প্ৰশিক্ষণপ্ৰাপ্ত।

'উৰুখা পঁজা', 'জিণটি', 'শ্ৰীনিবাৰণ ভট্টাচাৰ্য্য' (১৯৬৬ চনত সাহিত্য সভাৰ পুৰস্কাৰ প্ৰাপ্ত) আৰু 'পুৰুষ' বৰ্তমানলৈ প্ৰকাশিত নাটক। প্ৰায় ত্ৰিশখনমান ৰেডিঅ' নাট ৰচনা কৰিছে।

ডক্টৰ প্ৰফুল্লদত্ত গোস্বামী

ডক্টৰ প্ৰফুল্লদত্ত গোস্বামীৰ ১৯২১ খৃঃৰ মাৰ্চ মাহত পলাশবাৰীৰ ওচৰৰ নহিৰা সত্ৰত জন্ম। গুৱাহাটী কলেজীয়েট স্কুলৰপৰা ১৯৩৬ খৃঃত প্ৰবেশিকা, কটন কলেজৰপৰা ১৯৩৮ খৃঃত আই-এ আৰু ১৯৪০ খৃঃত ইংৰাজীত অনাৰ্চ সহ বি-এ আৰু ১৯৪৪ খৃঃত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী সাহিত্যত এম-এ, আৰু ১৯৫৫ খৃঃত গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা ডি-ফিল ডিগ্ৰী লাভ কৰিছিল।

প্ৰথমতে ১৯৪১ খৃঃত চিলঙৰ লাবান হাইস্কুলৰ শিক্ষক, ১৯৪২ খৃঃত চিলঙৰ সচিবালয়ত, ১৯৪৪ খৃঃত জে-বি কলেজৰ অধ্যাপক, ১৯৪৫ খৃঃত কটন কলেজত অধ্যাপনা।

১৯৪৮ খৃঃৰ নবেম্বৰৰপৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক, ১৯৫৯ খৃঃত ৰিডাৰ আৰু ১৯৭২ খৃঃত অধ্যাপক (professor) ১৯৬৬ খৃঃত যুক্তৰাজ্যৰ ইণ্ডিয়ানা বিশ্ববিদ্যালয়ৰ ভিজিটিং প্ৰফেচৰ।

কেঁচা পাতৰ কঁপনি (১৯৫২), উপন্যাস, বিলাতী হোজা, নিতে নব ৰূপ তাৰ (১৯৫৯) চুটিগল্প, বিলাতত সাতমাহ (১৯৫৯)।

সাহিত্য জীৱন (১৯৫৫), অসমীয়া জন-সাহিত্য (১৯৪৮), অসম দেশৰ সাধু (১৯৫৫), ৰজা (১৯৬৪) Ballads and Tales of Assam (১৯৫৪) আদি গোস্বামী দেৱৰ গ্ৰন্থ।

বাৰ মাহৰ তেৰ গীত (১৯৬২), মণিকোঁৱৰ আৰু ফুলকোঁৱৰ (১৯৭১), বড়ো কছাৰী ছ'ল (১৯৭২)।

প্ৰথম বছৰৰ পৰা ১৯৬৭ খৃঃ লৈ ডক্টৰ গোস্বামী Journal of the Gauhati Universityৰ সম্পাদক।

আসাম একাডেমী আৰু আসাম একাডেমীৰ মুখপত্ৰ The Assam Quarterlyৰ ১৯৬১ খৃঃৰ পৰা কিছু কাল সম্পাদক।

শ্ৰীশশী শৰ্মা

১৯৩৩ চনত নলবাৰী অঞ্চলৰ জানিগোগ গাঁৱত শ্ৰীশৰ্মাৰ জন্ম। নলবাৰী গৰ্ডন হাইস্কুলৰ পৰা ১৯৫০ চনত মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৫১ চনৰে পৰা বিভিন্ন স্কুলত শিক্ষকতা কৰিও ১৯৫৪ চনত বি,এ, আৰু ১৯৫৭ চনত অসমীয়াত এম,এ, ডিগ্ৰী লাভ কৰে। বৰ্তমান শ্ৰীশৰ্মাই নলবাৰী কলেজত অসমীয়া বিভাগত অধ্যাপনা কৰে।

'কৃতি ছাত্ৰ দীনেশ মিশ্ৰ' (১৯৫৬), 'দৃষ্টিপাত' (১৯৬৫), 'নলবাৰী আৰু সাহিত্য সংস্কৃতি' (১৯৬৫), 'ৰসৰাজ বেজবৰুৱা' (১৯৬৮), 'সাহিত্য সৃষ্টি' (১৯৬৯), 'নলবাৰী অঞ্চলত অভিনয় কলাৰ ক্ৰমবিকাশৰ ধাৰা' (১৯৭০), 'সাহিত্যৰথী পদ্মনাথ গোঁহাইবৰুৱা' (১৯৭১), 'লেনিন, ৰুচ-বিপ্লৱ আৰু ভাৰত' (১৯৭১), 'পণ্ডিত হেমচন্দ্ৰ গোস্বামী' (১৯৭১), 'সময়ে থাক পাহৰি যাব' (১৯৭৩) আদি শৰ্মাৰ ৰচিত গ্ৰন্থ।

শ্ৰীঅতুলচন্দ্ৰ বৰুৱা

শ্ৰীঅতুলচন্দ্ৰ বৰুৱাৰ ১৯১৯ খৃঃৰ ১মাৰ্চত মঙ্গলদৈ মহকুমাৰ ছিপাঝাৰৰ ওচৰৰ মাৰৈ গাঁওত জন্ম।

মঙ্গলদৈ চৰকাৰী হাইস্কুলৰ পৰা প্ৰথম বিভাগত লেটাৰ সহ বৃত্তি লাভ কৰি ১৯৩৬ খৃঃত প্ৰবেশিকা, কটন কলেজৰ পৰা ১৯৩৮ খৃঃত প্ৰথম বিভাগত আই,এ, ১৯৪০ খৃঃত বি,এ, আৰু কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ১৯৪৪ খৃঃত অসমীয়া বিভাগত দ্বিতীয় শ্ৰেণীত প্ৰথম স্থান অধিকাৰ কৰি এম-এ মহলাত উঠে।

প্ৰথমতে ১৯৪০ খৃঃৰ পৰা কামৰূপ একাডেমী স্কুলত শিক্ষক, ১৯৪৫ খৃঃৰ পৰা চিলং চেন্টমেৰী আৰু চেন্ট এডমাণ্ড কলেজত অধ্যাপনা,

১৯৪৯ খৃঃৰ পৰা অসম চিভিল চাৰ্ভিচত যোগদান, ১৯৫৮ খৃঃৰ পৰা ই এ,চি, ১৯৬৯ খৃঃৰ পৰা এছ-ডি-অ, ১৯৭২; খৃঃৰ পৰা কামৰূপ জিলাৰ অতিৰিক্ত উপায়ুক্ত।

সাহিত্য সম্পৰ্কীয় আলোচনা চক্ৰ আদি কিছুমানৰ তেওঁেত প্ৰতিষ্ঠাপক সম্পাদক।

সাহিত্যৰ ৰূপৰেখা (১৯৫৩); সাহিত্য দৃষ্টি (১৯৫৯); সাহিত্য জীৱন (১৯৬৫), মদন বসন্ত (১৯৬১) লোক, দেৱতা শিৱ, (১৯৬৭) প্ৰজাপতিৰ নিৰ্বন্ধ (১৯৫৭), অসমীয়া কাব্যত প্ৰেমৰ যোৱতী সুঁতি (১৯৭০), নবীকথা আদি শ্ৰীবৰুৱাৰ ৰচিত গ্ৰন্থ।

চিন্তাধাৰা (১৯৩৯), কাব্যপ্ৰভা (১৯৪২), মুকুল প্ৰকাশ (১৯৬১), হিমালয়ৰ আহ্বান (১৯৬১), অতীত আৰু বৰ্ত্তমান (১৯৫৩), শৰৎ চন্দ্ৰ গোস্বামী (১৯৪৬), নীলবৰুৱাৰ সম্পাদিত পুথি।

ডক্টৰ হৰিনাথ শৰ্মা দলৈ

নলবাৰীৰ ওচৰত বৰমুৰিকোণা গাঁৱত ১৯৩৩ চনত জন্ম। ডঃ শৰ্মাদলৈয়ে গজাপুখুৰী বৰকুৰিহা উচচ ইংৰাজী স্কুলৰ পৰা ১৯৬৪ চনত প্ৰৱেশিকা, ১৯৪৮ চনত নলবাৰী কলেজৰ পৰা আই-এ, ১৯৫১ চনত কটন কলেজৰ পৰা বি, এ, আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৫৪ চনত অসমীয়াত এম-এ ডিগ্ৰী লয়। ১৯৭১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা 'শক্তিজিম এণ্ড শাক্ত লিটাৰেচাৰ ইন আসাম' গ্ৰন্থৰ ওপৰত ডি-ফিল ডিগ্ৰী লাভ কৰে। ১৯৫৫ চনৰ পৰা বৰ্ত্তমানলৈ তেখেতে বৰপেটা মাধৱ চৌধুৰী কলেজত অধ্যাপনা কৰি আছে। শৰ্মাদলৈৰ প্ৰকাশিত গ্ৰন্থসমূহ হ'ল — 'কথা ভাগৱত' ১ম স্কন্ধ (সম্পাদিত-১৯৬৭), 'কথা-ভাগৱত'-১০ম স্কন্ধ (সঃ ১৯৬০), 'ৰাম-বিজয় নাট' (সঃ ১৯৬১), 'পাৰিজাত হৰণ নাট' (সঃ ১৯৬২), 'সাহিত্য আৰু সংস্কৃতি' (প্ৰবন্ধ সংকলন ১৯৬৫), 'ভাগৱতৰ সাধু' (শিশু সাহিত্য, ১৯৫৬), 'কথা-ভাগৱত-২য় আৰু ৩য় স্কন্ধ (সঃ১৯৬৭), আৰু 'অকণিৰ নাৰী মহিমা' (শিশু সাহিত্য, ১৯৭২)।

শ্ৰীনন্দ তালুকদাৰ

নন্দ তালুকদাৰৰ ১৯৩৫ খৃঃৰ ৭ জুনত সৰভোগৰ ওচৰৰ ভেৰভেৰী গাঁৱত জন্ম। বৰনগৰ হাইস্কুল, সোণাৰাম হাইস্কুল, কটন কলেজ আৰু

বি. বৰুৱা কলেজ শিক্ষানুষ্ঠান। বি-বৰুৱা কলেজৰ পৰা অসমীয়াত অনাৰ্চ সহ ১৯৬০ খৃঃত বি-এ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৬২ খৃঃত এম, এ, ডিগ্ৰী লাভ কৰে।

প্ৰথমতে শিলঙৰ শঙ্কৰদেৱ কলেজত, পিচত ১৯৬৩ খৃঃৰ পৰা পাণ্ডু কলেজত অধ্যাপনা।

কবি আৰু কবিতা (১৯৬৯), অসমীয়া সাহিত্য বিচিত্ৰা (১৯৭২), আলোচনা গ্ৰন্থ আৰু বনফুলৰ কবি দুৰৱা (১৯৭০), হেমবৰুৱাৰ ব্যক্তিত্ব আৰু প্ৰতিভা (১৯৭১) আৰু কণকলাল বৰুৱা (১৯৭২) তালুকদাৰৰ ৰচিত জীৱনী।

অমূল্য বৰুৱাৰ কবিতা সংকলন 'অচিনা' (১৯৬৬), চন্দ্ৰ স্মৃতি (১৯৬৭), নীলমণি ফুকণৰ 'মানস কন্যা' (১৯৭২), কণকলাল বৰুৱা ৰচনাৱলী (১৯৭৩), বি-বৰুৱা কলেজ আলোচনী ষষ্ঠভাগ (১৯৫৭), তালুকদাৰ সম্পাদিত পুথি আলোচনী।

ৰৌদ্ৰ নীলিমা (১৯৬৯) ডিম্বেশ্বৰ নেওগ স্মৃতি গ্ৰন্থ, ৰঘুনাথ চৌধুৰী স্মৃতি গ্ৰন্থ, অম্বিকাগিৰী স্মৃতি-গ্ৰন্থ অসম সাহিত্য সভাৰ পঞ্চাশ বছৰ, অসম কলেজ শিক্ষক সংস্থা পত্ৰিকা দ্বিতীয় ভাগ যুটীয়া ভাবে সম্পাদিত পুথি।

শ্ৰীযোগেশ দাস

কথা-সাহিত্যিক যোগেশ দাসৰ ১৯২৭ খৃঃত ডুমডুমাৰ ওচৰত হাঁহচৰা চাহ-বাগিচাত জন্ম।

ডিব্ৰুগড় জৰ্জ ইন্‌ষ্টিটিউচন হাইস্কুলৰ পৰা ১৯৪৯ চনত দ্বিতীয় বিভাগত প্ৰবেশিকা, কটন কলেজৰ পৰা ১৯৪৭ চনত প্ৰথম বিভাগত আই এ, ১৯৪৯ চনত বি-এ, আৰু ১৯৫২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়াত দ্বিতীয় শ্ৰেণীৰ প্ৰথম হৈ এম, এ, মহলাত উঠে।

প্ৰথমতে ডুমডুমা হাইস্কুলত শিক্ষক (১৯৪৯) নতুন অসমীয়াৰ সহকাৰী সম্পাদক, 'দৈনিক অসম' সহকাৰী সম্পাদক আৰু শেষত বি, বৰুৱা কলেজৰ অধ্যাপক। সঁহাৰি পাই (১৯৫২), ডাৱৰ আৰু নাই (১৯৫৫), জোনাকীৰ জুই (১৯৫৯), নিৰুপায় (১৯৬৩), এমুঠি ধুলি (১৯৬৫), হেজাৰ ফুল (১৯৬৭), ছাঁ জুই খেদি (১৯৬৯), পোহৰৰ কালে (১৯৬৮), উৎকণ্ঠ উপকণ্ঠ (১৯৭০), নেদেখা জুইৰ ধোঁৱা (১৯৭২), অবৈধ (১৯৭২) উপন্যাস,

পপীয়া তৰা (১৯৫৬), আন্ধাৰৰ আঁৰে আঁৰে (১৯৫৮), ত্রিবেণী (১৯৬৩), মদাৰৰ বেদনা (১৯৬৩), হাজাৰ লোকৰ ভিৰ (১৯৬৫), অনুদিত চিকাৰ কাহিনী বনে বনে (১৯৭১), Folklore of Assam (১৯৭২), আমাৰ কবি আদি শ্রীদাসৰ ৰচিত গ্রন্থ।

গল্পৰ কুৰি (৬০) সম্পাদিত পুথি।

সম্পাদক 'প্রহৰী'।

ছৈয়দ আব্দুল মালিক

ছৈয়দ আব্দুল মালিকৰ ১৯১৯ খৃঃত ডেৰগাঁওৰ ওচৰৰ নাহঁৰণিত জন্ম। যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা ১৯৩৭ খৃঃত প্রবেশিকা, কটন কলেজৰ পৰা ১৯৩৯ খৃঃত আই-এ, ১৯৪১ খৃঃত ইংৰাজীৰ অনার্চ সহ বি-এ আৰু ১৯৫১ খৃঃত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়াত এম-এ ডিগ্রী লাভ কৰিছিল।

প্রথমতে এক্সাইজ ইন্সপেক্টৰ ১৯৪১, চিভিলিয়ান চেন্সৰ ১৯৪২, টিউটৰ জগন্নাথ বৰুৱা কলেজ ১৯৪৫, প্রোগ্রেম এচিষ্টেন্ট গুৱাহাটী অনাতাঁৰ কেন্দ্র ১৯৪৭, শিক্ষক টেকিয়াল হাইস্কুল ১৯৪৯, প্রধান শিক্ষক কুৱাল গুৰি হাইস্কুল, অধ্যাপক জগন্নাথ বৰুৱা কলেজ ১৯৫১ চনৰ পৰা

বেদুইন (১৯৪৮), সাক্ষৰ (১৯৬৭), কবিতা, পৰশমনি (১৯৪৬), এজনী নতুন ছোৱালী (১৯৫২), ৰঙাগৰা (১৯৫৩), মৰহা পাপৰী (১৯৫৪) অস্থায়ী অন্তৰা (১৯৬৫) ছুয়নৰৰ প্রশ্নৰ উত্তৰ (১৯৬৮), বহুত বেদনা এটোপা চকুলো (১৯৬৬), শিল আৰু শিখা (১৯৬৯) প্রাণাধিকা (১৯৬৮) আদি গল্প অথবা আন্ধাৰ কাহিনী (১৯৬৯) ৰথৰ চকৰি ঘূৰে, বনজুই (১৯৫৮) ছবিঘৰ (১৯৫৯), সূৰুয মুখীৰ স্বপ্ন, জীয়া জুৰিৰ ঘাট (১৯৬০), অমৰ মায়া (১৯৭১), আধাৰ শিলা (১৯৬৬), শিখৰে শিখৰে (১৯৬৩), মৰম মৰম লাগে (১৯৬২), ওমলা ঘৰৰ টুলি (১৯৬৪), বিহ মেটেকাৰ ফুল (১৯৬৯), ৰজনী গন্ধাৰ চকুলো (১৯৬৭), প্রাচীৰ আৰু প্রান্তৰ (১৯৬৮) পহনৰা হাবিৰ বাট আৰু জেতুকা পাতৰ দৰে (১৯৭১) কবিতাৰ নাম লাভা (১৯৬৯), খোৱা নিদান (১৯৭১), সোনালী সূতাৰে বন্ধা, এটা সূৰ্য্য এখন নদী আৰু এখন মৰুভূমী, ৰূপ তীৰ্থৰ যাত্রী ১ম (১৯৬৩), দ্বিতীয় খণ্ড (১৯৬৫) আদি উপন্যাস, আলহী ঘৰ (১৯৪৭) ৰাজদ্রোহী (১৯৫৩) নাটক মালিকৰ ৰচনা।

শ্ৰীকমল গগৈ

জন্ম ১৯২৭ চন ;
স্থান — হাবৰতী গাওঁ, নাৰায়ণপুৰ, উত্তৰ লক্ষীমপুৰ।
শিক্ষা — উত্তৰ লক্ষীমপুৰ চৰকাৰী হাইস্কুল, গুৱাহাটী বিশ্ববিদ্যালয়ৰ, বাণিজ্য বিষয়ৰ স্নাতকোত্তৰ ডিগ্ৰী।
বৃত্তি সাংবাদিকতা।

দৈনিক অসমীয়া, সাপ্তাহিক অসমীয়া, শান্তিদূত, কংগ্ৰেছ, নতুন অসমীয়া আৰু দৈনিক অসম। বৰ্ত্তমান 'দৈনিক অসম'ৰ সহকাৰী সম্পাদক।

শ্ৰীযতীন গোস্বামী

১৯২৭ চনত পাটাছাৰকুছিত জন্ম। পাটাচাৰকুছি হাইস্কুলৰ পৰা প্ৰবেশিকা, গুৱাহাটী কটন কলেজত আই-এ আৰু নেপালৰ ত্ৰিভুবন বিশ্ব-বিদ্যালয়ৰ পৰা বি,এ, ডিগ্ৰী লাভ কৰে। অসম শিল্প সংগ্ৰহালয়ৰ কিউৰেটৰ, শ্ৰীগোস্বামীৰ কল্পনাৰ ছবি 'টৌ বেতিয়া আহে' (১৯৫১) মাটিৰ বুকুত' (১৯৫২) উপন্যাস, 'ভাৰন্ত সংবাদ', কবিতাপুথি (১৯৫২) ধূলি হে ধূলি (১৯৫৮) 'অলপ মেঘ' (১৯৬৩) চুটিগল্প, 'বুঢ়া আৰু সাগৰ', 'বিচাৰ' (১৯৬৮) 'বাগমতী দেখিছোঁ' (ভ্ৰমণ কাহিণী)। 'অসম কেশৰী অম্বিকাগিৰী' শ্ৰীমতী ৰেণু গোস্বামীৰ স'তে যুটীয়াভাবে (১৯৬৭,) 'পিং পিং পক্ষৰাৰ গাড়ী-মটৰ' শিশু-সাহিত্য, ১৯৬২ 'অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাস' (১৯৭২) 'নতুন গল্প' 'গল্প প্ৰবাহ', 'মালবিকা' 'ঝঙ্কাৰ', 'মাতৃভূমি' আদিৰ লিখক আৰু সম্পাদক। তেখেতে 'নতুন প্ৰবাহ' আৰু বহিমলা' ছদ্ম নামৰে দুখন আলোচনী সম্পাদনা কৰি আছে।

শ্ৰীবীৰেন্দ্ৰনাথ দত্ত

১৯৩৫ চনত নগাৰত জন্ম। গোৱালপাৰাৰ চৰকাৰী হাইস্কুলৰ পৰা ১৯৫০ চনত প্ৰবেশিকা আৰু কটন কলেজৰ পৰা ১৯৫২ চনত আই-এছচি, পাছ কৰে। ১৯৫৪ চনত বিশ্বভাৰতীৰ (শান্তিনিকেতন) পৰা অনাৰ্চ-সহ বি.এ. আৰু ১৯৫৬ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম. এ.,

ডিগ্ৰী লাভ কৰে। সম্প্ৰতি গোৱালপাৰাৰ লোকসংস্কৃতি সম্পৰ্কে গৱেষণা সমাপ্ত কৰিছে। বৰ্ত্তমান, বি. বৰুৱা কলেজৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰধান অধ্যাপক। শ্ৰীদত্ত এগৰাকী প্ৰতিথযশা সংগীত শিল্পীও।

বিভিন্ন কাকতত বিভিন্ন বিষয়ে প্ৰবন্ধ প্ৰকাশ হৈছে। এতিয়ালৈ গ্ৰন্থ আকাৰত ওলোৱা নাই।

শ্ৰীসুৰেন গোস্বামী

১৯৪৫ চনত পাটাচাৰকুছিত জন্ম। গুৱাহাটী প্ৰথমিক শিক্ষা লৈ পাটাচাৰকুছি বিদ্যাপীঠৰ পৰা প্ৰবেশিকা পৰীক্ষা পাছ কৰে ১৯৬৫ চনত। ১৯৬৯ চনত বি.বৰুৱা কলেজৰ পৰা বি.এ. আৰু ১৯৭২ চনত বাণীকান্ত বি.টি. কলেজৰ পৰা বি.টি. ডিগ্ৰী লাভ কৰে।

শ্ৰীগোস্বামী এজন উদীয়মান যুব লিখক। বিভিন্ন কাকতত তেওঁৰ সংগীত-সংস্কৃতি সম্পৰ্কীয় প্ৰবন্ধ প্ৰকাশ হৈছে। এতিয়ালৈ প্ৰকাশিত গ্ৰন্থ নাই।

শ্ৰীমুক্তিনাথ বৰদলৈ

অসমৰ বিশিষ্ট সঙ্গীতজ্ঞ আৰু গীতিকাৰ শ্ৰীবৰদলৈয়ে কিছুদিনৰ আগতে চৰকাৰী চাকৰীৰ পৰা অৱসৰ গ্ৰহণ কৰি ছিলঙত বাস কৰিছে। অসমৰ সঙ্গীত ক্ষেত্ৰত তেখেতৰ অৱদানৰ বাবেই অসম সাহিত্য সভাৰ নলবাৰী অধিৱেশনত সঙ্গীত শাখাত সভাপতি নিৰ্বাচিত হৈছিল। এতিয়ালৈকে প্ৰকাশিত গীতৰ পুথি গুঞ্জন (১৯৬০), কুমকুম আৰু ফুল-চন্দন (১৯৬৭)।

শ্ৰীহেমন্ত কুমাৰ শৰ্মা

হেমন্ত কুমাৰ শৰ্মাৰ ১৯৩২ খৃঃ নলবাৰীৰ মহকুমাৰ পিপলিবাৰী গাওঁত জন্ম। নলবাৰী গৰ্ডন হাইস্কুলৰ প্ৰবেশিকা, কানাই কলেজৰ পৰা ১৮৫৩ খৃঃত অসমীয়াত অনৰ্চ সহ বি.এ. আৰু ১৯৫৭ খৃঃত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়াত দ্বিতীয় শ্ৰেণীৰ প্ৰথম হৈ এম.এ. ডিগ্ৰী লাভ কৰে।

প্ৰথমতে দুমদমা হাইস্কুলৰত সহকাৰী শিক্ষক (১৯৫৩,) গুৱাহাটী জিলা পুথি ভৰালৰ গ্ৰন্থাগাৰিক (১৯৫৫,) আৰু ১৯৫৮ খৃঃ পৰা শ্ৰীশৰ্মা কটন কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক।

অসমীয়া সাহিত্যত দৃষ্টিপাত (১৯৬৪) কাবেৰীৰ পাৰে পাৰে (১৯৬৩) অসমীয়া সাহিত্যৰ বেঙনি (৬৭) অধ্যাপক শৰ্মাৰ ৰচিত পুথি ।

চুটি গল্প সংকলন (১৯৫৬) সাহিত্য সমীক্ষা (৬৪) নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্প (১৯৬৩) চোৰধৰা, পিপৰা গুছোৱা বুৰুৱা (৬৪) বীণাৰ ঝঙ্কাৰ (৬৪) ৰজনী বৰদলৈ ৰচনাৱলী (৬৭) অসমীয়া লোক গীতি সকলন (৭২) কামৰূপ বঙ্গমালা (১৯৭৪) শ্ৰীশৰ্মাৰ সম্পাদিত গ্ৰন্থ ।

১৯৬৩ খৃঃত নাজিৰাত অনুষ্ঠিত অসম সাহিত্য সভাৰ ত্ৰিংশ সম্মিলনৰ পৰা দুবছৰ কাল সহকাৰী সম্পাদক আৰু ১৯৭৩ খৃঃত ৰঙিয়াত অনুষ্ঠিত চত্বাৰিংশ অধিবেশনৰ পৰা অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক স্বৰূপে কাৰ্য্য নিৰ্ব্বাহ কৰে ।

অধ্যক্ষ তীৰ্থনাথ শৰ্মা

অধ্যক্ষ তীৰ্থনাথ শৰ্মাৰ জন্ম ১৯১১ খৃঃত ২৩ নৱেম্বৰ, ১৮৩৩ শক ৬ কাতি শিৱসাগৰৰ ওচৰৰ জাঙী গাঁৱত ।

তেজপুৰ চৰকাৰী হাইস্কুলৰপৰা ১৯২৯ খৃঃত প্ৰথম বিভাগত প্ৰবেশিকা, কটন কলেজৰ পৰা ১৯৩৪ খৃঃত সংস্কৃতত অনাৰ্চ সহ বি.এ আৰু ১৯৩৭ খৃঃত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা সংস্কৃতত এম এ ডিগ্ৰী লাভ কৰে ।

১৯৩৮ খৃঃৰ পৰা কলিকতা বিশ্ববিদ্যালয়ৰ অসমীয়া এম এ শ্ৰেণীৰ অধ্যাপক ১৯৫০ খৃঃ পৰা প্ৰাগজ্যোতিষ কলেজৰ অধ্যক্ষ ।

পঞ্চ পুষ্প (১৯৬৮) সাহিত্য বিদ্যা পৰিক্ৰমা গান্ধী শিক্ষা সাৰ । মহাত্মাৰ বাণী আলোচনা গ্ৰন্থ আৰু কাৰ সেন্দুৰ (৭১) কবিতাৰ পুথি ।

প্ৰবেশিকা কথা চানেকি আৰু ৰামধেনু ১৯৫৭ত প্ৰকাশিত পুথি আৰু আলোচনী । ১৯৬০ খৃঃত পলাশবাৰীত অনুষ্ঠিত সাহিত্য সভাৰ অষ্টাবিংশ সন্মিলনৰ আলোচনা চক্ৰৰ আৰু ১৯৭১ খৃঃত মাকুমত অনুষ্ঠিত অষ্টাত্ৰিংশ অধিবেশনৰ মূল সভাৰ সভাপতি স্বৰূপে কাৰ্য্য নিৰ্বাহ কৰিছিল ।

ডক্টৰ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য

ডক্টৰ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্যৰ ১৯২৫ খৃঃৰ ১৬ ফেব্ৰুৱাৰী ১৮৪৭ শকৰ ৪ফাগুনত নলবাৰীৰ ওচৰৰ দীঘেলি বালিলেচাত জন্ম ।

নলবাৰী গৰ্ভন হাইস্কুলৰ পৰা ১৯৪৩ খৃঃত প্ৰথম বিভাগত লেটাৰ (V G) আৰু বৃত্তি সহ প্ৰবেশিকা, বি. বৰুৱা কলেজৰ পৰা ১৯৪৫

খৃঃ প্ৰথম বিভাগত বৃত্তি সহ আই.এ, কটন কলেজৰপৰা ১৯৪৮ খৃঃত ডিষ্টিংচন সহ বি.এ., ১৯৫০ খৃঃত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পৌন প্ৰথম বাৰ দ্বিতীয় শ্ৰেণীত প্ৰথম হৈ অসমীয়াত এম.এ. আৰু ১৯৬৫ খৃঃত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডি-ফিল ডিগ্ৰীলাভ।

১৯৪৭ খৃঃত সহকাৰী সম্পাদক দৈনিক অসমীয়া, ১৯৫১ খৃঃৰ পৰা অধ্যাপক বি. বৰুৱা কলেজ, বৰ্ত্তমান অধ্যক্ষ বি. বৰুৱা কলেজ।

অসমৰ লোক উৎসৱ (১৯৭০) Boro Folk songs and Tales ডক্টৰ ভট্টাচাৰ্য্যৰ ৰচিত পুথি। Post Gradnate Journal G.U· Ist Vol (১৯৫০) অসমৰ জনজাতি (১৯৬২) তৰুণ জাগৰণ (১৯৪৫) সন্ধান (১৯৫০) সম্পাদিত আলোচনী আৰু গ্ৰন্থ।

১৯৭১ খৃঃ মাকুমত অনুষ্টিত অষ্টত্ৰিংশ সন্মিলনৰ ডক্টৰ ভট্টাচাৰ্য্য আলোচনা চক্ৰৰ সভাপতি।

ডক্টৰ কালিনাথ শৰ্মা

১৯২১ চনত নলবাৰীত ডঃ শৰ্মাৰ জন্ম। ১৯২১ চনত তেখেতে কলিকতা বিশ্ববিদ্যালয়ৰ অধিনত প্ৰবেশিকা আৰু ১৯৪০ চনত উডিদ-বিদ্যা বিষয়ত সন্মানসহ বি-এছ্-চি ডিগ্ৰী লাভ কৰে। কাশীৰ হিন্দু বিশ্ববিদ্যালয়ৰ পৰা ১৯৪২খৃঃ এম-এছ্-চিত আৰু ১৯৫৯ চনত আমেৰিকাৰ এডিনবাৰ্গ বিশ্ববিদ্যালয়ৰ পৰা পি-এইছ্ ডি ডিগ্ৰী লাভ কৰে। ১৯৪২ চনৰ পৰা ১৯৭২ চনলৈ কটন কলেজ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপনা কৰি বৰ্ত্তমানে অসম চৰকাৰৰ শিক্ষা বিভাগৰ অতিৰিক্ত অধি-কৰ্ত্তাৰূপে অধিস্থিত হৈ আছে। বৰ্ত্তমানলৈ প্ৰকাশিত 'বিজ্ঞানৰ সাধু' (১৯৫২), 'প্ৰকৃতিৰ পুতুলা মেলা' (১৯৫৪), 'কোঁকোৰা কাইৰ বিয়া' বিয়া' (১৯৭১), আৰু 'আমাৰ দেহ' (ৰাষ্ট্ৰীয় বটা প্ৰাপ্ত পুথিঃ ১৯৭৩)। ডক্টৰ শৰ্মাৰ ৰচিত গ্ৰন্থ। ১৯৬৬ খৃঃত ডিব্ৰুগড়ত অনুষ্টিত সাহিত্য সভাৰ চতুত্ৰিংশ অধিবেশনৰ বিজ্ঞান শাখাৰ সভাপতি।

আব্দুছ ছাত্তাৰ

আব্দুছ ছাত্তাৰৰ ১৯২২ খৃঃৰ শিৱসাগৰৰ ওচৰত টিয়ক চাহবাগিছাত জন্ম। ১৯৪১ খৃঃত গুৱাহাটী কলিজিয়েট স্কুলৰ পৰা প্ৰবেশিকা, কটন কলেজৰ পৰা ১৯৪৩ খৃঃত আই-এ, ১৯৪৫ খৃঃত বি-এ, আৰু কলিকতা

বিশ্ববিদ্যালয়ৰ পৰা ১৯৪৯ খৃঃ অসমীয়াৰ এম-এ ডিগ্ৰী লাভ কৰিছিল। ১৯৫৩-৫৬ খৃঃলৈ ভাৰত আৰু আফগানিস্থান সাংস্কৃতিক বিনিময় চুক্তিমতে কাবুলত অধ্যয়ন।

প্ৰথমতে হাইস্কুলত শিক্ষকতা, ১৯৬০ খৃষ্টাব্দৰ পৰা শিক্ষা বিভাগৰ সামাজিক শিক্ষাৰ উপদেষ্টা, তিতাবৰ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ অধ্যক্ষ।

নৱজ্যোতি (১৯৩৮), মানুহ শৰাই ('৪০), অকণি অকণি পোৱাল মণি ('৫৯), অগ্নি পৰীক্ষাৰ ৰাজেন্দি ('৫৯), শিশু-সাহিত্য, গান্ধীজীৰ জীৱন কথা ('৬৯), জীৱন আৰিৰ ৰুইচৰ্টেন ('৭০), বাহাদুৰ গাঁওবুঢ়া ('৪৯), কিৰিছিং ধিয়াৰ বীণ ('৪২), ৰূপৰ ('৪২), সৰপ ('৪৩) নতুন গুৰু ('৪৫) সাহিত্য পুথি, সমাজৰ কাহিনী চুটি গল্প ('৬৩) নতুন পথৰ বাৰ্তা ('৬০), উপন্যাস, সাহিত্যকৰ ('৪৮) সংবিধানৰ অগ্ৰণী সংস্কৃতি ('৬৫) অসমীয়া সাহিত্যত বিভিন্ন আলোচনা ('৭০) সংস্কৃতিৰ চানেকি ('৭০) প্ৰসঙ্গকোৰ ('৬৩) আদি আলোচনা গ্ৰন্থ আৰু সৌভাগ্য প্ৰণমনি ('৬৪) বিদেশত দুদিনমান ('৫৭) বুনিয়াদী শিক্ষাৰ চমু আভাস ('৫৯) আদি আবদুছ ছাত্তাৰ ৰচিত আন পুথি।

ৰফিকুদ্দিন আহমদ হাজৰিকা ৰচনাৱলী (১৯৭০) তেওঁৰ সম্পাদিত পুথি।

অসম সাহিত্য সভা পত্ৰিকা অষ্টবিংশ আৰু উনত্ৰিংশ বছৰ ছাত্তাৰৰ সম্পাদনাত প্ৰকাশ হয়।

শ্ৰীঅৱনীন্দ্ৰ চন্দ্ৰ বৰা

জন্ম ইং-১৯৩১। জন্মস্থান—নগাওঁ।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম-এ, ; চাকৰি—১৯৬২-১৯৬৪ চনলৈ ৰাজ্যিক চৰকাৰৰ জনসম্পৰ্ক বিষয়া।

১৯৬৪-১৯৬৯ চনলৈ আকাশবাণী, গুৱাহাটী কেন্দ্ৰৰ গাঁৱলীয়া ৰেডিঅ' চ'ৰাৰ সংগঠক।

১৯৬৯ চনৰ পৰা ৰাজ্যিক চৰকাৰৰ সামাজিক শিক্ষা বিভাগৰ আলোচনী 'জনশিক্ষাৰ' সম্পাদক।

প্ৰকাশিত পুথি :—

(১) ধূলি (কবিতা) ১৯৫০ চন।

(২) কৃষক কমল (কাহিনী) ১৯৭৩ চন।

সম্পাদিত পুথি :—

(১) সতীৰ্থ (স্মৰণী), ১৯৫৯ চন।

(২) নবোদয় (সংকলন) ১৯৫৩ চন।

(৩) সমবায় (আলোচনী)

শ্ৰীগুৰুদত্ত ভাগৱতী

কামৰূপ জিলাৰ মাধবাহা গাঁৱত জন্ম। বৰপেটা হাইস্কুলৰ পৰা মেট্ৰিকুলেচন, বাৰানসী হিন্দু বিশ্ববিদ্যালয়ৰ পৰা আই, এ, আৰু কলিকতাৰ চেণ্ট্ৰেল হিন্দু কলেজৰ পৰা বি, কম, পাছ কৰে। বৰ্ত্তমান শ্ৰীভাগৱতী অসম চৰকাৰৰ পৌৰ প্ৰশাসন বিভাগৰ উপ-সঞ্চালক। এতিয়ালৈ আঠ খন গ্ৰন্থ প্ৰকাশ কৰিছে। তাৰে কেইখনমান হ'ল 'সমাজ উন্নয়ন', 'পঞ্চায়তৰ ৰাজ', 'অসমৰ চাহপাত মই', 'বানিজ্যৰ কথা' ইত্যাদি।